প্ৰাক্ শতবাৰ্ষিকী বিশেষ

দ্বি সহস্ৰাব্দৰ প্ৰথম সংখ্যা

# কটনিয়ান
# COTTONIAN

বাৰ্ষিক মুখপত্ৰ, কটন কলেজ

চতুৰ্সপ্তদশ সংখ্যা

১৯৯৯-২০০০

সম্পাদক ঃ অংকুৰণ দত্ত

কটনিয়ান
কটন কলেজৰ বাৰ্ষিক মুখপত্ৰ
কটন কলেজ ছাত্ৰ সন্থাৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত

## সম্পাদনা সমিতি

**উপদেষ্টা**

ড° মুক্তি দেৱচৌধুৰী

অধ্যাপক দিলীপ কুমাৰ বৰুৱা

ড° ৰামচৰণ ঠাকুৰীয়া

**তত্বাৱধায়ক**

ড° ৰমেশ পাঠক

**শিক্ষক সদস্য**

ড° ভবেন কলিতা

মঞ্জুদেৱী পেগু

**সম্পাদক**

অংকুৰণ দত্ত

**সদস্য**

প্ৰাণজিৎ বৰা

ময়ূৰী ৰাজকোঁৱৰ

অনুজ বৰা

**বেটুপাতৰ শিল্পী**

মনজিৎ ৰাজখোৱা
(প্ৰথম পৃষ্ঠা)

অশোক ৰাম
(শেষ পৃষ্ঠা)

**অংগসজ্জা/ অলংকৰণ**

সম্পাদক

**কম্পিউটাৰ ৰেখাংকন**

যাদব শৰ্মা

অতনু বিশ্বাস

**মুদ্ৰণ**

ডাউন টাউন কম্পিউটাৰ
স্থুইচ-গেট, ভৰলু, গুৱাহাটী- ৯
ফোন ঃ ৫১৪২৪৫

**COTTONIAN ( LXXIV Issue) :** The Annual Journal of Cotton College, published by Cotton College Union Society, Cotton College, Panbazar, Guwahati-1

# উৎসর্গা

‘পুৱাই আহিছে দুখৰ ৰাতি
চাচোন চা, চকুলোৱে তোৰ
আৰৰি ৰাখিছে সোণালী বেলি.....’

দুখৰ মাজতো, অশান্তিৰ মাজতো
বিশ্ববাসীক জীয়াই থাকিবলৈ প্ৰেৰণা যোগোৱা
বিগত সহস্ৰাব্দৰ প্ৰত্যেকটি
পুণ্যাত্মাৰ মধুৰ স্মৃতিত.......

☆ ☆ ☆ ☆

আকৌ এটি নতুন প্ৰভাতৰ
আশাত ---

## আমি কৃতজ্ঞ

ড° মুক্তিদেৱ চৌধুৰী, অধ্যাপক দিলীপ কুমাৰ বৰুৱা, ড° ৰামচৰণ ঠাকুৰীয়া, ড° শ্যামা প্ৰসাদ শৰ্মা, শৰৎ ৰাজখোৱা, অধ্যাপক পৱন কুমাৰ বৰুৱা, অধ্যাপক কেশৱ শৰ্মা, অধ্যাপক দেৱ কুমাৰ বৰদলৈ, অধ্যাপক তৰুণ চন্দ্ৰ শৰ্মা, ড° গৰিমা কলিতা, অধ্যাপিকা অৱন্তী ভৰালী, অধ্যাপক শান্তনু ফুকন, অধ্যাপক প্ৰশান্ত চক্ৰৱৰ্তী, অধ্যাপিকা লুটফা হানুম চেলিমা বেগম, অধ্যাপক মহাদেৱ পাটগিৰী

কটন কলেজৰ সকলো অধ্যাপক -অধ্যাপিকা- প্ৰৱক্তা

ড° সূৰ্যকান্ত ভূএগ পুথিভঁড়ালৰ সমূহ কৰ্মচাৰী

কটন কলেজৰ অন্যান্য সকলো কৰ্মচাৰী

আৰু

প্ৰত্যেকগৰাকী ন- পুৰণি কটনিয়ানৰ ওচৰত সম্পাদনা সমিতি চিৰ কৃতজ্ঞ।

# শ্ৰদ্ধাঞ্জলি

৮৬ বছৰ বয়সতো 'গজানন হাজৰিকা'ৰ ভাৰত মঞ্চ কঁপাই যোৱা, চিৰ-তৰুণ, সদা হাস্যময়, সকলোৰে বন্ধু, সহৃদয় আৰু শুভাকাংক্ষী — লক্ষ্যধৰ চৌধুৰী

' আচল মানুহ', 'বৈৰী মানুহ', 'ভাড়াঘৰ' আদিৰ স্ৰষ্টা, সাহিত্যিক— হিতেশ ডেকা

ভাষা তত্বৰ নিৰলস সাধক — ড° উপেন্দ্ৰ নাথ গোস্বামী

অসমীয়া কথা সাহিত্যৰ মুকুটবিহীন সম্ৰাট— চৈয়দ আব্দুল মালিক

বড়ো সাহিত্যসভাৰ সভাপতি - বিনেশ্বৰ ব্ৰহ্ম

অসমৰ লোক সংস্কৃতিৰ জগতৰ এগৰাকী বিশিষ্ট সাধক, জিকিৰ সম্ৰাট - ৰেকিবুদ্দিন আহমেদ আৰু পত্নীসহ তেওঁৰ সঙ্গীবৃন্দ

অসমৰ সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সেৱক - ৰসেশ্বৰ শইকীয়া বৰবায়ন

কটন কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগৰ জেষ্ঠ অধ্যাপক— চণ্ডীদেৱ শৰ্মা

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ তথা শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ আৱাসী— ভুপেশ কুমাৰ ৰয়

স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ তথা মহেন্দ্ৰ নাথ ডেকা ফুকন ছাত্ৰাবাসৰ আৱাসী— টাহাব মিজে

কটন কলেজৰ এগৰাকী নিষ্ঠাবান কৰ্মচাৰী তথা প্ৰতি পদক্ষেপতে ছাত্ৰক সহায় কৰা— কুল শইকীয়া

বিশিষ্ট সমাজ কৰ্মী, ৰাজনীতিক, প্ৰাক্তন সাংসদ, শিক্ষাবিদ - অজিত কুমাৰ শৰ্মা

জমিয়ত নেতা, বাঁশকান্দিৰ পীৰ, স্বাধীনতা সংগ্ৰামী - মৌলানা আহমদ আলী

নলবাৰীক দীৰ্ঘদিনৰ বাবে বিধান সভাত প্ৰতিনিধিত্ব কৰি অহা অগপ নেতা - নগেন শৰ্মা

শিক্ষাবিদ - উমাকান্ত শৰ্মা

প্ৰাক্তন সাংসদ - বেদৱতী বুঢ়াগোহাঞি

ভাৰতীয় ৰাজনীতিৰ নতুন প্ৰজন্মৰ দু ই উজ্জ্বল প্ৰতিভা - পি. আৰ. কুমাৰমংগলম আৰু ৰাজেশ পাইলট

বৰীয়ান নেতা, কংগ্ৰেছ দলৰ প্ৰাক্তন সভাপতি — সীতাৰাম কেশৰী

উগ্ৰপন্থীৰ হাতত নিহত নিৰপৰাধী ব্যক্তিসকল, গুপ্তহত্যাৰ বলি হোৱা সকল, প্ৰাকৃতিক দুৰ্যোগত নিহত, বিভিন্ন দুৰ্ঘটনাত নিহত, দেশ প্ৰতিৰক্ষাৰ লগত নিহত আৰু বিভিন্ন কাৰণত অকালতে মহাপ্ৰস্থান কৰা সকলো ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

তেখেতসৱৰ আত্মাই চিৰ শান্তি লাভ কৰক।

# সূচীপত্ৰ

আবাহন - ৰঘূনাথ চৌধাৰী
সম্পাদকীয় - এটা আপোচ নকৰা সহস্ৰাব্দৰ আত্মকথা

## চিন্তাশিল্প

কটনৰ টুকুৰা স্মৃতি / চৈয়দ আব্দুল মালিক / ১৩
শিক্ষা আৰু সংযোগ বিপ্লৱ / ড° কুলেন্দু পাঠক / ১৪
পৰিমেয় দৃষ্টিত চন্দ্ৰকান্ত অভিধান, আধুনিক অসমীয়া শব্দকোষ ইত্যাদি / হিৰণ্য কুমাৰ বৰ্মণ / ১৬
উত্তৰ-আধুনিকতাবাদ প্ৰসঙ্গত / কমল কুমাৰ তাঁতী / ১৮
অসমৰ পৰম্পৰাগত সত্ৰীয়া নৃত্য গীত- এটি পৰ্য্যালোচনা / পাৰুল শইকীয়া / ২৫
আমেৰিকা মহাযুদ্ধৰ আখৰা আৰু বিপদাপন্ন বসুন্ধৰা / সৌৰভ জ্যোতি শৰ্মা / ৩৯
নৈৰাজ্যবাদ, ৰাষ্ট্ৰ আৰু কিছু প্ৰাসঙ্গিক চিন্তা / সিদ্ধাৰ্থ শংকৰ ডেকা / ৩১
ব্লেকহ'ল আৰু মহাবিশ্বত ইয়াৰ অনুসন্ধান / গৌতম প্ৰসাদ নাথ /৩৪
উত্তৰ-পূৰ্বাঞ্চলৰ বিচ্ছিন্নতাবাদী আন্দোলন / মুকুট শৰ্মা / ৩৯
পথৰুঘাটৰ ঐতিহাসিক কৃষক বিদ্ৰোহ-- এটি পৰ্য্যালোচনা / অৰূপ কুমাৰ নাথ /৪২
অঙ্কীয়া নাট্য-সাহিত্যত চমু আলোকপাত / সুৰভি মাধুৰী গগৈ /৪৬
ৱৰ্ডছ্বৰ্থৰ কবিতাৰ কেইটামান দিশ / অনিমেষ দাস /৪৮
প্ৰাচীন ভাৰতৰ ৰাজনীতি / মিনতি কুৰ্মী /৫১
অৰ্থনৈতিক গোলকীকৰণ আৰু ভাৰত / ভাস্কৰজ্যোতি কোঁৱৰ / ৫৩
উত্তৰপুৰুষ, ভাষাজননী, আধুনিকতা ইত্যাদি / প্ৰশান্ত চক্ৰৱৰ্তী / ৫৫
অধ্যাপক অতুল চন্দ্ৰ দত্ত - শতবৰ্ষৰ সোঁৱৰণত / তৰুণ শৰ্মা / ৫৭

## কথাশিল্প

মৰনৈৰ বান / হেমেন গগৈ / ৬১
বিপ্লৱ দীৰ্ঘজীৱী হওক / জয়ন্ত কুমাৰ চুতীয়া / ৬৫
দুঃসময়ৰ পিছত / প্ৰাঞ্জল শৰ্মা বশিষ্ঠ / ৬৮
বেদনাৰ ৰং ৰূপোৱলী / স্বপ্নালী বৰগোঁ হাই / ৭০
নিঃসৃত পোহৰ / অংগনা চৌধুৰী / ৭২
উপালন্ত ক্ষণ / অপৰাজিতা পূজাৰী / ৭৫

## সৃষ্টি ছন্দ

গুৱাহাটী / লুট্‌ফা হানুম ছেলিমা বেগম / ৭৯ এটা আড্ডাৰ জীৱন / দুলাল শইকীয়া / ৮০ কটনিয়ান / ডিম্পল কুমাৰ চহৰীয়া / ৮০ এজাক প্ৰেমৰ বৰষুণত তিতাৰ সাধুকথা / প্ৰদীপ কুমাৰ নায়ক / ৮১ দীঘলী পাৰৰ এটি এটা সন্ধা /— শ্যামল মিত্ৰ বৰুৱা ৮১ আত্মিক / মৌচুমী কাকতি /৮২ তোমাৰ ছিঙা চুলি / কমল কুমাৰ মেধি /৮২ মৈদাম / অনন্ত চহৰীয়া/ ৮২ ভাবিছিলো তুমি মোৰ / বিদ্যুৎ বৰুণ শৰ্মা / ৮৩ দীঘলী পুখুৰী / ধ্ৰুৱজ্যোতি তালুকদাৰ / ৮৩ অতীত / অবিনাশ বৰা / নিজৰ বিষয়ে / ৮৪ আশা / জ্যোতি প্ৰকাশ দাস / ৮৪ কবিতা / জ্যোতি প্ৰকাশ মেধি / ৮৪ উপলব্ধীৰ অন্য সংজ্ঞা / অসীম বৰঠাকুৰ / ৮৫ বতৰ / দিব্যজ্যোতি বৰা / ৮৫ সপোন / আকাশবন্তি গগৈ / ৮৬ পোহৰ বিচাৰি / অনুপম বৈশ্য / ৮৬ চিনাকি / ভবেশ ডেকা / ৮৭ তাচপাতৰ ঘৰ / ৰঞ্জিত কুমাৰ দাস / ৮৭ প্ৰশ্ন নকৰিবি / ৰত্নোত্তমা দাস / ৮৭ প্ৰেম, মৃত্যু ইত্যাদি / ৰঞ্জিত কুমাৰ দাস / ৮৭ বাক / অংকুৰণ দত্ত / ৮৮ বিপ্লৱী বন্ধু / ৮৮

## শাস্ত্ৰীয় আৰু জনগোষ্ঠীয় ভাষা

নলিনী বালাম্ আত্ম দৰ্শনম্ / সুধেন্দু মোহন ভদ্ৰেণ / ৮৯
কাব্যষ্য উৎকৰ্ষসাধনে প্ৰাচীৰপত্ৰিকায়া ঃ ভূমিকা / সঞ্জয় শৰ্মা /৯১
Persian Language and Literature in India / Md. Babur Ali / 92
ৰুবায়েত / মিছ নজৰানা চৌধুৰী / ৯৫
মৃত্যু / গাজিবুৰ ৰহমান / ৯৫
পবিত্ৰ আল্লাহৰ গুণাগুণ সম্পৰ্কে / গুলমেহেৰা বেগম /
O Angni College / T. D. H. Basumatary /96
বাৰহায়া / দাউদ চন্দ্ৰ বৰো / ৯৬
আংগৌ / ভিক্তৰ নাৰ্জাৰী / ৯৬
আইচিংলাও / ভাস্কৰজিৎ নেওগ / ৯৬
Kumdung Do: nyipo:lo Nom/ Gokul Doley / 99
Khani Grathai / 100
দেশে দেশে কবিতা /দিলীপ তালুকদাৰ / ১০১
সভ্যতাৱ বিপৰ্যয় ঃ কবি জীৱনানন্দ / ১০২

পদ্মনাথ ভট্টাচার্যের 'কামরূপশাসনাবলী'র মুখবন্ধ - একটি পর্যালোচনা / নন্দিতা ভট্টাচার্য গোস্বামী / ১০৪
শৈলীবিজ্ঞানের আলোয় সংবাদ পত্রের ভাষা / ড° পার্থ সারথি মিশ্র / ১০৪
চল-না দু'জন পালাই / অভিজিৎ চক্রবর্তী / ১০৭
দুঃখী সানাই, বন্ধু হবি? / অভিজিৎ চক্রবর্তী / ১০৯
आसमिया मनोवैज्ञानिक उपन्यास एक परिचय / नारायण तालुकदार/১১০
ब्रह्मवाद और कबीर / पंकज नाथ /১১২
एक और प्रेम काहानी / मोनिका बक्षी /১১৪
शुन्यता / ऋता भट्टाचार्जीर /১১৫
मधुर स्मृति / व्दारा गोपाल देब /১১৫
ये कुछ कविताएँ / नन्दिनी भटटाचार्या/১১৬
इंतेजार / सोनिका बक्षी /১১৬

## ভিন্ন ছন্দ

এটা ভাল লগা গল্পৰ এফাল / আকাশী তৰা / ১১৭ অভিজ্ঞতা / সুস্মিতা দাস / ১১৮ সপোনে খেপিয়াই ফুৰে মানুহ / ভাস্কৰজ্যোতি গগৈ / ১২০ বিষয়ঃ শূন্যতা / ধ্রুৱার্ক চৌধুৰী / ১২৩ এটা বিদ্রোহী সপোন / হিমাংশু প্রসাদ দাস / ১২৪ বাঁহীৰ সুৰ / টিকেন্দ্রজিত গগৈ / ১২৫ গাঁৱৰে জেউতী সপোন সুন্দৰী / ধনজিৎ দাস / ১২৫ সমস্যা / বিনীতা নাথ / ১২৬ এক অঁৰা লিমাৰিক / প্রবাল পীযুষ /১২৬ নেহেৰু পাৰ্কৰ চিত্ৰহাৰ / বীৰেন বৰপূঁজাৰী / ১২৬

## অভিমত

কটন কলেজৰ বিষয়ে মোৰ কল্পনা / ড° মামণি ৰয়ছম গোস্বামী / ১২৭
অভিমত /১২৯
সেউজীয়া প্রাচীৰৰ সোণোৱালী সুবাস / ১৩৪

## ENGLISH SECTION

The Ramayana of Durgabara/ Dr. Ramcharan Thakuria / 137
Fund-Strapped Cotton College & an Agenda: random thoughts / Dilip Kumar Baruah / 139
Wild Life Conservation-A Review / Dr. Rabin Benerjee / 141
Child Labour / Ankita bhattacharya / 142
Octavio paz-- His passion for everything Indian / Hemolata Taro /143
Remote Sensing And GIS : As Media of Communication / Rebati Rekha Dutta /144
Indo-US Relations in the 21st Centurythe Huge Potential It Holds / Rupak Jyoti Borah / 146
Medical Marvels in the New Millenium / Jahnabee Dutta /148
Elements of Bio-Diversity / Binoy Kumar Saikia / 149
The Blueprint For a New India / Dr. Arup Kr. Hazarika / 150
My Days as a Teacher of Cotton College / Prof. Hari Dev Goswami /152
For No Reason At All / Manali Baruah /154
When the Heart Speaks / Ankurita Pathak /156
My Lost Self / Debaroopa Bhattacharyya /158
Waves / Dibyajyoti Sarma Borbora /158
Oblivion / Soumya Dev /159
Masquerade / Rimi Phukan /159
Juxtaposing / Gitima Das/ 159
Apocalypse / Dipankar Sharma /159
Go, Give Them The News/ Pradip Acharya/160
Near the Bank of a River / Sonika Bakshi /160

## LENSCAP COTTONIAN

সম্পাদকীয় প্রতিবেদন
Principals of Cotton College/ 180
1st Batch of Cottonian /182
Editor's List / 183
Last Page / 184

# আৱাহন

*— বিহগী কবি ৰঘুনাথ চৌধাৰী*



আজি সুপ্ৰভাতে নৱ অনুৰাগে
ৰঞ্জিতা প্ৰকৃতি ৰাণী,
অপাৰ্থিৱ স্নেহ বিতৰিছে আহা
করুণাৰ ছবিখনি।

উষাৰ ৰহণ সনা দুগালত
বালাৰ্ক সিন্দূৰ ভালে,
পৱিত্ৰ ভাৰত প্ৰাণ মুগ্ধ হয়
স্বৰ্গীয় দৃশ্যটি চালে।

কুসুমাভৰণা দেৱ দিব্যাঙ্গনা
আনন্দে মগনা আজি,
প্ৰকৃতি ৰাজ্যত বিহৰিছে ৰঙ্গে
দিব্য অলঙ্কাৰে সাজি।

কুঞ্জ কাননত বহি শিলাসনে
মিলি যত দেৱবালা,
বনফুল ছিঙি যতনেৰে গাঁথি
পিন্ধায় প্ৰেমৰ মালা।

অসীম অনন্ত সুনীল গগন
আনন্দে চুমিছে গিৰি,
প্ৰেম-অশ্ৰু টুকি বইছে তটিনী
কুলু কুলু সুৰ ধৰি।

প্ৰতি গছে গছে লতায় লতায়
নবীন মাধুৰী খেলে,
অব্যক্ত আৰাৱ শুনি বিহঙ্গৰ
নাচে প্ৰাণ তালে তালে।

শেৱালি-বকুল ৰাশি ৰাশি ফুল
ফুলিছে কানন ভৰি,
প্ৰেম আলিঙ্গন কৰিছে ধৰাক
দুবৰি বনত পৰি।

হালি জালি যেন জনাইছে সেৱা
আনন্দ উলাহে উটি,
আঁজলি আঁজলি পূজিছে মাতৃৰ
পদুম চৰণ দুটি।

কিবা অপৰূপ প্ৰকৃতিৰ শোভা
আহা কি সুখৰ দিন,
যতী সামবেদী কৰে বেদপাঠ
প্ৰেমানন্দে সৱে লীন।

বিষাদে মলিনা দীনা হীনা আজি
জননী জনমভূমি,
ধৰিছে তৰুণ লাৱণ্য মূৰতি
চালে যায় হিয়া পমি।

আহঁা হে জননী ইন্দু-নিভাননী,
দিয়াহি জ্ঞানৰ ভাতি,
হৃদয় মন্দিৰ ভক্তি নীৰে ধুই
ৰাখিছোঁ আসন পাতি।

নাজানো সাধনা নাজানো ভজনা
নাজানো বন্দনা আই,
নহওঁ তোমাৰ সুযোগ্য সন্তান
পূজিবৰো শক্তি নাই।

সাদৰে গ্ৰহণ কৰাহে জননী,
সেৱকৰ পুষ্পাঞ্জলি,
স্বাৰ্থ বলিদান জীৱন আহুতি
দিলোঁ চৰণত ঢালি।

❐ ১৯০১ চনৰ ২৭ মে'ইংৰাজী তৰিখে কটন কলেজ প্ৰতিষ্ঠাৰ উদ্বোধনী সভাত বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱে এই কবিতাটি আবৃত্তি কৰিছিল। প্ৰণিধানযোগ্য যে বহুতো পণ্ডিতে মত পোষণ কৰাৰ দৰে আৰু কটন কলেজৰ গৌৰৱোজ্জ্বল ইতিহাসত থকা উল্লেখ মতে এই কবিতাটোৰ (গান আকাৰে গাইছিল বুলি শুনা যায়) লগত 'হাৰমনিয়াম' সংগত কৰিছিল কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈদেৱে। স্মৃতি হৈ লুকাই যোৱা এই কবিতাটো বহু কষ্টৰ বিনিময়ত উদ্ধাৰ কৰি পুনঃপ্ৰকাশ কৰা হ'ল। *— সম্পাদক*

# এটা আপোচ নকৰা সহস্ৰাব্দৰ আত্মকথা

দ্বি-সহস্ৰাব্দৰ শ্ৰেষ্ঠ ব্যক্তিত্ব

হিপ্পিয়াছ এথেন্সলৈ আহিছে আৰু ছক্ৰেটিছে লগ পাই 'স্বাগতম' জনাই বহুদিন নহাৰ কাৰণ সুধিছে। হিপ্পিয়াছে কৈছে যে তেওঁৰ নিজা চহৰ এলিছত তেওঁৰ কুটনৈতিক প্ৰতিভাৰ অশেষ সমাদৰেই তাৰ কাৰণ। বুঢ়াপণ্ডিত সকল ৰাজনীতিৰ পৰা লাহে লাহে আঁতৰিছে, ৰাজহুৱা কথাত তেওঁলোক নিজৰ জ্ঞান প্ৰয়োগ কৰাত অসমৰ্থ হৈ পৰিছে, কাৰণ তেওঁলোকতকৈ তেওঁলোকৰ ডেকা উত্তৰাধিকাৰী সকল সকলো প্ৰকাৰে এতিয়া ওপৰত। গোৰজিয়াছ, প্ৰোদকাছ আৰু প্ৰোটাগোৰাচেই, চাওকচোন, কিমান ধনী হৈ পৰিছে। হিপ্পিয়াছে গৰ্ব কৰিলে যে তেওঁ ইতিমধ্যে এথেন্সলৈ আহি বাগ্মী বুলি নাম কৰি যোৱা গোৰজিয়াছ আৰু প্ৰোদিকাছতকৈও বেচি টকা পইচা কৰিছে। কিন্তু তেওঁতো প্ৰায়ে স্পাৰ্টালৈ আহে, তাত তেওঁ টকা কৰিব নোৱাৰিলে, কাৰণ স্পাৰ্টৰ আইনে ডেকাহঁতৰ 'বিদেশী শিক্ষা'ৰ বাবে অনুমতি নিদিয়ে। ছক্ৰেটিছে ক'লে, প্ৰকৃততে আইন বা বিধি উপকাৰক হ'ব লাগিব, উপকাৰত আহিব লাগিব। হিপ্পিয়াছৰ মতে তেওঁৰ শিক্ষা স্পাৰ্টাৰ নিজা শিক্ষাতকৈ বেচি উপকাৰত আহিব। হিপ্পিয়াছে জ্যোৰ্তিবিদ্যা, গণিত, ব্যাকৰণ আদি শাস্ত্ৰত নিজৰ বুৎপত্তিৰ কথা কৈ গ'ল। হঠাতে ছক্ৰেটিছৰ মনত পৰিল, মাজতে কাৰোবাৰ ওচৰত 'সৌন্দৰ্য্য কি? এই প্ৰশ্নৰ উত্তৰ লৈ লাজত পৰিছিল, ছফিষ্ট এজনক ল'গ পাই সুধিম বুলি ভাবি থৈছিল, সুবিধাতো পাই কথাটো উলিয়ালে। হিপ্পিয়াছে কলে-- এইটো এটা অতি সহজ প্ৰশ্ন, তেওঁ ছক্ৰেটিছকে প্ৰশ্নকৰ্ত্তা বুলি ধৰি 'তেওঁক বাৰু এই বিষয়ত শিক্ষা দান কৰিব।'

সকলো সুন্দৰ বা ধুনীয়া বস্তু সৌন্দৰ্য্য থকা বাবেই সুন্দৰ। তেনেহলে এই সৌন্দৰ্য্য কি? ছক্ৰেটিছে প্ৰশ্ন কৰিলে।

প্ৰশ্নটো এনেকৈ লওঁহক, সুন্দৰ কি?

আপত্তি আছে, হিপ্পিয়াছ।

এজনী সুন্দৰী ছোৱালী এটা সৌন্দৰ্য্য।

কিন্তু অন্য সুন্দৰ বস্তু বিলাকো তেনেহলে 'সৌন্দৰ্য্য' হ'ব, যেনে এজনী ধুনীয়া ঘোঁৰা, এটা ধুনীয়া বাঁহী, এটা ধুনীয়া পাত্ৰ। হিপ্পিয়াছে এনেকুৱা নিম্ন খাপৰ উদাহৰণবোৰ দিয়াত বেয়া পালে। উচ্চ পৰ্য্যায়ৰ সুন্দৰ বস্তু বিলাকৰ তুলনাত এই বিলাক সুন্দৰ নহয়। কিন্তু হিপ্পিয়াছ। এগৰাকী দেৱীৰ তুলনাত এজনী সুন্দৰী ছোৱালীও কুৎসিত হৈ পৰে। সেইকাৰণে 'সৌন্দৰ্য্য'ক নিজা ৰূপত জানিবলৈ বিচাৰিছো।

ছক্ৰেটিছক সন্তুষ্ট কৰিবৰ বাবে হিপ্পিয়াছে 'কেতিয়াও ক'তো কুৎসিত' নোহোৱা কি হ'ব চিন্তা কৰি কলে-- সকলো ঠাইত মানুহৰ বাবে সম্পত্তি, স্বাস্থ্য, দীৰ্ঘজীৱন, মৃত্যুত 'সৎকাৰ' আদি সুন্দৰ বুলি স্বীকাৰ কৰিব লাগিব। ছক্ৰেটিছে কলে যে 'সৌন্দৰ্য্য কি?' এনে প্ৰশ্ন কৰা লোকক 'সকলো মানুহৰ বাবে সকলো ঠাইতে কি সুন্দৰ' তাৰ বৰ্ণনাই সন্তোষ দিব নোৱাৰে। তদুপৰি হিপ্পিয়াছে তেওঁৰ সুন্দৰৰ শেহতীয়া সুত্ৰত দেৱতা বা দেৱতাৰ সন্তান সকলক ধৰা নাই।

যদি আমি পূৰ্বৰ আলোচনালৈ ঘুৰি আহি কওঁ -- যিটো উপযোগী সেইটো নিজেই সুন্দৰ।

কিন্তু সৌন্দৰ্য্য এনে এটা বস্তু হ'ব লাগিব যি আনক সুন্দৰ কৰে, দেখাত সুন্দৰ হওক বা নহওক।

কিন্তু উপযোগিতাই বস্তুক সুন্দৰ কৰে। সুন্দৰ কৰি দেখুৱায়ো।

যদি সুন্দৰ বস্তু দেখাত সুন্দৰ হ'লহেঁতেন, তেতিয়াহলে প্ৰচলিত আচাৰ ব্যৱহাৰ লৈ বিবাদবোৰ নহ'লহেঁতেন। গতিকে আমি এই দুটাৰ এটা বাচি ল'ব লাগিব, উপযোগিতাই বস্তুক সুন্দৰ কৰি দেখুৱায়নে, নে সুন্দৰেই কৰে।

প্ৰথমতে, ছক্ৰেটিছ!

তেতিয়াহলে উপযোগীটো সৌন্দৰ্য্য নহয়। হিপ্পিয়াছে নিশ্চিত ভাবে কলে, তেওঁ অকলশৰীয়াকৈ ভাবিবলৈ পোৱা হ'লে সৌন্দৰ্য্যৰ লক্ষণ দিব পাৰিলেহেঁতেন। ছক্ৰেটিছে তেওঁক অহঙ্কাৰ নকৰিবলৈ আৰু এই পৰ্য্যায়ত আঁতৰি নাযাবলৈ অনুৰোধ জনালে।

যি বিলাকে বেয়া কাম কৰে, ক্ষমতাৰেই কৰে, সেই কামৰ বাবে লগা ক্ষমতাৰেই। সেয়ে অধিক বিশেষণ নোহোৱাকৈ ক্ষমতা আৰু ব্যৱহাৰ যোগ্যতাক, সৌন্দৰ্য্যৰ লক্ষণৰ বাবে ল'ব নোৱাৰি।

তেতিয়া হ'লে, 'ভাল বা উপকাৰক'ৰ বাবে যি ক্ষমতা আৰু ব্যৱহাৰযোগ্যতা, সেয়া সৌন্দৰ্য্য হওঁক।

তেতিয়া আকৌ 'ভাল'ৰ কাৰণ 'সৌন্দৰ্য্য বা সুন্দৰ' 'ভাল' হব নোৱাৰে, 'সৌন্দৰ্য্যৰ কাৰ্য্য 'লাভ' সুন্দৰ হ'ব নোৱাৰে, কাৰণ, কাৰণ আৰু কাৰ্য্য একে হ'ব নোৱাৰে। গতিকে আমি এইটো লক্ষণো ল'ব নোৱাৰো। ছক্ৰেটিছে পৰামৰ্শ দিছে, শ্ৰৱণ আৰু দৰ্শনৰ যোগেদি পোৱা 'আনন্দদায়ক' বোৰ 'সুন্দৰ' বুলি লোৱা হওক।

এইদৰে আলোচনা গভীৰৰ পৰা গভীৰলৈ আগবাঢ়ি গ'ল। তেওঁলোক দুয়ো অনুভৱ কৰিলে যে দুটা আনন্দৰ বাবে সাধাৰণ বুলি বিচাৰৰ প্ৰয়োজন। মন কৰিবলগীয়া হ'ল যে বহুত আনন্দ আছে যিবিলাক সুন্দৰ নহয়।

তেওঁলোকৰ বিচাৰত 'দৰ্শন আৰু শ্ৰৱণ' উভয়ৰ যোগেদি পোৱা আনন্দ বিলাককে সুন্দৰ বুলি গ্ৰহণ কৰাত অসুবিধা ওলাল।

আমিনো এই দুটাৰে কিয় আৰম্ভ কৰিলো? কাৰণ এই দু টাই আটাইতকৈ ভাল আৰু নিৰাপদ। তেন্তে 'উপকাৰী' আনন্দ টোৱেই সুন্দৰ হ'ব নোৱাৰে আৰু সুন্দৰ ভাল হ'ব নোৱাৰে, কাৰণ কাৰ্য্য আৰু কাৰণ অভিন্ন হ'ব নোৱাৰে।

খঙেৰে হিপ্পিয়াছে প্ৰতিবাদ কৰি ক'লে যে এই কল্পনা-জল্পনা বিলাক নিৰৰ্থক। বাগ্মীসুলভ আৰু প্ৰত্যয়জনক ভাষণেৰে নিজৰ জীৱন, সম্পত্তি আৰু বন্ধু জনক ৰক্ষা কৰিব পৰা ক্ষমতাই সৌন্দৰ্য্য!

এনে সিদ্ধান্তত প্ৰকাৰান্তৰে অসন্তোষ প্ৰকাশ কৰি ছক্ৰেটিছে ক'লে যে 'যিটো সুন্দৰ সেইটো দুৰ্বোধ্য'। এই জ্ঞান তেওঁ লাভ কৰিলে।

আলোচ্য প্লেটোৰ সংলাপৰ পৰা আমিও এটা কথাত নিশ্চিত - যিটো সুন্দৰ সেইটো দুৰ্বোধ্য। সেইটো বিচাৰি উলিওৱাটো টান। এলবাৰ্ট আইনষ্টাইনে কৈছিল - ৰহস্যতেই সৌন্দৰ্য্য লুকাই আছে। এই সৌন্দৰ্য্য তাৰ বাবে আচহুৱা যি কেতিয়াও আচৰিত হ'বলৈ শিকা নাই- তেওঁ মৃতকৰ তুল্য।

## দ্বি-সহস্ৰাব্দৰ প্ৰথম সম্পাদকীয়

বিগত সহস্ৰাব্দটোৰ সৌন্দৰ্য্য এবাৰ উপলব্ধি কৰক। দুখনকৈ বিশ্বযুদ্ধ, প্ৰতিটো দিনতেই মৃত্যু হোৱা হাজাৰ হাজাৰ লাখ লাখ নিৰীহ জনতাৰ হিচাপ, মুখাপিন্ধি উপাধি লোৱা কোটি জনৰ আত্মকথা আৰু কেৱল সৌন্দৰ্য্যক আকোঁৱালি লোৱা কেইটামান শান্তি প্ৰিয় প্ৰাণ— আহক, এহেজাৰ বছৰৰ এটা সামগ্ৰিক দৃশ্যৰ কল্পনা কৰোঁ -- যি অতীত হৈ গ'ল - কিন্তু ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক বৈজ্ঞানিক আৰু সাহিত্যৰ বাবে ভৱিষ্যৎ!

### অধিবাস্তৱ ঃ যোগ্য-ভোগ্য বসুন্ধৰা

আজি আমি যিখন সভ্য সমাজত বাস কৰিছোঁ, এই সমাজ হঠাতে এদিন গঢ়ি উঠা নাছিল। যুগ-যুগান্তৰ ধৰি চলি থকা অবিৰাম প্ৰচেষ্টাৰ ফলতহে মানুহ আজিৰ অৱস্থাত উপনীত হৈছেহি। অৰাজকতাৰ পৰা মুক্ত কৰিবৰ বাবে এজন শাসকক 'ৰজা' ৰূপে ভগৱানে আমালৈ প্ৰেৰণ কৰিছিল— এই সহস্ৰাব্দৰ আগত আৰু এতিয়া এটা সহস্ৰাব্দৰ পিছত আমি নিজেই নিজক অনুভৱ কৰিছোঁ। আমি প্ৰত্যেকজন ৰজা। আমি ইচ্ছা কৰি এজন ঈশ্বৰ উপল্বদ্ধি কৰিব পাৰোঁ। ৰাজনৈতিক পটভূমিত বিশ্বৰ যোৱা হাজাৰটা বছৰৰ আৰম্ভণি ফকিৰ পিটাৰ নামে এজন খ্ৰীষ্টান সাধুৱে হাতত এটা ক্ৰছ লৈ খালী ভৰিৰে ফ্ৰান্স আৰু জাৰ্মানী ভ্ৰমণ কৰি খ্ৰীষ্টান তীৰ্থযাত্ৰীসকলৰ ওপৰত অত্যাচাৰ ক্ৰমাত বাঢ়ি যোৱা কথাবিলাক প্ৰচাৰ কৰি খ্ৰীষ্টান সকলক বিধৰ্মীৰ হাতৰ পৰা পবিত্ৰ তীৰ্থক্ষেত্ৰ উদ্ধাৰ কৰিবলৈ জনোৱা আহ্বানৰ পৰা আজি এই দিনটোলৈকে কল্পনাও কৰিব নোৱাৰা এখন তেজলগা ইতিহাস ৰচিত হৈছে। আপোনজনে আপোনজনৰ বাবে আগৰ দিনে একান্তচিত্তে ভাবিছে— "লক্ষ লক্ষ লোকের মধ্যে কোথাও - একটি লোক আছে, যাকে দেখার সঙ্গে সঙ্গেই আমার মন চঞ্চল হয়ে উঠে। সেই বিশেষ লোককেই বার বার দেখবার জন্যে, তার কাছে যাবার জন্যে মনে শুরু হয়ে যায় এক বিচিত্র সজাগত। মনে হয় পৃথিবী আমাকে যা দিতে পারে, সেই একটি লোকের হাত দিয়েই আমি তা পাব, সে আসলেই আকাল হেয়ে উঠবে, সে কথা বললেই তারায় তাবায় কথা জেগে উঠবে....... যে পুথির মানে এতদিন নিরর্থক ছিল, সে পাশে এলেই আপনা থেকে তাতে মনে ধরা পড়বে ..... "। এটা নিশাৰ কোমল স্পৰ্শৰ অন্তত তেওঁ খবৰ পাইছে মৃত্যুৰ স'তে মিতিৰালি কৰা আপোনজন হেৰাই গ'ল -- অপঘাত, হত্যা নতুবা অন্য প্ৰকাৰে। এটা সহস্ৰাব্দত কিমান সহস্ৰজনৰ বুকু সুদা হৈছে এনেদৰে!

১০৯৫ খ্ৰীঃত আৰম্ভ হৈ ১২৪৯ খ্ৰীঃত শেষ হয় তথাকথিত ধৰ্মযুদ্ধৰ। বিশ্বৰ সেই খনেই শেষ ধৰ্মযুদ্ধ বুলি অভিহিত। ৰাম মন্দিৰ - বাবৰি মছজিদৰ -- কথা উহ্য থকাই শ্ৰেয়। খ্ৰীষ্টীয় তৃতীয় শতিকাৰ পৰাই আশ্ৰয় আৰু নিৰাপত্তাৰ কাৰণে পশ্চিম আৰু মধ্য ইউৰোপত গঢ়ি উঠে এক প্ৰকাৰৰ ভূমি ব্যৱস্থা— সামন্ত প্ৰথা বা জমিদাৰী প্ৰথা। এটা আন্ধাৰ যুগৰ সূচনা হয় (Dark Age) প্ৰায় এটা শতিকা যুৰি। ১৪৫৩ খ্ৰীতঃ অটোমেন তুৰ্কী সকলে পূৰ্ব ৰোমান সাম্ৰাজ্যৰ স্নায়ুকেন্দ্ৰ বাইজেন্টিয়াম দখল কৰে। তাৰ পাছত এটা জ্ঞানৰ জাগৰণ বিয়পি পৰে সমগ্ৰ ইউৰোপত। ষষ্ঠদশ শতিকাৰ প্ৰধানতঃ গোড়া খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলৰ প্ৰভাৱেই নানা ধৰণৰ ধৰ্ম সংস্কাৰ আদিৰ সুত্ৰপাত হয়। লাহে লাহে বিশ্বৰ প্ৰগতিৰ ইতিহাসত শিল্প বাণিজ্যৰ আমূল পৰিৱৰ্তন প্ৰণিধানযোগ্য। বিপ্লৱ কোনো স্বাভাৱিক কৰ্মপদ্ধতি নহয় কিন্তু উদেশ্যবিহীন, অসংলগ্ন, তত্ব বৰ্জিত প্ৰক্ৰিয়াও নহয়। বিপ্লৱত সমাজৰ প্ৰতিজন মানুহ জড়িত নাথাকিবও পাৰে কিন্তু ইয়াৰ প্ৰভাব সকলোৰে ওপৰত পৰে। এনেধৰণৰ প্ৰভাব পৰিলে সপ্তদশ শতিকাত ইংলণ্ডত 'ৰজা ঈশ্বৰৰ প্ৰতিনিধি, ঈশ্বৰৰ পৰাহে ৰজাই শাসন ক্ষমতা পায়' -- এনেধৰণৰ স্বেচ্ছাচাৰী শাসকৰ বিপক্ষে গৌৰৱময় বিপ্লৱ। ফলাফল ৰজাৰ ওপৰত সংসদৰ ক্ষমতা প্ৰতিপন্ন কৰা। ঠিক তেনেসময়তেই আমেৰিকাত পৰাধীনতাৰ বিপক্ষে বিপ্লৱ। ক্ৰমশঃ অষ্টাদশ শতিকা। স্বেচ্ছাচাৰী শাসনৰ পৰিবৰ্তে ফ্ৰান্সত প্ৰতিষ্ঠা হয় প্ৰজাৰ শাসন "গণতন্ত্ৰ"— ফৰাচী বিপ্লৱ। সাম্যবাদী চিন্তাধাৰাৰে বিংশ শতিকাত ৰুছ বিপ্লৱ ইত্যাদি.......

১৯১৪ চনত প্ৰথম বিশ্বযুদ্ধৰ পিছত বিফল শান্তি প্ৰতিষ্ঠাৰ অন্তত ১৯৩৯ চনত পুনৰ্বাৰ বিশ্বযুদ্ধ সংঘটিত হ'ল বিশ্বৰ দুটা প্ৰধান শক্তিৰ মাজত। ফলস্বৰূপে কৃষি পথাৰ সমূহ ধ্বংসস্তূপত পৰিণত হোৱা ৰাষ্ট্ৰ খাদ্যাভাৱগ্ৰস্ত হ'ল। এক কোটি পঞ্চাশ লাখ সৈনিকৰ জীৱন নাশ, এক কোটি আহত, এক কোটি বোমাবৰ্ষণ আৰু নৌ যুদ্ধত নিহত লোককে ধৰি হিৰোচিমা-নাগাচাকিৰ পাৰমাণবিক ধ্বংসলীলালৈকে। স্বাধীনোত্তৰ কালছোৱাতে ভাৰত -পাকিস্তানৰ কথা নকলোৱেই বা। বিখ্যাত ফৰাচী কিশোৰী শ্বহীদ জোৱান অব আৰ্ক, মাৰ্টিন লুথাৰ কিং, নেপোলিয়ন বোনাপাৰ্ট, চীন প্ৰসিদ্ধ কমিউনিষ্ট মাও জে ডুঙ, ৰুছ বিপ্লৱী নেতা লেনিন, কাৰ্ল মাৰ্ক্স, ইটালীৰ ফেছিষ্ট বেনিতো মুছোলিনি, ভিয়েটনামৰ নেতা হো-চি মিন, পেলেষ্টাইণী য়াছেৰ আৰাফাত, দক্ষিণ আফ্ৰিকাৰ বৰ্ণ বিদ্বেষ সংগ্ৰামৰ বিশিষ্ট নেতা নেলচন মেণ্ডেলা, কিউবাৰ বিপ্লৱী চে গুৱেভাৰা, চীন বিপ্লৱী চৌ-এন-লাই, জৰ্জ ৱাশ্বিংটন, আফ্ৰিকীয় নেতা কেনেথ কাউণ্ডা, জাৰ্মানী এডলফ্ হিটলাৰ, তুৰস্কৰ নেতা কামাল পাছা, ম্যানমাৰৰ বিৰোধী নেত্ৰী আং-চান-চু-কী, ভাৰতীয় আকবৰ, শিৱাজী, শ্বেৰ শ্বাহ, মহাবীৰ লাচিত, মহাত্মা গান্ধী, সুভাষ চন্দ্ৰ বসু আদিয়ে বিশ্বৰ বিগত সহস্ৰাব্দৰ ৰাজনীতিত প্ৰত্যক্ষভাৱে চিনাকি দিছে -- বিদ্ৰোহী, বিপ্লৱী, স্বেচ্ছাচাৰী অথবা স্বাধীনতা সংগ্ৰামী ৰূপে।

'সৰ্বস্য জীৱলোকস্য ৰাজধৰ্ম পৰায়ণ।'

### বাস্তৱ ঃ জোৰ যাৰ মূলুক তাৰ

হাজাৰটা বছৰত অৰ্থনৈতিক ক্ষেত্ৰলৈ এবাৰ লক্ষ্য কৰক। অৰ্থনৈতিক আদান প্ৰদানৰ বাবে জন্তুক উপাদান হিচাপে লোৱা সেই দিনবোৰৰ পৰা আজিৰ এই ক্ৰেডিট কাৰ্ডৰ অগ্ৰগতিলৈ। যাৰ জোৰ আছে বিভিন্ন প্ৰকাৰে তেওঁ হস্তক্ষেপ কৰিছে ৰাজহুৱাৰ পৰা আৰম্ভ কৰি ব্যক্তিগত ধনলৈকে। এটা সময় আছিল যেতিয়া প্ৰচলিত হৈছিল বিনিময় প্ৰথা। মই তোমাক চাউল দিম তুমি মোক কেইডালমান খৰি দিয়া ইত্যাদি। মানৱসমাজৰ অগ্ৰগতিৰ লগে লগে প্ৰায় হাজাৰটা বছৰৰ আগত সামাজিক দৃষ্টিত বিশ্বৰ অৰ্থনৈতিক দিশটোৱে বেলেগ এটা ধৰণ ল'লে। এই সময়ছোৱাৰ প্ৰাৰম্ভত জন্তুক অৰ্থনৈতিক মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা প্ৰথাটো প্ৰায় কমি আহিছিল। তেতিয়া জন্তু আদান প্ৰদানৰ জৰিয়তে উৎপাদিত সামগ্ৰী ক্ৰয় কৰিব পাৰিছিল। আনকি জন্তুৰ ছাল দিয়ো সামগ্ৰী ক্ৰয় কৰা হৈছিল। তাৰ পাছত আহিল ধাতুৰ ব্যৱহাৰ। এই ক্ষেত্ৰতো সমস্যাই দেখা দিলে। এটুকুৰা সোণ দিলে ইমান কেইটা বস্তু পায়। কিন্তু ধাতু কাটি কাটি এটা নিৰ্দিষ্ট পৰিমাণ দিয়াটো ইমান সহজ নাছিল। সেই সময়ত উৎপাদন আছিল অত্যন্ত কম। কাৰণ বিজ্ঞানে মূলতঃ অগ্ৰগতি লাভ কৰিছিল সহস্ৰাব্দটোৰ মধ্যাংশতহে। এই সমস্যাৰ বাবে প্ৰচলিত হ'ল মুদ্ৰাৰ। শাসন কৰ্তা ভগৱানৰ প্ৰতিনিধি জনৰ ছবি অংকিত কৰি মুদ্ৰাৰ প্ৰচলন সুন্দৰ আছিল। বিশেষকৈ সেইসময়ত চলা প্ৰধানতঃ একনায়কত্ববাদৰ নেতাজনৰ প্ৰতিচ্ছবি আঁকা মুদ্ৰাবোৰৰ প্ৰচলনত শাসন কৰ্তৃপক্ষই সন্তুষ্টিৰে আগভাগ লৈছিল। তেতিয়া এটা মূদ্ৰাত থকা ধাতুটোৰ মূলতে যিটো দাম সেই দামটোৱেই মুদ্ৰাটোৰ বহিৰ্ভাগত লিখি দিয়া হৈছিল। ফলস্বৰূপে সৃষ্টি হ'ল অন্য এটা বেলেগ সমস্যাৰ। এইবাৰ একোটা মুদ্ৰাত অকণমান দামী ধাতু ব্যৱহাৰ কৰি (উদাহৰণ-সোণ) বাকী মূদ্ৰাটো ক'ম দামী ধাতুৰে নিৰ্মাণ কৰাৰ ব্যৱস্থা হাতত লোৱা হ'ল। বিগত সহস্ৰাব্দটোৰ ভালেমান

# দ্বি-সহস্ৰাব্দৰ প্ৰথম সম্পাদকীয়

বছৰ এই মুদ্ৰাই ব্যৱহাৰ হৈছিল। বিশ্বৰ বিভিন্ন প্ৰান্তৰত থকা দেশবিলাক বেপাৰ বাণিজ্যৰ ক্ষত্ৰত বহুত আগবাঢ়ি গ'ল। আকৌ সমস্যাৰ সৃষ্টি। মুদ্ৰাবোৰ কঢ়িয়াই লৈ ফুৰাৰ সমস্যা। এখন দেশে অন্য এখন দেশত গৈ বাণিজ্যৰ সম্প্ৰসাৰণ ঘটোৱাৰ বাবে তেওঁলোকে লাভ কৰা বুজন পৰিমাণৰ মুদ্ৰা অতি কষ্টেৰে দেশলৈ লৈ আহিব লগাত পৰিল। সেইবাবে কাগজৰ ব্যৱস্থা কৰা হ'ল। এডোখৰ কাগজত লিখা দিব লাগে - ইমানটা মুদ্ৰাৰ বিনিময়ত ইত্যাদি। কালক্ৰমত সেই কাগজেই নোট হ'ল। দেশসমূহত বিভিন্ন ধৰণৰ সুবিধাৰ বাবে কাগজৰ মুদ্ৰা ব্যৱহাৰ কৰিবলৈ ল'লে। তেতিয়া কাগজৰ নোট দেখুৱাই সাধাৰণ জনগণে কোনো অনুষ্ঠানৰ পৰা ধাতুৰ মুদ্ৰা অনাৰ ব্যৱস্থা বন্ধ কৰিলে।

আকৌ এটা সময় আহিল। কাগজৰ নোটৰ পৰিৱৰ্তে 'চেক' দিয়াৰ ব্যৱস্থা। এটা অনুষ্ঠানত কোনো এজনে সঞ্চিত কৰি ৰখা ধনৰপৰা এখন নিৰ্দিষ্ট উল্লেখ থকা কাগজৰ টুকুৰাত প্ৰয়োজনীয় ধনৰ সংখ্যা লিখি দিলেই টকা পোৱাৰ সহজ ব্যৱস্থা প্ৰচলিত হ'ল। পিছৰ হাজাৰটা বছৰৰ অৰ্থনৈতিক ব্যৱস্থাৰ ক্ষেত্ৰত এতিয়া সৃষ্টি হ'ল 'ক্ৰেডিট কাৰ্ড'ৰ। মই, আমি সকলোৱেই এটা বছৰৰ যিকোনো দিনতেই দিন-ৰাতি যিকোনো সময়তেই কম্পিউটাৰৰ সন্মুখত বহি 'ক্ৰেডিট কাৰ্ড'ৰ জৰিয়তে প্ৰয়োজনীয় ধন আনিব পৰা হ'লো।

চাওকচোন কেনেকুৱা এটা ভাবিব নোৱাৰা পৰিৱৰ্তন ঘটি আছে। কিমান পৰিৱৰ্তনশীল আমাৰ এই পৃথিৱীখন। কিন্তু এই মুহূৰ্তত মাত্ৰ ভাৱ - এই সকলো সম্ভৱ- যাৰ জোৰ আছে - শাৰীৰিক, মানসিক, ৰাজনৈতিক, প্ৰশাসনিক অথবা অন্যান্য বহুতো প্ৰকাৰে।

**আবেগ ঃ সুন্দৰেযে ফুলাৰ মন্ত্ৰ আহোৰাত্ৰি মাতে**

মানুহটোৱে প্ৰতি মনটো, বিশ্বৰ সাংস্কৃতিক দৰবাৰত শত সহস্ৰ জনে নিজকে থিয় কৰিছেগৈ— জীৱনটো সুন্দৰৰ মাজেৰে নিয়াৰ প্ৰয়াস কৰিছে। আবেগত উথলি উঠিছে মন। তেওঁলোকে ফুলৰ দৰে সজাইছে জীৱনটো। শিপিনীৰ গামোছাত সূতা কাটি আলফুলীয়াকৈ ফুল কেইপাহ সজোৱাৰ দৰে সমগ্ৰ বিশ্বই কেইজনমানক বুটা বাচি বাচি আলফুলীয়াকৈ সজাইছে। তাত বিপৰীতে বহুতবোৰ মানুহে একেলগে গাইছে

খাৱ', পীৱ' মস্তি কৰ'।

যাৱৎ জীৱেৎ সুখং জীৱেৎ ঋণাং কৃত্বা ঘৃতং পীৱেৎ।

ভষ্মীভূতস্য দেহস্য পুণৰাগমণং কৃতঃ?

আটাইতকৈ উল্লেখযোগ্য এইটো যে এইসকলো কিন্তু সাংস্কৃতিক। তেওঁলোকৰ জীৱনাদৰ্শনও একপ্ৰকাৰৰ সংস্কৃতি। বিগত সহস্ৰাব্দৰ পোন্ধৰ শতিকাৰ শেষভাগত পৃথিৱীত এক নতুন ভাৱধাৰাৰ সৃষ্টি হয়। ইয়াৰ ফলত মানুহৰ মধ্যযুগীয়া জীৱন ধাৰণৰ পৰিৱৰ্তন ঘটে। জনসাধাৰণৰ মানসিক চিন্তা আৰু ধৰ্মীয় বিশ্বাসত এই নতুন চিন্তাধাৰাই অভূতপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰে। চৈধ্য শতিকাৰ শেষভাগত নৱজাগৰণ আন্দোলন ইটালীত আৰম্ভ হয় যদিও ইয়াৰ ঢৌৱে ইংলেণ্ড আৰু ফ্ৰান্স দেশতো তোলপাৰ লগায়।

পোন্ধৰ শতিকাৰ দ্বিতীয় ভাগত ফ্লোৰেন্সত তিনিগৰাকী স্মৰণীয় ব্যক্তিৰ আবিৰ্ভাৱ হয়। লিওনাৰ্ড-ডা ভিঞ্চি, মাইকেল এঞ্জেল' আৰু ৰাফেল। সেই সময়ৰ পৰা আৰম্ভ কৰি সাংস্কৃতিক ভাৱে বিশ্ববাসী নতুন চিন্তাধাৰাৰে প্ৰভাৱান্বিত হোৱাটো স্বাভাৱিক। প্ৰচাৰ আৰু প্ৰসাৰৰ সাধনেৰে সঙ্গীত হৈ পৰিল মানুহৰ জীয়াই থাকিবৰ বাবে অত্যন্ত প্ৰয়োজনীয় এক প্ৰসাৰক সংস্কৃতি। ভাৰতবৰ্ষত তানসেনৰ দৰে মহা পুৰুষৰ ধ্বনিত বন্তি নিজে নিজেই জ্বলি উঠিছিল অথবা ফৰকাল বতৰত বৰষুণে মিচিকিয়াই হাঁহিছিল। ভাৰতীয় সঙ্গীত পদ্ধতি সুপ্ৰতিষ্ঠিত কৰি পণ্ডিত ভাটখাণ্ডে আৰু পুলকেশ্বৰে বিশ্বত এটি নতুন ধাৰাৰ প্ৰচলন কৰাটো মনকৰিবলগীয়া। ভাৰতীয় সংগীতৰ ধাৰণা সমূহ নিজস্ব ৰুচি বোধেৰে বিভিন্ন ধৰণৰ সঙ্গীতে নতুনত্ব লাভ কৰিলে। অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰ-মাধৱে ভাৰতীয় সংগীত পদ্ধতিৰ লগত খাপ খুৱাই অসমত নতুন সঙ্গীতৰ সুৰেৰে আকাশ - বতাহ কঁপাই তুলিলে। অংক যুক্ত নাট সমূহে লাভ কৰিলে Musical Drama ৰ আদৰ্শ। সংস্কৃত নাট্য সাহিত্যতকৈ কিছু পাৰ্থক্য থকা এই নাট সমূহে অসমৰ সাংস্কৃতিৰ পৰিৱৰ্তনত সাফল্য অৰ্জন কৰিছিল যদিও সেই অৰাজকতাৰ পৰিবেশ পুনৰ এতিয়া গা কৰি উঠিল। আকৌ প্ৰয়োজন দুগৰাকী শংকৰ-মাধৱৰ। 'মহন্ত সৱৰ সঙ্গ লৈয়া, হৰিত একান্তে চিত্ত দিয়া। পৰম আনন্দে গায়ো হৰি গুণ নাম।'

জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা, পাৰ্বতীপ্ৰসাদৰ দেশ এইখন অসম। অসম আমাৰ ৰূপহী গুণৰো নাই শেষ। আমি অসমীয়া নহওঁ দুখীয়া। কিহৰ দুখীয়া হ'ম! সাংস্কৃতিক জগতত অসম আজিও ভাৰতৰ অদ্বিতীয়।

সুন্দৰৰ স'তে জীয়াই থকা সকলৰ ভিতৰত পাবলো পিকাছো, ভিনচেন্ট ভেন গগ, ৰুছো, আলফ্ৰেড হিচকক, চাৰ্গেই আইজেনষ্টিন আকিৰা কুৰেছাৱা, লৰেল আৰু হাৰ্ডি, ৱাল্ট ডিজনিকে আদি কৰি চাৰ্লি চেপলিন, কিশোৰ কুমাৰ, ৰফিৰ মাজেৰে বি চি চিৰ জনমতত আমোদৰ বিগত শতিকাৰ বিশ্বৰ শ্ৰেষ্ঠ অভিনেতা অমিতাভ বচ্চনলৈকে— সকলোৱেই তেজে অঁকা বিশ্ব পৰিস্থিতিৰ পৃথিৱীখন শান্তিৰে জীয়াই ৰাখিছে সহস্ৰ কৌটি জনতাক।

খেলাৰ মাজেৰে জনতাক আমোদ যোগাই জীৱন কটোৱা সকলৰ কথা নকলে অসম্পূৰ্ণ হ'ব। শ্ৰেষ্ঠ অলিম্পিয়ান সকলৰ পৰা আৰম্ভ কৰি ভাৰতীয় টি. আও, গাভাস্কাৰ, কপিল দেৱ, সৌৰভ, টেণ্ডুলকাৰ, বিশ্বনাথন আনন্দলৈকে সকলোৱেই বিভিন্ন প্ৰকাৰে কৃতজ্ঞতাৰ পাত্ৰ জনসাধাৰণৰ দৃষ্টিত।

**সপোন ঃ একোৰিয়ামত বন্দী মাছ**

এহেজাৰ বছৰৰ পূৰ্বে যিবোৰ কথা সাধাৰণ মানুহে সপোনতো কল্পনা কৰাৰ কথাও ভৰা নাছিল— সেইবোৰ বাস্তৱ হৈ সমগ্ৰ পৃথিৱীখনক অকনমানি কৰি পেলালে। চন্দ্ৰপৃষ্ঠৰ পৰা উপভোগ কৰিলে বন্দীত্বৰ বেদনাত উন্মাদ অকনমানি এখন পৃথিৱী, ক'পাৰ্নিকাছৰ (১৪৭৩) পৰা আৰম্ভ কৰি এই সহস্ৰাব্দৰ শেহতীয়া আৱিষ্কাৰ মাইক্ৰ'চিপ সত্তৰ দশকলৈকে পৃথিৱীৰ সকলো উদ্ভাৱন আৰু আৱিষ্কাৰ সম্ভৱ হ'ল। জাৰ্মানীৰ জন গুটেনবাৰ্গৰ ছপাযন্ত্ৰ, টমাছ নিউকমেনৰ ভাপ ইঞ্জিন, টমাছ ছেইন্টৰ চিলাই মেচিন, কাৰ্ল ডন ছাৰব্ৰনৰ বাইচাইকেল, মাইকেল ফেৰাডেৰ ডাইনামো, জন ৱাকাৰৰ জুইশলা, আলফ্ৰেড নোবেলৰ ডিনামাইট, আলেকজেণ্ডাৰ গ্ৰাহাম বেলৰ টেলিফোন, টমাচ আলভা এডিছনৰ ফোনোগ্ৰাফ আৰু বিজুলী বাতি, জন পি হলেণ্ডৰ ছাবমেৰিণ, গুল্মিয়েল্মো মাৰ্কনিৰ আনাতাঁৰ, উইলবাৰ ৰাইট আৰু অৰভিল ৰাইটৰ উৰাজাহাজ, জন লাগি বেয়াৰ্ডৰ টেলিভিছন ইত্যাদি উদ্ভাৱনে আৰু কপাৰনিকাচ, গেলিলিঅ', কেপলাৰ, নিউটন, ৰাডাৰফৰ্ড, জোছেফ প্ৰিছলি, হেনছ অষ্টেড, ফেৰাডে, স্কনবেইন, ৰণ্টজেন, বেকাৰেল, টমছন, মেৰী কুৰী, প্লাংক, আইনষ্টাইন, ফ্লেমিং, অটো হান আদিৰ আৱিস্কাৰে মূলতঃ পৃথিৱীখনৰ আকৃতি অতি ক্ষুদ্ৰতৰ কৰি তুলিবলৈ সক্ষম হ'ল, উৰণীয়া মনটোৰ দৰে একেঠাইতে থাকিও পৃথিৱী ভ্ৰমণ কৰিব পৰা হ'লো। প্ৰকৃতপক্ষে এই হাজাৰটা বছৰৰ বিজ্ঞানৰ

## দ্বি-সহস্ৰাব্দৰ প্ৰথম সম্পাদকীয়

অগ্ৰগতিৰ এজনেই কৰ্ণধাৰ ৰূপে চিহ্নিত হ'ব যি গৰাকী প্ৰখ্যাত এগৰাকী চিত্ৰকৰ হিচাপে— লিঅ'নাৰ্ডো-ডা-ভিঞ্চি।

**অস্তিত্ব ঃ ৰসাত্মকম্ বাক্যম্**

সাহিত্য এটা জাতিৰ দাপোণ। সাহিত্য হৈছে এক জাগ্ৰত জীৱন্ত মহোপকাৰী জ্ঞানৰ ভঁড়াল। মানুহৰ মানসিক শক্তিৰ দ্বাৰা সৃজন হোৱা এক জ্ঞানামৃতৰ পোহৰ পূৰ্ণ জগতৰ নিচিনা। যাৰ সহায়ত মানুহ জাতি সৃষ্টিৰ আন বস্তুতকৈ শ্ৰেষ্ঠ আৰু মহৎ। সাহিত্যৰ অন্যতম উদ্দেশ্য হ'ল দেশৰ মানুহৰ মাজত সৃষ্টি হোৱা অনৈক্যৰ বীজাণু সমূহ ধংস কৰি জাতিটোক ঐক্যবদ্ধ আৰু শক্তিশালী কৰি গঢ়ি তোলা। মাক্সিম গৰ্কিৰ ভাষাৰে ক'বলৈ গলে— মানুহক অধ্যয়ন কৰিব জানিলে প্ৰকৃত জ্ঞান লাভ হয় আৰু উপলব্ধিয়েই প্ৰকৃত সাহিত্য সৃষ্টিৰ মূল উপাদান।

সাহিত্যৰ জন্ম সত্যৰ অন্বেষণ, সত্যৰ চৰ্চা আৰু সত্যৰ পূজাৰ বাবে। নিৰ্বিঘ্নে উদাহৰণ হ'ব কালিদাস, শংকৰ-মাধৱ অথবা শ্বেক্সপীয়েৰ ইত্যাদি। এতিয়া বিদেশৰ পৰা খোজ দিওঁ— ১০৫০ চনত জন্ম লাভ কৰা 'ৰুবায়েট' ৰচয়িতা ওমৰ খৈয়ামৰ সাহিত্যৰ পৰা আৰম্ভ কৰিলে মধ্যযুগীয় বিশ্ব সাহিত্যৰ সৰ্বকালৰ শ্ৰেষ্ঠ কবি আৰু নাট্যকাৰ ৰূপে পৰিচিত হ'ব উইলিয়াম শ্বেক্সপীয়েৰ (১৫৬৪)। মেক্‌বেথ, জুলিয়াছ চিজাৰ, অ'থেলো, ৰোমিঅ' জুলিয়েট, হেমলেট ইত্যাদিৰে বিশ্বসাহিত্যত বহু যুগৰ দলিল ৰচনা কৰা শ্বেক্সপিয়েৰৰ পূৰ্ববৰ্তী ডাণ্টেৰ 'ডিভাইন কমেডি' স্বীকৃত অমৰ সৃষ্টি ৰূপে। পৰৱৰ্তী কালৰ ডেনিয়েল ডিফো, জোনাথন ছুইফট, গেটে, আলেকজেণ্ডাৰ পুস্কিন, অ' হেনৰী, অস্কাৰ ৱাইল্ড, আণ্টন চেখভ, আলফ্ৰেড টেনিচন, আলবেয়াৰ কেমু, গাৰ্ডনাৰ, ক্ৰিষ্টী, আৰ্থাৰ কনান দয়ল, আৰ্ণেষ্ট হেমিংৱে, আলেকজেণ্ডাৰ ডুমা, ইভান টুৰ্গেনিভ, এন ফ্ৰাংক, এমিলজোলা, কাৰ্ল মাৰ্ক্স, খলিল জিব্ৰান, গ্ৰীমভাতৃদ্বয়, ডিকেন্স, মম, জৰ্জ বাৰ্ণাৰ্ড শ্ব, জন কীটছ, মিল্টন, জাঁ পল ছাত্ৰে, জুলে ভাৰ্ন, ইলিয়ট, দস্তয়েভস্কি, পাৰ্ল এছ বাক, মাৰ্ক টোৱেইন, মেক্সিম গৰ্কি, লিঅ'নাৰ্ডো -দা -ভিঞ্চি, লিও টলষ্টয়, বাৰ্ট্ৰাণ্ড-ৰাছেল, জৰ্জ ৱেলছ, হেইনৰিক ইবছেন, হো-চি-মিন ইত্যাদিয়ে সাহিত্য জগতলৈ প্ৰেৰণ কৰা তৰাবোৰ জিলিকি ইঠিছিল চিৰদিনৰ বাবে। ........ মই মৰিলেও দিন গ'লে ৰাতি হ'ব, জোন-বেলি ওলাই থাকিব। লগতে উজ্জ্বল হৈ থাকিব এই তৰাবোৰ।

এতিয়া নিজৰ দেশলৈ আহোঁ। *'পুৰাণো সেই দিনের কথা ভুলবি কিরে হায় অ' সেই চুক্ষের দেখা প্রাণের কথা সে কি ভুলা যায়?'* সংস্কৃত সাহিত্যৰ সন্তান স্বৰূপ ভাৰতীয় ভাষা উপভাষা সমূহৰ সাহিত্য বিশ্বৰ হয়তো প্ৰায়বোৰ দেশতকৈয়ে চহকী। যিটো সময়ত বিশ্ব অন্ধকাৰত লীন হৈ আছিল তেতিয়া ভাৰতীয় উন্নত সভ্যতাৰ প্ৰতিনিধিত্ব কৰিছিল- ৰামায়ণ, মহাভাৰত, বেদ, উপনিষদ, গীতা ইত্যাদিয়ে। ১৮ টা সংবিধান স্বীকৃত ভাষাই নিজৰ অৱস্থানত নিকপকপীয়াকৈ স্থিতি বাহাল ৰাখিছে। তুলসী দাস, মীৰাবাই, ভক্তি যোগ, জ্ঞান যোগৰ ৰচয়িতা স্বামী বিবেকানন্দ, বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰ, মুন্সী প্ৰেমচান্দ, পণ্ডিত জৱহৰলাল নেহৰু আদিৰ পৰা অম্ৰিতা প্ৰীতম, ঝুম্পা লাহিড়ীলৈ ভাৰতীয় লেখক সকলে সাহিত্যৰ মাজেৰে প্ৰকাশিত কৰিছে জীৱনাদৰ্শ।

সংস্কৃত ৰামায়ণৰ পৰা প্ৰথমবাৰৰ বাবে অনুবাদ কৰি অসমীয়া ভাষাৰ নিজস্বতা ৰক্ষা কৰা মাধৱ কন্দলী, ভট্টদেৱ, শ্ৰীমন্ত শংকৰদেৱ শ্ৰীমন্ত মাধৱ দেৱ, অনন্ত কন্দলী আদিৰ বিষয়ে দোহাৰিবৰ প্ৰয়োজন নাই। অসমীয়া ভাষাক চহকী কৰাৰ অহোপুৰুষাৰ্থ কৰা সকলৰ ওচৰত এইখিনিতে কৃতজ্ঞতা জনাইছোঁ। লক্ষ্মীনাথ বেজবৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, অমিয় কুমাৰ দাস, জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, হেমচন্দ্ৰ বৰুৱা, পাৰ্বতী প্ৰসাদ বৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, নলিনীবালা দেৱী, অমূল্য বৰুৱা, অম্বিকাগিৰী ৰায় চৌধাৰী, অলিভাৰ টি কট্টাৰ, আনন্দ চন্দ্ৰ বৰুৱা, আত্মৰাম শৰ্মা, আনন্দ ৰাম ঢেকিয়াল ফুকন, আনন্দৰাম বৰুৱা, কনকলাল বৰুৱা, ভোলানাথ দাস, কমলাকান্ত ভট্টাচাৰ্য, কৰুণাভিৰাম বৰুৱা, কালিৰাম মেধি, কৃষ্ণকান্ত সন্দিকৈ, কুমাৰ কিশোৰ, ৰঘুনাথ চৌধাৰী, ৰজনী কান্ত বৰদলৈ, ৰত্নকান্ত বৰকাকতী, লম্বোধৰ বৰা, হেমচন্দ্ৰ গোস্বামী, গনেশ চন্দ্ৰ গগৈ, গুণাভিৰাম বৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, জ্ঞানদাভি ৰাম বৰুৱা, চন্দ্ৰপ্ৰভা শইকীয়ানী, তৰুণ ফুকন, জ্ঞান নাথ বৰা, ডিম্বেশ্বৰ নেওগ, তীৰ্থ নাথ শৰ্মা, দীননাথ শৰ্মা, ধৰ্মেশ্বৰী দেৱী বৰুৱানী, নকুল চন্দ্ৰ ভূঞা, নগেন্দ্ৰ নাৰায়ন চৌধুৰী, নবীন চন্দ্ৰ বৰদলৈ, নীলমনি ফুকন, পদ্মধৰ চলিহা, প্ৰসন্ন লাল চৌধুৰী, বাণীকান্ত কাকতি, বিনন্দ চন্দ্ৰ বৰুৱা, বিৰিঞ্চি কুমাৰ বৰুৱা, বেণুধৰ ৰাজখোৱা, বেণুধৰ শৰ্মা, মহেশ্বৰ নেওগ, মিত্ৰদেৱ মহন্ত, যজ্ঞেশ্বৰ শৰ্মা, যতীন্দ্ৰ নাথ দুৱৰা, যুগল দাস, যোগেশ দাস, শৈলধৰ ৰাজখোৱা, সত্যেন্দ্ৰ নাথ শৰ্মা, সূৰ্য কুমাৰ ভূঞা, হেম বৰুৱা, সীতানাথ ব্ৰহ্ম চৌধুৰী, নিৰ্মল প্ৰভা বৰদলৈ, মামনি ৰয়চম গোস্বামী, চন্দ্ৰ প্ৰসাদ শইকীয়া, হোমেন বৰগোহাঞি, ভৱেন্দ্ৰ নাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, লীলা গগৈ, লক্ষীধৰ চৌধুৰী, হিতেশ ডেকা আদি প্ৰত্যেক গৰাকী অসমীয়া ভাষাৰ উন্নতিৰ হকে চিন্তাকৰা সাহিত্যিক এটা সহস্ৰাব্দৰ অন্তত, এটা শতিকাৰ অন্তত প্ৰশংসাৰ পাত্ৰ।

**ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান**

'কটনিয়ান'- বিংশ শতাব্দীৰ প্ৰাৰম্ভত প্ৰতিষ্ঠিত কটন কলেজৰ মুখপত্ৰ খনৰ মাধ্যমেৰে এইয়া আমাৰ সামান্য প্ৰচেষ্টা। এটা সহস্ৰাব্দৰ অন্তত আমি সকলোৱে প্ৰত্যেকৰ বাবেই প্ৰত্যেকজন আদৰ্শ ব্যক্তিকেই শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। আমি আকৌ লাহে লাহে উপস্থিত হৈছোঁ এনে এটা বাস্তৱ পৰিস্থিতিত য'ত আকৌ এটা নতুন প্ৰভাতৰ প্ৰয়োজন, তমসো মা জ্যোতিৰ্গময়। প্ৰয়োজন শান্তিৰ। 'আমাক শান্তি লাগে।' কিন্তু কোনে দিব শান্তি? শান্তি এটা গছত ওলমি থকা বস্তু নহয় যে- কোনোবাই পাৰি দিবহি পাৰিব। আমি যদি নিজেই নিজক চিনি পাওঁ, আমি প্ৰত্যেকেই বিশ্বৰ প্ৰত্যেকজন সহোদৰক, ভাতৃক, পিতৃ-মাতৃক যদি চিনি পাওঁ, তেতিয়া হ'লে আমাক জানো বেলেগকৈ শান্তিৰ প্ৰয়োজন আছে? শান্তি আমি নিজেই আনিব লাগিব। চিঞৰি চিঞৰি আনৰ যোগেৰে নহয়। 'বন্দুকৰ শব্দত ৰাতি পুৱাইনে? ওহোঁ, নুপুৱায়। পুৱায় সেই চৰাইটোৰ মাতত, যি কুটি খায় ৰাতিৰ আন্ধাৰবোৰ লাহে লাহে।' শান্তি শান্তি শান্তি। যিটো কাম আমি নিজেই কৰিব পাৰোঁ। প্ৰত্যেক জনেই সেইটো কাৰোবাক এখন বেনাৰেৰে বিচৰাটো লজ্জাৰ কথা। এলেহুৱা, ভীৰু, কাপুৰুষৰ ভাষা- 'শান্তি লাগে'। আমাৰ প্ৰত্যেকজনৰ প্ৰতিজ্ঞা হোৱা উচিত - আমি শান্তি ঘূৰাই আনিম। নতুন সহস্ৰাব্দ নতুনত্বৰে- শান্তিৰে মঙ্গলময় হওক। সংস্কৃত নাট্য সাহিত্যৰ সামৰণিৰ দৰে ক'বলৈ গ'লে—

..... গাই গৰু বিলাক গাখীৰতী হওক / মেঘে ঠিক সময়তে বৰষুণ দিয়ক

পৃথিৱী সকলো সময়তে শস্য সম্পন্না হওক / মানুহৰ মনত আনন্দ লগাই বতাহ বলক....

নতুন সহস্ৰাব্দৰ, নতুন শতিকাৰ, নতুন বৰ্ষৰ শুভ ইচ্ছাৰে—

# কটনৰ টুকুৰা স্মৃতি

*চৈয়দ আব্দুল মালিক*

ছাত্র জীৱনৰ স্মৃতিয়ে সকলোকে আমনি কৰে। আমাৰ ছাত্র জীৱনো বিভিন্ন সুখ-দুখ আৰু আনন্দৰ মুহূৰ্তৰে সমৃদ্ধ আছিল। মোৰ কলেজীয়া জীৱন কটন কলেজতে পাৰ হৈছিল। বহুতো বিখ্যাত-অখ্যাত মেধাৱী ব্যক্তিৰ মিলনৰ থলী আছিল আমাৰ সময়ৰ কটন কলেজ। কটনত পঢ়ি থকা কালছোৱাৰ কিছু কথা মনত পৰিলে মনটো এতিয়াও ভৰি উঠে।

কটনত পঢ়ি থকা কালছোৱাতে শিক্ষাগুৰু হিচাপে অতি নিৰিড় সান্নিধ্য লাভ কৰিছিলো ড° বাণীকান্ত কাকতি, ড° সূৰ্যকুমাৰ ভূঞাকে আদি কৰি অসমৰ পুৰোধা ব্যক্তিসকলৰ। সেই শিক্ষাগুৰুসকলৰ লগত জড়িত বহুতো ঘটনা এতিয়াও মনৰ পৰা মচ খোৱা নাই। বিৰিঞ্চি বৰুৱাদেৱে আমাক ইংৰাজী বিষয়টো পঢ়ুৱাইছিল। সেই সময়ত আমাৰ পাঠ্যক্ৰমত থকা শেক্সপীয়েৰৰ 'মেকবেথ' নাটকখনৰ প্ৰতিটো চৰিত্ৰৰ সংলাপসমূহ অভিনয় কৰি আমাক এনেদৰে বুজাইছিল



মহাপ্ৰস্থানৰ প্ৰাৰম্ভত ঃ চৈয়দ আব্দুল মলিক

যে নাটকখন বুজাত আমাৰ কোনো খোকোজা লগা নাছিল। বৰুৱা ছাৰৰ একক অভিনয়ে আমাৰ মন বহুদিনলৈ আচ্ছন্ন কৰি ৰাখিছিল। জলহু সাজ-পোছাকেৰে ল'ৰামতীয়া চেহেৰাৰ ড° বাণীকান্ত কাকতি ছাৰৰ চিগাৰেটৰ প্ৰতি অতি বেছি আসক্তি আছিল। বাটে-পথে খোজ কাঢ়ি যাওঁতেও তেখেতৰ দুই আঙুলিৰ ফাঁকৰ পৰা জ্বলন্ত চিগাৰেট আঁতৰ হোৱা নাছিল। কেতিয়াবা নতুনকৈ অহা দুই-এজন ছাত্ৰই তেখেতৰ পৰা চিগাৰেট খুজি হুপিছিল বা তেখেতৰ জ্বলি থকা চিগাৰেটটোৰে নিজৰ চিগাৰেটত অগ্নি সংযোগ কৰি লৈছিল। যেতিয়া পাঠদান কৰিবলৈ কাকতি ছাৰ শ্ৰেণীকোঠালৈ সোমাই আহিছিল চিগাৰেট খুজি হুপি অহা ছাত্ৰকেইজনৰ 'ফাট দিয়া বসুমতী পাতালে লুকাওঁ' অৱস্থা উপভোগ্য হৈ উঠিছিল।

কবি ৰঘুনাথ চৌধাৰীৰ ঘৰত প্ৰতি দেওবাৰে আমি কেইজনমান সমনীয়াৰে সৈতে লগ হৈ দেওবৰীয়া চ'ৰা অনুষ্ঠিত কৰিছিলো। কলা-সংস্কৃতি, সাহিত্যৰ পৰা আদি কৰি ৰাজনীতি, অৰ্থনীতিৰ আলোচনায়ো চ'ৰাত ঠাই পাইছিল।

কটনৰ হোষ্টেলৰ জীৱনৰ মাদকতাও আছিল অনন্য। তেতিয়া হোষ্টেলৰ মাহিলী মাচুল আছিল আঠ টকা। সপ্তাহৰ ছটা দিনৰ প্ৰতিটো সাজতে বতৰৰ শাক-পাচলিৰ উপৰিও এখন মাছ বা মাংসৰ ব্যঞ্জন আছিল। ৰাতিপুৱা মাখন-পাউৰুটি, চাহ আৰু একোটাকৈ কণী খাবলৈ দিয়া হৈছিল। প্ৰতি দেওবাৰৰ দুপৰীয়াটো উপভোগ্য হৈ উঠিছিল একোসাজ বিশেষ আহাৰেৰে। পোলাও আদিৰ দৰে আহাৰসমূহ দেওবৰীয়া বিশেষ আহাৰত অন্তৰ্ভুক্ত হৈছিল। খোৱা-বোৱা আদি সকলোতে খৰচ কৰি যি পইচা বাকী থাকিছিল তাৰে মাহেকত এবাৰ গুৱাহাটী মহানগৰীৰ পাৰ্শ্বৱৰ্তী কিছু ঠাইত ফুৰিবলৈ যোৱাৰ ব্যৱস্থা কৰা হৈছিল। হাজো, পলাশবাৰী আদি ঠাইসমূহলৈ বাছ ভাড়া কৰি গৈ প্ৰকৃতিৰ মুক্ত পৰিবেশত সকলোৱে মিলি-জুলি এসাজ খোৱাৰ সময়কণৰ আনন্দ আছিল বৰ্ণনাৰ অতীত। এই সুন্দৰ ব্যৱস্থা এতিয়া কোনো শিক্ষানুষ্ঠানত থকাৰ কথা জনা নাযায়।

জোতাৰ প্ৰচলন আমাৰ ছাত্ৰজীৱনত তেনেদৰে হোৱাই নাছিল। ভৰিত হাৱাই বা চামৰাৰ চেণ্ডেল এযোৰ থাকিলেই বহুত অৱস্থাপন্ন ঘৰৰ ল'ৰা হিচাপে চিহ্নিত হৈছিল। বৰ্তমানৰ মহাবিদ্যালয়সমূহৰ চৌহদত যিদৰে 'বাইক কালছাৰৰ' প্ৰাদুৰ্ভাৱ হৈছে আমাৰ দিন আছিল তাৰ সম্পূৰ্ণ বিপৰীত। ৰেলী চাইকেলখনেই সেইসময়ত এটা ডাঙৰ 'ষ্টেটাছ চিম্বল' আছিল।

বাছৰ চলাচলৰ বিশেষ প্ৰচলন নথকাত পৰিবহণৰ একমাত্ৰ মাধ্যম আছিল ৰে'ল। 'অসম-বেংগল ৰে'ল'ত গুৱাহাটীৰ পৰা মৰিয়নীলৈ ভাড়া আছিল তিনি টকা পঁচিশ পইচা। শুনিলে হাঁহি উঠা কথা এতিয়াৰ বাছৰ দৰে এই ৰে'লখন কোনোবাই হাত দাঙিলেই ৰৈছিল। এনেদৰে ৰৈ ৰৈ যাওঁতে গুৱাহাটীৰ পৰা মৰিয়নী পাবলৈ কেতিয়াবা দুদিনো লাগিছিল।

# শিক্ষা আৰু সংযোগ বিপ্লৱ

*ড° কুলেন্দু পাঠক*

বিংশ শতিকাৰ আৰম্ভণিতে কটন কলেজ সাধাৰণ উচ্চ শিক্ষাৰ কলেজ হিচাপে প্ৰতিষ্ঠিত হৈছিল। সেই সময়ৰ চিন্তাশীল আৰু অধ্যয়ন পুষ্ট লোকে কি দেখা পাইছিল? ষোল্ল শতিকালৈ ভাৰত, চীন আদি দেশৰ সভ্যতাতকৈ যথেষ্ঠ পিছ পৰি থকা পশ্চিম ইউৰোপৰ দেশ সমূহে সোতৰ; ওঠৰ আৰু উনৈশ শতিকাত চমকপ্ৰদ অগ্ৰগতি লাভ কৰে। সেই সময়ত বহুতে ভাবিছিল যে সকলো দিশতে শ্ৰেষ্ঠ ইউৰোপীয় সকলে যি পথেৰে আগবাঢ়ি গৈ উন্নতিৰ শিখৰত উঠিলেগৈ, তেনে পথেৰে সকলো অঞ্চলৰে উন্নতি হ'ব। গতিকে ক'লনি স্থাপন কৰোঁতা সকলৰ শিক্ষাব্যৱস্থাৰ আদৰ বাঢ়ি গ'ল। অৱশ্যে সেই সময়ত (বিংশ শতিকাৰ আৰম্ভণি) তেনে ধৰণৰ শিক্ষাই কিছু পৰিমাণে উপকাৰো সাধিছিল। লিবাৰেল শিক্ষাৰ প্ৰভাৱতে যে ইউৰোপীয় সভ্যতাৰ ভাল দিশ কিছুমান আমি আয়ত্ব কৰিব পাৰিছিলো সেই বিষয়ে সন্দেহ নাই। কিন্তু ভাৰতীয় মানুহক স্বনিৰ্ভৰ, আত্মবিশ্বাসী, কৰ্মনিপুণ কৰি তোলাৰ উদ্দেশ্য উপনিবেশিক শাসকসকলৰ নাছিল। ইতিমধ্যে ইউৰোপত শিক্ষাৰ ক্ষেত্ৰত মগজু আৰু হাতৰ নিপুণতাৰ অপ্ৰয়োজনীয় বিভাজন ঘটিছিল আৰু এনে বিভাজন ভাৰততো প্ৰতিষ্ঠা কৰা হৈছিল। স্বাধীনতাৰ পঞ্চাছ বছৰ পাছত, হেন্‌ৰি কটন বা ছুডমাৰ্ছন চাহাব (তেওঁলোকৰ প্ৰতি আমি শ্ৰদ্ধাশীল।) কবৰৰ পৰা উঠি আহিলে আমাৰ বোধেৰে মূৰে কপালে হাত দি বহি যাব। তেওঁলোকে যি দৰ্শন, চিন্তাধাৰা আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত কটন কলেজত পঢ়ুওৱা বিষয়বোৰ নিৰ্বাচন কৰিছিল, সেইবোৰৰ বা সমধৰ্মী বিষয়ৰ শিক্ষাই এতিয়াও দি থকা হৈছে। উদ্যোগযুগৰ দুগৰাকী বৃটিছ জেন্টেলমেনে দ্ৰুতভাৱে শৈক্ষিক অৱস্থা নিৰীক্ষণ কৰি নিশ্চয় আহত হ'লহেঁতেন; কাৰণ এনে শিক্ষা স্বাধীন ৰাষ্ট্ৰৰ, পিছপৰা অঞ্চলটোৰ অগ্ৰগতিৰ সহায়ক নহয়।



ইতিমধ্যে মানৱ সভ্যতাই সাময়িক ভাবে উদ্যোগ যুগৰ পৰা ইনফৰ্মেছন ভিত্তিক জ্ঞানযুগত প্ৰৱেশ কৰিলে। প্ৰচুৰ সূৰ্যৰ কিৰণ আৰু পানী থকা সত্বেও স্বাধীনোত্তৰ কালত অসমে কিন্তু কৃষিৰ জৰিয়তে প্ৰচুৰ উৎপাদনৰ ক্ষেত্ৰত এতিয়াও সামগ্ৰিক ভাবে সফল হ'ব পৰা নাই (এনে ৰাহি উৎপাদনৰ ব্যৱস্থা, ইজিপ্ত, বেবিলন, সিন্ধু উপত্যকা আদিত প্ৰায় ৫/৬ হাজাৰ বছৰ পূৰ্বে প্ৰতিষ্ঠিত হৈছিল।) তথাপি মিনি-ষ্টিল প্লেন্ট, মিনি শোধনাগাৰ, বাহিৰৰ মূলধন আৰু প্ৰযুক্তিৰ দ্বাৰাই আনৰ পুতেকে উদ্যোগ পাতি দিয়াৰ স্বপ্নত অসমৰ বহুতো নেতা মগ্ন। এনে অৱস্থাত নিজৰ প্ৰতিভা অনুসৰি শিক্ষা লাভ কৰি, প্ৰতিভা আৰু প্ৰযুক্তি বিকাশৰ দ্বাৰাই উন্নতিৰ চৰম শিখৰলৈ আৰোহণ কৰাৰ ইচ্ছা কম হোৱা স্বাভাৱিক। 'কিবা কৈ ডিগ্ৰী এটা লাভ কৰি ক'ৰবাত (কাম কাজ কম হ'ব লাগিব) চাকৰি এটা কৰিব পাৰিলেই হ'ব— এনে ম'নসিকতা প্ৰৱল হ'লে শিক্ষা সংস্কাৰ দুৰ্বল হ'বলৈ বাধ্য।

কিতাপৰ পাতত, অফিছৰ ফাইলত বা ছাত্ৰ ছাত্ৰীৰ বহীত আৱদ্ধ জ্ঞান আছিল স্থৈতিক আৰু আয়াসলব্ধ। আজিকালি বহুতো বেছি পৰিমাণৰ ইনফৰ্মেছন আৰু জ্ঞান কম্পিউটাৰৰ মেম'ৰি ছি ডি (CD- Compact Disk) আদিত সংৰক্ষিত আৰু পৃথিৱীৰ যি কোনো অঞ্চলৰ পৰাই ইনফৰ্মেছন হাইৱেৰে গৈ কম্পিউটাৰৰ পৰা কম্পিউটাৰলৈ এনে জ্ঞান স্থানান্তৰিত কৰিব পাৰি। বিভিন্ন ৱেব চাইটলৈ গৈ নানা ধৰণৰ (জীৱিকা, চাকৰিৰ সন্ধান, বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম, স্বাস্থ্য বিষয়ক জ্ঞান, চিকিৎসা সেৱা, ভিন্ন ধৰ্মী পাঠ্যক্ৰম) তথ্য তৎক্ষনাৎ আহৰণ কৰা অতি সহজ। আনকি (M.I.T.) দৰে অতি বিখ্যাত শিক্ষানুষ্ঠানৰ কম্পিউটাৰ সম্পৰ্কীয় পাঠ্যক্ৰম য'ৰে ত'ৰে পৰা অধ্যয়ন কৰাও অসম্ভৱ কথা নহয়। এক অদ্ভুত গতিশীল আৰু নতুন সম্ভাৱনা পূৰ্ণ সময়ত আমাৰ ছাত্ৰ-ছাত্ৰী সকলে মানসিক স্থবিৰতা আৰু বাহ্যিক সংস্কৃতিৰ গতিশীলতা আহৰণ কৰিলে আমাৰ সমূহ বিপদ; আমি এনে বিপদৰ পিনে নিশ্চিতভাবে আগুৱাই গৈ আছো। গ্লোবেল বা গোলকীয় গাঁওৰ কথা আমি প্ৰায়ে পঢ়িবলৈ পাওঁ। পিছে গোলকায়নৰ ফলত বহু সৰু বৈশিষ্ট্যপূৰ্ণ আৰু সুন্দৰ সংস্কৃতিসম্পন্ন জনগোষ্ঠীয়ে সাংস্কৃতিক বিলুপ্তিৰ সন্মুখীন হয়। অসমৰ থলুৱা ক্ষুদ্ৰ জনগোষ্ঠীবোৰৰ উপৰিও সামূহিক অসমীয়া সংস্কৃতিয়েও এনে কামৰ মুখা মুখি হোৱাৰ সময় আহিছে। এনে সম্ভাৱনাপূৰ্ণ অথচ বিপদজনক সময়ত কটন কলেজে ভৱিষ্যত পিৰিৰ বাবে প্ৰয়োজনীয় শিক্ষাৰ ক্ষেত্ৰত কি অৱদান আগবঢ়াইছে?

গৱেষণা আৰু উদ্ভাৱনা এই যুগৰ প্ৰধান আৰু প্ৰয়োজনীয় গুণ। ইনফৰ্মেছন বিপ্লৱৰ পূৰ্বে তথ্য আহৰণ কৰিবলৈ মানুহে যথেষ্ট কষ্ট কৰিবলৈ বাধ্য হৈছিল। হাজৰত মহম্মদে কৈছিল–'জ্ঞান আহৰন কৰিবলৈ প্ৰয়োজন হ'লে চীনলৈকো যাবা।' কিতাপ অধ্যয়ন কৰি তথ্য আহৰণ আৰু জ্ঞান লাভ এক আয়াস- সাধ্য প্ৰক্ৰিয়া। কিন্তু বৰ্তমান কালত তথ্য মগজুত জমা কৰাৰ কোনো প্ৰয়োজন নাই। ইণ্টাৰনেট আৰু অন্যান্য নেটৱৰ্কেৰে অভাৱনীয় পৰিমাণৰ তথ্য 'মাউছ'ত কেইটামান টুকুৰ (Click ক্লিক) মাৰি পাব পাৰি। *সেয়েহে বিভিন্ন বিষয়ৰ তথ্য কেৱল মনত ৰখা আৰু পৰীক্ষাত বা কুইজত উলিয়াই দিব পৰা গুণ অতি সাধাৰণ গুণত পৰিণত হৈছে।* কিন্তু অনায়াসে পাব পৰা তথ্যৰ দ্বাৰা আমি কি কৰিব পাৰো, সেইবোৰ সজাই পৰাই কামত লগাই আমি লাভবান হ'ব পাৰোনে– এনেবোৰ প্ৰশ্নৰ ঋনাত্মক উত্তৰ বিচাৰি পোৱাৰ ওপৰতে আমাৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। বিজ্ঞান সন্মত পদ্ধতিৰে তথ্য বিশ্লেষণ কৰিব পৰা গুণকে গৱেষক সুলভ গুণ বুলি ক'ব পাৰি। এনে গুণ আজিৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে স্নাতক পৰ্য্যায়তে আহৰণ কৰা উচিত। ওঠৰ বছৰ মানুহৰ জীৱনৰ আশ্চৰ্য্য, সুন্দৰ আৰু সম্ভাৱনাপূৰ্ণ বয়স। খেল পথাৰত, ছুইমিংপুলত, ব্যায়ামাগাৰত ওঠৰই কি কৰিব পাৰে এনে উদাহৰণৰ তালিকা অতি দীঘলীয়া। তেনে সম্ভাৱনাপূৰ্ণ বয়সৰ ডেকা-গাভৰুৰ ক্ষমতাক পোকে খোৱা নোট, আগৰ ছাত্ৰই ভুলে শুদ্ধই লিপিবদ্ধ কৰা নোট আৰু পাঠ্যপুথিৰ চৰ্ব্বিত চৰ্বনৰ মাজত আৱদ্ধ কৰি ৰখা যুগুত হৈছে নে? আধুনিকযুগোপযোগী উচ্চ শিক্ষাই গৱেষণাৰ ওপৰত গুৰুত্ব দিবই লাগিব। তেতিয়াহে আমাৰ প্ৰজাতি স্বাভাৱিক বৈশিষ্ট্য স্বৰূপ উদ্ভাৱনী ক্ষমতাৰ বিকাশ হ'ব।

হম' নিয়েণ্ডাৰথেলিনিছ প্ৰজাতি আৰু হম' ছেপিয়েনছ প্ৰজাতিয়ে বহুত হাজাৰ বছৰকাল জুৰি ওচৰা–ওচৰিকৈ পশ্চিম এচিয়া, ভূমধ্য সাগৰীয় অঞ্চলত বাস কৰিছিল। পেশীবহুল শৰীৰেৰে নিয়েণ্ডাৰ (নিঃ) মানৱ আছিল আমাতকৈ বহুত বেছি শক্তিশালী; নিঃ মানৱৰ সৌজন্যসূচক হেণ্ডশ্বেকৰ ফলত আমাৰ হাতৰ হাড়বোৰ গুৰি হৈ গ'লহেতেঁন! তেওঁলোকৰ মগজু আমাৰ মগজুতকৈ সৰু নাছিল; সামাজিক সংগঠন, চিকাৰৰ দক্ষতাও আছিল যথেষ্ট উন্নত। তথাপি ৩০,০০০ বছৰ পূৰ্বত নিঃ মানৱ নিঃশেষ হৈ গ'ল আৰু পৃথিৱীত হম' ছেপিয়েন্‌ছৰ শ্ৰেষ্ঠত্ব প্ৰতিস্থিত হ'ল। কি পাৰ্থক্যৰ বাবে এই ঘটনা ঘটিছিল সেই বিষয়ে মতদ্বৈধতা আছে যদিও এক ধৰণৰ সংযোগ বিপ্লৱেই হম' ছেপিয়েন্‌ছৰ প্ৰধান্যৰ প্ৰধান কাৰণ বুলি বেছিভাগ নৃবিদ একমত। জটিল প্ৰতীকৰ সহায়ত ভাব বিনিময়, চিন্তা প্ৰকাশ কৰাৰ ক্ষমতাৰ ফলত হম' ছেপিয়েন্‌ছৰ সংযোগ ব্যৱস্থা শক্তিশালী হৈ উঠিছিল। জটিল ভাষা, অপূৰ্ব গুহা চিত্ৰ, বিভিন্ন মাধ্যমৰ (যেনে হাড়, হাতীদাঁত, মাটি) প্ৰতীকধৰ্মী ব্যৱহাৰ আদিৰে হম' ছেপিয়েন্‌ছৰ মানসিক আৰু সাংস্কৃতিক জগত পৃথক হৈ পৰিছিল। শাৰীৰিক শক্তিৰ ক্ষেত্ৰত যথেষ্ট আগবাঢ়ি থাকিলেও, নিয়েণ্ডাৰ মানৱ উল্লিখিত জটিল সংযোগৰ ক্ষেত্ৰত আছিল পানী কেচুৱা। গতিকে তেওঁলোকৰ ধ্বংস অনিবাৰ্য হৈ উঠিছিল।

ঐতিহাসিক কালত যান্ত্ৰিক ছপাশালে ইউৰোপীয় সমাজৰ বিকাশত বিশেষ অৰিহনা যোগাইছিল। ছপা প্ৰযুক্তিৰ আৱিষ্কাৰ হৈছিল চীন দেশত, কিন্তু সেই প্ৰযুক্তিৰ প্ৰয়োগ কৰি বহুত ধৰণৰ কিতাপত থকা জ্ঞান সহজলভ্য কৰিছিল ইউৰোপীয় দেশ সমূহে। ছপা কিতাপৰ যোগেদি প্ৰাচীন কালৰ (বিশেষকৈ ৰোমান আৰু গ্ৰীক যুগৰ) জ্ঞান বিজ্ঞানৰ লগত সংযোগ ঘটাৰ ফলত মধ্যযুগৰ স্থৱিৰতাৰ পৰা ওলাই অহাৰ সমল ইউৰোপৰ বৌদ্ধিক সমাজে লাভ কৰিছিল।

আনহাতে পোন্ধৰ শতিকালৈ জ্ঞান বিজ্ঞান চৰ্চাৰ ক্ষেত্ৰত অগ্ৰনী অঞ্চল আছিল চীন, আৰৱ আৰু ভাৰতীয় অঞ্চল কিছুমান। বিশেষকৈ চীন আৰু আৰৱ অন্যান্য ক্ষেত্ৰতো ইউৰোপতকৈ বহুত আগবাঢ়ি আছিল। কিন্তু চীনৰ আমোলাতন্ত্ৰই যেতিয়া ছেঙ হোৰ অপ্ৰতিদ্বন্দী আৰু পৰম শক্তিশালী নৌ বাহিনী ধ্বংস কৰিছিল, ইউৰোপৰ নাৱিক সকলে সাধাৰণ জাহাজেৰে পাৰি দিছিল অজান মহাসমুদ্ৰত। নৌ পথ, স্থল পথ আৰু ছপা পুথিৰ সংযোগে কিছুদিনৰ ভিতৰতে ইউৰোপীয় সকলক উত্তেজনা, উদ্ভাৱনা আৰু বিপদৰ প্ৰত্যাহ্বান গ্ৰহণৰ পথেদি আগ বঢ়াই লৈ গৈছিল। এশ বছৰৰ ভিতৰতে ইউৰোপে সমগ্ৰ পৃথিৱীত উপনিবেশ স্থাপন কৰি আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক দিশত দ্ৰুত বেগেৰে আগবাঢ়ি গৈছিল। সংযোগ মাধ্যমৰ ওপৰত পাশ্চত্যৰ প্ৰদুৰ্ভৱ এতিয়াও অব্যাহত আছে।

সমগ্ৰ উদ্যোগ যুগতে (১৮৫০-১৯৫০) পাশ্চত্যক সচাঁকৈ প্ৰত্যাহবান জনাব পৰা শক্তি পৃথিৱীত নাছিল। - উদ্যোগ যুগৰ সংস্কৃতি (Alvin Toffler ৰ Third wave দ্ৰষ্টব্য) পাশ্চত্যত উদ্ভৱ হৈ সমগ্ৰ পৃথিৱীত বিয়পি পৰিছিল। উৎকট ৰাষ্ট্ৰ প্ৰেম, গাইগুটীয়া 'নিউক্লিয়াৰ' পৰিয়াল, শিক্ষাৰ ক্ষেত্ৰত হাত আৰু মগজুৰ সম্পৰ্ক শিথিলকৰণ (সাধাৰণ শিক্ষা আৰু টেক্‌নিকেল শিক্ষা হিচাপে মেৰু কৰণৰ জৰিয়তে।) ঔপনিবেশিক সমাজৰ লুণ্ঠন আদি প্ৰক্ৰিয়া উদ্যোগ যুগৰ কিছুমান উল্লেখযোগ্য প্ৰভাৱ। এনে প্ৰভাৱ উন্নয়ণশীল ৰাষ্ট্ৰবোৰত এতিয়াও বেছি হৈ আছে যদিও ইউৰোপৰ বহুত দেশত এনে প্ৰভাৱ ক্ষীণ হৈ আহিছে। দুখন মহাযুদ্ধত প্ৰবল প্ৰতিদ্বন্দী হিচাপে থিয় হোৱা জাৰ্মানী, ফ্ৰান্স, ইংলেণ্ড আদি দেশ ইউৰোপীয় ইউনিয়নৰ সদস্য হ'বলৈ ওলাইছে। নতুন ইনফৰ্মেছন ভিত্তিক জ্ঞানযুগৰ বাবে প্ৰয়োজনীয় নতুন শিক্ষা ব্যৱস্থাও গঢ়ি তোলা হৈছে। বহুতো প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে স্কুলীয়া শিক্ষা শেষ কৰাৰ পাছত বিশ্ববিদ্যালয়ত পঢ়াৰ আৱশ্যকতা এতিয়া অনুভৱ নকৰে। কাৰণ প্ৰয়োজনীয় ব্যুৎপত্তি আৰু দক্ষতা নিজৰ সময় আৰু সুবিধা অনুসৰি কম্পিউটাৰৰ সহায়ত নেটৱৰ্কৰ পৰাই আহৰণ কৰিব পৰা যায়। 'ভাৰ্চুৱেল' বিশ্ববিদ্যালয় বা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান এতিয়া এক ধৰণৰ বাস্তৱতা।

শিক্ষাৰ ব্যৱহাৰযোগ্যতা আৰু শিক্ষানুষ্ঠানৰ প্ৰকৃতিৰ পৰিবৰ্তন এই দুয়োটা গুৰুত্বপূৰ্ণ দিশৰ প্ৰতি বিমুখ সমাজ তথা শিক্ষানুষ্ঠানৰ ভৱিষ্যত, ধুমুহা দেখি বালিত মূৰ পুতি ৰৈ থকা উটচৰাইৰ ভৱিষ্যতৰ দৰেই বিপদজনক। আমি মনত ৰখা উচিত যে আমাৰ বৰ্তমানে গতি কৰে ভৱিষ্যতৰ পিনে; অতীতৰ পৰা আমি শিক্ষা গ্ৰহণ কৰিব পাৰো কিন্তু অতীতৰ কথাকৈ আক্ষেপ কৰি থাকিলে বৰ্তমান তথা ভৱিষ্যত সলনি হৈ নাযায়।

আধুনিক সংযোগ বিপ্লৱে আনি দিয়া পৰিৱৰ্তনৰ লগত খাপ খাব পৰা মানৱ সম্পদ সৃষ্টি কৰাটোৱে কটন কলেজৰ আৰু অন্যান্য উচ্চ শিক্ষানুষ্ঠানৰ প্ৰকৃত দায়িত্ব। বিভিন্ন ক্ষুদ্ৰ স্বাৰ্থ সংৰক্ষণ কৰিবলৈ গৈ আমাৰ উচ্চ শিক্ষানুষ্ঠানৰ পৰিচালকসকলে আৰু শিক্ষকসকলে এই পৰিৱৰ্তনৰ কথা পাহৰি আছে। কিন্তু ৰাজ্যৰ বৌদ্ধিক বিকাশত এনে বিমুখতাই ইতিমধ্যে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। নিজৰ ঘৰ, নগৰ, ভাবাৰ আৱেশময় পৰিৱেশ এৰি কিয় হাজাৰ- বিজাৰ অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে দিল্লী, পুনে, বাংগালোৰলৈ শিক্ষাৰ বাবে যাবলগীয়া হৈছে? এই প্ৰশ্নৰ উত্তৰ বিচাৰিলে আমাৰ শিক্ষাজগতৰ সুস্থিৰতাৰ কিছু উমান পোৱা যাব।

(ড°পাঠক পদাৰ্থ বিজ্ঞান বিভাগৰ মূৰব্বী আৰু এগৰাকী গৱেষক। তেখেতে বিজ্ঞান বিষয়ক বহুতো প্ৰবন্ধৰে অসমীয়া সাহিত্যৰ এই দিশটোৰ অভাৱ পূৰণ কৰিবলৈ সক্ষম হৈছে।)

# পৰিমেয় দৃষ্টিত চন্দ্ৰকান্ত অভিধান, আধুনিক অসমীয়া শব্দকোষ ইত্যাদি

*হিৰণ্য কুমাৰ বৰ্মণ*

অভিধান মাত্ৰে আমাৰ দৰদী বন্ধু। কিয়নো, অন্ধকাৰত অক্ষয় বন্তিৰ অকম্পিত শিখা হৈ লোক-সমস্তক সততে সহায় কৰিব পাৰে অভিধানে । অজ্ঞই হওঁক, বিজ্ঞই হওঁক–সমস্তকে, থাউকতে। একোটা ভাষাৰ আধাৰ গ্ৰন্থ হিচাপে ভাষাৰ চলতি ৰূপটো স্বীকাৰ কৰি, তাক পাৰিতপক্ষে সংৰক্ষণৰ যত্নও কৰা হয় অভিধানৰ বুকুতে। তৎসত্বেও, আৰম্ভণিতে উল্লেখ কৰা দৰদী বন্ধুৰ প্ৰতি ধনাত্মক ক্ষোভ-আক্ষেপবোৰ নিতান্তই অনস্বীকাৰ্য্য বুলি অনুভৱ কৰোঁ; যিদৰে আমি অনুভৱ কৰোঁ হাৰ্দ্দিক মৰমবোৰ।

এতিয়া শিৰোনামাটো যদিওবা দুখন অসমীয়া অভিধানক লৈ, তথাপি আজিৰ আলোচনাত প্ৰবৃত্ত হৈ উপৰি উক্ত অভিধান (বা শব্দকোষ) দুখনৰ দুটা দিশহে মাথোন আঙুলিয়াব বিচাৰিছোঁ। জানোচা, পৰৱৰ্ত্তী সংস্কৰণত ধনিষ্ঠামান হ'লেও সুফল পাওঁ এই আশাৰে। আমি বিশ্বাস নকৰোঁ-- ফৰাচী প্ৰবাদটো-- 'যিমানেই পৰিৱৰ্তন নহওক, সলনি কিন্তু একোৱেই নহয়।' অৱশ্যে ধৰ্তব্য নিশ্চয়, সকলোবোৰ দিশ ফঁহিয়াই চাব পৰাকৈ আমি অসমীয়া ভাষাৰ কোনো বিশিষ্ট পণ্ডিত নহওঁ; অসমীয়া বিভাগৰ স্নাতকোত্তৰ পৰ্য্যায়ৰ এগৰাকী নিঃকিন ছাত্ৰহে মাত্ৰ। এতেকে, ক্ৰুটি বৈ যোৱাটো নিঃসন্দেহে অৱধাৰিত।

আকৃতি আৰু প্ৰকৃতি- এই দুয়োপিনৰ পৰা 'চন্দ্ৰকান্ত অভিধান'ক, ইদানীন্তন কাললৈকে প্ৰকাশিত অসমীয়া অভিধানসমূহৰ ভিতৰত, আমি ব্যক্তিগতভাৱে শ্ৰেষ্ঠ বুলি জ্ঞান কৰোঁ। কিয়নো 'হেমকোষ' (১৯০০) যদিও হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ অক্ষয় কীৰ্ত্তি (Magnum Opus), অথবা 'চন্দ্ৰকান্ত অভিধান' (১৯৩৩) ৰ ঘাই ধৰণী কিংবা জোৰৰ আগৰ বন্তি, তথাপি উচ্চাৰণ, বৰ্ণানুক্ৰম, লিপ্যন্তৰ বুৎপত্তি, দ্বিত্ব বৰ্জন ইত্যাদিত নতুনত্ব সম্পাদনেৰে ভাষাৰ বৰ্ণনামূলক ৰূপৰ ওচৰ চাপিছে শীৰ্ষক অভিধান খনেহে। সেই হিচাপে, ১৯৮৮ চনত ড° মহেশ্বৰ নেওগৰ মুখ্য সম্পাদনাত গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰি উলিওৱা 'চন্দ্ৰকান্ত অভিধান'ৰ শেহতীয়া সংশোধন, সংবৰ্ধিত আৰু সম্পাদিত আকাৰটো যোৱা ১৯৯০ চনৰে পৰা আমি নিৰৱধিকৈ ব্যৱহাৰ কৰি আহিছোঁ আৰু তদ্-অনুসৰি নিজকে প্ৰণালীবদ্ধভাৱে গঢ় দিবলৈ চেষ্টান্বিত হৈছোঁ। পিছে, অৱলীলাক্ৰমে এইটোও লক্ষ্য কৰিছোঁ যে, সৰ্বাধিক শব্দ ভাণ্ডাৰ বিশিষ্ট অভিধানখনত অইন দহখন অভিধানৰ লেখীয়াকৈ বহু শব্দই ঠাই পোৱা নাই। দৃষ্টান্তস্বৰূপে কনীনিকা (চকুৰ মণি), ক্ৰান্তদৰ্শী (সৰ্বজ্ঞ), চাপৰ (জন্তুৰ খাদ্য বিশেষ), জৰখাপৰি (এবিধ ৰোগ, প্লীহা), তোৰলা (ৰঙা বৰণীয়া এবিধ ফুল; তাৰ গছ), নিগনি-খুটি (তাঁত শালত ব্যৱহৃত), নিৰত (ৰঙ যুক্ত, জকমকীয়া), পৰাৰ্থপৰ (লোকৰ হিতত ৰত), ব্ৰহ্মহৃদয় (এটা বৃহদাকাৰৰ নক্ষত্ৰ), মঞ্জিমা (শোভা), যমকটিকা (নাকৰ হাড়), ৰত্ন সিংহাসন (বহুমূলীয়া মণি খচিত আসন), ৰামশৰ (উৰণীয়া কেৰ্কেটুৱা), সংবৰ্তন (প্ৰলয়কালীন মেঘবিশেষ) ইত্যাদি উল্লেখ কৰিব পাৰি। ড° ছেমুৱেল জনছন (১৭০৯-'৮৪) নামৰ প্ৰথিতযশা ইংৰাজ অভিধানিক, সমালোচক গৰাকীয়ে সেইবাবেই হয়তো ইয়াৰ আগতীয়া ইংগিত এনেদৰে দি থৈছেঃ *'No dictionary of a living tongue ever can be perfect, since while it is hastening to publication, some words are budding and some falling away.'* আকৌ স্থানান্তৰত ড° নেওগ ডাঙৰীয়ায়ো উল্লেখ কৰিছিল- 'অভিধান প্ৰণয়ন কৰাটো খুব আনন্দদায়ক কাম নহয়, ই প্ৰকৃততে গেবাৰি খটা মানুহৰ কাম।'

প্ৰণিধানযোগ্য যে, অন্য আধুনিক ভাৰতীয় ভাষাৰ নিচিনাকৈ অসমীয়া ভাষাৰ শব্দসমুচ্চয়কো পুৰণি তৎসম, তদ্ভৱ, নতুন তৎসম, দেশী আৰু বিদেশী-- এই পাঁচভাগত ভাগ কৰা হৈছে। ইয়াৰে প্ৰথম তিনিভাগ ভাৰতীয় আৰ্য্য ভাষাৰ, চতুৰ্থভাগ অষ্ট্ৰ'এচিয়াটিক, দ্ৰাবিড়ী, মান-তিববতী আৰু পঞ্চমভাগ মূলতঃ আৰবী আৰু আন ইউৰোপীয় ভাষাৰ পৰা অহা বুলিও ইতিমধ্যে ঠাৰৰ কৰা হৈছে। দ্বিৰুক্তি এইখিনিতে যে, এবাৰ নোৱাৰাভাৱে, অন্তঃসলিলা ফল্গুধাৰাৰ দৰে, শব্দবোৰ যি উৎসৰ পৰাই নাহক, বাকবনীয়া বহু শব্দ অভিধানখনৰ গণ্ডীভুক্ত হোৱা নাই। ইয়াৰ মাজতে, 'অমাৱস্যা' শব্দৰ পিছতহে 'অময়া' শব্দ- এইধৰণে ভুলকৈ প্ৰকাশ পালে উপায়বিহীন হোৱাৰ বিকল্পও নিশ্চয় নাই। তদুপৰি শব্দমাত্ৰৰে অৰ্থব্যাখ্যা -- মানৱৰ এক মানসিক ব্যাপাৰ বুলি গণ্য কৰি যদিহে পঞ্জাৱক ভাৰতবৰ্ষৰ উত্তৰ-পূৱ ফালে থকা এখন প্ৰদেশ বুলি উল্লেখ কৰোঁ, তেতিয়াও কিংকৰ্ত্তব্যবিমূঢ় হোৱাৰ পাল।

স্বৰূপাৰ্থত ক'বলৈ হ'লে, এখন বৃহদাকাৰৰ মংগলকামী অসমীয়া অভিধানৰ প্ৰত্যাশী হিচাপে আমি শব্দাৱলী সংগ্ৰহৰ বেলিকা গুণীসকলে সহজাতভাৱে দেখুৱাই দিয়া--

(ক) পূৰ্বৱৰ্ত্তী অভিধান,
(খ) প্ৰাচীন লিপি-- শিলালিপিৰ ৰূপ,
(গ) প্ৰখ্যাত লেখক-লেখিকাৰ প্ৰতিনিধিত্বকাৰী ৰচনা,
(ঘ) উপযুক্ত লেখক-লেখিকাৰ দ্বাৰা ব্যৱহৃত নব্য শব্দ,
(ঙ) কথিত ৰূপ,
(চ) মৌখিক,
(ছ) দাঁতি-কাষৰীয়া ভাষা-উপভাষা বা জনগোষ্ঠীৰ পৰা সংক্ৰমিত শব্দ,
(জ) প্ৰশাসনীয় পৰিভাষা,
(ঝ) বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ পৰিভাষা,
(ঞ) প্ৰতিষ্ঠিত কাকত -আলোচনীৰ শব্দ,
(ট) ক্ৰীড়া, সংগীত-সামগ্ৰীবিষয়ক শব্দ,
(ঠ) ক্ষেত্ৰভিত্তিক অধ্যয়ন ইত্যাদিক অন্যতম উৎস হিচাপে গুৰুত্ব দিয়াটো বাঞ্ছনীয়। একেদৰে সততে ব্যৱহৃত শব্দ, ব্যাকৰণসিদ্ধ শব্দ, সংস্কৃতিৰে জড়িত শব্দক অগ্ৰাধিকাৰ দি সেই শব্দৰ গঠন, অৰ্থতত্ব, প্ৰত্যাৰ্পিত (*Feed back*) তথ্য সম্পৰ্কেও অৱগত হ'ব

লাগিব। স্পষ্টাক্ষৰে, ইমানবোৰ কথা ইমান পৰে কৈ অহাৰ কাৰণ বুলিবলৈ এইটোৱে যে, শব্দক আমি সকলোৱে ভাষাৰ কেঁচা-সামগ্ৰী বুলি বিবেচনা কৰোঁ।

উৎসাহ-ৰহিত নহৈ আমি যুগুত কৰিছোঁ-শতাধিক শব্দ; যিবোৰ 'চন্দ্ৰকান্ত অভিধান'ৰ দুৱাৰ-মুখত বৈ আছে প্ৰত্যাশাৰে। সোমাবহে পৰা নাই। যথা-অধীক্ষক, অনুসৃত, অন্তৰে অন্তৰে- অন্তৰ্ভেদ, অবান্তৰ, অল্পমতি, অশীতিপৰ, অষ্ট-বিবাহ, আওতা, আঁচলৰ ধন, আত্ম-লীন, আপোন-ভোলা, আলহী-জুহাল, আলিদোমোজা, ইৰাৱত, উচ্ছ্বসিত, উদগমন, উন্মুক্ত, উপানহ, এটি, এষণা, কৰ্মশালা, কড়িয়াবীজল (গছ বিশেষ), কায়েম, কেঁচুৰামি, খড়্গহস্ত, খাইগাহৰি (নিষ্কৰ্মা, নিন্দাৰ্থত প্ৰয়োগ), গছখোলা (চৰাই বিশেষ), গমিপিটি, চাৱনি, চিৰায়ত, জঞ্জলীয়া, জনপ্ৰিয়, জলনিধিজাধৰ (বিষ্ণু), ঝমৰি, ঝামেলা, ঢেকুৰা, তেজোদীপ্ত, তেমেকা (লেমটৌ), দিকছৌ, দেউল, দ্ৰাঘিমাংশ, নজনা, নবীকৰণ, নবৌ, নলগা জেং, নিয়ৰ, নম্ৰ, নিশীথ (দোভাগ ৰাতি), নীতি বাগীশ, পৰ্য্যবসিত, পৰিৱেশ, পৰিমণ্ডল, পানী হাৰামী, পুথিভঁৰাল, পুনপুনি (মৌ-মাখিৰ এজাত), প্ৰচ্ছায়া, প্ৰশান্তি, ফাকিবাজি, ফাট্ৰামি, ফুলাৰি, বাৰে ৰহনীয়া, বিতৰ্কিত, বিতাৰিত, বিদ্ৰূম (প্ৰৱাল বা পোৱাল), বিধৃত, বিবেচ্য, বিমোক্ষণ, বুমেৰাং, বুলবুলি, বৃষস্কন্ধ, বৈদ্য (বহুত), ভূদেৱ (ব্ৰাহ্মণ), মনোধৰ্মী, মহাকাশ, মহাৰংগ, মহীৰূহ (বৃক্ষ), মাদকতা, যোগ সূত্ৰ, ৰিমজিম (মৃদুৰূপে অহা), ৰূপায়ণ, লেছেৰা, শ্ৰীপদ (গোধবেমাৰ); সংবেদন, সমীন্বয়, সমুজ্জ্বল, সুৰেলা, সোতোৰা-সুতৰি, স্বৰ্ণালী, হয়তো, হ'লেও- ইত্যাদি।

'জাতিতত্ব (এথন'ল'জী আৰু তুলনামূলক ভাষাতত্বৰ ক্ষেত্ৰত ভাৰতৰ এই অংশই, বিশেষকৈ অসমে অতি আৱশ্যকীয় আলোক সম্পাত কৰিব পাৰে; বিবিধ ভাষাবিশিষ্ট অসমখন ভাষাতত্বৰ ছাত্ৰৰ পক্ষে বাস্তৱতে বহল আৰু সাৰুৱা পথাৰ মাথোন।' -অসমৰ বহুভাষী পৰিৱেশ লক্ষ্য কৰি ১৮৮৪ চনতে এনেদৰে মত পোষণ কৰিছিল ৰেভাৰেণ্ড এণ্ডেলে। ১৯৩১ চনৰ লোকপিয়লত মুলান চাহাবেও মন্তব্য কৰিছিল, 'অসমখন ভাষাবিদৰ স্বৰ্গ'। পৰত্ৰে, আমাৰ শ্ৰদ্ধেয় ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰো প্ৰামাণ্য অভিব্যক্তি - 'অসম অকল ভাষাবিদৰে স্বৰ্গ নহয়, নৃতাত্বিকৰো অমৰাৱতী নহয়.ঃ অসম অনুসন্ধিৎসু আৰু তত্বজিজ্ঞাসু মাত্ৰৰে প্ৰাকৃতিক গৱেষণাগাৰ।' .......... এইদৰে বিচাৰ কৰিলে নানা মুনিৰ অভিন্ন মতকে আমি সকলোৱে একান্তভাৱে লাভ কৰিব পাৰো।

যি হওক, মাননীয় সুমন্ত চলিহা সংকলিত 'আধুনিক অসমীয়া শব্দকোষ' প্ৰসংগ অৱতাৰণা কৰিবলৈকে যে উপৰি-উক্ত জাতি, ভাষা সন্দৰ্ভৰ উদ্ধৃতিসমূহৰ আৱশ্যকতা অনুভৱ কৰা হ'ল, সেইকথা জনাব খোজোঁ। আচলতে, অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্যৰ স্বৰূপ চিনাকি দিবলৈ কিম্বা অৰ্থৰ স্পষ্টীকৰণৰ বাবে প্ৰায় দুশ চিত্ৰৰ অভিনৱ সংযোজন কৰিলেও এইখনো এখন অসম্পূৰ্ণ অভিধান। প্ৰকাশকে আন অসমীয়া অভিধানত স্থান নোপোৱা প্ৰায় তিনিহাজাৰ শব্দৰ অন্তৰ্ভুক্তি হোৱা বুলিলেও বহু উপযোগী শব্দয়ো ইয়াত মুখ থেকেচা নোখোৱাকৈ থকা নাই। আমি ইয়াক 'স্বাভাৱিক' বুলিয়ে পৰিগ্ৰহণ কৰোঁ। কিন্তু, আমাৰ মিঠা অনুযোগ– 'পৰিশিষ্ট'ত উল্লেখ কৰা 'অসমৰ উপাধিসমূহ'ৰ প্ৰতিহে। আমাৰ ন্যূনতম বুদ্ধি-মনীষাৰে ক'বলৈ হ'লে তালিকাখনৰ নামকৰণ 'অসমৰ উপাধিসমূহ'ৰ সলনি 'অসমৰ কেতবোৰ উপাধি' কৰিলেহে সমীচীন হ'লহেতেন। যিহেতু তালিকাৰ যথা-নিৰ্দিষ্ট সন্নিবিষ্ট ২৮৩ টা উপাধিয়ে সংশ্লিষ্ট সকলোকে কোনোপধ্যে সাঙুৰিব পৰা নাই। প্ৰণিধানযোগ্যভাৱে, বৃহত্তৰ অসমীয়া জাতি গঠনৰ পথত দায়বদ্ধ থকা উচ্চবৰ্ণৰ হিন্দুসকলৰ উপৰিও বড়ো জনগোষ্ঠীৰ বড়ো, ইছলাৰী, ইৰাবদাও, ওৱাৰী; ৰাভাৰ হাকাচাম; আদিবাসীসকলৰ টুডু, হেমব্ৰম, চৰেণ; কাৰ্বিৰ ফাংচু; ডিমাছাৰ গিৰীচা, থাওসেনছা, বাথাৰী; মিছিঙৰ মিপুন; চাহ জনগোষ্ঠী (যদিও চাহ নামৰ কোনো সম্প্ৰদায় নাই, সাংবিধানিক ভাষাতহে জনজাতি বুলি কওঁ) ৰ মুণ্ডা, দিগাল, প্ৰধান প্ৰভৃতি উপাধি অজ্ঞাত কাৰণ বশতঃ পৰিহৃত হৈছে। অথচ লক্ষণীয়ভাৱে শীৰ্ষক শব্দকোষখনৰ ৬ষ্ঠ প্ৰকাশ পৰ্য্যন্ত হ'ল। বজাৰ-মূল্যও যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হ'ল। ততোধিক দুৰ্ভাগ্যজনক কথা, - অসমৰ জাতীয় জীৱনৰ সিংহদ্বাৰ স্বৰূপ 'অসম সাহিত্য সভা'ই এইবোৰলৈ কৰ্ণপাত নকৰি ২০ ফেব্ৰুৱাৰী, ১৯৮৬ ৰ কাৰ্য্য-নিৰ্বাহকৰ বৈঠকৰ দ্বাৰা পুনৰীক্ষিত আৰু অনুমোদিত শব্দকোষ' বুলিও ঘোষণা কৰিলে। এতিয়া অধিকতৰ বিতৰ্কৰ বিপৰীতে আমাৰ দৃঢ় প্ৰত্যয় ঃ শিক্ষাসদী মহল নিশ্চয় সজাগ হ'ব। আমি অল্পমতিয়ে মাথোঁ শব্দকোষ-বহিৰ্ভূত তেনে কিছু উপাধি (অসম্পূৰ্ণ) বুটলি পৰম শ্ৰদ্ধা সহকাৰে আগবঢ়ালোঁ। বিচাৰ বিবেচনাৰে গ্ৰহণ কৰাটোহে আচল কথা।

অভয়পুৰীয়া, কাজি, কান্দুৰা, কান্দোলা, কামা, কুণ্ডু, কুম্ভকাৰ, কুৰি, কেম্প্ৰাই, কৈৱী, খটিয় দেউৰী, খৰিকাপচা, খেন, খেৰীয়া, গাখাৰ, গায়ন, চৰাই মৰীয়া, চাঁচনি, চাহু, চুৰিজ, চুৰিন, চিংফৌ, জগতী, টাকি, টেলেংগা, ডৰজি, ডাউকা, ডাউলা-গাজাও, ডাউলা-গুফু, ডিব্ৰাগেডে, ডেংৰা, তপন্ন, তেলী, থংছি, থাওমৌং, দাস, দাসগুপ্ত, দিহিদাৰ, দেৱ, ধৰ, ধিং, নন্দ, নন্দী, নাগ, নায়ক, নিংখী, নুনিচা, পটঙ্গীয়া, পাম, পাল, পালিত, বকতীয়াল, বড়োচা, বৰকোঁচ, বৰদেউৰী, বৰপাত্ৰ, বৰফলীয়া, বৰ্মা, বৰাইক, বাইথুৰী, বাদিং, বিষয়া, বেজবৰা, ভাট, ভাণ্ডাৰ কায়স্থ, ভৌমিক, মণ্ডল, মহন, মহলীয়া, মহাজন, মাউত, মালাকাৰ, মালী, মাহান্তী, মিৰ্ধা, মুঢ়া, ৰয়, ৰাজ খনিকৰ, ৰাজমেধি, ৰাৰিচা, শাস্ত্ৰী, শিকদাৰ, শীল, সৰু দেউৰী, সাও , সুৰি, হৰ, হাগজেৰ, হাটো, হাদু, হাফলংবাৰ, হিৰা, হুজুৰী, হোজাইচা, ক্ষেত্ৰী ইত্যাদি। (ওভতনি-আমাৰ নিজাপী তথা চিৰকলীয়া উপাধিটোওচোন 'অসমৰ উপাধিসমূহ'ত পাবলৈ নাই।

শেহান্তৰৰ কথা, উধৰ পৰা মূধলৈ অঁকৰাই মৈত উঠি নামিবলৈ নাপাহৰো। ন যযৌ ন তস্থৌকৈহে আগবাঢ়িছিলো। আমাৰ আলোচনাও তেনেই প্ৰাথমিক পৰ্য্যায়ৰ আলোচনা। দৰাচলতে, অভিধান প্ৰণয়ন কৰাটোৱে হৈছে দুৰূহ আৰু অধ্যৱসায়ৰ কাৰ্য্য। প্ৰস্তুতি-আঁচনি থাকিলেও নিৰ্দিষ্ট কোনো সময় বা বাজেটত অভিধান যথেস্থা-সম্পাদিত হোৱা দেখা নাই। অক্সফৰ্ড ইংৰাজী অভিধানৰ বেলিকা প্ৰস্তাৱিত সময় আছিল ১৩ বছৰ; কিন্তু বাস্তৱিকতে সময়ৰ প্ৰয়োজন হৈছিল ৩৯ বছৰৰ। আনকি চুইডিছ অভিধানখনেও প্ৰস্তাৱিত ১২ বছৰৰ পৰিৱৰ্তে ৬৫ বছৰৰ মূৰকতহে মুক্তিৰ বাট দেখা ৰিজনি পাওঁ। অত এৱ, 'ৰাইজে নখ জোকাৰিলে নৈ বয়'-- আপ্তবাক্যটি পুনৰ্বাৰ স্মৰণ কৰিলোঁ; জানোচা, ৰাইজৰ হাৰ্দ্দিক সহযোগিতাক্ৰমে আমি সকলোৱে লাভ কৰিব পাৰো-বৰ্ণানুক্ৰমৰ স্পষ্ট আৰু নিৰ্দিষ্ট ৰূপ থকা, পৰিকল্পিত, বিজ্ঞান সন্মত, বৃহদাকাৰৰ এখন অসমীয়া অভিধান। আশা পোষণ কৰোঁ, 'চন্দ্ৰকান্ত অভিধান' বা 'আধুনিক অসমীয়া শব্দকোষ', বুলিয়েই নহয়, যিকোনো এখন অভিধানৰ যোগেদিয়ে আমি আমাৰ স্বপ্নৰ অভিধান খনৰ সাকাৰ ৰূপটো প্ৰজন্মৰ পিছত প্ৰজন্মৰ হাতত তুলি ধৰিব পাৰিম। লগতে 'আমি অসমীয়া' হিচাপে গৌৰৱ অৰ্জন কৰিম। তাৰ বাবে প্ৰণেতা সকললৈও যতনাই থৈছো শুভেচ্ছাৰ শৰাইখন । জ্ঞাতব্য এই বিষয়।

(লেখক স্নাতকোত্তৰ দীক্ষান্ত বৰ্ষ অসমীয়া সাহিত্যৰ ছাত্ৰ)

# উত্তৰ-আধুনিকতাবাদ প্ৰসংগত

—*কমল কুমাৰ তাঁতী*

"*An incredulity toward metanarratives*"

উত্তৰ- আধুনিকতাবাদৰ তাত্ত্বিক ঝাঁ-ফাঁছোৱা লিয়'টাৰে (*Jean-Francois Lyotard*) তেওঁৰ " *The post-modern condition: A Report on knowledge*" (*1984*) শীৰ্ষক গ্ৰন্থত *Post-Modernism* ৰ ব্যাখ্যা এনেদৰে কৰিছে। যদিও উত্তৰ-আধুনিকতাবাদ সম্প্ৰতি এটা বিশেষ প্ৰভাৱশালী ধাৰাত পৰিণত হৈছে, কিন্তু কোনো সংজ্ঞাই এতিয়ালৈকে ইয়াক সাঠিকভাৱে বুজাব পাৰিছে বুলি ক'ব পৰা নাযায়। ৰোমাণ্টিচিজম্, ক্লাচিচিজম্ , মডাৰ্ণিজম্ আদি সাহিত্য আন্দোলনকো কোনো একক সংজ্ঞাই সঠিকভাবে সামৰি ল'ব পৰা নাছিল। কিন্তু সাহিত্য প্ৰসংগত উত্তৰ- আধুনিকতাবাদৰ তাৎপৰ্য্য আৰু দুৰ্গম, বহুধাবিভক্ত, সমস্যাজৰ্জৰ। উত্তৰ-আধুনিকতাবাদ কেৱল সাহিত্যৰে ৰীতি নহয়; শিল্পসাহিত্য দৰ্শন, অৰ্থনীতি, ৰাজনীতি, ইতিহাস, সংগীত, স্থপতিবিদ্যা, ভাষাতত্ত্ব, সমাজতত্ত্ব, আনকি জিনিওলজি অথবা বংশানুচৰিত- এই সমস্ত বিষয়বস্তুতে উত্তৰ-আধুনিকতাবাদৰ অবাধ বিচৰণ । এই ধাৰাৰ বিভিন্ন চিন্তাভাৱনাৰ মাজত যেনেকৈ পাৰ্থক্য আছে, এজন উত্তৰ-আধুনিকতাবাদী চিন্তাবিদৰ সৈতে যেনেদৰে আন এজনৰ চিন্তাধাৰাৰ পাৰ্থক্য আছে, ঠিক তেনেদৰেই আকৌ এই সকলোবোৰ চিন্তাধাৰাৰ মাজত এটা ঐক্যও দেখা যায়।

উত্তৰ-আধুনিকতা সম্পৰ্কত বিভিন্নজনৰ বিভিন্ন মত। উত্তৰ-আধুনিকতাক কোনোবাই আখ্যা দিছে সৰ্বাধুনিক বুলি, কোনোৱে নব্য-আধুনিক । সাহিত্যৰ উত্তৰ-আধুনিকতাক কোনোবাই কৈছে "নতুন প্ৰাচুৰ্য্য যোগান ধৰা সাহিত্য" (*literature of replenishment*) আৰু আন কোনোবাই ইয়াক চিহ্নিত কৰিছে 'মূল্যবৃদ্ধি অৰ্থনীতিৰ সাহিত্য" (*literature of inflationary economy*) ৰূপে। প্ৰথম বিশ্বৰ দেশসমূহত যেনেদৰে উত্তৰ-আধুনিকতাবাদে এক নতুন উন্মাদনাৰ জন্ম দিছে, ঠিক তেনেদৰে তৃতীয় বিশ্বৰ দেশসমূহত ই এক গভীৰ সংশয়ৰ সূচনা কৰিছে। উত্তৰ-আধুনিকতাবাদ সম্পৰ্কত জিয়াউদ্দিন চৰ্দাৰে তেওঁৰ *Post-modernism and the other : The New Imperialism of western culture* (*1998*) গ্ৰন্থত কৈছে যে ই পশ্চিমভিন্ন অন্যান্য সংস্কৃতিৰ ওপৰত আধুনিকতা আৰু ঔপনিবেশিকতাবাদ– উত্তৰ শোষণ আৰু দমনৰ নতুন ব্যৱস্থা? উত্তৰ-আধুনিকতাবাদৰ বিকাশৰ লগে লগে মাৰ্ক্সবাদৰ সৈতে হোৱা ইয়াৰ সংঘাতে গোটেই বিষয়টোকে এটা নতুন মাত্ৰা প্ৰদান কৰিছে। অৱশ্যে এটা কথা ঠিক যে প্ৰধানতঃ মাৰ্ক্সবাদক আক্ৰমণ কৰিয়েই উত্তৰ-আধুনিকতাবাদে নিজৰ ভেটি সবল কৰিছিল। সম্প্ৰতি উত্তৰ-আধুনিকতাবাদৰ উপৰিও আন কিছুমান বুৰ্জোৱা মতবাদেও মাৰ্ক্সবাদক লক্ষ্য কৰি নিজক প্ৰতিষ্ঠা কৰিবলৈ আৰু জনপ্ৰিয়তা অৰ্জনৰ প্ৰচেষ্টা চলাইছে। বিশেষকৈ পূব ইউৰোপৰ ৰাজনৈতিক পট পৰিবৰ্তন আৰু ছোভিয়েট ৰাছিয়াৰ পতনৰ পিছত উত্তৰ-আধুনিকতাবাদ দ্ৰুতগতিত অগ্ৰসৰ হৈছে ৰাজনৈতিক আন্দোলনৰ দিশলৈ; তাৰ লগে লগে মাৰ্ক্সবাদৰ সৈতে উত্তৰ-আধুনিকতাবাদৰ যি সংঘাতে দেখা দিছে, সেয়া অভূতপূৰ্ব। এই দ্বন্দ্ব- বিতৰ্কৰ ব্যাপ্তি আৰু গভীৰতা যথেষ্ট; আৰু ই মাৰ্ক্সবাদক ক্ষতিগ্ৰস্ত কৰাৰ লগে লগে ইয়াক এক নতুন মাত্ৰাও প্ৰদান কৰিছে। সমাজবাদৰ প্ৰয়োগিক ব্যৰ্থতাৰ পৰা শিক্ষা লৈ যি সময়ত নতুন পুৰুষে আন্তোনিও গ্ৰামছি আদি নব্য-মাৰ্ক্সবাদীসকলৰ নতুন ধ্যান-ধাৰণাৰে দীক্ষিত হৈ সমাজ পৰিৱৰ্তনৰ সংগ্ৰাম তীব্ৰ ৰূপত আগুৱাই লৈ যাব বিচাৰিছে, যি সময়ত বঞ্চিত নিপীড়িত মানুহে ক্ষমতা জনগণৰ হস্তান্তৰ হোৱাটো মনে-প্ৰাণে কামনা কৰিছে, ঠিক তেনে মুহূৰ্ত্তত উত্তৰ- আধুনিকতাবাদে মুক্তিকামী মানুহক কৰি তুলিছে বিভ্ৰান্ত।

উত্তৰ-আধুনিকতাবাদৰ "উত্তৰ" টো সম্পৰ্কত ব্ৰিয়ান মেক্‌হেইলে তেওঁৰ *Post-Modernist Fiction* গ্ৰন্থত আধিপত্য বিস্তাৰকৰ (*dominant*) কথা উল্লেখ কৰিছে। তেওঁ লিখিছে একোটা বিশেষ যুগৰ সাহিত্য-নিৰ্মাণৰ ক্ষেত্ৰত কিছুমান উপাদানে আধিপত্য বিস্তাৰ কৰি থাকে। আধুনিকতাবাদী সাহিত্যতত্ত্বত এনেবোৰ আধিপত্য বিস্তাৰক দ্বন্দ্ব (*contradiction*) বিচ্ছিন্নতা (*discontinuity*) ক্ৰমহীনতা (*randomness*) মাত্ৰাধিক্য (*excess*) হ্ৰস্ব তড়িৎপ্ৰবাহ (*short circuit*) ইত্যাদি হোৱাৰ বিপৰীতে উত্তৰ– আধুনিকতাবাদী সাহিত্যৰ বিধি-বিশেষ (*rubrics*) হিচাপে চকুত পৰে পৌৰবাদ (*urbanism*), প্ৰযুক্তিবাদ (*technologism*) অমানুবিকৰণ (*dehumanization*), আদিমতাবাদ (*primitivism*),যৌন উত্তেজনাবাদ (*eroticism*), বিৰোধবাদ (*antinomism*), পৰীক্ষাবাদ (*experimentalism*) ইত্যাদি।

"উত্তৰ– আধুনিক" শব্দটোৰ মূল উঁহ বিচাৰিলে আমি পাওঁ যে উনবিংশ শতিকাৰ শেষৰ পৰা কুৰি শতিকাৰ প্ৰথম কেইটা দশকৰ বিভিন্ন ৰচনাত ই বিভিন্ন অভিধাৰ সৈতে জড়িত হৈ আছে। ১৯৩৪ চনত মাদ্ৰিদৰপৰা প্ৰকাশিত স্পেনিছ কবিতাৰ সংকলন এটাৰ পাতনিত এই শব্দটো প্ৰথমবাৰৰ বাবে ব্যৱহৃত হয়। ১৯৪২ চনত প্ৰকাশিত লেটিন -আমেৰিকান কবিতাৰ সংকলন এটিতো ইয়াক ব্যৱহাৰ কৰা হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ইতিহাসবিদ আৰ্ণল্ড টয়নবীয়ে "আধুনিক বুৰ্জোৱা সভ্যতা"ৰ পৰৱৰ্ত্তী সম্পূৰ্ণ গণতান্ত্ৰিক এক উত্তৰ- আধুনিক সভ্যতাৰ প্ৰসংগ উত্থাপন কৰিছিল আৰু ছ'মাৰভিলকৃত *A study of History* ৰ সাৰাংশতো শব্দটো ব্যৱহৃত হয় একাধিকবাৰ । পঞ্চাশ দশকত আভিং হোৱে আৰু ষাঠিৰ দশকত লেচলি ফিডলাৰ, ছুজান ছণ্টাগ, ইহাব হাচান প্ৰমূখ্যে লেখক লেখিকাসকলে মূলতঃ পঞ্চাছৰ দশক আৰু তাৰ পৰৱৰ্তী মাৰ্কিন সাহিত্যৰ গতি-প্ৰকৃতি অথবা তাত প্ৰষ্ফুটিত হোৱা নতুন চেতনাৰ প্ৰসংগত শব্দটো ব্যৱহাৰ কৰে । সত্তৰৰ দশকৰ পৰা স্থাপত্যবিদসকলে বিশেষকৈ আধুনিকতাবাদী স্থাপত্যৰ বিকল্পৰ অৰ্থত শব্দটো ব্যৱহাৰ কৰিবলৈ লয় আৰু দশকটোৰ শেষৰফালে–১৯৭৯ চনত প্ৰকাশিত আৰু ফৰাছী চিন্তাবিদ ঝাঁ-ফঁছোৱা লিয়'টাৰ ৰচিত *Post-- Modern condition : A Report on knowledge* নামৰ গ্ৰন্থৰ

জৰিয়তে শব্দটোৱে লাভ কৰে ঘনীভূত ব্যঞ্জনা, প্ৰসাৰ আৰু প্ৰচাৰ। কিউবেক চৰকাৰৰ বিশ্ববিদ্যালয় পৰিষদৰ অনুৰোধক্ৰমে লিয়'টাৰে প্ৰস্তুত কৰি উলিওৱা এই প্ৰতিবেদনৰ আলোচ্য বিষয় সমসাময়িক সমাজত বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু শিক্ষাৰ ভূমিকা। যোগাযোগৰ চমকপ্ৰদ উন্নতিৰ আঁত ধৰি লিয়'টাৰে কৈছে যে বাগ্‌ধাৰা (*discourse*) হিচাপে প্ৰকট হোৱা বৈজ্ঞানিক জ্ঞানৰ এক প্ৰধান বিষয় হৈ উঠিছে ভাষা; এনে পৰিস্থিতিত জ্ঞানৰ উৎপাদন আৰু সেই জ্ঞানক ন্যায্যতাপ্ৰদানৰ সমস্যাই লিয়'টাৰৰ মতে উত্তৰ-আধুনিক অৱস্থানৰ গুৰুতৰ সমস্যা।

উত্তৰ-আধুনিকতাবাদ প্ৰকৃততে এক ব্যাপক মানসিক পৰিমণ্ডল হ'লেও প্ৰায়ে ইয়াক সময়-সাপেক্ষ দৃষ্টিভংগীৰেও বিচাৰ কৰি চাব পাৰি। মানসিকতাৰ সংকুচিত দৃষ্টিকোনৰ পৰা লক্ষ্য কৰিলে আমি যিসকল লেখক-লেখিকা-শিল্পী-চিন্তাবিদক উত্তৰ-আধুনিক অৱস্থানত অটল হৈ থকা দেখা পাওঁ, সেইসকল হৈছে ঃ ঝাক দেৰিদা, ঝাক লাকাঁ, মিশ্বেল ফুকো, ঝঁ-ফাঁছোৱা লিয়'টাৰ, জিল দলজ, ঝঁ বদ্ৰিয়াৰ, ৰঁলা বাৰ্থ, জুলিয়া ক্ৰিষ্টেভা, যোছেফ বয়জ, ৰবাৰ্ট ভেন্সুৰি, চাৰ্লজ জেংকছ ইত্যাদি।

ফ্ৰান্সত আধুনিকতাবাদী আন্দোলনৰ জন্ম হোৱা নাছিল যদিও তাৎপৰ্য্যপূৰ্ণভাৱে উত্তৰ-আধুনিকতাবাদৰ মূল জন্মভূমি হৈছে ফ্ৰান্স । আধুনিকতাবাদৰ পূৰ্বে ইউৰোপত "ফ্ৰাংকফুৰ্ট স্কুল"ৰ পৰা প্ৰচলন হৈছিল নব্য- বাওঁ মতবাদ। তাৰ পূৰ্বে দ্বিতীয় বিশ্বযুদ্ধৰ ঠিক পিছতে ফ্ৰান্সত জাঁ পল ছাৰ্ত্ৰেৰ নেতৃত্বত অস্তিত্ববাদৰ প্ৰচলন হৈছিল আৰু তাৰ পাছতে উত্তৰ-আধুনিকতাবাদে এক জটিল আৰু ব্যাপক ৰূপত দেখা দিয়ে। উত্তৰ-আধুনিকতাবাদ প্ৰকৃততে কেইজনমান ফৰাছী দাৰ্শনিকৰ সমাজ, সাহিত্য, জীৱনদৰ্শন ইত্যাদি বিষয়বস্তুৰ ওপৰত দাৰ্শনিক চিন্তাভাৱনাৰ সমাহাৰ। এই দাৰ্শনিকসকলৰ মাজত বৈজ্ঞানিক মাৰ্ক্সবাদৰ স্বঘোষিত প্ৰৱক্তা লুই এলথুজাৰ আৰু তেওঁৰ ছাত্ৰ মিশ্বেল ফুকো ফ্ৰয়েডীয় তাত্বিক ঝাক লাঁকা, ৰলাঁ বাৰ্থ আৰু প্ৰতি দাৰ্শনিক ঝাক দেৰিদা অন্যতম । এওঁলোকে প্ৰথম অৱস্থাত "মানৱতাবাদ"ৰ সমালোচক হিচাপে খ্যাতি লাভ কৰে। সমস্ত যুক্তিবাদী আৰু ব্যক্তিত্ববাদী (উদাহৰণ স্বৰূপে অস্তিত্ববাদী) দৰ্শন সম্পৰ্কে তেওঁলোক আছিল সন্দিহান, ইতিহাসৰ উদ্দেশ্যবাদী, ( যাতে ইতিহাসক এনে এটা কাহিনীৰ ৰূপত দেখুওৱা হয়, যাৰ পৰিসমাপ্তি ঘটে সুখ আৰু শান্তিৰে) ব্যাখ্যাৰ তেওঁলোক আছিল তীব্ৰ সমালোচক আৰু, উদাৰনীতিবাদ আৰু মাৰ্ক্সবাদক লৈ (এলথুজাৰৰ বাদে) বিৰক্ত। মূলতঃ উত্তৰ- আধুনিকতাবাদৰ মূল ধাৰাটো শক্তিশালী ৰূপত গঠিত হয় সত্তৰৰ দশকৰ প্ৰথমভাগত ফ্ৰান্সত বামপন্থী আন্দোলন দুৰ্বল হোৱাৰ সময়ত, যেতিয়া লুই এলথুজাৰৰ 'ফৰ মাৰ্ক্স' শীৰ্ষক গ্ৰন্থখনৰ তীব্ৰ সমালোচনা আৰম্ভ হয়। লুই এলথুজাৰেই হৈছে ফ্ৰান্সৰ অন্তিমজন মাৰ্ক্সবাদী যিয়ে মাৰ্ক্সীয় মতাদৰ্শৰ আলোকত সমসাময়িক সামাজিক আৰু সাংস্কৃতিক সমস্যাবোৰৰ ব্যাখ্যা কৰাৰ যত্ন কৰিছিল । এলথুজাৰে যি (*Over determinism*) তত্ত্বৰ জৰিয়তে মাৰ্ক্সীয় নিৰ্ধাৰণবাদ আৰু আৱশ্যিকতাবাদক এটি যুক্তিগ্ৰাহ্য ব্যাখ্যা দিব বিচাৰিছিল, উত্তৰ-আধুনিকতাবাদীসকলে তাকে আক্ৰমণৰ লক্ষ্য ৰূপে বাছি লয়।

জাঁ পল চাৰ্ত্ৰ আৰু তেওঁৰ অস্তিত্ববাদী দৰ্শনৰ উত্থানপ্ৰাপ্তি সেই সময়ৰ এটা উল্লেখযোগ্য, অবিচ্ছিন্ন পৰিঘটনা। তেওঁ আৰু তেওঁৰ সমসাময়িক বহুকেইজন দাৰ্শনিক পণ্ডিতে মাৰ্ক্সবাদক এটা ৰাজনৈতিক আৰু নৈতিক পৰিধিৰ ৰূপত চিহ্নিত কৰিছিল। কিন্তু ফুকো, দেৰিদা– এওঁলোকে তেনে কোনো নৈতিকতাৰ প্ৰয়োজনবোধ কৰা নাছিল। বাস্তৱৰ কঠিন পথক তেওঁলোকে অস্বীকাৰ কৰে; অস্বীকাৰ কৰে বিশ্বজনীন ইতিহাস অথবা মাৰ্ক্সবাদক। যুক্তি আৰু স্বাধীনতাৰ সমন্বয়ৰ হেগেলীয় দৃষ্টিভংগী তেওঁলোকৰ ওচৰত গ্ৰহণযোগ্য নহয়। 'সংহতি'ৰ প্ৰতিষ্ঠিত ধাৰণাক বৰ্জন কৰি ফুকোৱে পাঠকসকলক স্বীকাৰ কৰিবলৈ কৈছিল যে "মানৱ জীৱনটোক এটা নঞৰ্থক অভিজ্ঞতা হিচাপে চাব পাৰি আৰু তাক চোৱাটো দৰকাৰ; ঘৃণাৰ প্ৰকাশ আৰু অভিব্যক্তি হিচাপেও যিটো জীৱন ব্যয় হয়।"

ফুকো, দেৰিদা– এওঁলোকে পাঠ্যবস্তুৰ মাজত অবৰ্তমান মণিমুক্তাৰ সন্ধানত ব্যস্ত হোৱাৰ এটা প্ৰধান কাৰণ আছিল জাঁ পল চাৰ্ত্ৰ। ষাঠিৰ দশকত চাৰ্ত্ৰৰ এক অভূতপূৰ্ব পৰিৱৰ্তন ঘটে। তেওঁৰ মতে, মাৰ্ক্সবাদ এক বিশ্ব নিৰক্ষা বুলি পৰিগণিত হ'বলৈ হ'লে নিৰ্দ্দিষ্ট, বিশেষ পৰিস্থিতিত এক নিৰ্দ্দিষ্ট, বিশেষ ব্যক্তি হিচাপে, গভীৰ চেতনাসম্পন্ন এটা প্ৰাণী হিচাপে মানুহৰ ব্যাখ্যা ই দিব পাৰিব লাগিব। দৰ্শনৰ পৰিভাষাত ইয়াক কোৱা হ'ল, "মাৰ্ক্সীয় চিন্তাৰ অন্তৰংগীকৰণ" (*interiorisation of Marxist thought*) আৰু চাৰ্ত্ৰৰ মতে তেওঁ এই কামটো সম্পাদন কৰোঁতেই জীৱনৰ শেষচোৱা ব্যয় কৰিছে। সেই সময়তে আলজেৰিয়াৰ বিদ্ৰোহৰ অধিকাৰক সমৰ্থন জনাই ফ্ৰান্সত ১২১ জন বুদ্ধিজীৱী স্বাক্ষৰিত এক বিবৃতি প্ৰকাশিত হয়, যিটো আছিল ফৰাছী কৰ্তৃপক্ষৰ মতে দেশদ্ৰোহীতাৰ নামান্তৰ। যদিও মৰিছ ব্লাঁশো আৰু তেওঁৰ কেইজনমান সুৰ্ৰিয়েলিষ্ট বন্ধুৱে এই বিবৃতিটো প্ৰকাশ কৰিছিল, চাৰ্ত্ৰ হৈ উঠে বিবৃতিবিষয়ক বিতৰ্কৰ কেন্দ্ৰবিন্দু। সেইসময়ত চাৰ্ত্ৰৰ সন্মান তুংগত-- প্ৰকাশিত হৈছে *"Being and Nothingness"*ৰ পৰৱৰ্তী গ্ৰন্থ --*"The critique of dialectic reason"(1960)*, যিখন কিতাপ মেৰী ৱাৰ্ণকৰ ভাষাত, "অপাঠ্যতাৰ এক দানৱ" (*a monster of unreadability*)। চাৰ্ত্ৰই ক'লে, "মাৰ্ক্সবাদ আমাৰ যুগৰ এক অনতিক্ৰম্য দৰ্শন।" সেই জৰ্জ দ্যুমিজেলৰ প্ৰভাৱত ষাঠিৰ দশকৰ প্ৰথমভাগত ফুকোৱে যোগ দিছিল সংস্থানবাদী (*structuralists*) সকলৰ সৈতে। পিছে ই দীৰ্ঘস্থায়ী নহ'ল। "সংহতিৰ ধাৰণা"ৰ বিৰোধিতাৰ প্ৰতিজ্ঞা ভংগ কৰি ফুকোৱে দ্যুমিজেল আৰু তেওঁৰ সংগী সকলৰ সৈতে এক ধৰণৰ কৌশলগত ঐক্য গঢ়ি তুলি ১৯৭০ চনত কলেজ দ্য ফ্ৰান্সত যোগ দিয়ে। ফুকোৰ এই কৌশলগত ঐক্যৰ মূল উদ্দেশ্য আছিল তেওঁৰ ৰচনাৰ প্ৰচাৰ আৰু প্ৰসাৰ। তাৰ ফলত এই "সংহতিৰ ধাৰণা" সাদৰে অভ্যৰ্থিত হ'ল কাৰণ জৰ্জ দ্যুমিজেল, ৰলাঁ বাৰ্থ, ক্লাদ লেভিস্ত্ৰোছ, লুই এলথুজাৰ, ঝাক লাঁকা, মিশ্বেল ফুকো আৰু ঝাক দেৰিদাৰ আন কিছুমান ক্ষেত্ৰত পাৰ্থক্য থাকিলেও এটা কথাত তেওঁলোক একমত আছিল– জাঁ পল চাৰ্ত্ৰৰ বৌদ্ধিক একাধিপত্য ভঙা।

ফ্ৰান্সত এই চিন্তাবিদসকলৰ উত্থান, হাংগেৰীত ইমৰে নেগিৰ মৃত্যু, প্ৰাগ বসন্ত, ফ্ৰান্সৰ ছাত্ৰ বিদ্ৰোহ, ছোভিয়েট ইউনিয়নৰ চৰিত্ৰৰ সলনি–এই সকলোবোৰ মিলি বিশ্বত এক শূণ্যতাৰ সৃষ্টি হ'ল, দাৰ্শনিক শূণ্যতা। ইয়াকে 'ধ্ৰুপদী দৰ্শন'ৰ মৃত্যু হিচাপে ধৰি লৈ বুদ্ধিজীৱীসকল ফুকো, লাকাঁ, বাৰ্থ আৰু দেৰিদাৰ ওচৰ চাপিল। তেওঁলোকে দৰ্শনৰ অভাৱজনিত শূণ্যতাৰ পৰা মুক্তি বিচাৰি উত্তৰ-আধুনিকতাবাদী দৰ্শনৰ আইনাত নিজৰ প্ৰতিচ্ছবি পৰীক্ষা কৰিবলৈ ল'লে।

প্ৰকৃততে উত্তৰ-আধুনিকতাবাদৰ উত্থানৰ কাৰণ ঠিক মাৰ্ক্সবাদী চিন্তাধাৰাৰ পৰাজয় নহয়; বৰং ইয়াৰ উত্থান ঘটে মাৰ্ক্সবাদ যেনেদৰে অনুশীলন কৰা হৈছিল তাৰ প্ৰতিক্ৰিয়া হিচাপে। ক্ৰমাৎ এই শূণ্যতাৰ দৰ্শনৰ পোহৰত নিজৰ চিন্তাধাৰা পৰীক্ষা কৰাৰ সুবিধা পালে আৰু তাৰ লগে লগে ইটালি, স্পেইন, জাৰ্মেনী, বৃটেইন, জাপান, ব্ৰাজিল

আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰত উত্তৰ-আধুনিকতাবাদৰ অনুৰাগীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিলে। এই দেশসমূহত মাৰ্ক্সবাদক ৰোধিবলৈ এনে এটা দৰ্শনৰ প্ৰয়োজনীয়তাৰ কথা ধনতান্ত্ৰিক শাসক সকলে খুবেই অনুভৱ কৰিছিল। জন্ম ফ্ৰান্সত হ'লেও বিশ্ববিদ্যালয়সমূহত অসংখ্য পণ্ডিতে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছিল সাম্যবাদৰ বিৰুদ্ধে তাত্বিক যুঁজৰ এপাত অস্ত্ৰৰ বাবে, এটা দৰ্শনৰ বাবে। তেওঁলোকে প্ৰায় লগে লগেই উত্তৰ-আধুনিকতাবাদক নিজৰ দৰ্শন বুলি গণ্য কৰিবলৈ ল'লে। সেয়ে ক্ৰমাৎ এই শূণ্যতাৰ দৰ্শন পৰিণত হ'ল 'পুঁজিবাদৰ দৰ্শন'ত।

লিয়'টাৰৰ মতে, উত্তৰ-আধুনিকতা হৈছে সকলো ধৰণৰ *metanarrative* ৰ প্ৰতি সংশয়। প্ৰকৃততে *metanarrative* হৈছে সকলো কাহিনী বা বিৱৰণৰ নেপথ্যত থকা সূত্ৰ। এই প্ৰত্যেকবিধ বিৱৰণ বা কাহিনীৰ মাজত থাকে এক প্ৰশস্ত সূত্ৰ বা যুক্তিগ্ৰাহ্য ব্যাখ্যাৰ আৰ্হি। সেইটোৱেই *metanarrative* বিৱৰণৰ অন্তৰালত থকা চিন্তা বা যুক্তিৰ গঢ়। এইদৰে সাৰ্বজনীন জ্ঞান বা সত্যৰ প্ৰতি থকা সংশয় উত্তৰ-আধুনিকতাৰ অন্যতম প্ৰধান বৈশিষ্ট্য। এই *metanarrative* ৰ উদ্ভৱ কেনেদৰে হয়? মিশ্বেল ফুকোৱে ক'ব খোজে যে 'এনে তথাকথিত জ্ঞানো শক্তি বা ক্ষমতাৰ সৃষ্টি। ক্ষমতাহীন এচাম লোকে নিজৰ ভিতৰতে ঠিক কৰে, তেওঁলোকে কিহক সত্য বুলিব, কিহক অসত্য বুলিব, কিহক জ্ঞান বুলিব আৰু কিহক বুলিব ভ্ৰান্তি। কেতবোৰ প্ৰতিষ্ঠান গঢ়ি উঠে সত্য বা জ্ঞানৰ সেই ধাৰণা ৰক্ষা আৰু প্ৰচাৰ কৰিবলৈ। তাক স্বীকাৰ নকৰা মানুহখিনি এঘৰীয়া হয়, তেওঁলোকৰ কণ্ঠৰুদ্ধ হয়।" উনবিংশ শতাব্দীৰ জাৰ্মান দাৰ্শনিক নীৎছে'ও এই মতবাদকে প্ৰতিষ্ঠা কৰাৰ যত্ন কৰিছিল।

উত্তৰ-আধুনিকতাবাদ সম্পৰ্কত তাত্বিক আলোচনা আৰম্ভ কৰিব পাৰি ঝাক দেৰিদাৰ "অন গ্ৰামাটোলজি" শীৰ্ষক গ্ৰন্থৰ এটা বিশেষ বক্তব্যৰ জৰিয়তে। দেৰিদাই তেওঁৰ গ্ৰন্থত নানাধৰণে এই কথা প্ৰমাণ কৰিব বিচাৰিছে যে "উচ্চাৰিত আৰু লিখিত ভাষাৰ মাজত প্ৰভেদ আছে" (লিখিত ভাষা উচ্চাৰিত ভাষাৰ ছাঁ মাত্ৰ)। কিন্তু গ্ৰীক দাৰ্শনিক প্লেটোৰ মতে, এয়া ভ্ৰান্ত ধাৰণা; উচ্চাৰিত আৰু লিখিত দুয়োটা ভাষাৰে আইন আৰু পদ্ধতি, বিধি-নিষেধ আৰু সংবিধান একে ধৰণৰ। দেৰিদাই পুনৰ কৈছে যে "উচ্চাৰিত আৰু লিখিত ভাষাৰ সহায়ত যি নিৰ্মাণ কৰা হয়, সেয়া হৈছে লেখক বা বক্তাৰ পাঠ (*text*)। এই পাঠৰ মাজেৰেই বিমূৰ্ত হৈ উঠে সংশ্লিষ্ট বিষয়ে লেখক বা বক্তাৰ চিন্তা-চৰ্চা।" পাঠৰ বিনিৰ্মাণৰ (*deconstruction*) জৰিয়তে তাৰ বিপৰীত চিন্তা বিকশিত কৰিব পৰা যায়। উত্তৰ-আধুনিকতাবাদী সকলৰ মত হৈছে, পৃথিৱীৰ প্ৰতিটো গুৰুত্বপূণ বিষয়ক লৈ চলিব পাৰি এই নিৰ্মাণ-বিনিৰ্মাণৰ আখৰা। নিৰ্মাণ-বিনিৰ্মাণ এই আখৰাৰ যি ঐতিহাসিক ধাৰাবাহিকতা থাকে, সেয়া অধ্যয়ন কৰাৰ অৰ্থ হৈছে সেই বিশেষ বিষয়ৰ বংশানুচৰিত অধ্যয়ন কৰা। এইক্ষেত্ৰত উত্তৰ-আধুনিকতাবাদী সকলৰ অৱদান অনস্বীকাৰ্য্য। উদাহৰণ স্বৰূপে মিশ্বেল ফুকোৰ *"Discipline and punish" & " Madness and civilization"* ৰ শীৰ্ষক গ্ৰন্থ দুখনৰ কথা ক'ব পাৰি। কোনো এটা বিষয় সম্বন্ধে বিশ্লেষণ কিমান গভীৰ হ'ব পাৰে, এই ৰচনাবোৰ তাৰেই প্ৰমাণ।

উত্তৰ-আধুনিকাতাবাদী সকলে ভাবে--যে বিভিন্ন বাগ্ধাৰাৰ (*Discourse*) মাজত কোনো পৰম্পৰা বা কাৰ্য্যকৰী সম্পৰ্ক আৱিষ্কাৰ কৰাৰ চেষ্টা এক ভ্ৰান্ত জ্ঞানতত্বৰ (*epistemology*) ফচল। কাৰ্যকৰী সম্পৰ্কৰ জৰিয়তে বিভিন্ন বাগ্ধাৰাবোৰ ঐক্যৰ দোলেৰে বান্ধিবৰ যত্ন কৰিলে এটা পৰম বাগ্ধাৰা বা মাষ্টাৰ ডিছ্কৰ্ছৰ (*Master discouse*) সৃষ্টি হয় যিটো উত্তৰ-আধুনিকতাবাদী সকলৰ মতে এক ভ্ৰান্ত ধাৰণা। উত্তৰ-আধুনিকতাবাদৰ মতে, মাৰ্ক্সবাদে নিজকে পৰম বাগ্ধাৰা বুলি দাবী কৰে আৰু সেই বাবেই উত্তৰ-আধুনিকতাবাদী সকলে মাৰ্ক্সবাদক আক্ৰমণৰ লক্ষ্য ৰূপে বাছি লৈছে।

সামগ্ৰীকতাৰ ধাৰণাটোক নাকচ কৰিছে উত্তৰ-আধুনিকতাবাদে। এই মতবাদৰ মতে, সামাজিক সম্পৰ্কবোৰ পৰস্পৰ বিচ্ছিন্ন আৰু এইবোৰক একত্ৰিত কৰাৰ বা একেটা সূত্ৰৰ জৰিয়তে গ্ৰন্থিত কৰাৰ কোনো সাধাৰণ সূত্ৰ নাই। বস্তু, জীৱ বা ঘটনাবোৰক পৃথক পৃথককৈহে ব্যাখ্যা কৰিব পৰা যায়। উত্তৰ-আধুনিকতাবাদী সকলৰ মতে, পৃথক পৃথক বাগ্ধাৰাক একেলগে একেটা সূত্ৰৰ জৰিয়তে বান্ধিব বিচাৰিলে এটা পৰম বাগ্ধাৰাৰ (*Master discourse*) সৃষ্টি হয় - যিটো আধিপত্যকাৰী (*dominant*) উত্তৰ-আধুনিকতাবাদী সকলৰ মতে, এনে এক আধিপত্যকাৰী বা কৰ্তৃত্ববাদী বাগ্ধাৰা হৈছে মাক্সবাদ, যি অন্যান্য বাগ্ধাৰাক দমন কৰে। তেওঁলোকে এইবুলিও ভাৱে যে মাৰ্ক্সবাদী বিশ্লেষণে শ্ৰেণীৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰাৰ বাবে মানুহৰ অন্যান্য বাগ্ধাৰাবোৰ অৱদমিত হয়।

সমাজবিকাশ সম্পৰ্কে কোনো পৰম বাগ্ধাৰা নথকাটো হৈছে, উত্তৰ-আধুনিকতাবাদী সকলৰ চিন্তা কাঠামোৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। তেওঁলোকৰ মতে, প্ৰকৃততে যি কোনো বিষয়কে ঘেৰি থাকে এটা কৰ্তৃত্বকাৰী বাগ্ধাৰাই- যিয়ে "কৰ্তৃত্বকাৰী বাগ্ধাৰা বিৰোধী বাগ্ধাৰা"ৰ ওপৰত কৰ্তৃত্ব স্থাপন কৰে। কৰ্তৃত্বকাৰী বাগ্ধাৰাৰ বিপৰীত পন্থীসকলে সংশ্লিষ্ট বাগ্ধাৰাৰ পৰিপ্ৰেক্ষিতত দলিত অৱস্থানত থাকে। দলিতসকলে প্ৰতি- বাগ্ধাৰা সৃষ্টি কৰাৰ চেষ্টা কৰে কৰ্তৃত্বকাৰী বাগ্ধাৰাৰ বিনিৰ্মাণৰ (*deconstruction*) মাজেৰে। বিনিৰ্মাণৰ মাজেৰে যি শক্তিশালী প্ৰতি-বাগ্ধাৰাৰ সৃষ্টি হয়, সেইটোৱেই কালক্ৰমত কৰ্তৃত্বকাৰী বাগ্ধাৰাক পৰাস্ত কৰাৰ শক্তি অৰ্জন কৰে। এইদৰে উত্তৰ-আধুনিকতাবাদী সকলে মতাদৰ্শগতভাৱে, কৰ্তৃত্বকাৰী বাগ্ধাৰাৰ কাঠামোত "অন্তৰ্ঘাত"ৰ কৰ্মসূচী গ্ৰহণ কৰে। উত্তৰ-আধুনিকতাবাদৰ এই পদ্ধতিগত অৱস্থানটোৱে বহু সমাজ-সচেতন ব্যক্তিক আকৃষ্ট কৰিছে। যিহেতু সমাজত বহুকেইটা বাগ্ধাৰাৰ অস্তিত্ব বিৰাজমান আৰু প্ৰতিটো বিষয়তে এটা কৰ্তৃত্বকাৰী বাগ্ধাৰা থাকে, সেয়ে ইয়াৰ তাৎপৰ্য অপৰিসীম। এটা বিশেষ বিষয়ক ঘেৰি কোনো সমাজ সচেতন ব্যক্তি বা গোষ্ঠীয়ে ইয়াৰ কামকাজক সীমিত কৰি ৰাখিব পাৰে-- অনুসংগ্ৰাম চলাব পাৰে। এই ক্ষেত্ৰত যি সকলে তেওঁলোকৰ সামাজিক দায়িত্বক পালন কৰিব বিচাৰে, তেওঁলোকৰ কাম হ'ব সেই বাগ্ধাৰাক ঘেৰি গঢ়ি উঠা কৰ্তৃত্বকাৰী বাচনৰ বিৰোধিতা কৰা (যেনে লিংগভিত্তিক বাগ্ধাৰাৰ ক্ষেত্ৰত কৰ্তৃত্বকাৰী পুৰুষবাদৰ বিৰোধী অৱস্থান গ্ৰহণ কৰা)। সংশ্লিষ্ট বাগ্ধাৰাৰ দলিত প্ৰতি-বাগ্ধাৰাক সমৰ্থন জনাই অথবা কৰ্তৃত্বকাৰী বাগ্ধাৰাৰ কৰ্তৃত্ব "অন্তৰ্ঘাত"ৰ জৰিয়তে বিনাশ ঘটাই - এই কাৰ্য কৰিব পৰা যায়। উত্তৰ-আধুনিকতাবাদী ৰাজনৈতিক চিন্তাচৰ্চাৰ ওচৰত আন্তনিও গ্ৰামছিৰ *hegemony* শব্দটো বৰ পছন্দৰ। সমাজৰ বিভিন্ন বাগ্ধাৰাৰ এটাকৈ *hegemony* বা প্ৰভাৱ-মণ্ডল গঢ়ি উঠে। উত্তৰ-আধুনিকতাবাদী সকলৰ মতে, এই প্ৰভাৱমণ্ডল ভেদ কৰাই হৈছে মানুহৰ সামাজিক আৰু ৰাজনৈতিক কৰ্তব্য।

মিশ্বেল ফুকোৰ মতে, ক্ষমতাৰ কোনো নিৰ্দিষ্ট পৰিমাণ নাই। ই প্ৰত্যেক জীৱ, আৰু মানৱ সমাজৰ মাজেৰে প্ৰৱাহমান এটা শক্তিস্ৰোত। নিৰাকাৰ এই ক্ষমতা কাৰো হাতত নাথাকে। ই ব্যৱহাৰ, বিধি-নিষেধ আৰু ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ জৰীয়তে প্ৰকাশিত হয় আৰু সামাজিক,

ৰাজনৈতিক আৰু সামৰিক সংগঠনৰ ওপৰত ইয়াক ন্যস্ত কৰা হয়। ক্ষমতা ৰাষ্ট্ৰৰ হাতত পুঞ্জীভূত- এই কথাষাৰৰ তীব্ৰ বিৰোধিতা কৰিছিল ফুকোৱে। ফুকোৱে সেয়ে মত প্ৰকাশ কৰিছিল যে- ক্ষমতাক আঘাত কৰা মানেই ৰাষ্ট্ৰযন্ত্ৰক আঘাত কৰা। ক্ষমতাক আঘাত কৰা মানে তাৰ বিভিন্ন প্ৰকাশক আঘাত কৰা। যদিও ফুকোৱে ক্ষমতাৰ ওপৰত আঘাত হানিব বিচাৰে, পিছে এই সম্পৰ্কত তেওঁৰ মতামত স্পষ্ট নহয়। কি কৰিব লাগিব তাক ওপৰৰ পৰা স্থিৰ কৰিব পৰা নাযায়- এয়া ফুকোৰ মত; আলোচনা কাৰ্যকলাপ আৰু বিচাৰ-বিশ্লেষণেহে এইটো ঠাৰৰ কৰে।

কিন্তু ক্ষমতাৰ ক্ষেত্ৰত ফুকোৰ উত্তৰসুৰী সকলৰ দ্বিমত আছে। ক্ষমতাৰ স্তম্ভত আঘাত কৰা বাবে তেওঁলোক আগ্ৰহী নহয়। এনেস্থলত উত্তৰ-আধুনিকতাবাদী সকল যে স্থিতাৱস্থাৰ পক্ষপাতী, সেই কথা স্পষ্ট হৈ পৰিছে। তেওঁলোকৰ মতে, "ক্ষমতা" শব্দটোৱেই অপ্ৰাসংগিক। ই হ'ল সংশ্লিষ্ট বাগ্‌ধাৰাভূক্ত সামাজিক সম্পৰ্কৰ এক ক্ৰীড়াক্ষেত্ৰ আৰু সময়ৰ লগে লগে পৰিস্থিতি সাপেক্ষে ক্ষমতাৰ ৰূপ সলনি হৈ থাকে। এই ক্ষমতা দখল কৰাৰ কোনো কথা থাকিব নোৱাৰে। প্ৰকৃততে এই মতবাদৰ উদ্দেশ্য হৈছে মানুহক প্ৰভাৱিত কৰা সমাজিক, ৰাজনৈতিক, তাত্বিক সম্পৰ্কবোধক নস্যাৎ কৰি, এই সকলোবোৰৰ মাজত নিহিত হৈ থকা ক্ষমতাক ধ্বংস কৰি বাগ্‌ধাৰাৰ বিপৰীতে প্ৰতি-বাগ্‌ধাৰা বা কাউন্টাৰ ডিছ্‌কৰ্ছ গঢ়াৰ পথ প্ৰশস্ত কৰা। ক্ষমতা ধ্বংসৰ এই যুঁজখন প্ৰকৃততে মানসিক যুদ্ধ য'ত হিংসা বা অস্ত্ৰৰ কোনো ভূমিকা থাকিব নোৱাৰে। এই মতবাদ অনুসৰি অহিংস ৰাজনীতি হৈছে, ক্ষমতাৰ পৰিৱৰ্তনৰ বাবে বিতৰ্কসভাত জয়-পৰাজয়ৰ যুঁজ। এইখিনিতে প্ৰশ্ন উঠিব পাৰে যে ক্ষমতাৱান সকলৰ মগজুত যদি উত্তৰ-আধুনিক যুক্তি প্ৰৱেশৰ পথ নাথাকে, তেনেহ'লে কি হ'ব? ইয়াৰ উত্তৰ উত্তৰ-আধুনিকতাবাদী সকলৰ হাতত নাই।

উনবিংশ শতাব্দীৰ ইউৰোপীয় দৰ্শন ভাববাদ আৰু বস্তুবাদ এই দুটা সাধাৰণ ধাৰাত বিভক্ত আছিল। বস্তুবাদী দৰ্শন হিচাপে পৰিচিত মাৰ্ক্সবাদৰ মূল ভেঁটি আছিল হেগেলীয় দ্বন্দ্ববাদ। বাগ্‌ধাৰা আৰু প্ৰতি বাগ্‌ধাৰাক মাৰ্ক্সীয় ভাষাত বিপৰীতৰ ঐক্য আৰু বিভেদ হিচাপে অভিহিত কৰিব পাৰি, যিটো ব্যাখ্যা উত্তৰ-আধুনিকতাবাদী সকলৰ অপছন্দ। তদুপৰি কোনো এটা নিৰপেক্ষ বাগ্‌ধাৰাৰ বাস্তৱ অস্তিত্ব উত্তৰ-আধুনিকতাবাদে স্বীকাৰ নকৰে। ইউৰোপীয় বস্তুবাদে চিন্তন নিৰপেক্ষ যি বাস্তৱৰ কথা কয়, উত্তৰ আধুনিকতাবাদৰ চিন্তা-কাঠমোত তাৰ কোনো স্থান নাই। "ভাষা আৰু বাগ্‌ধাৰাৰ মাধ্যমেৰে বাস্তৱৰ নিৰ্মাণ হয়। তাৰ বাহিৰে আন কোনো বিষয়গত বাস্তৱ নাই"- এইবুলি উত্তৰ-আধুনিকতাবাদী সকলে ভাবে। ফ্ৰান্সিছ বেকন, ৰেনে ডাকাৰ্ট, আইজাক নিউটন আৰু আইনষ্টাইন আদি মনীষী সকলৰ হাতত যুক্তিবাদী চিন্তাধাৰাই ক্ৰমশঃ এক অনতিক্ৰম্য স্তৰ লাভ কৰিছিল। কিন্তু উত্তৰ-আধুনিকতাবাদী সকলে সম্পূৰ্ণৰূপে ইয়াৰ বিপৰীত অৱস্থান লৈ, এই সমস্ত যুক্তিবাদী কাৰ্যকলাপক নাকচ কৰি দিব বিচাৰিছে।

উত্তৰ-আধুনিকতাবাদে যুক্তিভিত্তিক আন্তঃসম্পৰ্কৰ জৰিয়তে বস্তু বা ঘটনাৱলীৰ বিশ্লেষণ কৰাটো সঠিক বুলি নাভাবে। সমগ্ৰতাৰ পৰিৱৰ্তে খণ্ডতা বা অন্যতা, বৈজ্ঞানিক সঠিকতাৰ পৰিৱৰ্তে অনিৰ্দিষ্টতা বা দ্বৈততা, ঐক্যৰ পৰিৱৰ্তে পাৰ্থক্য, অস্তিত্ববাদৰ পৰিৱৰ্তে সন্দেহবাদ বা বিনাশবাদ আৰু শৃংখলা বা নিয়মৰ পৰিৱৰ্তে *chaos* বা বিশৃংখলতাই উত্তৰ-আধুনিকতাবাদী সকলৰ ওচৰত অধিক গুৰুত্ব লাভ কৰে।

উত্তৰ-আধুনিকতাবাদৰ ভাষা অতি শক্তিশালী আৰু কৌশলী। এই মতাবাদৰ অন্তৰ্নিহিত ভাববাদী দৰ্শন, যুক্তিবাদ বিৰোধিতা, মতবাদত নিহিত হৈ থকা নিহিলিজম আৰু সৰ্বোপৰি এই মতবাদৰ সমৰ্থক ৰাষ্ট্ৰ আৰু সমাজ ব্যৱস্থা আদি সকলোবোৰ কিছুমান জটিল আৰু দুৰ্বোধ্য "ডিছ্‌কৰ্ছ"ৰ আঁৰত লুকাই থাকে, আৰু ইয়াৰ লগে লগে সচেতনভাৱে এক জটিল পৰিমণ্ডল গঢ়ি তোলা হয়। যিটো এচাম আগ্ৰহী লোকৰ বাবে আকৰ্ষণীয় হৈ উঠে।

প্ৰকৃততে উত্তৰ-আধুনিকতাবাদৰ মূল যুঁজখন হৈছে মাৰ্ক্সবাদৰ সৈতে। মাৰ্ক্সবাদে বিচাৰে পুঁজিবাদ, সামন্তবাদ আৰু সাম্ৰাজ্যবাদৰ অৱসান। প্ৰায়োগিক ব্যৰ্থতাৰ বাবে সম্প্ৰতি দুৰ্বল হৈ পৰা সাম্যবাদৰ স্বপ্ন আৰু তাৰ লগে লগে সাম্যবাদী সকলো গভীৰ সংশয়ত ভুগিব লাগিছে। উত্তৰ-আধুনিকতাবাদী সকলে বিচাৰে এওঁলোকক হত্যোদ্যম কৰিবলৈ, যাতে অসাম্যৰ জগতখনে চিৰস্থায়িত্ব লাভ কৰে। কঠিন কঠিন শব্দৰ খেলাৰ আঁৰত আছে এটা মাষ্টাৰ ডিছ্‌কৰ্ছ আৰু এই মাষ্টাৰ ডিছ্‌কৰ্ছ আচলতে আধুনিক পুঁজিবাদৰ হাতিয়াৰ। এই গোটেই কাৰ্যকলাপৰ আঁৰত আছে সুপৰিকল্পিতভাৱে গঢ়ি তোলা কিছুমান তত্ত্ব। উত্তৰ-আধুনিকতাবাদৰ প্ৰথম তত্ত্ব হৈছে- সত্যৰ কোনো বস্তুগত (Objective) ৰূপ নাই, ই বিষয়ীগত (Subjective)। এয়া যে ভাববাদী এক চিন্তাধাৰা, সেই কথা স্পষ্টভাৱে উচ্চাৰণ নকৰি বাগ্‌ধাৰা আৰু প্ৰতি-বাগ্‌ধাৰাৰ ৰঙচঙীয়া আঁৰকাপোৰেৰে তাক ঢাকি দিয়া হয়, যাতে বস্তুবাদী দাৰ্শনেৰে লালিত-পালিত ৰাজনৈতিক কৰ্মীসকলে প্ৰথমতেই তাক নাকচ কৰিব নোৱাৰে। দ্বিতীয়টো তত্ত্ব হৈছে যে বস্তু বা ঘটনাক কাৰ্যকৰণ সম্পৰ্কৰ মাজেৰে লক্ষ্য কৰাৰ প্ৰচেষ্টা নিৰৰ্থক। প্ৰকৃততে বস্তু বা ঘটনাৱলীৰ ইতিহাস সেয়ে কোনো সূত্ৰৰ জৰিয়তে বান্ধিব নোৱাৰি। ইয়াৰ পৰা কোনোবাই ভাবিব পাৰে যে উত্তৰ আধুনিকতাবাদ যুক্তিবাদ বিৰোধী সেয়ে তাৰ লগে লগে অনা হ'ল খণ্ড বাগ্‌ধাৰাৰ তত্ত্ব। তাৰ ফলত উত্তৰ-আধুনিকতাবাদীসকলে এই কথা ক'ব পৰা হ'ল যে, প্ৰকৃততে যুক্তিবাদ অস্বীকৃত নহয়; পিছে যুক্তিয়ে কোনো সামগ্ৰিক তত্ত্ব গঢ়িব নোৱাৰে, যাৰ জৰিয়তে সমাজক বুজিব পৰা, সমাজক সলনি কৰাব পাৰি। যুক্তিবাদক দেখাদেখিকৈ খণ্ডন কৰিলে মানুহ যিমান বিভ্ৰান্ত হয়, তাতকৈও বেছি বিভ্ৰান্ত হয় যুক্তিবাদৰ এই অৰ্ধ-খণ্ডনৰ যোগেৰে।

সামাজিক ঘটনাৱলীৰ ওপৰত মাৰ্ক্সবাদী সকলৰ দৰে উত্তৰ-আধুনিকতাবাদী সকলেও হস্তক্ষেপ কৰিবলৈ বিচাৰে। তেওঁলোকে বিচাৰে কৰ্তৃত্বকাৰী বাগ্‌ধাৰাত 'অন্তৰ্ঘাত" ঘটাবলৈ, যি অন্তৰ্ঘাতৰ জংগীত্ব আচলতে নৈৰাজ্যবাদী নিহিলিষ্ট জংগীত্ব। এই জংগীত্বই যাতে বুৰ্জোৱা ৰাষ্ট্ৰৰ একো ক্ষতি কৰিব নোৱাৰে, তাৰ বাবে মানুহক ক্ষমতা, সংগ্ৰাম আৰু সংগঠন সম্পৰ্কীয় সংস্কাৰবাদী কাম-কাজত ব্যস্ত ৰাখে, যাৰ ফলত মানুহ আৰু বেছি বিভ্ৰান্ত হয়। উত্তৰ-আধুনিকতাবাদে দেখা - দেখিকৈ যুঁজত নানামে, বৰং ই "অন্তৰ্ঘাত"ৰ কৰ্মসূচী গ্ৰহণ কৰে। পিছে "অন্তৰ্ঘাত" লক্ষ্য হিচাপে এওঁলোকে বাছি লয় সেই মতবাদক, যিয়ে উত্তৰ-আধুনিকতাৰ কাউন্টাৰ ডিছ্‌কৰ্ছ গঢ়িব বিচাৰে। তেনে এবিধ মতবাদ হৈছে মাৰ্ক্সবাদ। এই অন্তৰ্ঘাতী আক্ৰমণ পিছে বন্ধুৰ বেশৰেহে হাজিৰ হয়, মাৰ্ক্সৰ টেক্সট্ (*text*) পঢ়ি মুগ্ধ হোৱাৰ ভাও জুৰে। "সমাজৰ প্ৰতিটো গুৰুত্বপূৰ্ণ কৰ্তৃত্ববাদী বাগ্‌ধাৰাতে মাৰ্ক্সৰ বিনিৰ্মাণ দেখা যায় আৰু এই বিনিৰ্মাণে কৰ্তৃত্ববাদী বাগ্‌ধাৰাৰ কৰ্তৃত্ব দুৰ্বল কৰাত ইতিবাচক ভূমিকা লয়"- এই বক্তব্য স্বয়ং দেৰিদাৰ। তেওঁৰ মতে- "মাৰ্ক্স আছিল এজন ডিকনষ্ট্ৰাক্টৰ (*deconstructor*) - মাৰ্ক্সে এই সমাজৰ কৰ্তৃত্বকাৰী বাগ্‌ধাৰাৰ বিনিৰ্মাণৰ কাম হাতত লৈছিল আৰু তাৰে পৰাই সৃষ্টি হৈছে তেওঁৰ প্ৰতি-বাগ্‌ধাৰা। কৰ্তৃত্ববাদী বাগ্‌ধাৰাৰ বিনিৰ্মাণৰ বাবে তেও বহু

বক্তব্য উত্থাপন কৰিছিল, যাৰ সাৰাংশ আজিও অস্বীকাৰ কৰিব নোৱাৰি।" দেৰিদাই আৰু কৈছে, "মাৰ্ক্সৰ বহু 'ভূত' আছে, যাৰ ভিতৰত সকলোবোৰ প্ৰাসংগিকতা নাই। যিবোৰ প্ৰসংগিক, সেইবোৰক বুজাৰ বাবে প্ৰয়োজন মাৰ্ক্সীয় পাঠৰ (*text*) বিনিৰ্মাণ অৰ্থাৎ মাৰ্ক্সক ঘেৰি যি বাগ্ধাৰাৰ সৃষ্টি হৈছে, তাৰ প্ৰতি-বাগ্ধাৰা তৈয়াৰী কৰাটো আজি প্ৰয়োজনীয় হৈ পৰিছে। এই কাম কৰাৰ ক্ষেত্ৰত প্ৰতিবন্ধক আছিল সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ চৰকাৰী মাৰ্ক্সবাদ, যিয়ে এই বিনিৰ্মাণ দমন কৰি ৰাখিছিল। এতিয়া যিহেতু সেই ৰাষ্ট্ৰসমূহৰ পতন ঘটিছে, এই বিনিৰ্মাণ হৈ উঠিছে আৰু সহজ।"

পিছে এই বিনিৰ্মাণৰ প্ৰয়োজন কিহৰ বাবে? প্ৰকৃততে উত্তৰ-আধুনিকতাবাদী সকলে এই কথা প্ৰমাণ কৰিব বিচাৰে যে মাৰ্ক্সৰ পাঠৰ (*text*) মাজত এনে এজন মাৰ্ক্স আছে যিয়ে উত্তৰ-আধুনিকতাবাদী সকলৰ দৰেই এই নৰখাদক সমাজ ব্যৱস্থাৰ মাজত গণতন্ত্ৰৰ গ্ৰহণযোগ্যতা প্ৰতিপন্ন কৰিব বিচাৰে। মানুহৰ ইতিহাসক শ্ৰেণীসংগ্ৰামৰ ইতিহাস বুলি গণ্য কৰা, বুৰ্জোৱা ৰাষ্ট্ৰক বলপূৰ্বক ভাৱে ধ্বংস কৰি সম্পূৰ্ণ নতুন এখন সমাজ গঢ়িব বিচৰা কাৰ্লমাৰ্ক্সৰ তত্বক অন্তৰ্ঘাতৰ জৰিয়তে দুৰ্বল কৰি প্ৰচলিত সমাজ ব্যৱস্থাৰ গুণ-গান কৰাটোৱেই উত্তৰ-আধুনিকতাবাদী সকলৰ লক্ষ্য।

আৰু এটা তাৎপৰ্যপূৰ্ণ কথা হৈছে, উত্তৰ-আধুনিকতাবাদী সকলে কোনো ৰাজনৈতিক দৰ্শন প্ৰৱৰ্তন নকৰে, যদিও তেওঁলোকে বিভিন্ন ৰাজনৈতিক মতাদৰ্শৰ সমালোচনা কৰে। অৱশ্যে তেওঁলোকৰ লেখাত প্ৰতিষ্ঠান বিৰোধী বক্তব্যও পোৱা যায়। উদাহৰণ স্বৰূপে ফুকোৰ লেখাৰ কথাকে ক'ব পাৰি- ক্ষমতা কোনো শ্ৰেণী বা গোষ্ঠীৰ সম্পত্তি নহয়। পিছে সকলো উত্তৰ-আধুনিকতাবাদীকে একেটা শাৰীত পেলাব নোৱাৰি, কিয়নো ফুকো আৰু কেইজনমান প্ৰতিষ্ঠান বিৰোধী হোৱাৰ বিপৰীতে ৰৰ্টি আৰু তেওঁৰ অনুগামী সকল স্থিতাৱস্থাৰ সপক্ষে।

উত্তৰ-আধুনিকতাবাদ তৃতীয় বিশ্বৰ পেক্ষাপটত প্ৰতিষ্ঠিত নহয়। তৃতীয় বিশ্বৰ সমস্যা সম্পৰ্কত তেওঁলোকৰ কোনো সচেতনতা নাই; বৰং কিছু গমি চালেই এই কথা ওলাই পৰিব যে উত্তৰ-আধুনিকতাবাদৰ প্ৰসাৰৰ লগত ধনতন্ত্ৰ অথবা পুঁজিবাদী ব্যৱস্থাৰ প্ৰসাৰণৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। লক্ষণীয়ভাৱে সাম্ৰাজ্যবাদী কৰ্তৃত্ব সম্পৰ্কত ফুকো নীৰৱ। কিন্তু ফুকোৰ তত্বকে ব্যৱহাৰ কৰা হৈছে এডৱাৰ্ড ছাইৰ প্ৰাচ্যবাদত। এইবোৰ বিশ্লেষণৰ জৰিয়তে ডিছকৰ্ছ উদ্ভৱ হয়, নিৰ্মাণ হয় আৰু এইবোৰৰ জৰিয়তে পশ্চিমে আৰব, ইছলাম আৰু তৃতীয় বিশ্বক শাসন কৰে। প্ৰকৃততে উত্তৰ-আধুনিকতাবাদ কেৱল এক শৈলী বা আন্দোলন নহয়, ই হৈছে সাম্প্ৰতিক সময়ৰ ধনতান্ত্ৰিক উৎপাদন পদ্ধতিৰ এক সাংস্কৃতিক শৈলী, এক ডমিনেন্ট।

ড° হীৰেন গোঁহাই-এ লিখিছে যে- "উত্তৰ-আধুনিকতাবাদী সাহিত্য দুৰ্ঘোৰভাৱে *Anti Representational* অথবা প্ৰতিফলন-বিৰোধী। যিহেতু লিখকৰ চিন্তাৰ বাহিৰত কোনো সৰ্বজনগ্ৰাহ্য বাস্তৱ জগত নাই, সেয়ে তাক প্ৰতিফলিত কৰাৰ বৃথা চেষ্টাত উত্তৰ-আধুনিকতাবাদী সাহিত্যিকে সময় নষ্ট নকৰে। তেওঁ খেয়াল-খুচিমতে নিজৰ ৰচনাৰ মাজেৰে একোখন জগত ভঙা-গঢ়াৰ খেল খেলে। সাহিত্য আধুনিকতাবাদী সকলে ভবাৰ দৰে জীৱনৰ হেৰোৱা আঁত বিচৰা কোনো গূঢ় বা পবিত্ৰ ব্ৰতানুষ্ঠান নহয়- ই এক খেল। পাঠক সকলো মুগ্ধ দৰ্শক নহয়, তেওঁলোক খেলৰ অংশীদাৰ, নিজেও খেলুৱৈ। সেয়ে উত্তৰ-আধুনিকতাবাদী সাহিত্যিকে কাহিনীক এক নিৰ্দ্দিষ্ট গতি দিবলৈ নিবিচাৰে। কেতিয়াবা তাৰ সামৰণি অনিৰ্দ্দিষ্ট কৰি ৰাখে, কেতিয়াবা কেইবাটাও বিকল্প গতিপথ দাঙি ধৰে- পাঠককে তাৰে এটা বাছি ল'বলৈ কয়। কাহিনী ক'ত আৰম্ভ হয়, ক'ত শেষ হয় ধৰিব নোৱাৰি। কাৰণ কাহিনীৰ সমগ্ৰ ৰূপৰ কোনো সূত্ৰ লিখকৰ মনত নাই।"

উত্তৰ-আধুনিকতাবাদৰ এটা বৈশিষ্ট্য হৈছে অনা-আবদ্ধতা (*Open endedness*)। গল্প, আলোচনা-সমালোচনা অথবা চৰিত্ৰ, গল্পকাৰ, লিখক, কল্পনা, বাস্তৱ আদিৰ শ্ৰেণীকৰণ প্ৰক্ৰিয়াক আলোচ্য পাঠত নাকচ কৰা হৈছে। এৰিষ্টটলৰ অনুকৃতিৰ (minesis) সংজ্ঞা অনুসাৰে, বাস্তৱক সাহিত্যই প্ৰতিনিধিত্ব কৰিবলৈ চেষ্টা কৰে; উত্তৰ-আধুনিকতাবাদত পিছে অণুকৰন প্ৰক্ৰিয়াৰ সৃষ্টিত অৱস্থা সম্বন্ধেহে প্ৰশ্ন উত্থাপন কৰা হৈছে। উত্তৰ-আধুনিকতাবাদী সকলে বাস্তৱক প্ৰায়ে অস্বীকাৰ কৰা দেখা যায়। আনহাতে মাৰ্ক্সবাদী সমালোচক লুকাচ্চৰ মতে, সাহিত্য বাস্তৱৰ সাৰমৰ্মৰ কল্পৰূপ আৰু চৰিত্ৰ সৃষ্টি লিখকৰ অন্তৰ্দৃষ্টিৰ শ্ৰেষ্ঠ নিদৰ্শন। সেয়ে বাস্তৱবাদ কেৱল এক পদ্ধতি নহয়, ই এক প্ৰমূল্যও। উত্তৰ-আধুনিকতাবাদী সকলে ভাৱে যে- 'চৰিত্ৰবোৰ লেখকৰ হাতৰ পুতলা। সেয়ে তেওঁলোকে কোনো চৰিত্ৰৰ অন্তৰ্দ্বন্দক তেওঁলোকৰ পৰিচয়ৰ মূল সূত্ৰৰূপে গ্ৰহণ নকৰে। কাহিনী এটাৰ আৰম্ভণিতে কিছুমান চৰিত্ৰ থাকে, কাহিনী শেষ হয় আন কিছুমান চৰিত্ৰৰ জৰিয়তে। একোটা চৰিত্ৰৰ স্বভাৱ বা ভূমিকা মাজবাটতে কোনো কাৰণ নোহোৱাকৈ সলনি হৈ যাব পাৰে। পাঠকে সেয়া কোনো আপত্তি নকৰাকৈ নিজে নিজেই মিলাই ল'ব লাগিব।"

সমাজ বা জীৱনাদৰ্শ সম্পৰ্কে উত্তৰ-আধুনিকতাবাদী সকলে কোনো বৃহত্তৰ ব্যাখ্যা গ্ৰহণ নকৰে; সেয়ে কাহিনীকো সেই গঢ়ত ৰচনা নকৰে। বৰং বিভিন্ন ধৰণৰ আৰ্হি বা প্ৰত্যাশা একেখন উপন্যাসতে উত্তৰ-আধুনিক লেখকে জগাই তোলে। তেওঁলোকৰ ৰচনাৰাজিৰ পাকচক্ৰত পৰি পাঠক বিভ্ৰান্ত হয় আৰু ইয়াতেই তেওঁলোকৰ সাফল্য। এই বিভ্ৰান্তৰ কাৰণ হিচাপে ক'ব পাৰি যে তেওঁলোকে জীৱন-জগতৰ কোনো অন্তৰ্নিহিত অৰ্থ বিচাৰি নুফুৰে; বৰং বাস্তৱক অস্বীকাৰ কৰি ভাষাৰ গতিময়তাৰ জৰিয়তে এক মানৱীয় শূণ্যতাৰ জন্ম দিয়ে। আকৌ, উত্তৰ-আধুনিকতাবাদী সকলে *ideas* বা শক্তিশালী ধাৰণাৰ আদৰ্শ-মূল্যবোধ, মতাদৰ্শ সকলোকে ভাষাই সৃষ্টি কৰা প্ৰতাৰণাময় প্ৰপঞ্চ বুলি বিদায় দিয়াৰ পিছত 'শৰীৰ' আৰু 'তৃপ্তিক' এক বেলেগ গুৰুত্ব দিয়া দেখা গৈছে। ড গোঁহাই-য়ে লিখিছে যে- "সেয়ে বোধহয় কুণ্ডেৰাৰ উপন্যাসত চৰিত্ৰ সমূহৰ বিচিত্ৰ যৌন তাড়না আৰু তৃপ্তিৰ বিৱৰণেই মানৱচেতনাৰ নিঃসীম শূণ্যতা পূৰণ কৰিছে। বহুতে নামানিব পাৰে, কিন্তু মোৰ ধাৰণা উত্তৰ-আধুনিক মেজাজৰ শ্ৰেষ্ঠ প্ৰতিনিধি কুণ্ডেৰা।"

ধ্ৰুৱ, নিশ্চিত, চূড়ান্ত সত্যৰ প্ৰতি উত্তৰ-আধুনিকতাবাদী সকলৰ যি সংশয়, তাৰ প্ৰভাৱ পৰিছে সাহিত্যতো। ধ্ৰুপদী সাহিত্যৰ নায়কৰ লগত আমি যেনেদৰে আত্মীয়তা অনুভৱ কৰোঁ অথবা প্ৰতি-নায়কৰ প্ৰতি যিদৰে আমি বিতৃষ্ণা, বিৰাগ বা বিদ্ৰূপ অনুভৱ কৰোঁ, অথচ যি পোনপটীয়া ব্যংগ ৰচনাৰ নায়ক নহয়; আনহাতে কিন্তু উত্তৰ-আধুনিকতাবাদী সাহিত্যৰ নায়কসকল আমাৰ আপোনো নহয়, পৰো নহয়, তেওঁলোক সপোনৰ দৰে এক অতি ঘনিষ্ঠ অথচ অতি অপৰিচিত জগতৰ বাসিন্দা। উদাহৰণস্বৰূপে কাফকাৰ উপন্যাসৰ নায়ক সকলৰ সুখ-দুখ, আবেগ-অনুভূতিৰ অতি সূক্ষ্ম খুটি-নাটিৰ চিত্ৰণ সত্বেও মানসিকভাৱে আমি তেওঁলোকৰ ওচৰচা পিব নোৱাৰো। তাৰ কাৰণ বোধহয় বিশ্বব্যাপী অৰ্থহীনতাৰ মাজতেই অৰ্থৰ প্ৰতি তেওঁলোকৰ আসক্তি।

প্ৰকৃততে শিল্প-সাহিত্যৰ ইমান দিনে যি সমালোচনাত্মক

ভূমিকা আছিল, সেই ভূমিকা পালনৰ পৰা উত্তৰ-আধুনিকতাবাদে তাক বঞ্চিত কৰি ৰাখিব খোজে। *Post Modernism : A Reader* গ্ৰন্থত *Patricia waugh* য়ে মন্তব্য কৰিছে– *" Art becomes, not so much an expression of human spirit, but another commodity. Like knowledge, therefore, it can no longer be critical, but only functional* কথাষাৰ তাৎপৰ্য্যপূৰ্ণ। উত্তৰ-আধুনিকতাবাদী চিন্তাধাৰা অনুসৰি শিল্প-সাহিত্যৰ ভূমিকা নিতান্ত ক্ৰিয়াত্মকহে, সমালোচনাত্মক নহয়। সেয়ে এই বুলি অভিযোগ উঠিছে যে উত্তৰ-আধুনিকতাই শিল্প-সাহিত্যৰ বিৰোধী ভূমিকা নস্যাৎ কৰি পুঁজিৰ জয়যাত্ৰাৰ পথ সাব্যস্ত কৰিব খুজিছে।

লিয়'টাৰৰ মতে, উত্তৰ-আধুনিক কলা-সংস্কৃতিৰ বৈশিষ্ট্যও এয়ে- সকলো কথাৰে, শিল্পকলাৰ সকলো দিশৰে, নিৰৱচ্ছিন্ন ৰূপান্তৰত তাৰ আগ্ৰহ আৰু উদ্যম। কবি-সাহিত্যিকৰ কাম সত্যৰ অন্বেষণ নহয়, নিত্য-নৱ সৃষ্টিৰ উন্মাদনাহে। পূৰ্বৰ যুগৰ শিল্পী-সাহিত্যকে যি কাম কৰি গ'ল; অহৰহ তাক প্ৰত্যাহ্বান জনোৱা, তাক নাকচ কৰা এয়ে শিল্পকলাৰ উত্তৰ-আধুনিক ধৰ্ম।

এলিয়টকে ধৰি আন আন আধুনিকতাবাদী সকলে ৰোমান্টিক সাহিত্যদৰ্শনৰ সৃষ্টিশীল ৰচয়িতা বা গ্ৰন্থকাৰৰ ধাৰণাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। ৰোমান্টিক কবিসকলৰ বিষয়ীগত আত্মকেন্দ্ৰীকতাৰ বিপৰীতে এলিয়ট আদিয়ে কবিতাক দিব বিচাৰিলে এক নাটকীয় (*dramatic*) আৰু বিষয়নিষ্ঠ ৰূপ, কবিতা হৈ পৰিল বিভিন্ন কণ্ঠৰ মঞ্চ। প্ৰতি ব্যক্তিসত্তাৰ ঐক্য বা সংহতিৰ ধাৰণাও তেওঁলোকৰ ৰচনাত সন্দেহজনক হৈ পৰিল। "*The Wasteland*" ত বিভিন্ন চৰিত্ৰ তথা কণ্ঠ পৰস্পৰৰ লগত মিলি একাকাৰ হৈ যায়। উত্তৰ-আধুনিকতাবাদী সকলে পিছে ইয়াতেই ক্ষান্ত নাথাকিল; ফুকো আৰু ৰ'লা বাৰ্থে ঘোষণা কৰিলে গ্ৰন্থকাৰ বা ৰচয়িতাৰ ধাৰণাটোৰ অসাৰতা- "*death of the author*"। তেওঁলোকে ভাবে যে সাহিত্য ৰচনাত লেখক কেৱল নিমিত্ত মাত্ৰ; সেয়ে লেখকে নিজৰ সত্বা আৰু চেতনাৰ ঐক্যও সাব্যস্ত কৰাত জোৰ নিদিয়ে।

বহুসময়তে উত্তৰ-আধুনিকতাবাদী ৰচনাত দেখা যায়– কোনো এটা ঘটনা বা চৰিত্ৰ গতানুগতিক ধৰণে ৰূপায়িত কৰিবলৈ আৰম্ভ কৰি তাৰ নিতান্ত কাল্পনিক বা "নিৰ্মিত" ৰূপটোৰ প্ৰতি লেখকে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰে। সেয়ে *Parody* বা পৰিহাসধৰ্মী অনুকৰণ উত্তৰ-আধুনিক সাহিত্যৰ প্ৰিয় ৰীতি। এই লক্ষণটোক তাত্ত্বিকসকলে *Reflexiveness* নাম দিছে। ইয়াৰে এক লগৰীয়া পদ্ধতি হৈছে এক সৰ্বগ্ৰাসী *irony* । সকলো ধৰণৰ আবেগ, সকলো ধৰণৰ মূল্যবোধ, সকলো ধৰণৰ মানৱীয় উদ্দেশ্যৰ প্ৰকাশ কৰোঁতে উত্তৰ-আধুনিক সাহিত্যিক কেৱল সতৰ্ক আৰু সংশয়ী নহয়, অনিবাৰ্যভাৱে পশ্চাদঘাতী।

জ্ঞান (*knowledge*) আচলতে বিভিন্ন বাগ্‌ধাৰাৰ (*discouse*) উৎপাদন। উত্তৰ-আধুনিক সকলে মানৱ-চেতনাৰ অনিবাৰ্য জাগতিকতা অথবা অৱস্থিতিক (*situatednes*) স্বীকাৰ কৰে। সেয়ে উত্তৰ-আধুনিক গল্পকাৰে অৰ্থৰ সেই অনিৰ্দেশ্যতা আৰু পাঠৰ সেই অনিৰ্ণেয়তা ৰূপায়িত কৰিব পাৰে। কাহিনীৰ কোনো সামৰণিও নাথাকিব পাৰে, থাকে কেৱল পাঠকৰ মনত জাগ্ৰত হোৱা কেতবোৰ জল্পনা-কল্পনা। এনেধৰণে কেন্দ্ৰচ্যুত বা কেন্দ্ৰহীন (*decentred*) কাহিনীয়ে এহাতে সম্প্ৰতিক মানৱীয় অভিজ্ঞতাৰ অধিক ঘনিষ্ঠ, আনহাতে তাৰ গতিগোত্ৰই বিৰক্ত বা নিৰাশ কৰা পাঠকক লেখকে জনাই দিছে যে তেওঁৰ কাহিনী বা ৰচনা কোনো বাস্তৱ জীৱনৰ নিষ্ঠাৱান অনুকৃতি নহয়। ই সম্পূৰ্ণৰূপে আত্মসম্পূৰ্ণ, আধাৰহীন (*arbitrary*) আৰু নিৰ্মিত বস্তু- বাহিৰৰ কোনো সত্য, কোনো নিয়ম, কোনো ভিত্তিয়ে তাক নিয়ন্ত্ৰণ কৰা নাই।

সমালোচনা-সাহিত্যত সম্প্ৰতি উত্তৰ-আধুনিকতাবাদী সকলৰ প্ৰভাৱ বিবেচনীয়। খ্যাতিমান লেখক-সমালোচক ডেভিদ ল'জে তেওঁৰ শেহতীয়া গ্ৰন্থ "আফটাৰ বাখতিন"ত লিখিছে যে– "ত্ৰিছ বছৰৰ আগতে উপন্যাসৰ সমালোচনা আজিতকৈ আছিল যথেষ্ট অ-জটিল (*Unproblematical*)। ঔপন্যাসিকে উপন্যাস লিখিছিল আৰু সমালোচকে তাৰ সমালোচনা বা ব্যাখ্যা আগবঢ়াইছিল। তেতিয়া গল্প-উপন্যাসক প্ৰথম শ্ৰেণীৰ বাগ্‌ধাৰা (*discouse*) আৰু সমালোচনাক দ্বিতীয় শ্ৰেণীৰ বাগ্‌ধাৰা ৰূপে গণ্য কৰা হৈছিল। কিন্তু এতিয়া সেই পৰিস্থিতি সলনি হৈছে। ....... তাৎপৰ্য্যপূৰ্ণ কথা এয়ে যে সম্প্ৰতি সমালোচনাই এনে গুৰুত্ব লাভ কৰিছে সাহিত্যৰ মৌলিকত্বৰ সংহাৰ ঘোষণা কৰি।" এতিয়া সমালোচক আৰু লগতে কিছু পাঠকেও গল্প-উপন্যাস আদি সৃজনীশীল সাহিত্যৰ মৌলিকত্বক নিৰ্বিবাদে মানি ল'বলৈ সাজু নহয়। লেখক আৰু পাঠকক অতিক্ৰম কৰি এই সমালোচনাত পাঠ (*text*) এ লাভ কৰিছে অতিৰিক্ত গুৰুত্ব। এনে পৰিস্থিতিত স্বভাৱিকতে সাহিত্য সমালোচনা হৈ পৰিছে এক জটিল বিষয়।

এটা কথা অনস্বীকাৰ্য্য যে উত্তৰ-আধুনিকতাবাদী সমালোচনাই নানা দৃষ্টিকোণৰপৰা সাহিত্যক পৰীক্ষা-নিৰীক্ষা চলাই আছে। পিছে তাৰে কিছুমান পদ্ধতি আগৰেপৰাই প্ৰচলিত, কেৱল সেই বোৰক একোটাকৈ নতুন নাম দিয়া হৈছে। যি বিনিৰ্মাণৰ বাটেৰে উত্তৰ-আধুনিকতাবাদী সকলে খোজ দিছে, সেয়া কিছু পৰিমাণে *textul analysis* ৰ সগোত্ৰীয়। যি মনস্তাত্ত্বিক সাহিত্য - বিশ্লেষণৰ ওপৰত তেওঁলোকে জোৰ দিছে, সেয়া প্ৰকৃততে ফ্ৰয়েডীয় দৰ্শনৰ এটা অংগ; যদিও উত্তৰ-আধুনিক মনস্তত্ত্বৰ ঘৰাণা বেলেগ।

আৰু এটা তাৎপৰ্য্যপূৰ্ণ কথা হৈছে যে- উত্তৰ-আধুনিক দৰ্শনৰ সৈতে নাৰীবাদৰ সংসৰ্গ ঘনিষ্ঠ। দেৰিদা নিজে এজন পুৰুষ নাৰীবাদী। তেওঁৰ বাহিৰেও সাম্প্ৰতিক সময়ত এলেন সিজো, জুলিয়া খৃস্তেভা, লুচ ইৰিগাৰ আদিয়ে এই নাৰীবাদী আন্দোলনৰ নেতৃত্ব লৈছে- যাৰ সৈতে উত্তৰ-আধুনিকতাবাদৰ খুবেই ওচৰ সম্পৰ্ক। প্ৰকৃততে উত্তৰ-আধুনিক বিশ্লেষণে বৰ্তমানৰ ইংগ-মাৰ্কিন নাৰীবাদৰ ধাৰাত এক নতুন মাত্ৰা যোগ দিছে। উত্তৰ-আধুনিক নাৰীবাদীসকল তাত্ত্বিক দিশত পুৰুষ দাৰ্শনিকসকল ফুকো, দেৰিদা, লাঁকা, বাৰ্থ আদিৰ ওপৰতে নিৰ্ভৰশীল।

নাৰীবাদী সমালোচকসকলৰ ওপৰত ঝাক লাঁকাৰ প্ৰভাৱ আছিল খুবেই গভীৰ। ফ্ৰয়েডে ধ্ৰুপদী মনস্তত্বৰ জৰিয়তে মানুহৰ মানসিকতাত অৱচেতন পুৰুষ-মনৰ যি প্ৰাধান্য দেখুৱাইছে, তাৰ নাৰীবাদী প্ৰত্যুত্তৰ লাঁকাৰ বাবেহে সম্ভৱ হৈছে বুলি উত্তৰ-আধুনিকতাবাদী সকলে দাবী কৰে। তাৰ সৈতে আছে দেৰিদাৰ বিনিৰ্মাণ। প্ৰকৃততে পৰম্পৰাগতভাৱে মানুহৰ অৱচেতন মনত পুৰুষ শাসনে যি এক ঐতিহ্য গঢ়ি তুলিছে, অন্তৰ্ঘাতৰ জৰিয়তে উত্তৰ-আধুনিক নাৰীবাদীসকলে এটা বিনিৰ্মাণৰ ৰূপত তাক গঢ়াৰ প্ৰয়াস কৰিছে। এলেন সিজোৱে এইবুলি দাবী কৰিছে যে ইংগ-মাৰ্কিন নতুন নাৰীবাদী ঐতিহ্যই কেৱল পুৰুষ শাসিত ধনতান্ত্ৰিক সমাজত নাৰীৰ বাবে কিছু বিশেষ অধিকাৰ আঁজুৰি আনিবলৈ যুঁজ দিছে। সেইবুলি পিছে তেওঁলোক সামাজিক পৰিৱৰ্ত্তনত বিশ্বাসী নহয়, নাৰীৰ বাস্তৱ সমস্যাবোৰক সিমান গুৰুত্ব দিয়াটো সেয়ে তেওঁলোকৰ বাবে সম্ভৱো নহয়। এই নাৰীবাদীসকলে নাৰীসুলভ

অৱচেতনক পুৰুষৰ অৱচেতন মানসিক ক্ষেত্ৰৰ পৰা বিচ্ছিন্ন কৰি বৈশিষ্ট্য আৰু গুৰুত্ব প্ৰদান কৰিছে।

এতিয়ালৈকে আমি উত্তৰ-আধুনিকতাবাদ সম্পৰ্কত বহু কথাই আলোচনা কৰিলোঁ। এতিয়া আমি এটা কথাত স্পষ্ট হ'ব লাগিব যে আমাৰ সাম্প্ৰতিক পৰিৱেশ-পৰিস্থিতিত উত্তৰ-আধুনিকতাবাদৰ প্ৰাসংগিকতা আছে নে নাই? যিমানেই তীব্ৰ সমালোচনা কৰা নহওক, উত্তৰ-আধুনিকতাবাদ আজি যে এক গুৰুত্বপূৰ্ণ মতাদৰ্শ, সেই বিষয়ে কোনো সন্দেহ নাই। বিশ্বৰ বুদ্ধিজীৱী সকলৰ এটা ডাঙৰ অংশ আজি এই মতাদৰ্শৰ সমৰ্থক। তেওঁলোকৰ প্ৰায় সকলোৱেই একমত যে নতুন শতিকাৰ নতুন সমস্যাবোৰৰ সমাধান কেৱল উত্তৰ আধুনিকতাবাদৰ জৰিয়তেহে সম্ভৱ। এনে পৰিস্থিতিৰ মূখ্য কাৰণ হৈছে, উত্তৰ-আধুনিকতাবাদৰ তীক্ষ্ণ বাকচাতুৰ্য। প্ৰকৃততে উনবিংশ শতিকাৰ কিছুমান পৰিত্যক্ত মতবাদকেই যে আধুনিক ৰূপ দি উত্তৰ-আধুনিকতাবাদ গঢ়ি তোলা হৈছে, সেয়া তেওঁলোকে বুজিবৰ যত্ন নকৰে। এই পৰিত্যক্ত মতবাদবোৰক কিছুমান কঠিন তাত্বিক বাগ্‌ধাৰাৰ আঁৰত ৰাখি এনে এটা মানসিক পৰিমণ্ডল গঢ়ি তোলাৰ যত্ন কৰা হৈছে, যাৰ বাবে উত্তৰ-আধুনিকতাবাদ সম্পৰ্কত মানুহৰ তীব্ৰ আকৰ্ষণ গঢ়ি উঠাটো স্বাভাৱিক।

এচাম উত্তৰ-আধুনিক মতবাদেৰে দীক্ষিত বুদ্ধিজীৱীয়ে দাবী কৰে যে উত্তৰ-আধুনিকতাবাদে তিনিটা বিষয়ৰ অনুসন্ধানত যুগান্তকাৰী অৱদান আগবঢ়াব পাৰিছে। সেইকেইটা হ'ল - (১) বহু বাচনিকতাৰ ধাৰণা (*Pluralism*), (২) সংস্কৃতিৰ ধাৰণা (*culture*) আৰু জনগোষ্ঠীতত্ব (*ethnicity*)। কিন্তু বৰ্তমান সময়ত বিশ্বৰ বিভিন্ন জনগোষ্ঠী সমূহৰ যি নতুন বৈপ্লৱিক পুনৰ্গঠন আৰম্ভ হৈছে, আৰু তাৰ লগে লগে ক্ষুদ্ৰ স্বাৰ্থ সম্বলিত যি নতুন চিন্তাধাৰাৰ প্ৰসাৰ ঘটিছে, তেনে পৰিস্থিতিত উত্তৰ-আধুনিকতাবাদৰ বিনিৰ্মাণে কিছু পৰিমাণে জ্বলা জুইত ঘিউ ঢলাৰহে আশংকা। আনহাতে বৰ্তমান যি সাংস্কৃতিক সাম্ৰাজ্যবাদে থলুৱা সংস্কৃতিসমূহৰ বিনাশ ঘটাবলৈ লৈছে, উত্তৰ-আধুনিকতাবাদে তাক প্ৰতিৰোধ কৰাৰ সলনি নিষ্ঠাৱানভাৱে সহায়হে আগবঢ়াব।

এটা কথা তাৎপৰ্যপূৰ্ণ যে পশ্চিমীয়া ধ্যান-ধাৰণাক আমি যদি আমাৰ ৰূপ দি আকোঁৱালি ল'ব নোৱাৰো, তেনেহ'লে যে আমি বহুখিনি পিছ পৰি ৰ'ম, তেনে এটা ধাৰণাই আমাৰ সমাজত ভালদৰেই শিপাই আছে। প্ৰকৃততে, পশ্চিমীয়া তত্ত্ব, ধ্যান-ধাৰণাৰ প্ৰতি একাংশ চিন্তাবিদ-বুদ্ধিজীৱীয়েই কেৱল মোহগ্ৰস্ত নহয়, আমাৰ প্ৰায় সকলোৰে কাৰ্যকলাপ, চিন্তা-চৰ্চা, ধ্যান-ধাৰণাত এই বোৰৰ প্ৰভাৱ সচেতন বা অৱচেতন ভাৱে দেখা যায়। সেয়ে উত্তৰ-আধুনিকতাবাদক গ্ৰহণ কৰোঁতে পশ্চিমীয়া বিভ্ৰান্তিসমূহকো যাতে গ্ৰহণ কৰিব লগীয়া নহয়, তাৰ বাবে আমি সাৱধান হোৱা উচিত।

অৱশ্যে উত্তৰ-আধুনিকতাবাদৰ আগ্ৰাসী ভূমিকাই আমাৰ দৰে তৃতীয় বিশ্বৰ দেশ সমূহত জটিলতাৰ সৃষ্টি কৰিলেও আমাৰ হাতত বহুখিনি সুযোগ আহি পৰিছে। তদুপৰি সম্প্ৰতি মাৰ্ক্সবাদ আৰু উত্তৰ-আধুনিকতাবাদৰ মাজত যি এক সংঘৰ্ষময় পৰিস্থিতি আহি পৰিছে, তাৰপৰা আমি বহুকথা শিকিব পাৰোঁ, সংশোধন কৰিব পাৰোঁ, আত্মসমালোচনাত প্ৰবৃত্ত হ'ব পাৰোঁ।

ড° হীৰেন গোঁহায়ে লিখিছে যে, "......সেয়ে উত্তৰ-আধুনিকতাবাদক শাও-শপনি দিয়াটোও বোধহয় কামৰ কথা নহ'ব। বৰং অন্তৰ্ভেদী আলোচনাৰে তাক আয়ত্ব কৰি আমাৰ জাতীয় বা দেশীয় প্ৰয়োজনত কিমান দূৰ কামত লগাব পাৰোঁ সেইটোহে বিচাৰ কৰি চোৱা উচিত হ'ব। এনে ধৰণৰ বিচাৰ নহ'লেহে সি এক অন্ধবিশ্বাসৰ দৰে আমাৰ চেতনা তমসাছন্ন কৰিব পাৰে।" গতিকে আমি ভাবো যে এই মতবাদ সম্পৰ্কত বহুল চৰ্চা-আলোচনাৰ প্ৰয়োজনীয়তা আহি পৰিছে, মাথোঁ ইয়াৰ প্ৰয়োগৰ বেলিকা আমি সচেতন হ'ব লাগিব। উত্তৰ-আধুনিকতাবাদেও মাৰ্ক্সবাদৰ দৰেই মানুহৰ মুক্তিৰ এক গুৰুত্বপূৰ্ণ পথৰে যে সন্ধান কৰিছে, সেই কথা অস্বীকাৰ কৰিব পৰা নাযায়। সেয়ে এই মতাদৰ্শ সাম্প্ৰতিক বিশ্বত এক গুৰুত্বপূৰ্ণ মতাদৰ্শ হিচাপে আৱিৰ্ভাৱ হৈছে। উত্তৰ-আধুনিকতাবাদৰ বিভিন্ন চিন্তা-ভাৱনাৰ মাজত যিদৰে বহুতো পাৰ্থক্য বিৰাজমান, সেইদৰে উত্তৰ-আধুনিক চিন্তাবিদ, দাৰ্শনিকসকলৰ মাজতো পাৰ্থক্য আছে। অৱশ্যে এই সকলো চিন্তাৰ মাজত আছে এটা ঐক্যৰ দিশ। সেয়ে আমি উত্তৰ-আধুনিকতাবাদৰ বৈশিষ্ট্য আয়ত্ব কৰি ল'ব নোৱাৰিলে ইয়াৰ সঠিক বিশ্লেষণ দাঙি ধৰিব নোৱাৰিম।

উত্তৰ-আধুনিকতাবাদে আধুনিকতাবাদৰ প্ৰকোপত পৃথিৱীয়ে হেৰুৱাই পেলোৱা ৰহস্যবোধ পুনৰ প্ৰতিষ্ঠা কৰিব বিচাৰে। সেয়ে তেওঁলোকে অৰ্থসন্ধানী যুক্তিক বিসৰ্জন দিব বিচাৰে; যিটো যিকোনো যুক্তিবাদী সচেতন মানুহৰেই কাম্য নহয়।

সেয়ে বোধহয় ড° গোঁহায়ে লিখিছে, "জেৰাল্ড গ্ৰাফে কৈছে, উত্তৰ-আধুনিকসকলে দাঙি ধৰা ভংগুৰ বিসংগতিপূৰ্ণ; অসমাপ্ত অনিৰ্দেশ্য জীৱনৰ অভিজ্ঞতাও জানো এক অৰ্থত জীৱনৰে প্ৰতিচ্ছবি নহয়? (*Literature Against itself*) আমি ভাবো, হয়। কিন্তু প্ৰতিচ্ছবিখন আংশিক আৰু বিকৃত। কাৰণ তাৰ উৎসই বিকৃত আৰু বিচ্ছিন্ন।"


**গ্ৰন্থপঞ্জীঃ-**

(১) The Order of Things- An Archaeology of the Human Sciences - by Michel Foucault. Tavistock, London. 1970.

(২) The Archaealogy of knowledge-by Michel Foucault. Tavistok, London, 1972.

(৩) মিশ্বেল ফুকো, তাৰ তত্ত্ববিশ্ব- তপোধীৰ ভট্টাচাৰ্য্য, অমৃতলোক সাহিত্য পৰিষদ, কলিকতা, ১৯৯৭

(৪) উত্তৰ আধুনিকতা ও মাৰ্ক্সবাদ- সম্পাদনাঃ ৰতন খাসনবিশ, পিপলস্ বুক সোসাইটি, কলিকতা, ১৯৯৭

(৫) আধুনিকতাবাদ আৰু উত্তৰ-আধুনিকতাবাদ - ড° আনন্দ বৰমুদৈ অসম সাহিত্য সভা, ১৯৯৮

**প্ৰবন্ধপঞ্জী ঃ-**

(১) উত্তৰ-আধুনিকতাবাদত এভুমুকি – ড° হীৰেন গোঁহাই, গৰিয়সী, অক্টোবৰ,১৯৯৭, জানুৱাৰী, ১৯৯৮

(২) উত্তৰ-আধুনিকতা ঃ তত্ত্ব আৰু প্ৰয়োগ (একাংশ) - ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী, গৰিয়সী, আগষ্ট, ২০০০

(৩) উত্তৰ-আধুনিকতাবাদ, মাৰ্ক্সবাদ আৰু বিপ্লৱ - চন্দন কুমাৰ দুৱৰা, প্ৰত্যয় ১ এপ্ৰিল,১৯৯৯, ১মে, ১৯৯৯

(৪) চাৰ্ত্ৰ আৰু তেওঁৰ অস্তিত্ববাদ- ড° শিৱনাথ বৰ্মন (গ্ৰন্থঃ ন মনুষ্যাৎ, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৮২)

(৫) উত্তৰ-আধুনিকতাৰ বাৰ্তাবাহী উপন্যাস - মুনীন বায়ন, কথা, ১অক্টোবৰ, ১৯৯৩

(৬) অসমীয়া কবিতা ঃ আধুনিকতাৰ পৰা উত্তৰ-আধুনিকতালৈ - ড° আনন্দ বৰমুদৈ, গৰিয়সী, এপ্ৰিল, ২০০০


(লেখক স্নাতক দ্বিতীয় বৰ্ষ, পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ)

# অসমৰ পৰম্পৰাগত সত্ৰীয়া নৃত্য-গীত

## —এটি পৰ্য্যালোচনা

— *পাৰুল শইকীয়া*



. অসম ৰাজ্য যেনেকৈ প্ৰাকৃতিক সৌন্দৰ্যৰ লীলাক্ষেত্ৰ ঠিক তেনেকৈ বাৰেৰহণীয়া মনোমোহা নৃত্য-গীতৰ ই এক বিৰাট যাদুঘৰো। বিভিন্ন নৃত্য-গীতৰ ক্ষেত্ৰত অসম ভাৰতৰ ভিতৰতে নহয়, পৃথিৱীৰ ভিতৰতে অন্যতম। অবিৰাম গতি ছন্দৰ অৱিৰল নৃত্যৰ অভিযান আৰু সোঁত মনত নপৰা যুগৰ পৰাই অসমত বৈ আহিছে। পৰ্বতীয়া নাচ-গানৰ পৰা আৰম্ভ কৰি ভৈয়ামৰ শাস্ত্ৰ সম্মত মাৰ্গীয় নৃত্য, দেশী বা লোক নৃত্য-গীতৰ সম্ভাৰেৰে অসমৰ সাংস্কৃতিক জগতৰ লখিমী ভঁৰাল অতি চহকী।

অসমৰ বিশাল আৰু বৈচিত্ৰময় সাংস্কৃতিক জগতত গীত-মাতে খলক লগোৱা নৱ বৈষ্ণৱ যুগটো আছিল সংস্কৃতিৰ সোণালী যুগ। *মধ্যযুগৰ অসমীয়া সমাজ, সাহিত্য, ধৰ্মীয় আৰু সাংস্কৃতিক দিশত নৱজাগৰণৰ সৃষ্টি কৰা অসম আকাশৰ সূৰ্য-চন্দ্ৰসদৃশ সৰ্বগুনাকাৰ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱেই এই যুগৰ প্ৰধান পুৰুধাস্বৰূপ। এইটো কথা ঠিক যে অসমত সত্ৰ প্ৰতিষ্ঠা হোৱা আৰু মহাপুৰুষজনাই নৱবৈষ্ণৱ আন্দোলন গঢ়ি তোলাৰ বহু আগৰেপৰা অসমত ভাৰতীয় সংগীত আৰু নৃত্যৰ চৰ্চা হৈছিল। কিন্তু এই নৃত্য-গীতৰ চৰ্চা সমাজৰ মুষ্টিমেয় শ্ৰেণীৰ মাজতে সীমাবদ্ধ আছিল। কলা-ৰসিক, সংস্কৃতিবান ব্যক্তি শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱেই শাস্ত্ৰীয় নৃত্য-গীতৰ চৰ্চাক সৰ্বসাধাৰণৰ মাজলৈ সম্প্ৰসাৰিত কৰি ঠিক লোকগীত, লোকনৃত্যৰ দৰেই সকলোৱে চৰ্চা কৰিব পৰা অৱস্থা এটালৈ আনে।* সেইবাবে অসমৰ শাস্ত্ৰীয় নৃত্য-গীত বা ধ্ৰুপদী গীত মানেই শংকৰী নৃত্য গীতৰ কথাই আমাৰ মনলৈ প্ৰথমেই আহে। কিন্তু পৰৱৰ্ত্তীকালত শংকৰী নৃত্য-গীতৰ চৰ্চা সত্ৰ:বোৰত ব্যাপকভাৱে হ'বলৈ ধৰাত ই শংকৰী নৃত্য-গীত বা সত্ৰীয়া নৃত্য-গীত নামেৰে জনসমাজত প্ৰচলিত হ'বলৈ ধৰে।

পৌৰাণিক কালৰে পৰা অসমে সৰ্বভাৰতীয় বিশাল সাংস্কৃতিক জগতত এক বিশেষ মৰ্যদা লাভ কৰি আহিছে। অসমৰ পুৰণি পুথি-পাঁজিৰ পৰাই জানিব পাৰি যে মহাভাৰত ৰচনাকৰাৰ আগৰ পৰাই অসমত নৃত্যৰ চৰ্চা হৈ আহিছে। কিন্তু মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে অসমৰ প্ৰাচীন ওজাপালি, দেৱদাসী, বাগৰুম্বা, দেওধনি আদিৰ ওপৰত ভেটি কৰি আৰু শাস্ত্ৰসম্মত নিয়মবোৰ প্ৰয়োগ কৰিয়ে সত্ৰীয়া নৃত্যৰ সৃষ্টি কৰে। বৈষ্ণৱ যুগৰ সত্ৰবোৰত এই নৃত্য প্ৰচলন হোৱাৰ কাৰণে ই সত্ৰীয়া নৃত্য বুলি জনাজাত। যুগ যুগ ধৰি বিভিন্ন স্থান আৰু সত্ৰত ইয়াৰ প্ৰচলন হৈ অহাৰ বাবে স্থান আৰু সত্ৰ অনুসৰি নৃত্যবোৰত কিছু পাৰ্থক্য হোৱা দেখা গৈছে।

সত্ৰীয়া নৃত্যৰ মূৰ্ত্ত প্ৰকাশ ঘটে শংকৰদেৱ আৰু মাধৱদেৱৰ নাট ঝুমুৰাসমূহত। অংকীয়া নাটসমূহ নৃত্য-গীতেৰে ভৰপুৰ, এইবোৰৰ প্ৰতিটো চৰিত্ৰই পদাপৰ্ণ কৰে নৃত্যৰ ছন্দত। চৰিত্ৰ ভেদে খোজৰ চেও হয় বেলেগ বেলেগ। এই নাটসমূহৰ পৰা ঘাইকৈ তিনিটা বিশিষ্ট নৃত্যৰ ধাৰা নিগৰি ওলাইছে।

সেইকেইটা হ'ল— সূত্ৰভংগী, কৃষ্ণভংগী আৰু গোপীভংগী, (*'Sankardeva and his times' page 294*)। বহল দৃষ্টিত অৱলোকন কৰিলে সত্ৰীয়া নৃত্য বিভিন্ন প্ৰকাৰৰ যেনে— সূত্ৰধাৰী নৃত্য, গোঁসাই প্ৰৱেশৰ নৃত্য গোপী প্ৰৱেশৰ নৃত্য, ঝুমুৰা নৃত্য নাদুভংগী, ৰামদানি, চালি নৃত্য, মেলা নৃত্য, ভোজন বহাৰ, নটুৱা, ৰজাঘৰীয়া চালি ইত্যাদি।

এইবিলাকৰ বিষয়ে তলত আলোচনা আগবঢ়োৱা হ'ল–

**সূত্ৰধাৰী নৃত্য**- শংকৰী নৃত্য বা সত্ৰীয়া নৃত্য বুলিলেই সৰ্বপ্ৰথমে সূত্ৰধাৰী নৃত্যৰ কথাই মনলৈ আহে। অংকীয়া নাটৰ নৃত্যৰ ভিতৰত সূত্ৰধাৰী নৃত্য প্ৰধান ভাৱে উল্লেখযোগ্য। অংকীয়া নাটত সূত্ৰধাৰ একেলগে গায়ক, নৰ্ত্তক, নাট্য কাহিনীৰ বাখ্যাকাৰক আৰু অভিনয় পৰিচালক। *নাট বা ভাওনাৰ আৰম্ভণিতে সূত্ৰধাৰে আঁৰ কাপোৰৰ আঁৰত অগ্নিগড়ৰ তলত আঁঠু কাঢ়ি সেৱা জনোৱা ভংগীত বৈ থাকে। আঁৰ কাপোৰ আঁতৰ হোৱাৰ লগে লগে বিভিন্ন বাদ্য একেলগে বাজি উঠে, ৰাইজে হৰিধ্বনি দিয়ে। বিলম্বিত লয়ত খোল মৃদঙ্গৰ তাল বাজে, সূত্ৰধাৰে সৰু ভঙ্গীৰ এটি নাচ আগবঢ়ায়।* নাচৰ মাজতেই সূত্ৰধাৰজন থিয় দিয়ে আৰু মধ্যমলয়ৰ বাজনাত তেওঁ আৰম্ভ কৰে বৰভংগীৰ নাচ। সূত্ৰধাৰে নাটৰ আৰম্ভণিতে শ্লোক আৰু প্ৰাৰম্ভিক ভটিমা গায় আৰু ভক্তিজ্ঞাপক নৃত্য কৰে। তদুপৰি অভিনয় কৰিব লগা নাটৰ নামকথন, অভিনয় দৰ্শনৰ ফলকথন, মঞ্চত চৰিত্ৰৰ পৰিচয় প্ৰদান, মঞ্চ অনুপযোগী পৰিস্থিতিৰ ব্যাখ্যা আৰু শেহত মুক্তি মঙ্গল ভটিমা আৰু এই সকলোবোৰ সূত্ৰধাৰে নৃত্যৰ মাজেদিয়েই সমাপন কৰে। মুঠতে অংকীয়া নাটত সূত্ৰধাৰৰ প্ৰাধান্য আৰু এই নৃত্যৰ বৈশিষ্ট্যৰ বাবেই সূত্ৰধাৰৰ নৃত্য বিশেষভাৱে সূত্ৰধাৰী নৃত্য নামেৰে খ্যাত হৈ পৰিল। সূত্ৰধাৰী নৃত্যৰ অবিহনে অংকীয়া ভাওনাৰ অভিনয় অসম্ভৱ। অংকীয়া ভাওনাৰ সূত্ৰধাৰজনৰ সাজপাৰ সাধাৰণতে এনে ধৰণৰ– গাত অস্তিনৰ কোঁচ থকা বগা সূত্ৰধাৰী চোলা। হাতৰ মুঠিত ৰূপৰ বা সোণপানী চৰোৱা গামখাৰু। ডিঙিত মতা মনি আৰু আন অলংকাৰ। কঁকালৰ পৰা ভৰিৰ গোৰোহালৈকে ওলমি থকা শুধ বগা কপাহী লহঙা আৰু তাৰ ওপৰত আঁঠুৰ তললৈকে ওলমি পৰা ডাঙৰ ফুল বচা কপাহী টঙালি। ভৰিত জুনুকা। কানত লোকাপাৰৰদৰে ওলমি থকা অলংকাৰ। মূৰত পাগ। সূত্ৰধাৰী সাজটোত বহুতেই মোগল প্ৰভাৱ পৰিছে বুলি মত প্ৰকাশ কৰে।

**গোঁসাই প্ৰৱেশৰ নাচ**– সূত্ৰধাৰৰ দ্বাৰা মুক্তিমংগল ভটিমা গোৱাৰ পিছতে নাট্যকাহিনীৰ আৰম্ভ হয়। নাট্যকাহিনী ৰামায়ণ কাহিনীযুক্ত হ'লে ৰামচন্দ্ৰ আৰু মহাভাৰত বা আন কোনো পুৰাণ আধাৰিত কাহিনীৰ নাটক হ'লে শ্ৰীকৃষ্ণক সূত্ৰধাৰে প্ৰৱেশ কৰোৱায়। ইয়াকে গোসাঁই প্ৰৱেশৰ নাচ বোলে। *নাচটোৰ ভাগ দুটা– বাজনাৰ নাচ আৰু শ্লোকৰ নাচ। ৰাম-কৃষ্ণ উভয়ৰে নাচ আৰু বাজনা অভিন্ন। শ্লোক আৰু তাৰ নাচহে বেলেগ। সূত্ৰধাৰী নৃত্যৰ দৰে এই নাচৰো অন্তিম অংশৰ নাচ দ্ৰুত লয়যুক্ত হয়।* গোঁসাই প্ৰৱেশৰ নাচৰ সাজ-পাৰ এনেধৰণৰ– পিন্ধা ধৃতিখন হালধীয়া, বাউসীলৈকে গা ঢকা হালধীয়া চোলা, পিছফালে বাউসীৰ পৰা আঁঠুলৈকে বা কঁকাললৈকে ওলমি পৰা নীলা ৰঙৰ নানা চুমকিৰে কৰা কাৰুকাৰ্য খচিত বস্ত্ৰ, কঁকালত কৰধবনি, ডিঙিত মণিমালা। হাতত খাৰু; মূৰত ময়ুৰৰ পাখি গুজি দিয়া এটি কিৰীটি।

**গোপী প্ৰৱেশৰ নাচ**– অংকীয়ানাট নৃত্য প্ৰধান বাবেই নাটৰ কাহিনী অনুসৰি গোপীসকল, যশোদা অথবা স্ত্ৰী চৰিত্ৰ প্ৰৱেশ কৰোঁতেও নৃত্যৰ ভংগীতহে প্ৰৱেশ কৰে । স্ত্ৰী চৰিত্ৰ প্ৰৱেশৰ নৃত্য আনবোৰ চৰিত্ৰ প্ৰৱেশৰ নৃত্যৰ দৰে একে নহয় ।

গোপী সকলৰ নৃত্যৰ নাম গোপী ভংগী। নাটকৰ নায়িকা ৰংগভূমিলৈ আহোতে এই ভংগীত অহা প্ৰয়োজন। ই লাস্যপূৰ্ণ হোৱা বাঞ্চনীয়। গোপীসকলে পোৱা হস্ত সম্বলিত এটি গীত এনে শব্দ ঝংকাৰেৰে উথলি উঠে –

শ্যাম মূৰতি পীত অম্বৰ নাশা।
নয়ন পঞ্জুৰা জ্যোতি ঈসত হাসা।।
আৰত গোবিন্দ গোপীনী পিয়ো।
সঙ্গে চলল গোপীভূল্ল জীয়ো।।

এই নাচৰ সাজ পাৰ সাধাৰণতে এনেধৰণৰ– কঁকালত ঘূৰি। তাৰ ওপৰত কুমৰণি বা ছায়ঘূৰি, কঁকালত ফুলবছা টঙালি। গাৰ দুয়োকাষে দুখন আচল বা আয়তন। বুকুত কাচল বা কাচলি। মূৰত ওখ খোপাৰ ওপৰত ওৰণি। ওৰণিখন খহি নপৰিবলৈ থুঁতৰিৰ তলত বেজী সূতাৰে গাঠি দি লয়। (*প্ৰদীপ চলিহা - শংকৰী নৃত্য)*

**চৰিত্ৰ প্ৰৱেশৰ নৃত্য**– মঞ্চত প্ৰৱেশ কৰোঁতে ৰজা, বীৰ ঋষি-মুনি অসুৰ, দূত পালি প্ৰহৰী আদিয়েও নৃত্য ভঙ্গিমাতহে প্ৰৱেশ কৰে। কিন্তু উল্লেখিত চৰিত্ৰসমূহৰ মান মৰ্যদা আৰু ব্যক্তিত্ব একে নহয়। মান মৰ্যদা আৰু ব্যক্তিত্বৰ পৃথকতা অনুসৰি চৰিত্ৰবোৰৰ নৃত্য ভঙ্গিমাও পৃথক পৃথক। এই সকলোবোৰ নৃত্য ভঙ্গিমাক চৰিত্ৰ প্ৰৱেশৰ নৃত্য বোলা হয়।

**যুঁদ্ধৰ নৃত্য**– মঞ্চত যুঁদ্ধ প্ৰদৰ্শনৰ সময়ত চৰিত্ৰবোৰে নৃত্য ভঙ্গিমাৰেহে যুদ্ধ কৰে। তদুপৰি ধনু, গদা, ঢাল-তৰোৱাল আদিয়ে কৰা নৃত্য ভঙ্গিমাও একে নহয়।

**চালি নৃত্য** – চালি নাচৰ মূল সম্পৰ্কে বিভিন্ন পণ্ডিতৰ বিভিন্ন মত। ময়ূৰ চৰায়ে পেখম মেলা বা চালি ধৰাৰ লগত এই নৃত্যৰ অন্তৰ্নিহিত তাৎপৰ্য আছে বুলি ভবা হয়। বাৰিষা আহিলে ময়ুৰে মনৰ আনন্দত চালি নৃত্য কৰে। সেইদৰে ভগৱানৰ আধ্যাত্মিক সান্নিধ্যতো ভক্তৰ মন আনন্দানুভূতিৰে ভৰি উঠে। মেঘ আৰু ময়ুৰৰ সম্পৰ্কই যেন ভক্ত আৰু ভগৱানৰো সম্পৰ্ক। কোনো কোনোৰ মতে গোপৰূপী কৃষ্ণই বৃন্দাবনত গৰু চৰাওতে এই নাচ কৰিছিল। সাৰংগৰ সংগীত দামোদৰ আৰু মনিপুৰৰ ৰজা ভাগ্যচন্দ্ৰৰ 'গোবিন্দ লীলা বিনাসতো' চালি নৃত্যৰ বিৱৰণ পোৱা যায়।

এই নৃত্য লাস্য প্ৰধান বা প্ৰকৃতি নৃত্য, অৰ্থাৎ ইয়াত মাইকীওৰা মাইকীপাক আদি ব্যৱহাৰ কৰা হয়। তলত দিয়া পদটিৰ পৰা চালি নৃত্যৰ অৰ্থ কৰিব পৰা যায়–

"কণ্ঠে লৰে সাতসৰী লয়লাসে কাঢ়ে ভৰি
আগবাঢ়ি পাছে গুচি যান্ত।
পিন্ধি শাৰী খোন্টাজালি যেন মৈৰা কৰে চালি
হৰক কটাক্ষ কৰি চান্ত।"

শংকৰদেৱৰ এই কীৰ্ত্তন পদৰ আধাৰতে মাধৱদেৱে এই নৃত্যৰ সৃষ্টি কৰে বুলি জনা যায়। মাধৱদেৱে আৰু শংকৰদেৱ দুয়োজনাৰ গীতেই এই নৃত্যত ব্যৱহৃত হোৱা দেখা যায়। ডঃ মহেশ্বৰ নেওগদেৱে মত পোষণ কৰে যে ভৰতৰ নাট্যশাস্ত্ৰত থকা চৰণ, পদ, উৰু আৰু নিতম্বৰ বিশেষ সঞ্চালন বুজোৱা পদ-চালিকা বা চাৰি শব্দৰ পৰাই 'চালি' শব্দটিৰ উৎপত্তি হৈছে। এই নাচৰ নটুৱাৰ সাজ- কঁকালৰ পৰা ভৰিত পৰাকৈ বগা কাপোৰৰ লহঙা, গাত মখমলৰ ক'লা কাপোৰৰ হাত চুটি চোলা, বাহুৰ ওপৰেদি ককাঁলত মেৰিয়াই লোৱা পটি। মূৰৰ খোপা বগা ওৰণিৰ ঢাকি থুঁতৰিৰ তলত গাঁঠি দি মুখখন মুকলিকৈ ৰখা হয়।

ডিঙিত ফুলৰ মালা আৰু ভৰিত নুপুৰে তেওঁলোকৰ শোভা চৰায়।

**ঝুমুৰা নাচ—** মাধৱদেৱৰ ঝুমুৰাত থকা নাচবোৰকে ঝুমুৰা নাচ বোলা হয়। এই নৃত্য পুৰুষ প্ৰধান অৰ্থাৎ ইয়াত মতাপাক, মতাওৰা আদি ব্যৱহৃত হয়। এই নৃত্য তীব্ৰ গতিত চলে আৰু পাক বা ঘূৰণ বেছিকৈ দিয়া হয়। ৰাস মণ্ডলৰ পৰা কৃষ্ণৰ আকস্মিক অন্তৰ্ধানত বিৰহ কাতৰা গোপীসকলে যিদৰে বাহ্যজ্ঞান শূণ্যা হৈ কৃষ্ণ লীলা অভিনয় পাতিছিল, তাকে এই নৃত্যত প্ৰকাশ কৰা হয় বুলি ভবা হয়। কেতিয়াবা ঝুমুৰা নাচত গোপীৰ মনোভাব সূচক অন্য গীতিকাৰৰ গীতেও ঠাই পায় (মাধৱদেৱেঃ সাহিত্য কলা আৰু দৰ্শন, পৃষ্ঠা -৯৮ )। নৰ্ত্তকসকলৰ পৰিধানত থাকে মূৰত বগা পাগুৰি, গাত জালিকটা চোলা, কঁকালত বগা কাপোৰৰ লহঙাৰ ওপৰত ফুলাম টঙালি, ডিঙিত মতামণি, হাতৰ মুঠিত খাৰু, বাউসীত বাজু, ভৰিত নুপুৰ।

ঝুমুৰা নাচৰ ভাগ তিনিটা- ৰামদানি, গীতৰ নাচ আৰু মেলা নাচ। ৰাম কৃষ্ণক স্মৰণ কৰি আৰম্ভণিতে নচা বাবেই ঝুমুৰা নাচৰ প্ৰথম ভাগটি ৰামদানি। গীত সমূহ প্ৰধানকৈ 'ৰাস ঝুমুৰা' নাটৰ পৰা লোৱা হয় যদিও নাৰীৰ ভাৱ প্ৰকাশ কৰা বৰগীত আৰু শংকৰদেৱৰ দ্বাৰা ৰচিত নাটৰ গীতো ইয়াত ব্যৱহৃত হোৱা দেখা যায়।

**নাদুভংগি —** মাটি আখৰা শেষ হোৱাৰ পিছতে এই নাচৰ শিক্ষা আৰম্ভ হয়। এই নাচৰ ভাগ দুটা - ৰামদানি আৰু গীতৰ নাচ। থুকনি তালত আৰম্ভ হৈ চুটা তালত ৰামদানি শেষ হয়। শ্ৰীকৃষ্ণই গোপবালকৰ সৈতে বৃন্দাৱনত গৰু চৰাওতে এই নৃত্য কৰা বুলি ব্যাখ্যা আছে বাবে গীত সমূহৰ নিৰ্বাচনো এই কথাৰ ওপৰত ভিত্তি কৰা হয়। আন কোনো কোনোৰ মতে কালিয় হ্ৰদত শ্ৰীকৃষ্ণই কালি নাগক দমন কৰিবলৈ নাদুৰোতে কৰা নৃত্য বাবেই ইয়াৰ নাম নাদুভংগি নৃত্য। তিনিযোৰা গোপ-গোপীৰ নৃত্যৰদ্বাৰা নাদুভংগি প্ৰদৰ্শন কৰা হয়। 'ৰাস ঝুমুৰা'ৰ গীতৰ লগতে দুই এটি বৰগীতো (যেনে- 'সখীহে চলে কানু বৃন্দাবনে' আৰু 'আৰে সখী পেখু মদন গোপালা') নৃত্যটিত সংগত কৰা হয়। এই নৃত্যৰ সাজ শ্ৰীকৃষ্ণৰ সাজ।

**বৰ প্ৰৱেশৰ নাচ—** কৃষ্ণই বৃন্দাবনত গো চাৰণ কৰি গধূলি ৰং ধেমালি কৰি বৃন্দাবনলৈ ঘূৰি অহা ছবি এখন ইয়াত পোৱা যায়। পছিশ-ত্ৰিশজন নটুৱাই কৃষ্ণৰ সাজ পৰিধান কৰি ইয়াত অংশ গ্ৰহণ কৰে। সাধাৰণতে মাধৱদেৱৰ মৃত্যু তিথিত এই নৃত্য অনুষ্ঠিত হয়। (ভূমিকা, সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল)

**বেহাৰ নাচ—** মাধৱদেৱৰ 'ভোজন বেহাৰ' ঝুমুৰা খনিৰ পৰা এই নাচৰ উৎপত্তি হোৱা বুলি ভবা হয়। ৰামদানি আৰু গীতৰ নাচ- এই দুই অংশত এই নৃত্যটি বিভক্ত। পচিশৰ পৰা ত্ৰিশজনলৈকে ল'ৰাই কৃষ্ণৰ দৰে সাজপাৰ কৰি একেলগে নৃত্য কৰে। কৃষ্ণৰ বৃন্দাবনত গো-চাৰণ বিষয়ক গীত ইয়াত গোৱা হয়। ৰামচৰণ ঠাকুৰৰ চৰিত পুথি 'ভোজন বেহাৰ' ঝুমুৰাত কৃষ্ণই হাতত বাঁহী লৈ কৰা নৃত্যৰ বিৱৰণ আছে। ইয়াত কৃষ্ণই পৰিধান কৰিছিল পীত বস্ত্ৰ আৰু বলোৱামে পিন্ধিছিল নীল বসন। বেহাৰ নাচটি বিশেষ বিশেষ উপলক্ষ্যতহে প্ৰদৰ্শন কৰা হয়। এইদৰে গুৰুদুজনাৰ অনন্য, অনুপম মোহনীয় সৃষ্টি সত্ৰীয়া নৃত্যসমূহ অসমৰ বিভিন্ন নামঘৰ, সত্ৰ আদিত আজিও অতি শ্ৰদ্ধা আৰু জনপ্ৰিয়তাৰে প্ৰবৰ্ত্তিত হৈ আছে। অসমৰ সত্ৰীয়া নৃত্য ভাৰতীয় উচ্চাঙ্গ নৃত্যৰেই এটি অংগ। এই আপুৰুগীয়া সাংস্কৃতিক সম্পদটি জীয়াই ৰখাটো প্ৰতিজন সংস্কৃতিৱান অসমীয়াৰে মহৎ দায়িত্ব।

অসমৰ সাংস্কৃতিক জগতৰ আন এবিধ অতি মূল্যবান সম্পদ হৈছে সত্ৰীয়া সংগীত বা শংকৰী সংগীত। অসমৰ সত্ৰীয়া সঙ্গীত সৰ্বভাৰতীয় ধ্ৰুপদী সংগীতৰে অন্তৰ্গত। সৰ্বগুণাকাৰ, কলাপ্ৰেমী মহাপুৰুষ শ্ৰীমন্ত শংকদেৱে অসমীয়া জাতিক সাংস্কৃতিক ক্ষেত্ৰত চহকী কৰিবলৈ এক অভিনৱ সঙ্গীত সৃষ্টি কৰিলে। মহাপুৰুষজনাই নানান দেশ ভ্ৰমি নানান নৃত্য কলাৰ সাৰমৰ্ম গ্ৰহণ কৰি তেওঁৰ নিজৰ বহুমুখী প্ৰতিভাৰে গীত-বাদ্য-নৃত্য (সংগীত) আৰু চিত্ৰকলাৰ ক্ষেত্ৰত নতুন সৌধ নিৰ্মাণ কৰিলে। তেখেতে অসমক মাৰ্গীয় সংগীত হিচাপে দিলে— বৰগীত, সত্ৰীয়া নৃত্য আৰু বাদ্য।

শংকৰী সংগীত বা সত্ৰীয়া সংগীত বুলিলে সৰ্বপ্ৰথমে বৰগীতৰ কথাই আমাৰ মনলৈ আহে। আগতেই উল্লেখ কৰি অহা হৈছে যে শংকৰদেৱৰ আগতে অসমত শাস্ত্ৰীয় সংগীতৰ চৰ্চা হৈছিল। *আনকি শংকৰদেৱৰ সম-সাময়িক কবি পীতাম্বৰ, দুৰ্গাবৰ মনকৰ আৰু সুকবি নাৰায়ণদেৱৰ গীতবোৰো অসমীয়া লোকৰ মাজত জনপ্ৰিয় আছিল, কিন্তু বিষয়বস্তুৰ আধ্যাত্মিক সংযমশীলতা আৰু প্ৰাণ পৰশা গুৰু গম্ভীৰ সুৰৰ বিশিষ্টতাৰে ৰচনা কৰা মহাপুৰুষ দুজনাৰ বৰগীতসমূহে স্বাভাৱিকতে এইবিলাক গীতিকাৰতকৈ সুকীয়া উচ্চ আসন এখন দখল কৰিলে।* সংস্কৃত 'বৰ' শব্দৰ অৰ্থ শ্ৰেষ্ঠ বা উচ্চ। বৰগীত গাবলৈ হ'লে সেয়েহে স্বৰজ্ঞান, সুৰজ্ঞান, তালজ্ঞান, মাত্ৰাজ্ঞানৰ নিতান্ত আৱশ্যক। চৰিতপুথিত থকা মতে বৰগীত প্ৰথম সৃষ্টি হয় পঞ্চদশ শতিকাৰ শেষ দশকৰ আৰম্ভণিতে অৰ্থাৎ ১৪৯০ খ্ৰীষ্টাব্দমানত মহাপুৰুষজনাই প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰি, বদৰিকাশ্ৰমত 'মন মেৰি ৰাম চৰনেহি লাগু' নামৰ বৰগীতটি ৰচনা কৰে। ইয়াৰ পিছত অৱশ্যে মহাপুৰুষজনাই বিভিন্ন উপলক্ষে বিভিন্ন বৰগীত ৰচনা কৰে। সেই সকলোবোৰ গীত সন্নিবিষ্ট থকা এখন কিতাপ কমলা বায়ণ নামে এজন ভকতে আওৰাবলৈ নিওতে জুয়ে পোৰাত মহাপুৰুষে হেনো আৰু পুনৰাই গীত ৰচনা নকৰি মাধৱদেৱক হেনো নতুনকৈ গীত ৰচনা কৰিবলৈ কয়। গুৰুবাক্য শিৰোধাৰ্য কৰি মাধৱদেৱে হেনো নকুৰি এঘাৰটা গীত ৰচনা কৰিলে। শংকৰ আৰু মাধৱৰ বৰগীতৰ প্ৰভাৱ আৰু বিস্তৃতি সম্বন্ধে আলোচনা কৰি ড° কাকতি দেৱে লেখিছে- "মৰুভূমিত উটে পানীৰ গোন্ধ লৈ জলাশয় বিচৰাৰ দৰে তৃষিত মানৱসকলেও বৰগীতৰ ধ্বনি প্ৰতিধ্বনিক লক্ষ্য কৰি গুৰু দুজনৰে ওচৰত উপস্থিত হৈছিল।" বৰগীতৰ ভাষা ব্ৰজাৱলী। বৰগীতবোৰত ৰাগৰ উল্লেখ থাকে। কিন্তু তালৰ উল্লেখ সাধাৰণতে নাথাকে। সেইবাবে এই বৰগীত সমূহক অনিবদ্ধ সঙ্গীত আখ্যা দিব পাৰি। বৰগীতবোৰত বাৎসল্য, শান্ত আৰু দাস্যভাৱৰ প্ৰাধান্য দেখা যায়। বৈষ্ণৱসকলৰ মতে ইয়াত ছটা বিষয় প্ৰধাণকৈ পোৱা যায়— (১) পৰম পুৰুষ ভগৱানৰ অৱতাৰী লীলা (২) যশোদা আৰু গোপ-গোপীৰ কৃষ্ণ বিদায়ত বিৰহ দুখ, (৩) পৰমাৰ্থ, (৪) সংসাৰৰ প্ৰতি বিৰাগ, (৫) কৃষ্ণৰ চোৰ্য ক্ৰিয়া আৰু (৬) কৃষ্ণৰ চাতুৰি। মহাপুৰুষ শংকৰদেৱে যিখিনি বৰগীত ৰচনা কৰিছিল সেইবোৰৰ বেছিভাগতেই পাৰমাৰ্থিক তত্ব আৰু সংসাৰৰ প্ৰতি বিৰক্তি ভাব প্ৰকাশ পাইছে। শংকৰদেৱৰ বৰগীতত খেদোক্তি, অনুশোচনা আৰু ভগৱানৰ চৰণত আত্মসমাৰ্পণৰ ভাব বিশেষকৈ দেখা যায়। মাধৱদেৱৰ বৰগীতত সাধাৰণতে বালকৃষ্ণৰ চুৰি-চাতুৰি, খেলা, নৃত্য, জাগৰণ আৰু চলনৰ প্ৰয়োগ বেছি। এই

প্ৰসঙ্গত ড° কাকতিদেৱৰ মতকে দাঙি ধৰা হ'ল— 'শংকৰদেৱৰ ৰচিত যিবোৰ গীত এতিয়াও আছে সেই আটাই বোৰেই প্ৰাৰ্থনা সূচক। মানৱ জীৱন দুষ্প্ৰাপ্য অথচ ক্ষণভংগুৰ আৰু মায়াময়। হৰিভক্তি মোহাচন্ন জীৱন সুমুদ্ৰত ধ্ৰুৱতৰা, এয়ে নানা ভাৱ আৰু ভাষাত শংকৰদেৱৰ গীতবোৰৰ সাধাৰণ তাৎপৰ্য্য। মাধৱদেৱৰ ৰচিত গীত কেতবোৰতো এই ভাৱৰ পুনৰুক্তি আছে, কিন্তু তেওঁৰ বেছিভাগ গীততেই শিশুকৃষ্ণৰ বালজীৱনৰ ৰঙ বিৰঙৰ চিত্ৰ ফুটি ওলাইছে। বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বস্ব। গীত, পদ, নাট সকলোতেই তেওঁ শ্ৰীকৃষ্ণৰ শিশু চৰিত্ৰ সজীৱ কৰি তুলিছে।' বৰগীত আমাৰ আৰাধনা বা উপাসনাৰ বস্তু।

বৰগীতৰ পিছতে শংকৰী গীত বা সত্ৰীয়া গীত হিচাপে ভটিমাই স্থান পাই আহিছে। ভটিমা সমূহ প্ৰশস্তি বা গুণ গৰিমা প্ৰকাশক গীত। প্ৰকাশ ভংগীৰ গাম্ভীৰ্য ইয়াৰ বিশেষ লক্ষণ। প্ৰাকশংকৰী আৰু শংকৰী যুগৰ সাহিত্যত নট আৰু ভাটৰ উল্লেখ আছে। আচলতে ভাট সকলৰ স্তুতিগীতৰ আৰ্হিত ৰচনা কৰা গীতখিনিয়েই ভটিমা। মহাপুৰুষে তিনি প্ৰকাৰৰ ভটিমা যেনে- নাট ভটিমা, দেৱ ভটিমা আৰু ৰাজ ভটিমাৰ প্ৰৱৰ্ত্তন কৰে। তাৰ লগতে মাধৱদেৱে 'জয় গুৰু শংকৰ সৰ্ব গুণাকৰ' এই ভটিমাৰে 'গুৰু ভটিমাৰ' আৰ্হি দাঙি ধৰি চাৰি শ্ৰেণীৰ ভটিমাৰ পৰম্পৰা সৃষ্টি কৰে। নাটকৰ আৰম্ভ আৰু শেষত প্ৰয়োগ কৰা ভটিমাই 'নাট ভটিমা', দেৱতাৰ প্ৰশস্তিমূলক ভটিমাই 'দেৱ ভটিমা', ৰজাৰ গুণগৰিমা প্ৰকাশক ভটিমাই 'ৰাজ ভটিমা'। 'নাট ভটিমা' আকৌ তিনি প্ৰকাৰৰ। প্ৰাৰম্ভৰ উপাস্য দেৱতা বা কৃষ্ণ বা ৰামৰ গুণানুকীৰ্ত্তন কৰা ভটিমা, নাটৰ মাজত প্ৰধান চৰিত্ৰৰ বিশেষকৈ কৃষ্ণ বা ৰামৰ অথবা ৰুক্মিনী বা সীতাৰ ৰূপ-গুণ বৰ্ণোৱা ভটিমা আৰু নাটৰ শেষত সভাসদৰ মুক্তি কামনা কৰি গোৱা 'মুক্তি মঙ্গল ভটিমা'। ভটিমা সমূহক অনুপ্ৰাস, উপমাদি তালঙ্কাৰৰ সু প্ৰয়োগে অধিক আকৰ্ষণীয় কৰি তুলিছে। অৰ্থ সম্ভাৰ আৰু ৰচনাৰ মাধুৰ্য্যতাও আকৰ্ষণীয়। লগতে সুৰ, লয় আদিয়েও জনমানসক মোহিত কৰি ৰাখিছে। ভাষাৰ ক্ষেত্ৰত ইয়াত ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰ হৈছে। ছন্দৰ ক্ষেত্ৰত ইয়াত মাত্ৰাবৃত্ত ছন্দৰ প্ৰয়োগ লক্ষণীয়। সাহিত্যৰ বিভিন্ন উপাদানেৰে সমৃদ্ধ এই ভটিমা সমূহত অধ্যাত্মিক আৰু তাত্বিক দিশৰ লগতে বৰ্ণনীয় বস্তুৰ ফালৰ পৰাও অধিক মনোহাৰিত্ব প্ৰকাশ পাইছে যাৰ ফলত ই বৰগীতৰ সমানেই আদৰণীয় আৰু আস্বাদনীয় হৈ বৈষ্ণৱ সমাজত সমাদৃত হৈ আছে।

মহাপুৰুষজনাৰ প্ৰায়খিনি সৃষ্টিয়েই গীতিধৰ্মী। সেইবাবে কীৰ্ত্তন পুথিৰ বিভিন্ন খণ্ডক আনুষ্ঠানিকভাৱে দিহানামৰূপে লোৱা হয় আৰু এই দিহা নামে জনপ্ৰিয়তা আৰ্জন কৰি আহিছে। বৰগীত, ভটিমাবিলাকৰ উপৰিও নাটৰ অন্তৰ্গত গীতবোৰ (অংকৰ গীত), চপয়, টৌয়ে আৰু পয়াৰ সমূহৰো ৰচনাৰ সৌষ্ঠৱ, সংগীতৰ মাধুৰ্য, ভাৱৰ গম্ভীৰতা আৰু ভক্তিৰ গাঢ়তা লেখত ল'বলগীয়া।

এইবিলাকৰ উপৰিও গায়ন বায়ন গীত, ওজাপালি, কালি নৃত্য, দশাৱতাৰ নৃত্য আদি অনেক শংকৰী নৃত্য বা সত্ৰীয়া নৃত্যৰ লগত পৰিৱেশন কৰা গীতসমূহকো সত্ৰীয়া গীতৰ লগতে স্থান দিব লাগিব। ভগীৰথে পৱিত্ৰ মন্দাকিনীধাৰা মৰ্ত্তলৈ নমাই আনি পাপী-তাপীক মুক্তি দিয়াৰ দৰে মহাপুৰুষেও সুৰৰ পৱিত্ৰ মন্দাকিনী ধাৰাৰ দ্বাৰা অসমভূমি প্লাবিত কৰি তেওঁৰ দিব্যজ্যোতিৰে অসমৰ তমসা আঁতৰ কৰি জনসাধাৰণৰ মাজত জ্ঞানদীপ প্ৰজ্বলন কৰি থৈ গৈছে। এইবিলাক কথাতেই শংকৰদেৱক 'জগত গুৰু' আখ্যা দিয়া হয়, কিন্তু দুখৰ বিষয় কিছুমানজন অসমীয়াই নো আজি শংকৰদেৱক নিজৰ গুৰু বুলি চিনিব পাৰিছে। এইক্ষেত্ৰত গুৰুজনাক বিশ্বদৰবাৰত চিনাকি কৰোৱাটো দূৰৈৰ কথা। অৱশ্যে শেহতীয়াকৈ হ'লেও অসমীয়া ৰাইজৰ বাবে এটা সুখবৰ যে বহু পলমকৈ হ'লেও অসমীয়া ৰাইজ আৰু ভাৰতীয় লোকে গুৰুজনাক চিনিব পাৰিছে, জানিব পাৰিছে আৰু তাৰেই সাক্ষী বা স্মৃতি সৌধ হিচাপে গুৱাহাটীৰ পাঞ্জাবাৰীত স্থাপিত হোৱা "শংকৰদেৱ কলাক্ষেত্ৰ" নামৰ শংকৰী কলা- সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ মূল্যৱান সম্পদটিৰ কথাকে আমি উল্লেখ কৰিব পাৰো।

আধুনিক কালত লোক সংস্কৃতি, লোক জীৱন কথা যিদৰে এটা বিজ্ঞানসন্মত চৰ্চাৰ বিষয়ে হৈ পৰিছে ঠিক সেইদৰে অসমৰ শংকৰী সংস্কৃতিৰো অধ্যয়ন আৰু চৰ্চা-গৱেষণাৰ প্ৰয়োজন। সত্ৰীয়া সংগীত, নৃত্য-গীত-বাদ্য, নাট্যনুষ্ঠান আদি এক বিশেষ ধ্ৰুপদী শৈলী হিচাপে বিজ্ঞানসন্মতভাৱে চৰ্চাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আমি খুউব পলমকৈহে অৱগত হওঁ হক। এনে বিজ্ঞানসন্মত চৰ্চাৰ প্ৰয়োজনীয়তাক ড° ভূপেন হাজৰিকাদেৱে ডেৰকুৰি বছৰৰ আগতেই এখন সংগীত সভাত দিয়া ভাষণত এনেদৰে মত প্ৰকাশ কৰিছিল- "অসমীয়া শাস্ত্ৰীয় সত্ৰীয়া সংগীতৰ ব্যাকৰণ সৰল নহয় বাবেই তাৰ শিক্ষা আৰু সাধনাৰ বাবে বৈজ্ঞানিক শিক্ষা পদ্ধতিত ভেটি কৰা শিক্ষালয় এতিয়াই লাগে। পলম কৰিলে বিপদ আছে। বৰ ঘৰৰ জপাৰ কাঠি এবাৰ হেৰালে বিচাৰি পোৱা টান হ'ব।" (সংগীত সন্মিলনৰ সভাপতিৰ ভাষণ, অসম সাহিত্য সভা, নাজিৰা অধিৱেশন, ১৯৬৩ )। ড° হাজৰিকাৰ এই সকীয়নি যে অতি গুৰুত্বপূৰ্ণ তাত কোনোমতেই দ্বিমত থাকিব নোৱাৰে। ইয়াৰোপৰিও সত্ৰীয়া নৃত্য, গীত আদি জীয়াই ৰাখিবলৈ হ'লে এইবিলাকৰ প্ৰাণকেন্দ্ৰ সত্ৰ আৰু গাঁৱৰ নামঘৰ সমূহকো বিশেষভাৱে চকু দিব লাগিব। বৰ্ত্তমান সত্ৰসমূহৰ আগত সচ্ছলতা নাই, কোনোমতে এইবিলাক বৰ্ত্তি আছে। অৰ্থনৈতিক কাৰণ আৰু দ্ৰুত পৰিবৰ্ত্তিত সামাজিক দৃষ্টিভংগীয়ে এইবিলাকৰ সন্মুখত প্ৰত্যাহ্বান ৰূপে থিয় দিছে। গতিকে নিতান্তই সীমাবদ্ধতাৰ মাজত আজি সত্ৰীয়া সংস্কৃতি বৰ্ত্তি আছে। সত্ৰত সংৰক্ষিত আৰু চৰ্চিত কলাশিল্পক জীয়াই ৰখিবলৈ আৰু ভক্ত- বৈষ্ণৱ শিল্পী সকলক চৰ্চাৰ বাবে অধিক সকাহ দিবলৈ বিশেষ আঁচনি প্ৰস্তুত কৰিব লাগিব। চৰকাৰ আৰু ৰাইজৰ সমূহীয়া প্ৰচেষ্টাৰ ফলতহে সত্ৰৰ সৰ্বাঙ্গীণ উন্নতিৰ লগতে সত্ৰীয়া সংস্কৃতিৰ ধাৰাটি অক্ষুন্ন থাকিব পাৰে বুলি আশা কৰিব পাৰি। সত্ৰৰ পিছতেই শংকৰী সংস্কৃতিৰ চৰ্চা আৰু প্ৰসাৰৰ ক্ষেত্ৰ গাঁৱৰ নামঘৰসমূহ। গাঁৱৰ নামঘৰক কেন্দ্ৰ কৰি আজিও শংকৰী সংস্কৃতি কোনোমতে বৰ্ত্তি আছে সঁচা কিন্তু এই ধাৰা সংস্কৃতিৰ অনুৰাগী শিক্ষিত লোকসকলৰ সুস্থ পৃষ্ঠপোষকতাৰ অবিহনে বাচি থকা কঠিন হ'বগৈ। এতিয়াও গাঁৱত থকা পুৰণি শিল্পী-ভকত-বৈষ্ণৱসকলৰ গাত যিখিনি বাকী ৰৈছেগৈ সেইখিনি ধৰি ৰখাৰ বাবেও ৰাইজ সচেতন হোৱা আৱশ্যক। তদুপৰি শুদ্ধ আৰু প্ৰণালীবদ্ধ অনুশীলনৰ যোগেদি এই শংকৰী গীত আৰু নৃত্য যাতে অক্ষুন্ন আৰু অবিকৃত ৰূপত যুগমীয়াভাৱে অসম আৰু অসমীয়াৰ মাজত থাকিব পাৰে তাৰ বাবেও ৰজাঘৰ, প্ৰজাঘৰ সকলোৱে সচেষ্ট হোৱা অতি আৱশ্যক। সমূহীয়া প্ৰচেষ্টাৰ জৰিয়তেহে আমি আমাৰ জাতীয় সংস্কৃতিক জীয়াই ৰাখিব পাৰিম।

*(লেখিকা স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ, অসমীয়া বিভাগৰ ছাত্ৰী)*

# আমেৰিকা মহাকাশযুদ্ধৰ আখৰা আৰু বিপদাপন্ন বসুন্ধৰা

*– সৌৰভ জ্যোতি শৰ্মা*

"Modern Science is a strange paradox. On one side it has opened up a vista of celestial blessings & comforts on Earth having conquered Time, Distance & Space, thereby translating impossibility into possibility, while on the other, it has degraded man to the basest degree, having made him a brute of the most formidable part. "

***H. G. Wells.***

বিজ্ঞানৰ অগ্ৰগতিৰ লগত সমানে জড়িত ধনাত্মক আৰু ঋণাত্মক দিশৰ ওপৰত মহান ৰহস্য সাহিত্যিক এইচ্ জি. ৱেলছৰ মন্তব্য সাম্প্ৰতিক সময়ত বিচাৰ্যৰ বিষয়। বিজ্ঞানক কিছুমানলোকে জগতৰ কল্যাণৰ সলনি নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে উদ্ভাৱন কৰা আহিলা পাতিৰ ফলত পৃথিৱীত দুখনকৈ মহাসমৰ হ'ল। মহাসমৰৰ পৰিসমাপ্তিৰ পিছতো কমিউনিষ্ট আৰু পেলিটেলেষ্ট পাৱাৰ ব্লকৰ মাজত 'শীতল যুদ্ধ' (Cold War) চলিয়েই থাকিল। আণৱিক বোমা, হাইড্ৰজেন বোমা, নিউট্ৰন বোমা, লগতে হ্ৰস্ব, মধ্যম আৰু দীৰ্ঘ দূৰত্বৰ ক্ষেপনাস্ত্ৰ নিৰ্মাণ হ'ল। পৃথিৱীত আকৌ যুদ্ধ বিভীষিকাৰ সৃষ্টি হ'ল।

যোৱা ৭ জুলাইত আমেৰিকাই ইয়াৰ নতুন ক্ষেপনাস্ত্ৰ প্ৰতিৰোধক ব্যৱস্থা বা National Missile Defence (N.M.D) ৰ অধীনত চলোৱা পঞ্চমটো পৰীক্ষা ব্যৰ্থ হয়। ৰাষ্ট্ৰপতি ৰোণাল্ড ৰেগনৰ (Ronald Reagon) দ্বাৰা প্ৰস্তাৱিত নক্ষত্ৰ যুদ্ধ (Star War) বৰ্তমানৰ ৰাষ্ট্ৰপতি উইলিয়াম জেফাৰচন ক্লিন্টনৰ দিনত মহাকাশ যুদ্ধলৈ (Space War) লৈ অগ্ৰসৰ হৈছে। আমেৰিকাই নতুন পৰিক্ষণৰ কাৰণ দেখুৱাই কৈথে যে উন্মত্ত (Rogue) ৰাষ্ট্ৰ যেনে- উত্তৰ কোৰিয়া, ইৰাণ, ইৰাক আদিৰ ক্ষেপনাস্ত্ৰ কাৰ্যসূচীয়ে ইয়াৰ প্ৰতিৰক্ষা ব্যৱস্থাত সুৰুঙাৰ সৃষ্টি কৰিছে। সেয়ে নতুন ৰক্ষা কবচ গঢ়িবলৈ আমেৰিকা এই প্ৰচেষ্টা। বিশেষজ্ঞসকলৰ মতে N.M.D. বিশেষকৈ ৰুচিয়া আৰু চীনৰ প্ৰতি লক্ষ্য ৰাখি সৃষ্টি কৰা হৈছে যিহেতু এই দুইখন ৰাষ্ট্ৰৰে অস্ত্ৰাগাৰত বহুতো ICBM (Intercontinental Ballistic Missile) আছে যিবোৰৰ আমেৰিকাত আঘাত হনাৰ সামৰ্থ আছে। ৰাচিয়াৰ ওপৰত নজৰ ৰাখিবলৈ নৰৱেৰ ভাৰ্ডো (Vardo) দ্বীপত স্থাপন কৰা 'HAVE STARE' নামৰ X-band ৰাডাৰে আমেৰিকাৰ কথিত ভাষ্যক অস্বীকাৰ কৰাৰ ইংগিত দিছে।

N.M.D কাৰ্যসূচী যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা দপ্তৰৰ এক অংগ 'Ballistic Missile Development Organisation' তমুকৈ BMDO এই হাতত লৈছে। এই কাৰ্যসূচী ৰেগ'নৰ দ্বাৰা ঘোষিত S.D.I. (Strategic Defence Initiative) ৰ লগত জড়িত। শীতল যুদ্ধৰ পৰিসমাপ্তিৰ পিছত $ 26 বিলিয়ন মূল্যৰ এই কাৰ্যসূচীৰ কথা তল পাৰিছিল যদিও ১৯৯৮ চনত চিনেটৰ থাড্ কোচ্ৰানে (Thad Cochran) " American Missile Protection Act." উত্থাপন কৰি ৰাষ্ট্ৰপতি ক্লিন্টনক উভয় সংকটত পেলায়। এইখন বিলকে ১৯৯৯ চনত National Missile Defence Act." বুলি গ্ৰহণ কৰা হয়। ২৩ জুলাই, ১৯৯৯ চনত এইখন বিল আইনত পৰিণত হয়। আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচন কাষ চাপি আহিছে আৰু ৰিপাব্লিকাৰ প্ৰাৰ্থী জৰ্জ ডব্লিউ বুশ্ব আৰু ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী অ'ল গ'ৰেৰ মাজত N.M.D. ক লৈ প্ৰতিদ্বন্দ্বিতা চলিছে। ৰাচিয়াৰ লগত থকা ১৯৭২ চনৰ ABM (Anti- Ballistic Missile Treaty) চুক্তিৰ বাবে ক্লিন্টনৰ N.M.D. এক বোজাস্বৰূপ হৈ পৰিছে। N.M.D. ৰ ৰূপায়ণে ৰাচিয়াৰ লগত থকা ABM চুক্তিক ভংগ কৰিব। ৰাচিয়াৰ তৰুণ ৰাষ্ট্ৰপতি তথা K.G.B ৰ চোৰাং চোৰাগিৰি কৰা ভলাডিমিৰ পুটিনে আমেৰিকাক সতৰ্ক কৰি দি কৈছে যে ই N.M.D. গ্ৰহণ কৰিলে START - II (Strategic arms Reduction Treary) ক ভংগ কৰিব যাক ডুমাই অনুমোদন দিছে।

N.M.D ৰ 'Deployment readiness' ক (3+3) বুলি নামাংকিত কৰা হৈছে। N.M.D. ৰ তিনিটা স্তৰ আছে যাৰ প্ৰতিটোকে (Expanded Capability XC) বুলি কোৱা হয়। (BMDO) ৰ সঞ্চালক লেফটেনেন্ট জেনেৰেল ৰোণাল্ড কাডিছ্‌ৰ (Ronald Kadish) মতে (XC-I) লেভেলটো কেইটামান আক্ৰমণকাৰী মিচাইল ধ্বংস কৰিবৰ বাবে প্ৰস্তুত কৰা হৈছে, XC-II লেভেলটো 'জটিল বাৰহেড়' থকা কেইটামান ক্ষেপনাস্ত্ৰ ধ্বংস কৰিবৰ বাবে আৰু XC-III লেভেলটো বহুত জটিল ৱাৰহেড (Complex War head) ধ্বংস কৰিবৰ বাবে তৈয়াৰ কৰা হৈছে। N.M.D. ৰ বাবে আমেৰিকাৰ 'জেনেৰেল একাউটিং অফিচে বা 'GAO' এই এতিয়ালৈ সৰ্বমুঠ $ 55 বিলিয়ন ধাৰ্য কৰিছে।

N.M.D ৰ প্ৰতিৰোধক কাৰ্যব্যৱস্থা এনেধৰণৰ– কোনো ICBM এ আমেৰিকাৰ ওপৰত আক্ৰমণৰ বাবে অগ্ৰসৰ হ'লে Infrared Early Warning Satellite ৰ দ্বাৰা ইয়াক চিনাক্ত কৰা হ'ব আৰু অই তথ্য বা data ভূ পৃষ্ঠত থকা এক বা একাধিক 'Early Warning Radar' লৈ যাব। তাৰ পৰা ই ভূ-পৃষ্ঠৰ X-Band Radar লৈ যাব আৰু




চিত্ৰঃ মহাকাশ যুদ্ধৰ সাম্ভাব্য বৰ্ণনা।

পাৰ এই data 'Battle Management Centre' (BMC) লৈ যাব। BMC য়ে এতিয়া আক্ৰমণকাৰী ক্ষেপনাস্ত্ৰৰ পথ নিৰ্দ্ধাৰণ কৰিব আৰু 'দিকনিৰ্দেশক আদেশ' (Guidance Command) ভূ-পৃষ্ঠস্থিত 'Interceptor Missile' ক দিব। এনেকুৱা প্ৰত্যেকটো ক্ষেপণাস্ত্ৰত 'ৰকেট বুষ্টাৰ' থাকিব যাক "Exo- atmospheric kill Vehicle" (EKV) বুলি কোৱা হয়। যি বুষ্টাৰৰ পৰা পৃথক হোৱাৰ পাছত আক্ৰমণকাৰী ক্ষপণাস্ত্ৰক আঘাত হানিবলৈ নিৰ্দিষ্ট দিশত গতি কৰিব আৰু এই পৃথকীকৰণৰ অসফলতাৰ বাবেই ৭ জুলাইত কৰা পৰীক্ষাটো ব্যৰ্থ হয়। এই Interceptor Missile টোৱে ৭ কিঃ মিঃ /চেকেণ্ডৰো অধিক বেগত গতি কৰিব আৰু ই ভূ-পৃষ্ঠত থকা চেন্চৰ ৰাডাৰ (Sensor Radar) বোৰৰ পৰা 'গাইডেন্স আপডেট' (Guidance Update) পাই থাকিব। কোনো কোনো ক্ষেত্ৰত এটাতকৈ অধিক মিছাইল প্ৰেৰণ কৰা হ'ব পাৰে আক্ৰমণকাৰী ক্ষেপণাস্ত্ৰ ধ্বংস কৰিবলৈ। ইয়াক 'Shoot- look- Shoot' বুলি কোৱা হয়। N.M.D. ব্যৱস্থা 'বুলেটক বুলেটেৰে আঘাত কৰা (hitting bullet with bullet) আৰু 'ধ্বংসৰ বাবে হনা আঘাত' (hit to kill) ধাৰণাৰ ওপৰত আধাৰিত।

(N.M.D.) ৰ অধিনত ২০০৫ চনলৈ এনেকুৱা ১৯ টা পৰীক্ষণ কৰা হ'ব । 'চেন্চৰ ফ্লাইট টেষ্ট' (Sensor flight test) দুটাক বাদদি ইতিমধ্যে কৰা তিনিটা পৰীক্ষাৰ (২০ অক্টোবৰৰ ১৯৯৯, ১৮ জানুৱাৰী ২০০০ আৰু ৭ জুলাই ২০০০) দুটাই বিফল হৈছে। সেয়ে N.M.D ৰ প্ৰতিৰোধক ক্ষমতাৰ ওপৰত প্ৰশ্নচিহ্ন লাগিছে।

যোৱা ৬ জুলাইত ৫০ জন ন'বেল বঁটা বিজয়ী বিজ্ঞানীয়ে N.M.D. ৰ দৰে 'আণৱিক প্ৰতিৰক্ষা কবচ'ৰ বিফলতাক দাঙি ধৰে আৰু এই পৰীক্ষা নচলাবলৈ বিল ক্লিণ্টনক চিঠিৰে আহ্বান জনায়। ষাঠিৰ দশকতেই হনস্ বেথ (Hans Bethe) আৰু ৰিচাৰ্ড গাৰউইন (Richard Garwin) নামৰপদাৰ্থবিজ্ঞানী দুজনে 'Scientific America' নামৰ আলোচনীত যিকোনো আণৱিক প্ৰতিৰক্ষা কবচৰ (Nuclear Shield) সুৰঙাবোৰ দেখুৱাই দি কৈছিল যে- এনেকুৱা প্ৰতিৰক্ষা বেহুক আক্ৰমণকাৰীদেশে অতি সহজেই ভেদিবলৈ সমৰ্থ হ'ব। "Union of Concerned Scientists" (U. C. S.) নামৰ মাচাচুছেট ইনষ্টিটিউট অব টেকন'লজি (M. I. T.) ৰ বিজ্ঞানীসকলৰ সংগঠনে যোৱা ১১ এপ্ৰিলতে (Countermeasures) নামৰ প্ৰতিবেদনত দেখুৱাইছিল কেনেকৈ N.M.D. ক শত্ৰুদেশে ভুৱা দিব পাৰিব। N.M.D ক লৈ খোদ আমেৰিকাতেই প্ৰতিবাদ আৰম্ভ হৈছে। গ্ৰীণপীছ (Green Peace) নামৰ সংগঠনটোৱে এইবাবে 'হোৱাইট হাউছ'ৰ সন্মুখত ধৰ্ণাও দিছে।

N.M.D কাৰ্যসূচী ৰূপায়ণৰ ফলত ৰাচিয়া আৰু চীনে অস্ত্ৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব আৰু তাৰ ফলত ভাৰতেও নিজৰ প্ৰতিৰক্ষাৰ বাবে এই প্ৰতিযোগিতাত অংশ ল'বলৈ বাধ্য হ'ব যাৰ ফলত পাকিস্থানেও ইয়াত যোগ দিব। এনেদৰে ই শৃংখল- বিক্ৰিয়াৰ (Chain Reaction) দৰে গোটেই পৃথিৱীক গ্ৰাস কৰিব। N.M.D. য়ে M.A.D. ক মানে Mutually Assured Destruction ক বাস্তৱলৈ ৰূপান্তৰিততো নকৰে? নকৰিলেই ভাল, আমাৰ বাবে আৰু এই বসুধাৰ বাবে।

সামৰণিত মাৰ্টিন লুথাৰ কিঙে (Martin Luther king) কৈ যোৱা এষাৰ কথাৰ আমি নিৰীহ প্ৰাণীয়ে সকলো যুদ্ধোন্মাদ ৰাষ্ট্ৰক আৰু ৰাষ্ট্ৰপ্ৰধানক সকিয়নী দিব খোজো-- "The means by which we live have outdistanced the ends for which we live. Our scientific power has outturn our spiritual power. We have guided missiles & Misguided men."

*(লেখক স্নাতক প্ৰথম বৰ্ষ কলাৰ ছাত্ৰ)*

# নৈৰাজ্যবাদ, ৰাষ্ট্ৰ আৰু কিছু প্ৰাসংগিক চিন্তা

*–সিদ্ধাৰ্থ শংকৰ ডেকা*

" Anarchism is the philosophy of a new social order based on liberty unrestricted by man-made law, the theory that all forms of government rest on violence, and are therefore wrong and harmful, as well as unnecessary."

*— নৈৰাজ্যবাদী ইমা গ'ল্ডেন*

সমাজ ব্যৱস্থাই গঢ় দিয়া আইন, চৰকাৰ আদি আধুনিক সমাজৰ বাবে অপৰিহাৰ্য উপাদান সমূহ একচাটে নস্যাৎ কৰি সম্পূৰ্ণ 'স্বাধীনতা'ৰ ভেটিত গঢ় দিব খোজা মতবাদ 'নৈৰাজ্যবাদ' (Anarchism) ক আজিৰ গণতন্ত্ৰিক ভাৱধাৰাৰ প্ৰতি সততে আকৃষ্ট মানৱজাতিয়ে হয়তো তৰ্কাতীত ভাৱেই গ্ৰহণ নকৰে। কিন্তু মানৱজাতিয়ে বহু বিৱৰ্তন, বহু প্ৰৰিশ্ৰমৰ মাজেৰে গঢ় দিয়া গৌৰৱময় সভ্যতাৰ বিকৃতি আৰু স্খলন দেখি নৈৰাজ্যবাদৰ প্ৰায়োগিক (Applied) ফালটোৰ নহলেও ইয়াৰ তত্বগত দিশটোৰ বিষয়ে বিদেশত বিশেষকৈ পশ্চিমত বহু আলোচনা কৰা হৈছে (অৱশ্যে পশ্চিমৰ ইউৰোপেই নৈৰাজ্যবাদৰ উৎস আৰু উৎৰ্কষতাৰ কেন্দ্ৰ) নৈৰাজ্য-বাদৰ প্ৰায়োগিক দিশটোক আধুনিক বিশ্বৰ বাবে অনুপযুক্ত বুলি বিবেচনা কৰিলেও ইয়াৰ তত্বগত দিশটোৰ লগত জড়িত কিছু সূত্ৰ (theory), মতবাদ (Ideology) আৰু অন্তৰ্নিহিত ভাৱ আজিৰ এই যুগসন্ধিত বিশেষকৈ অসমভূমিত আজিও প্ৰাসংগিক। এই উপাদান বোৰৰ কিছুমান সত্য কৰোবাৰ বাবে অপ্ৰিয় হলেও অসমৰ প্ৰত্যেকজন সচেতন তথা সাম্প্ৰতিক পৰিস্থিতিৰ সূক্ষ্ম বিশ্লেষণকাৰী লোকেই বোধহয় এইবোৰৰ গুৰুত্ব অস্বীকাৰ নকৰে।

**নৈৰাজ্যবাদ ঃ**

বৰ্তমান সভ্যতাক অস্বীকাৰ কৰা 'স্বাধীনতা-কামী' মতবাদ ইমা গ'ল্ডেনৰ উক্তিৰ পৰাই অনুধাৱন কৰিব পাৰি যে নৈৰাজ্যবাদে বৰ্তমান সভ্যতাৰ প্ৰতিটো অনুষ্ঠানকে অৰ্থাৎ সমগ্ৰ সভ্যতাকে অস্বীকাৰ কৰে। নৈৰাজ্যবাদী সকলে মানুহৰ ওপৰত মানুহৰ কৰ্তৃত্ব (Authority) অস্বীকাৰ কৰে, সেই হেতু অস্বীকাৰ কৰে ৰাষ্ট্ৰ-যন্ত্ৰ (State machinary) কো। বিশ্বখ্যাত নৈৰাজ্যবাদী সকলৰ উমৈহতীয়া গ্ৰন্থ 'REINVENTING ANARCHY' (১৯৭৯) ত লিখা হৈছে এখন মুক্ত সমাজৰ কথা য'ত ৰাষ্ট্ৰ, আইন, প্ৰশাসন, নিৰাপত্তাৰক্ষী বা আন্তঃৰাষ্ট্ৰীয় সীমা একোৱে বাধা নাথাকে, থাকিব 'সমতা' আৰু 'স্বাধীনতা'ৰ মিঠা আৱেশ– " In anarchist Community on one is above anyone else, no one is more important than anyone else. To think so will destroy both equality and freedom."

ৰাজনীতি বিজ্ঞানৰ অন্যান্য বহুতো মতবাদৰ লেখীয়াকৈ নৈৰাজ্যবাদ অৰ্থাৎ 'Anarchism' শব্দটোৰো মূল হ'ল 'Anarchia' নামৰ এক গ্ৰীক শব্দ যাৰ অৰ্থ হ'ল 'non rule' অৰ্থাৎ শাসনবিহীন। অৰ্থাৎ ইয়াৰ নামেই প্ৰকাশ কৰে ইয়াৰ আদৰ্শ। সেইবাবেই ডেভিদ ৰবাৰ্টচনে প্ৰকাশ কৰিছিল 'Anarchism is a political theory based on two proposition: that society dose not need Government...." চৰকাৰ অৰ্থাৎ কোনো শাসন বা আইন মানিব নোখোজা এই মতবাদটোৰ ওপৰত বৌদ্ধিক চৰ্চা যদিও পশ্চিমীয়া ৰাজনৈতিক চিন্তাধাৰা প্ৰাৰম্ভিক কালৰ পৰাই হৈ আহিছে তথাপিও ইয়াৰ পূৰ্ণবিকাশ তথা বিতৰ্কৰ সৃষ্টি হৈছিল ঊনবিংশ শতিকাতহে। পুঁজিবাদৰ পূৰ্ণবিকাশৰ এই সময়ছোৱাত নৈৰাজ্যবাদী সকলে অন্যান্য সমাজবাদী সকলৰ লগত পুঁজিবাদৰ তীব্ৰ বিৰোধিতা কৰিছিল, বুৰ্জোৱা সম্প্ৰদায়ৰ শোষণক উৎখাত কৰাৰ বাবে কঠোৰ পন্থা গ্ৰহণৰ পৰামৰ্শ আগবঢ়াইছিল আৰু এই প্ৰসংগতে তেওঁলোকে এখন 'মুক্ত', 'স্বাধীন' সমাজৰ পোষকতা কৰিছিল। নৈৰাজ্যবাদী সকলৰ মতে এই সমাজ প্ৰতিষ্ঠা হ'ব পাৰে তিনি ধৰণে-

(১) এজন উৎপাদকে (Producer) পুঁজিবাদী সকলৰ পৰা মুক্ত হৈ
(২) এজন ব্যক্তিয়ে ৰাষ্ট্ৰৰ পৰা মুক্ত হৈ আৰু
(৩) এজন ব্যক্তিয়ে ভগৱানৰ দৰে কল্পনাপ্ৰসূত অযুক্তিকৰ ধৰ্মীয় নৈতিকতাবাদৰ পৰা মুক্ত হৈ।

*(ডেভিদ ৰবাৰ্টচন 'A dictionary of Modern Politics')*

দৰাচলতে পৈনত অৱস্থাত নৈৰাজ্যবাদৰ বৌদ্ধিক উত্তৰণৰ শইচ গজিছিল মাৰ্ক্সবাদৰ পলসুৱা ভূমিতেই। নৈৰাজ্যবাজৰ এগৰাকী প্ৰমুখ উদ্যোক্তা বাকুনিন আছিল মাৰ্ক্সৰ এগৰাকী বিশ্বস্ত অনুগামী। এইগৰাকী নৈৰাজ্যবাদীয়েই মাৰ্ক্সবাদৰ পৰা সামান্য ফালৰি কাটি নৈৰাজ্যবাদৰ পৃষ্ঠপোষকতা কৰিছিল। মাৰ্ক্সবাদী আৰু নৈৰাজ্যবাদী সকলৰ বিৰ্তক হৈছিল ৰাষ্ট্ৰৰ স্থায়িত্বক লৈ। ১৮৬৭ চনত বে'ল চহৰত চতুৰ্থ আন্তৰ্জাতিকৰ বৈঠকত বাকুনিন আৰু তেওঁৰ সহযোগী সকলে, এক সফল সমাজতান্ত্ৰিক বিপ্লৱৰ সমাপ্তিৰ পিছতো বিপ্লৱৰ সুফল সমূহৰ সঠিক প্ৰয়োগৰ বাবে ৰাষ্ট্ৰৰ উপস্থিতি এক নিৰ্দিষ্ট সময়লৈ প্ৰয়োজনীয় বুলি মাৰ্ক্সবাদী সকলে কৰা উক্তিৰ বিৰোধিতা কৰি কৈছিল যে ভৱিষ্যতৰ শ্ৰেণীহীন মুক্ত

সমাজ প্ৰতিষ্ঠাৰ অৰ্থে এক সফল বিপ্লৱৰ পিছত অৰ্থহীন ৰাষ্ট্ৰৰ পতন ঘটোৱাহে প্ৰয়োজনীয়। আৰু এই বিৰ্তকই বাকুনিনক নৈৰাজ্যবাদৰ পৃষ্ঠপোষক হিচাপে গঢ় দিয়াত সহায় কৰিছিল (যদিও বাকুনিনে সদায়েই মাৰ্ক্সৰ অনুগামী বুলি যথাযথ শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল মনিষী কাৰ্লমাক্সক)।

যদিও ৰাষ্ট্ৰৰ অপ্ৰয়োজনীয়তা (Superfluousness of state) শ্ৰেণীবিভাজিত চৰিত্ৰ (Class-division), গণতান্ত্ৰিক অনুষ্ঠান সমূহৰ ব্যৰ্থতা (Fallacy of democratic institutions), ক্ষমতাৰ অপব্যৱহাৰ (Effect of Power) আৰু ধৰ্মৰ সাৰশূণ্যতা আদিয়েই নৈৰাজ্যবাদৰ উত্থান, জনপ্ৰিয়তা তথা তাত্বিক যুক্তি সমূহৰ মূল কাৰক তথাপিও মানৱ সভ্যতাৰ ক্ৰমাগত বিকৃতি আৰু স্খলনেই এই মতবাদৰ প্ৰধান উৎস বুলি ক'ব পাৰি। মানৱসভ্যতাৰ এই অ-প্ৰাকৃতিক বিৱৰ্তনৰ কু প্ৰভাৱ সমগ্ৰ বিশ্বৰ লগতে আমাৰ অসমতো পৰাটো স্বাভাৱিক। আৰু এনে এক সন্ধিক্ষণতে অসমৰ পৰিস্থিতিক আন বহু সমাজত মতবাদৰ লগতে নৈৰাজ্যবাদৰ মাতেৰেও জুকিয়াই চোৱাটো নিশ্চয় দোষণীয় নহয়। গণতান্ত্ৰিক ভাৱাপন্ন সকলেও বৰ্ত্তমানৰ 'গণতন্ত্ৰ'ৰ ব্যৰ্থতাক আগত ৰাখি নৈৰাজ্যবাদৰ দৃষ্টিভংগীক এক সুস্থ বিৰ্তকৰ প্ৰয়োজনত ভালদৰে বিশ্লেষণ কৰা উচিত। মাৰ্ক্সবাদী সকলেও এই ক্ষেত্ৰত নেতিবাচক ভূমিকা লোৱা উচিত নহয়। কাৰণ নৈৰাজ্যবাদ আৰু মাৰ্ক্সবাদৰ নিবিড় সম্পৰ্ক আছে বহু দিশত। মুঠৰ ওপৰত অসমৰ পৰিস্থিতি গত বিষয়বস্তুৰ ওপৰত এক সুস্থ আৰু গণমুখী বিৰ্তকৰ বাবে নৈৰাজ্যবাদ ভাল বেয়া দিশবোৰৰ ওপৰত আলোকপাত কৰা উচিত।

**ৰাষ্ট্ৰযন্ত্ৰ, নৈৰাজ্যবাদ বনাম অসমৰ পৰিস্থিতি আৰু অলপ প্ৰাসংগিক ঃ চিন্তা**

আগেয়ে কৈ অহা হৈছে যে নৈৰাজ্যবাদী সকলে সভ্যতাৰ অস্বীকাৰ কৰে, অস্বীকাৰ কৰে সভ্যতাৰ দান ৰাষ্ট্ৰযন্ত্ৰক। লগতে অস্বীকাৰ কৰে ৰাষ্ট্ৰ-স্বীকৃত অনুষ্ঠান সমূহকো। আজি আমাৰ অসমত যি বিষময় পৰিস্থিতিৰ সৃষ্টি হৈছে তাৰ গুৰিতেই যে নব্য সাম্ৰাজ্যবাদী উপনিৱেশবাদী (Neo - Imperialism) ভাৱধাৰাৰে দীক্ষিত ৰাষ্ট্ৰ, সেয়া সচেতন জনে নিশ্চয় অস্বীকাৰ নকৰে। ৰাষ্ট্ৰযন্ত্ৰৰ এই নীচ ষড়যন্ত্ৰই দৰাচলতে ৰাষ্ট্ৰৰ নিজ গৰিমাতেই মোক্ষম আঘাত হানিছে, ৰাষ্ট্ৰৰ গণ-চৰিত্ৰ ক্ষুন্ন হৈছে, ৰাষ্ট্ৰযে জনতাৰ সলনি শাসকৰহে বহতীয়া সেয়া প্ৰতিপন্ন হৈছে, লগতে ৰাষ্ট্ৰৰ বিভিন্ন অংগ-প্ৰতিষ্ঠান সমূহৰ অসাৰতা আৰু শোষক চৰিত্ৰ লাহে লাহে জনতাৰ আগত উন্মোচিত হৈছে আৰু এই প্ৰসংগতেই অসমৰ সাম্প্ৰতিক পৰিস্থিতিত নৈৰাজ্যবাদী ভাৱধাৰাৰ প্ৰাসংগিকতা আহি পৰে। নৈৰাজ্যবাদে বহু আগতেই ৰাষ্ট্ৰৰ স্বৰূপ উদঘাটন কৰিছিল, ৰাষ্ট্ৰ অসাৰতাক ইয়াৰ শ্ৰেণীচৰিত্ৰ, গণতান্ত্ৰিক ব্যৱস্থাৰ অসফলতা, ক্ষমতা তথা ধৰ্মৰ অপব্যৱহাৰ ইত্যাদি বিভিন্ন যুক্তিৰে প্ৰমাণ কৰিছিল। যদিও 'ৰাষ্ট্ৰ' আজিৰ আধুনিক সমাজ ব্যৱস্থাত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক বিভিন্ন কাৰণত অপৰিহাৰ্য তথাপিও ৰাষ্ট্ৰৰ সামগ্ৰিক বিফলতাক আগত ৰাখি প্ৰকৃত শোষণ বিহীন জনমুখী ৰাষ্ট্ৰ স্থাপনৰ বাবে ৰাষ্ট্ৰ তথা ৰাষ্ট্ৰৰ বিভিন্ন অংগসমূহৰ চৰিত্ৰ, দুৰ্বলতাক 'ৰাষ্ট্ৰ'ৰ কঠোৰ সমালোচক নৈৰাজ্যবাদৰ বক্তব্য সমূহক যুক্তিসন্মত ভাৱে বিশ্লেষণ কৰা আৱশ্যক। ই এখন প্ৰকৃত 'ৰাষ্ট্ৰ'ৰ স্থাপনৰ বাবে উল্লেখযোগ্য খোজ হ'ব পাৰে।

'বুধবাৰ' বাতৰিকাকতৰ ১৯৯১চনৰ পূজা সংখ্যাত সন্দীপ বৰুৱাই নৈৰাজ্যবাদ সম্পৰ্কে লিখা এক প্ৰৱন্ধত ৰাষ্ট্ৰযন্ত্ৰ সম্পৰ্কে নৈৰাজ্যবাদৰ দৃষ্টিভংগীৰে মন্তব্য দিছে এনেদৰে- "......আমাৰ সমাজ জীৱনৰ কিছুমান ক্ষমতাশালী ব্যক্তিয়ে নিজৰ 'ক্ষমতা'ৰ লোভ চৰিতাৰ্থ কৰিবলৈকে 'ৰাষ্ট্ৰযন্ত্ৰ'ৰ ধাৰণা সবল কৰি আনিছে।"

"....... ৰাষ্ট্ৰযন্ত্ৰ আৰু ইয়াৰ অংশীদাৰ প্ৰশাসন ব্যৱস্থাই পৃথিৱী সম্পৰ্কে মানুহৰ ধাৰণাক বিকৃত কৰিছে।"

ইয়াৰ উপৰি ৰাষ্ট্ৰযন্ত্ৰ-স্বীকৃত প্ৰতিটো বিভাগ, প্ৰতিটো ব্যৱস্থাকেই যুক্তি সহকাৰে প্ৰত্যাখ্যান কৰিছে নৈৰাজ্যবাদে আৰু এই যুক্তিবোৰে দৰাচলতে সাম্প্ৰতিক সময়ৰ প্ৰতিচ্ছবিকেই দাঙি ধৰিছে।

**নৈৰাজ্যবাদৰ দৃষ্টিত আইন আৰু কাৰাগাৰ ঃ**

"Legalisation means : Camel filters, Acapulco Gold, Salem langs........ Singing the praises of the American Tobacco Company."

*('F..k legalisation' বুলি এক প্ৰচাৰ পত্ৰত নৈৰাজ্যবাদী সকলৰ উক্তি)*

এনেদৰেই প্ৰচলিত আইন ব্যৱস্থাক উপলুঙা কৰিছে নৈৰাজ্যবাদে। সভ্যতাৰ বিকৃতিক ঢাকি ৰাখিবলৈ, শাসকৰ ক্ষমতা অক্ষুন্ন ৰাখিবলৈকে আইন ব্যৱস্থাৰ প্ৰণয়ন কৰা হৈছে বুলি নৈৰাজ্যবাদী সকলৰ দৃঢ় বিশ্বাস। তাৰোপৰি আইন ভংগকাৰী সকলৰ শাস্তি অৰ্থাৎ কাৰাগাৰ (Prison) বৰ্বৰতাৰ চুড়ান্ত নিদৰ্শন বুলি নৈৰাজ্যবাদী সকলৰ দৃঢ় বিশ্বাস। ৰিছাৰ্ড কিনীয়ে কাৰাগাৰ সম্পৰ্কে মন্তব্য দিছে এনেদৰে- "A way of controlling this unemployed surplus population is simply and directly by confinement in prisons" দৰাচলতে পুঁজিবাদী সমাজ ব্যৱস্থাৰ বিফলতাৰ ফলত সৃষ্টি হোৱা নিবনুৱা সমস্যাক ঢাকি ৰখাৰ বাবেই কাৰাগাৰৰ জন্ম বুলি ৰিচাৰ্ড কিনীয়ে তেওঁৰ 'Class state and crime' নামৰ গ্ৰন্থত উল্লেখ কৰিছে। এই যুক্তিবোৰ যে অকাট্য তাক আজিৰ অসমৰ পৰিস্থিতিয়েই বুজাই দিছে। সেয়েহে নৈৰাজ্যবাদী সকলৰ লগতে সুৰ লগাই গাবলৈ মন যায় আইন সম্পৰ্কে ৰচিত সেই খুহুতীয়া গীতটি যাক নৈৰাজ্যবাদী সকলে 'F..k legalisation' বুলি প্ৰচাৰ পত্ৰত প্ৰকাশ কৰিছিল চিগাৰেট সেৱী এক কাছৰ প্ৰতীকেৰে।

"Panama Red, Panama Red
Buy till you die and work until you're dead"

**নৈৰাজ্যবাদৰ দৃষ্টিত শিক্ষা ব্যৱস্থাৰ স্বৰূপঃ**

শিক্ষা প্ৰকৃততে এনে এক বৌদ্ধিক উত্তৰণৰ উপায় যাৰ দ্বাৰা শিক্ষালাভ কৰাজনে কেৱল অনুসন্ধিৎসু মনক ক্ষান্ত নকৰে, ভৱিষ্যত জীৱনত নিজৰ ব্যক্তিত্ব পূৰ্ণ বিকাশৰ দ্বাৰা এজন প্ৰকৃত মানৱীয় গুণ সম্পন্ন মানুহ হিচাপে এক বৈচিত্ৰময় জীৱন লাভ কৰিব পাৰে। কিন্তু আজিৰ পৰীক্ষা নিৰ্ভৰ শিক্ষাব্যৱস্থাই শিক্ষা ব্যৱস্থাত যি অসমানতা আৰু যান্ত্ৰিকতাৰ সৃষ্টি কৰিছে সেয়া নৈৰাজ্যবাদী সকলে কেতিয়াবাই উপলব্ধি কৰিছিল। ই কেৱল মানুহৰ অনুসন্ধিৎসু প্ৰকৃতিকে অপমান কৰা নাই, ই সৃষ্টি কৰিছে শ্ৰেণী বিভাজনৰ। ছাত্ৰসমাজত এক গৰিষ্ঠ সংখ্যকৰ মানোকাংক্ষা পূৰণৰ সহজাত প্ৰবৃত্তিক ভৰিৰে মোহাৰি যান্ত্ৰিক, শ্ৰেণী চৰিত্ৰৰে আক্ৰান্ত শিক্ষাব্যৱস্থাৰ জন্ম দি ৰাষ্ট্ৰযন্ত্ৰই কেনেদৰে ছাত্ৰসমাজক

মাটিৰ পৰা আতৰাই নি ভোগবাদী কৰি তুলিছে সেয়া অসম এক জ্বলন্ত উদাহৰণ। অসমত আই-এ-এছ, আই -চি-এছ সম্পৰ্কত যি অৰ্থহীন, বণ্যাৰ সৃষ্টি হৈছে সেয়ে যে দৰাচলতে ৰাষ্ট্ৰৰে ষড়যন্ত্ৰ তাকো নৈৰাজ্যবাদী সকলে ভালদৰে বিশ্লেষণ কৰিছে। ছাত্ৰ সমাজক গণমুখী হোৱাৰ পৰা বিৰত ৰাখিবলৈ ৰাষ্ট্ৰই তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাক নস্যাৎ কৰি ৰাষ্ট্ৰৰ প্ৰতি অকুণ্ঠ আৰু বিবেকহীন সেৱা আগবঢ়োৱা এনে কিছুমান প্ৰশাসনীয় সেৱাৰ স্বৰূপ Fred Wordsworth নামৰ নৈৰাজ্যবাদী এগৰাকীয়ে 'Match !' নামৰ আলোচনীত লিখিছিল- 'So called public services are actually coercive governmentalist functions would not exist at all. Today many of these supposed 'services' are forcibly imposed upon persons who openly detest them and all but rebel under their yoke' প্ৰকৃততে IAS বা ICS আদি 'প্ৰশাসনীয় জন-সেৱা'বোৰ ৰাষ্ট্ৰৰ ভৃত্য আৰু ক্ষমতালোভী কৰি তোলাৰ ৰঙীণ জালহে সেয়া নৈৰাজ্যবাদীয়ে ঠিকেই প্ৰমাণ কৰিছে।

আমাৰ শিক্ষাব্যৱস্থা হ'ল স্থিতাৱস্থাৰ সমাৰ্থক। কোনো কাম কৰি বা কোনো বিষয় পঢ়ি ভাল নাপালেও সেয়া কৰিবলৈ ছাত্ৰ-সমাজক বাধ্য কৰোৱা হয়। তদুপৰি এজন ছাত্ৰ বা ছাত্ৰীৰ ভৱিষ্যত নিৰ্ধাৰণ কৰিবলৈ ৰাষ্ট্ৰৰ নৈতিক অধিকাৰ ক'ত বুলিও নৈৰাজ্যবাদী সকলে প্ৰশ্ন কৰিছে। মুঠৰ ওপৰত একঘেয়ামী শিক্ষা, গোলামী মানসিকতা আদিৰে আক্ৰান্ত আমাৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ সমাজক মানসিকভাৱে পংগু কৰি তুলিছে বুলি নৈৰাজ্যবাদী সকলৰ বিশ্বাস।

তদুপৰি নৈৰাজ্যবাদে শিক্ষা প্ৰদান কৰা শিক্ষক আৰু শিক্ষা প্ৰদান পদ্ধতিৰ বিষয়েও আলোকপাত কৰিছে। নৈৰাজ্যবাদী নিকোলাছ ৱাল্টাৰে লিখিছে "........Strict discipline and corporal punishment be abolished ............ Not only should educational institutions be freed from the Power of authorities, but students should be freed from the Power of teachers or administrators...... the only status teachers should have would be based on their ability to teach it and ultimately on their capacity to inspire admiration and respect" আজিৰ শিক্ষাৰ এই আৰাজক অৱস্থাত শিক্ষক সকলে যদি নৈৰাজ্যবাদী সকলৰ এই মন্তব্যক তিলমানো গুৰুত্ব দিয়ে তেনেহলে ছাত্ৰ শিক্ষকৰ মাজত সম্পৰ্কৰ ওপৰত হোৱা দীৰ্ঘদিনীয়া বিতৰ্কৰ নিশ্চয় ওৰ পৰিব আৰু তেনেকৈয়ে গঢ় লব আমাৰ ভগ্ন শিক্ষাব্যৱস্থাৰ প্ৰথমটো শক্তিশালী ভেটি- ছাত্ৰ-শিক্ষকৰ মাজত এক সুস্থ সম্পৰ্ক যাৰ প্ৰথম উপাদান হ'ব - "In a healthy educational relationship the fact that one person knows more than another is no reason for the teacher having authority over the learner" নিকোলাছ ৱাল্টাৰ।

**নৈৰাজ্যবাদ ঃ সামৰণিত কিছু সত্যৰ উন্মোচন।**

সমাজ জীৱনত ঘটি থকা বিভিন্ন অপৰাধ মূলক ঘটনাই সমাজ জীৱনৰ অচলাৱস্থাৰ কথাই সূচায়। 'অসমৰ অস্থিৰ অৱস্থা', 'সাম্প্ৰতিক অগ্নিগৰ্ভা পৰিস্থিতি,' 'বিষময় সময়' ইত্যাদি বিভূষণেৰে এই অচলাৱস্থাক নামাকৰণ কৰিলেও এনে অপৰাধবোৰৰ গুৰিতেই যে ৰাষ্ট্ৰযন্ত্ৰ সেয়া নৈৰাজ্যবাদী সকলৰ বক্তব্যৰ পৰাই অনুমান কৰিব পাৰি - ".......The biggest criminals are not burglars but bosses, not gangsters but rulers, not murderers but mass murderers many major injustices of present society are disguised and actually perpetrated by the state"

*– নিকোলাছ ৱাল্টাৰ*

এয়াজানো আজিৰ সময়ৰ স্বচ্ছ প্ৰতিচ্ছবি নহয়। এনে হতাশাজনক পৰিস্থিতিত কি কৰিব ন-প্ৰজন্মই? অগ্ৰজ সকলে যুৱ-মানসিকতাক লৈ বৰ বৰ বিতৰ্ক কৰিলেও তেওঁলোকৰ স্ব-মানসিকতাই আজি নিৰ্লজ্জ উলংগ ৰূপ ধাৰণ কৰিছে, যি মানসিকতাৰে ন-প্ৰজন্মক উপদেশ দিয়া দূৰৈৰ কথা, তেওঁলোকে নিজকে প্ৰকৃত মানুহ বুলি কোৱাৰো যোগ্যতা হেৰুৱাইছে। নিজৰ স্বাভিমানে, আত্মসন্মান, বিবেক সকলো বন্ধকতথৈ কাপুৰুষৰ দৰে পদলেহনকাৰী চৰিত্ৰলোৱা অসমৰ অগ্ৰজ সমাজৰ ওচৰত ন-প্ৰজন্মই পথ নিৰ্দেশনৰ বাবে নোযোৱাটোৱেই স্বাভাৱিক। ফলত নতুন প্ৰজন্মৰ এক বৃহৎ অংশই সমাজৰ পৰা পৃথক হৈ নতুন পথৰ সন্ধানত ব্যস্ত। বিপথগামী, উশৃংখল বুলি অভিহিত এই প্ৰজন্মটোক কিন্তু নৈৰাজ্যবাদী সকলে কোনোদিন অৱজ্ঞাৰ চকুৰে চোৱা নাই। বৰং তেওঁলোকে ইয়াক ন-প্ৰজন্মৰ বিদ্ৰোহৰ চৰম পথ বুলিহে গণ্য কৰিছে। দিক-বিদিক শূণ্য হোৱা শিক্ষাৰ, শাসনৰ, শ্ৰমৰ প্ৰকৃত মূল্য, প্ৰকৃত লাভ উপভোগ কৰাত ব্যৰ্থ এই প্ৰজন্মটোৱে কৰিবই বা কি? সঠিক পথৰ সন্ধান দিবৰ বাবে নাই কোনো জাগ্ৰত, সৎ অগ্ৰজ, নাই গণতান্ত্ৰিক উপায়ে নিজ প্ৰাপ্য পোৱাৰ পথ, চাৰিওফালে হতাশৰ ডাৱৰে আগুৰা নতুন প্ৰজন্মই সেয়ে স্বাভাৱিকতেই বাচি লৈছে বিদ্ৰোহৰ পথ। যি কোনো পন্থা তেওঁলোকে বাচি লৈছে। তেওঁলোকে হয়তো ড্ৰাগছ সেৱন, হত্যা, লুণ্ঠন, ধনদাবী, আৰু সশস্ত্ৰ বিপ্লৱ সকলো এই বিদ্ৰোহৰে অংগ। তাৰ বাবে তেওঁলোকক হাক দিয়াৰ নৈতিক অধিকাৰ আজি কাৰো নাই। আজি সেয়ে চাৰিওফালে ন প্ৰজন্মৰ এক বিক্ষোভ গঢ়ি উঠিছে হয়তো ভাল-বেয়া ভিন ভিন ৰূপত। কিন্তু এই বিদ্ৰোহ অপ্ৰত্যাশিত কেতিয়াও নহয়।

"The revolt of youth was the first burst of anger at the persistant realities of the new world- the boredom of everyday existance, the dead life which is still the essential product of modern capitalism"

এয়া নিতান্তই প্ৰত্যাশিত।

*(লেখক স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ)*

# ব্লেক হ'ল আৰু মহাবিশ্বত ইয়াৰ অনুসন্ধান

— *গৌতম প্ৰসাদ নাথ*

বিশ্বব্ৰহ্মাণ্ড মানেই ৰহস্য। বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি, বিস্তৃতি আৰু ইয়াত থকা প্ৰতিটো পদাৰ্থকণাই যেতিয়া ৰহস্যময়, তেনেস্থলত বিশ্বব্ৰহ্মাণ্ড মানেই ৰহস্য বুলি নোকোৱাৰ যুক্তি কি? বিশ্বব্ৰহ্মাণ্ডৰ এই ৰহস্যবোৰৰ ভিতৰত অন্যতম হ'ল ব্লেক হ'লৰ (Black hole) ৰহস্য। কাৰণ ইয়াৰ স্থিতি সম্পৰ্কে ধাৰণা বৰ্তমানেও ৰহস্যমুক্ত নহয়।




ব্লেকহ'ল নামটোৰ লগত প্ৰায় সকলো বিজ্ঞানুৰাগীয়ে পৰিচিত। সাধাৰণ ভাষাত এটা ব্লেকহ'ল নক্ষত্ৰ এটাৰ ক্ৰমবিবৰ্তনৰ অন্তিম অৱস্থা আৰু এই অৱস্থাত মহাকৰ্ষণ বল আৰু ঘনত্বৰ পৰিমাণ ভাবিব নোৱাৰা ধৰণে বেছি হয়গৈ। এই প্ৰবন্ধটোত উক্ত ৰহস্যাবৃত ব্লেক হ'লৰ সৃষ্টি, গঠন আৰু অনুসন্ধানৰ বিষয়ে আলোচনা কৰা হৈছে।

ব্লেকহ'লৰ বিষয়ে অধ্যয়ন কৰাৰ আগতে আমাৰ মহাকৰ্ষণৰ ধাৰণাৰ প্ৰয়োজন হ'ব। কিয়নো ব্লেকহ'লৰ সৃষ্টি, পদাৰ্থৰ মহাকৰ্ষণ ধৰ্মৰ অৱশ্যম্ভাৱী পৰিণতি। আমাৰ সকলোৰে মহাকৰ্ষণ সম্পৰ্কীয় এটা মোটামুটি ধাৰণা আছে। মহাকৰ্ষণ সম্পৰ্কীয় দুটা তত্ব আছে। উক্ত তত্ব দুটা ক্ৰমে নিউটনৰ মহাকৰ্ষণ সূত্ৰ আৰু আইনষ্টাইনৰ মহাকাৰ্ষণ সূত্ৰ যাক সাধাৰণ আপেক্ষিকতাবাদ তত্ব (General theory of relativity) হিচাবে জনা যায়।

আমাৰ সকলোৰে পৰিচিত বলভিত্তিক নিউটনৰ মহাকৰ্ষণ সূত্ৰটোৰ মতে দুটা পদাৰ্থই পৰস্পৰে পৰস্পৰক আকৰ্ষণ কৰে আৰু এই আকৰ্ষণবল পদাৰ্থদুটাৰ ভৰৰ পূৰণফলৰ সমানুপাতিক আৰু দূৰত্বৰ ব্যস্তানুপাতিক। কিন্তু আইনষ্টাইনৰ মহাকাৰ্ষণ সূত্ৰটো কিছু বেলেগ। ই সম্পূৰ্ণ জ্যামিতিভিত্তিক। ১৯১৫ চনত এলবাৰ্ট আইনষ্টাইনে সাধাৰণ আপেক্ষিকতাবাদ তত্বৰ জৰিয়তে আগবঢ়োৱা মহাকৰ্ষণ সূত্ৰ মতে পদাৰ্থৰ উপস্থিতিয়ে চতুৰ্প্ৰস্থীয় স্থানকাল অবিছিন্নতাৰ (Four dimensional space-time continuum) বক্ৰতাৰ সৃষ্টি কৰে আৰু অন্য পদাৰ্থৰ গতিত এই বক্ৰতা মহাকৰ্ষণ বল ৰূপে প্ৰতীয়মান হয় পদাৰ্থৰ উপস্থিতিয়ে চৌপাশৰ যিলৈকে স্থান কালৰ ধৰ্মৰ পৰিবৰ্তন অৰ্থাৎ বক্ৰতাৰ সৃষ্টি কৰে তাকেই পদাৰ্থটোৰ মহাকৰ্ষণ ক্ষেত্ৰ বোলা হয়। মহাকাৰ্ষণ ক্ষেত্ৰ এখনৰ বক্ৰতা যিমানেই বেছি হ'ব, ক্ষেত্ৰখন সিমানেই সবল হ'ব। এই বক্ৰতা পদাৰ্থৰ ভৰৰ ওপৰত নিৰ্ভৰশীল।

ব্লেকহ'লৰ অধ্যয়নত প্ৰয়োজনীয় আন এটা ধাৰণা হ'ল পলায়ন বেগৰ ধাৰণা। যি নিম্নতম বেগত নিক্ষেপ কৰিলে যিকোনো প্ৰক্ষেপ্য পৃথিৱীৰ মাধ্যাকৰ্ষণ বলৰ প্ৰভাৱৰ পৰা মুক্ত হৈ মহাশূণ্যলৈ ওলাই যায় তাকে পৃথিৱী সাপেক্ষে পলায়ন বেগ (Escape Velocity) বা উত্তৰণ বেগ বোলা হয়। গাণিতিকভাৱে পৃথিৱীৰ ভৰ, M আৰু ব্যাসাৰ্ধ,

বুলি ধৰিলে পলায়ন বেগ Ve = $\sqrt{\frac{2GM}{R}}$ ইয়াত G হ'ল নিউটনৰ মহাকৰ্ষণিক ধ্ৰুবক।

উল্লেখযোগ্য যে পলায়ন বেগৰ মান পৃথিৱীৰ ভৰ আৰু ব্যাসাৰ্ধৰ অনুপাত $\frac{M}{R}$ ৰ ওপৰতহে নিৰ্ভৰশীল; প্ৰক্ষেপ্যটোৰ ভৰৰ ওপৰত নহয়। গতিকে ই গধুৰ লোহাৰ বল এটাই হওক বা ভৰহীন খাটন কণিকাই হওক, পলায়ন বেগ দুয়োটাৰ বাবে সমান। গতিকে দেখাযায় যে বস্তু এটাৰ ভৰৰ পৰিবৰ্তন নোহোৱাকৈ ব্যাসাৰ্ধ কমি গ'লে বস্তুটোৰ পৰা পলায়ন বেগো বাঢ়ি গৈ থাকিব। কিয়নো ইয়াত $\frac{M}{R}$ অনুপাতটোৰ মান বাঢ়ি যাব। ঠিক এই ধাৰণাই ব্লেকহ'ল এটাৰ সৃষ্টিৰ ক্ষেত্ৰত খাটে।

তাৰকা এটা ব্লেকহ'ললৈ কেনেদৰে পৰিবৰ্তন হয় তাক আলোচনা কৰাৰ আগতে আমি প্ৰথমে তাৰকা এটাৰ জন্ম তথা বিৰ্বতনৰ বিষয়ে অলপ আলোচনা কৰোঁহক।

বিশ্বব্ৰহ্মাণ্ডখনত ধূলিকণা তথা নানা বিধ গেছ সুষম ভাবে পাতলকৈ বিস্তৃত হৈ আছে বুলি ধৰা হয়। এই গেছবোৰৰ ভিতৰত হাইড্ৰজেনেই প্ৰধান। কিন্তু কেতিয়াবা কোনো এক বিশেষ মহাজাগতিক কাৰণত গেছ আৰু ধূলিকণাৰ এই সুষম বিতৰণত বিষমতাই দেখা দিয়ে। ফলত কোনো এক বিশেষ অঞ্চলৰ পাতল হাইড্ৰজেন গেছ আৰু ধূলিকণাবোৰ সংকুচিত হ'বলৈ আৰম্ভ কৰে। এবাৰ এই সংকোচন আৰম্ভ হোৱাৰ ফলত ইয়াত থকা কণিকাবোৰৰ মাজৰ দূৰত্ব ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰাৰ বাবে সিহঁতৰ মাজৰ মহাকৰ্ষণ বলো ক্ৰমাৎ বাঢ়ি যায়। মহাকৰ্ষণ বল বঢ়াৰ লগে লগে কণিকাবোৰৰ সংকোচন দ্ৰুততৰ হ'বলৈ ধৰে আৰু ফলস্বৰূপে এক বৃহৎ পদাৰ্থগোটৰ সৃষ্টি কৰে। এনেদৰে গোটখোৱা কণিকাবোৰৰ মাজত মহাকৰ্ষণ বলৰ প্ৰভাৱত সংকোচন প্ৰক্ৰিয়া চলি থকাৰ বাবে কেন্দ্ৰভাগত পদাৰ্থৰ ঘনত্ব তথা উষ্ণতা বৃদ্ধি হ'বলৈ ধৰে। এটা সময়ত এই উষ্ণতা বৃদ্ধি হৈ হৈ পাৰমাণৱিক সংযোজন বিক্ৰিয়া (Fusion reaction) আৰম্ভ হ'ব পৰা এটা অতি উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয়গৈ।

পাৰমাণৱিক সংযোজন প্ৰক্ৰিয়াত (Fusion Process) হাইড্ৰজেনৰ পৰা পৰ্য্যায়ক্ৰমে গধুৰ মৌলৰ নিউক্লিয়াচ যেনে হিলিয়াম, কাৰ্বন আদি নিউক্লিয়াছৰ জন্ম হয় আৰু প্ৰত্যেক বিক্ৰিয়াত ৰাহি থকা ভৰখিনি তাপ শক্তি তথা পোহৰ আদি তৰংগলৈ ৰূপান্তৰিত হয়। এই পোহৰ, তাপ আদি তৰংগবোৰ নক্ষত্ৰটোৰ পৰা বাহিৰ হৈ আহে আৰু এই তৰংগবোৰে এক বহিৰ্মুখী বিকিৰণ তাপৰ সৃষ্টি কৰে। এই বহিৰ্মুখী বিকিৰণ চাপে আকৌ ইতিমধ্যে আৰম্ভ হোৱা অন্তৰ্মুখী প্ৰবল মহাকৰ্ষণ বলৰ ক্ৰিয়াক সম্পূৰ্ণ ৰূপে প্ৰশমিত কৰি এটা সীমিত আয়তনৰ ভিতৰত পদাৰ্থখিনিক সুস্থিৰ কৰি ৰাখে। এয়াই নক্ষত্ৰ এটাৰ জন্মৰ থূলমূল ধাৰণা।

এনেদৰে জন্ম প্ৰাপ্ত নক্ষত্ৰ এটাৰ কালচক্ৰত বিভিন্ন নিউক্লীয় তথা ভৌতিক ক্ৰিয়া-বিক্ৰিয়াৰ বাবে অৱস্থা বা দশাৰ পৰিৱৰ্তন হৈ থাকে। ভাৰতীয় বিজ্ঞানী সুব্ৰমণ্যম চন্দ্ৰশেখৰে তাত্বিকভাৱে দেখুৱাইছিল যে নক্ষত্ৰ এটাৰ ভৰৰ ওপৰত নিৰ্ভৰ কৰি ইয়াৰ শেষ পৰিণতি বেলেগ বেলেগ হয়। যেতিয়া নক্ষত্ৰ এটাৰ ভৰ ১.৪ গুণ সৌৰভৰ (Solar mass) তকৈ কম হয়, নক্ষত্ৰটো এটা সময়ত বগা পোহৰ বিকিৰণ কৰা বগা বাওনা (white dwarf)লৈ ৰূপান্তৰিত হৈ সৰ্বশেষত বিকিৰণহীন ক'লা বাওনা(black dwarf) হয়গৈ। ইয়াত ১.৪গুণ সৌৰভক চন্দ্ৰশেখৰ সীমা (Chandrasekhar limit) হিচাপে জনা যায়। আকৌ কোনো এক নক্ষত্ৰৰ ভৰ যদি ১.৪ গুন সৌৰভতকৈ বেছি তেনে নক্ষত্ৰৰ ক্ষেত্ৰত এক বিশেষ ধৰণৰ মহাজাগতিক বিস্ফোৰণ যাক চুপাৰ ন'ভা বিস্ফোৰণ (Super Nova Explosion) বুলি কোৱা হয়, তাৰ জৰিয়তে নক্ষত্ৰটোৰ অন্তৰ্ভাগ ক্ৰমে নিউট্ৰন নক্ষত্ৰ আৰু পিছত ব্লেকহ'ললৈ পৰ্য্যবসিত হয়। ইয়াৰ বহিৰ্ভাগ বিস্ফোৰণৰ ফলত মহাকাশত বিলীন হৈ নিহাৰীকাৰ সৃষ্টি কৰে। উল্লেখযোগ্য যে মুখ্য মহাজাগতিক ৰশ্মিৰ (Primary cosmic rays) মূল উৎস এনেকুৱা চুপাৰ ন'ভা বিস্ফোৰণেই! সহস্ৰ সূৰ্যতকৈও উজ্বল এই বিস্ফোৰণ কিন্তু আমাৰ বাবে তেনেই বিৰল মহাজাগতিক পৰিঘটনা।

এতিয়া আহোঁ আমাৰ বিষয়বস্তু ব্লেকহ'ললৈ। আমি আগতেই আলোচনা কৰি আহিছো যে, আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ মতে, মহাকৰ্ষণৰ উৎস হ'ল মহাকৰ্ষণ ক্ষেত্ৰ বা স্থান কালৰ বক্ৰতা।

আমি সচৰাচৰ যিবোৰ জ্যামিতিৰ চৰ্চা কৰোঁ সেই জ্যামিতিবোৰ সমতলীয় জ্যামিতি। এনে জ্যামিতিৰ নিয়মবোৰ বক্ৰতলৰ ক্ষেত্ৰত নাখাটে। বক্ৰতলীয় জ্যামিতিৰ নিয়মবোৰ স্থান কালৰ বক্ৰতাৰ ওপৰত নিৰ্ভৰ কৰে। আনহাতে আকৌ স্থান কালৰ বক্ৰতা নিৰ্ভৰ কৰে বক্ৰতা সৃষ্টি কৰা বস্তুটোৰ ভৰ তথা অন্য ধৰ্মৰ ওপৰত। আইনষ্টাইনে পদাৰ্থৰ বিতৰণ আৰু আন ধৰ্মৰ লগত চৌপাশৰ স্থান-কালৰ জ্যামিতিক প্ৰতিনিধিত্ব কৰা একশ্ৰেণীৰ নতুন সমীকৰণ আগবঢ়ায়; যাৰ সহায়ত বিভিন্ন ধৰ্মৰ পদাৰ্থৰ বাবে এই সমীকৰণ সমূহ সমাধান কৰি পদাৰ্থটোৰ চাৰিওফালৰ স্থান-কালৰ ধৰ্মৰ বিষয়ে জানিব পাৰি। ঠিক এই সম্পৰ্কটোকে গ্ৰহ নক্ষত্ৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰি বিভিন্ন গ্ৰহ নক্ষত্ৰই সৃষ্টি কৰা স্থান কালৰ জ্যামিতি আৰু মহাকৰ্ষণৰ কথা জানিব পাৰি।

এই সমীকৰণ কেইটাৰ, সম্পূৰ্ণ গোলাকাৰ বস্তুৰ ক্ষেত্ৰত সমাধান প্ৰথম বাৰৰ কাৰণে আগবঢ়ায় ১৯১৫ চনত বিখ্যাত জাৰ্মান জ্যোতিৰ্বিজ্ঞানী কাৰ্ল ছোৱাৰ্জচাইল্ডে (Karl Schwarzchild) ছোৱাৰ্জচাইল্ডৰ সমাধানটোৰ পৰা দেখা যায় যে, মহাকৰ্ষণ ক্ৰিয়াৰ ফলত সংকুচিত হৈ গৈ থকা নক্ষত্ৰ এটাৰ মহাকৰ্ষণ ক্ষেত্ৰৰ প্ৰাবল্যও বাঢ়ি যায় আৰু এক নিৰ্দিষ্ট ব্যাসাৰ্ধতকৈও যদি নক্ষত্ৰটোৰ ব্যাসাৰ্ধ কমি যায় তেন্তে নক্ষত্ৰটো এটা ব্লেকহ'ললৈ ৰূপান্তৰিত হ'ব। ছোৱাৰ্জ চাইল্ডৰ সমাধানৰ পৰা পোৱা এই নিৰ্দিষ্ট ব্যাৰ্সাধটোৰ মান এটা সমীকৰণৰ সহায়ত প্ৰকাশ কৰিব পাৰি। সমীকৰণটো হ'ল–

$$R_s = \frac{2GM}{c^2}$$

সমীকৰণটোত M হ'ল নক্ষত্ৰটোৰ ভৰ, G হ'ল নিউটনৰ মহাকৰ্ষণিক ধ্ৰুবক, C শূণ্যত পোহৰৰ বেগ আৰু Rs হ'ল উক্ত ব্যাসাৰ্ধৰ মান। এই ব্যাসাৰ্ধক ছোৱাৰ্জচাইল্ড ব্যাসাৰ্ধ আৰু এনে ধৰণৰ ব্লেকহ'লক ছোৱাৰ্জচাইল্ড ব্লেকহ'ল বোলে।

ছোৱাৰ্জচাইল্ডৰ ব্যাসাৰ্ধ পোৱাৰ লগে লগে যথেষ্ট পৰিমাণে ভৰযুক্ত নক্ষত্ৰ এটাৰ পলায়ন বেগ শূণ্যত পোহৰৰ বেগৰ সমান হয়গৈ এনে হোৱাৰ কাৰণ হ'ল ভৰ (M) বাঢ়ি যোৱাৰ লগে লগে আৰু ব্যাসাৰ্ধ (R) ক্ৰমে কমি যোৱাৰ লগে লগে ($\frac{M}{R}$) অনুপাতৰ মানো বাঢ়ি

যায়। ফলত নক্ষত্রটোৰ পলায়ন বেগো বাঢ়ি যায়। যিহেতু বস্তু এটাৰ পলায়ন বেগ ( $\frac{M}{R}$ ) ৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু, যেতিয়া ব্যাসাৰ্ধ (R) ছোৱাৰ্জচাইল্ড ব্যাসাৰ্ধ (Rs) তকৈ কম হয় তেতিয়া পলায়ন বেগৰ মান শূণ্যত পোহৰৰ বেগতকৈ বেছি হ'ব আৰু ফলত নক্ষত্ৰটোৰ পৰা কোনো ভৰযুক্ত কণাই হওক বা ভৰহীন ফ'টন কণাই হওক কোনো তৰংগ বা পদাৰ্থকণাই নক্ষত্ৰটোৰ পৰা বাহিৰ ওলাই আহিব নোৱাৰে। কিয়নো, আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদ তত্বৰ মতে সাম্ভাব্য বেগৰ উচ্চতম সীমা হ'ল শূন্যত পোহৰৰ বেগ। ফলত দূৰৰ এজন নিৰীক্ষকৰ বাবে নক্ষত্ৰটো সম্পূৰ্ণ অদৃশ্য হৈ পৰিব আৰু তাত্বিক ভাৱে নক্ষত্ৰটো এক কৃষ্ণ গহ্বৰ বা ব্লেকহ'লত পৰিনত হ'ব।

— (কিয়নো কোনো বস্তুৰ পৰা প্ৰতিফলিত হোৱা বা বিকিৰিত হোৱা পোহৰ দেখা মানেই বস্তুটো দেখা।)

ব্লেকহ'ল এটা সৃষ্টিৰ পাছত ছোৱাৰ্জচাইল্ড ব্যাসাৰ্ধৰ ভিতৰত ঘটা কোনো ঘটনাই বাহিৰৰ পৰা দৃষ্টিগোচৰ নহয়। এনে অৱস্থাত ব্লেকহ'ল এটাত দিগন্ত বা হৰাইজন সৃষ্টি হোৱা বুলি কোৱা হয়। এই দিগন্তক কাৰ্যকৰী দিগন্ত বা ইভেন্ট হৰাইজন (Event Horizon)বোলা হয়। ব্লেকহ'লৰ প্ৰচণ্ড মহাকৰ্ষণে যেতিয়া ব্লেকহ'লৰ কাষেৰে পাৰ হৈ যোৱা পোহৰ বা অন্যান্য বিকিৰণক আৰ্কষণ কৰে তেতিয়া উক্ত বিকিৰণ ইভেন্ট হৰাইজন পাৰহৈ ব্লেকহ'ললৈ এবাৰ সোমাই গ'লে পুনৰ ইভেন্ট হৰাইজন পাৰ হৈ ওলাই আহিব নোৱাৰে। সেইবাবে বহুতে ব্লেকহ'লক মহাকাশৰ দৈত্য বুলিও আখ্যা দিয়ে। চিত্ৰ (১)ত সময়ৰ অগ্ৰগতিৰ লগে লগে ব্লেকহ'ল এটাৰ সৃষ্টিৰ সময়ত সৃষ্টি হোৱা ইভেন্ট হৰাইজন আৰু ইয়াৰ তাৰকাটোৰ পৰা বিকিৰিত পোহৰৰ ওপৰত প্ৰভাৱ দেখুওৱা হৈছে।

ব্লেক হ'ল সৃষ্টিৰ ৰহস্যৰ আধামেলা দুৱাৰেৰে অনুসন্ধিৎসু তথা সংবেদনশীল বিজ্ঞানীবোৰৰ এক কাণেৰে নুশুনা চকুৰে নেদেখা জগতত প্ৰৱেশৰ পাৰপত্ৰৰ অনুসন্ধান আৰম্ভ হয়। ফল স্বৰূপে ব্লেকহ'ল সম্পৰ্কীয় কেইবাটাও নতুন ধাৰণাৰ সৃষ্টি হয়।

ছোৱাৰ্জচাইল্ডৰ সমাধানত মহাকৰ্ষণৰ উৎস হিচাপে লোৱা নক্ষত্ৰ এটাৰ ভৰ বিতৰণ (Mass distribution) গোলকীয় আৰু সময় সাপেক্ষে স্থিৰ বুলি ধৰা হৈছিল। কিন্তু প্ৰকৃতিৰ কোনো বস্তুৰেই সম্পূৰ্ণ গোলাকাৰ নহয় বা সময়ৰ লগত স্থিৰ হৈও নাথাকে। তাৰোপৰি নক্ষত্ৰ এটাৰ বৈদুৎতিক আধান, চুম্বকক্ষেত্ৰ, কৌণিক ভৰবেগ আদি বিভিন্ন ধৰ্মও থাকে। এনে ক্ষেত্ৰত আইনষ্টাইনৰ সমীকৰণ কেইটাৰ সমাধানো বেলেগ আৰু জটিল হয়। ই ছোৱাৰ্জচাইল্ডৰ সমাধানতকৈ বেলেগ, কিন্তু বৈজ্ঞানিক দৃষ্টিভঙ্গীত বেছি যথাযথ হ'বগৈ।

জটিল যদিও এই সমীকৰণ কেইটাৰ সমাধান বিভিন্ন সময়ত বিভিন্ন বিজ্ঞানীয়ে আগবঢ়ায়। ১৯১৬ চনত এইছ. ৰেইজনাৰ আৰু ১৯১৮ চনত জি. নৰ্ডষ্ট্ৰম নামৰ দুজন পদাৰ্থ বিজ্ঞানীয়ে বেলেগে বেলেগে ভৰ আৰু বৈদুৎতিক আধান বিশিষ্ট গোলাকাৰ বস্তুৰ বাবে আইষ্টাইনৰ সমীকৰণ কেইটাৰ সমাধান আগবঢ়ায়। ইয়াৰ পিছত ১৯৬৩ চনত নিউজিলেণ্ডৰ বিজ্ঞানী ৰয় কাৰে (Roy Kerr) ঘূৰ্ণীয়মান কৌণিক ভৰবেগ যুক্ত গোলাকাৰ বস্তুৰ বাবে আইষ্টাইনৰ সমীকৰণ কেইটাৰ সমাধান আগবঢ়ায়। ১৯৬৫ চনত এজন গণিতজ্ঞ নিউমেনে বৈদ্যুতিক আধানযুক্ত ঘূৰ্ণীয়মান গোলাকাৰ বস্তুৰ বাবে আইনষ্টাইনৰ সমীকৰণ কেইটাৰ সমাধান আগবঢ়ায়। ইতিমধ্যে উল্লেখ কৰা প্ৰতিটো সমাধানত ইভেন্ট হৰাইজনৰ ব্যাসাৰ্ধৰ মান বেলেগে বেলেগে নিৰ্ণয় কৰা হৈছিল। নিউমেনে আগবঢ়োৱা উক্ত সমাধানৰ পৰা পোৱা ব্লেকহ'লক 'কাৰনিউমেন - ব্লেকহ'ল' বোলা হয়। কাৰ-নিউমেন ব্লেকহ'লৰ ভৰ, বৈদ্যুতিক আধান আৰু কৌণিক ভৰবেগ এই তিনিওটা বৈশিষ্ট্য থাকে।

বিজ্ঞানী সকলে তাত্বিকভাৱে দেখুৱাবলৈ সক্ষম হৈছে যে নক্ষত্ৰ এটা ব্লেকহ'ললৈ ৰূপান্তৰিত হোৱাৰ পাছত ই সম্পূৰ্ণ গোলাকাৰ হয় আৰু ইয়াৰ পূৰ্বৰ প্ৰায় বিলাক ধৰ্ম নাইকীয়া হৈ কেৱল মাত্ৰ ভৰ, বৈদ্যুতিক আধান আৰু কৌণিক ভৰবেগহে থাকেগৈ। এই খিনিতে প্ৰশ্ন হয় যে, ব্লেকহ'লটো গোলাকাৰ হ'বলৈ হ'লে ইয়াৰ অসমভাৱে বিয়পি থকা ভৰখিনিৰ আৰু ধৰ্মবোৰৰ কি হয়? আচলতে ব্লেকহ'লৰ পৰা এক বিশেষ প্ৰক্ৰিয়াৰে শক্তি বিকিৰিত হ'ব পাৰে তথা পৰিত্যাজ্য ধৰ্মৰ লোপ পাব পাৰে।

এই বিষয়ৰ গৱেষণাত বিশেষ অৱদান আগবঢ়ায় জনহুইলাৰ, ব্ৰাৰ্নৰ ইজৰাইল, জেলড'ভিৎস, নবিকও, ৰ'জাৰ পেনৰ'জ, ষ্টিফেন হকিং আদি বিখ্যাত জ্যোতি পদাৰ্থ বিজ্ঞানী (Astrophysicist) সকলে। বিজ্ঞানী ৰ'জাৰ পেনৰ'জে দেখুৱাই যে, ইভেন্ট হৰাইজনৰ চাৰিওফালে স্থৈতিক সীমা (static limit) নামৰ এটা সীমা থাকে। ইভেন হৰাইজন আৰু স্থৈতিক সীমাৰ মাজৰ এই অঞ্চলটোক আৰ্গ'স্ফিয়েৰ (Ergosphere) বোলে। ব্লেকহ'লৰ পৰা কোনো বস্তু ওলাই আহিব নোৱাৰে যদিও আৰ্গস্ফিয়েৰৰ পৰা এক বিশেষ প্ৰক্ৰিয়াৰে আন কোনো বস্তুৰ (আধাৰ) সহায় লৈ আগতে উল্লেখ কৰা অতিৰিক্ত ধৰ্ম সমূহ ব্লেকহ'লটোৰ পৰা হেৰুৱাব পাৰে। এই প্ৰক্ৰিয়াটোক পেনৰ'জ প্ৰক্ৰিয়া বোলে।

ষাঠিৰ দশকৰ শেষৰ পৰা সত্তৰৰ দশকৰ মাজ ভাগলৈ ব্লেকহ'লৰ ধৰ্ম সম্পৰ্কে আধুনিক বিজ্ঞানে কেইটামান সূত্ৰ আৱিষ্কাৰ কৰে। এই বিষয়ত বিশেষ অবদান আগবঢ়োৱা বিজ্ঞানী সকল হ'ল- ষ্টিফেন হকিং, ৰ'জাৰ পেনৰ'জ, মাৰ্টিন ব্ৰাৰ্ডন, ডেভিড বেকেষ্টাইন আদি। ব্লেকহ'লৰ সূত্ৰ কেইটা ঠিক তাপ গতি বিজ্ঞানৰ সূত্ৰ সমূহৰ দৰেই। ঠাইৰ অভাৱত এই প্ৰৱন্ধত উক্ত সূত্ৰ কেইটাৰ উল্লেখ কৰিব পৰা নগ'ল।

নক্ষত্ৰ এটা সংকুচিত হৈ ব্লেকহ'ল হোৱাৰ পিছত ইয়াৰ শেষ পৰিনতি কি হয়গৈ এই বিষয়ে ইভেন্ট হৰাইজনৰ বাহিৰত থকা এজন নিৰীক্ষকৰ বাবে জনা অসম্ভৱ। কিয়নো ইভেন্ট হৰাইজন সৃষ্টি হোৱাৰ লগে লগে মহাকাশৰ বুকুৰ পৰা নক্ষত্ৰটো ব্লেকহ'ল ৰূপে অদৃশ্য হৈ যায়। কাৰণ নিৰীক্ষক জনে ইভেন্ট হৰাইজন পাৰ হৈ অহা কোনো সংকেত ব্লেকহ'লৰ পৰা নাপায়। আনহাতে ইভেন্ট হৰাইজনৰ ভিতৰলৈ হৈ ব্লেকহ'লটোৰ পোনপতীয়াকৈ নিৰিক্ষণ কৰাৰ ধাৰণাটোও কাল্পনিক।

যদিও ইভেন্ট হ'ৰাইজনৰ ভিতৰত ব্লেকহ'ল এটাৰ শেষ পৰিণতি দেখা সম্ভৱ নহয়, তথাপি বিজ্ঞানী সকলে পদাৰ্থ বিজ্ঞানৰ প্ৰচলিত সূত্ৰবোৰৰ দ্বাৰা নিৰূপণ কৰিছে যে, ব্লেকহ'ল সৃষ্টি হোৱাৰ পাছত গোটেই তাৰকাটোৰ সমস্ত পদাৰ্থখিনি অৱশেষত গৈ অসীম ঘনত্বৰ এটা বিন্দুৰ মাজত আবদ্ধ হ'বগৈ। ইয়াক বিজ্ঞানৰ ভাষাত একলীয়তা (Singularity) বোলে। কিন্তু এই একলীয়তাত বৰ্তমান প্ৰচলিত বিজ্ঞানৰ সূত্ৰ সমূহ অচল হৈ পৰে। বিজ্ঞানী ষ্টিফেন হকিং আৰু ৰ'জাৰ পেনৰ'জে

ষাঠিৰ দশকৰ মাজ ভাগত কৰা অধ্যয়নৰ পৰা উক্ত একলীয়তা ব্লেকহ'লৰ অৱশ্যম্ভাৱী পৰিণতি বুলি ন দি কয়। তাৰোপৰি ব্লেকহ'লৰ ভিতৰত এজন নিৰীক্ষক থকা বুলি ধৰিলে তেওঁৰ বাবে এই একলীয়তা নিৰীক্ষণ কৰা সম্ভৱ হ'ব। প্ৰকৃতাৰ্থত ব্লেকহ'লৰ বাহিৰৰ পৰা ইভেন্ট হৰাইজনৰ বাবে এই ঘটনাটো দেখা পোৱা নাযায় বাবে এই পৰিঘটনাটোক সাধাৰণ ভাৱে পেনৰ'জৰ কস্মিক চেঞ্চৰছিপ (Cosmic censorship) বোলা হয়। আনহাতে ইভেন্ট হৰাইজন সৃষ্টি নোহোৱাকৈয়ে নক্ষত্ৰ এটাই এনে একলীয়তা লাভ কৰিব পাৰে। তেতিয়া এনে একলীয় তাক নগ্ন একলীয়ত (Naked Singularity) বোলা হয়।

আমি এতিয়ালৈকে ব্লেকহ'লৰ বিষয়ে যিখিনি তথ্য উল্লেখ কৰিলো সেয়া সম্পূৰ্ণ তাত্বিক। যিহেতু ব্লেকহ'লে অন্য নক্ষত্ৰৰ দৰে কোনো তৰংগ বা কনিকা বিকিৰণ নকৰা; গতিকে প্ৰচলিত বৈজ্ঞানিক পদ্ধতিৰে ব্লেকহ'ল এটা পোনপতীয়াকৈ নিৰীক্ষন কৰি ইয়াৰ অস্তিত্ব প্ৰমাণ কৰা অসম্ভৱ। সেইবাবেই হয়তো ষ্টিফেন হকিঙে "A Brief History of Time" নামৰ বিখ্যাত পুথিখনত লিখিছে - " It might seem a bit like looking for a black cat in a coal cellar"

যদিও প্ৰত্যক্ষ ভাৱে ব্লেকহ'ল এটা নিৰীক্ষণ কৰা অসম্ভৱ তথাপি পৰোক্ষ ভাৱে ইয়াৰ অস্তিত্ব প্ৰমাণ কৰা অসম্ভৱ নহয়। এই ক্ষেত্ৰত আমাৰ দুটা প্ৰধান সহায় হ'ল মহাকৰ্ষণ ক্ষেত্ৰ আৰু এক্স ৰশ্মি বা ৰঞ্জন ৰশ্মি।

আমি আগতেই পাই আহিছো যে, ব্লেকহ'ল হ'ল এক প্ৰৱল মহাকৰ্ষণ শক্তিৰ উৎস। এই মহাকৰ্ষণে ওচৰৰ গ্ৰহ নক্ষত্ৰৰ গতিবিধিক প্ৰভাৱিত কৰে। এই ধৰ্মৰ সহায় লৈ আমি এটা ব্লেকহ'লৰ অস্তিত্ব উপলব্ধি কৰিব পাৰো। কেতিয়াবা কেতিয়াবা আমি নিৰীক্ষণ কৰি থকা এটা নক্ষত্ৰৰ গতিবিধিক বৰ্ণনা কৰিবলৈ এক প্ৰৱল মহাকৰ্ষণৰ অস্তিত্বক উপস্থাপন কৰিব লগীয়া হয়। এই মহাকৰ্ষণ ওচৰতে থকা কোনো প্ৰৱল মহাকৰ্ষণৰ উৎসৰ পৰা সৃষ্টি হৈছে বুলি ধৰি লোৱা হয়। আৰু এই মহাকৰ্ষণৰ প্ৰৱল উৎসই হ'ল ব্লেকহ'ল। তেতিয়া এই মহাকৰ্ষণে নক্ষত্ৰৰ অধ্যয়নৰ সহায়ত ইয়াৰ সম্ভাব্য উৎস, ওচৰতে থকা ব্লেকহ'লটোৰ অস্তিত্ব আৰু অৱস্থান নিৰ্ণয় কৰা হয়।

ব্লেকহ'লৰ অস্তিত্ব ধৰা পেলোৱাত সহায় কৰা অন্য প্ৰক্ৰিয়াটো হ'ল ব্লেকহ'লৰ কাষত সৃষ্টি হোৱা এক্স ৰশ্মিৰ বিকিৰণ ।

জ্যোতি বিজ্ঞানী সকলে নিৰীক্ষণৰ সহায়ত ধৰা পেলাইছে যে, বিশ্বব্ৰহ্মাণ্ডৰ অধিকাংশ তাৰকাই হৈছে যুৰীয়া। যুৰীয়া বা যুগ্ম তাৰকাৰ ক্ষেত্ৰত তৰা দুটাই সিহঁতৰ মহাকৰ্ষণ বলৰ ক্ৰিয়াত এক উমৈহতীয়া ভাৰকেন্দ্ৰৰ চাৰিও ফালে ঘূৰি থাকে। এনে যুগ্ম তাৰকাৰ ক্ষেত্ৰত তৰা দুটাৰ এটা সাধাৰণ তৰা আৰু আনটো নিউট্ৰন তৰা বা এটা সাধাৰণ তৰা আৰু আনটো ব্লেকহ'ল বা দুয়োটাই সাধাৰণ তৰা হ'ব পাৰে। এতিয়া এনে ধৰণৰ যুগ্ম তৰাৰ এটা সাধাৰণ তৰা আৰু আনটো ব্লেকহ'ল হ'লে সাধাৰণ তৰাটোৰ পৰা ব্লেকহ'ললৈ প্ৰৱল মহাকৰ্ষণৰ ফলত পদাৰ্থৰ সোঁত বৰলৈ ধৰে। এই পদাৰ্থৰ সোঁত যেতিয়া ব্লেকহ'লটোলৈ বয় তেতিয়া এই সোঁতে এক সৰ্পিল আকাৰ লৈ গতি কৰে আৰু ব্লেকহ'লটোৰ চাৰিওফালে এক্ৰিচন ডিস্ক (Accretion Disc) নামৰ এখন পৃষ্ঠৰ সৃষ্টি কৰে। ব্লেকহ'লৰ অতি উচ্চ মহাকৰ্ষণ শক্তিৰ বাবে এই এক্ৰিচন ডিস্ক খনৰ উষ্ণতা যথেষ্ট পৰিমাণে বাঢ়ি যায় আৰু এই উষ্ণতাত ডিস্কখনে এক্স ৰশ্মি বিকৰণ কৰে। তেতিয়া এই ব্লেকহ'লৰ কাষত সৃষ্টি হোৱা উচ্চ শক্তি সম্পন্ন এক্স ৰশ্মিবোৰৰ শক্তিৰ অধ্যয়ন কৰি ব্লেকহ'লটোৰ অৱস্থিতি, ভৰ আৰু অন্যান্য ধৰ্ম নিৰ্দ্ধাৰণ কৰিব পাৰি।

যুগ্ম তাৰকাত থকা ব্লেকহ'লৰ উপৰিও জ্যোতি পদাৰ্থবিদ সকলে তাৰকা ৰাজ্য একোখনৰ কেন্দ্ৰত থাকি ইয়াৰ বিৱৰ্তনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পৰা আন এবিধ ব্লেকহ'লৰ সম্ভাৱনীয়তাৰ কথা প্ৰকাশ কৰিছে। জ্যোতি পদাৰ্থবিদ সকলে এনে ব্লেকহ'লক AGN অৰ্থাৎ Active Gallectic Nuclei বুলি অভিহিত কৰিছে। তাৰকা ৰাজ্যৰ কেন্দ্ৰত থকা এইবিধ ব্লেকহ'লৰ পৰাও এক্স ৰশ্মি বিকিৰিত হয়। কিন্তু এনে ব্লেকহ'লৰ ভৰ যুগ্ম তৰাৰ ব্লেকহ'লতকৈ সহস্ৰ গুণে বেছি বাবে এনে ব্লেকহ'লে বিকিৰণ কৰা এক্স ৰশ্মিৰ শক্তি তথা পৰিমাণো অতি বেছি।

গতিকে দেখা গ'ল যে, ব্লেকহ'লৰ অস্তিত্ব প্ৰমাণৰ বাবে মহাকাশত এক্স ৰশ্মিৰ উৎস সন্ধান কৰিব লাগিব। কিন্তু এই সন্ধান কৰা যাব কেনেকৈ? কিয়নো মহাকাশৰ পৰা অহা সকলো এক্সৰশ্মি পৃথিৱীৰ বায়ুমণ্ডলত শোষিত হয় আৰু ফলস্বৰূপে উক্ত এক্স ৰশ্মি ভূ-পৃষ্ঠত থাকি অধ্যয়ন কৰা সম্ভৱ নহয়। এই সমস্যাৰ একমাত্ৰ সমাধান হ'ল পৃথিৱীৰ বায়ুমণ্ডলৰ ওপৰত এক্স ৰশ্মিৰ উৎস ধৰা পেলাব পৰা যন্ত্ৰ স্থাপন কৰা। সেই উদ্দেশ্যে ষাঠিৰ দশকৰ মাজ ভাগৰ পৰা বেলুন, ৰকেট, কৃত্ৰিম উপগ্ৰহ আদিৰ সহায়েৰে এক্স ৰশ্মি ধৰা পেলাই ভূ-পৃষ্ঠত তাৰ সংকেত সংগ্ৰহ কৰাৰ চেষ্টা চলিল। এনে বাহনত থকা যন্ত্ৰৰ কাৰ্য-কুশলতাই আইনষ্টাইনৰ আপেক্ষিকতাবাদকে তাত্বিক ভাৱে প্ৰতিপন্ন কৰে। নিউট্ৰন নক্ষত্ৰ হোৱাইট ডাৰ্ফ আদি বিশেষ শ্ৰেণীৰ নক্ষত্ৰৰ অস্তিত্ব প্ৰমাণত অৰিহনা যোগালে।

এনে যন্ত্ৰই ধৰা পেলোৱা সকলো এক্স ৰশ্মিয়েই যে ব্লেকহ'লৰ কাষৰ পৰা বিকিৰিত হোৱা, এনে নহয়। গতিকে ব্লেকহ'লৰ অস্তিত্ব সম্বন্ধে নিশ্চিত হ'বলৈ এক্স ৰশ্মিৰ উৎসবোৰ সাৱধানতাৰে আৰু অধিক গভীৰ ভাৱে নিৰীক্ষণ কৰিব লগা হ'ল।

সেই উদ্দেশ্যে আমেৰিকাৰ মহাকাশ সংস্থা নাছাই (NASA) বিখ্যাত জ্যোতিৰ্বিদ ৰিকাৰ্ড গিয়াকনিৰ সহযোগত এক্সপ্ল'ৰাৰ- ৪২ উপগ্ৰহটোক, যাক উহুৰু (Uhuru) নামেৰে জনা যায়; কেৱল এক্স ৰশ্মি অধ্যয়নৰ বাবে ১৯৭০ চনৰ ১২ ডিচেম্বৰত মহাকাশলৈ প্ৰেৰণ কৰে। উহুৰুৱে তিনি বছৰ জুৰি বহু মহামূল্যৱান তথ্য পৃথিৱীলৈ পঠায়। উহুৰুৰ তথ্যৰ বিশ্লেষণৰ পৰা হাতীপটিত থকা যুগ্ম তৰাবোৰত ব্লেক হ'লৰ উপস্থিতিৰ প্ৰৱল সম্ভাৱনাৰ কথা ধৰা পৰে। উহুৰুৰ সহায়ত হাৰ্কিউলিজ তাৰকা মণ্ডলত থকা যুগ্ম তৰাৰ এটা Her x--1 আৰু চেন্ট'ৰাজ তাৰকা মণ্ডলত থকা যুগ্ম তৰাৰ এটা Cen x--3 ক এক্স-ৰশ্মিৰ উৎস হিচাপে চিনাক্ত কৰা হৈছে। তাৰোপৰি উহুৰুৰ সহায়ত চিনাক্ত কৰা ছিগনাছ তাৰকা মণ্ডলত ছিগনাছ এক্স ওৱান (Cygnus x - 1) নামৰ এক্স ৰশ্মি বিকিৰণ কৰা তাৰকাটোৰ অতিপাত ভৰলৈ লক্ষ্য কৰি জ্যোতি বিজ্ঞানী সকলে তাত এটা ব্লেকহ'ল আছে বুলি সন্দেহ প্ৰকট কৰিছে।

উহুৰুৰ উপৰিও এক্স ৰশ্মি অধ্যয়ন কৰি ব্লেকহ'লৰ অস্তিত্ব প্ৰমাণৰ বাবে নেডাৰলেণ্ডৰ ANS, আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিমান বাহিনীৰ

ভেলা, ইংলেণ্ডৰ বৃটিছ এৰিয়েল V, ৰুচিয়াৰ ছেলিউট -৪ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ কপার্নিকাছ, এই উপগ্ৰহ কেইটা ব্যৱহাৰ কৰা হৈছে।

এই ক্ষেত্ৰত ভাৰতো পিছ পৰি থকা নাই। ভাৰতৰ প্ৰথম কৃত্ৰিম উপগ্ৰহ আৰ্যভট্ট (১৯৭০) উপগ্ৰহতো এক্স ৰশ্মিৰ পৰ্যবেক্ষনৰ বাবে দুটা দূৰবীণ আছিল। যদিও এই পৰ্যবেক্ষণৰ কাৰণে মাত্ৰ পাঁচ দিনৰহে শক্তি যোগান ধৰা হৈছিল, তথাপি এই কম দিনৰ ভিতৰতে এই পৰীক্ষালানিয়ে হাতীপটিৰ কেন্দ্ৰত থকা এক্স ৰশ্মিৰ উৎসৰ সন্ধান দিছিল। ইয়াৰ পাছত টাটা ইনছ্টিটিউট অব্ ফাণ্ডামেন্টেল ৰিৰ্ছ্চৰ পৰাও বেলুনেৰে এক্স ৰশ্মিৰ উৎসৰ বিষয়ে অধ্যয়ন কৰা হৈছিল।

১৯৭৯ চনৰ পাছত এটা বিস্তৃত লক্ষ্য নিবদ্ধ ৰাখিব পৰা এবিধ বিশেষ আহিলা- আইনষ্টাইন পৰ্যবেক্ষণাগাৰত সন্নিবিষ্ট কৰা হয়। (১৯৭৮ চনলৈ এক্স ৰশ্মিৰ অধ্যয়নৰ বাবে আকাশলৈ পঠোৱা আহিলাবোৰ আছিল স্কেনিং শ্ৰেণীৰ ; অৰ্থাৎ আকাশখনত এমূৰৰ পৰা সিমূৰলৈ উৎসৰ সন্ধান কৰা।)

তাৰোপৰি ইউৰোপ, আমেৰিকা, জাপান আদি দেশ সমূহে পঠিওৱা SAS - 3, Hakucho আদি উপগ্ৰহে ৫০০ৰো অধিক এক্স ৰশ্মিৰ উৎস ধৰা পেলাইছে, বিজ্ঞানী সকলে এই সকলো উৎসৰ ভিতৰত ছিগনাছ এক্স ওৱান (Cygnus x-1) নামৰ উৎসটো কিছু ব্যতিক্ৰম ধৰ্মী। এই উৎসৰ সূক্ষ্ম অধ্যয়নৰ দ্বাৰা ইয়াক HDE 226868 নামৰ তাৰকা এটাৰ যুগ্ম তৰা বুলি ঠাৱৰ কৰিছে। এই তাৰকাটোৰ বিশাল ভৰ আৰু পৰিভ্ৰমণ কাল চাই অধিকাংশ বিজ্ঞানীয়ে ইয়াক এটা ব্লেকহ'ল বুলি অভিহিত কৰিছে। ইয়াৰ নামাকৰণ কৰা হৈছে CyG- x-1 । ইয়াৰ পিছত সময়ে সময়ে বিজ্ঞানী সকলে কেইবাটাও ব্লেকহ'লৰ অস্তিত্ব ধৰা পেলাইছে।

এই বোৰৰ ভিতৰত কেৰ'ট'লে'লো ইন্টাৰনেছনেল অবজাৰভেটৰিয়ে (Cerro Tololo International Observatory) ঘোষণা কৰা, বৃহৎ মেগালানিক ডাৱৰ (Large Magelanic Cloud) নামৰ তাৰকা ৰাজ্যত অৱস্থিত 2MC - x -3, ১৯৮৬ চনত আৱিষ্কৃত হোৱা AO620.00, LMC - x-1, SS - 433 আদি ব্লেকহ'লেই প্ৰধান।

১৯৮৩ চনত কেলটেকৰ (Caltech-California Institute of Technology) জ্যোতি পদাৰ্থ বিজ্ঞানী সকলে আমাৰ হাতীপতীৰ কেন্দ্ৰত থকা এক্স ৰশ্মিৰ উৎসটোক এটা বৃহৎ ভৰৰ ব্লেকহ'ল বুলি সন্দেহ কৰিছে। ইয়াৰ ভৰ সূৰ্য্যৰ ভৰৰ তিনি লাখ গুণ। ই Sg-A-West (Sagittarius A West) নামৰ হাতীপটিৰ অংশটোত আছে বুলি ধাৰণা কৰা হৈছে। ইয়াৰোপৰি আমাৰ হাতীপটিৰ কাষৰ M-87 তাৰকা ৰাজ্যৰ কেন্দ্ৰত থকা এক্স ৰশ্মিৰ উৎসটো আৰু ছেৰ্ফাট তাৰকাৰাজ্য সমষ্টিৰ (Seyfert Galoesiss) NGC 4151 নামৰ তাৰকা ৰাজ্যৰ কেন্দ্ৰত থকা এক্স ৰশ্মিৰ উৎসটো যথেষ্ট বেছি ভৰৰ একোটা ব্লেকহ'ল বুলি ঠাৱৰ কৰিছে।

অতি সাম্প্ৰতিক ধাৰণা মতে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰায় দিগন্তত থকা অকল্পনীয় শক্তি আৰু পোহৰ বিকিৰণ কৰা কোৱাজাৰ (Quasar-Quasi - Stellar radio sources) নামৰ জ্যোতিষ্কবোৰ হ'ল তাৰকা ৰাজ্য সৃষ্টিৰ প্ৰাৰম্ভিক অৱস্থা যাৰ অধ্যয়নে বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিৰ ৰহস্যৰ আৱৰণ খুলি পেলাব বুলি বিজ্ঞানী সকলে বিশ্বাস কৰে; তেনে কোৱাজাৰ বোৰৰ কাৰ্য কলাপও ব্লেকহ'লৰ দ্বাৰাই নিয়ন্ত্ৰিত বুলি ভবা হয়।

যদিওবা ব্লেকহ'লৰ অস্তিত্ব সম্পৰ্কে ইমানবোৰ তথ্য আৱিষ্কৃত হৈছে তথাপিও ব্লেকহ'লৰ উপস্থিতিৰ সম্পৰ্কে বৰ্তমান পৰ্যন্ত সন্দেহাতীত ভাবে ক'ব পৰা হোৱা নাই। সেইবাবেই বহু বিজ্ঞানীৰ মনৰ পৰা ব্লেকহ'লৰ উপস্থিতিৰ সন্দেহৰ ডাৱৰ এতিয়াও আঁতৰা নাই। কিয়নো ব্লেকহ'লৰ অস্তিত্ব প্ৰমাণত স্থান -কালৰ স্বাভাৱিক অৱস্থাত প্ৰযোজ্য হোৱা পদাৰ্থ বিজ্ঞানৰ সূত্ৰ সমূহহে প্ৰয়োগ কৰা হয়। কিন্তু আমি জানো যে, ব্লেকহ'লৰ ধাৰণাত স্থান কালক এক অস্বাভাবিক ৰূপত কল্পনা কৰা হয়। স্থান - কালৰ এনে অস্বাভাবিক অৱস্থা ব্লেকহ'লৰ অস্তিত্ব প্ৰমাণত সহায় কৰা মহাকৰ্ষণ আৰু এক্স ৰশ্মি বিকিৰণৰ প্ৰচলিত ধাৰণা সমূহ কিমান কাৰ্যকৰী সি সন্দেহজনক।

তথাপিতো আজিৰ বিশ্বত ব্লেকহ'লৰ অস্তিত্ব প্ৰমাণৰ বাবে তাত্বিক আৰু পৰীক্ষা মুলক এই দুই ধৰণেই চেষ্টা চলিছে। তাত্বিক ভাৱে প্ৰমাণ কৰিবলৈ ষ্টিফেন হকিঙৰ দৰে বিজ্ঞানী সকলে উঠিপৰি লাগিছে। আনহাতে নিৰীক্ষণ ভিত্তিক প্ৰমাণৰ বাবেও বিভিন্ন দেশে চেষ্টা চলাইছে। ভাৰতীয় জ্যোতি-পদাৰ্থ বিজ্ঞানী সুব্ৰমান্যম চন্দ্ৰশেখৰৰ নামেৰেই নামাকৰণ কৰি এক মহাকাশ টেলিস্ক'প (Space Telescope) আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাছাই (NASA) এক্স ৰশ্মি তথা অন্যান্য অধ্যয়নৰ বাবে মহাকাশত স্থাপন কৰিছে। যাৰ নাম হৈছে "চন্দ্ৰ"।

তথাপিতো, এষাৰ কথা আছে, "দেখিলেহে লেখিম"। যেতিয়া লৈকে ব্লেকহ'ল এটাক কিবা উপায়েৰে প্ৰত্যক্ষ ভাবে নিৰীক্ষণ কৰা নহয় বা প্ৰত্যক্ষ কোনো প্ৰমাণ পোৱা নাযায় তেতিয়ালৈকে হয়তো ব্লেকহ'ল বিশ্ব ব্ৰহ্মাণ্ডৰ অন্যতম ৰহস্যবোৰৰ এটা হৈয়েই থাকিব।

প্ৰসংগ পুথি ঃ (১) A Brief History of Time- from Big Bang to Black Holes, by :- *Stephen Hawking*

(২) অনন্ত কোটি ব্ৰহ্মাণ্ড
ড° পবিত্ৰ বৰগোহাঞি

(৩) Space Today, by :- *by Mohon Sundar Rajon*

*(লেখক উঃ মাঃ প্ৰথম বৰ্ষ বিজ্ঞান শাখাৰ ছাত্ৰ)*

# উত্তৰ- পূৰ্বাঞ্চলৰ বিচ্ছিন্নতাবাদী আন্দোলন

*- মুকুট শৰ্মা*

উত্তৰ পূৰ্বাঞ্চলৰ বিচ্ছিন্নতাবাদী আন্দোলন সমূহৰ সৃষ্টিৰ মূল কাৰণসমূহ বিশ্লেষণ কৰিবলৈ যোৱাৰ আগতে এই বিশেষ অঞ্চলৰ জাতি গঠন প্ৰক্ৰিয়া আৰু ইয়াত বসতি কৰি থকা জনজাতি, জনগোষ্ঠী সমূহৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনধাৰাৰ বিষয়ে সম্যক ধাৰণা এটি কৰি লোৱা দৰকাৰ। কাৰণ বিচ্ছিন্নতাবাদী আন্দোলন সমূহৰ সৃষ্টিৰ লগত জাতি জনজাতিৰ জীৱনধাৰা আৰু তাৰ গঠন-প্ৰক্ৰিয়া অঙ্গাঙ্গীভাৱে যুক্ত হৈ আছে। ভাৰতৰ চাৰিসীমাৰ ভিতৰত এক বিশেষ ভৌগোলিক অৱস্থানত থকা কাৰণেই এই অঞ্চলক উত্তৰ পূৰ্বাঞ্চল নামেৰে জনা যায়। কিন্তু এই অঞ্চলৰ সংহতি আৰু একাত্মতাৰ ভিত্তি কেৱল ভৌগোলিক সহাৱস্থানেই নহয়। ঐতিহাসিক আৰু বিশেষকৈ জাতীয় ক্ৰমবিকাশৰ দৃষ্টিকোনৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে ড° বি. এন. পূৰীয়ে কোৱাৰ দৰেই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল যে বিভিন্ন জনগোষ্ঠীৰ বহুৰঙী যাদুঘৰে আছিল তেনে নহয়, ইয়াত বিভিন্ন জনগোষ্ঠীয়ে সংমিশ্ৰিত হৈ এনে এটা একৰূপতা অৰ্জন কৰিছিল যাৰ দ্বিতীয় এটা দৃষ্টান্ত ভাৰতবৰ্ষৰ ইতিহাসত পাবলৈ নাই। কিন্তু এই সংমিশ্ৰণৰ মাজত থকা কিছুমান মজ্জাগত দুৰ্বলতাৰ বৰ্হিপ্ৰকাশ হৈছে আজিৰ বিচ্ছিন্নতাবাদী আন্দোলন। উদাহৰণ স্বৰূপে অসমীয়া জাতিৰ কথাকে ল'ব পাৰি।

আমাৰ সকলোৰে জ্ঞাত যে অসমীয়া জাতি গঠন হৈছে কেইবাটাও জনগোষ্ঠী আৰু অসমলৈ প্ৰব্ৰজিত আৰ্য আৰু মঙ্গোলীয় জাতিৰ লগত থলুৱা জনজাতিৰ সংমিশ্ৰণৰ প্ৰক্ৰিয়াৰে। অসমীয়া জাতিৰ ওপৰত সেয়েহে আৰ্য ভাষা সংস্কৃতিৰ প্ৰভাৱ বিদ্যমান। এই প্ৰভাৱ আজিও অম্লান আৰু স্পষ্ট হৈয়েই আছে। কিন্তু এই প্ৰভাৱ আছিল সাময়িক, মূলগত নহয়। আৰ্য ভাষা আৰু ধৰ্মৰ উন্নত মান আৰু শক্তিয়ে থলুৱা ভাষা আৰু ধৰ্মবিশ্বাসবোৰৰ ওপৰত প্ৰধান্য বিস্তাৰ কৰিছিল। কালক্ৰমত এই আৰ্য ভাষা আৰু ধৰ্মই এই দেশৰ অসংখ্য বিচ্ছিন্ন জাতিগোষ্ঠীৰ মাজত সংমিশ্ৰণ আৰু সমন্বয়ৰ পথো মুকলি কৰিলে আৰু অসমীয়া ভাষা সংস্কৃতিৰ ভেটি বান্ধিলে। অসমীয়া জাতীয় জীৱনৰ সেই উষাকালত আৰ্য ভাষা আৰু হিন্দু ধৰ্মৰ ভূমিকা আছিল নিসন্দেহে ইতিবাচক আৰু ঐতিহাসিক। কিন্তু একে সময়তে সেই সংমিশ্ৰণ প্ৰক্ৰিয়াত কিছুমান দুৰ্বলতাও সমানে সক্ৰিয় হৈ বৈ গৈছিল। সংমিশ্ৰিত অসমীয়া জাতি আৰু সংস্কৃতি পৰিবেষ্টিত আৰু পৰিবৰ্দ্ধিত হৈছিল অসংখ্য জনজাতীয় উপাদানেৰে যিবিলাকে নিজৰ স্বকীয় অস্তিত্ব তথা সাংস্কৃতিক পৰিচয় কোনোদিনে বিসৰ্জন দিয়া নাছিল নাইবা দিবলৈ প্ৰস্তুত নাছিল। বড়ো সকলে তেওঁলোকৰ সংস্কৃতি বজাই ৰাখিছিল, মিছিং সকলে তেওঁলোকৰ স্বকীয় সংস্কৃতিক বিসৰ্জন দিয়া নাছিল। অৰ্থাৎ সমন্বয়ৰ প্ৰক্ৰিয়া বা 'Process of Assimilation' তেতিয়ালৈকে পূৰ্ণ হৈ উঠা নাছিল। আনহাতে প্ৰথম অৱস্থাত আৰ্য সকলেও যদিও তেওঁলোকৰ জাতিগত উদাৰতা আৰু ধৰ্মীয় অনুভূতিক কিছু পৰিমানে শিথিলতা প্ৰদান কৰিছিল তথাপিতো পাছৰফালে কিন্তু এই শিথিলতাক তেওঁলোকে ধৰি নাৰাখিলে। বৰ্ণাভিমান আৰু জাত্যাভিমান ক্ৰমান্বয়ে বাঢ়িলহে। ইংৰাজ অহাৰ আগলৈকে বৰ্ণবাদী হিন্দুৰ এই দৃষ্টিভঙ্গীয়ে ক্ষতিকৰ ৰূপত আত্মপ্ৰকাশ কৰাৰ সুযোগ পোৱা নাছিল। কিন্তু ইংৰাজ অহাৰ পাছত বিশেষকৈ স্বাধীনতা লাভৰ পিছৰ পৰা ক্ৰমবিকশিত এই বিৰোধে প্ৰকট ৰূপত আত্মপ্ৰকাশ কৰিলে আৰু জাতিগঠন প্ৰক্ৰিয়াত ইয়েই হেঙাৰ হৈ থিয় দিলে। বৰ্ণহিন্দু অসমীয়াৰ জাত্যাভিমান আৰু প্ৰকৃত অসমীয়াত্বৰ পৰিচয়ে আন আন জনজাতীয় লোকৰ ওপৰত সন্ত্ৰাসৰ সৃষ্টি কৰে আৰু তেওঁলোকৰ জাতীয় চেতনাক জাগ্ৰত কৰাত ইয়েই সহায় কৰে। সেয়েহে আজি অসমৰ ৰাজনীতি, প্ৰশাসন, সাহিত্য আৰু ব্যৱসায় বানিজ্য সকলোতে আধিপত্য বিস্তাৰ কৰি থকা হিন্দু অসমীয়া সকলকেই অন্যান্য পশ্চাদপদ জাতিগোষ্ঠীবোৰে তেওঁলোকৰ প্ৰধান শত্ৰু হিচাপে গণ্য কৰিবলৈ ধৰিছে। তেওঁলোকৰ এই মনোভাৱ সঠিক হয়নে নহয় সেইটো সুকীয়া কথা, কিন্তু ইয়ে হৈছে নিষ্ঠুৰ বাস্তৱ। অসমীয়া হিন্দু সমাজখনক ক্ষমা কৰিবলৈ তেওঁলোক এতিয়াও প্ৰস্তুত নহয়। অসমৰ জাতীয় জীৱনত এইদৰে আৰম্ভ হৈছে ইতিহাসৰ নিৰ্মম প্ৰতিশোধ। ভাৰতৰ বৃহৎ বুৰ্জোৱাৰ অতিকেন্দ্ৰিক শাসন শোষণ আৰু জাতিগত বৈষম্য তেওঁলোকৰ বাবে দূৰৰ ঘটনা কিন্তু সন্মুখত তেওঁলোকে দেখা পাইছে সাঁশৰীৰে জাত্যাভিমানী ভাষীক অসমীয়া সকলক। সেয়ে অসমীয়া বিচ্ছিন্নতাবাদী সকলে দিল্লীৰ বিৰুদ্ধে যিপাত শৰ জুৰিছে, সেইপাত শৰকেই জনজাতিবিলাকে পোনাইছে অসমীয়াৰ বিৰুদ্ধে। চৰিত্ৰগত পাৰ্থক্য থাকিলেও দুয়োখন ৰণৰ গঢ়গতি একেটাই। এনেকৈ জাতিগঠন প্ৰক্ৰিয়াৰ অসম্পূৰ্ণতাই বিচ্ছিন্নতাবাদী আন্দোলন সমূহৰ সৃষ্টি হোৱাত সাৰ পানী যোগান ধৰিছে।

দেশে স্বাধীনতা লাভ কৰাৰ পাছত স্বাভাৱিক ভাৱেই বৰ্ণহিন্দু প্ৰধান অসমীয়া মধ্যবিত্তই অসমৰ ৰাজনীতি আৰু প্ৰশাসনৰ বাঘজৰী হাতত তুলি ল'লে। অৰ্থাৎ একালৰ আৰ্য ভাষা সংস্কৃতিৰ বাহক সকলেই এতিয়া ৰাজনৈতিক ক্ষমতাৰো প্ৰধান দাবীদাৰ হৈ উঠিল। স্বাধীনতাৰ পিছত চাৰিটা দশকতকৈও অধিক কাল ধৰি অসমৰ এই নতুন শাসক সকলৰ বৰ্ণাভিমান আৰু বৈষম্যমূলক আচৰণ ক্ৰমাৎ প্ৰকট আৰু প্ৰতিষ্ঠিত হ'ল। কিন্তু আজি যেতিয়া অসমীয়া মধ্যবিত্তৰ বাসনা চৰিতাৰ্থ কৰাৰ পথ সকলো ফালৰ পৰা বন্ধ আৰু যেতিয়া প্ৰতিটো জনগোষ্ঠীয়েই নিজৰ প্ৰাপ্য সম্পৰ্কে সচেতন আৰু সৰব, তেতিয়াও এই মধ্যবিত্ত শ্ৰেণীয়ে অসমৰ সামগ্ৰিক উন্নয়ন তথা ন্যাৰ্য্য অধিকাৰৰ বাবে ৰাজ্যখনৰ ভিন ভিন জনগোষ্ঠী, সম্প্ৰদায় তথা বিভিন্ন শ্ৰেণীৰ মানুহক লগত লৈ ঐক্যবদ্ধ গণতান্ত্ৰিক সংগ্ৰাম গঢ়ি তোলাৰ কন্টকৰ পথ পৰিহাৰ কৰি চলাৰহে চেষ্টা চলাইছে। অসমীয়া জাতিৰ লগত বিভিন্ন জনগোষ্ঠী, সম্প্ৰদায় আদিক যুক্ত কৰি ৰাখিবলৈ এই সময়ত প্ৰয়োজন আছিল

তেওঁলোকৰ পুঞ্জীভূত ক্ষোভবোৰ, ন্যায় সংগত দাবীবোৰ সহানুভূতিৰে বিবেচনা কৰা, কিন্তু পৰিতাপৰ কথা যে অসমীয়া মধ্যবিত্তৰ সেহখিনি কৰিবলৈ ইচ্ছা আৰু বল এটাও নোহোৱা হ'ল। এনে গোড়ামীজনিত অক্ষমতাই জন্ম দিছে অসমীয়া যুৱকৰ উগ্ৰজাতীয়তাবাদী আৰু বিচ্ছিন্নতাবাদী উত্তেজনা আৰু নৈৰাজ্যৰ। তাৰ সমানে বৃদ্ধি পাইছে জনজাতি আৰু অন্যান্য সংখ্যালঘুৰ বিৰুদ্ধে তেওঁলোকৰ বিদ্বেষ আৰু বৈৰীতাৰ তীব্ৰতা। ইয়াৰ পৰিণাম যে অসমীয়া ভাষী সকলৰ আত্মহনন তাক বুজিবলৈ কোনো মেধাশক্তিৰ প্ৰয়োজন নাই।

জাতিগত বিকাশ আৰু আত্মনিয়ন্ত্ৰনৰ আকাংক্ষা এতিয়া দুই এটা জনগোষ্ঠীৰ মাজতে আৱদ্ধ হৈ থকা নাই। বিচ্ছিন্নতাবাদী আন্দোলনৰ ৰাস্তা নললেও লক্ষীমপুৰ- ধেমাজীৰ মিচিং, তিনিচুকীয়াৰ মটক, নগাওঁৰ লালুং, গোৱালপাৰাৰ ৰাভা, কোকৰাঝাৰৰ-বঙাইগাঁৱৰ কোচ-ৰাজবংশী, উজনীৰ আহোম, চুটিয়া আদিৰ মাজতো জাতিগত সংগঠন আৰু আশা-আকাংক্ষা বাঢ়িছে। বহু কেইটা জনগোষ্ঠীৰ নিজা সাহিত্য সভা আৰু ছাত্ৰ সংগঠন আছে। আহোম সকলেও টাই ভাষাৰ চৰ্চ্চা, যুৱ ছাত্ৰ সংগঠন আদিৰ জৰিয়তে আহোম সম্প্ৰদায়িকতাবাদক জগাই তুলিবলৈ চেষ্টা কৰিছে। বাকীসকলেও জাতিগতভাৱে সংগঠিত হ'বলৈ প্ৰয়াস চলাই আছে। তেওঁলোকৰ ক্ষোভ বৃদ্ধি হৈছে আৰু আত্মপৰিচয়ৰ সংকটবো সৃষ্টি হৈছে। তদুপৰি তেওঁলোকে কিছুমান জাতিগত দায়-দাবীও উত্থাপন কৰিছে। স্বাভাৱিকতে তেওঁলোকৰ এই ক্ষোভ আৰু দায়-দাবীবোৰৰ প্ৰতি সময় থাকোতেই দৃষ্টি নিদিলে এদিন যে এই ক্ষোভে বিচ্ছিন্নতাবাদৰ ৰূপ নল'ব তাৰো কোনো নিশ্চয়তা নাই।

এই সমস্যা যে অকল অসমতে সৃষ্টি হৈছে তেনে নহয়। উত্তৰ-পূৰ্ব্বাঞ্চলৰ প্ৰায়কেইখন অংগৰাজ্যতেই এই জাতিগত অস্তিত্বৰ প্ৰশ্নটোৰ আলম লৈয়েই গঢ়ি উঠিছে বিচ্ছিন্নতাবাদী আন্দোলন সমূহ। ত্ৰিপুৰাত থলুৱা ত্ৰিপুৰী জনগোষ্ঠী আজি সংখ্যালঘুত পৰিণত হৈছে। দেশী বিদেশী প্ৰতিক্ৰীয়াশীল চক্ৰৰ সহায় আৰু উচতনিত তেওঁলোকে আজি হাতত অস্ত্ৰ তুলি ল'বলৈ বাধ্য হৈছে আৰু জাতিগত আত্মনিয়ন্ত্ৰণৰ প্ৰশ্ন লৈ আজি তেওঁলোক সৰব।

পিছপৰা জাতিগোষ্ঠী সমূহৰ ডাঙৰ আশংকা হ'ল এয়ে যে সংখ্যাগৰিষ্ঠ সমাজখনৰ লগত মিলি গ'লে তেওঁলোকৰ দৰিদ্ৰ আৰু পশ্চাদপদতা চলি থাকিব, তেওঁলোকৰ জাতি আৰু সংস্কৃতি সকলোবোৰ অনা-জনজাতীৰ লোকে গ্ৰাস কৰিব, আৰু তেওঁলোক নিশ্চিহ্ন হৈ যাব। এই শংকাৰ শিপা এতিয়া বহু গভীৰত। সেয়ে তেওঁলোকে আৰম্ভ কৰিছে অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম। এই শংকাৰ নিৰাময়ৰ ওপৰতেই নিৰ্ভৰ কৰিছে উত্তৰ-পূৰ্বাঞ্চলৰ ভৱিষ্যত।

ওপৰত উল্লেখিত ঐতিহাসিক কাৰণ সমূহৰ বিশ্লেষণ কৰিও এটা কথা স্বীকাৰ কৰিবই লাগিব যে বিচ্ছিন্নতাবাদী আন্দোলন সমূহৰ সৃষ্টি অঙ্গাঙ্গীভাৱে যুক্ত হৈ আছে আন কিছুমান কাৰণো। তাৰ ভিতৰত মূল কাৰণ দুটা হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ চৰম আৰ্থিক পাশ্চাদপদতা আৰু জনগাথনিৰ ভাৰসাম্যহীনতা। আৰ্থিক পশ্চাদপদতাক বিচ্ছিন্নতাবাদী আন্দোলন সমূহৰ সৃষ্টিৰ মূল কাৰণ হিচাপে চিহ্নিত নকৰাৰ কাৰণ এটাই যে সম্প্ৰতি ভাৰতবৰ্ষত উত্তৰ-পূৰ্বাঞ্চলতকৈ বহু অৰ্থনৈতিক ভাৱে অনগ্ৰসৰ অঞ্চল আছে য'ত এতিয়ালৈ বিচ্ছিন্নতাবাদী সমস্যাই প্ৰকট ৰূপত আত্মপ্ৰকাশ কৰিব পৰা নাই। উদাহৰণ স্বৰূপে বিহাৰ, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ ইত্যাদি ৰাজ্যৰ এনেকুৱা কিছুমান অঞ্চল আছে যাৰ আৰ্থিক দুৰৱস্থা উত্তৰ-পূৰ্বাঞ্চলতকৈ যথেষ্ঠ দুখলগা। কিন্তু আশ্চৰ্যজনক কথা হ'ল এইবিলাক অঞ্চলত আজিলৈকে বিচ্ছিন্নতাবাদী আন্দোলন সংঘটিত হোৱা নাই।

ঔপনিৱেশিকতাৰ গৰাহৰ পৰা দেশৰ স্বাধীনতাই খুব স্বাভাৱিকভাৱেই উত্তৰ-পূৰ্বাঞ্চলৰ জনগণৰ মাজতো বহু আশা আকাংক্ষাৰ জন্ম দিয়ে। আশা কৰা হৈছিল যে স্বাধীন ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে এই অঞ্চলৰ বিশেষ সমস্যা সমূহ আৰু অঞ্চলটোৰ ৰাইজৰ অনুভূতিক সিঠিক ভাবে তথা পৰ্য্যাপ্ত পৰিমাণে অনুধাৱন কৰাৰ মাজেৰে বিশ্বাস আৰু সদিচ্ছাৰ এনে এক পৰিৱেশ সৃষ্টি কৰিব য'ত এই অঞ্চলৰ ৰাইজে স্বইচ্ছাই সৰ্বভাৰতীয় জীৱনধাৰাৰ সৈতে একাত্মবোধ কৰিব পাৰিব। ভাৰতৰ কেন্দ্ৰীয় চৰকাৰ আৰু গণতান্ত্ৰিক আন্দোলনে এইটো উপলব্ধি কৰাও আৱশ্যকীয় আছিল যে বৃটিছে ট্ৰাইবেল জনগণ আৰু তেওঁলোকৰ বসতি থকা অঞ্চলৰ ওপৰত ৰাজনৈতিক আধিপত্য বিস্তাৰ কৰিলেও তেওঁলোক এটা উমৈহতীয়া সামাজিক-সাংস্কৃতিক জীৱনধাৰাৰ মাজত সাঙুৰিব পৰা নাছিল আৰু আৰ্থিকভাবে দেশখনৰ অন্যান্য অঞ্চলৰ তুলনাত সমানে উন্নত কৰাব পৰা নাছিল। সেয়েহে স্বাধীন ভাৰতৰ এই অঞ্চলৰ জনগণক যাতে কৌতিকলীয়া বিচ্ছিন্নতা আৰু পশ্চাদপদতাৰ পৰা মুক্ত কৰি দ্ৰুতগতিত সমবিকাশৰ পথলৈ আনিব পৰা যায় তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিশেষ মনোযোগ আৰু প্ৰচেষ্টা আছিল অত্যাৱশ্যকীয়।

প্ৰণিধানযোগ্য যে ঠিক এইখিনিতেই ভাৰতৰ কেন্দ্ৰীয় চৰকাৰ আৰু শাসক শ্ৰেণীসমূহ দুখলগাকৈ ব্যৰ্থ হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ-পৰিস্থিতি, ইয়াৰ ঐতিহাসিক পটভূমি আৰু সমস্যাসমূহ তেওঁলোকে কাহানিও সঠিকভাবে অনুধাৱন কৰিব পৰা নাই, আনহাতে তেওঁলোকৰ মাজত অঞ্চলটোৰ আৰ্থিক পুনৰ্গঠনৰ বাবে প্ৰয়োজনীয় সদিচ্ছা আৰু আন্তৰিকতাৰো অভাৱ আছে। এই অভিযোগ যে সত্য সেয়া প্ৰমাণিত হয়, যেতিয়া ভূতপূৰ্ব প্ৰধানমন্ত্ৰী আই. কে. গুজৰালে তেওঁৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভ্ৰমনকালত কৈছিল যে এই অঞ্চলত থকা সম্পদ অনুসৰি অঞ্চলটোৰ বিকাশ হোৱা নাই। এয়া নিশ্চিত যে সেয়া আছিল এক তাৎপৰ্য্যপূৰ্ণ পৰ্য্যবেক্ষণ। কিন্তু কথা হ'ল সম্পদৰ ফালৰ পৰা ধনীয়েই হওক বা দুখীয়াই হওক, কেন্দ্ৰীয় চৰকাৰৰ বিশেষ মনযোগ আৰু প্ৰচেষ্টা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাপ্য আৰু অত্যন্ত প্ৰয়োজনীয়ও যদিহে এই অঞ্চলটোও সৰ্বভাৰতীয় জীৱনধাৰাৰ এক অংশ হৈ পৰিব লাগে। অথচ কিছু স্বাৰ্থান্বেষী মহলে এই মূল কথাটোকে অৱজ্ঞা আৰু অস্বীকাৰ কৰাৰ যত্ন কৰিছে। যাৰ ফলত মাথো বিচ্ছিন্নতাবাদকহে উৎসাহিত কৰা হৈছে।

গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত একমাত্ৰ অসমতেই দুটা এটা শিল্পোদ্যোগ দেখিবলৈ পোৱা যায়, তৎসত্বেও ভাৰতবৰ্ষৰ মুঠ শিল্পোদ্যোগত অসমৰ বৰঙনি মাত্ৰ ১.৮% হে। অইন ৰাজ্যবিলাকৰ উদ্যোগীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাই নাই। চাহ উদ্যোগৰ বাহিৰে ব্যক্তিগত খণ্ডৰ বিনিয়োগ, সেয়া দেশীয়েই হওক বা বিদেশীয়েই হওক ক'তো হোৱা নাই বুলিবই পাৰি। আনহাতে ৰাজহুৱা খণ্ডত কেন্দ্ৰীয় চৰকাৰে কৰা ৰিনিয়োগৰ ০.৫% হে অসমে লাভ কৰে। অসমত ৰাজ্য চৰকাৰে পৰিচালনা কৰা উদ্যোগৰ সংখ্যা মাত্ৰ ৪৮ টা। তাৰ অধিকাংশ উদ্যোগেই বৰ্তমান আৰু ৰূগ্ন, তাৰ বিপৰীতে কেৰেলাত ৰাজ্য আৰু কেন্দ্ৰীয়

চৰকাৰে পৰিচালনা কৰা উদ্যোগৰ সংখ্যা ৯০০ টা। এনে এক পৰিস্থিতিত, এফালে যেতিয়া ব্যক্তিগত বিনিয়োগকাৰী সকল এই অঞ্চলত বিনিয়োগ কৰিবলৈ অনিচ্ছুক আৰু শংকিত, আনফালে ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বাবে বিনিয়োগ নকৰিবলৈ চৰকাৰে লোৱা সৰ্বনাশীয়া নীতিয়ে উত্তৰ-পূৰ্বাঞ্চলত উদ্যোগিকৰণৰ সকলো সম্ভাৱনাকে মষিমূৰ কৰিব ওলাইছে।

খাৰুৱাতেলৰ ক্ষেত্ৰত বৰ্তমান অসমৰ অৱস্থিত পুতলা শোধনাগাৰ তিনিটাই আঞ্চলটোত বৰ্ত্তমান উৎপন্ন হৈ থকা ৫ নিযুত টন খাৰুৱা তেলেই শোধন কৰিব নোৱাৰে। প্ৰায় ৪৫ লাখ টকা মূল্যৰ প্ৰাকৃতিক গেছ প্ৰতিদিনে পুৰি পেলোৱা হৈছে। বানপানী সমস্যাৰ স্থায়ী সমাধানৰ বাবে ৪০ হাজাৰ কোটি টকাৰ যি মাষ্টাৰ প্লেন ব্ৰহ্মপুত্ৰ বোৰ্ডে প্ৰস্তুত কৰি উলিয়াছে তাৰ ৰূপায়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা শিতানত কোনো ব্যয় ধাৰ্য্য কৰা নাই। কিন্তু বান সমস্যাৰ স্থায়ী সমাধান আবিহনে অসমৰ গ্ৰাম্য অৰ্থনীতিক সুদৃঢ় কৰাটো বা বিজুলীৰ উৎপাদন প্ৰয়োজনীয় পৰিমানে বৃদ্ধি কৰাটো সম্ভৱেই নহয়। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলে বৰ্ত্তমান মাত্ৰ ৫০০ মেগাৱাট বিজুলী উৎপাদন কৰে, অথচ ইয়াৰ প্ৰকৃততে হাজাৰ মেগাৱাটৰ হিচাপত বিজুলীৰ প্ৰয়োজন আছে। জনমূৰী বিদ্যুতৰ ভোগ সৰ্বভাৰতীয় স্তৰত ৩৩০.৬ কিলৱাটৰ বিপৰীতে উত্তৰ-পূৰ্বাঞ্চলত মাত্ৰ ১১৮.৪ কিলোৱাটহে। ব্ৰহ্মপুত্ৰ আৰু বৰাক নিয়ন্ত্ৰনেই হ'ল বিদ্যুতৰ এই অভাৱ পূৰণৰ একমাত্ৰ উপায়। ঠিক তেনেদৰেই অসমক বানপানীৰ ক্ষতিপূৰণৰ বাবে বছৰি মাত্ৰ ৫০ কোটি টকাহে সাহায্য স্বৰূপে দিয়া হয় অথচ প্ৰাকৃতিক দুৰ্য্যোগৰ দ্বাৰা তুলনামূলক ভাবে কমকৈ আক্ৰান্ত হোৱা ৰাজ্য অন্ধ্ৰপ্ৰদেশ, গুজৰাট আদিক এই একে ব্যয়ৰ বাবে প্ৰায় ৬০০ কোটি টকা দিয়া হয়। এনেকুৱা ধৰণৰ কেন্দ্ৰীয় চৰকাৰৰ বৈষম্যমূলক নীতিয়ে আগৰে পৰা পুঞ্জীভূত হৈ থকা ক্ষোভ তথা বিচ্ছিন্নতাবাদী আন্দোলনৰ প্ৰসাৰতাত সহায়তা কৰি আছে।

স্বাধীনতাৰ পাছত ভাৰতৰ ফেদাৰেল বা যুক্তৰাষ্ট্ৰীয় গাঠনিক নামতহে জীয়াই ৰখা হৈছে। কাৰ্যক্ষেত্ৰত অংগ ৰাজ্যবোৰক কেন্দ্ৰৰ ওপৰত দুখলগাকৈ নিৰ্ভৰশীল কৰি তোলা হৈছে। উত্তৰ-পূৰ্বাঞ্চলো ইয়াৰ ব্যতিক্ৰম নহয়। দেশৰ বৃহৎ আৰু অতিকেন্দ্ৰীকতাবাদী বুৰ্জোৱা শ্ৰেণীয়ে নৱলব্ধ ৰাষ্ট্ৰশক্তিক ব্যৱহাৰ কৰিছে কেৱল জনসাধাৰণৰ শ্ৰমৰ ফলখিনি আত্মসাৎ কৰাৰ উদ্দেশ্যেহে। দেশৰ বিপুল কৃষকসমাজৰ দাৰিদ্ৰ্য আৰু জমিদাৰী শোষণ, শ্ৰমিক শ্ৰেণীক শোষণ আৰু বঞ্চনা, দেশী বিদেশী বৃহৎ পুঁজিৰ লুণ্ঠন, কৰ্মসংস্থানহীনতা, শিক্ষাহীনতা, দেশৰ আৰ্থিক অনগ্ৰসৰতা, পৰনিৰ্ভৰশীলতা, সাম্ৰাজ্যবাদৰ খবৰদাৰী এইবিলাকৰ কোনোটোৱেই নকমিল বৰং বহুগুণে বাঢ়িলহে। দেশৰ জনসাধাৰণৰ এনে দুৰৱস্থা আৰু অংগৰাজ্যবোৰৰ আৰ্থিক ক্ষমতা তথা আত্মশাসনৰ অধিকাৰৰ এনে অবাঞ্চিত সংকোচনৰ অৱধাৰিত পৰিণতি হ'ল আঞ্চলিক পশ্চাদপদতা আৰু বৈষম্যবোৰৰ বৃদ্ধি আৰু তাৰ প্ৰতিক্ৰিয়া হিচাপে বিচ্ছিন্নতাবাদী প্ৰৱনতা পৃথকত্ববাদী আন্দোলনবোৰৰ প্ৰাবল্য।

মাৰ্ক্সৰ দৃষ্টিৰে সমগ্ৰ মানৱ জাতিৰ ইতিহাসেই হৈছে আন্দোলন তথা বিপ্লৱৰ ইতিহাস। মাৰ্ক্সে আঙুলিয়াই দেখুৱাইছে যে প্ৰকৃত গণ অভ্যুত্থান একোটাৰ অন্যতম প্ৰাথমিক পূৰ্বচৰ্তই হ'ল এক পূৰ্বকল্পিত দৰ্শন - যাৰ প্ৰতি জনসাধাৰণৰ সৰ্বাত্মক আৰু স্বতঃস্ফুৰ্ত সমৰ্থন অনিবাৰ্য। কাৰ্যতঃ গণ আন্দোলন একোটাৰ মাধ্যমেৰে প্ৰচলিত সমাজৰ স্থিতাৱস্থাৰ পৰিৱৰ্তন কামনা কৰা যায়। আৰু ইয়াকে কৰিবলৈ বিচাৰোতে গণ আন্দোলনৰ ঘোষিত দৰ্শন আৰু কাৰ্য পদ্ধতিৰ মাজৰ এক স্বাভাৱিক ঐক্যৰ প্ৰয়োজন।

কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ বিচ্ছিন্নতাবাদী আন্দোলন সমূহৰ ক্ষেত্ৰত কথাটো দেখা গৈছে সম্পূৰ্ণ ওলোটা। তেওঁলোকৰ কোনো ঘোষিত দৰ্শন আৰু নীতি নাই। জনসাধাৰণৰ সমৰ্থন নাইবা সহযোগ কিমান দূৰলৈ আছে তাক বিচাৰ বিবেচনা কৰাৰ আহৰিও নাই। নাইবা লক্ষ্যপ্ৰাপ্তিৰ পাছত কিদৰে সমাজক গঢ় দিব তাৰো কোনো পূৰ্ব-পৰিকল্পিত আচনি নাই। আটাইতকৈ ডাঙৰ কথাটো হৈছে তেওঁলোকে আজি যিঁ বাটেৰে বাট বুলিছে সেয়া কেতিয়াও বৃহৎ বুৰ্জোৱাৰ শোষণ, লুণ্ঠন আৰু কেন্দ্ৰীয় চৰকাৰৰ বঞ্চনা তথা অৱহেলাৰ পৰা মুক্তি লাভৰ সঠিক পথ নহয়। কাৰণ ইতিহাসে আমাক এই শিক্ষাই দিয়ে যে এই পথ হৈছে ভাইয়ে আত্মহননৰ পথ। অপ্ৰিয় হ'লেও এই সত্যক স্বীকাৰ কৰি ল'ব লাগিব যে লক্ষ্যকোটি ভাৰতবাসীৰ ভাগ্যৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ ভাগ্যও অবিচ্ছিন্নভাবে যুক্ত হৈ আছে। ভাৰতবাসীৰ শ্ৰমজীৱী জনগণে একচেতীয়া পুঁজিবাদ, সামন্তবাদ আৰু সাম্ৰাজ্যবাদক নিজৰ তথা দেশৰ প্ৰধান শত্ৰু হিচাপে চিহ্নিত কৰিছে। জনগণে এই শ্ৰেণী শত্ৰুবোৰৰ হাতৰ পৰা ক্ষমতা দখল কৰি এখন প্ৰকৃত গণতান্ত্ৰিক আৰু বিকেন্দ্ৰীভূত ফেদাৰেচন প্ৰতিষ্ঠা কৰিব পাৰিলেহে দেশৰ অঙ্গৰাজ্য তথা পশ্চাদপদ জাতিগোষ্ঠী বোৰৰ স্বাধীন বিকাশ, ক্ষমতা আৰু সামাজিক ন্যায়ৰ পথ প্ৰশস্ত হ'ব বুলি আশা কৰিব পাৰি।

সেয়েহে উত্তৰ-পূৰ্বাঞ্চলৰ গণতান্ত্ৰিক শক্তিবোৰৰ সন্মুখত আজি প্ৰৱল প্ৰত্যাহ্বান। তেওঁলোক ঐক্যবদ্ধ হৈ দেশখনৰ ইতিহাসৰ এই দুৰ্যোগপূৰ্ণ সন্ধিক্ষণত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ স্বাৰ্থৰ হকে পাহাৰে ভৈয়ামে সিঁচৰিত হৈ থকা জনজাতি, জনগোষ্ঠী, ট্ৰাইবেল সকলোকে একেখন মঞ্চত থিয় কৰাই তেওঁলোকৰ ন্যাৰ্য্য আশা আৰু আকাংক্ষাৰ হকে আগৰণুৱা হৈ সংগ্ৰামত নামিব লাগিব। জনগণৰ সন্মুখত এই বাস্তৱতা সুস্পষ্ট আৰু প্ৰত্যয়জনকভাবে দাঙি ধৰিব লাগিব যে বিচ্ছিন্নতাবাদ আৰু উগ্ৰপন্থাৰ বাট বুলাটো আত্মঘাটী প্ৰচেষ্টাৰ বাহিৰে আন একো নহয়। অঞ্চলটোৰ সৰ্বাঙ্গীন বিকাশৰ হকে যুঁজখন ইয়াৰ জনগণে নিজৰ জীৱন জীৱিকাৰ বাবে চলোৱা যুঁজখনৰ লগতে এক আৰু অভিন্ন। গণতান্ত্ৰিক শক্তিবোৰে এই যুঁজখনৰ নেতৃত্ব দিয়াৰ ঐতিহাসিক দায়িত্ব নিজেই গ্ৰহণ কৰিব লাগিব।

**উৎস ঃ**

(১) অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত
- হীৰেণ গগৈ

(২) The concept and concern of the North-East.
- Hiren Gogoi

*(লেখক উঃ মাঃ ২ য় বৰ্ষ কলা শাখাৰ ছাত্ৰ)*

# পথৰুঘাটৰ ঐতিহাসিক কৃষক বিদ্ৰোহ

## এটি পৰ্য্যালোচনা

— অৰূপ কুমাৰ [illegible]

*একঠা মাটি মই উপজিয়ে পাওঁ*
*এটা পেটৰ ভাত*
*[illegible]*
*[illegible]*

[illegible] সাম্ৰাজ্যবাদী, শোষণকাৰী বৃটিছৰ আকাশলংঘী [illegible] হোৱা বাবে [illegible] দুমুঠি [illegible] পেট ভৰাই খাব পৰা [illegible] এখন ভাল [illegible] গাত [illegible] [illegible] ছয় [illegible] আগৰ কথা।

*পথৰুঘাট।*
*অসমৰ জালিয়ানৱালাবাগ।*
*দৰঙৰ [illegible]*
*আজিৰ [illegible]* —*অমলেন্দু গুহ*

দৰং জিলাৰ মঙ্গলদৈ নগৰৰ পৰা পোনে পোনে পশ্চিমে প্ৰায় ১২/১৫ কিলোমিটাৰ [illegible] অৱস্থিত। [illegible] ইং ১৮৯৪ চনৰ ২৮ জানুৱাৰীত [illegible] বা পথৰুঘাটৰ কৃষক বিদ্ৰোহ। [illegible] এদিনৰ বোলাই [illegible] হোৱা [illegible] অগনি [illegible] শতিকাৰ প্ৰায় চল্লিশ দশকৰ [illegible] সমগ্ৰ অসমতে উমি উমি [illegible] ধৰিছিল।

[illegible] । মানৰ [illegible] পৰা [illegible] মোৱামৰীয়া অভ্যুত্থান দমন [illegible] সু-নিয়ন্ত্ৰিত শাসন ব্যৱস্থা [illegible] শান্তি [illegible] কৰা দেখি বৃটিছ শাসন [illegible] সময়ৰ জনসাধাৰণে সন্মানৰ চকুৰেই চাইছিল। কিন্তু দিন যোৱাৰ [illegible] অসমৰ [illegible] আচল [illegible] চিনাত [illegible]।

আহোম বা মোগলৰ দিনত ভূমি [illegible] যি ভিত্তি আছিল [illegible] আন আন [illegible] দিনে দিনে মাটিৰ খাজনা বৃদ্ধি কৰি অকল কৃষক [illegible] কৰিবলৈ ধৰিলে। [illegible] খাজনা বৃদ্ধি কৰা [illegible] যে অসমৰ [illegible] মানি [illegible] সেয়াও [illegible]। বিভিন্ন [illegible] জনসাধাৰণে আবেদন-নিবেদন বা চেপাচোৰোকাকৈ প্ৰতিবাদ সভা [illegible] ইয়াৰ [illegible]। আনহে [illegible] বিষয়া আধুনিক অসমৰ পুৰোধা [illegible] আনন্দৰাম ঢেকিয়াল [illegible] দিয়া সকীয়নী মিলচ্ চাহ্‌বৰ প্ৰতিবেদনৰ (২৪জুলাই,১৮৫৩) [illegible] গাঁঠি দিয়া [illegible]। তাত [illegible]

" We deem it necessary to bring to the notice of the Government, that the assessment at present imposed on the lands of the province is not only what the country can possibly afford, but in some instance more; and that enhancement of the rates under the present circumstances of the province without any marked improvement in agriculture and commerce would be to overburden the people with taxes, which they could but ill afford to bear. The former government never exceeded the standard of assessment laid down by the ancient Hindoo Legislatives- one sixth of the produce of the land. In illustration of this fact, we would beg to point out that a poorah of high roopit land yielding twenty or fifteen mands of rice valued at from 2 to 3 is loaded with a tax of one rupee and four annas ! Unless therefore, the Government provides the people with better and improved means of cultivating their lands, an increase of assessment will inevitably lead to an increase in the unhappiness of the people."

এতিয়া আহোঁ আমাৰ মূল [illegible] ৰাইজে [illegible] পাতি লোৱা বৰ্দ্ধিত [illegible] কথা [illegible] লাগিব। ওঠৰ শতিকাৰ আদিভাগৰ [illegible] অৰ্থাৎ আহোমৰ [illegible] খাজনাৰ [illegible]। [illegible] (১৬৯৬-১৭১৪) [illegible] নামে [illegible] ১৭০৭ [illegible] সমাধা কৰি [illegible] লোকৰ ওপৰত খাজনাৰ পৰিমান বৃদ্ধি কৰিছিল [illegible] ৰাজত্ব কালতো (১৭১৪-১৭৪৪) পুনৰ [illegible] কৰি [illegible] বৃদ্ধি কৰা [illegible]। তেতিয়া খাজনা [illegible] বৃদ্ধি কৰা [illegible]। তেতিয়া খাজনা [illegible] কৰা [illegible] ৰজা ঘৰত পাল [illegible] বা গা-খাটি দিয়াৰ মাধ্যমত। দৰঙৰ ছয় হাজাৰ (৬০০০) লোকে [illegible] তলত গৈ [illegible] খাটি দিবলগীয়া হোৱাটো প্ৰায় সবজনবিদিত। এইদৰে [illegible] ওপৰত [illegible] পৰিমাণ ক্ৰমান্বয়ে বাঢ়ি [illegible] আৰু আহোম ৰজা [illegible] ৰাজত্বকালত (১৭৬৯-৮০) চাৰি হাজাৰ (৪,০০০) কৃষকে [illegible] হাজাৰকা, কালিয়া, [illegible] আদিৰ [illegible] শোভাযাত্ৰা কৰি [illegible] ৰাজদৰবাৰৰ [illegible] প্ৰদৰ্শন [illegible]। আৰু [illegible] প্ৰতিবাদ [illegible] ৰজাৰ দ্বাৰা [illegible]

[illegible] কৃষকে এই [illegible] বিদ্ৰোহত সফলতা লাভ কৰিয়েই ক্ষান্ত নাথাকিল। গুৱাহাটীত [illegible] যোৱা ছয় হাজাৰ লোকৰ [illegible] চলালে। [illegible] ৰাজত্বকালত মোৱামৰীয়াৰ দ্বাৰা [illegible] পৰা [illegible] পলায়ন কৰা [illegible] অত্যাচাৰ বৃদ্ধি পোৱাত [illegible] প্ৰায় ২৬০ জন মুখীয়াল লোক [illegible] গাওবুঢ়াই

ৰাইজমেল পাতি তাতেই সিদ্ধান্ত লৈ গুৱাহাটীৰ পৰা উক্ত ছয়হাজাৰ পাইকক ওভটাই আনে। আহোম সামন্তীয় ৰাজশক্তিৰ বিৰুদ্ধে দৰঙী প্ৰজাৰ এইলানি কৃষক বিদ্ৰোহৰ নেতৃত্ব দিছিল ফটিক হাজৰিকাকে ধৰি স্বৰূপ, মইনাপোৱা, কালিয়া, ভূতৰ কোৱৰ আদি মুখীয়াল লোকসকলে।

ইয়াৰ পিচত বৃটিছ আহিল। বৃটিছে আহোম ৰাজত্বকালতকৈও খাজনাৰ পৰিমাণ বৃদ্ধি কৰাত সমগ্ৰ অসমৰ কৃষকসকলৰ লগতে দৰঙী কৃষকসকলৰো পানীত হাঁহ নচৰা অৱস্থা হ'ল। পূৰ্বৰ আহোমৰ পাইক প্ৰথাৰ বিপৰীতে বৃটিছে টকাৰ মাধ্যমত খাজনা সংগ্ৰহৰ নীতি প্ৰৱৰ্ত্তন কৰিলে। তলৰ তালিকাত (১৮৩৪-১৮৯৪) ৰ ভিতৰত হোৱা খাজনাৰ বৃদ্ধিৰ থুলমূল বিৱৰণ দিবলৈ চেষ্টা কৰা হৈছে —

ভূমি ৰাজহৰ পুনৰ বন্দোবস্তৰ জৰিয়তে অসমৰ কমিচনাৰ হেনৰী হপকিনছনৰ নিৰ্দেশমৰ্মে (১৮৬৮-৬৯) চনত খাজনা বৃদ্ধি কৰা হৈছিল। সেই বছৰত উক্ত বন্দোবস্তি মৰ্মে সমগ্ৰ অসমতে ২৫ ৰ পৰা ৫০ শতাংশলৈ ভূমি ৰাজহ বৃদ্ধি কৰা হৈছিল। উপৰোক্ত তালিকাখনৰ পৰা দেখা যায় যে অকল দৰঙতেই ১৮৩৪—১৮৯৪ ৰ কালছোৱাত ভূমিৰ পৰিমান ২,৬৪,৬১১ একৰ বৃদ্ধি কৰাৰ বিপৰীতে খাজনাৰ পৰিমাণ ৫,৪১,৫১৮ টকালৈ বৃদ্ধি কৰা হৈছিল।

দেখা যায় যে ইংৰাজে শাসনভাৰ লোৱাৰ পৰাই অসমত

| বছৰ | ৰাজহৰ পৰিমাণ | বৃদ্ধিৰ পৰিমাণ | জৰীপকৃত ভূমি এলেকাৰ পৰিমাণ(একৰৰ হিচাপত) | জৰীপকৃত ভূমি এলেকা বৃদ্ধিৰ পৰিমাণ (একৰৰ হিচাপত) |
|---|---|---|---|---|
| ১৮৩৪-৩৫ | ১,০৭,৩০২ টকা | —— | ১,০৭,৭৮৮ | —— |
| ১৮৫২-৫৩ | ১,৭৯,৫৭৮ টকা | ৭২,২৭৬ টকা | ২,২১,৮৪৯ | ১,১৪,০৬১ |
| ১৮৬৫-৬৬ | ১,৯৪,৮৪৬ টকা | ১৫,২৬৮ টকা | ১,৯৩,৪৬৫ | ২৮,৩৮৪ |
| ১৮৬৮-৬৯ | ৩,৫৭,৭৬৮ টকা | ১,৬২,৯২২ টকা | —— | —— |
| ১৮৯২-৯৩ | ৪,৯৬,৬৮২ টকা | ১,৩৮,৯১৪ টকা | ৩,৭০,৯৩৩ | ১,৭৭,৪৬৮ |
| ১৮৯৩-৯৪ | ৬,৪৮,৮২০ টকা | ১,৫২,১৩৮ টকা | ৩,৭২,৩৯৯ | ১,৪৬৬ |

***উৎস ঃ বি ঃ ছি ঃ এলেনৰ আসাম ডিষ্ট্ৰিক্ট গেজেটিয়াৰ্চ দৰং ১৯০৫***

কেইবাবাৰো মাটি পিয়ল কৰোৱা হৈছিল। কাৰণ চতুৰ ইংৰাজে জানিছিল যে অসমত পঞ্জীয়নভূক্ত মাটিৰ পৰিমাণ যিমানেই বৃদ্ধি কৰিব পাৰি সিমানেই তেওঁলোকৰ ৰাজহৰ ভড়াঁল বেছি টনকিয়াল হৈ যাব। অসমৰ সাৰুৱা মাটিৰ শ্ৰীবৃদ্ধি দেখি উপনিৱেশবাদী ইংৰাজে কি উপায়ে অসমক শোষণ কৰিব পাৰি, কি উপায়ে অসমৰ ৰাইজৰ অভাৱ অভিযোগ বৃদ্ধি কৰি, অসমক চিৰ পৰাধীন কৰি ৰাখিব পাৰি তাৰ চিন্তা চৰ্চাতহে ব্যস্ত আছিল। সেইবাবেই তেওঁলোকে ঘনে ঘনে মাটি পিয়ল কৰাই খাজনা বৃদ্ধি কৰিছিল।

বুৰঞ্জীবিদসকলৰ মতে স্বাধীন অসমৰ দুমুৰে দুখন সভ্যতাৰ কেন্দ্ৰস্থান আছিল- পূবে ৰংপুৰ আৰু পশ্চিমে দৰং ৰাজ্যৰ ৰাজধানী মোহনপুৰ (মঙ্গলদৈ টাউনৰ ওচৰৰ ৰজা হাউলি)। মোহনপুৰ আৰু গুৱাহাটীৰ মাজৰ ঠাইখিনিৰ প্ৰজাখিনি সেই সময়ত স্বাধীনচিতিয়া আৰু যুদ্ধ-বিগ্ৰহলৈ ভয় নকৰা বিধৰ আছিল। এই মাজ ঠাই ডোখৰৰ কেন্দ্ৰস্থান পথৰুঘাটেই আছিল। ইংৰাজৰ দিনটো পথৰুঘাটত তহচিল অফিচ থকাৰ কাৰণে তাত সেই অঞ্চলৰ মানুহখিনি একেলগ হ'বলৈ সুবিধা আছিল আৰু হৈছিলো।

ইংৰাজ শাসনৰ আৰম্ভণিতে মুছলমান সকলে ইংৰাজক বিজেতা হিচাপে শত্ৰু জ্ঞান কৰিছিল। এই শত্ৰুতাৰ ভাবটো মুছলমানৰ প্ৰচাৰক সকলৰ যোগেদিয়েই অসমলৈও আহিছিল। এইবাবেই মুছলমানসকল ইংৰাজ শাসন আৰম্ভ হোৱাৰ বহুত দিন পিচলৈ শিক্ষা-দীক্ষা আৰু দেশ শাসন কাৰ্যত অসহযোগী হৈ আছিল। পথৰুঘাটত মুছলমানেই সংখ্যাগৰিষ্ঠ। ধৰ্মীয় ভাৱধাৰা বেলেগ হ'লেও হিন্দু-মুছলমানৰ মাজত তাত অসূয়া ভাব নাছিল, সকলো সদায় মিলাপ্ৰীতিৰেই বাস কৰিছিল। এই কাৰণেই কু-সংস্কাৰ অন্ধবিশ্বাসে আৱৰি থকা সেই সময়ৰ অসমতো মুছলমানৰ শত্ৰুতাভাৱত গঢ়ি উঠা আৰু হিন্দু নেতৃত্বত পৰিচালিত হোৱা কৃষক বিদ্ৰোহৰ কেন্দ্ৰস্থান হৈছিল পথৰুঘাট।

১৮৪১ চনলৈ দৰঙী প্ৰজাই খেলৰ প্ৰথামতে হালখনে প্ৰতি ৩.০০ টকাকৈ নাঙল কৰ দিছিল। ১৮৪২ চনত যেতিয়া নতুনকৈ মাটি পিয়ল কৰি বস্তি, ৰূপিত আৰু ফিৰিঙতি আদি শ্ৰেণী কৰি খাজনা বৃদ্ধি কৰিলে তেতিয়া বৃটিছ শাসনৰ প্ৰতি প্ৰজাৰ সন্দেহ আৰু অসন্তুষ্টিৰ ভাব বৃদ্ধি হয়। ৰূপীতৰ পুৰাত ১৪০.০০ টকা আৰু আন দুবিধৰ পুৰাত ১.০০ টকা হিচাপে নতুন নিয়মমতে খাজনা শোধাবলৈ প্ৰজা বাধ্য হ'ল। ১৮৩২/৩৩ চনত খেলৰ প্ৰথা মতে দৰঙৰ পৰা খাজনা আদায় হৈছিল ৪১,৫০৬ টকা। তাৰ দহ বছৰৰ পিছত অৰ্থাৎ ১৮৪২-৪৩ চনত সেই খাজনা বৃদ্ধি হৈ ১,৩৫,৪৫৪ টকা হ'লগৈ। এইদৰে প্ৰতি দহবছৰৰ মূৰে মূৰে লাখ লাখ টকা খাজনা বৃদ্ধি হোৱাত ৰাইজৰ মনত অসন্তুষ্টি বিৰাজ কৰাটো স্বাভাৱিক।

নতুনকৈ পৰাধীন হোৱা স্বাধীন চিতীয়া প্ৰজাই বৃটিছৰ কূট কৌশল সকলো বুজি পালে আৰু কি উপায়ে এই ধ্বংসকাৰী শাসনৰ অৱসান ঘটাব পাৰি তাৰ উপায় চিন্তা কৰিব ধৰিলে। এই দুৰ্নীতি

একমাত্র বিদ্রোহৰ দ্বাৰাহে নির্মূল হ'ব বুলি পথৰুঘাটৰ ৰাইজৰ মনত বিশ্বাস জন্মিল। খাজনা আদায় কৰাৰ কেন্দ্ৰস্থান পথৰুঘাটৰ তহচিল অফিচৰ সন্মুখত এই বিষয়ে প্ৰায় সদায় বহুত ৰাইজ গোট খাই আলোচনা কৰিবলৈ ধৰিলে। গাঁৱে গাঁৱে ৰাইজমেল পাতি বৰ্দ্ধিত হাৰত খাজনা নিদিবলৈ সিদ্ধান্ত ল'লে আৰু ১৮৬৮ চনত বিদ্ৰোহ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।

ৰাইজৰ এই বিদ্ৰোহী ভাৱৰ সংবাদ পাই ৰাইজক বুজাবলৈ মহকুমাধিপতি, ডেপুটি কমিচনাৰ আৰু পুলিচ চাহাব পথৰুঘাট পালেহি। প্ৰজাই চৰকাৰৰ অন্যায় শোষণ নীতিৰ প্ৰতিবাদ জনালে। ডেপুটি কমিচনাৰে ৰাইজৰ আপত্তি শুনিবলৈ অমান্তি হোৱাত ৰাইজে ডেপুটি কমিচনাৰ, মহকুমাধিপতি, পুলিচ চাহাব তিনিওকো খেদি নিলে। তেওঁলোকে বাংলাৰ ভিতৰত সোমাই কোনো মতে প্ৰাণ ৰক্ষা কৰিলে। এই ঘটনাটোৰ পৰা পথৰুঘাটৰ ৰাইজ আগতকৈ বহু পৰিমাণে সজাগ হ'ল ।

এইদৰে কিছুদিন যোৱাৰ পিছত চৰকাৰে আকৌ মাটি পিয়ল কৰি খাজনা বৃদ্ধিৰ প্ৰস্তাব লোৱাত ৰাইজ জাঙুৰ খাই উঠিল। গাঁৱে, গাৱে নামঘৰে, মছজিদে, সভাই সমিতিয়ে এই বিষয়ে আলোচনা কৰিব ধৰিলে আৰু সিদ্ধান্ত কৰিলে যে তেওঁলাকে বৰ্দ্ধিত হাৰত খাজনা পৰিশোধ নকৰে। পথৰুঘাটৰ ৰাইজে লিখা-লিখিকৈ এই বিষয়ে প্ৰচাৰ কাৰ্য আৰম্ভ কৰিলে। এই বিষয়ে পথৰুঘাটৰেই স্বভাৱ কবিৰ নৰোত্তম দাসে তেওঁৰ বিখ্যাত "দলি পুৰাণ"ত এইদৰে লিখিছে--

*"এই বুলি মহাৰাণীক ৰিপোৰ্ট দিলা লেখি।*
*মহাৰাণী হুকুম দিলা কাগাজ খান দেখি।।*
*মহাৰাণীৰ হুকুম আহি মঙ্গলদৈ পালা।*
*চাহাবে দস্তখত কৰি তহচিলদাৰক দিলা।।*
*তহচিলদাৰে পৰণা লিখি গাওঁবুঢ়াক দিলা।*
*গাওঁবুঢ়াই আহি পাছে ঘৰে ঘৰে ক'লা।।*
*গাওঁবুঢ়াই বোলে ৰাইজ হ'ব লগা হ'ল।*
*পাঁচ সিকিয়া গুচি খাজানা পাঁচ টকীয়া হ'ল।।"*

অৱশেষত এটা নিৰ্দিষ্ট দিন-বাৰ ঠিক কৰি পথৰুঘাটৰ ৰাইজে তহচিলদাৰ ৰায়বাহাদুৰ ভৱানীচৰণ ভট্টাচাৰ্য্যৰ ওচৰত বৰ্দ্ধিত খাজনাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ঠিক কৰিলে।

*সেই দিনা ওলাল ৰাইজ ভাত-পানী খাই।*
*সকলো ৰাইজে ওজৰ কৰো তহচিলদাৰত যাই।।*
*ৰাইজে বোলে উঠি দেউতা খাজানা দিবা নৰো।*
*পাঁচ টকীয়া খাজানা আমি কেনেকৈ আদায় কৰো।*
*পাঁচ সিকিয়া খাজনাকে দিবৰ উপায় নাই।*
*এই বুলি ৰাইজে কয় আগবাঢ়ি যায়।।*
*ৰাইজৰ ওজৰ আপত্তি শুনি তহচিলদাৰে ক'লে--*
*"তহচিলদাৰে বোলে ৰাইজ কিনো উপায় কৰো।*
*মাহাৰানীৰ হুকুম মই লৰাব যে নৰো।।"*

ৰাইজ নিজৰ স্থিতিত অটল হৈ থাকিল। তেওঁলোকে কোনেও খাজনা পৰিশোধ নকৰিলে। তহচিলদাৰে খাজনা আদায় কৰিব নোৱাৰি চৰকাৰলৈ ৰিপোৰ্ট লিখি দিলে। চৰকাৰী পক্ষইও কৃষক ৰাইজৰ এই বিদ্ৰোহৰ খবৰ তলে তলে পাইছিল আৰু মনে মনে সিদ্ধান্তও কৰি থৈছিল। তহচিলদাৰৰ ৰিপোৰ্ট পোৱা মাত্ৰকে মহকুমাধিপতি মিঃ ৰেমচন, ডেপুটি কমিচনাৰ মিঃ এণ্ডাৰচন আৰু পুলিচ চাহাব নিজে ১২ জন সশস্ত্ৰ চিপাহী লগত লৈ পথৰুঘাটলৈ যাত্ৰা কৰিলে। চৰকাৰী বিষয়াবৰ্গ আহিব বুলি তহচিলদাৰে কৃষক ৰাইজক আগেয়েই সংবাদ দিছিল। সেইদিনা যথাসময়ত পথৰুঘাটৰ চাৰিওফালৰ অঞ্চল বৰাবাৰী, বিয়াহপেৰী, থেকেৰাবাৰী, বানেইকুছী, তুৰাই, ডাঁহি, সৰাবাৰী, লোক্ৰাই, দুনী, পাপতাপাৰা, ছিপাঝাৰ আঠিয়াবাৰী আদিৰ পৰা হাজাৰ হাজাৰ মানুহ গোট খালেহি। সমবেত প্ৰায় ৪/৫ হাজাৰ জনতাৰ হৰিধ্বনি আৰু আল্লাহ আকবৰৰ ধ্বনিৰে চাহাবক সম্বৰ্দ্ধনা জনালে। ৰাইজ আৰু চৰকাৰী পক্ষৰ মুখামুখী হ'ল। ৰাইজৰ পক্ষৰ পৰা আপত্তি দৰ্শোৱা হ'ল। চাহাবে ক'লে যে তেওঁলোকে খাজনা কম বেছি কৰিবৰ কোনো নহয়। চৰকাৰ পক্ষৰ উপৰিও কৰ্মচাৰী সকলে যি দৰে পট্টাত খাজনা বান্ধি দিছে সেইদৰে খাজনা দিবই লাগিব। কোনো আপত্তি নাখাটিব। ৰাইজে ক'লে "যদি সেয়েই হয়, তেনেহ'লে তাকে ক'বলৈকে তালৈ অহাৰ কোনো প্ৰয়োজনেই নাছিল।" এইদৰে উভয় পক্ষৰ লোকসকলৰ মাজত তৰ্ক বিতৰ্ক চলিল। নৰোত্তম দাসৰ ভাষাত--

*"চাহাবে বোলে ৰাইজ কিনো উপায় কৰো।*
*মহাৰাণীৰ হুকুম মই লৰাবকে নৰো।।*
*মনে মনে থাকা ৰাইজ মোৰ বুদ্ধি লবি।*
*পাঁচ টকীয়া খাজনাৰ অলপ কম পাবি।।*
*নেৰিবা ৰাইজৰ কথা শিৰে তুলি ললো।*
*দুই আনা হিচাপে খাজনা কমাই দিলো।।*
*হেন শুনি ৰাইজ সকল অসন্তুষ্ট ভৈলা।*
*চাহাবক ঠেলি ৰাইজ আগবাঢ়ি গৈলা।।*

উত্তেজিত ৰাইজে খাজনা দিবলৈ অসমৰ্থতা প্ৰকাশ কৰি চাহাবৰ ওচৰলৈ আগবাঢ়ি যাব ধৰিলে। সশস্ত্ৰ পুলিচ বাহিনীয়ে তাত বাধা দিলে। বাধা পাই ৰাইজ দুগুণ উত্তেজিত হ'ল। চিপাহীদলে পুলিচ চাহাবৰ মুখলৈ চালে। পুলিচ চাহাবে সংকেত দিলে। লগে লগে ৰাইজৰ ওপৰত পুলিচৰ প্ৰহাৰ আৰম্ভ হ'ল। উত্তেজিত জনতাই সন্মুখত থিয় হৈ থকা পুলিচ চাহাবৰ মূৰত টাঙানৰ কোব দিলে। লগে লগে পুলিচ চাহাব আৰু চিপাহীৰ বন্দুকৰ গুলিৰ শব্দত আকাশ ৰজনজনাই গল।

*"কথা শুনি ৰাইজেও মনে গুনি চাইলা*
*মনে মনে ভাবি চিন্তি হাতে ফৰ্ব্বত লৈলা।।*
*ৰঙাই মাৰে দলি চপৰা, লয়নে মাৰে খৰি।*
*ফৰ্ব্বত পৰি চাহাবৰ টুপি গেল পৰি।।*
*তেতিয়াই চিপাহীয়ে বন্দুক মাৰিলা।*
*বন্দুকৰ চোটত কতো বাগৰি পৰিলা।।*
*প্ৰলয় কালত যেন সৃষ্টিক নাশিলা।*
*সেই মতে পথৰুঘাটত প্ৰজাক বধিলা।"*

আগত থকা মানুহবিলাক ৰক্তাক্ত হৈ বাগৰি পৰিল। পিছৰ দলে কুঁহিয়াৰৰ খৰি লৈ আক্ৰমণ প্ৰতিৰোধৰ বাবে আগবাঢ়িল। তেওঁলোকো আগৰ দলৰ লগত মিলি শ্বহীদ হ'ল। ইয়াৰ পাচৰ দলেও নিজৰ ভাই ককাই পিতৃৰ ৰক্তাক্ত মৃতদেহ দেখিও পিছ হুঁহকি নগ'ল। দলি চপৰা আৰু ফৰ্মুতি লৈ তেওঁলোকো আগবাঢ়িল। বন্দুকধাৰী পিশাচ হ'তে এক দানবীয় আনন্দত মতলীয়া হৈ তেওঁলোককো ধৰাশায়ী কৰিলে। যিবোৰ লোক বন্দুকৰ গুলিত ভয় খাই পলাই গছৰ আঁৰত লুকাইছিল গৈ তেওঁলোকলৈ গুলিৱাওঁতে গুলিৱাওঁতে গছৰ বাকলি পৰ্যন্ত এৰাই গুচি গ'ল।

"গিৰ গিৰ কৰি চিপাহীয়ে বন্দুক মাৰিলা।
কত মানুহ গুলি পৰি কেকাই থাকিলা।।

কত আধা মৰা হ'ল কত গেল মৰি।
গছ এডালত গুলি পৰি হ'ল জৰাজৰি।।

১৮৯৪ চনৰ জানুৱাৰী মাহত সংঘটিত এই ঐতিহাসিক পথৰুঘাটৰ কৃষক বিদ্ৰোহত প্ৰায় ১৪০ জন প্ৰজাই প্ৰাণ আহুতি দিলে। ১৫০ জন মানৰ গুলি লাগি আহত হৈ মঙ্গলদৈৰ চিকিৎসালয়ত চিকিৎসালয়ত চিকিৎসাধীন হৈ থাকিবলগীয়া হ'ল। কিন্তু চৰকাৰী পক্ষৰ পৰা এই গুলিচালনাত সৰ্বমুঠ ১৫ জন নিহত আৰু ৩৭ জন আহত হোৱা বুলি প্ৰকাশ কৰিলে। দলি পুৰাণতো এজন ভিক্ষুক, বিয়ালৈ খাসি কিনিবলৈ অহা বাটৰুৱা দুজনকে ধৰি ১৪০ জন মান মানুহৰ থিতাতে মৃত্যু হোৱা বুলি উল্লেখ আছে।

"ভাঠিৰাই গাওঁবুঢ়াৰ চিঙি গেল গোৰা।
গুলি পৰি মৰি থাকিল এটা অজান বামুণৰ ঘোৰা।।
বাটত অহা ভিক্ষুকে আছিল মেল চাই।
গুলি পৰি মৰি থাকিল হামকুৰি খাই।।
জুৰণ কোচ লৰ মাৰেই লৰৌ ফৰৌ কৰি।
সাত কুৰি ৰাইজ মৰি থাকিল দাঁত চেলাই পৰি।।"

এই ঘটনাত মৃত্যু হোৱা লোকসকলক ঘটনা স্থলীৰ ওচৰতে দ-খাল (সৰু-পুখুৰী) এটিত একেলগে দম কৰি পুতি থলে। পলাই গৈ হাবিৰ মাজত পৰি থকা কোনো কোনোক শিয়াল শগুনে খালে। পথৰুঘাটৰ ৰণৰ শ্বহীদসকলৰ স্মৃতিক সাৱটি আজিও সেই ঐতিহাসিক পুখুৰীতো আছে। কাষতে জৰাজীৰ্ণ শ্বহীদ বেদীতো। শ্বহীদসকলৰ প্ৰতি আমি অসমীয়া জাতিয়ে বা আমাৰ চৰকাৰে যি শ্ৰদ্ধা প্ৰদৰ্শণ কৰিব লাগিছিল সেয়া কৰা হোৱা নাই। তাৰ প্ৰমাণ কাষতে থকা শ্বহীদ বেদীটোৱেই। আজি পৰ্য্যন্ত তাত এটা শ্বহীদ ভৱন হৈ নুঠিল।

এটা ঘটনাৰ পিছদিনাই ৫০ জন অশ্বাৰোহী গোৰা সৈনিক পথৰুঘাট পালেহি। যি দুই চাৰিজন গাঁৱৰ মুৰব্বী লোক জীয়াই আছিল তেওঁলোকক ধৰি আনি স্পেচিয়েল কনিষ্টবল পাতি ৰাষ্টাই ৰাষ্টাই পহৰা দিবলৈ বাধ্য কৰালে। সশস্ত্ৰ পুলিচ পহৰাৰ দ্বাৰা আবৃত হৈ ডেপুটি কমিচনাৰ, মহকুমাধিপতি আৰু পুলিচ চাহাবে ৮/৯ মাইল দুৰৈৰ হিন্দুঘোপা নামৰ ঠাইখনৰ ডাক বংলালৈ গৈ তাত খাজনা আদায় কৰিব ধৰিলে। যিসকল লোক হস্পিটালত চিকিৎসাধীন হৈ আছিল তেওঁলোকক আৰোগ্য হোৱাৰ পিছত ২/৩ মাহ কাৰাগাৰত ৰাখি ৬০/৭০ টকা জৰিমনা বিহি এৰি দিছিল।

অদম্য সাহস আৰু জাতীয় প্ৰেমৰ ভাবেৰে পথৰুঘাটৰ ৰাইজে সাম্ৰাজ্যবাদী শাসন শোষণৰ বিৰুদ্ধে যি চানেকি ৰাখি থৈ গ'ল; তাৰ বাবে সেই মহান শ্বহীদসকল আজিও আমাৰ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ। ভাৰতৰ স্বাধীনতা আন্দোলনক জনমুখী-গণমুখী কৰাত চিপাহী বিদ্ৰোহৰ যি ভূমিকা আছিল অসমৰ স্বাধীনতা আন্দোলনতো (অসম আৰু সমগ্ৰ ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনক বেলেগ বেলেগকৈ পৰ্যালোচনা কৰিলে) পথৰুঘাটৰ সেই একেই ভূমিকা গ্ৰহণ কৰিলেহেঁতেন। চিপাহী বিদ্ৰোহে সেই সময়ৰ ৰাজনীতিত যিমান গুৰুত্ব পাইছিল- পথৰুঘাটৰ ৰণে বা কৃষক বিদ্ৰোহে সিমানখিনি গুৰুত্ব নোপোৱাতো সমগ্ৰ অসমৰ বাবেই দুৰ্ভাগ্যজনক। বৃটিছৰ শাসনকালত অসমত প্ৰকাশিত আলোচনী, পুথি বা বাতৰিকাকত আদিয়ে এইবোৰ ঘটনা সম্পৰ্কে কোনো চৰ্চা বা আলোচনা কৰা নাছিল। ইয়াৰ কাৰণবোৰ যদিও স্পষ্টভাবে জনা নাযায়, তথাপি বৃটিছ চৰকাৰৰ বাধা, অসমৰ বুদ্ধিজীৱি সকলৰ তথাকথিত 'অৰাজনৈতিক' উদাসীনতা আদিয়েই ইয়াৰ কাৰণ বুলি ক'ব পাৰি। এনে অৰাজনৈতিক চৰিত্ৰক সুবিধাবাদী আৰু বৃটিছ চৰকাৰৰ শোষণকামী বুলিও ব্যাখ্যা কৰিব পাৰি। আনকি যি সকলে বৃটিছ চৰকাৰৰ বিৰুদ্ধে দেশৰ স্বাধীনতাৰ হকে যুঁজিছিল তেখেত সকলেও এইবোৰ ঘটনাৰ পৰা বৃটিছ চৰকাৰৰ ভূমিনীতিত থকা প্ৰজাবিৰোধী দিশটো সম্পৰ্কে উদাসীন আছিল বা চিন্তা কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা নাছিল। সেই কাৰণে আসাম বন্ধু, জোনাকী, বিজুলী আদি আলোচনীৰ দিনৰ পৰা ১৯৪৭ চনলৈ প্ৰকাশিত কোনো আলোচনী বা পুথিৰ পাতত এনেবোৰ ঘটনাৰ উল্লেখ পোৱা নাযায়। আনকি এই বিদ্ৰোহ দমন কৰাত বৃটিছক সহায় কৰা পথৰুঘাটৰ তহচিলদাৰ ৰায়বাহাদুৰ ভৱানীচৰণ ভট্টাচাৰ্য্য আৰু গুণাভিৰাম বৰুৱাৰ লগতে সেই সময়ৰ তদানীন্তত মঙ্গলদৈৰ তহচিলদাৰ সাহিত্যাচাৰ্য্য পদ্মনাথ গোহাঞিঃ বৰুৱাৰো সমৰ্থন বৃটিছ চৰকাৰে লাভ কৰিছিল বুলি শুনা যায়।

এই বিদ্ৰোহ সম্পৰ্কে 'গৱৰ্ণমেন্ট আসাম ডিষ্ট্ৰিক্ট গেজেটৰ ভলিউম ফাইভ'ত এনেদৰে ৰিপোৰ্ট আগবঢ়াইছিল--

"বিগত ৫০ বছৰৰ ভিতৰত এবাৰ মাথোন জিলাৰ আভ্যন্তৰীণ শান্তি সঙ্কটজনক ভাবে ভঙ্গ হৈছিল। পথৰুঘাট অঞ্চলৰ অধিক সংখ্যক মানুহেই মুছলমান। ই বিলাকে কেইবাবাৰো শাসন সম্পৰ্কে অস্থিৰতা প্ৰকাশ কৰিছিল। ১৮৬৮ ইং চনত যেতিয়া খাজানা বৃদ্ধি হয়, তেতিয়া গাঁৱলীয়া ৰাইজ বিদ্ৰোহী হয়। ডেপুটি কমিচনাৰ, মহকুমাধিপতি আৰু পুলিচ চাহাবক ডাক বাংলাত বেঢ়ি ধৰে। ভাগ্যে কোনো পক্ষৰ পৰা কোনো প্ৰকাৰৰ অপ্ৰীতিকৰ ঘটনা নহ'ল। ১৮৯৪ ইং চনৰ জানুৱাৰী মাহত পুনৰ যেতিয়া খাজনা বঢ়োৱা হয়, তেতিয়া এই অঞ্চলৰ মানুহে কৰ্তৃপক্ষৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰিলে। ডেপুটি কমিচনাৰে সশস্ত্ৰ পুলিচ লগত লৈ পথৰুঘাটত উপস্থিত হ'লহি। ইন্সপেকচন বাংলাৰ সন্মুখত শ-শ মানুহে জুম বান্ধিলে। ইয়াৰ পৰা জনতাক পুলিচ যোগে খেদি দিয়া হ'ল। আধা ঘন্টাৰ পিছত ৰাইজ উত্তেজিত হৈ হাতত তাঙোন, দলি, চপৰা ইত্যাদি লৈ পুনঃ উপস্থিত হ'লহি আৰু পুলিচৰ লগত সংঘৰ্ষ হৈ ওচৰৰ পথাৰলৈ নামি গ'ল। ইয়াতে জনতাই পুলিচক আক্ৰমণ কৰি আগুৰি ধৰিলে। পুলিচে বাধ্য হৈ গুলি চলালে। মানুহ বিলাক অলপো পিছ নহুকিল, বৰঞ্চ ক্ৰমান্বয়ে আগুৱাই আহিল। পুলিচে গুলি চলাই পিচুৱাবলৈ ধৰিলে। ইয়াৰ পিচত পুলিচে একেবাৰে বহুতবাৰ গুলিচালনা কৰিলে। জনতাই প্ৰতিৰোধ কৰিব নোৱাৰি আঁতৰিল। কিন্তু আকৌ জুম বান্ধি থিয় দিলে। ডেপুটি কমিচনাৰ বাংলাৰ ভিতৰত সোমায় ৰক্ষা পৰিল। এই বিদ্ৰোহত সৰ্বমুঠ ১৫ জন নিহত ৩৭ জন আহত হয়।"

সুযোগ্য নেতৃত্বৰ অভাৱ বা সু-পৰিকল্পনাৰ অভাৱত যদিও এই বিদ্ৰোহ দমন হ'ল তথাপি ই সম্পূৰ্ণ ৰূপে বিফল হোৱা বুলিও ক'ব নোৱাৰি। পিচত এই বিদ্ৰোহেই এই অঞ্চলৰ স্বাধীনতা আন্দোলনৰ যুঁজাৰু সকলক বহু পৰিমাণে অনুপ্ৰাণিত কৰাই নহয় দেশৰ হকে আত্মবলিদান দিবলৈও প্ৰেৰণা যোগাইছিল। আজিও শ্বহীদ সকলৰ সেই পূণ্য স্মৃতি; সেই নিৰক্ষৰ ৰাইজৰ পূণ্য আদৰ্শ চিৰস্মৰণীয় আৰু চিৰ পূজ্য। হে শ্বহীদ প্ৰণামো তোমাক...........

**সহায়ক গ্ৰন্থঃ**

(১) শ্ৰীপ্ৰসন্ন কুমাৰ নাথ সম্পাদিত "পথৰুঘাট"

(২) দীনেশ্বৰ শৰ্মা, শ্ৰীঅনিল ৰায়চৌধুৰী, ডঃ অমলেন্দু গুহ, শশী শৰ্মা, ডঃ হীৰেণ গোহাঁই, উদয়াদিত্য ভৰালী, ডঃ আব্দুল মান্নান আৰু ডঃ ৰমেশ চন্দ্ৰ কলিতাৰ "পথৰুঘাট" গ্ৰন্থত থকা প্ৰবন্ধসমূহ।

(৩) নৰোত্তম দাস ভণিত "দলিপুৰাণ"

*(লেখক স্নাতক দ্বিতীয় বৰ্ষ ইংৰাজী বিভাগৰ ছাত্ৰ)*

# অঙ্কীয়া নাট্য-সাহিত্যত চমু আলোকপাত

*সুৰভি মাধুৰী গগৈ*

সংস্কৃত আলঙ্কাৰিক সকলৰ মতে নাটক বিশুদ্ধ সাহিত্যৰ অন্তৰ্ভূক্ত আৰু সকলো প্ৰকাৰৰ কাব্যৰ ভিতৰত নাটকেই উৎকৃষ্ট। নাটক, সাহিত্যৰ ক্ৰমবিকাশৰ এক অপূৰ্ব সৃষ্টি। সংস্কৃত 'নট্' ধাতুৰ পৰাই 'নাট' বা নাটক শব্দৰ উৎপত্তি হৈছে। নট্ ধাতুৰ অৰ্থ নৃত্য কৰা বা নাচ কৰা। অৰ্থাৎ শৰীৰৰ অংগ প্ৰত্যংগৰ লয়লাস ভঙ্গিমাৰে কলাৰ সৃষ্টিকৰা। নৃত্য আৰু গীত সমন্বিত কথিত আখ্যানেই হৈছে নাটক।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অসমীয়া নাট্য সাহিত্যৰ জনক। তেখেতৰ সৃষ্ট "অংকীয়া নাট" সমূহৰ আগলৈকে অসমীয়া সাহিত্যত কোনো লিখিত নাটৰ নিদৰ্শন নাছিল। কেৱল অসমীয়া সাহিত্যতে নহয় পূব ভাৰতৰ প্ৰাদেশিক ভাষা হিন্দী, উৰিয়া, বঙলা আদি সাহিত্যতো তেতিয়া নাট্য সাহিত্যৰ কোনো প্ৰৱৰ্তন হোৱা নাছিল। অংকীয়া নাটসমূহ হৈছে এটা অঙ্ক বিশিষ্ট নাট। কেৱল মাত্ৰ এটা অংক থকা বাবেই এই নাট সমূহক অংকীয়া নাট বোলা হয়। গুৰুজনাই নিজে অৰণ্যে 'নাটক' বা 'যাত্ৰা' বুলিহে কৈছিল।

*প্ৰাচীন অসমীয়া নাট্যনুষ্ঠান আৰু মধ্যযুগৰ উত্তৰ-আৰু দক্ষিণ ভাৰতীয় নাট্যনুষ্ঠান আৰু সংস্কৃত নাটক এই ত্ৰিবিধ প্ৰভাৱৰ ত্ৰিবেণী সংগমত অসমীয়া অংকীয়া নাটৰ উৎপত্তি।*

প্ৰাচীন অসমীয়া নাট্যানুষ্ঠানৰ ভিতৰত লোক নৃত্য, ভাৰৰীয়া অনুষ্ঠান, ঢুলীয়া নাচ, ওজাপালি, দেওধনী নাচ আৰু পুতলা নাচৰ প্ৰচলন আছিল। অঙ্কীয়া নাট সৃষ্টিত এই থলুৱা অনুষ্ঠান সমূহৰ প্ৰভাৱ উল্লেখনীয় আছিল।

শ্ৰীমন্ত শংকৰদেৱে তীৰ্থভ্ৰমণ কৰোঁতে অসমৰ বাহিৰৰ বহুতো নাট্যানুষ্ঠানৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিল। বিশেষকৈ মধ্যযুগৰ উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় নাট্যানুষ্ঠান সমূহৰ পৰা নাট্য সাহিত্যৰ সৃষ্টিৰ প্ৰেৰণা লাভ কৰিছিল। মধ্যযুগৰ ভাৰতৰ লোক নাট্যানুষ্ঠান সমূহৰ ভিতৰত কৰ্ণাটকৰ 'যক্ষগান' কেৰেলাৰ 'কথাকলি', 'কুতুপাঠকম্', অন্ধ্ৰপ্ৰদেশৰ 'বিথা', তামিলৰ 'ভাগৱত মেলা' উল্লেখযোগ্য। উত্তৰ ভাৰতৰ নাটকানুষ্ঠানৰ ভিতৰত উত্তৰ প্ৰদেশ, ৰাজস্থানৰ 'নৌটঙ্কি', 'ৰামলীলা', 'ৰাসলীলা' মধ্য ভাৰতৰ 'মাচ' আৰু 'খ্যাল', গুজৰাটৰ 'ভৱাই' মহাৰাষ্ট্ৰৰ 'ললিত' ,'তমাশা', 'দশৱতাৰ' আৰু বংগদেশৰ যাত্ৰা আদি মধ্য যুগৰ উল্লেখ যোগ্য নাটকানুষ্ঠান। ইয়াৰ সৰহ সংখ্যক নাট্যানুষ্ঠানে কোনো লিখিত নাটকৰ নাট্যৰূপ নহয়। খুব সম্ভৱতঃ আঞ্চলিক ভাষাৰ ভিতৰত মৈথিলী সাহিত্যতে লিখিত নাট্য সাহিত্যৰ প্ৰথম নিদৰ্শন পোৱা যায়। মৈথিলী কবি উমাপত্তি উপাধ্যায়ৰ 'পাৰিজাত হৰণ' খনেই আছিল সংস্কৃতৰ বাহিৰে আঞ্চলিক ভাষাত নাটক ৰচনা কৰাৰ নিদৰ্শন স্বৰূপ। ইয়াৰ পৰাই শংকৰ দেৱে আঞ্চলিক ভাষা অসমীয়াতো নাটক ৰচনাৰ আৰ্হি গ্ৰহণ কৰা বুলি ক'ব পাৰি।

শংকৰ দেৱৰ অংকীয়া নাট ৰচনাৰ ক্ষেত্ৰত তৃতীয় প্ৰভাৱ সংস্কৃত নাটকৰ। সংস্কৃত নাটকৰ প্ৰচলন খ্ৰীষ্ট পূৰ্বৰ যুগৰে পৰা। সংস্কৃত নাটকেই তেওঁক 'অংকীয়া নাট ৰচনাৰ পথ দেখুৱাইছিল যদিও তেওঁ সংস্কৃত নাট্য সাহিত্যৰ নিয়মবোৰ পালন কৰা নাছিল।

শ্ৰীমন্ত শংকৰদেৱে এই ত্ৰিবিধ প্ৰভাৱেৰে প্ৰভাৱান্বিত হ'লেও তেওঁ গ্ৰহণ কৰিছিল বাহিৰৰ জুমুঠি এটিহে। নাটকৰ কলা-কৌশল, বিষয়বস্তু নিৰ্বাচন এক প্ৰকাৰৰ মৌলিক। অংকীয়া নাটৰ মাজত যিমান পাৰে জাতীয় ঐক্য বজাই ৰখা হৈছিল। *গুৰুজনাই অংকীয়া নাট ৰচনা কৰাৰ প্ৰধান উদ্দেশ্য আছিল লিখিব পঢ়িব নজনা আখৰ বোধ নথকা নিৰক্ষৰ জনসাধাৰণৰ ওচৰত কৃষ্ণ ভক্তি মাহাত্ম্য প্ৰচাৰ কৰা।* আখৰ বোধ নথকা মানুহে যাতে অংকীয়া ভাওনা চাই বৈষ্ণৱধৰ্মৰ কথা পৰম পুৰুষ ভাগৱান শ্ৰীকৃষ্ণৰ লীলা মাহাত্ম্য উপলব্ধি কৰিব পাৰে সেই উদ্দেশ্য আগত লৈ তেওঁ গীত পদ, কাব্য আদিৰ লগতে অংকীয়া নাট ৰচনা কৰিছিল। অংকীয়া নাটক গুৰুজনাই ধৰ্ম প্ৰচাৰৰ মাধ্যম ৰূপে গ্ৰহণ কৰিছিল। কাৰণ শ্ৰব্য কাব্যতকৈ দৃশ্য কাব্য বা নাটকৰ জৰিয়তে সহজতে আখৰ বোধ নথকা মানুহৰ মন জয় কৰিব পাৰি। সেয়ে অংকীয়া নাটবোৰ ধৰ্ম মূলক কাহিনীকো ভেঁটি কৰি ৰচনা কৰা।

প্ৰথম বাৰ তীৰ্থ ভ্ৰমণৰ পৰা অহাৰ পাছতে মহাপুৰুষে চিহ্ন যাত্ৰা নামে এখন নাটক লিখি তাৰ অভিনয় কাৰি জন সমাজক চমৎকৃত কৰিছিল। কপিলামুখৰ কুমাৰৰ হতুৱাই খোল গঢ়ালে, নটুৱা সূত্ৰধাৰ আদিক গীত মাত শিকালে, মুখা তৈয়াৰ কৰালে । ভাওনাৰ ৰভাঘৰৰ আৰু ছোঁঘৰ নিৰ্মাণ আৰু শেষত তুলাপাতত সাত বৈকুণ্ঠৰ পট অংকন কৰি লক্ষ্মীসহ সাতজন বিষ্ণুৰ পৰিষদ সহ প্ৰৱেশ দেখুওৱা হৈছিল। এই নাট আছিল সংলাপ বিহীন। কেৱল নৃত্য গীত আৰু চৰিত্ৰৰ প্ৰৱেশ দেখুওৱা হৈছিল। আন নাটকৰ দৰে ইয়াত সূত্ৰধাৰ, ধেমালি, শ্লোক, ভটিমা আদিৰ প্ৰয়োগ হোৱাৰ কথা ৰামচৰণ ঠাকুৰে উল্লেখ কৰিছে কিন্তু আখ্যান নথকাৰ কাৰণে নাইবা লিপিবদ্ধ ৰূপ নথকাৰ কাৰণে ইয়াৰ পুনৰাভিনয়ত অসুবিধা হৈছিল। সেয়ে আখ্যান আৰু সংলাপ যুক্ত অংকীয়া নাট কেইখন ৰচনা কৰে। শ্ৰীমন্ত শংকৰদেৱ বিৰচিত ছখন অংকীয়া নাটৰ ভিতৰত প্ৰথম নাট 'পত্নী প্ৰসাদ'কে ধৰি - 'কালিয় দমন', 'কেলিগোপাল', 'ৰুক্মিণী হৰণ' আৰু 'পাৰিজাত হৰণ' প্ৰধানত ভাগৱতৰ কাহিনীৰ ওপৰত ভেঁটি কৰি ৰচনা কৰা। ঠাই বিশেষে অৱশ্যে হৰিবংশ আৰু বিষ্ণুপুৰাণৰ কাহিনীৰ সংমিশ্ৰনো ঘটিছে। তেওঁৰ শেষ নাট 'ৰামবিজয়' খন একমাত্ৰ ৰামায়ণৰ কাহিনীৰ ওপৰত ৰচিত।

অংকীয়া নাট ৰচনা কৰা দ্বিতীয়জন নাট্যকাৰ মহাপুৰুষ শ্ৰীমাধৱদেৱ। 'চোৰধৰা', 'পিম্পৰা গুচুৱা', 'ভোজন ব্যৱহাৰ', 'অৰ্জুন ভঞ্জণ' আৰু 'ভুমি লোটোৱা' মাধৱদেৱৰ ৰচিত পাঁচ খন নাট। কোটোৰা খেলা, ব্ৰহ্ম মোহন, ভূষণ হৰণ, আৰু ৰাসঝুমুৰা, মাধৱদেৱৰ নামৰ সন্দেহযুক্ত নাট। কিন্তু মহাপুৰুষ মাধৱদেৱৰ নাটসমূহ ঝুমুৰা নামে খ্যাত। ভৱানীপুৰীয়া গোপাল আতাৰ 'জন্ম যাত্ৰা', 'নন্দোৎসৱ', 'উদ্ধৱ যান', ৰামচৰণ ঠাকুৰৰ 'কংস বধ', দৈত্যাৰি ঠাকুৰৰ 'নৃসিংহ যাত্ৰা',

'স্যমন্ত হৰণ', দ্বিজ ভূষণৰ 'অজামিল উপাখ্যান' শংকৰোত্তৰ যুগৰ কেইখন মান উল্লেখযোগ্য নাট।

অংকীয়া নাট সমূহ অসমীয়া সাহিত্যত একক অনন্য আৰু স্বকীয় বৈশিষ্ট্যৰে বিদ্যমান। নিজস্ব বৈশিষ্ট্যযুক্ত হোৱা বাবেই ভাৰতীয় নাট্য সাহিত্যত অংকীয়া নাট আৰু মহাপুৰুষ শংকৰ দেৱৰ স্থান আগশাৰীত। বিশেষকৈ অংকীয়া নাটৰ ভাষা, গীত, গদ্য আৰু সূত্ৰধাৰ গুৰুজনাৰ নিজস্ব অপূৰ্ব সৃষ্টি। অংকীয়া নাটৰ ভাষা ব্ৰজাৱলী মিহলি অসমীয়া। এই ব্ৰজাৱলী বা ব্ৰজাবুলি ভাৰতবৰ্ষৰ কোনো বিশেষ অঞ্চল বা কোনো সম্প্ৰদায়ৰ কথিত ভাষা নহয়। ই মধ্য যুগৰ বৈষ্ণৱ সকলে সৃষ্টি কৰা এটা কৃত্ৰিম সাহিত্যিক ভাষা। শ্ৰীমন্ত শংকৰদেৱে অংকীয়া নাটতহে প্ৰধানকৈ এই ভাষা প্ৰয়োগ কৰিছে। তেওঁৰ বৰগীত সমূহো ব্ৰজাৱলী ভাষাত ৰচনা কৰা। অংকীয়া নাটত ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰি ইয়াক পূৰ্ব ভাৰতত গ্ৰহণীয় কৰি, নাটকৰ প্ৰতি দৰ্শকৰ শ্ৰদ্ধা ভক্তি বৃদ্ধি কৰিব বিচাৰিছিল। যিহেতু ব্ৰজাৱলী পৱিত্ৰ ব্ৰজধামৰ ভাষা বুলি ভবা হয়। গতিকে বৈষ্ণৱৰ পক্ষে ইয়ো দেৱ ভাষাৰ তুল্য। শুনিবলৈকো মধুৰ।

অংকীয়া নাট সমূহ আৰম্ভণীৰ পৰা শেষলৈকে গীতি মুখৰ। ইয়াত শ্লোক, কলা সূত্ৰ বা চৰিত্ৰ সংলাপ থাকিলেও গীতৰ প্ৰভাৱেই গোটেই নাটত বেছি। সেয়ে অংকীয়া নাট সমূহক বহুতে 'গীতি নাট্য' আখ্যাও দিয়ে। ড° *বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে -- "অংকীয়া নাট, আকৃতিৰ বিচাৰত নাটক কিন্তু প্ৰকৃতিৰ বিচাৰত গীত কাব্য।" ড° মহেশ্বৰ নেওগে আকৌ --অংকীয়া নাটৰ গীতক প্ৰধানকৈ দুটা শ্ৰেণীত ভাগ কৰিছে -- 'এবিধ ৰাগ সংগীতৰ আৰু আন বিধ সাধাৰণ পয়াৰ।'*

পূৰ্ব ভাৰতৰ আঞ্চলিক ভাষাৰ নাটকত প্ৰথম গদ্যৰ প্ৰয়োগ হয় শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাটতেই। এই গদ্য সাহিত্যৰ সূচনা হৈছিল অংকীয়া নাটৰ কথা সূত্ৰ বা ভাৱৰীয়াৰ বচনত। ইয়াৰ বাহিৰে তেতিয়া অন্য গদ্যৰ পুথি ৰচনা হোৱা নাছিল। শংকৰদেৱৰ অংকীয়া নাটৰ আৰ্হিতে পাছত ভট্টদেৱে গদ্য ৰচনা কৰিছিল। অংকীয়া নাটৰ গদ্য প্ৰকৃত গদ্য নহয়। কৃত্ৰিম ব্ৰজাৱলী মিহলি অসমীয়া গদ্যহে। ই লয়যুক্ত আনকি সূত্ৰধাৰ বা ভাৱৰীয়াই গদ্যৰ বচনো সুৰ ধৰিয়ে গায়। এই অংকীয়া নাটতে প্ৰথমতে মহাপুৰুষে গতানুগতিক ভাৱে পদ্য ৰচনাৰ পৰা আঁতৰি আহি কথিত ভাষাক সাহিত্যৰ মৰ্যদা দান কৰিলে। অংকীয়া নাটৰ গদ্যত কথিত ভাষাৰ লগত ৰজিতা খুৱাই সাধাৰণ প্ৰচলিত শব্দ, খণ্ডবাক্য, উপমা আদি অলংকাৰ ব্যৱহাৰ কৰিলে।

অংকীয়া নাটৰ প্ৰধান ব্যক্তি হ'ল সূত্ৰধাৰ। সংস্কৃত নাটৰ আৰ্হিৰে অংকীয়া নাটৰ সূত্ৰধাৰৰ প্ৰয়োগ যদিও, অংকীয়া নাটৰ সূত্ৰধাৰৰ কাম সংস্কৃত নাটৰ সূত্ৰধাৰতকৈ বেছি। তেওঁ একেৰাহে গায়ক, নৰ্ত্তক, পৰিস্থিতি ব্যাখ্যাকাৰ, প্ৰযোজক আৰু অভিনয় পৰিচালকো। সূত্ৰধাৰে নাটকৰ আদিৰ পৰা অন্তলৈ মঞ্চত থাকি কাৰ্য সম্পাদন কৰিব লাগে। সংস্কৃত নাটকত সূত্ৰধাৰে নাট প্ৰস্তাৱনা কৰিয়েই মঞ্চৰ পৰা আঁতৰি যায়। সূত্ৰধাৰৰ আন কাম নাথাকে। অংকীয়া নাটৰ সূত্ৰধাৰত ওজাপালি আৰু পুতলানাচৰ ওজাৰ লক্ষণো দেখা যায়।

অংকীয়া নাটৰ সূত্ৰধাৰেই গোটেই নাটখন সুচাৰুৰূপে চলাই নিয়ে। ড° *বাণীকান্ত কাকতিৰ ভাষাত --"গোটেই ভাওনাখন যেনিবা বেৰত আঁকি থোৱা এখন ছবিৰ মানচিত্ৰ। সূত্ৰধাৰে সেই সূত্ৰবোৰ আঙুলিৰে বুজাই দিয়াৰ দৰে নাটৰ ঘটনা পৰম্পৰা আৰু সেইবোৰৰ তাৎপৰ্য ৰাইজক বুজাই দিয়ে।" সচাঁকৈ সূত্ৰধাৰৰ অনুৰূপ কল্পনা অন্য পুৰণি ভাৰতীয় সাহিত্যত নাই।*

অংকীয় নাটৰ ৰচনাৰ আৰ্হি সংস্কৃত নাটকৰ পূৰ্বৰঙ্গৰ অনুৰূপ ধেমালি, নান্দী শ্লোক, প্ৰস্তাৱনা আৰু ভৰত বাক্যৰ অনুৰূপ মুক্তি মংগল ভটিমা আৰু সূত্ৰধাৰৰ প্ৰয়োগ সংস্কৃত নাটকৰ প্ৰভাৱৰ কথা সূচায়। সি যিয়েই নহওক বীৰ, কৰুণ, অদ্ভূদ, শৃংগাৰ, ভয়ানক, বীভৎস, হাস্য আদি বিবিধ ৰসেৰে শ্ৰীমন্ত শংকৰদেৱে অংকীয়া নাট ৰচনা কৰি তাক সকলোৰে আদৰণীয় আৰু উপভোগ্য বস্তু কৰি তুলিছিল। আজিও অংকীয়া নাট সমূহ অসমীয়া সাহিত্য ভঁৰালৰ এক মূল্যবান ৰত্ন।

(লেখিকা স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ, অসমীয়া সাহিত্যৰ ছাত্ৰী)



# ৱৰ্ডছৱৰ্থৰ কবিতাৰ কেইটামান দিশ

অনিমেষ দাস

*ৱৰ্ডছৱৰ্থৰ প্ৰথম পৰিচয় হ'ল প্ৰকৃতি কবি হিচাপে। তেওঁ অৱশ্যে কবি হিচাবেই পৰিচয় দিবলৈ ভাল পাইছিল। দৰাচলতে, প্ৰকৃতিয়েই আছিল তেওঁৰ জীৱন, আচল প্ৰেমিকা, যাক তেওঁ কৈশোৰৰ প্ৰিয়া এস্থৱেইট মেৰীক পাহৰি যোৱাৰ দৰে পাহৰিব নোৱাৰিলে অথবা ফৰাচী গাভৰু আনেট ভেলঙ্ক বিশ্বাসঘাতকতা কৰাৰ দৰে বিশ্বাসঘাতকতা কৰিব নোৱাৰিলে। গোটেই জীৱন ধৰি তেওঁ প্ৰকৃতি বিচিত্ৰ সৌন্দৰ্যময় ৰূপৰ পৰাই কবিতাই অনুপ্ৰেৰণা সংগ্ৰহ কৰি কটালে। সেই কাৰণে তেওঁৰ PRELUDE অত তেওঁৰ কবিতাৰ বিষয়বস্তু 'NO OTHER THAN THE VERY HEART OF MAN' বুলি কৰিছিল। তেওঁৰ কবিতাৰ অধ্যয়ন সম্পূৰ্ণ নহয়, তেওঁৰ কবিতাৰ আন কেতবোৰ দিশ আছে যিবোৰ তেওঁৰ কবিতাৰ সম্পূৰ্ণ মূল্যাঙ্কনৰ কাৰণে অপৰিহাৰ্য্য। মই মোৰ 'ৰমন্যাস বাদৰ পটভূমি' নামৰ পুথিগত ৱৰ্ডছৱৰ্থৰ কবিতাৰ প্ৰকৃতি আৰু মানুহ স্থান, ৱৰ্ডছৱৰ্থৰ কবিতাৰ ফৰাচী বিদ্ৰোহৰ প্ৰভাৱ, ৱৰ্ডছৱৰ্থৰ কবিতাত ৰহস্যবাদৰ সুৰ, ৱৰ্ডছৱৰ্থৰ কবিতাত ৰোমান্টিক চেতনাৰ অভিব্যক্তি আদি কেইটামান বিষয় আলোচনা কৰিছোঁ। গতিকে ইয়াত সেইবোৰৰ পুনৰুক্তি কৰা নহয়। তেওঁৰ কবিতাৰ আন কেইটামান প্ৰাসঙ্গিক দিশৰ কথাহে ইয়াত আলোচনা কৰা হ'ল।*



## (১)

ৱৰ্ডছৱৰ্থৰ প্ৰকৃতি জগতৰ সম্পৰ্কিত এটা বিষয় হ'ল তেওঁৰ নিৰ্জ্জনতাৰ প্ৰতি আকৰ্ষণ। প্ৰকৃতি কবি হিচাবে আৰু মানুহৰ কবি হিচাপে তেওঁ নিৰ্জনতাৰ কবিও। সেই কাৰণে অধ্যাপক বেডলীয়ে কৈছে যে ৱৰ্ডছৱৰ্থৰ "IS PRE-EMINENTLY THE POET OF SOLITUDE" অধ্যাপক বাৰ্ণাৰ্ড গ্ৰুমেও ৱৰ্ডছৱৰ্থৰ প্ৰকৃতি কবিতাত কবিৰ নিৰ্জন ঠাইৰ আত্মাৰ অস্তিত্ববোধৰ (Scne of the souls of lonely places) কথা উল্লেখ কৰিছে। নিৰ্জনতাৰ প্ৰতি আৰ্কষণৰ কথা কবিয়ে নিজে তলত উদ্ধৃত কৰা শাৰী কেইটাত ব্যক্ত কৰিছে—

The outword shows of sky and earth,
of hill and valley, he has viewed;
And impulse of deepend birth
have come to him in solitude

ৱৰ্ডছৱৰ্থৰ কাব্য দৃষ্টিত এই নিৰ্জনতাৰ গুৰুত্ব হ'ল অতি তাৎপৰ্যপূৰ্ণ। এই প্ৰসঙ্গত অধ্যাপক স্মিথে (J.C. Smith) লিখিছে—

—"ৱৰ্ডছৱৰ্থৰ কবি মানসত কল্পনা প্ৰৱণতাৰ সৃষ্টি কৰাৰ কাৰণে নিৰ্জনতা ছবি ইমান প্ৰয়োজনীয় হৈ পৰিছিল যে বাস্তৱত ইয়াৰ অস্তিত্ব নাথাকিলেও তেওঁ ইয়াক সৃষ্টি কৰি লৈছিল। ইয়াৰ এটা সুন্দৰ উদাহৰণ হ'ল 'The Daffodils' নামৰ কবিতাটো। সেই কাৰণে তেওঁ কবিতাটোত আৰম্ভ কৰিছে এইদৰে— "I wandered lonely as a Cloud."

মিল্টনৰ দৰে ৱৰ্ডছৱৰ্থে তেওঁৰ কবিতাত কিছুমান নিঃসঙ্গ বা অকলশৰীয়া চৰিত্ৰৰ অৱতাৰণা কৰিছে। কিন্তু দুয়োজন কবিৰ চৰিত্ৰবোৰৰ মাজত কিছুমান দিশত পাৰ্থক্য পৰিলক্ষিত হয়। মিল্টনৰ চৰিত্ৰবোৰ কৰ্মক্ষম বা কৰ্মপটু কিন্তু ৱৰ্ডছৱৰ্থৰবোৰ নিষ্ক্ৰিয়; মিল্টনৰ চৰিত্ৰবোৰ বিপ্লৱী, ৱৰ্ডছৱৰ্থৰ চৰিত্ৰবোৰ বিপ্লৱী নহয়, তেওঁলোকে প্ৰচলিত সমাজ ব্যৱস্থা মানি লৈছে। তেওঁলোক ঈশ্বৰ-বিশ্বাসীও। এই প্ৰসঙ্গত চাৰ্লছ উইলিয়ামছে (Charles Williams) কোৱা কথাখিনি উল্লেখযোগ্য। তেওঁৰ মতে এই চৰিত্ৰবোৰে অৰ্দ্ধ অলৌকিক (Semi-mystical) ভীতিভাৱৰ একপ্ৰকাৰ অদ্ভুদ অনুভূতি প্ৰকাশ কৰে।

ৱৰ্ডছৱৰ্থৰ দ্বাৰা চিত্ৰিত নিঃসঙ্গ চৰিত্ৰবোৰৰ মহত্ব এইখিনিয়েই যে সেইবোৰৰ বহুতে শক্তি আৰু সহন-শীলতা গুণ প্ৰদৰ্শন কৰে। উদাহৰণ স্বৰূপে লণ্ডণ মহানগৰীৰ ভিক্ষাৰীজনৰ বিষয়ে কবিয়ে উক্তি কৰিছে এইদেৰে—

" And, on the shape of that unmoving man,
his steadfast face and sightless eyes, I gazed,
As if admonished from another world."

(Prelude VII)

এই নিঃসঙ্গ চৰিত্ৰ বোৰেই ৱৰ্ডছৱৰ্থৰ সৰ্ব্বোৎকৃষ্ট কবিতা সমূহৰ কল্পনা-মাধুৰীত (visionary charm) অৰিহণা যোগাইছে।

## (২)

ৱৰ্ডছৱৰ্থৰ কবিতাৰ আন এটি তাৎপৰ্যপূৰ্ণ দিশ হল তেওঁৰ কবিতাৰ মাজেৰে প্ৰকাশ পোৱা উদ্দেশ্যধৰ্মীতা বা নীতিধৰ্মিতা (didacticism) আনে তেওঁক সদায় শিক্ষক হিচাবে গ্ৰহণ ৱৰ্ডছৱৰ্থে বিচাৰিছিল। এবাৰ কবিয়ে তেওঁৰ বন্ধু চাৰ জৰ্জ বুমণ্টলৈ (Sir George Beaumont) লিখিছিল— " Every great poet is a teacher; I wish either to be considered as a teacher or as nothing ... There is scarcely one of my poems which does not aim to direct the attention to some moral sentiments, or to some general principles, or laws of thought, or of our intellectual constitution." ইয়াৰ অৰ্থ হ'ল এই— "প্ৰত্যেক মহৎ কবিয়েই একোজন শিক্ষক। মোক লোকে শিক্ষক বুলিয়েই গ্ৰহণ কৰাটো বিচাৰো, নহলে আন একো বুলি গ্ৰহণ কৰিব নালাগে।"

ৱৰ্ডছৱৰ্থৰ প্ৰকৃতি কবিতা বোৰৰ মাজতেই তেওঁৰ নীতিবাদ বেচি স্পষ্টকৈ ফুটি উঠিছে। এই কবিতাবোৰত প্ৰকৃতি বন্দনা বা প্ৰকৃতি পূজাই উচ্চ আসন লাভ কৰিছে।

ৱৰ্ডছৱৰ্থে তেওঁৰ কিছুমান কবিতাত সাধাৰণ লোকৰ চৰিত্ৰ অতি সহানুভূতি সহকাৰে অঙ্কন কৰিছে, আৰু ইয়াৰ জৰিয়তে তেওঁ পাঠকক নিঃকিণ আৰু পদদলিত লোকৰ প্ৰতি সহানুভূতিশীল হ'বলৈ পৰোক্ষভাৱে উপদেশ দিছে। কবিয়ে কোনো লোকক গুৰুত্বহীন বুলি ভবা নাই। উদাহৰণ স্বৰূপে কাম্বাৰলেণ্ডৰ বুঢ়া মগনীয়াজনক উদ্দেশ্য কৰি লোকক কৈছে— "But deem this man useless." যিসকল মেধাৱী, জ্ঞানী বা ক্ষমতাশীল বুলি ভাৱে তেনে লোকক উদ্দেশ্য কৰিও তলত উদ্ধৃত কৰা নীতিকথাখিনি শুনাইছে—

Deem him not
A burtde of the earth! 'Tis Nature's law
That none, the meanest of created things,
Of forms Created the most vile and brute,
The dullest or most noxious, should exist
Divorced from good a Spirit and pulse of good,
A life and soul, to every mode of being
Inseparably linked.

(The Old Camberland Beggar)

কবিৰ মতে ডাঙৰ-সৰু সকলোৰে আছে আত্মা, একে মানৱ আত্মা, একে মানৱ অন্তৰ। গতিকে কোনো অবজ্ঞাৰ পাত্ৰ হ'ব নোৱাৰে।

বহুতো সমালোচকৰ মতে প্ৰচাৰধৰ্মী হোৱাটো ৱৰ্ডছৱৰ্থৰ কবিতাৰ এটিক্ৰটী। কিন্তু এই মত সাৰ্ব্বজনীনভাৱে গৃহীত নহয়। তেওঁৰ কবিতাৰ নীতিধৰ্মিতাৰ যে মূল্য আছে তাক অধ্যাপক লিগুইয়ে স্বীকাৰ কৰিছে— " The Lyrical Ballads and the poems of the same group are a series of moral analysis of a rich intrinsic value, discretely guided by edifying and utilitarian purpose."

## (৩)

কবি ৱৰ্ডছৱৰ্থৰ আত্মকথাই তেওঁৰ কবিতাত কেনেদৰে অভিব্যক্তি লাভ কৰিছে সিয়ো আমাৰ কাৰণে বিচাৰ্য্য বিষয়। তেওঁৰ কবিতা হ'ল আভ্যান্তৰীণ অভিজ্ঞতাৰ, অৰ্থাৎ মানসিক অনুভূতিৰ যথাৰ্থ অভিলেখ। তেওঁৰ কবিতাৰ খ্যাতি কেৱল প্ৰকৃতিৰ মনোমোহা দৃশ্যৰাজিৰ বৰ্ণনাৰ কাৰণেই নহয়, প্ৰকৃতি জগতৰ প্ৰতি তেওঁৰ আবেগিক প্ৰতিক্ৰিয়া বা তেওঁৰ গোটেই প্ৰকৃতি দৰ্শনকে ইয়াৰ অন্যতম কাৰণ বুলিব পাৰি। তেওঁৰ Prelude, Excursion আদি দীঘলীয়া কবিতাবোৰ আত্মবৃত্তান্তমূলক ; আনহাতে Lucy, Matthew, Tintern Abbey, Ode to Duty, Immortality Ode আদি কবিতা বোৰত মানৱজীৱন আৰু প্ৰকৃতি সম্পৰ্কে তেওঁৰ দৃষ্টিভঙ্গী প্ৰকাশ পাইছে।

Prelude মহাকাব্যখনৰ সম্পৰ্কত এটি উল্লেখ যোগ্য কথা হল, ই মানুহ হিচাবে ৱৰ্ডছৱৰ্থৰ আত্মজীৱনী নহয়, কবি হিচাবে ৱৰ্ডছৱৰ্থৰ আত্মজীৱনী। উদাহৰণ স্বৰূপে -

Fair seed- time had my soul, and I grew up
Fostered alike by Beauty and by fear (Book I)

এই আত্মজীৱনীখনৰ বাহিৰে কেইটিমান বিখ্যাত কবিতাতো ৱৰ্ডছৱৰ্থে আত্ম প্ৰকাশ কৰিছে। প্ৰথমতে আমি তেওঁৰ Tintern Abbey নামৰ প্ৰখ্যাত কবিতাটোকে আলোচনা কৰোঁ। অধ্যাপক Myers মতে এই কবিতাটো হ'ল ৱৰ্ডছৱৰ্থৰ বিশ্বাসৰ (প্ৰত্যয়ৰ) পবিত্ৰ বিধান। এই কবিতাটোক আত্মকথা মূলক বুলি এই কাৰণেই কোৱা হৈছে যে ইয়াত কবিয়ে তেওঁৰ ল'ৰালিকালৰ পৰা ভাটি বয়সলৈকে প্ৰকৃতিৰ প্ৰতি দৃষ্টিভঙ্গীৰ বিকাশৰ বিভিন্নস্তৰ নিৰ্ণয় কৰিছে।

উপৰোক্ত প্ৰধান কবিতা কেইটাৰ বাহিৰে আন কেতবোৰ

কবিতাতো ৱৰ্ডছৱৰ্থৰ আত্মকথা ফুটি উঠিছে। ইয়াৰ বাহিৰে চনেট আৰু লিৰিক কিছুমানতো ৱৰ্ডছৱৰ্থে তেওঁৰ জীৱনৰ কিবা নহয় কিবা এটা দিশ প্ৰতিফলিত কৰিছে।

## (৪)

ৰোমান্টিক কবিসকলৰ ভিতৰত ৱৰ্ডছৱৰ্থ আৰু ব্লাকৰ (Blake) কবিতাতো বাল্যকালে(childhood) এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। 'The child is the father of the man'- ৱৰ্ডছৱৰ্থৰ এই বিখ্যাত উক্তিটোৱে দাঙি ধৰে শৈশৱৰ প্ৰতি তেওঁৰ দৃষ্টিভংগীৰ স্বৰূপ। ব্লাকৰ দৰে ৱৰ্ডছৱৰ্থেও শিশুৰ বাহ্যিক চেহেৰা বা সৰলতাত জোৰ দিয়া নাই, জোৰ দিছে শিশুৰ জৰিয়তে প্ৰকাশ পোৱা কিছুমান ৰহস্যময় আৰু দাৰ্শনিক দিশত। তেওঁৰ মতে, শিশুৰ বাহ্যিক সৰলতাৰ মাজেৰেই প্ৰকাশ হৈছে ৰহস্যময় মহিমা। Immortality ode ত কবিয়ে শিশুক 'Mighty prophet', 'seer blest' আদি আখ্যা দিছে।

ৱৰ্ডছৱৰ্থ যেতিয়া ফৰাচী দেশৰপৰা মোহভংগ হৈ ঘূৰি আহিল তেতিয়া শৈশৱৰ স্মৃতিয়েই হৈ পৰিল তেওঁৰ কাৰণে আৰোগ্যকাৰী প্ৰলেপ। Prelude মহাকাব্যৰ প্ৰথম খণ্ডত তেওঁ নিজৰ শৈশৱকালৰ কথা স্মৰণ কৰি কৈছে—

Even then I felt  
Gleams like the flashing of a shield;- the earth  
And Common face of Nature spake to me  
Rememberable things; sometimes, 'tis true,  
By chance collisions and quaint accidents  
(Like those ill-sorted unions, work supposed  
of evil-minded fairies), yet not vain  
Nor profitless, if happy they impressed  
Collateral objects and appearances,  
Albert lifeless then, and doomed to sleep  
Until nature seasons called them forth  
To impregnate and to elevate the mind.

ৱৰ্ডছৱৰ্থে শিশু সকলক মহিমামণ্ডিত কৰি তোলাৰ কাৰণ হ'ল- তেওঁৰ দৃষ্টিত "they are the very image of God brought up in natural sorroundings." শিশুক গৰিমামণ্ডিত কৰি তোলা বিষয়টো এটি বিতৰ্কৰ বিষয় হৈ উঠা দেখা গৈছে। কিন্তু আমি মনত ৰাখিব লাগিব যে ৱৰ্ডছৱৰ্থ আছিল প্ৰধানতঃ এজন কবি, দাৰ্শনিক নহয়। সেই কাৰণে শৈশৱকাল সম্পৰ্কে তেওঁৰ ধাৰণা বা দৃষ্টিভংগী কাব্যিক আৰু ৰহস্যধৰ্মী, দাৰ্শনিক নহয়।

## (৫)

ৱৰ্ডছৱৰ্থৰ কবিতাত প্ৰেমৰ স্থান সম্পৰ্কেও আলোচনাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। আন আন ৰোমান্টিক কবিৰ দৰে তেৰো আছিল এজন প্ৰেমৰ কবি। তেওঁৰ কবিতাৰ মাজেৰে প্ৰকাশ পোৱা প্ৰেমৰ চিত্ৰকেই আচল বা বাস্তৱ বুলি বহুত লোকে গণ্য কৰে। ৱৰ্ডছৱথৰ প্ৰেমৰ কবিতাত আবেদন গভীৰ। প্ৰেমৰ কবি হিচাবে ৱৰ্ডছৱৰ্থে কেৱল ডেকা-গাভৰুৰ মাজত দেহজ প্ৰেম বা স্বামী-স্ত্ৰীৰ মাজৰ দাম্পত্য প্ৰেমৰ ছবিয়েই আঁকা নাই, তেওঁৰ কবিতাত চিত্ৰিত হৈছে পিতা-পুত্ৰৰ মাজৰ মৰম, মাক-জীয়েকৰ মাজৰ মৰম, ভাতৃ প্ৰেম, পশু-পক্ষীৰ প্ৰতি মৰম আৰু মানৱ প্ৰেম। গতিকে দেখা যায় যে তেওঁৰ প্ৰেমৰ কবিতাৰ পৰিসৰ আন কবিতকৈ বেছি বহল।

ৱৰ্ডছৱৰ্থে তেওঁৰ প্ৰেমৰ কবিতাত ক'তো ভগৱত প্ৰেমৰ কথা কোৱা নাই। তেওঁৰ প্ৰেম মানৱ সমাজৰ পাৰ্থিৱ প্ৰেম। মানুহৰ জীৱন হ'ল কিছুমান মহত্তৰ উদ্দেশ্য সাধনৰ বাবেহে। প্ৰেম হ'ল ঈশ্বৰ-প্ৰদত্ত এক মহান শক্তি। ইয়াৰ উপৰিও ৱৰ্ডছৱৰ্থৰ মানৱ প্ৰেম আছিল আন্তৰিক, আৰু শ্ৰদ্ধাপূৰ্ণ। বিশেষকৈ মানুহৰ প্ৰতি তেওঁৰ মৰম শ্ৰদ্ধা আছিল অকপট - Love had he found in huts where poor men live.

## (৬)

ৱৰ্ডছৱৰ্থৰ কবিতা প্ৰসংগত মাজে সময়ে এটি প্ৰশ্নৰ সন্মুখীন হ'ব লগা হয়। প্ৰশ্নটো হ'ল - ৱৰ্ডছৱৰ্থৰ কবিতাই ডেকাচামৰ পাঠকক আকৃষ্ট কৰিব পাৰেনে? কোনো কোনো সমালোচকৰ মতে, ৱৰ্ডছৱথৰ কবিতাই ডেকাচামক আকৃষ্ট কৰিব নোৱাৰে। তেওঁলোকে ইয়াৰ কাৰণ বোৰ দিছে এইদৰে—

(১) যুৱকসকলে এনেকুৱা ধৰণৰ কবিতা বিচাৰে যিয়ে তেওঁলোকক যোগাব পাৰে আৱেগ-উদ্দীপনা, যি কবিতা ইন্দ্ৰিয়গ্ৰাহ্য আৰু আমাৰ ভাৱানুভূতি জগাই তুলিব পৰা।

(২) যুৱকসকলে কৰে ভৱিষ্যতৰ চিন্তা, তেওঁলোকে সোণালী ভৱিষ্যতৰ সপোন ৰচে। কিন্তু ৱৰ্ডছৱৰ্থৰ কবিতাৰ ভাৱ-ভংগী হ'ল অতীতমূখী। গতিকে এনেকুৱা ধৰণৰ কবিতাৰ প্ৰতি যুৱকসকলৰ আকৰ্ষণ নথকাটো স্বাভাৱিক।

(৩) অনুভূতিৰ গভীৰতা ৱাৰ্ডছৱৰ্থৰ কবিতাৰ অন্যতম লক্ষণ। গতিকে তেওঁৰ কবিতা হৃদয়ংগম কৰিবলৈ হ'লে মননশীলতাৰ পৰিপক্কতাৰ প্ৰয়োজন।

(৪) ডেকাচামৰ পাঠকে কবিতাত বিচাৰে বৰ্ণৰ প্ৰাচুৰ্য, চাঞ্চল্যকৰ আৰু চমকপ্ৰদ কাৰ্য্যকাৰিতা আৰু জাকজমকতাপূৰ্ণ চমক। ৱৰ্ডছৱৰ্থৰ কবিতাত এইবোৰ একোৱেই পাবলৈ নাই।

(৫) হিয়াত থৌকি-বাথৌ লগোৱা যৌৱনৰ উদ্দাম প্ৰেমৰ চিত্ৰ ৱৰ্ডছৱৰ্থৰ কবিতাত পাবলৈ নাই।

(৬) ৱৰ্ডছৱৰ্থে তেওঁৰ কবিতাত শিক্ষকৰ ভূমিকা গ্ৰহণ কৰিছে। ডেকাসকলে তেওঁলোকক সকলো সময়তে শিক্ষা দিয়া বা উপদেশ দিয়া প্ৰৱণতা সমাদৰ নকৰে। এইবোৰ কাৰণত ডেকাসকল ৱৰ্ডছৱৰ্থৰ কবিতাৰ প্ৰতি আকৰ্ষিত নহয়। কেৱল পৌঢ় বয়সৰ লোকেহে তেওঁৰ কবিতাত প্ৰদৰ্শিত প্ৰকৃতি জগত আৰু মানৱ সমাজৰ শান্ত সমাহিত ৰূপৰ সমাদৰ কৰে।

কবিতাৰ মাজেৰে মানৱজীৱনৰ চিত্ৰ প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰতো ৱৰ্ডছৱৰ্থৰ প্ৰভাৱ তেওঁৰ পিছৰ কবিসকলৰ ওপৰত পৰিছে। ৱৰ্ডছৱৰ্থৰ কবিতাত চিত্ৰিত হৈছে সাধাৰণ লোকৰ জীৱন আৰু তেওঁৰ দৃষ্টিভংগী হ'ল গণতান্ত্ৰিক। ইয়াৰ প্ৰভাৱ শ্যেলীৰ ওপৰত পৰে। আধুনিক যুগতো কবিতাৰ মাজেৰে যি গণতান্ত্ৰিক ভাৱধাৰা প্ৰচাৰিত হৈছে তাৰ মূলতে ৱৰ্ডছৱৰ্থ। মেছফিল্ড, ব্লাণ্ডেন আদিয়ে সাধাৰণ মানুহৰ প্ৰতি যি সহানুভূতি প্ৰকাশ কৰিছে তাৰো মূলতে হ'ল ৱৰ্ডছৱৰ্থৰ অনুপ্ৰেৰণা। *(সহায়লৈ)*

*(লেখক স্নাতকোত্তৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ)*

# প্ৰাচীন ভাৰতৰ ৰাজনীতি

—*মিনতি কুৰ্মী*

ভাৰতবৰ্ষ এখন অতিকে প্ৰচীন দেশ। ইতিহাসৰ প্ৰাৰম্ভিক কালৰে পৰাই এইখন দেশে সভ্যতাৰ উচ্চ শিখৰত আৰোহণ কৰিব পাৰিছিল। আজিৰ পশ্চিমীয়া উন্নত সু-সভ্য মানৱ সভ্যতাৰ আৱাসস্থল ইউৰোপ মহাদেশ যি সময়ত অজ্ঞান আন্ধাৰত ডুব গৈ আছিল সেই দূৰ অতীততে ভাৰতবৰ্ষত অতিকে উন্নত শ্ৰেণীৰ মানবিশিষ্ট সভ্যতা স্থাপিত হৈছিল। ভাৰত মাতৃৰ সন্তান হিচাপে এই উপমহাদেশৰ সুপ্ৰাচীন মহান সভ্যতাক লৈ আজি আমি নিঃসন্দেহে গৌৰৱ কৰিব পাৰো।

প্ৰাচীন ভাৰতৰ ইতিহাসৰ ওপৰত গৱেষণা চলাই স্বীকৃতি লাভ কৰা এজন সুপ্ৰসিদ্ধ ব্যক্তি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ডঃ যোগীৰাজ বসুৰ উক্তি অনুযায়ী খৃঃ পূঃ প্ৰায় ২৫০০ বছৰৰ পৰা ৩০০০ বছৰৰ আগতেই ভাৰতবৰ্ষত উন্নত শ্ৰেণীৰ সভ্যতা বিৰাজমান আছিল। পৃথিৱীৰ অতি প্ৰাচীন সভ্যতাবিলাকৰ ভিতৰত হোৱাংহো, নীল, টাইগ্ৰীচ আৰু ইউফ্ৰেটিছ নদীৰ পাৰত গঢ়ি উঠা সভ্যতা সমূহক ধৰা হয় আৰু এইবিলাক সভ্যতাৰ সমসাময়িক সভ্যতা হিচাপে ভাৰতৰ পঞ্চনন্দ আৰু বিশেষকৈ সিন্ধু নদীৰ তীৰৱৰ্ত্তী অঞ্চলৰ সভ্যতাকে ধৰা হয়। সিন্ধু উপত্যকাৰ সভ্যতা বাস্তবিকতে অতি উচ্চ আছিল।

সিন্ধু উপত্যকাৰ সভ্যতাৰ ধ্বংসৰ পিছত এই উপমহাদেশত প্ৰৱেশ কৰা আৰ্য্য নামৰ অতি উন্নত জাতিয়ে বসতি স্থাপন কৰে। তেওঁলোকে সিন্ধু আৰু গঙ্গা উপত্যকাত ভালেমান ৰাজ্য স্থাপন কৰিছিল আৰু বহু হেজাৰ বছৰ ধৰি শাসন কাৰ্য্য চলাইছিল। অধ্যাপক ডি. আৰ. ভাণ্ডাৰকৰে কৈছে যে ভাৰতৰ প্ৰাচীন ৰাজনীতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ হ'লে আমি অতি কমেও ১৭০০ খৃঃ পূৰ্বলৈকে যাব লাগিব আৰু ড° কে. পি. জয়ছয়ালেও তেখেতৰ এই মত গ্ৰহণ কৰিছে। কাজেই সেই দূৰ অতীতৰ পৰা প্ৰায় ১৪০০ শ খৃষ্টাব্দলৈকে প্ৰায় ৩০০০ বছৰ জুৰি ভাৰতবৰ্ষত প্ৰতিষ্ঠা লাভ কৰা হিন্দু ধৰ্ম আৰু ৰাজনীতিৰ বিষয়ে সম্যক ৰূপে আলোচনা আগবঢ়াবলৈ ইয়াত প্ৰয়াস কৰা হৈছে।

প্ৰাচীন ভাৰতৰ ৰাজনীতি যথেষ্ট আগবঢ়া আছিল। যদিও ধৰ্ম, অৰ্থ, সমাজ আৰু নীতিশাস্ত্ৰৰ লগত ইয়াৰ ওতঃপ্ৰোত সম্পৰ্ক আছিল। সেই সময়ৰ সমাজ ব্যৱস্থাত প্ৰচলিত ৰাজনীতিক 'ৰাজধৰ্ম' বোলা হৈছিল। এই ৰাজধৰ্মত দেশৰ আইন-কানুন, বিধি আৰু নৈতিকতাকো সাঙুৰি লোৱা হৈছিল। সেয়ে পশ্চিমীয়া ৰাজনীতি বিজ্ঞানৰ পণ্ডিতসকলে প্ৰাচীন ভাৰতীয় ৰাজনীতিক হিন্দু দৰ্শন বা হিন্দু ধৰ্মৰ এটা অংশ বুলি কৈ হিন্দু ৰাজনীতি বিজ্ঞানৰ সুকীয়া অস্তিত্বৰ কথা মানি ল'ব খোজা নাই। পশ্চিমীয়া পণ্ডিতসকলৰ মনত উপজা এনে ধাৰণাৰ গুৰিতে হ'ল ভাৰতৰ প্ৰাচীন ৰাজনীতিবিদ সকলে ৰাজনীতিৰ ওপৰত লিখা পুথি-পাঁজি বিলাকৰ নামাকৰণ। এই ৰাজনীতিবিদ সকলৰ ভিতৰত মনু হ'ল ভাৰতীয় ৰাজনীতি বিজ্ঞানৰ পিতা স্বৰূপ। তাৰপিছত আমি যথাক্ৰমে পৰাশৰ, যাজ্ঞবল্ক্য, বৃহস্পতি, কৌটিল্য আদিৰ নাম ল'ব পাৰো। ৰাজধৰ্মৰ ওপৰত ৰচনা কৰা এইসকল ৰাজনীতিবিদৰ পুথিবোৰত হিন্দু ৰাজনীতিক যথাক্ৰমে ৰাজধৰ্ম, অৰ্থশাস্ত্ৰ, দণ্ডনীতি, নীতিশাস্ত্ৰ ইত্যাদি হিচাপে বৰ্ণনা কৰা হৈছে।

যিহেতু ৰাজনীতি বিজ্ঞানে ৰজাৰ দায়িত্ব আৰু কৰ্ত্তব্যৰ বিষয়ে আলোচনা কৰে সেয়ে প্ৰাচীন ভাৰতৰ ৰাজনীতিক ৰাজধৰম, ৰাজধৰ্ম অথবা ৰাজ্যৰ নীতি বোলা হৈছিল। সাধাৰণতে সেই যুগত 'মনাৰ্কি' অৰ্থাৎ ৰাজতন্ত্ৰৰে সচৰাচৰ প্ৰচলন আছিল আৰু সেইবাবে প্ৰাচীন ভাৰতীয় ৰাজনীতি বিজ্ঞানে ৰজাৰ প্ৰজাবৰ্গৰ প্ৰতি থকা কৰ্ত্তব্য, ৰজাৰ আচৰণবিধি, এজন সুদক্ষ প্ৰশাসক হিচাপে ৰজাৰ থাকিব লগা গুণাৱলী, ৰাজ্য ধৰ্মৰ লগত তেওঁৰ সম্পৰ্ক ইত্যাদি বিষয় সমূহ সাঙুৰি লৈছিল।

ভাৰতীয় ৰাজনীতি বিজ্ঞানৰ জনকস্বৰূপ মনুৱে ৰাজনীতিৰ ওপৰত চৰ্চা কৰিছিল। তেওঁ ৰাজনীতিক দণ্ডনীতি বুলি অভিহিত কৰিছিল।

*ভাৰতীয় ৰাজনীতি বিজ্ঞানৰ জনকস্বৰূপ মনুৱে ৰাজনীতিৰ ওপৰত চৰ্চা কৰিছিল। তেওঁ ৰাজনীতিক দণ্ডনীতি বুলি অভিহিত কৰিছিল। ৰাজ্য অক্ষত ৰাখিবলৈ হ'লে দণ্ডনীতিৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ দণ্ডনীতি ৰচনা কৰিছিল। দোষীক শাৰীৰিক শাস্তি দিয়াৰ বিধান আৰু ব্যক্তিৰ লগত ৰাজ্যৰ তথা ৰজাৰ সম্পৰ্কৰ বিষয়ে ইয়াত বিতংভাৱে আলোচনা কৰা হৈছে। দণ্ডনীতিয়ে দুখীয়া নিচলা আৰু সমাজৰ তল শ্ৰেণীৰ লোকসকলক অসৎ আৰু অসাধু ধনবন্ত লোকৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ ৰক্ষা কৱচ হিচাপে কাম কৰিছিল। ঠিক সেই একেদৰে মগধৰাজ চন্দ্ৰগুপ্ত মৌৰ্য্যৰ প্ৰধানমন্ত্ৰী কৌটিল্য বা চাণক্যই তেওঁৰ ৰাজনীতি বিজ্ঞানৰ পুথি 'অৰ্থশাস্ত্ৰ'ত এখন ৰাজ্য সুচাৰুৰূপে পৰিচালনাৰ বাবে ৰজাৰ প্ৰয়োজন হোৱা বিধি-বিধানৰ বিস্তৃত ব্যাখ্যা দিছে। এজন পৰাক্ৰমী ৰজাৰ বাবে প্ৰয়োজন হোৱা 'সাম, দাম, দণ্ড আৰু ভেদ'-- এই চাৰিটা গুৰুত্বপূৰ্ণ ৰাজনীতিৰ বিষয়ে তেওঁ চৰ্চা কৰিছে।*

ৰাজ্য অক্ষত ৰাখিবলৈ হ'লে দণ্ডনীতিৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ দণ্ডনীতি ৰচনা কৰিছিল। দোষীক শাৰীৰিক শাস্তি দিয়াৰ বিধান আৰু ব্যক্তিৰ লগত ৰাজ্যৰ তথা ৰজাৰ সম্পৰ্কৰ বিষয়ে ইয়াত বিতংভাৱে আলোচনা কৰা হৈছে। দণ্ডনীতিয়ে দুখীয়া নিচলা আৰু সমাজৰ তল শ্ৰেণীৰ লোকসকলক অসৎ আৰু অসাধু ধনবন্ত লোকৰ কৱলৰ পৰা ৰক্ষা কৰিবলৈ ৰক্ষা কৱচ হিচাপে কাম কৰিছিল। ঠিক সেই একেদৰে মগধৰাজ চন্দ্ৰগুপ্ত মৌৰ্য্যৰ প্ৰধানমন্ত্ৰী কৌটিল্য বা চাণক্যই তেওঁৰ ৰাজনীতি বিজ্ঞানৰ পুথি 'অৰ্থশাস্ত্ৰ'ত এখন ৰাজ্য সুচাৰুৰূপে পৰিচালনাৰ বাবে ৰজাৰ প্ৰয়োজন হোৱা বিধি-বিধানৰ বিস্তৃত ব্যাখ্যা দিছে। এজন পৰাক্ৰমী ৰজাৰ বাবে প্ৰয়োজন হোৱা 'সাম, দাম, দণ্ড আৰু ভেদ'– এই চাৰিটা গুৰুত্বপূৰ্ণ ৰাজনীতিৰ বিষয়ে তেওঁ চৰ্চা কৰিছে।

প্ৰাচীন ভাৰতত ৰচিত মহাপুৰুষ সকলৰ নীতিশাস্ত্ৰৰ শিকনিয়ে ব্যক্তি আৰু সমাজৰ পুষ্টিসাধন আৰু উৎকৰ্ষৰ বাবে প্ৰয়োজন হোৱা বিধি-বিধানৰ ওপৰত গুৰুত্ব দিয়া বাবেই সেইযুগৰ ৰজা-মহাৰজা আৰু পাত্ৰ-মন্ত্ৰীৰ লগতে অন্যান্য নাগৰিকসকলে সাধু জীৱন আদৰি ল'ব পাৰিছিল। এনে কাৰণতে অতি প্ৰাচীন কালৰে পৰা ভাৰতত সুস্থ-পৰম্পৰা আৰু সভ্য সমাজব্যৱস্থা গঢ় লৈ উঠিব পৰিছিল।

প্ৰাচীন মহাকাব্যদ্বয় যথাক্ৰমে ৰামায়ণ আৰু মহাভাৰতে হিন্দু ৰজা সকলক ৰাজনীতিৰ শিক্ষা প্ৰদান কৰিব পাৰিছিল। এই দুয়োখন মহাকাব্যত ব্যক্তি জীৱনৰ সকলোবোৰ চাৰিত্ৰিক বৈশিষ্ট্য আলোচিত হৈছে। ৰজাৰ কৰ্ত্তব্য, ৰাজকাৰ্য্য পালনৰ নীতি, ৰজাৰ ধৰ্ম আৰু আশা আকাংক্ষা আদি বৈচিত্ৰপূৰ্ণ মানৱ চৰিত্ৰৰ সকলো কথাই পুংখানুপুংখ ৰূপে বৰ্ণিত হৈছে। সেয়ে এই দুয়োখন মহাকাব্যৰ পৰা ভাৰতীয় ৰাজনীতিৰ বিষয়ে যথেষ্ট আভাস পাব পাৰি।

খৃঃপূঃ ৫৪৪ চনত গৌতম বুদ্ধৰ জন্ম হৈছিল। তেওঁৰ দেউতাক কপিলাবস্তু নামৰ এখন ক্ষুদ্ৰ ৰাজ্যৰ ৰজা আছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত এনে ধৰণৰ বহুতো ক্ষুদ্ৰ ৰাজ্য আছিল। এই ৰাজ্যবিলাকত জনমতৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। আনহে নেলাগে উপযুক্ত ৰাজকুমাৰৰ অভাৱ হ'লে অথবা ৰজাৰ প্ৰয়োজনীয় প্ৰজাপালনৰ গুণাৱলীৰ অভাৱ হ'লে উপযুক্ত আন মানুহক ৰাজসিংহাসনৰ গাদীত বহুৱাৰ প্ৰচলন প্ৰাচীন ভাৰতীয় ৰাজনীতিত পোৱা যায়।

প্ৰাচীন ভাৰতত গণতান্ত্ৰিক শাসন ব্যৱস্থাৰো প্ৰচলন আছিল। মহাভাৰতৰ শান্তি পৰ্ব্ব ত এনেধৰণৰ ভালেমান গণ বা জনপদৰ উল্লেখ পোৱা যায়। সেইবিলাকৰ ভিতৰত মালৱ, শিৱা, শাক্য, লিচ্ছিবী ইত্যাদি। পাণিনীৰ অষ্টাধ্যায়ীত জনপদ সমূহক সংঘ বোলা হৈছিল। খৃঃপূঃ ৫০০ শতিকাত থকা এনেধৰণৰ সংঘৰ ভিতৰত জালমানি, জানকী, যুধ্যায়া, মাদৰা, ভৃজা ইত্যাদি নামৰ উল্লেখ পাণিনীৰ উক্ত পুথিত পোৱা যায়। কৌটিল্য ৰাজতন্ত্ৰৰ প্ৰৱল সমৰ্থক আছিল আৰু অনেক ক্ষুদ্ৰ ক্ষুদ্ৰ গণ বা জনপদ ধ্বংস কৰি সেইবিলাক বিশাল মৌৰ্য্য সাম্ৰাজ্যৰ অৰ্ন্তভূক্ত কৰিছিল অথবা সেইবিলাকত ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিছিল। চাণক্যই অৰ্থশাস্ত্ৰত উল্লেখ কৰা জনপদ সমূহ হ'ল- সৌৰাষ্ট্ৰ, লিচ্ছিবী, মালা ইত্যাদি। চাণক্যই গণৰাজ্য বিলাকক বৈৰাজ্য অৰ্থাৎ ৰজা নথকা দেশ হিচাপে অভিহিত কৰিছিল।

ভাৰতীয় গণৰাজ্যবিলাকৰ গ্ৰীচৰ গণৰাজ্যৰ লগত বহু ক্ষেত্ৰত সাদৃশ্য আছিল। সেয়ে প্ৰফেচৰ এ. এচ. অলটেকাৰে এই সন্দৰ্ভত কৈছে-

" With this theocratic background and historic evidence, we can certainly describe ancient Indian Ganas. Gana states are republics in the same sense in which the ancient states of Greece and Rome were given that designation . Sovereignty, in these states was vested not in one individual, only in a small number of persons . But in a fairly numerous class ."

গণমতৰ দ্বাৰা পুষ্ট ভাৰতীয় গণৰাজ্য বিলাক গ্ৰীচৰ গণৰাজ্যৰ নিচিনাকৈ পৰিচালিত হৈছিল। প্ৰাচীন ভাৰতৰ ৰাজনীতি প্ৰজাবৰ্গৰ স্বাৰ্থৰ অনুকুলে ৰচিত হৈছিল। সুস্থ পৰম্পৰা, সুস্থ বাতাবৰণ তৈয়াৰ কৰাত এনে ৰাজনীতিয়ে বাস্তৱিকতে সহায় কৰিছিল; যাৰ ফলত ভাৰতৰ ব্যক্তি আৰু সমাজৰ মানসিকতা উচ্চৰ পৰা উচ্চলৈ ধাবিত হ'ব পাৰিছিল আৰু ইয়াৰ ফলতে ভাৰতবৰ্ষই বিশ্বৰ প্ৰাচীন সভ্যজাতিৰ দেশ হিচাপে স্বীকৃতি লাভ কৰিব পাৰিছিল ।

*(লেখিকা স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী ।)*

# অৰ্থনৈতিক গোলকীকৰণ আৰু ভাৰতবৰ্ষ

**– ভাস্কৰজ্যোতি কোঁৱৰ**

অৰ্থনৈতিক গোলকীকৰণৰ জৰিয়তে আজি সমগ্ৰ বিশ্ব এক হৈ পৰিছে। ভৌগোলীক সীমাৰ শিকলি চিঙি আজি সমগ্ৰ মানৱজাতি এক হোৱাৰ পথত। অৰ্থনৈতিক ক্ষেত্ৰত নিজকে শক্তিশালী কৰাৰ উদ্দেশ্যেৰেই হওঁক বা সমগ্ৰ বিশ্বৰ লগতে খোজত খোজ মিলাই আগুৱাই যোৱাৰ উদ্দেশ্যেৰেই হওঁক আজি প্ৰায় প্ৰত্যেকখন দেশেই মুক্ত অৰ্থনীতিক গ্ৰহণ কৰিছে। নিজকে মুক্ত অৰ্থনীতিৰ একো একোখন প্ৰতিযোগী দেশ হিচাপে বিশ্বৰ আগত চিনাকি দিছে। তাৰ লগে লগে ক্ৰমে একিভূত হ'বলৈ ধৰিছে শৈক্ষিক তথা সংস্কৃতিক দিশ সমূহো।

কিন্তু এইখিনিতে আমাৰ প্ৰশ্ন হ'ল প্ৰকৃতপক্ষে অৰ্থনৈতিক গোলকীকৰণে সমগ্ৰ মানৱজাতিৰ কল্যাণ সাধিছেনে? প্ৰত্যেকখন দেশেই ইয়াৰ সুফলবোৰ ভোগ কৰিব পাৰিছেনে? এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি গ'লেই আমাৰ দৃষ্টিত পৰিস্ফুত হৈ পৰে আজি সমগ্ৰ বিশ্ব জুৰি সৃষ্টি হোৱা অসমতাবোৰ। ইখন দেশে সিখন দেশক পিচ পেলাই আগুৱাই যোৱাৰ প্ৰতিযোগিতা। ইখন দেশে সিখন দেশৰ ওপৰত ৰাজত্ব কৰাৰ অভিলাষ। ইউৰোপৰ পুঁজিবাদী দেশসমূহৰ দপ-দপনি আৰু নিজকে একনায়ক ৰূপে চিনাকি দিয়াৰ নিৰ্লজ্জ অভিপ্ৰায়। আজি অৰ্থনৈতিক গোলকীকৰণে বিশ্বৰ পুঁজিবাদী দেশসমূহক শোষণৰ আৰু এটা নতুন সুবিধা প্ৰদান কৰিলে। সাধাৰণ অৰ্থত পুঁজিবাদী দেশসমূহত তৃতীয় বিশ্বৰ দেশসমূহৰ দৰে অন্ন, বস্ত্ৰৰ দৰে প্ৰাথমিক প্ৰয়োজনৰ অভাৱ নাই। আনহাতে এনে দেশ সমূহৰ উৎপাদনৰ পৰিমাণো অত্যন্ত উচ্চ। গতিকে নিজৰ দেশৰ উৎপাদিত সামগ্ৰীসমূহৰ এখন আন্তৰ্জাতিক বজাৰ সৃষ্টি কৰাৰ মানসিকতাৰে এনে দেশসমূহে তীব্ৰ প্ৰতিযোগিতা সৃষ্টি কৰিছে। এক কথাত ক'বলৈ গ'লে পুঁজিবাদী দেশসমূহৰ প্ৰকৃত উদ্দেশ্য হৈছে সমগ্ৰ বিশ্ব ব্যাপী নিজৰ আধিপত্য বিস্তাৰ। এনে ঔপনিবেশিক মানসিকতাৰে সমগ্ৰ বিশ্বৰ লগত লেন-দেন স্থাপন কৰিব খোজা এনে দেশসমূহে তৃতীয় বিশ্বৰ দেশসমূহৰ শাসক শ্ৰেণীৰ মূৰত সোমোৱাই দিলে যে পুঁজিবাদ তথা মুক্ত অৰ্থনীতি মানেই হৈছে সমগ্ৰ বিশ্বৰ আগত চিনাকি দিয়াৰ এটা পথ।

ভাৰতীয় প্ৰেক্ষাপটত পুঁজিবাদক বিশ্লেষণ কৰিলে দেখা যায় যে পুঁজিবাদ তথা মুক্ত অৰ্থনীতি এটা সম্পূৰ্ণ বিফল দৃষ্টিভঙ্গী। কংগ্ৰেছ চৰকাৰৰ দিনত ১৯৯১ চনত, তেতিয়াৰ কংগ্ৰেছৰ বিত্ত মন্ত্ৰী মনমোহন সিঙে ভাৰতবৰ্ষত মুক্ত অৰ্থনীতিক আকোৱালি লয়। মুক্ত অৰ্থনীতিক আকোৱালি লোৱাৰ আজি দহ বছৰে ভাৰতবৰ্ষৰ আৰ্থ-সমাজিক জীৱনক চালি-জাৰি চালে দেখা যায় যে ইয়াৰ ফল অতি ভয়াবহ। প্ৰকৃতপক্ষে দেখা গৈছে যে যিখন দেশৰ জনগণে আহাৰ, বস্ত্ৰ আৰু বাসস্থানৰ দৰে মৌলিক সমস্যাসমূহ পূৰণ কৰাৰ সক্ষম নহয়, যিখন দেশৰ প্ৰায় অৰ্দ্ধ সংখ্যক জনগণ এতিয়াও নিৰক্ষৰতাৰ কাল অন্ধকাৰত, সেইখন দেশৰ জনগণক মুক্ত অৰ্থনীতিৰ বিশালতাৰ মাজত এৰি দিয়া সমীচিন হৈছেনে? উল্লেখযোগ্য যে এইক্ষেত্ৰত আমি অৰ্থনীতিৰ ন'বেল পুৰষ্কাৰ প্ৰাপ্ত অমৰ্ত্য সেনৰ কথা উল্লেখ কৰিব পাৰো। তেখেতে ভাৰতবৰ্ষৰ অৰ্থনীতিৰ ওপৰত আলোকপাত কৰি মন্তব্য আগবঢ়াইছিল যে ভাৰতে মুক্ত অৰ্থনীতিক আকোৱালি লোৱাৰ আগতে দৰিদ্ৰতা আৰু নিৰক্ষৰতাৰ দৰে কাল আন্ধাৰক নাইকয়া কৰি ল'ব লাগিব।

এইটো সততে স্বীকাৰ্য যে মুক্ত অৰ্থনীতিয়ে ভাৰতবৰ্ষৰ বহু

*ইখন দেশে সিখন দেশক পিচ পেলাই আগুৱাই যোৱাৰ প্ৰতিযোগিতা। ইখন দেশে সিখন দেশৰ ওপৰত ৰাজত্ব কৰাৰ অভিলাষ। ইউৰোপৰ পুঁজিবাদী দেশসমূহৰ দপ-দপনি আৰু নিজকে একনায়ক ৰূপে চিনাকি দিয়াৰ নিৰ্লজ্জ অভিপ্ৰায়। আজি অৰ্থনৈতিক গোলকীকৰণে বিশ্বৰ পুঁজিবাদী দেশসমূহক শোষণৰ আৰু এটা নতুন সুবিধা প্ৰদান কৰিলে। সাধাৰণ অৰ্থত পুঁজিবাদী দেশসমূহত তৃতীয় বিশ্বৰ দেশসমূহৰ দৰে অন্ন, বস্ত্ৰৰ দৰে প্ৰাথমিক প্ৰয়োজনৰ অভাৱ নাই। আনহাতে এনে দেশ সমূহৰ উৎপাদনৰ পৰিমাণো অত্যন্ত উচ্চ। গতিকে নিজৰ দেশৰ উৎপাদিত সামগ্ৰীসমূহৰ এখন আন্তৰ্জাতিক বজাৰ সৃষ্টি কৰাৰ মানসিকতাৰে এনে দেশসমূহে তীব্ৰ প্ৰতিযোগিতা সৃষ্টি কৰিছে। এক কথাত ক'বলৈ গ'লে পুঁজিবাদী দেশসমূহৰ প্ৰকৃত উদ্দেশ্য হৈছে সমগ্ৰ বিশ্ব ব্যাপী নিজৰ আধিপত্য বিস্তাৰ। এনে ঔপনিবেশিক মানসিকতাৰে সমগ্ৰ বিশ্বৰ লগত লেন-দেন স্থাপন কৰিব খোজা এনে দেশসমূহে তৃতীয় বিশ্বৰ দেশসমূহৰ শাসক শ্ৰেণীৰ মূৰত সোমোৱাই দিলে যে পুঁজিবাদ তথা মুক্ত অৰ্থনীতি মানেই হৈছে সমগ্ৰ বিশ্বৰ আগত চিনাকি দিয়াৰ এটা পথ।*

সংখ্যক জনগণৰ আৰ্থিক অৱস্থা উন্নত কৰিলে। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত ফেঁৰ মাৰিব পৰা পুঁজিপতিও ভাৰতবৰ্ষত সৃষ্টি হ'ল। কিন্তু সমষ্টিগত অৰ্থত বিষয়টো পৰ্য্যবেক্ষণ কৰিলে দেখা যায় যে ভাৰতবৰ্ষৰ সৰহ সংখ্যক জনগণৰ অৱস্থা এতিয়াও ভয়াবহ। মুক্ত অৰ্থনীতিয়ে পুঁজিপতি সকলক আৰু অধিক ধনী হোৱাত অৰিহণা যোগালে আনহাতে দৰিদ্ৰ জনগণৰ অৱস্থাৰ কোনো পৰিৱৰ্তন নহ'ল অথবা আৰু অধিক ভয়াবহহে হ'ল। আজি ভাৰতবৰ্ষৰ স্বাধীনতাৰ পঞ্চাছ বছৰ যোৱাৰ পাছতো ৪৮ ভাগ, লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। আনহাতে প্ৰত্যেক বছৰে সৃষ্টি হোৱা লাখ লাখ নিবনুৱা আছেই । সামাজিক সকলো ক্ষেত্ৰতে দেখা দিয়া ব্যক্তিবাদী মনোভাবে সামাজিক দৃষ্টিভংগীক একেবাৰে মষিমূৰ কৰি পেলালে । বৰ্ত্তমান অৱস্থাত আৰ্থিক ক্ষেত্ৰত যিয়ে সবল, যি পুঁজিবাদৰ প্ৰতিযোগীতাত জপিয়াই পৰিবলৈ সক্ষম, সিয়ে জীৱনৰ উচ্চতম সুবিধাবোৰ ভোগ কৰিছে । চৰকাৰী খণ্ডৰ প্ৰায় সকলোবোৰ অনুষ্ঠান- প্ৰতিষ্ঠান ধ্বংস হোৱাৰ পথত । সকলো ক্ষেত্ৰতে ৰাজত্ব কৰিছে পুঁজিবাদৰ ব্যক্তিবাদী মনোভাৱে । আনহাতে ভাৰতবৰ্ষৰ আধা সংখ্যক লোক এতিয়াও নিৰক্ষৰ । এনে নিৰক্ষৰ লোকসকলে পুঁজিবাদৰ লগত নিজকে খাপ খুৱাই ল'ব নোৱাৰাটো নিশ্চিত । এই সকল জনগণ সততে নিষ্পেষিত হৈ আহিছে । আনহাতে ভাৰতবৰ্ষত কৃষিৰ ক্ষেত্ৰত আজি যিমান অগ্ৰগতি হ'ব লাগিছিল সেয়াও সীমাবদ্ধ হৈ আছে কেইখনমান ৰাজ্যৰ মাজতে । পুষ্টিকৰ খাদ্যৰ অভাৱত পুষ্টিহীনতাত ভোগা লাখ লাখ জনগণৰ অৱস্থা আজিও একে অৱস্থাতেই ৰ'ল । ভাৰতবৰ্ষৰ লাখ লাখ গাঁওত আজিও প্ৰাথমিক স্বাস্থ্য-কেন্দ্ৰ স্থাপন নহ'ল, আনহাতে যিকেইটা স্থাপন হৈছিল সেইবোৰ প্ৰায় বগা হাতীত পৰিণত হ'ল। সামাজিক ক্ষেত্ৰত দেখা দিয়া দুৰ্নীতিবোৰৰ কথা নকলোৱেইবা। কৰ্মহীন লাখ লাখ জনগনে সংস্থাপনৰ কোনো পথ নেদেখি হাতত অস্ত্ৰ তুলি লৈছে । দ্ৰুত গতিত বাঢ়ি আহিবলৈ ধৰিলে শ্ৰেণী-সংঘৰ্ষ, বৰ্ণ-সংঘৰ্ষ আদিৰ দৰে আপোনঘাতী সংঘৰ্ষ সমুহ । এনে এক উত্তপ্ত আৰু চৰম অৱস্থাত প্ৰয়োজন আছিল চৰকাৰৰ গভীৰ দায়িত্ববোধ আৰু সুচিন্তিত নীতি । কিন্তু তাৰ পৰিৱৰ্তে চৰকাৰে পুঁজিবাদী মনোভাৱেৰে, সংখ্যালঘিষ্ঠ পুঁজিপতি সকলৰ আঙুলিৰ নিৰ্দ্দেশত শাসনকাৰ্য পৰিচালনা কৰিছে । যিসময়ত দেশৰ সমগ্ৰ দুৰ্বল জনগণক প্ৰয়োজন হৈছে আশা আৰু সাৰথি ; সেই সময়ত চৰকাৰে মুক্ত অৰ্থনীতিৰ ব্যক্তিবাদক সমৰ্থন কৰি এই জনগণৰ কঁকালত মাধমাৰ সোধাইছে । চৰকাৰ আৰু পুঁজিপতি সকলৰ গণপ্ৰহাৰত কৰ্কাল ভঙা জনগণে আকৌ কৰ্কাল পোনাব কেতিয়া ?

আনহাতে অৰ্থনীতিৰ গোলকীকৰণৰ বতাহ ছাতিয়ে একেলগে উৰুৱাই লৈ অহা সাংস্কৃতিক দিশ সমূহৰ কথাও উল্লেখ কৰিব পাৰি । সংস্কৃতিৰ নামত ভাৰতবৰ্ষত থিতাপি লৈছে পশ্চিমীয়া যৌনতা আৰু অপৰাধ প্ৰৱণতাই । বৰ্ত্তমান অৱস্থাত কম্পিউটাৰ, ইন্টাৰনেট আদিৰ ব্যৱস্থাই যৌনতা আৰু অপৰাধ জগতখনক আৰু অধিক ইন্ধন যোগালে। তাৰ লগে লগে আমদানী হ'ল প'প সংগীত আৰু ড্ৰাগছৰ দৰে ভয়াবহ ব্যাধি সমূহ । আজি ভাৰতবৰ্ষৰ হাজাৰ হাজাৰ ডেকা-গাভৰু প'প আৰু ড্ৰাগছৰ কবলত পৰি দিক্-বিদিক্ হেৰুৱাই পেলাইছে । বৰ্ত্তমান অৱস্থাত ভাৰতবৰ্ষৰ আগশাৰীৰ কেইখনমান বিশ্ববিদ্যালয়ৰ পণ্ডিত সকলে একেমুখে স্বীকাৰ কৰিছে যে ভাৰতবৰ্ষত বৰ্ত্তমান অৱস্থাত সুস্থ- চিন্তা তথা শৈক্ষিক বাতাৱৰণত বহুখিনি স্থবিৰতাই দেখা দিছে । ইয়াৰ এক প্ৰত্যক্ষ কাৰণ হ'ল অৰ্থনৈতিক তথা সাংস্কৃতিক গোলকীকৰণে আনি দিয়া তৰল চিন্তা আৰু কৃত্ৰিম ৰংচঙীয়া পৰিৱেশ । য'ত সততে ক্ৰিয়া কৰে অৰ্থসমৃদ্ধ আৰু আৰামদায়ক এক সস্তীয়া জীৱনবোধে । বৰ্ত্তমান অৱস্থাত নাৰীক বিজ্ঞাপনৰ সহায়েৰে উলংগ ৰূপত দাঙি ধৰাটো বৰ্ত্তমানৰ প্ৰতিযোগীতামূলক বজাৰৰেই ফল । এই বিজ্ঞাপন সমূহে জনসাধাৰণৰ দৃষ্টিত নাৰীক ভোগৰ সামগ্ৰী ৰূপে প্ৰতিপন্ন কৰিলে । আনহাতে অৰ্থনৈতিক গোলকীকৰণে সহজলভ্য কৰি তোলা বস্তুৰ ৰমৰমীয়া বজাৰখনে অপৰাধ জগতখনক আৰু অধিক ইন্ধন যোগালে । আন্তঃৰাষ্ট্ৰীয় বজাৰৰ পৰা কোটি কোটি দামত এই অস্ত্ৰ- শস্ত্ৰবোৰ কিনি আনি এচাম ভাৰতীয়ই সেইবোৰ নিজৰে আত্মীয়-স্বজনক হত্যা কৰাত ব্যৱহাৰ কৰিছে।

বৰ্ত্তমান ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক ব্যৱস্থাক ফঁহিয়াই চাই দেখা গৈছে যে ভাৰতবৰ্ষৰ অৱস্থা অতি সংকটজনক । পশ্চিমৰ সংস্কৃতিক বান্দৰৰ দৰে অনুকৰণ কৰাতো ভাৰতীয় সকলৰ আত্মস্খলনৰ লক্ষণ । ইয়াক এতিয়াই প্ৰতিৰোধ নকৰিলে ই সমগ্ৰ ভাৰতবৰ্ষৰ বাবে এক সংকটপূৰ্ণ প্ৰশ্নৰূপে থিয় দিব । য'ৰ পৰা ভাৰতবৰ্ষক মুক্ত কৰাতো অতি কষ্টকৰেই নহয় অসাধ্যও হৈ পৰিব । গতিকে ভাৰতবৰ্ষৰ সমগ্ৰ আৰ্থ-সামাজিক পৰিৱেশক আজি আকৌ এবাৰ ন-কৈ ফঁহিয়াই চোৱাৰ সময় সমাগত । আমি ভাৰতবৰ্ষৰ অৱক্ষয়ী ব্যৱস্থা সমুহক এতিয়াই ৰোধ কৰিব লাগিব । ইয়াৰ বাবে লাগিব সুচিন্তিত নীতি আৰু ইয়াৰ সফল প্ৰয়োগ ।

(লেখক স্নাতক প্ৰথম বৰ্ষ কলা শাখাৰ ছাত্ৰ ।)

# উত্তৰপুৰুষ, ভাষাজননী, আধুনিকতা ইত্যাদি

## এক পণ্য-প্ৰজন্ম

– প্ৰশান্ত চক্ৰবৰ্তী

*" We are the generation without ties, without any horizon.*
*Our horizon is an abyss. We are the generation without happiness,*
*without a mother country, without farewell........*
*Our sun is meagre, our loves are cruel and our youth,has no youth.*
*Now we can cry, we can sing whenever we want.*

*Borshart*

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত এজন জাৰ্মান নাট্যকাৰে ঠিক এনেদৰেই ব্যক্ত কৰিছিল আবহমানকালৰ পণ্য-প্ৰজন্মৰ মানসিক প্ৰতিক্ৰিয়া। দৰাচলতে ক'বলৈ গ'লে একবিংশ শতিকাৰ দুৱাৰ-ডলিত ভৰি দিও আজি আমি উত্তৰপুৰুষসকলৰ দৈন্যদশাৰ একেটা স্থিৰ চিত্ৰ দেখি আছো। যোৱা পঞ্চাশ বছৰে বিজ্ঞান-প্ৰযুক্তি আৰু জীৱনযাপনৰ মান পৰিবৰ্তন ঘটিছে দ্ৰুত; ঠিক একেসময়তে মানৱসভ্যতাত অসংখ্য বন্ধ্যাভূমিয়ে গা কৰি উঠিছে। আমি শ্মশানত ধোঁৱা-ধুলি, তেজ-মঙহৰ পোৰা গোন্ধৰ মাজত বহি স্বাধীনতাৰ গান শুনিবলৈ অভ্যস্ত হৈছো। জাৰ্মান নাট্যকাৰ ব'ৰছাৰ্টে মাত্ৰ চব্বিশ বছৰ বয়সত জীৱনৰ অন্তিম ক্ষণত যেনেদৰে ভাবিছিল, তেনেদৰে আমিও মন গলেই কান্দিব পাৰো, মন গলেই চিঞৰিব পাৰো........ কিয়নো আমাৰ সহযাত্ৰী এই সমকালৰ কোনো বন্ধন নাই, প্ৰেম নাই, আশা নাই, বিদায়ৰ বেদনা নাই, যৌৱনৰ কোনো যৌৱনেই নাই। আছে মাথো ভোগসৰ্বস্ব লুলুপ জীয়াই থকাৰ যন্ত্ৰণা। চাৰিওফালে বঞ্চনা, প্ৰতাৰণা আৰু ষড়যন্ত্ৰৰ মকৰা-জাল। হাত সাৰে কাৰ হেন সাধ্য! প্ৰলোভনৰ ৰমক-জমক হাত-বাউলিত আমি ভোল গৈ আছো পলে পলে। ব্যক্তি-পৰিয়াল-সমাজ- ৰাষ্ট্ৰ– উন্নয়নৰ প্ৰতিটো পৰ্য্যায়ত আজি লকলকীয়া ভোগ্যপণ্যৰ আকুল আহ্বান। 'দুঃস্বপ্ন'ক আকোৱালি ললো যেনেতেনে প্ৰকাৰে। সপোনৰ জগতৰ সন্ধানত ব্যস্ত আজি সামাজক ঈৰ্ষাৰ দুৰন্ত ব্যাধিয়ে গ্ৰাস কৰিছে মধ্যবিত্ত শ্ৰেণীক। অসুস্থ প্ৰতিযোগিতাত হাবাথুৰি খাই ফুৰিছে চৌদিশ। বিলাসমণ্ডিত ঘৰ-দুৱাৰ, সুন্দৰী পত্নী অথবা ক্ষমতাবান স্বামী (দুশ্চৰিত্ৰ বা দুৰ্নীতি পৰায়ন হ'লেও ক্ষতি কি?), বগা-ক'লাৰ পৰা ক্ৰমে ৰঙীন, বুৰ্বক-বাকচ, দেশী-বিদেশী গাড়ী, ল'ৰা-ছোৱালীৰ চাহাবীয়ান চবতেই আজি মধ্যবিত্ত মানসিকতাৰ গোপন অনুপ্ৰবেশ ঘটিছে আৰু 'কমফৰ্ট' আৰু আৰামদায়ক আৰু সুবিধাজনক আৰু বিনোদন ....... আৰু ........ আৰু .......... আৰু........... প্ৰত্যেকজনৰ চাহিদাৰ অন্ত নাই। ঠিক যেন ৰামায়ণৰ সেই সোণৰ হৰিণৰ উপখ্যান। অথচ আমাৰ মনত নপৰে T. S. Eliot- এ কোৱা কথা ঃ

> Man's life is a cheat and disappointment
> All things are unreal,
> Unreal or disappointing.........
> All things become less real, man passes
> From unreality to unreality

বাস্তৱতাৰ সংজ্ঞা এতিয়া পৰিৱৰ্তনশীল, মূল্যবোধৰ তাৎপৰ্য্য এতিয়া ভিন্ন ধৰণৰ। বাস্তৱ আৰু অবাস্তৱৰ দ্বন্দ্বত আমি জৰ্জৰিত। অবাস্তৱ স্বৰ্ণমৃগৰ ফালে আমি অহৰহ দৌৰি আছো। সন্মুখত কেৱল নৈৰাশ্য অনিশ্চয়তা আৰু গভীৰ উদ্বেগৰ ক'লা আকাশ!

☆ ☆ ☆

লাস্যময়ী মেডোনাই কেৱল এটা গান গাইয়েই বিশ্ব জয় কৰিছিল। গানটোৰ কথা এনে ধৰণৰ ঃ পাপা, ডোন্ট প্ৰিচ.... দেউতা, জ্ঞান নিদিবা। সদ্য প্ৰসূতি এজনী অবিবাহিতা কিশোৰীৰ কণ্ঠত এনে বিদ্ৰোহী আবেদন শুনি নিশ্চয় উৎসাহিত হৈছিল গোটেই পৃথিৱীৰ লাখ লাখ কিশোৰ-কিশোৰী। বৰ্তমানকালৰ পিতৃমাতৃ অভিভাৱকৰ সন্তানৰ প্ৰতি চূড়ান্ত প্ৰত্যাশাৰ উত্তৰ বোধকৰো এনেদৰে বুমেৰাং হৈ আহি আছে। 'কেৰিয়াৰিষ্ট' সন্তানে হয়তো যি কোনো মুহূৰ্তত জনপ্ৰিয় হিন্দি ফিল্মৰ নায়ক-নায়িকাৰ দৰে গৰ্জি উঠিব - আজ ম্যাঁয় উপৰ, আচমা নীচে; আজ ম্যাঁয় আগে - জমানা হ্যায় পিছে। 'জমানা'ক পিছুৱাই দি নিজে আগুৱাই যোৱা বুলি শিকোৱা পিতৃ-মাতৃৰ জীৱনত ফ্ৰাঙ্কেনষ্টাইন হৈ উঠিছে তেওঁলোকৰে ভাবী সন্তান। নতুন প্ৰজন্মই সপোন আৰু সংঘাত, সাফল্য আৰু ব্যৰ্থতাক নিজৰ উপযোগী কৰি লৈ গঢ়ি তুলিছে এখন নতুন জগত। ব্যৰ্থতাৰ পৰা জন্মিছে আক্ৰোশ, ঘৃণা আৰু আত্মকেন্দ্ৰিকতা। ভুৱা জীৱনদৰ্শন আৰু ৰাজনৈতিক দৃষ্টিভঙ্গিৰ অস্বচ্ছতাই বিপথে চালিত কৰিছে

তাৰুণ্যক। বিপ্লৱৰ নামত হাতত তুলি দিয়া হৈছে মাৰণাস্ত্ৰ। বধ্যভূমিৰ বুকুত থিয় হৈ আমি ক্ৰমাৎ পাহৰিব ধৰিছো আমাৰ ভৱিষ্যত প্ৰজন্মৰ অৰ্থনৈতিক-সামাজিক, শোষণমুক্তিৰ অঙ্গীকাৰ। নিঃসঙ্গ, নিলিপ্ত', উদাসীন উত্তৰপুৰুষৰ মনত আশা-নিৰশাৰ দ্বন্দ্বই আজি সামাজিক অনিশ্চয়তাৰ জন্ম দিছে। আত্মকেন্দ্ৰিক অথচ আত্মবিচ্ছিন্ন এটা পঙ্গু প্ৰজন্মৰ হাতত ধৰি আমি বাৰু ক'লৈ আগুৱাই গৈ আছো?

*লাস্যময়ী মেডোনাই কেৱল এটা গান গাইয়েই বিশ্ব জয় কৰিছিল। গানটোৰ কথা এনে ধৰণৰ ঃ পাপা, ডোণ্ট প্ৰিচ.... দেউতা, জ্ঞান নিদিবা। সদ্য প্ৰসূতি এজনী অবিবাহিতা কিশোৰীৰ কণ্ঠত এনে বিদ্ৰোহী আবেদন শুনি নিশ্চয় উৎসাহিত হৈছিল গোটেই পৃথিৱীৰ লাখ লাখ কিশোৰ-কিশোৰী। বৰ্তমানকালৰ পিতৃমাতৃ অভিভাৱকৰ সন্তানৰ প্ৰতি চূড়ান্ত প্ৰত্যাশাৰ উত্তৰ বোধকৰো এনেদৰে বুমেৰাং হৈ আহি আছে। 'কেৰিয়াৰিষ্ট' সন্তানে হয়তো যি কোনো মুহূৰ্তত জনপ্ৰিয় হিন্দি ফিল্মৰ নায়ক-নায়িকাৰ দৰে গৰ্জি উঠিব - আজ ম্যাঁয় উপৰ, আচমা নীচে; আজ ম্যাঁয় আগে - জমানা হ্যায় পিছে। 'জমানা'ক পিছুৱাই দি নিজে আগুৱাই যোৱা বুলি শিকোৱা পিতৃ-মাতৃৰ জীৱনত ফ্ৰাঙ্কেনষ্টাইন হৈ উঠিছে তেওঁলোকৰে ভাবী সন্তান. নতুন প্ৰজন্মই সপোন আৰু সংঘাত, সাফল্য আৰু ব্যৰ্থতাক নিজৰ উপযোগী কৰি লৈ গঢ়ি তুলিছে এখন নতুন জগত.*

## দুইঃ বুকু হম্ হম্ কৰে মোৰ আই........

অস্তিত্বৰক্ষাৰ নামত সম্ভাবনাময় এটা প্ৰজন্ম দুটা দশক ধৰি প্ৰতিবন্ধী হিচাপে গঢ় লৈ উঠিছে। 'জয় আই........ 'ৰ ধ্বনি আজি দ্ৰুত পলায়ন কৰিছে চহৰ-জনপদ এৰি। তথাকথিত নব্যশিক্ষিত ভাষাপ্ৰেমী সকলৰ ভণ্ডামীত অতিষ্ঠ হৈ চিৰচেনেহী ভাষা-জননীয়ে লাজতে মুখ লুকাইছে। ভাষামাতৃৰ আঁচলৰ ছাঁত এতিয়া কেৱল সহজ সৰল নিষ্পাপ গাঁৱলীয়া সাধাৰণ জনতা। কাঠফুলাৰ দৰে গজি উঠা অসংখ্য 'চাহাব-স্কুল'ত আমাৰ অপূৰ্ণ সপোন পূৰণৰ ব্যৱস্থা কৰি দি আমি নিশ্চিন্ত হৈছো। চোবাই-চোবাই হিন্দি বা ইংৰাজী ক'ব পৰা সন্তানৰ মুখৰ ফালে চাই আমি আনন্দ- অহংকাৰত নিজকে পাহৰি যাওঁ। বিভিন্ন শিক্ষাপ্ৰতিষ্ঠানত সাংস্কৃতিক সন্ধিয়া নামৰ উদ্ভগুালীত চামিল হৈ প্ৰেক্ষাগৃহৰ পিছত বহি আন্ধাৰত মুখ লুকাই 'হিন্দি হিন্দি' বুলি চিঞৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বিপজ্জনক হাৰত বাঢ়িছে। বিদ্যালয়-মহাবিদ্যালয়ৰ সংস্কৃতিৰ লগত কালীপূজা-দূৰ্গাপূজাৰ উজাগৰী মতলীয়া নিশাৰ আৰু তফাৎ নাই। সস্তীয়া আনন্দৰ (আধুনিক ভাষাত 'এন্‌জয়') সন্ধানত বলীয়া আৰু ক্ষিপ্ত আজিৰ এচাম তৰুণ। 'আনন্দ'ৰ সংজ্ঞা অতি দ্ৰুতগতিত পৰিবৰ্তনশীল। ৰাতিপুৱা শ্বহীদ বেদীত মাল্যদান কৰা ছাত্ৰনেতাজনেই 'আই'ৰ অস্তিত্ব পাহৰি মনোৰঞ্জক বিনোদনত আপ্লুত হৈছে। মেধাবী আৰু উজ্জ্বল ছাত্ৰ-ছাত্ৰীয়ে পাৰিপাৰ্শ্বিক ঘোলাপানীৰ মাজত, নিজৰ নিজৰ অভীপ্সিত স্বৰ্গত উপনীত হ'ব বিচাৰিছে। চৌপাশে কোলাহল, আৰ্তনাদ - মাজেতে বহি বীণ বজোৱা অসংখ্য স্বঘোষিত সম্ৰাট নিৰো।

জনপ্ৰিয় বাংলা আলোচনী 'দেশ'-ৰ সাম্প্ৰতিক এটা সম্পাদকীয় নিবন্ধত কোৱা হৈছে ঃ নিজৰ ভাষাৰ লগত সম্পৰ্ক নথকা এটা জাতি ক্ৰমাৎ মানসিক ভাৰসাম্যহীন হৈ পৰে। জাতীয় কিংবা আন্তৰ্জাতিক ভাববিনিময় অৰু যোগাযোগৰ মাধ্যম হিচাপে ইংৰাজীৰ সৈতে একাধিক ভাষা শুদ্ধকৈ জনা আৰু কোৱা জৰুৰী। কিন্তু তাৰ মানে এইটো নহয় যে মাতৃভাষাৰ প্ৰতি অবজ্ঞা, ঘৃণা আৰু পুতৌ জন্মিব। 'দেশ'-এ কয় দু'জন ইংৰাজী জনা জাপানী বা চীনা মানুহ (ৰক্ষণশীল জাতি হিচাপে খ্যাত) নিজৰ মাজত মাতৃভাষাত সুখ-দুখৰ বিনিময় কৰে, অথচ আমাৰ দেশৰ আঢ়ৈ অক্ষৰ ইংৰাজী জানিলেই 'নকল চাহাব' হিচাপে নিজকে গণ্য কৰাৰ প্ৰবণতা মাৰাত্মক আকাৰ ধাৰণ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষাৰ লাই-খুটা হিচাপে চিহ্নিত বিভিন্ন শিক্ষানুষ্ঠানত এই প্ৰৱণতা বিয়পি পৰা দেখি আশংকা হয় যে অদূৰ ভৱিষ্যতে ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক-শৈক্ষিক ক্ষেত্ৰত নেতৃত্ব দিব পৰা সম্ভাবনাময় তৰুণ প্ৰজন্মই এটা বিজাতীয় অস্তিত্বত বুৰ যোৱা নাইতো? এটা বিবেকবৰ্জিত স্বদেশ আৰু মূল্যবোধহীন ভূখণ্ড কিংবা সুস্থ ভাষিক-সাংস্কৃতিক মাটিৰ অস্তিত্বহীন অৱস্থান আমাৰ কাম্য নে? পুত্ৰ হৈ আমি কি মতে তৰো, মোৰ আই? বুক যে আমাৰ অহৰহ হম্ হম্ কৰি আছে, মোৰ আই?

*(লেখক বাংলা বিভাগৰ প্ৰৱক্তা)*

# অধ্যাপক অতুল চন্দ্ৰ দত্ত

## — শত বৰ্ষৰ সোঁৱৰণত

*— তৰুণ চন্দ্ৰ শৰ্মা*

'পশ্যেম শৰদ শতম্'। একোজনা ব্যক্তিৰ শত শৰতৰ শুভ্ৰ শেৱালিৰে ভৰা দুবৰি দলিচা গচকিবলৈ পোৱা ঘটনা--- ব্যক্তিজনৰ বাবে সৌভাগ্যপূৰ্ণ ঘটনা; তাতে যদি ব্যক্তিজনাৰ দেহ-মনত বয়স নামৰ অসুৰটিৰ চোকা নখৰ আঁচোৰে ক্ষতস্থানৰ সৃষ্টি কৰা নাই। ঠিক একেদৰেই একোটি বিদ্যামন্দিৰৰ এশটা বছৰৰ পূৰ্ত্তিৰ ঘটনাও ইতিহাসৰ সোণালী পাতত সোণাময় হৈ খোদিত হৈ ৰয় আৰু এই ঘটনা অতীত আৰু বৰ্তমানৰ সেই বিদ্যামন্দিৰৰ শিক্ষক-ছাত্ৰ-কৰ্মচাৰীৰ বাবে নিশ্চয়কৈ অতি আনন্দদায়ক। কথাখিনিৰ পাতনি মেলা হৈছে– এশটা শৰত গছকা আমাৰ উচ্চশিক্ষাৰ অনুষ্ঠান কটন কলেজকলৈ আৰু কটন কলেজক প্ৰাণ আৰু জীৱন চৰ্চাৰ আধাৰ বুলি ভবা এগৰাকী অনন্য মহান শিক্ষাগুৰুক লৈ। খ্ৰীঃ ১৯০১ চনৰ ২৭ মে' তাৰিখে অসমী আইৰ বুকুত এগছি জ্ঞানৰ শলিতা জ্বলি উঠিছিল--নাম যাৰ কটন কলেজ! কটন কলেজৰ জন্মলগ্নৰে পৰা আজি পৰ্য্যন্ত এই এশবছৰীয়া গৌৰৱময় সময়চোৱাত বহুজনা প্ৰাতঃস্মৰণীয়, বৰেণ্য তথা আদৰণীয় শিক্ষাগুৰুৱে অধ্যাপনা কৰি গ'ল। সেই উজ্বল জ্যোতিষ্ক সমুহৰ মাজত অন্যতম আছিল--- কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰতিষ্ঠাতা অধ্যাপক প্ৰয়াত অতুল চন্দ্ৰ দত্ত। দত্ত ছাৰৰ জীৱনৰেখা আৰু কিছু দীঘলীয়া হোৱাহেতেন খ্ৰীঃ ২০০০ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে তেখেতে জীৱনৰ এশটা বসন্তত খোজ পেলালেহেঁতেন।



দত্তছাৰ উত্তৰ পূৱ ভাৰতত উদ্ভিদ বিজ্ঞান শিক্ষাৰ বাটকটীয়া, পথপ্ৰদৰ্শক আৰু অগ্ৰণী পুৰুষ। তেখেতৰ জীৱন পাঠে উত্তৰসূৰী শিক্ষাবিদ-শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, গৱেষক সমন্বিতে সবাকে প্ৰেৰণা যোগাব বুলি দৃঢ় বিশ্বাস। শিক্ষাগুৰুজনাৰ কৰ্মৰ নমুনা, কৰ্তব্য পৰায়ণতাই, ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা দায়বদ্ধতাৰ সচেতনতাই সৰ্বোপৰি উদ্ভিদ বিজ্ঞান তথা উদ্ভিদ বিজ্ঞান বিভাগ আৰু সামগ্ৰিক ভাৱে কটন কলেজৰ ইতিহাসত তেখেতক এগৰাকী বিৰল প্ৰতিভাসম্পন্ন চিৰনমস্য শিক্ষাগুৰু ৰূপে প্ৰতিষ্ঠিত কৰি থৈ গৈছে।

ফৰিদপুৰ। স্বাধীনতাৰ পূৰ্বৰ-- অবিভক্ত ভাৰতবৰ্ষৰ পূৰ্ববংগৰ এখনি সৰু চহৰ। দেশ বিভাজনৰ উত্তৰকালত ফৰিদপুৰ পূৰ্ব পাকিস্তানৰ আৰু বৰ্তমানৰ বাংলাদেশৰ অন্তৰ্ভূক্ত হয়। ২৮ফেব্ৰুৱাৰী, ১৮৯৯। এই তাৰিখতেই তাৰক চন্দ্ৰ দত্তৰ ঘৰত অতুল দত্তৰ জন্ম হয়। নিম্ন প্ৰাথমিক শ্ৰেণীৰ পৰা প্ৰৱেশিকা মহলাৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱালৈকে ফৰিদপুৰতেই অতুল দত্ত ছাৰৰ শিক্ষা-দীক্ষা হয়। ১৯১৫ চনত তেখেতে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। কলেজীয়া জীৱনৰ আৰম্ভণিৰ প্ৰাক্কালত-- পিতৃ তাৰক চন্দ্ৰ দত্তৰ অকাল বিয়োগত - তেখেত সকলৰ পৰিয়ালটি দূৰ্যোগৰ সন্মুখীন হয়। দুৰ্যোগ অমানিশাই কঢ়িয়াই অনা পৰিস্থিতিয়ে আৰু ঘটনা প্ৰৱাহে তেওঁলোকৰ পৰিয়ালক ফৰিদপুৰৰ পৰা কলিকতা চহৰলৈ স্থানান্তৰ কৰিলে। বৃটিছ আমোলৰ ভাৰতবৰ্ষৰ সেই সময়ৰ কলিকতা চহৰ আছিল উচ্চ শিক্ষাৰ স্নায়ুকেন্দ্ৰ। কলিকতাৰ জীৱনৰ সতে পৰিচয় হোৱাৰ পিছতেই অতুল দত্তৰ জীৱনৰ অন্য এক অধ্যায় সূচনা হ'ল।

বংগবাসী কলেজ। সেই তাহানিৰ কলিকতা চহৰৰ বৃহত্তম কলেজ। সেই কলেজত তেওঁ I.Sc শ্ৰেণীত নাম ভৰ্ত্তি কৰিলে। খ্ৰীঃ ১৯১৭ চনত বংগবাসী কলেজৰ নাম উজ্বল কৰি- কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত উদ্ভিদ বিজ্ঞানত সৰ্বোচ্চ নম্বৰ সহ I.Sc পৰীক্ষাত তেখেত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰ পিছতে তেখেতে কলিকতাৰ প্ৰেসিডেন্সী কলেজৰ পৰা উদ্ভিদ বিজ্ঞানত সন্মান সহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি স্নাতক উপাধি লাভ কৰে। তাৰ পাছতেই তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা উদ্ভিদ বিজ্ঞানত প্ৰথম শ্ৰেণীত প্ৰথম স্থান অধিকাৰ কৰি স্নাতকোত্তৰ উপাধি লাভ কৰে। সেই সময়ৰ কলিকতা বিশ্ববিদ্যালয়ত

স্বদেশ আৰু বিদেশৰ বহুজনা প্ৰতিভা সম্পন্ন শিক্ষাগুৰুৱেই অধ্যাপনা কৰিছিল। সেই সকলৰ ভিতৰত অন্যতম আছিল।

উদ্ভিদ বিজ্ঞানৰ অধ্যাপক ড. প'ল ব্ৰু'ল. ডি. এছচি মহাশয়। এই জনা গুণী অধ্যাপকৰ তত্ত্বাৱধানত পোনতে অতুল দত্তই গৱেষণাৰ কাম আৰম্ভ কৰিছিল। ' The problem of eradication of water hyacinth in Bengal'-- তেখেতৰ গৱেষণাৰ বিষয়বস্তু আছিল এইয়াই আৰু প্ৰায় ডেৰ বছৰ কাল গৱেষণাৰ অন্তত তেখেতৰ অতি উচ্চ মানদণ্ডৰ দুখন গৱেষণা পত্ৰ প্ৰকাশ হয়।

ইয়াৰ পৰৱৰ্তী কালচোৱাত 'ক'ম্বাইটৰৰ কৃষি কলেজ আৰু কৃষি গৱেষণা কেন্দ্ৰত তেখেতে গৱেষক ছাত্ৰৰূপে যোগদান কৰে। তেখেতৰ গৱেষণাৰ বিষয়বস্তু আছিল— Hybridization of Some Indian Cottons for improvement in yield and quality। ভাৰতীয় কেন্দ্ৰীয় কটন কমিটিৰ অধীনত উক্ত গৱেষণাৰ কাম চলাইছিল। কপাহৰ 'সংকৰণ'ৰ স'তে জ'ড়িতউক্ত গৱেষণা কাৰ্য্যই ভূয়সী প্ৰশংসা লাভ কৰিছিল। এগৰাকী অবিৰত ভাৱে, নিৰৱচ্ছিন্ন শ্ৰান্তি বিহীন গৱেষকৰ ৰূপত পিচলৈ কাম কৰি গ'লে। তেখেতক হয়তো আমি অন্য এগৰাকী অতুল দত্তৰূপে দেখিলে'হেঁতেন। কিন্তু গৱেষণাৰ পৰা অব্যাহতি লৈ তেখেতৰ মন ধাবিত হ'ল শিক্ষাদানৰ পিনে, অধ্যাপনাৰ দিশে।

এক সাধনাৰ থলীত পৰিণত হ'ল। আশ্ৰমৰ কৰ্তা এগৰাকী সাধক, তপস্বী এগৰাকী তৰুণ তাপস— নাম যাৰ অতুল — তুলনাবিহীন!

২২ জুলাই, ১৯২৭। তাহানিৰ কটন কলেজৰ পদাৰ্থবিজ্ঞান বিভাগৰ পৰীক্ষাগাৰৰ সেই ক্ষুদ্ৰ কোঠাটোৰ এটি কোণত কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ শ্ৰেণী আৰম্ভ হয়। ৪৭ জন উদ্ভিদ বিজ্ঞানৰ ছাত্ৰৰ দ্বাৰাই I.Sc শ্ৰেণীৰ আৰম্ভণি। সম্পূৰ্ণ স্বতন্ত্ৰ স্থানেৰে সৈতে, বাগিছা, পৰ্য্যাপ্ত শ্ৰেণীকোঠা, আঁচবাব, পৰীক্ষাগাৰ তথা প্ৰয়োজনীয় যন্ত্ৰ-পাতি -সা-সজুঁলিৰে সৈতে উদ্ভিদ বিজ্ঞান বিভাগৰ বুনিয়াদ স্থাপন কৰিবলৈ যাওঁতে অধ্যাপক গৰাকীয়ে অশেষ কষ্ট স্বীকাৰ কৰিব লগীয়া হৈছিল। তেখেতৰ নিজৰ লেখা এটিৰ লেখনিৰ কিয়দংশৰ উদ্ধৃতিয়ে সেই সময়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ জন্মলগ্নৰ জন্মবেদনাৰ এখন ছবি পৰিস্ফুট কৰি তুলিব খুলি ধাৰণা;— ' With the increased number of students in the Botany class insufficiency of space was acutely felt in the small corner mentioned above and Class used to be held here and there and sometimes no where, much to the disadvantages of the students and the teaches. Students, however, showed keen interest in the study as was evident from their almost cent percent success at the University examination with a good number securing distinction marks.'

*মিৰাট বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ডি. বেনাৰ্জীয়ে - কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ বটনিকেল হবি চেন্টাৰৰ মুখপত্ৰ— 'মালঞ্চ'ৰ সম্পাদিকা অধ্যাপিকা শ্ৰীযুতা প্ৰীতি কাকতী বাইদেউলৈ লিখিছিল— ' There is probably no Botanists of India who has not been a student of prof. A.C Dutta.' কথাষাৰৰ যথাৰ্থতা আমি উদ্ভিদ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী সকলে সদায় অনুভৱ কৰি আহিছো। আমি নিজেও কথাষাৰ— ঠিক এইদৰেই ছাত্ৰ-ছাত্ৰীসকলক কওঁ— 'If you want to be a Botanist-- you go through ~Botany for Degree students-- by Prof. A.C. Dutta.*

গৱেষক অতুল দত্তই কম্বাইটৰ এৰি আহি কলিকতা পালেহি। কলিকতা চহৰৰ ল'ৰা কলিকতালৈ উভতি আহিল। কলিকতাৰ 'বিপন কলেজ'ৰ কৰ্তৃপক্ষই অতুল দত্তক অধ্যাপক পদত মকৰল কৰিলে। গৱেষক অতুল দত্ত শিক্ষক অতুল দত্তলৈ ৰূপান্তৰিত হ'ল।অতুল দত্তৰ শিক্ষক জীৱনৰ পাতনিৰ 'বিপন কলেজে'ই পিছলৈ 'সুৰেন্দ্ৰ নাথ কলেজ' নাম পায়। বিপন কলেজত তেখেতে সৰহ দিন নাথাকিল। প্ৰকৃতি প্ৰেমী এই গৰাকী মহান শিক্ষাব্ৰতীক সম্ভৱতঃ অসমা সুষমা নিৰুপমাৰ মনোহৰা পাহাৰ-পৰ্বতৰ নীল নীলা, সৌন্দৰ্য্যই আকৰ্ষণ কৰিবলৈ ধৰিলে আৰু সেই আকৰ্ষণক উপেক্ষা কৰাৰ ধৃষ্টতা হয়তো তেখেতৰ নাছিল। বংগৰ ল'ৰা অসম অভিমুখে ৰাওনা হ'ল।

২২ জুলাই, খ্ৰীঃ ১৯২৭। কটন কলেজৰ ইতহাসত সোণালী আখৰেৰে খোদিত হৈ ৰবলগীয়া এই দিনটোতে উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰথম গৰাকী অধ্যাপক অতুল চন্দ্ৰ দত্তই কটন কলেজত যোগদান কৰে। প্ৰকৃতি জীয়ৰী অসম ভূমিৰ শ্যামলিমাৰ গভীৰ আকৰ্ষণে অতুল চন্দ্ৰ দত্ত নামৰ সেই উদ্দাম ভৰা বুকুৰ যুৱক গৰাকীক নেদেখা এনাজৰীৰে নিকপ্‌কপীয়াকৈ বান্ধি ৰাখিলে। কলিকতীয়া যুৱক— গুৱাহাটীয়া হ'ল।

কৰ্মময় জীৱনৰ যাত্ৰাৰ আৰম্ভণি হ'ল। বিৰামহীন সেই যাত্ৰা ! যুৱক গৰাকীৰ বাবে কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগ— এখনি আশ্ৰম,

পানীকেঁচুৰা উদ্ভিদ বিজ্ঞান বিভাগক এটি চফলযুৱক সদৃশ পৈণত-পূৰ্ণাংগ বিভাগলৈ পৰিণত কৰিবলৈ যাওঁতে মাকে পোনাটি ডাঙৰ কৰাৰ দৰেই তেখেতে কষ্ট স্বীকাৰ কৰিব লগীয়া হৈছিল। তাত সন্দেহৰ অৱকাশ নাই! I.Sc পৰ্য্যায়ৰ পৰা স্নাতক পৰ্য্যায়লৈ উন্নতকৰণৰ বাবে তেখেতৰ অবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতিয়ে ১৯৪০ খ্ৰীঃত তদনান্তীন অসমৰ শিক্ষাধিকাৰ 'স্মল' চাহাবক চৰকাৰলৈ লিখিবলৈ বাধ্য কৰাইছিল। –'There is a pressing demand for providing facilities for the study of Botany to the degree standard and it is a great pity that inspite of their eagerness and earnestness the students are unable to avail themselves of the opportunities.'

আধ্যাপক গৰাকীয়ে কামত যোগদান কৰাৰ দুবছৰৰ পিছতেই (১৯২৯-৩০ চনত) অসমৰ শিক্ষাধিকাৰ মি. জে আৰ্ কানিংহামে লিখিছিল " . The Botany Department which was opened experimentally three years ago has proved popular. We have been fortunate in the lecturer appointed Babu A. C. Dutta who is an enthusiast for his subject and has the faculty of interest his students. And it is a matter to real importance that a supply of men should be available who had a training in one or more of the Biological Subjects. I

advocate the advancement of affiliation of Botany to Honours standard......"

শিক্ষাগুৰু সকলে সেই তাহানিৰ কটন কলেজত মাথোন বিদ্যায়তনিক দিশতেই যে মনোনিবেশ কৰিছিল তেনে নহয়। বিদ্যায়তনিক দিশৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলৰ শাৰীৰিক দিশ অৰ্থাৎ শৰীৰ চৰ্চাৰ দিশতো মনোযোগ দিছিল। অধ্যাপক পি. চি. ৰয়, অধ্যাপক বি. এম. সেন, অধ্যাপক এইচ্ এন্ সেন, অধ্যাপক অতুল চন্দ্ৰ দত্ত— এই আটাইয়ে লন টেনিচৰ সুদক্ষ খেলুৱৈ আছিল। অধ্যাপক দত্তৰ হেনো প্ৰিয় খেল আছিল ক্ৰিকেট। কটন কলেজৰ ক্ৰিকেট দলটো অধ্যাপক গৰাকীয়ে হেনো গঢ়ি উলিয়াইছিল। তেখেতৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতি ৰূপে গঢ় লৈ উঠা কটন কলেজৰ ক্ৰিকেট দলটো সেই সময়ৰ পূৰ্ব-পাকিস্তানৰ ঢাকাত খেলিবলৈ গৈছিল। তাহানিৰ ছাৰৰ ছাত্ৰ সকলৰ মাজত তেখেতে কেনেদৰে ধুতিৰ ভিতৰ পিনে কামিজ সুমুৱাই লৈ বেটিং কৰিছিল— এই বিষয়ে বেচ আলোচনা হয়।

অতুল দত্তৰ জীৱনৰ এইয়া অতি সংক্ষিপ্ত আলোকপাতহে। তেখেতৰ অধীনত কাম কৰা এগৰাকী চতুৰ্থ বৰ্গৰ কৰ্মচাৰী— উদ্ভিদ সংগ্ৰাহক--নৰেন দাসৰ লিখনিৰ পৰা বা 'ৰাজা চাহ'ৰ (মালী) পত্ৰৰ পৰা অতুল দত্ত ছাৰ কিমান দয়ালু, মহানুভৱ তথা কৰ্ত্তব্যপৰায়ন আছিল সি সহজে অনুমেয়।

উদ্ভিদ বিজ্ঞানৰ অধ্যয়নত শিক্ষামূলক ভ্ৰমণ এটি জীৱকোষৰ অন্তঃস্থ কোষঅংগিকা সদৃশ। এই ভ্ৰমণে সেউজীয়া অৰণ্যৰ গৰ্ভস্থ বিৰল আৰু সাধাৰণ সকলোধৰণৰ উদ্ভিদৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰাই দিয়ায়। উক্ত উদ্ভিদ সমূহৰ নমুনা সংগ্ৰহ আৰু সংগৃহিত নমুনা সমূহ বিজ্ঞান সম্মত ভাৱে সংৰক্ষণ, অধ্যয়ন আৰু ব্যৱহাৰিক উদ্ভিদ বিজ্ঞানৰ পৰীক্ষাত তাৰ দাখিলকৰণ উদ্ভিদ বিজ্ঞানৰ অধ্যয়নৰ এক গুৰুত্বপূৰ্ণ দিশ। তদুপৰি উদ্ভিদ বিজ্ঞানৰ পৰিসৰ বাঢ়ি যোৱাৰ লগে লগে নানা ঠাইত স্থাপিত উদ্ভিদ বিজ্ঞানৰ অত্যাধুনিক গৱেষণাগাৰৰ মতে পৰিচয় হোৱাটোও অন্যতম গুৰু দিশ। সেই সময়ত যদিও ছাত্ৰ-ছাত্ৰী, শিক্ষক তথা অভিভাৱকৰ অৰ্থাভাৱৰ বাবে আৰু এই দিশত কলেজ তথা চৰকাৰৰ পিনৰ পৰা কোনো আৰ্থিক অনুদান নথকাৰ বাবে দ্বিতীয় পৰ্য্যায়টো সমাপন কৰিব পৰা নগৈছিল যদিও, ছাৰে প্ৰথম পৰ্য্যায়ৰ শিক্ষামূলক ভ্ৰমণ অনুষ্ঠিত কৰাইছিল আৰু ছাত্ৰ-ছাত্ৰী সকল উপকৃত হৈছিল।

শ্ৰেণীকোঠাত পাঠদান কৰিয়েই ছাৰ ক্ষান্ত থকা নাছিল। উদ্ভিদ বিজ্ঞানৰ পাঠ্যপুথিৰ অভাৱ সেই সময়ত বাৰুকৈয়ে অনুভূত হৈছিল। সেয়েহে তেখেতে ' A class Book of botany' নামৰ পুথিখন পোনতে লিখি উলিয়ায়। 'অক্সফৰ্ড বিশ্ববিদ্যালয় প্ৰেছে' — ১৯২৯ চনত কিতাপ খনি প্ৰকাশ কৰে। পিছলৈ এই কিতাপখনিৰে এটা সংস্কৰণ কৰাচীৰ পৰা প্ৰকাশ হয়। (১৯৬৮)। এখন অতি উৎকৃষ্ট মানদণ্ডৰ কিতাপ 'A class book of Botany' ভাৰতবৰ্ষৰ উপৰিও সমগ্ৰ দক্ষিণ পূৰ এচিয়াৰ ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়িত্ৰীৰ মাজত সমাদৃত হৈছিল, উচ্চ প্ৰশংসিত হৈছিল। ১৯৬৪ চনত তেখেতৰ 'Botany for degree students' নামৰ স্নাতক পৰ্য্যায়ৰ বাবে লিখা কিতাপখনি প্ৰকাশ পায়। 'Practical note book of Botany' (১৯৪৮) 'Vanaspati shastra' (১৯৬৫) তেখেতৰ আন দুখন কিতাপ।

'অক্সফৰ্ড বিশ্ববিদ্যালয় প্ৰেছ' - প্ৰকাশনৰ তৰফৰ পৰা ১৯৬৫ চনত তেখেতে এখন চিঠি পাইছিল — তাত এইদৰে লিখা আছিল— " You now hold the topmost position amongst the Indian authors ...........we wish we have many more sincere and hard working authors like you." মহাৰাষ্ট্ৰৰ কোনো এখন কলেজৰ অধ্যক্ষ এগৰাকীয়ে লিখিছিল। "Your work has proved to be epoch making in the history of Botanical science in the county.

দিল্লী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক - কে. জি.- মুখাৰ্জীয়ে লিখিছিল ' Professor A.C. Dutta, is a doyen of Indian Botany'

মিৰাট বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ডি. বেনাৰ্জীয়ে - কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ ব টনিকেল হবি চেন্টাৰৰ মুখপত্ৰ— 'মালঞ্চ'ৰ সম্পাদিকা অধ্যাপিকা শ্ৰীযুতা প্ৰীতি কাকতী বাইদেউলৈ লিখিছিল— ' There is probably no Botanists of India who has not been a student of prof. A.C Dutta.' কথাষাৰৰ যথাৰ্থতা আমি উদ্ভিদ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী সকলে সদায় অনুভৱ কৰি আহিছো। আমি নিজেও কথাষাৰ— ঠিক এইদৰেই ছাত্ৰ-ছাত্ৰীসকলক কওঁ-- 'If you want to be a Botanist-- you go through ~Botany for Degree students-- by Prof. A.C. Dutta.'

এইজনা শিক্ষাগুৰুৱে যিটো বীজ তাহানি তেওঁৰ কৰ্মভূমি অসমৰ কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগত সিঁচি দিছিল—তাকেই তেওঁ নিজৰ ভাষাত এনেদৰে প্ৰকাশ কৰিছিল— 'Thus the seed sown in 1927 has by now grown into a big useful tree spreading its branches all over the state.'

২৮ ফেব্ৰুৱাৰী, ১৯৫৪— এই দিনটোৱেই আছিল অতুল দত্ত ছাৰৰ কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপকৰ পদৰ কাৰ্য্যকালৰ অন্তিম দিন। অৱসৰ গ্ৰহণৰ পৰৱৰ্তী সময়ৰ বহুকেইটি বছৰ ছাৰ সম্পূৰ্ণ কৰ্মক্ষম হৈ আছিল। অৱসৰ গ্ৰহণৰ ১০ বছৰ পিছত (১৯৬৪) তেখেতৰ 'Botany for Degree students.' খন প্ৰকাশ পাইছিল। সেই বয়সত এনে এখন ডাঙৰ কিতাপৰ ৰচয়িতা হোৱাটোৱেই প্ৰাণ-প্ৰাচুৰ্য্যৰে পৰিপূৰ্ণ-সুঠাম দেহ আৰু মনৰ অধিকাৰী ব্যক্তি গৰাকীৰ প্ৰতিচ্ছবি এখনি আমাৰ সন্মুখত আঁকি দিবলৈ সক্ষম হয়।

১৯ জুন ১৯৮৬। জন্ম-মৃত্যু বিবাহ— চিৰন্তন সত্য। কদাচিৎ কোনোবাজনৰ ভাগ্যত বিবাহৰ সংযোগ নঘটিব পাৰে, কিন্তু প্ৰথম আৰু দ্বিতীয় শব্দ কেইটিৰ সংযোজনক কোনেও কাৰো জীৱনৰ পৰা এৰাই চৰি নোৱাৰে। ই এক অমোঘ সত্য। পূৰ্বদিশত উদিত সূৰুয পশ্চিমত অস্তমিত হয়। অতুল দত্ত ছাৰ সেই দিনটোতেই মহাপ্ৰস্থানৰ বাটেৰে অগ্ৰসৰ হ'ল। ম্ৰিয়মান হৈ পৰিল পৌৰাণিক কাহিনীখ্যাত দীঘলীপুখুৰী দক্ষিণ পশ্চিমপাৰৰ তৰু-তৃণ-লতা; অগণন ছাত্ৰ তথা নাতিছাত্ৰ জীৱন কালতেই উদ্ভিদ বিজ্ঞানী সকলৰ বাবে, কটনকলেজৰ শিক্ষক ছাত্ৰ-কৰ্ম চাৰী সকলোৰে বাবে কিংবদন্তীত পৰিণত হোৱা ঋষি সদৃশ শিক্ষাগুৰু জনা আজি আমাৰ মাজত নাই ! তেখেতৰ শিক্ষা, তেখেতৰ সৰ্বোপৰি উদ্ভিদ বিভাগ আৰু কটন কলেজৰ প্ৰতি থকা তেখেতৰ হৃদয়ৰ নিভৃততম কক্ষত সাঁচি ৰখা একাত্মবোধ আমাৰ সকলোৰে পথৰ পথেয় হৈ ৰওক।

জয়তু অতুল চন্দ্ৰ দত্ত!

জয়তু কটন কলেজ।

*(লেখক উদ্ভিদবিজ্ঞান বিভাগৰ অধ্যাপক।)*



# কথা শিল্প



# মৰনৈৰ বান

*হেমেন গগৈ*



ওখ বাটটোৰে প্ৰায় এমাইল জুৰি মানুহবোৰে ঘৰ সাজিছে। ঘৰ মানে ঠিক ঘৰ বুলিব নোৱাৰি। চৰকাৰী বাটৰ ওপৰত ঘৰ সজা নাযায়। ভগা চাল-বেৰ আৰু টিনপাত আওজাই ঘৰ বুলি সজা একোখন চালি। প্ৰলয় আহিল সোনাকুছি গাঁৱলৈ। বহু বছৰ আগতেই মৰি যোৱা সোৱণশিৰিৰ সেই সুঁতিটো জীৱন্ত হৈ পৰাৰ সোনাকুছি গাঁওখন উটাই-বুৰাই পেলাব বুলি কোনেও ভবা নাছিল। কিন্তু শেষত সেয়ে হ'ল। গৰু-ছাগলী, হাঁহ-কুকুৰা, মানুহ-দুনুহেৰে এমাইল জুৰি ওখ আলিটো ঠাহ খাই পৰিছিল। এতিয়া এই আলিৰ পৰা চালে সোনাকুছি গাঁও দেখা নেযায়। দেখা যায় সোৱণশিৰিয়ে সাৱটি লোৱা সুবিস্তৃত জলপৃষ্ঠ দিনে ৰাতিয়ে ধুঁৱলি-কুঁৱলি।

বাটৰ পৰা অলপ নিলগত সেইটো পি. ডব্লিউ. ডিৰ চাংবঙলা মহৰী থাকিবৰ বাবে সজোৱা। কুৰিহাতমান দীঘল সাঁকো এডালেৰে চাং ঘৰটোৰপৰা বাটলৈ ওলাব-সোমাব পাৰি। এতিয়া তাৰ তলত সোৱণশিৰিৰ বাঢ়নী পানীৰ সোঁতৰ হোঁ-হোঁৱনি উঠিছে। সেই বঙলাৰ খিৰিকিৰ চিকত ধৰি ভূবন মাষ্টৰে উদাস উদাস চাৱনিৰে বিস্তৃতিৰ ফালে ৰ' লাগি চাই ৰ'ল। দূৰৰ ৰিণিকি ৰিণিকি দেখা পোৱা সোনাকুছি গাঁৱৰ শাৰী শাৰী ওখ চাপৰ তামোল গছবোৰে পানীৰ ওপৰত ওপঙি থকাৰ দৰে থকা শাৰী শাৰী ঘৰবোৰে গাঁৱৰ স্মৃতিকণ মাত্ৰ জীয়াই ৰাখিছে।

ধন বিচাৰি সোনাকুছি গাঁৱলৈ আহিছিল ভুবন মাষ্টৰ। ধন পালে আৰু পালে কিছুমান মৰম আকলুৱা মন। প্ৰাইমাৰী স্কুলৰ মাষ্টৰী কৰাটো ভূবন মাষ্টৰৰ পেশাহে; নিচা আছিল মানুহবোৰৰ মৰম চেনেহত। সেয়েহে ঘৰ দুৱাৰ লৈ সোনাকুছি গাঁৱতেই মাষ্টৰ ৰৈ গ'ল। বাঢ়নী পানীয়ে সোনাকুছি গাঁও বুৰাই পেলোৱাৰ পিছত মাষ্টৰক এই সৰু চাং ঘৰটোত সুমুৱাই থৈ মানুহবোৰ ৰাজ আলিত বাহৰ সাজিছিল। সোৱণশিৰিৰ পাৰৰ দুকুৰি বছৰীয়া অভিজ্ঞতাৰ পিছত মাষ্টৰে এই ঠাইখনৰ এটা ৰূপ কল্পনা কৰা নাছিল। এতিয়া দেখা পালে, বিপদাপন্ন এই দিন কেইটাত বাৰে বাৰে মাষ্টৰৰ মনত পৰে একমাত্ৰ পুতেক চন্দ্ৰলৈ। কেতিয়াবা ভাবে মৰনৈৰ বলিয়া বানত এই বুঢ়া বাপেক উটি যোৱাহেঁতেনো চহৰত পঢ়িবলৈ যোৱা পুতেকে ক'বকে নোৱাৰিলেহেঁতেন। এতিয়াও এই ভৰ বাৰিষা জানো চন্দ্ৰই বাপেকক চাবলৈ আহিব পাৰিব? কথাবোৰ ভাবি থাকোতেই মাষ্টৰৰ গোলাপীহঁতলৈ মনত পৰিল। হঠাতে মনত পৰিবৰ কাৰণ নাছিল। কিন্তু এতিয়া মাষ্টৰক খেলি-মেলি বহুত কথাই বিবুধিত পেলাইছে।

হাতত সৰু সৰু টোপোলা দুটামান লৈ সাঁকো ডালেদি বঙলাৰ নেপালী চকিদাৰটো সোমাই আহিল। দুৱাৰ মুখতে ৰৈ বৰ হাউচত সি কৈ গ'ল ৰিফিলৰ নাও আহি পালেহি। শেনচোৱা বিলৰ পাৰতে নাও বান্ধিছে।

ইতিমধ্যে চকিদাৰটোৱে ৰন্ধা বঢ়াত ব্যস্ত হৈ পৰিছিল। এইকেইদিন মাষ্টৰকো সিয়েই ৰান্ধি বাঢ়ি খুৱাইছে। ঘৰত কাম বন কৰা যিবা ল'ৰা এটা আছিল বাৰিষাৰ আগেয়ে তাকো পঠাই দিলে মাষ্টৰে। এতিয়া ভূবন মাষ্টৰ একেবাৰে অকলশৰীয়া হৈ পৰিল। মানুহবোৰ বহা ঠাইৰ পৰা শেনচোৱা বিললৈ প্ৰায় আধা মাইলৰ বাট।

সাঁকোডালেদি খুপি খুপি গৈ মাষ্টৰে আলিত উঠিল। এমাইল জোৰা গাঁৱৰ মানুহবোৰৰ দুয়োকাষৰ বাহৰবোৰৰ মাজেদি পাৰ হৈ যাওঁতে মাষ্টৰে কাষলৈ চোৱা নাছিল। সন্মুখত যি দেখিছিল সেয়ে যথেষ্ট। কেঁচুৱাৰ মুখত শুকান পিয়াহ গুজি দি সিহঁতক কন্দুৱাই বোৱাৰী কেইজনীয়ে মাত্ৰ শূন্য বাহৰবোৰ ৰখি আছিল। গাঁৱৰ প্ৰায় বোৰ মানুহেই ৰিলিফৰ বস্তু লবৰ কাৰণে শেনচোৱা বিলৰ পাৰলৈ গুচি গৈছিল।

ভূবন মাষ্টৰ শেনচোৱা বিলৰ ওচৰ চাপিলহি। বাটৰ পৰা বিলৰ পাৰলৈ ওলাই থকা প্ৰায় এশ-গজ মান মুকলি ঠাই ডোখৰত মানুহ ঠাহ খাই পৰিছে। বিলৰ পাৰতে দুটা তম্বু তৰা আছে। দুজনমান লোকে মানুহবোৰক চিজিল লগাবলৈ খুব যত্ন কৰিছে। মাষ্টৰে ঠাইতে তভক মাৰি ৰৈ কেউফালে চালে। ছোৱালী দুজনীমানে অলপ আঁতৰত ফুচ ফুচাই কিবা কোৱাকুই কৰিছিল আৰু মাজে মাজে খিল খিলাই হাঁহিছিল। নাৱৰ টিঙত উঠি এজনে মানুহবিলাকক বেলেগ বেলেগ শাৰী পাতিবলৈ চিঞৰি চিঞৰি কৈছিল; অৱশ্যে আধা ঘন্টা মানৰ মূৰত মানুহবোৰ চিজিল লাগিল। বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালী, জীয়ৰী-বোৱাৰীৰ প্ৰায় পাঁচটামান শাৰী হ'ল। মাষ্টৰ নাও কেইখনৰ ওচৰলৈ আহিল। নাৱত অহা মানুহ কেইজনৰ লগত কথা বতৰা হ'ল। কেম্পত মাত্ৰ দুজনমান মানুহ ৰাখি বাকী বিলাক আকৌ উভতি যাব বুলি এজনে ক'লে। চাৰি পাচ দিনৰ পিছতে আৰু মাল বস্তু আনিব লাগিব লগা হ'ব পাৰে যদিহে ইতিমধ্যে পানী শুকাই নেযায়।

কেইঘন্টামানৰ মূৰত বস্তু দি শেষ হ'ল। মানুহবোৰো উভতিল। ভূবন মাষ্টৰেও লাহে লাহে ঘৰলৈ খোজ ললে। উভটি আহোঁতে গোলাপীহঁতৰ খবৰ লৈ যাম বুলি ভাবিছিল মাষ্টৰে। গাভৰু জীয়েক। গোলাপীৰে সৈতে বিনন্দা ভায়েকহঁতৰ লগতে আছিল। এতিয়াও থাকিব লগা হৈছে। মাষ্টৰে ইঘৰ সিঘৰকৈ মানুহবোৰ মন কৰি আহিছিল ক'ৰবাত

গোলাপী আৰু মাকক লগ পোৱাৰ আশাৰে। লগ নাপালে। বঙলালৈ আহি ভাত কেটা খাই মাষ্টৰে গোলাপীহঁতৰ কথাকে ভাবিছিল। শিৰৰ সেন্দুৰ মচি বিনন্দাই চাৰি বছৰীয়া গোলাপীক লৈ সোনাকুছি গাঁৱৰ ভায়েকহঁতৰ লগলৈকে গুচি আহিছিল। সেই চাৰি বছৰীয়া অৱস্থাৰ পৰাই গোলাপীক দেখি আহিছে মাষ্টৰে। এবছৰ দুবছৰকৈ সেইজনী গোলাপীয়েই বৰ এজনী হ'ল। গাত কপোৰ ললে। তথাপি মাষ্টৰৰ ঘৰলৈ তাইৰ আহ-যাহ আগৰ দৰে একেই থাকিল। মাষ্টৰণীয়েও মৰিবৰ সময়ত একমাত্ৰ পুতেক চন্দ্ৰৰ বিয়াখন গোলাপীৰ লগত হৈ যোৱা চাবলৈ নেপাই আক্ষেপ কৰি গৈছে। সেয়াও মাত্ৰ তিনি বছৰৰ আগৰ কথা। গোলাপীৰ প্ৰতি চন্দ্ৰৰ টানটোৰ কথাও মাষ্টৰৰ অজানা নহয়। এই দুৰ্দিনৰ বেলা কোনেও কাৰোবে মুখলৈ নেচায়। এনে অৱস্থাত সিহঁতৰ বা-বাতৰি নললে, একমাত্ৰ পুতেকৰ প্ৰতিয়েই মাষ্টৰে অন্যায় কৰা হ'ব।

ৰান্ধনি বেলিৰ শেঁতা ৰঙে ভাগি অহা এই সোনাকুছি গাঁৱৰ ৰঙো শেঁতা কৰি তুলিলে। এমাইল জোৰা সেই বাট ডোখৰত কেৱল ল'ৰা-ছোৱালীৰ হাই উৰুমি, কেঁচুৱাৰ কান্দোন আৰু গৰু-গাইৰ হেম্বেলনিয়ে এক বিকৃত আৱাওৰ সৃষ্টি কৰিছিল। গাঁৱৰ ডেকাবোৰে সৰু সৰু নাৱেৰে ভাগি যোৱা সোনাকুছি গাৱৰ পৰা এৰি অহা লাম-লাকটিবোৰ কঢ়িওৱাতেই ব্যস্ত আছিল। ভুবন মাষ্টৰে দেখিলে সূৰুযৰ শেঁতা ৰঙ আৰু শেঁতা হৈ ভগা গাঁৱৰ মুধচবোৰত বৈ গৈছে - লগে লগে আন্ধাৰ নামি আহিছে সৰু বৰ গছবোৰৰ ফাকেদি।

চকিদাৰটোক ভাতকেটা ৰান্ধিবলৈ দি মাষ্টৰ সাঁকো বগাই আলিত উঠিল। ৰাইডাঙৰ মূৰ আকোঁৰা লাঠি ডালত ভৰ দি গাঁৱৰ ফালে খোজ ললে। উৎপতীয়া কুকুৰ মখাই চিঞৰি বাখৰি হুলস্থুল লগাই আছিল। জুপুৰিবোৰৰ ভিতৰত জুই একুৰা সাৰটি সাৰটি মানুহবোৰ সোমাই পৰিছে। বাটৰ ওপৰত শুই থকা গৰুবোৰৰ লগত উজুটি নোখোৱাকৈ খুপি খুপি মাষ্টৰ আগবাঢ়িল। গোলাপীহঁতৰ ঘৰত সোমাম বুলি ভাবিছিল কিন্তু আন্ধাৰত ঘৰবোৰৰ চিনেই হেৰাই গ'ল। অগত্যা আৰু অলপ আগবাঢ়িল। আহি আহি এয়া দেখোন শেনছোৱা বিলৰেই ওচৰ পালেহি। বিলৰ মাজত ভেট ফুলবোৰে তৰালি আকাশৰ ফালে চাই চাই হাঁহিছিল। বাঢ়নি পানীয়ে ঠেলি আনি মেটেকাৰ জোপাটো পাৰত লগাই দিছিলহি। ফটিকৰ ধাৰ যেন পানীৰে ভৰা শেনচোৱা বিললৈ সোৱণশিৰিৰ বানপানী সোমাল। পানী ঘোলা হৈ পৰিছে। পাৰৰ ওলাই থকা ঠাই ডোখৰৰ বন-বননি মানুহৰ ভৰিৰ গছকত বোকা হৈ গৈছে। ভুবন মাষ্টৰ আৰু আগবাঢ়ি গৈ পাৰত বান্ধি থোৱা নাওখনৰ ওচৰ পালেগৈ। নাৱত কোনো নাছিল। ওচৰৰ তম্বুটোত কেইজনীমান ছোৱালীয়ে খিল খিলাই হাঁহিলে। ভুবন মাষ্টৰৰ কাণ ঠিয় হ'ল। তেন্তে চহৰৰ পৰা মাইকী মানুহও আহিছিল নেকি? ক'তা দিনত দেখা মনত নপৰেচোন। তেন্তে? তম্বুৰ ভিতৰৰ কথাবোৰ খুব অস্পষ্ট হৈ ভাহি আহিল।

............. হিঃ হিঃ হিঃ নেযাওঁ।

.............. কিয়? ভয় লাগিছে নহয়?

হিঃ হিঃ হিঃ

হিঃ হিঃ হিঃ

অসংযত আঁচল উৰাই দুজনী ছোৱালী তম্বুৰ কাপোৰ ডাঙি দৌৰ দিলে। আন্ধাৰৰ দীঘল বাটটোত গাঁৱৰ ফালে দৌৰ দিয়া ছোৱালী দুজনী হেৰাই গ'ল। সিহঁতৰ খিল খিলনিৰ শেষ শব্দবোৰ জিলি কেঁচু-কুমতিৰ ঐক্যতানত মিলি ভুবন মাষ্টৰৰ কাণত খুব প্ৰকট হৈ পৰিল। হঠাতে মাষ্টৰে চিঞৰি উঠিল "গোলাপী! গোলাপী!"

"কোন গোলাপীক বিচাৰিছে আপুনি?" তম্বুৰ ভিতৰৰ পৰা এজন ওলাই আহিল।

"এই যে দুজনী ছোৱালী এই মাত্ৰ গুচি গ'ল।" ভুবন মাষ্টৰৰ ভৰি দুটা কঁপিছিল। খঙত।

"ছোৱালী? ক'ব নোৱাৰোঁ।" মানুহজন সোমাই গ'ল। দুয়োটা তম্বুৰ ভিতৰৰ পৰা মৃদু মৃদু গুঞ্জণৰ ভাহি আহিছিল। ওলমি যোৱা চুৰিয়াৰ থোৰটো কোঁচাই ধৰি ভুবন মাষ্টৰে বেগাই খোজ ললে ঘৰলৈ।

অত্যন্ত গম্ভীৰ হৈ পৰিল মাষ্টৰ। খাব-ব'ৰ মন নগ'ল। সোনাকুছি গাঁৱৰ সোণহীৰাবোৰ এইদৰেই কালে লৈ যাব বিচাৰিছে। অৱস্থাই মানুহক কি যে নকৰে। এই মানুহবোৰ, এই ল'ৰা-ছোৱালীবোৰ ইমান বেলেগ বেলেগ লাগিছে কিয় মাষ্টৰৰ। মাষ্টৰে আঢ়ৈ কুৰি বছৰীয়া জীৱনত বহুতো দেখিলে বহুতো শুনিলে। তথাপি সোনাকুছি গাঁৱলৈ এনেকুৱা দুৰ্যোগৰ বান অহা মনত নপৰে। দুখতে ভুবন মাষ্টৰ ক্লান্ত হৈ পৰে। গোলাপী, সেয়া গোলাপী নহ'বও পাৰে। হ'বওতো পাৰে। বহুত ভাবি মাষ্টৰে সিহঁত মাক-জীয়েক হালক বঙলালৈকে লৈ আনাৰ ঠিক কৰিলে। সোনাকুছি গাঁৱলৈ আকৌ উভটি যোৱালৈকে কিছুদিন সিহঁত মাষ্টৰৰ নজৰত থাওক। যিহেতু গোলাপীক লৈ মাষ্টৰে ভৱিষ্যতৰ সপোন ৰচিছে, যিহেতু মানুহ হিচাপে মাষ্টৰৰ এখন অন্তৰ আছে। গতিকে গোলাপীহঁতৰ কাৰণে মাষ্টৰৰ বৰ্তমানৰ কৰ্তব্যও আছে। বঙলাৰ চকিদাৰটোক মাতি আনি মাষ্টৰে কথাটো কাণচোৱাই থলে।

পানী অলপ শুকাইছিল। তথাপি গাঁৱলৈ ঘূৰি যাব পৰা অৱস্থা হোৱা নাই। পানীত তল যোৱা ভঁৰালৰ ধানবোৰ মানুহে নাৱেৰে কঢ়িয়াই আনি ৰ'দত শুকুৱাইছিলহি। কেবাদিনো পানীৰ তলত থকা কাৰণে ধানবোৰৰ চাউলো বেয়া বেয়া গোন্ধাইছিল। তথাপি নেখাই উপায় নাছিল।

সেই সন্ধিয়াৰ ঘটনাই ভুবন মাষ্টৰৰ বহুত দিনৰ আশা আকাঙ্খা হঠাতে মষিমূৰ কৰি দিয়াৰ আশঙ্কাত মাষ্টৰে চক খাই উঠে। আকাশৰ দৰে ৰঙ সলাইছে মাষ্টৰৰ সন্দেহী মনে। দুপৰৰ ৰ'দজাক মূৰত লৈ আকৌ ওলাল মাষ্টৰ শেনচোৱা বিলৰ পাৰলৈ। তেওঁ দৃঢ়প্ৰতিজ্ঞ হ'ল হয় তাৰ পৰা কেম্প তুলি নিবলৈ ক'ব নহয় মানুহৰ দৰে থাকিবলৈ ক'ব। পেটৰ ভাত দি মুখৰ মাত কাঢ়ি নিয়াৰ অৰ্থ নাই।

শেনচোৱা বিলৰ পাৰ পাই ভুবন মাষ্টৰে যি ডোখৰ ঠাইত ৰ'লহি তাৰ পৰা এখোজো আগবাঢ়িবৰ ইচ্ছা নগ'ল তেওঁৰ। এয়া দেখোন গোলাপী।

"গোলাপী! এই দুপৰীয়া তই ইয়াত?"

হঠাতে মাষ্টৰৰ মাত শুনি গোলাপী চক খাই উঠিছিল। ৰ'দত ওৰণি লৈ থকা চাদৰখন মূৰৰ পৰা খহাই আনি বহাৰ পৰা তাই উঠিল। মাষ্টৰে তম্বুৰ ফালে চালে। মানুহ থকাৰ উম-ঘামেই নাই। "হাঁহ কেইটাই; ধান-চান খাই ঘৰত বৰ দান-মান কৰি থাকে কাৰণে বিললৈকে লৈ আহিলোঁ।

আতৰত হাঁহ কেইটামানে পানীত বুৰিয়াই বুৰিয়াই কিবা বিচাৰিছিল। মেটেকাৰ জোপাবোৰৰ ফাঁকে ফাঁকে লুকা-ভাকু খেলিছিল। তলমূৰ হৈ গোলাপী ৰৈ আছিল। ৰিব্ ৰিব্ বতাহত তম্বুৰ ওলমি থকা ৰচা এডোখৰো কঁপা নাছিল। ঠাইডোখৰৰ অসহ্য নীৰৱতাই মাষ্টৰৰ সন্দেহীমন আৰু সন্দিহান কৰি তুলিলে। তম্বুৰ ভিতৰ সোমাই চাম বুলি ভাবিও মাষ্টৰ নোসোমাই ঘূৰি আহিল।

গোলাপীৰ মাক বিনন্দাক ভায়েকহঁতৰ ঘৰতে লগ পালে মাষ্টৰে। সকলো কথা ভাঙি নক'লে মাত্ৰ ক'লে কিছুদিনৰ বাবে সিহঁত মাক-জীয়েক হালেই মাষ্টৰৰ লগত বঙলাতে থাকিব। অসুবিধা নাপালে ৰাতিও থাকিব পাৰিব। খোৱা-বোৱাতো কষ্ট নেপায়। মাষ্টৰে ধান অনাইছেই। সিহঁতেই কৰিব মেলিব খাব। ভয়েক বোৱাৰীয়েকহঁতৰ বঢ়া বচনে বিনন্দাক তিতা-কেহা দিয়েই আছে। মাক-জীয়েক হালে এইকেইদিনত অন্ততঃ দুয়ো সন্ধ্যাৰ বাবে সিহঁতক আমনি দিয়াব নলগা হ'লে দুয়োকুলৰে মঙ্গল হয়। অগত্যা হা-না নকৰি বিনন্দাই মূৰ দুপিয়ালে। এয়াটো ভুবন মাষ্টৰৰ অনুৰোধ নহয় - আদেশ।

বঙলাৰ বাৰান্দাৰ আৰামী চকীখনত বহি উদাস চাৱনিৰে মাষ্টৰে বহল জলপৃষ্ঠৰ ফালে চাই আছিল। আৰু অলপ পিছতেই সেই জলপৃষ্ঠৰ তলত বেলিটো লুকাই পৰিব। এয়া দুৰ্যোগ আহিল সোনাকুছি গাঁৱলৈ, দুৰ্যোগ প্ৰাণৰ আৰু মনৰো। গোলাপীহঁতক মাতি আহি কেনে কৰিলে তাকে ভাবিছিল মাষ্টৰে। চন্দ্ৰৰ মাকৰ শেষ ইচ্ছা ইমানতে অন্ত পৰিবলৈ কেতিয়াও নিদিয়ে মাষ্টৰে। গোলাপীক এই দুৰ্যোগৰ পৰা বচাবই লাগিব।

পানীৰ সোঁতে কঁপাই থকা সাঁকোডালে বগাই আগত মাক আৰু পিছে পিছে গোলাপী বঙলালৈ আহিল। ভুবন মাষ্টৰে ঘোপা কৰি এবাৰ চালে। লাহে লাহে উঠি দুই হাতেৰে দুৱাৰখন দুফালকৈ মেলি নিজেও ভিতৰলৈ সোমাই গ'ল। গোলাপীয়ে বাৰান্দাৰ ৰেলিঙত ধৰি সোৱণশিৰি চাব ধৰিলে। মাক বিনন্দাই দুৱাৰ দলিত ভৰিটো ঘঁহাই চুচুক চ'মাককৈ ভিতৰলৈ গ'ল। আগফালৰ বাৰান্দা আৰু পিছফালৰ বাৰন্দাৰ সৈতে সহযোগ ৰখা মাজৰ খোলা কোঠাটোৰ বাহিৰেও দুফালে দুটা কোঠা। পিছফালে থকা পাকঘৰটি পানীত তলগৈ আছিল। কোঠা এটালৈ ভুমুকিয়াই চালে বিনন্দাই। এলান্ধু মকৰাৰ জালেৰে চুক কোণবোৰ ভৰা। লেতেৰা খাট এখনত এলান্ধুৰে খোৱা আঁঠুৱা এখন ওলমি আছিল। বোধহয় চকিদাৰটোৰ বিছনা। এটা চকুত কাণভগা কেৰাহি এখন ছাই, এঙাৰেৰে ভৰ্তি। ওপৰত নিমখ হালধিৰ টেমা, তেলৰ বটল আদি হিজিবিজি হৈ আছিল। ৰন্ধাবঢ়াও নিশ্চয় তাতেই হয়। ইটো কোঠালৈ ভুমুকিয়াই চালে। মাষ্টৰে খিৰিকিখনৰ কাষত তন্ময় হৈ কিবা ভাবি বাহিৰলৈ চাই আছিল। বিনন্দাই নেমাতিলে। তেন্তেচৰকাৰী ঘৰত চকিদাৰৰ বাহিৰে চৰকাৰী বিষয়া নেথাকেই। আগফাললৈ আহিল বিনন্দা। গোলাপীয়ে ৰেলিঙত ভৰি দি আউজি আছিল।

"তইনো বাহিৰত এই ঠাণ্ডাখনত কি কৰিছ। ভিতৰলৈকে বল যাওঁ।" মাকৰ কথাৰ একো প্ৰত্যুত্তৰ নিদিলে গোলাপীয়ে।

"তহঁত মাৰ জীয়েৰ ভিতৰতেই বহচোন। চকিদাৰটো কেনিবা গৈছে আহিব এতিয়া।" ভিতৰৰ পৰা আহি মাষ্টৰ আকৌ আগফালৰ চকীখনত বহিলহি। বিনন্দা পিছফালৰ বাৰান্দাত বহি পৰিল। গোলাপী সেইদৰেই ৰৈ আছিল।

সোৱণশিৰিৰ পাৰৰ গধূলিৰ ফিৰ্ ফিৰিয়া বতাহজাক আকৌ আহিল। সৰু সৰু নাওবোৰত ধান ভৰাই ভগা সোনকুছি গাঁৱৰ পৰা লখিমী কঢ়িয়াইছে গাঁৱৰ মানুহে। দূৰৈৰ কুৱলিবোৰ ক্ৰমাত ডাঠ হৈ ওচৰ চাপি আহিছে। ভুবন মাষ্টৰৰো দৃষ্টিৰ বলয় কোঁচ খাই খাই আহি গোলাপীত ৰ'লহি। বৈ পৰা খোপাটোৰ ওপৰেদি কাণদুখন ঢাকি ধৰাকৈ চাদৰখন আনি বুকুৰে চেপামাৰি ধৰি ৰেলিঙত ভৰ দি তাইতলৰ বোৱতি পানীধাৰা চাই আছিল। সোঁতত ওপঙি ফুৰা পৰুৱাটো ক'ৰবাৰ পৰা মাছ এটা আহি টপকৈ খাই পেলালে। (আই ঐ দেহি) গোলাপী চক্খাই উঠিছিল। সোঁতত সাঁকোখন কঁপি আছিল। লাহে লাহে সন্ধ্যা নামি আহিল। সন্ধ্যা নামিল ভাগি অহা এই সোনাকুছি গাঁৱলৈ আৰু সন্ধ্যা নামিল শেনচোৰা বিলৰ পাৰলৈ। মাষ্টৰে চকুদুটা জোৰেৰে মুদি ধৰিলে। খুব জোৰেৰে...........

'কি নাম?

ইঃ নকও আমাৰ নাম।

নাম দুটা ক'লা?

মোৰ নাম গোলাপী। আৰু তাইৰ নাম।

বেচ বঢ়িয়া নাম। চাওঁ ওচৰলৈ আহাচোন?

নাযাওঁ।

কিয়?

ইমান ওচৰলৈ যাব নোৱাৰোঁ।

কোনো নাই নহয় ইয়াত?'

ভুবন মাষ্টৰৰ ভৰি দুটা কপিছে গাৰ নোমবোৰ জিকাৰ খাই উঠিছে। গোটেই গাতে কিহবাৰ শিহৰণ উঠিছে।

'ইমান টানকৈ নধৰিবা?

ধেৎ আকৰি ছোৱালী।

হিঃ হিঃ হিঃ, হিঃ হিঃ হিঃ...।'

এমুৰে কাপোৰ ডাঙি দুজনী ছোৱালী দৌৰ দিছে মাষ্টৰে জোৰেৰে কাণদুখন হেঁচি ধৰিলে।

.....হিঃ হিঃ হিঃ, হিঃ হিঃ হিঃ...।'

"গোলাপী!" চকীৰ পৰা উঠিল মাষ্টৰ।

"কি হ'ল?" ৰেলিঙত আউজি থকা গোলাপী চক খাই উঠিল।

"নাই একো হোৱা নাই। তই নহয়। আন কোনোবাহে। নষ্ট হৈছে।"

"মই বুজা নাই একো।" গোলাপীয়ে ভয় খাইছিল।

" তোৰ কথাকে ভাবিছোঁ গেলাপী।"

মোৰ কথা? কিয়?" গোলাপীয়ে একে কোবেই পিছফালে থকা মাকৰ ওচৰ পালেগৈ। বাৰান্দাতে মাক বহিয়েই আছিল। তাই দুৱাৰখনতে আউজি ৰ'ল।"

"আই যাওঁ বল, ৰাতিয়েই হ'ল দেখোন।"

"ৰ'চোন যাম নহয়।"

গোলাপীৰ ভয় লাগিছিল। কেউফালে পানী আৰু পানী। পানীত উটি বুৰি আহি সিহঁত মাক-জীয়েক হাল যেন এই ঘৰটোত উঠিছেহি। পানী বাঢ়ি আছে। আৰু অলপ পিছতে এই ঘৰটোও তল যাব। আন্ধাৰো গাঢ় হৈ পৰিব। গোলাপীয়ে দুৱাৰখনত জোৰেৰে সাৱটি ধৰিলে।

মাষ্টৰে চেলাউৰি দুটা কোঁচ খুৱাই কিবা ভাবিলে। সোৱণশিৰিৰ পাৰ ভগাৰ শব্দ। গৰু-গাই-মানুহ-দুনুহৰ চিঞৰ-বাখৰ, সন্ধিয়াৰ ফিৰ্ ফিৰিয়া বতাহ এই সকলোবোৰ মিলি আকৌ এটা গধুৰ সন্ধ্যা গধুৰ হৈ পৰিল ভুবন মাষ্টৰৰ কাৰণে।

চুচুক চামাককৈ মাক-জীয়েক দুয়ো মাষ্টৰৰ ওচৰত ঠিয় হ'ল।

"আমি যাওঁহে বুলিছোঁ।" বিনন্দাই ক'লে।

"কিয়?"

"এইজনীয়ে আকৌ ঘৰলৈ যাবলৈ পেন্‌পেনাই আছে। কথা বতৰাও একো নহ'লেই। খোৱাও নহ'ল। নেপালী চকিদাৰটোও ব'লৈ গ'ল জানো। নোলালেহি দেখোন।"

"কাইলৈ তেনে সোনকালে আহিম।"

"আহিবা। গোলাপী, তই দেখোন মনে মনেই থাকিলি?"

"কি কথানো পাতিম। কথা নায়েই।"

কথা আছিল। কোৱাহে নহ'ল। মাষ্টৰেও নক'লে গোলাপীয়েও নক'লে। তথাপি বহুত নোকোৱা কথাৰে ঘৰটো বাঙ্ময় হৈ আছিল। মাক জীয়েক দুয়ো গ'লগৈ। গোলাপীয়ে সাঁকোডাল পাৰ হৈ এবাৰ ঘূৰি চাইছিল। চাদৰৰ আগেৰে মুখকাণ ঢাকি লৈ মাকৰ পিছে পিছে তাই গৈছিল। মাষ্টৰো ভিতৰলৈ আহিল। খোলা খিৰিকিৰে কুঁৱলিৰ বাহিৰে আৰু একো দেখা নগ'ল। খিৰিকিখন বন্ধ কৰি দিলে মাষ্টৰে। দৌৰ মাৰি সাঁকোডাল বগাই আহিয়েই লেমটো জ্বলাই চকিদাৰটোৱে মাষ্টৰৰ কোঠাৰ টেবুলত থৈ আহিল। আন্ধাৰত জুপুকা লাগি বহি থকা মাষ্টৰক কথাবোৰ ক'বলৈ তাৰ সাহেই নহ'ল।

সিহঁত আহিল আৰু গ'ল। মুখ খুলি একো কথাকে নক'লে। মাষ্টৰ নিজেই খুব অপ্ৰস্তুত হৈ পৰিছিলনেকি? আহিয়েই সিহঁতে যাবলৈ উচপিচ লগোৱাৰ অৰ্থ কি? অথবা মাষ্টৰৰ কথা কাণ্ডবোৰ সিহঁতে বেলেগ ধৰণে লৈছেনেকি? ছিঃ কি যে কথাবোৰ ভাবিছে মাষ্টৰে।

পিছদিনা ৰাতিপুৱা বিছনাত পৰি পৰি মাষ্টৰে পুতেক চন্দ্ৰৰ কথাকে ভাবিছিল। কিয়ে সাংঘাতিক ল'ৰা। এই হেন বিপদত সিনো এবাৰো আহিব নেপায়নে? অৱশ্যে সময়ো নেপাব পাৰে। সময় পালেওতো আহোঁ বুলিয়েই এই কলীয়াপানীলৈ আহিব নোৱাৰে। এৰা, ল'ৰাকো দুষিব নোৱাৰে। বিছনাৰ পৰা উঠি পূবফালৰ খিৰিকিখন মেলি দিলে। কুঁৱলিৰ বুকুফালি সূৰুযৰ পোহৰ তেতিয়াও পৰিষ্কাৰ হোৱা নাই। মুখ ধুই মাষ্টৰ আগফালৰ বাৰন্দাতে বহিছিল। চকিদাৰটোৱে ফিকা-চাহ এবাটি দি গ'লহি।

কুৱলিবোৰ লাহে লাহে আতৰি গৈছিল। বেলিটোও পৰিষ্কাৰ হৈ পৰিল। ক্ৰমান্বয়ে ভুবন মাষ্টৰৰ দৃষ্টিত কুঁৱলিয়ে ঢকা বিৰাট জলপৃষ্ঠৰ ভালেখিনি পৰিষ্কাৰ হৈ পৰিছিল। দূৰৰ সোৱণশিৰিখন আজি অলপ শান্ত যেন লগা হৈছে। টৌৱে টৌৱে ঠেকাখাই নদীৰ বুকুভাঙি অহৰহ কলৰৱময় সোৱণশিৰি আজি বহুত শান্ত। কিন্তু মাষ্টৰৰ মনত অশান্তিয়ে ঠাই লৈছে। কিয়, মাষ্টৰে নিজেই ক'ব নোৱাৰে। কেতিয়াবা মাষ্টৰে ভাবে, সঁচায়, চব দেখোন ঠিকেই আছে। তেন্তে মাষ্টৰৰ এই ব্যস্ততাৰ অৰ্থ নাই নেকি। চন্দ্ৰ, গোলাপী আৰু বিনন্দা। চন্দ্ৰৰ লগত মাষ্টৰৰ তেজ-মঙহৰ সম্বন্ধ আছে। কিন্তু এই গোলাপী আৰু বিনন্দা, ইহঁতৰ লগত মাষ্টৰৰ সম্বন্ধ কি। চন্দ্ৰই গোলাপীক ভাল পায়। নিতান্ত সাধাৰণ কথা। গোলাপীৰ বাহিৰেও আৰু বহুতো ছোৱালী চন্দ্ৰই লগ পাব। চন্দ্ৰই গোলাপীক লৈ যিমান চিন্তা কৰে - মাষ্টৰে তাতোকৈ বেছি কৰিছে নেকি? অৱশ্যে এইটো ঠিক যে বহুদিন ধৰি মাষ্টৰে নিৰলাত বহি বহি গোলাপীজনীক বোৱাৰী কৰি সজাই চাইছে, ওৰণি লোৱাইছে নিজম ঘৰখনৰ কোনোবা চুকত গোলাপীৰ মুখ টিপা হাঁহি শুনি নিজকে ধন্য মানিছে -- কোলাত কেঁচুৱা লৈ মাষ্টৰৰ ওচৰত আঁঠু লবলৈ অহা গোলাপীক অন্তৰ ভৰি আৰ্শীবাদ দিছে।

নেপালী চকিদাৰটোৱে ৰান্ধি বাঢ়ি থৈও ওলাই গ'ল। বেলিও মুৰৰ ওপৰেই পালেহি। ৰাতিপুৱাই আহিম বোলা মাক-জীয়েক দেখোন ইমান পৰে নাহিল। কিবা অসুবিধা হৈছে নেকি। অথবা সিহঁতে আন কিবা ধৰণে কথাবোৰ বিচাৰ কৰিছে নেকি? যাওক সেইবোৰ কথা। কিয়ে কথাবোৰ ভাবিছে মাষ্টৰে। অ' সেয়া বিনন্দা আহিছে। কিন্তু গোলাপী নাহিল দেখোন।

বিনন্দাই সাঁকোডাল বগাই আহি বঙলাৰ বাৰণ্ডাত ৰৈ গ'ল।

"দেৰি হ'ল দেখোন। পিছে গোলাপী নাহিল কিয়? ভুবন মাষ্টৰে কৈ কৈ চকীৰ পৰা উঠি ভিতৰলৈ যাব খুজিছিল। বিনন্দাই কথাৰ সহাঁৰি নিদি চাংঘৰৰ তক্তাতে বহি হুক্ হুক্কৈ কান্দি পেলালে। মাষ্টৰ ৰৈ গ'ল।

"কান্দিছা কিয়?"

"কালি ওৰে ৰাতি সিহঁতে কন্দুৱাইছে। আমি হোনো অধঃ পাতে গৈছোঁ।" কথাবাৰ কৈ বিনন্দাই আকৌ কান্দি পেলালে।

তেনে মাষ্টৰে ভবা কথাই সঁচা নেকি? তেনে শেনচোৰা বিলৰ পাৰৰ কেম্পটো এতিয়াও আছে। মাষ্টৰৰ মন উৎকণ্ঠাৰে ভৰি পৰিল।

"সিহঁত ভাই-ককাই নহয় সাত-শতৰু। সিহঁতে যে আপোনাকো.....।" বিনন্দাই আৰু ক'ব নোৱাৰিলে।

মাষ্টৰৰ কপাল থুপ খাই পৰিল। একে কোবেই ভিতৰ পালেগৈ। খিৰিকিৰ চিকত ধৰি মাষ্টৰে বাহিৰলৈ চালে। এয়া ভুল কাৰ। মাষ্টৰৰ নে মানুহবোৰৰ। মানুহবোৰৰ ভুল নহয়-- মাষ্টৰৰো নহয়। এয়া মানুহৰ ভুল। একেবোৰ মানুহেইতো এদিন মাষ্টৰৰ ঘৰত গোলাপীক অবাধ আহযাহ সহজ ভাবেই লৈছিল। এদিন এই মাষ্টৰে নিজেওতো সিহঁতক ইমান সন্দেহৰ চকুৰে চাব লগা হোৱা নাছিল। কিন্তু এই সকলোবোৰেই ওলট পালট হৈ গৈছে। এয়া মনৰ দুৰ্যোগ। তথাপি এই দুৰ্যোগৰ পৰা গোলাপীক বচাবই লাগিব। নহ'লে মাষ্টৰৰ অন্তৰত কিবা এটা অসম্পূৰ্ণ হৈ ৰব। কিন্তু এতিয়া উপায়? মাষ্টৰক যে নিৰুপায়ত পেলাই দিলে।

কোঠাৰ ভিতৰতে অলপ সময় ইফাল সিফাল কৰি থাকি মাষ্টৰ ওলাই আহিল। তেতিয়াও বিনন্দা আগৰ ঠাইতেই বহি আছিল।

চকিদাৰটোৱে কোঠাটোৰ পৰা তাৰ বিছনাখন তুলি আনি মাজৰ মুকলি কোঠাত পৰি ললেহি। কোঠাৰ চুক-কোণবোৰ চাফা কৰি দিলে। কান্দি কান্দি মানুহজনী সঁচাকৈয়ে ক্লান্ত হৈ পৰিছিল।

কোনো ভূমিকাৰ আৱতাৰণা নকৰি মাষ্টৰে এটা আচৰিত প্ৰস্তাৱ কৰি পেলালে।

" আচ্ছা, মই এটা কথা ভাবিছোঁ, তোমালোক দুয়োকে যদি মোৰ ইয়াত একেবাৰে থাকি যাবলৈ কওঁ, বেয়া পাবা নেকি।"

"কি কৈছে?" বিনন্দাই কিবা যেন শুনি উচপ খাই উঠিল।

"ধৰা তোমালোকক যদি মোৰ কৰি লওঁ।"

"আমাক?"

"মানে তোমাক।"

"কিন্তু 'বাইদেৱে' য'ত আছে ত'ৰ পৰাই এই পাপীনিক শপিব।"

"নহয়, চন্দ্ৰৰ মাকৰ শেষ কামনা পূৰণৰ বাবেইতো এনে কৰিছোঁ।

"কিন্তু হঠাতে কিয় এইটো কৰিলে।"

"এনেয়ে। ধৰাচোন আমি গুচি যামেই। তাৰ পিছত এই সংসাৰ এৰি যাম চন্দ্ৰ আৰু গোলাপীৰ কাৰণে।"

বিনন্দাই আঁচলৰ আগেৰে সেমেকি থকা চকু মুখ মুচি ওৰণিখন লৈ ভুবন মাষ্টৰৰ ভৰিত আঁঠু ললে। মাষ্টৰে শিৰ চুই তুলি ধৰিলে। চকিদাৰটো ক'ৰবাৰ পৰা আহি কাণ্ডবোৰ দেখি অবাক হৈ পৰিল। ভিতৰলৈ সোমাই যাওঁতে সি কৈ গ'ল -- "মৰনৈৰ বান শুকাইছে। দুই এদিনতে মানুহবোৰ সোনাকুছি গাঁৱলৈ যাব। শেনচোৰা বিলৰ পাৰৰ কেম্পটো আজি ৰাতিপুৱা উঠাই লৈ গৈছে। ৰিলিফ আৰু নিদিয়ে হেনো।"

মাষ্টৰে ভাবিলে অলপ আগতে খবৰটো পোৱা হ'লে।

বাৰন্দাৰ ৰেলিঙত ধৰি সোৱণশিৰিৰ বিস্তৃতিৰ ফালে চাই চাই গোলাপীয়ে ভাবিছিল-- এতিয়া বাৰু এই মাষ্টৰৰ সম্বন্ধত তাইৰ কি হ'ব?

*(কটনিয়ানৰ ৩৭তম সংখ্যা (১৯৬১) চনত বঙ্কিং কাকতি সম্পাদনাত প্ৰকাশিত এই গল্পটো নতুন সহস্ৰাব্দৰ কটনিয়ান পাঠক সকললৈ পুনৰ প্ৰকাশ কৰি আগবঢ়াই দিয়া হ'ল। -- সম্পাদক)*

# বিপ্লৱ দীৰ্ঘজীৱী হওক

— *জয়ন্ত কুমাৰ চুতীয়া*



আৰু কি ভাল পোৱা?

ঃ আৰু ভাল পাওঁ সেই বিশাল আকাশখনক, এই পাৰ্কখনক, পাৰ্কখনত ফুলি থকা ধুনীয়া ফুলবোৰক আৰু তাতোকৈ বেছি ভাল পাও সেই ফুলবোৰৰ মাজৰ হালিজালি নাচি থকা তোমাৰ দৰে কণমানি কণমানি সোণগুটিবোৰক। এতিয়া তুমি কোৱা কি কি আৰু কাক কাক ভাল পোৱা তুমি?

ঃ মই ভাল পাও মোৰ পুতলাবোৰক, তাৰ পিছত ভাল পাও মোৰ মাক, তাৰ পিছত তোমাক..........

ঃ ইস। এনেয়ে কৈছা নহয়?

ঃ নহয়, সঁচাকৈয়ে। কিন্তু আটাইতকৈ বেছি ভাল কাক পাওঁ জানা? দে'তাক। মোৰ দে'তাই মোক খু-উ-ব মৰম কৰে জানা? ধুনীয়া পুতলা আনি দিয়ে, চকলেট আনি দিয়ে, ধুনীয়া ধুনীয়া সাধু কয় আৰু ফুৰাবলৈকো লৈ আনে। খালি জানা, দিনতহে দে'তাটো মোৰ লগত নাথাকে।

ঃ নেথাকে কিয়?

ঃ দে'তাই বাতৰি কাকতত কাম কৰে নহয়। সেইবাবে দিনত হেনো সময়কে নাপায়। নিশাও কেতিয়াবা বহুত দেৰিকৈ আহে। এনেকৈ নিশা দেৰিকৈ আহিলে মা আৰু মই কেতিয়াবা দে'তাটোক নেমাতোৱে। তেতিয়া জানা দে'তাই আমাক বেছিকৈ মৰম কৰে। মোক লৈ কোলাৰ পৰা ননমায়ে, সাধু কৈ কৈ মোৰ মাত উলিয়াবলৈ চায় আৰু মোৰ লগতে শোৱে। খুড়া, তোমাক বাৰু তোমাৰ দেউতাই এনেকৈ মৰম কৰে নহয়?

ঃ .......... .......... ............

ঃ কি হ'ল খুড়া? নেমাতা কিয়?

ঃ বিপ্লৱ। মোৰ দেউতা নাই নহয়।

ঃ নাই? কিয় - ক'লৈ গ'ল খুড়া?

ঃ মোৰ দেউতা সৌ আকাশলৈ তৰা হৈ কেতিয়াবাই গুছি গ'ল বিপ্লৱ। সেই বাবেইতো মই এই আকাশখনক ইমান ভাল পাওঁ।

☆☆☆

কাবৰ ঈষৎ ক'লা গ্লাচখন নমাই বাহিৰলৈ চালে অনলে, পথৰ দুয়োকাষে বিস্তীৰ্ণ ধাননি পথাৰ। পকা ধান আৰু সেমেকা মাটিৰ প্ৰগাঢ় গন্ধময় এছাটি মৃদু বতাহে সিহঁতক কোবাই পাৰ হৈ গৈছে। ৰাষ্ট্ৰীয়

পথৰ শ-শ ব্যস্ত যান-বাহনৰ মাজেৰে অভ্যস্তভাৱে দ্ৰুতগতিত পাৰ হৈ গৈছে। সিহঁতৰ মাৰ্চডিছ-বেঞ্জ কাৰ। ষ্টিয়েৰিঙত চাইমনৰ হাত দৃঢ় অভ্ৰান্ত।

ঃ তোমালোকৰ নেটৱৰ্ক কিন্তু মানিবলগীয়া চাইমন। ইমানখিনি হৈ যোৱাৰ পিছতো জন সাধাৰণৰ মাজত তোমালোকৰ বেছ লিঙ্ক অটুট আছে দেখিছো। ম্যানমাৰত থাকোতে এই নিউজ পেপাৰবোৰ পঢ়ি থাকোতে মোৰ আশংকা হৈছিল যে আমাৰ সমগ্ৰ ইনফ্ৰাষ্ট্ৰাকছাৰটোৱে হয়তো ভাগি পৰিছে। সেয়েহে ইয়াত আহি মই ইমান সুচল পৰিৱেশ এটা যে পাম , সেই কল্পনাই কৰিব পৰা নাছিলো।

ঃ সেইবোৰ সৱ ইণ্ডিয়ান আৰ্মিৰ প্ৰপ'গেণ্ডা মহাশয়। দৰাচলতে দুই এটা নগণ্য চেন্টাৰৰ বাদে সিহঁতে আমাৰ কোনো বিশেষ ক্ষতি কৰিব পৰা নাই, আৰু মোৰ বিশ্বাস নোৱাৰিবও।

এটা স্মিত হাঁহি অনলৰ মুখত বিৰিঙি উঠিল। ল'ৰাবোৰৰ দৃঢ়তা আছে দেখিছো। অনলে মনে মনে ভাবে, এই সময়ত এনে দৃঢ় মানসিকতাৰ ল'ৰাবোৰৰে প্ৰয়োজন আছে। কাৰণ দিন অতিবাহিত হোৱাৰ লগে লগে সিহঁতৰ মুক্তি সংগ্ৰামখন তীব্ৰৰ পৰা তীব্ৰতৰ হোৱাৰ লগে লগে নানা জটিল পৰিস্থিতিৰো সন্মুখীন হ'ব লগীয়া হৈছে। এনেতে, তাৰ হাতত কিছুদিনৰ আগতে আহি পৰা নিৰ্দেশটোৰ কথা মনলৈ আহিল অনলৰ........ জনসাধাৰণৰ মাজত জাতীয় মুক্তি সংগ্ৰাম সম্পৰ্কত বিভ্ৰান্তিৰ সৃষ্টি কৰাৰ লগতে বাহিনীৰ বিপক্ষে প্ৰতি বিপ্লৱী শক্তি সমূহক উচতাই ৰাজনৈতিক মুনাফা আদায়ৰ প্ৰয়াস কৰাৰ বাবে মুক্তি বাহিনীৰ সামৰিক আদালতে অভিযুক্ত পাৰ্থ প্ৰতিম গোস্বামীক জাতীয় মুক্তি সংগ্ৰামৰ অন্যতম প্ৰতিবন্ধক তথা গণশত্ৰু হিচাপে গণ্য কৰিছে আৰু স্বদেশ স্বজাতিৰ বৃহত্তৰ স্বাৰ্থৰক্ষাৰ খাটিৰত তেওঁক মৃত্যু দণ্ডৰ আদেশ দিছে। এই দণ্ডাদেশ এসপ্তাহৰ ভিতৰত কাৰ্যকৰী কৰাৰ দায়িত্ব সংগঠনৰ ৩৮ নং বেটেলিয়নৰ চাজেন্ট মেজৰ অনল বড়ো আৰু সৈনিক সদস্য-সিদ্ধাৰ্থ বৰুৱাৰ হাতত ন্যস্ত হ'ল......

চলমান গাড়ীখন হঠাৎ বৈ যোৱাতহে সম্বিত ঘূৰি আহিল অনলৰ। ভাৰত বিভোৰ হৈ থাকোতে কিমান দূৰ আহিল সি ক'বই পৰা নাছিল। প্ৰশ্নবোধক দৃষ্টিৰে সি চালক চাইমনলৈ চালে— কি হ'ল?

ঃ আমাৰ গন্তব্যস্থান পালেহি মহাশয়।

☆☆☆

কেৱল সশস্ত্ৰ তৎপৰতাই কি এই দেশৰ নিৰ্যাতিত নিপীড়িত মানুহবোৰৰ বাবে মুক্তিৰ বতৰা কঢ়িয়াই আনিব পাৰিব? বোমাৰ স্পিলন্টাৰ, বাৰুদৰ ধোঁৱাৰে ধুসৰিত হৈ উঠা এই অসমত কি এনেদৰেই মানবীয় মুক্তিৰ জয়গান গোৱা হ'ব? লাহে লাহে হতাশ হৈ পৰিছে সিদ্ধাৰ্থ।

অথচ এটা সময়ত সশস্ত্ৰ সংগ্ৰামৰ পন্থা আন বস্তুৰ দৰে তাৰ বাবেও আছিল নিৰ্বিকল্প-অভ্ৰান্ত। কি বিৰল সাৱলীলতাৰে সি তেতিয়া আওৰাইছিল Power comes through the barrel of the Gun ৰ দৰে আপ্তবাক্যবোৰ। বিশ্বাস কৰিছিল প্ৰগাঢ়ভাৱে ক্ৰিয়াশীল শাসনতন্ত্ৰ ওফৰাই দি মেহনতী জনতাৰ হাতত ৰাজনৈতিক-অৰ্থনৈতিক ক্ষমতাৰ জৰী তুলি দিয়াৰ ক্ষেত্ৰত সশস্ত্ৰ সংগ্ৰামৰ পন্থা অপৰিহাৰ্য। বুৰ্জোৱাৰ এই সংসদীয় শাসনতন্ত্ৰই দুখীয়াৰ দুখ মোচন কৰিব নোৱাৰিব কেতিয়াও।

এইবোৰ কথাৰ ন্যাৰ্যতা এতিয়াও অৱশ্যে সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিব নোৱাৰে সিদ্ধাৰ্থই। কিন্তু শ্ৰেণী শত্ৰু হত্যাৰ নামত, প্ৰতিবিপ্লৱী হত্যাৰ নামত আজি কিছুদিনৰ পৰা এই অবাধ হত্যাযজ্ঞক সি যে মনে প্ৰাণে সহ্য কৰিব পৰা নাই। কিয়েই বা লাভ হ'ব এনেদৰে ইজনৰ পাচত সিজনক হত্যা কৰি? এতিয়ালৈকে অসংখ্যজনক হত্যা কৰা হ'ল, কিন্তু তেওঁলোকৰ হত্যাই বিপ্লৱৰ পথত আহি পৰা সকলো সমস্যা সমাধান কৰি দিলেনে? ইমানবোৰ ৰক্তপাত ভাতৃঘাটী সংঘৰ্ষ হ'ল, কোটি কোটি টকা সংগ্ৰহ কৰি তাৰে অত্যাধুনিক মাৰণাস্ত্ৰ, বিস্ফোৰক আদি কিনা হ'ল সিহঁতৰ আশ্ৰয়দাতা সহজ সৰল গাঁৱলীয়া লোকসকলক ভাৰতীয় সেনাই পাশৱিক অত্যাচাৰ কৰিলে; বহু মাতৃ-ভগ্নী ধৰ্ষিতা হ'ল সিহঁতৰ মুক্তি সংগ্ৰামৰ স্বাৰ্থত ক'তজন সতীৰ্থক হেৰুৱাব লগা হ'ল, কত নিৰ্দোষী নিষ্পাপ ডেকাক ভাৰতীয় সেনাই ভুৱা এনকাউন্টাৰত গুলীয়াই মাৰি টায়াৰত কেৰাচিন তেল ঢালি জ্বলাই দিলে সিহঁতৰ শৰীৰ। কিন্তু ক'তা, একোৱেইতো পৰিবৰ্তন নহ'ল কাৰোবে সিহঁতৰ সংগ্ৰামৰ সমৰ্থনত অবাল বৃদ্ধা-বণিতা, যুৱক-যুৱতীয়ে আকাশ কপোঁৱা ধ্বনিৰে ৰাজপথ উত্তাল নকৰিলেহি, প্ৰতিবাদৰ মুষ্টিবদ্ধ হাত এখনো উঠি নাহিল আকাশক ধীয়াই। গাঁৱৰ সৰুমন-নদীৰাম দাইতিহঁতকতো সিহঁতে আজিও বুজাব নোৱাৰিলে যে স্বাধীনতাটোনো কি বস্তু-খায় নে পিন্ধে? এক ৰুদ্ধ আৱৰ্তত যেন তাৰ শ্বাস-প্ৰশ্বাস বন্ধ হৈ যাব। কাক ক'ব কোনেই বা পতিয়াব তাৰ মনত যে এতিয়া অহৰ্নিশে চলি থাকে কি অমোঘ মহাসমৰ! এক গভীৰ হুমুনিয়াহ সিদ্ধাৰ্থৰ বুকু ভেদি ওলাই আহে।

সিদ্ধাৰ্থই জানে, সিদ্ধান্ত লোৱাৰ অধিকাৰী সিহঁত নহয়। আৰু নেতৃত্বৰ ওপৰত প্ৰশ্ন তোলাটোও সমীচিন নহ'ব। এই মহান মুক্তি সংগ্ৰামৰ এজন সৈনিক হিচাপে শীৰ্ষ নেতৃত্বৰ নিৰ্দেশ পালন কৰাটোৱে তাৰ প্ৰধান কৰ্তব্য।

আৰু কিছু সময়ৰ পিচতে আৰম্ভ হ'ব সিহঁতৰ পৰবৰ্তী অভিযান। অলপ সময়ৰ পাচতে এই পাৰ্কলৈ আহিব এজন মানুহ, যিজনৰ মৃত্যুদণ্ডৰ আদেশ কাৰ্যকাৰী কৰাৰ প্ৰাথমিক দায়িত্ব তাৰ ওপৰত ন্যস্ত কৰা হৈছে। সিদ্ধাৰ্থই লাহে লাহে নিজকে প্ৰস্তুত কিৰবলৈ ধৰিলে আসন্ন অভিযানৰ বাবে......।

☆☆☆

খুড়া

ঃ হাঁ।

ঃ কি হৈছে তোমাৰ? মোৰ লগত কথা পাতি তুমি বাৰু ভাল পোৱা নাই নেকি?

ঃ ওঁহো, নহয় বিপ্লৱ। তোমাক লগ পাই, তোমাৰ লগত কথা পাতি মোৰ খুউব ভাল লাগিছে। এনেদৰে কিয় সুধিছা?

ঃ মোৰ লগত কথা পাতি থাকোতে তুমি আন কিবা কথা ভাবি থকা যেন লাগিছে। সেই কাৰণেহে সুধিছো। জানা খুড়া মোৰ দে'তায়ো তোমাৰ দৰে যেতিয়াই তেতিয়াই যি কোনো কথা চিন্তা কৰি থাকে, ঠিক তোমাৰ দৰে। আজি তোমাকো বাৰু দে'তাৰ লগত চিনাকি কৰি দিম দেই খুড়া।

ঃ কিন্তু তোমাৰ দেউতাই যদি মোৰ লগত চিনাকি হ'বলৈ বেয়া পায়, তেতিয়া?

ঃ ইস। নেপায় দিয়া। মোৰ দে'তাটো খুব ভাল জানা। সদায়

ধেৰ মানুহ দে'তাৰ লগত কথা পাতিবলৈ আহে। দে'তায়ো সৰ মানুহকে ভাল পায়। খালি কিছুমানে দে'তাক মাৰিম বুলি ধমকি দি থাকে, সেই মানুহবোৰকহে দে'তাই বেয়া পায়।.......

অ' সৌৰা, মোক নিবলৈ দে'তা আহিলেই। তুমি ইয়াতে অলপ সময় ৰ'বা দেই খুড়া মই দে'তাক তোমাৰ ওচৰলৈ লৈ আহিম.....

☆☆☆

কাষৰ ৰাজপথত তেতিয়া আৰম্ভ হৈ গৈছে সন্ধিয়াৰ ব্যস্ততা। অদূৰৰ পৰা ভাহি আহিছে প্ৰস্থানোদ্যত ৰেলগাড়ীৰ দীঘলীয়া উকি, সান্ধ্য কাকত হাতত লৈ ই ফালৰ পৰা সিফাললৈ দৌৰি ফুৰিছে ফুৰিছে কিশোৰ হকাৰ, পাৰ্কৰ এচুকত কেইটিমান শিশুৱে নিবিষ্ট মনেৰে খেলি আছে তেতিয়াও। এজাক অচিনাকি চৰাই কিচিৰ মিচিৰ শব্দ কৰি আদিগন্তত মিলি গৈছে, পাৰ্কৰ পৰা নিজ নিজ সন্তানক লৈ ঘৰমুৱা হৈছে ভিন্ন বেশ ভুষাৰ নৰনাৰী অ'ত ত'ত দুই এটা হেল'জেন লেম্প জ্বলি উঠিছে, অনিবাৰ্য সাৱলীলতাৰে আন্ধাৰ নামি আহিছে পৃথিৱীৰ বুকুলৈ।

পৰিকল্পনা মতেই সকলো হৈছে। অনলে চাৰিওফালৰ পৰিস্থিতিতো লক্ষ্য কৰে। অদূৰৰ মাৰ্চিডিজখনৰ ষ্টিয়েৰিঙত হাত থৈ বৈ আছে চাইমন, যাতে কাম শেষ হোৱাৰ লগে লগে এই স্থান এৰি যাব পাৰে। সিহঁতৰ অপাৰেচনৰ বাবে পাৰ্কখনক নিৰ্বাচন কৰাৰ বাবে মনে মনে সিদ্ধাৰ্থৰ সুক্ষ্ম পৰ্যবেক্ষণ শক্তিক তাৰিফ নকৰি নোৱাৰিলে অনলে। সঁচাকৈয়ে, ইয়াতকৈ সুচল ঠাই এই সৰু চহৰখনত আৰু নাই। অপাৰেচনটো প্ৰধানকৈ নিৰ্ভৰ কৰিব সিদ্ধাৰ্থৰ ওপৰতে আৰু সিয়েই প্ৰথমতে আৰম্ভ কৰিব কাউন্টাৰ-এট্যাক। সিদ্ধাৰ্থ কিবা কাৰণত বিফল হলে তাৰ প্ৰয়োজন হ'ব। ইয়াৰ বাবে অৱশ্যে সাজু হৈ আছে অনল। শৰীৰৰ উৰ্ধাঙ্গক আবৰি ৰখা কাশ্মিৰী শ্বলখনৰ তলত সি সাৱধানেৰে উদ্যত কৰি ৰাখিছে আত্যাধুনিক কালছনিকভ এচাল্ট ৰাইফল, প্ৰয়োজন মাত্ৰেই যাতে ব্যৱহাৰ কৰিব পাৰি। সিহঁতৰ আজিৰ অভিযানৰ লক্ষ্য পাৰ্থপ্ৰতিম গোস্বামীয়ো আহি ইতিমধ্যে উপস্থিত হৈছেহি পাৰ্কখনত। সি জানে এনেবোৰ তাৰ অভ্যস্তহাত কেতিয়াও কঁপি নুঠে

কিন্তু ....... কিন্তু...... সিদ্ধাৰ্থই ইমান পলম কৰিছে কিয়?.......

☆☆☆

ঃ দেশখনৰ এই পৰিবেশ পৰিস্থিতিটোৱে মোক সঁচাকৈয়ে হতাশ কৰি তুলিছে মিঃ সিদ্ধাৰ্থ। এই নিৰ্বিচাৰ হত্যা লুণ্ঠন, অপহৰণ- এইবোৰৰ দ্বাৰা কাৰ কি উপকাৰ হৈছে মই বুজিব পৰা নাই। সেয়ে ৰাষ্ট্ৰ হিংসাই হওক বা ব্যক্তি হিংসাই হওক, মই দুয়োটাৰেই প্ৰতিবাদ কৰো। নিৰ্দ্বিধাৰে স্বীকাৰ কৰো আৰু ইয়াৰ প্ৰতিবাদকল্পে আৰম্ভ কৰা মুক্তি সংগ্ৰামখনকো মই অপ্ৰাসংগিক বুলি নাভাবো। কিন্তু মোৰ কথা হ'ল সংগ্ৰামৰ নামত জাতীয় মুক্তিৰ স্বাৰ্থ ৰক্ষাৰ নামত নিৰ্দোষী মানুহবোৰৰ মৃত্যুৱে সেই সংগ্ৰামখনৰ বা দেশখনৰ প্ৰগতিত কোনো সহায় নকৰে। পিছে কোনে কাৰ কথা শুনে? কেতিয়াবাতো মোৰ ভয়েই লাগে-

ঃ ভয়?

ঃ অ' ভয়। মাকৰ কথা বাৰু নকওৱে, ই বিপ্লৱেও আজি-কালি মই নিশা দেৰিকৈ আহিলে উদ্বিগ্ন হৈ পৰে। ক'ৰবাত তাৰ দে'তাটোৰ কিবা হ'ল নেকি আকৌ। ৰাতি কেতিয়াবা ক'ৰবাত ফটকা ফুটাৰ শব্দ হ'লেও ই উচপ খাই উঠে। তেতিয়া সি মোক সোধে - 'গুলী ফুটিছে নেকি বাৰু দে'তা? বাতৰি কাকতত লানি লানি মৰাশৰ ফটো দেখিলেও সোধে এই মানুহবোৰক কোনে কিয় মাৰিছে দে'তা? আমাকো বাৰু কোনোবাই এনেকৈ মাৰি পেলাব নেকি? দেখিছে, এই অকণমান বয়সতে ইহঁতবোৰ মৃত্যুৰ ভয়ত পেপুৱা লাগিব লগা হৈছে, পংগু হৈ পৰিছে এই কণমানি শিশুবোৰৰ মনস্তত্ব। পৰিবেশ এনেদৰেই থাকিল এই প্ৰজন্মটোৰ ৰা একো একোজন সুস্থ মনৰ নাগৰিক গঢ়ি উঠিব বুলি কোনোবাই বাৰু আশা কৰিব পাৰিবনে? আনহাতে, ইহঁতৰ আশঙ্কাবোৰতো একেবাৰে অমূলক নহয়। কোনে জানে কেতিয়া ক'ৰ পৰা উৰি অহা একোটা ত প্ত সীহৰ বুলেটে মোক আপোনাক অথবা ইয়াকো চিৰদিনৰ বাবে শুৱাই থৈ যাব পৰে। আৰু এই পাশৱিক হত্যা-লুণ্ঠনবোৰৰ, নৈৰাজ্যময় পৰিৱেশটোৰ প্ৰতিবাদ কৰাৰ বাবেই মই প্ৰতি-বিপ্লৱী গণশত্ৰু? চেম, ভেৰি চেম মিঃ সিদ্ধাৰ্থ, কথাখিনিকৈ পাৰ্থপ্ৰতিম গোস্বামীয়ে এটা হুমুনিয়াহ কাঢ়িলে। সেই সময়তে সিদ্ধাৰ্থই দেখিলে। সিহঁতৰ পৰা নাতি-দুৰত আহি উপস্থিত হৈছেহি সতীৰ্থ অনল বড়ো। তাৰমানে তাৰ সময় হ'ল! বুকুৰ ভিতৰত এক দুৰু দুৰু কম্পন অনুভৱ কৰিলে সিদ্ধাৰ্থই।

ঃ .......... ........... .............

ঃ আচ্ছা, বহুত কথা পাতিলো আজি আপোনাৰ লগত। বেছ ভাল লাগিল আপোনাৰ দৰে এজন ডেকা ল'ৰাৰ লগত কথা পাতি। আকৌ লগ পোৱাৰ আশা থাকিল তেন্তে..... । এতিয়া আমি আহোঁ তেনেহ'লে। বিপ্লৱ, খুড়াদেউৰাক টা-টা দিয়া।

ঃ টা-টা খুড়া। কালিলৈ আকৌ লগ পাম দেই।

স্থবিৰ হৈ পৰে সিদ্ধাৰ্থ। সৌজন্যতাৰ খাটিৰত বিদায় সম্ভাষণ জনাবলৈ হাতখন দণ্ডাৰ সামান্য শক্তিকনো যেন হেৰায় গৈছে, এনে লাগিল তাৰ। সি গম পালে তাৰ দুচকু বাষ্পাকুল হৈ পৰাৰ উপক্ৰম হৈছে।

এনেতে সি দেখিলে প্ৰস্থানোদ্যত পাৰ্থপ্ৰতিম গোস্বামীৰ হাতত ধৰি গৈ থকা সেই দেৱশিশুটি কিছু দুৰত গৈ থমকি ৰৈ গৈছে। পিচফালে ঘূৰি লৈ সি কিছুসময় সিদ্ধাৰ্থৰ ফালে চাই ৰ'ল। তাৰ পিচত সি কৈছিল—

ঃ খুড়া, আই লাভ য়ু ভেৰি ম্যাছ ৰিয়েলি।

আহা। সুক্ষ্ম ভগ্নাংশৰ বাবে কঁপি উঠিল সিদ্ধাৰ্থ। এক সহ্যাতীত গভীৰতৰ দুখবোধ তাক যেন পিনৰ দৰে বিন্ধি বিন্ধি গ'ল। ছঁয়ামুয়া পোহৰৰ মাজত প্ৰাচীন শৃঙ্খলিত শিলাখণ্ডৰ দৰে নিশ্চল হৈ বৈ যায় সিদ্ধাৰ্থ।

হঠাৎ প্ৰসুপ্ত সিদ্ধাৰ্থ সঁচকিত হৈ উঠিল। তাৰ যে কৰ্ত্তব্য সম্পাদনাৰ সময় সমাগত। মৃত্যু পণ কৰা বিপ্লৱী সি। তাক নিশ্চল হৈ থকা দেখি ইতিমধ্যে আহি অদুৰত ৰৈ থকা চাজেন্ট মেজৰ অনল বড়ো অস্থিৰ হৈ পৰা সি দেখিবলৈ পালে। এক অদ্ভুত সাৱলীলতাৰে তাৰ অভ্যস্ত হাতত উঠি অহা ধাতৱ আগ্নেয়াস্ত্ৰৰে সি গমনোদ্যত পাৰ্থপ্ৰতিম গোস্বামীৰ ফালে লক্ষ্য স্থিৰ কৰিলে। কেইমুহূৰ্তমানৰ স্তব্ধতা। কি মুহূৰ্ততে বাৰুদৰ ধোঁৱা আৰু তেজৰ চিটিকনি বতাহত ভাহি গ'ল। সেই ধোৱা, তেজ আৰু আৰ্তস্বৰৰ আৱহ-হাৱাৰ মাজত সিদ্ধাৰ্থই অস্ফুট স্বৰত বিৰ-বিৰাই উঠিল- বিপ্লৱ দীৰ্ঘজীৱী হওক।

*গল্পকাৰ স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ, অসমীয়া বিভাগ ছাত্ৰ*

# দুঃসময়ৰ পিছত

*— প্ৰাঞ্জল শৰ্মা বশিষ্ঠ*



And yet from thought of death, my friens I shrink;
I want to live - to suffer and to think.

--- Alexander Pushkin.

শ্লিপিং টেবলেটৰ ব্যৱহাৰ অৱশ্যম্ভাৱী হৈ পৰা মানুহ এজনৰ বাবে এৰাতিৰ গভীৰ টোপনি বৰ লোভনীয়। তেনে কেমিকেলছ সদ্যহতে ব্যৱহাৰ নকৰি শোৱাৰ আগতে বাৰাণ্ডাত আধাঘন্টা ধৰি কৰা প্ৰকৃতি উপভোগ, শাস্ত্ৰীয় সংগীতৰ দুটি ৰাগ, জগজিত পংকজৰ দুটি গজল, এগিলাছ কুহুমীয়া গাখীৰ বা এবাল্টি কুহুমীয়া পানীয়ে আনি দিব পৰা সামান্য তন্দ্ৰাও আশাৰ বস্তু। অন্যথাই দীঘল ৰাতিটো চিন্তাক্লান্ত শৰীৰৰ ইচাৎ-বিচাৎ। যন্ত্ৰণা! চিলমিল টোপনি আহিলেও দেখা যায় বেয়া বেয়া সপোনবোৰ- পদূলিৰে দুজন যুৱক সোমাই আহে, চকুৰ পচাৰতে নিক্ষেপ কৰে মৃত্যু; পদপথত কুশল বাতৰি বিনিময় হ'য়, তাৰ পিছতে এজনে আনজনৰ প্ৰাণ কাঢ়ি লয়। এনে অৱস্থাত টোপনি আহেই বা কেনেকৈ! পূৱালৈ মূৰটোত এটা ৰি-ৰিয়নি, চকু দুটাত এটা পোৰণি উঠে।

অলসভাৱে প্ৰতীক বহি থাকিল। কাষৰ টুলত বিনন্দ। সি নিবিষ্ট নয়নে সমূখৰ ফিল্ডত চলি থকা ক্ৰিকেট খেল চাই আছে। সাধাৰণ ৰেকৰ্ড এখনত এজনে স্ক'ৰ খেলি গৈছে। ছজন আউট হ'ল, বাষষ্ঠি ৰাণ। ত্ৰিছ অভাৰৰ খেলখনৰ ওঠৰ নম্বৰ অভাৰটো শেষ হ'ল।

দোকানখনৰ আয়তাকাৰ সমুখভাগৰ এটা বাহুত কেইটামান চলমান মূৰ্তিৰ আৱিৰ্ভাৱ হ'ল। অজান আনন্দ এটাত সিহঁত বিভোৰ। মাত্ৰ কেইমূহূৰ্তমানৰ পিছতে আয়তটোৰ আনটো বাহুৰে সিহঁতক নেদেখা কৰি পেলালে। তাৰ ঠিক আগমূহুৰ্তত এজনে দোকানখনলৈ চাইছিল, এটি লহমাৰ বাবে তাৰ আৰু প্ৰতীকৰ চকুৱে চকুৱে পৰিছিল। নেদেখা হোৱাৰ লগে লগে সি ডাঙৰকৈ নীলাঞ্জনাৰ নাম ল'লে।

নীলাঞ্জনাক এদিন সি ক্লাছত তাইৰ নামটো সুধিছিল।

দৰ্শনাকো সিহঁতৰ প্ৰবক্তা এজনে তাইৰ নামটো সুধিছিল। তেতিয়া সি সপোন দেখিবলৈ শিকিছিল। হালি-জালি নাচি থকা ফুলেৰে ভৰা নয়নাভিৰাম এখন ফুলনি। ওপৰৰ ফালে ওখ গছ, তলত লন এখনৰ দৰে যত্নপালিত দূবৰি বন। গান গাই গাই তাত দৰ্শনা। প্ৰবক্তাজনৰ ওপৰত তাৰ খং উঠিছিল।

প্ৰতীকৰ মনৰ ফুলনিখনত সদায় থাকিব লাগিব বুলি সিদিনা সি তাইক আব্দাৰ ধৰাৰ কথা আছিল, সিদিনাই নাটকীয় খবৰ এটা আহিছিল। তাৰ কল্পনা কোনোদিনেই বাস্তৱ নহয়; তাৰপৰা দূৰলৈ, বহু দূৰলৈ দৰ্শনা গুচি গৈছিল। তাৰ বন্ধুবোৰে তাক বুজাইছিল — এইবোৰ নিৰৰ্থক। ৰাখিম বুলি কোনেও কাকো ৰাখিব নোৱাৰে, লগ পাম বুলি কোনেও কাকো লগ পাব নোৱাৰে। প্ৰাপ্তিৰ মাজতো এটা অপ্ৰাপ্তি থাকি যায়। সমুখা-সমুখি হৈ থাকিলেও লগ পোৱা হৈ নুঠিব পাৰে, ঠিক যেন বহল ৰাস্তা এটাৰ দুয়ো কাষে সমান্তৰালকৈ পৰি থকা দুটা পদপথ! মাজত কেৱল অহা-যোৱা।

বিনন্দ খেল চোৱাতেই মগ্ন হৈ আছে। সঠিক পজিছন লৈ

বেটছমেনজনে স্কোয়েৰ কাট কৰিছে; বিক্ষিপ্ত দৰ্শকৰ সুতীব্ৰ উল্লাস ভেদ কৰি বলটোৱে কোবেৰে অতিক্ৰম কৰিছে বাউণ্ডেৰী লাইন।

গ্ৰাহক এজন আহিল। ' ৰিডাৰ্ছ ডাইজেষ্ট এখন দিব।'

মানুহজন গুচি যোৱাৰ পিছত নিৰুত্তাপ কণ্ঠেৰে সুধিলে 'দোকান কেনে চলিছে বিনন্দ?'

'এই আৰু! দেখিছেই নহয়!' বিনন্দৰ উচ্ছাসহীন উত্তৰ।

বিনন্দই হায়াৰ ছেকেণ্ডাৰীত দুবাৰ ৰ'ব লগীয়া হৈছিল। দ্বিতীয় বাৰ দিয়েই সি দোকানখন খুলিলে। এইটো অঞ্চলত কিতাপ-আলোচনীৰ দোকান এইখনেই। গতিকে তাৰ বিক্ৰী-বাৰ্তা ভাল।

মহাদেৱ পাটোৱাৰীক আয়তটোত সোমাৱা দেখা গ'ল। দৃপ্ত খোজেৰে তেওঁ কাষৰ পিছিঅ'টোত সোমাল। বোধহয় ঘৰলৈ ফোন কৰিব । কিবা ব্যস্ততা ওলাল কিজানি।

ঘৰ ! প্ৰতীকৰো এখন ঘৰ আছে। তাক এদিন তালৈ মাতি নিয়া হৈছিল, শুনোৱা হৈছিল এক নিৰ্মম খবৰ। তাৰ মাক ঢুকাইছিল। মূৰৰ চুলি গজাই নাছিল, তেনে সময়তে সি দেখিছিল এটা মৰ্মন্তুদ দৃশ্য। পদুলিৰে সোমাই আহিছে দুজন অচিনাকি যুৱক, আগচোতালতে ধৰফৰাই বাগৰি পৰিছে অৰূপ। তাৰ ককায়েক! তাৰ সৰ্বশেষ আশ্ৰয়!

নাই। সেই শূন্য ঘৰলৈ উভতি যোৱাৰ সাহস তাৰ নাই। সি ঠিক কৰিলে - সেই ঘৰলৈ সি আৰু কেতিয়াও উভতি নাযায়। কিন্তু তাৰ পিছতো তাৰ সমস্যাৰ অন্ত নপৰিল। তাৰ টোপনি নাহে। আহিলেও সোনকালে ভাগি যায়। তাৰ পিছত তাক শ্লিপিং টেবলেট লগা হ'ল, এদিন তাৰ সলনি হ'ল গজল, গাখীৰ, গা ধুবলৈ ৰাতিখন গৰমপানী। তাৰ অসহ্য লাগি আহিল।

মহাদেৱ পাটোৱাৰীয়ে ওলোটা দিশৰপৰা আয়তটোত প্ৰৱেশ কৰিলে। মনুহজন প্ৰতীকৰ সহকৰ্মীয়েই নহয়; ভাৰাঘৰৰ মালিকো। নাতিদূৰৰ পাহাৰখনত তেওঁৰ ঘৰ। দুটা পাৰ্ট এটা পাৰ্টৰ বাবে তেওঁ সম্ভৱ ভাৰতীয় পোৱা নাছিল; তাক ধৰিলে। সি থাকিল। ভাৰা কম।

সিটো পাৰ্টলৈ সি কাচিৎহে যায়। পাটোৱাৰী-পত্নীয়ে দুৱাৰ খোলে। অলপ পিছত পাটোৱাৰী আহি উপস্থিত হয়। বহুদিন অহাই নাই, কুঁৱাটোৰ পানীখিনি ঘোলা, মাইনাৰ অসুখ, মাতু বদমাছ হৈছে, দুৰ্নীতি, সমাজত ঘৃণ, শিক্ষা ব্যৱস্থাত বেমেজালি- তেওঁৰ কথাৰ অভাৱ নাই। কেতিয়াবা মানুহজনে গালি পাৰে। ঘৈনীয়েকৰ পৰা বাচেন্দ্ৰী পাললৈকে, গাখীৰ দিয়া পান্নালালৰ পৰা বিল ক্লিন্টনলৈ।

ভাল মানুহ। ভল্‌ভলীয়া মানুহ।

ঘৰটোৰ পৰা অলপ দূৰত এখন ভলীবল ক'ৰ্ট। বিছ-বাইছ বছৰীয়া ল'ৰাকেইজনমানে তাত সদায় খেলে। সি নাযায়। প্ৰথমদিনা 'আহক ছাৰ', পিছ দিনা নগ'লে দুজনে মাতিবলৈ আহিব, সুধিব, ছাৰে নেখেলে', তাৰ পিছদিনা 'আহক ছৰ্মাদা, দুটা ধাক্কা মাৰো!' সেইখিনি সময় সি মাতুৰ লগত খেলে। ইমান পানী, গংগা ৰাণী। মাইনাই সেই খিনি সময়ত হাৰমনিয়ামৰ ৰীডবোৰৰ লগত কছৰৎ কৰি থাকে-- হ' হ' হ' হ' বৰসে সাৱন।

ঘৰটোৰ গাৰ কাষেদিয়েই উঠি গৈছে ঠিয় পাহাৰী বাটটো। মাতুৰ লগত খেলি থাকোঁতে সি এদিন খিৰিকিৰে দিখেছিল- স্কাৰ্ট- টপ পিন্ধা ছোৱালী এজনী গৈ আছে আৰু আন এখন খিৰিকিৰে পৰ্দাৰ ওপৰেৰে তাইলৈ প্ৰলুব্ধ দৃষ্টিৰে চাই থিয় হৈ আছে মহাদেৱ পাটোৱাৰী।

সেয়াও মহাদেৱ পাটোৱাৰী!

ৰাস্তাৰ কাষৰ ঘাঁহ খাই খাই ছাগলী এজনী দোকানখনৰ সমুখ পালেহি। প্ৰতীকহঁতৰ কাষৰ নৰেন নামৰ মানুহ এজনে এটা খাহী পুহিছিল। খাহীটোৱে এবাৰ তাৰ পেটত খুঁচি দিছিল। সি কিছু বিব্ৰতবোধ কৰিলে।

বিনন্দই তাৰ ভাগৰ বাতৰি কাকতখন শ্বকেছটোৰ ওপৰত আনি থৈছিল। প্ৰতীকে তাৰ প্ৰয়োজনীয় কিতাপ-পত্ৰ, কাকত-আলোচনী এইখন দোকানৰ পৰাই সংগ্ৰহ কৰে। সেই সুত্ৰে বিনন্দৰ লগত তাৰ ভাল সম্পৰ্ক এটা গঢ়ি উঠিছে। বিনন্দ তাতকৈ কিছু সৰু হ'ব। সি বিনন্দক বন্ধু হিচাপে ল'ব খোজে; কিন্তু বিনন্দই তাক সম্ভ্ৰমেৰে মাতে। ছাৰ বুলি মাতে। প্ৰতীকৰ ক্লাছ নাথাকিলে সি দোকানখনলৈ আহে, শ্বকেছৰ কাযেৰে ভিতৰ পায়গৈ। বিনন্দই তাক চকীখন এৰি দিয়ে। সি নালাগে নালাগে কৰে, কিন্তু বিনন্দই নামানে। বিনন্দই টুল এখনত বহি লয়। আজি প্ৰতীকৰ ক্লাছ ল'বৰ মানেই যোৱা নাই। নিদ্ৰাহীনতাই তাক লাহে লহে বিধবস্ত, অতিষ্ঠ কৰি আনিছে। সি বাতৰি কাগজখন মেলি ল'লে। হত্যা-অপহৰণৰ বাতৰিৰে প্ৰথম পৃষ্ঠাটো ভৰি আছে। সি অনুভৱ কৰিলে- মূৰৰ ৰিৰিয়নিটো বাঢ়ি আহিছে, ক্ৰমাৎ পীড়াদায়ক হৈ উঠিছে। এতিয়া ক্লাছ এটা আছে, সেই ক্লাছটো লবলৈ তাৰ যিকণ ইচ্ছা আছিল, সেইকণো টুৰ্টি আহিবলৈ ধৰিলে। বৰ অসুখী, ভীত হৈ পৰিল সি। দ্বিতীয় পৃষ্ঠাটোত কেৱল বিজ্ঞাপন, তৃতীয় পৃষ্ঠাটোত অভিযোগ, প্ৰতিবাদ আৰু গৰিহণা, চতুৰ্থ পৃষ্ঠাটোত তাৰ চকু ৰৈ গ'ল। তাত বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ উত্থানৰ বাতৰি ছপা কৰা আছিল। বাতৰিটো চাওঁতে তাৰ বুকুৰ ভিতৰখন লাহে লাহে পোহৰ হৈ আহিল। তাৰ মনটোত সেই পোহৰ পৰিল।

বাতৰি কাকতখনৰ পৰা চকু তুলি সি স্ক'ৰ ব'ৰ্ডখনলৈ চালে। এশ বিছ ৰাণ। আৰু দুই অভাৰ আছে। এশ ত্ৰিছমান হ'বনে বাৰু? সিটো দলে বা কেনে খেলে।

আয়তটো এইবাৰ কেইটামান চলমান মূৰ্তিয়ে দেখা দিলে। আগৰ চলমান মূৰ্তিতেইটা নহয়। মূৰ্তিকেইটা দ-পৰ্বতীয়া, কোনাৰ্কৰ সূৰ্য-মন্দিৰ, খাজুৰাহোৰ পৰা অহা যেন লাগিল। মূৰ্তিবোৰৰ নামবোৰে তাৰ মনত উঠা-নমা কৰিবলৈ আৰম্ভ কৰিলে। একেবাৰে মূৰত সেয়া নীলাঞ্জনা। প্ৰতীকৰ ভাৱ হ'ল- নীলাঞ্জনা মূৰ্তি নহয়, নীলাঞ্জনা সৌম্য মানৱী।

চিনাকি সপোনটোলৈ মনত পৰিল তাৰ। বাস্তৱতো যদি তাক কোনোবাই খেদি ফুৰিলেহেঁতেন, তেন্তে সি নিৰ্ভীকভাৱে ঠিয় দি থাকিলহেঁতেন। মৃত্যুৱেই জীৱনৰ শেষ নহয়।

নে সি ৰুদ্ধশ্বাসে পলালহেঁতেন প্ৰাণৰ আত্ৰানিত?

এটা অজান মায়াই তাক ইতিমধ্যে গ্ৰাস কৰি আনিছিল। মৃত্যু জীৱনৰ খট্‌খটিটোৰ শেষ ঢাপ নহয়, কিন্তু তাৰ অৱস্থান নিশ্চিতভাৱেই শেষৰ ফালে । মৃত্যুতকৈ কষ্টকৰ জীৱন বহু বেছি মহৎ। তাৰ বাবেও, আনৰ বাবেও।

প্ৰতীক বহাৰপৰা উঠিল। 'ক্লাছ আছে?' - বিনন্দই সুধিলে। প্ৰতীকে একো নামাতিলে। তাৰ ঠাইত প্ৰশান্ত হাঁহি এটাৰে সি বিনন্দৰ ফালে চালে।

*(গল্পকাৰ স্নাতক দ্বিতীয় বৰ্ষ ইংৰাজী বিভাগৰ ছাত্ৰ)*

# বেদনাৰ ৰং ৰূপোৱলী

স্বপ্নালী বৰগোঁহাই



ধানকটা আৰম্ভ হোৱাৰ লগে লগেই নৱানিৰ মাজেৰে পথাৰ খনত সৰু বৰ অনেক আলিবাট ওলাবলৈ ধৰে। লুংলুঙীয়া হৈও ইয়াৰে দুটামানে স্থায়ীৰূপ লাভ কৰে। ঘূৰি বছৰত শালিখেতিৰ কাৰণে নাঙলৰ ফাল মাটিত নলগোৱালৈ ইহঁতৰ স্থায়িত্ব থাকে। পথাৰৰ উত্তৰমূৰে কলিতাগাও, দক্ষিণে ঘাঁহি গাওঁ। ওচৰত নৈ জাতীয় একো নাথাকিলেও মথাউৰীৰ দৰে ওখ বহল ৰাস্তা এটাই পথাৰখন ক্ৰমাৎ পূবলৈ দুফাল কৰি নিছে। পশ্চিমে এডৰা হাবিয়নি; বিশাল ঘনঘোৰ হাবিয়নি।

বাৰিষা আঁঠুলৈকে বোকা লেটিয়াই আৰু খৰালি মিহি মিহিকৈ ধূলি উৰুৱাই গাৱঁৰ ভালেমান মানুহ এই বাটেৰে অহা- যোৱা কৰে। ঘাঁহি গাঁৱৰ মানুহখিনিয়ে ডিচপেনচৰী, স্কুল, শনিবৰীয়া হাট, মিতিৰ- কুটুম আদিৰ ঘৰলৈ অহা-যোৱা কৰোঁতে পথাৰেদি কলিতাগাওঁ হৈ চৰ্টকাট এটা দিয়ে। স্কুলত নতুনকৈ নাম লগোৱাৰে পৰা মেট্ৰিকৰ দেওনা পাৰ হোৱালৈকে বিভিন্ন বয়সৰ বিভিন্ন ল'ৰা-ছোৱালীৰ থূপো এই বাটেৰে অহা-যোৱা কৰে। এই বাটেদিয়েই অৰুনীহঁতৰ থুপটোও হাইস্কুললৈ যায়। ন-দহ বজাত হাল খুলি এৰি দিয়া অলস, অৰস, বেখেয়ালী গৰুজাকৰ লগত তাল মিলাই উঠন গাভৰুৰ সৰু জাক এটাও হাইস্কুললৈ এই বাটেদিয়ে যায়।

স্কুল ছুটীৰ পাছত ভাগ ভাগ হৈ সৰু সৰু থুপত ল'ৰাছোৱালীবোৰ ঘৰলৈ আহে। মূল ৰাস্তাৰ পৰা নামি পথাৰত ভৰি দিয়ে মাত্ৰকে পূৰ্ব পৰিকল্পনা আৰু লক্ষ্য অনুযায়ী থুপবোৰৰ ৰাস্তা বেলেগ বেলেগ হয়। পথাৰৰ এমূৰৰ বৰপুখুৰীটোত মাছ ধৰিবলৈ বুলি কেইটামান, মণ্ডলৰ বাৰীৰ ৰবাৰ টেঙাৰে পথাৰৰ অস্থায়ী ফিল্ডত বল খেলিবলৈ বুলি দুটামান, পথাৰৰ কাষে কাষে থকা বাৰীবোৰত কমলাটেঙা, তেতেলী, অমৰাৰ সোৱাদ লবলৈ বুলি যায় কেইটামান থুপ। লক্ষ্য অনুযায়ী এনেকৈ থূপবোৰৰ ভাগবতৰা হওঁতে কেইটামানেহে মাত্ৰ পোন ৰাস্তাৰে ঘৰ পায়গৈ।

অৰুনী এইবাৰ ক্লাছ টেন পাইছেগৈ। পঢ়া-শুনাত ভাল। খুব টান অসুখ নাইবা সাংঘাতিক কিবা অসুবিধা নহলে সি প্ৰায় স্কুল খটি নকৰেই। স্কুল ছুটীৰ পাছত হাই-উৰুমি কৰি ঘৰলৈ বাট বুলা অন্যান্য থুপবোৰৰ তুলনাত আৰুনীহঁতৰ থূপটো অলপ ব্যতিক্ৰম। সকলো যোৱাৰ পাছত বিভিন্ন ধৰণৰ গল্প-ওজব কৰি ধীৰ বা মন্থৰ গতিৰে আহি থাকে সিহঁতৰ তিনিজনীয়া থুপটো- সি, চন্দ্ৰ, আৰু ৰজনী। তাতে আকৌ সেই নিৰ্দ্দিষ্ট ঠাইখিনি পোৱাৰ পিছত অৰুনী সদায়ে থূপটোত নাথাকে। শৰীৰেৰে নহয় মনেৰে।

দিনতে আন্ধাৰ হৈ পৰা পশ্চিমৰ ছায়াঘন হাবিয়নিডৰাৰ সিংহফালটো মৰিশালি। ৰাজহুৱা মৰিশালি। গাওঁৰ প্ৰায়বোৰে আহি মৰা মানুহ ইয়াতে ৰাখি দিয়ে। আপাততঃ এখন সাধাৰণ মৰিশালী যেন লাগিলেও অৰুণীৰ কাৰণে ই সদায়ে ৰহস্যময়। মৰিশালীখনৰ লগত সম্পৰ্কিত অনেক অতিলৌকিক কাহিনী আৰু উপকাহিনী অৰুনীয়ে শুনিছে। আন্ধাৰ নিশা হাত-মূৰ নোহোৱা পেটত চকু থকা মৰিশালীৰ পৰা ওলাই আহি গোটেই পথাৰখনতেপিয়াপি দি ফুৰে, বাঁহৰ আগত বহি লৈ ভূতবোৰে কিচিৰ মিচিৰ শব্দৰে ঠাইখিনি দিনতে ভৌতিক কৰি তোলে। বাঁহনিলৈ কোনোবা মানুহ অকলে গ'লে বাঁহবোৰে বাট আগচি ধৰে। তললৈ পৰি দিয়া বাঁহডালেৰে পাৰ হ'ব খুদিলে হঠাৎ ডাং খাই মানুহজনক বাঁহৰ আগ পোৱায়গৈ। এনে ধৰণৰ অনেক লোমহৰ্ষক কাহিনী মৰিশালিখনৰ সম্পৰ্কত অৰুণীয়ে শুনি আহিছে। অতিৰঞ্জিত হলেও কথাবোৰে অৰুণীৰ কিশোৰ মনটোক ৰোমাঞ্চিত কৰি তোলে। মৰিশালীখন দেখা মাত্ৰকে সেয়ে অৰুণীয়ে কিবা এক অদ্ভুত ধৰণৰ ৰোমাঞ্চ অনুভৱ কৰে।

এনে অনিৰ্বচণীয় ৰোমাঞ্চৰ সোৱাদ লবলৈ অৰুণী কেতিয়াবা চুবুৰীৰে ৰজনীহঁতৰ আইতাকৰ ওচৰ চাপে। গৰম দিনত চোতালতে পীটীদৈৰ ঢাৰি পাৰি চন্দ্ৰ-গোপাল-ৰজনীকে ধৰি চুবুৰীৰ বহুকেইটা ল'ৰা

ছোৱালীৰ লগত একেলগে বহি অৰণীয়ে সাধু শুনে। আইতাকেও কেউটাকে ঢুকি পোৱা দূৰত্বত বহুৱাই ৰিচনীৰে বিচি বিচি সাধু কৈ যায়। আইনবোৰে যেতিয়া সৰগৰ পৰী, ৰাজকোঁৱৰ, যাদুকৰী ৰাণীৰ সাধু, কবৰ বাবে আইতাকক ব্যতি ব্যস্ত কৰি তোলে, আইতাকৰ ওচৰত কুঁচি-মুচি সোমাই আৰণীয়ে কুটুৰি থাকে ধনগুলৈৰ সাধু কবৰ বাবে।

আঁউসীৰ নিশা কোনো এক অশুভ ক্ষণত জুই একুৰা হৈ ধনগুলৈ বোৰ ওলাই আহে। খং, ক্ষোভ আৰু কিবা এক প্ৰতিশোধৰ তাড়নাত কাৰোবাক বিচাৰি অস্থিৰ হৈ সিহঁত দৌৰি ফুৰে। আইতাকৰ মতে ধনগুলৈবোৰ কিছুমান অতৃপ্ত আত্মা। পৃথিৱীখন মনে বিচৰা ধৰণে ভোগ কৰিবলৈ নাপালে, অৰ্থাৎ কৰিম বোলা কামটো কৰিব নোৱাৰাকৈ ক'ব লগা কথাষাৰ ক'ব নোৱাৰাকৈ হঠাৎ এই পৃথিৱীৰ পৰা গুচি যাব লগা হলে আত্মাটো অতৃপ্ত হৈ ৰয়।

আইতাকৰ সাধুৰ মৰ্মাৰ্থ বুজিব পাৰিলেও বিমানে বেছিকৈ ভাৱে অতৃপ্ত আত্মাৰ ৰহস্যটো অৰণীৰ বাবে বেছি জটিলহে হৈ পৰে। বহু চেষ্টাৰ অন্ততো অতৃপ্ত আত্মাৰ সাঁথৰটো সি ভাঙবি নোৱাৰে।

যোৱা কেইবাদিনো ধৰি ৰজনীৰ আইতাকৰ অসুখ। টান নৰিয়া। পাটীৰ পৰা নুঠেই। বুঢ়ীৰ এই শৰ্য্যাগত অৱস্থাই ৰজনীহঁতৰ সকলোকে ব্যস্ত কৰি তুলিছে। দেউতাক তোযেশ্বৰে ডাক্টৰ, কবিৰাজৰ নিয়মীয়া চিকিৎসাৰ ওপৰিও বুঢ়ীৰ চিত্তমন চঞ্চল কৰি ৰাখিবলৈ সন্ধিয়া সন্ধিয়া গাওঁৰ পাঠেক মতাই কীৰ্তন পাঠ কৰাইছে। সৰু সুৰা সকাম-নিকামবোৰো নিয়াৰিকৈ কৰি যাবৰ চেষ্টা চলাইছে। তথাপি বুঢ়ীৰ তিলমাত্ৰও উন্নতি নেদেখাত শংকাগ্ৰস্ত তোযেশ্বৰে কালি গাঁৱৰ মুখিয়াল কেইজনমান মতাই আনি বুঢ়ীৰ পথ মুকলি কৰালে। বুঢ়ীৰ কিবা পূৰণ নোহোৱা আশা অথবা ক'বলগীয়া কথা থাকি গ'ল নেকি মুখিয়াল এজনে বুঢ়ীক পেৰি পেৰি সুধিলে। অসহায় চাৱনি এটাৰে সকলোকে এবাৰ চাই বুঢ়ী মৌন হৈ ৰ'ল। স্মৃতিৰ বৰপেৰাটোৰ সাঁফৰখন আলফুলে উদঙাই বুঢ়ীয়ে ভিতৰখনলে জুমি চাবৰ চেষ্টা কৰিলে। আধা পোহৰ আধা ছাঁয়াৰ মাজত সুমলা বুঢ়ীয়ে নিজকে এবাৰ খেপিয়াই চালে।

ভৰ শাওন। পথাৰ খন ব্যস্ত হৈ পৰিছে। সৰহখিনিৰে পথাৰত হালবোৱা, মৈ দিয়া ধৰণৰ কামবোৰহে কৰি আছে। দুই এঘৰে মাত্ৰ দ' পথাৰৰ ফালে বোকা দিছে। সুমলাহঁতৰো বামত এবিঘামান মাটি বোকা দিছে। পুৱাৰে পৰা বতৰটো গোমা। এখন হাতত আগলি কলপাত এখিলাত যুৰীয়া তামোল তিনিখন আৰু আনখন হাতত তৰাৰ গঁজালি এটা লৈ সুমলা পথাৰলৈ আহিছে। কলপাতখিলা আগ কৰি তৰাৰ গজালিটো মাটিডৰাৰ এচুকত গোঁজ মাৰি সুমলাই ভুঁই ৰোৱা আৰম্ভ কৰিলে। ৰোৱা আৰম্ভ কৰিছেহে এথোন, আকাশখন ওণ্ডোলাই আনিলে। জুৰি লোৱা চুকটো ৰুই অঁতাৰলে নৌ পাওতেই চিপচিপিয়াকৈ বৰষুণ। ওপৰত বৰষুণৰ চেঁচাখিনিৰ ওপৰিও সুমলাই হঠাৎ আঠু আৰু কলাফুলৰ সংযোগ স্থলত বেলেগ এটা চেঁচা অনুভৱ কৰিলে। কেইটামান মূহুৰ্ত মাত্ৰ। বিকট শব্দেৰে সুমলাই দেদাউৰিয়াই উঠিল। ব্যস্ত পথাৰখন মুহূৰ্তলৈ স্তব্ধ হৈ পৰিল। ওচৰতে ৰমাকাণ্ডই হালবাই আছিল। স্থান-কাল-পাত্ৰ পাহৰি সি সুমলাৰ কলাফুলৰ পৰা জোকটো এৰুৱাই দিলে। এটা মূহুৰ্ত নে এটা যুগ? কলহৰ কালে ঢলা বৰষুণকো নেওচি দুতোপাল ঘাম বিৰিঙি উঠিল সুমলাৰ নাকত। লাজ আৰু সংকোচত একে ঠাইতে বহুসময় স্থানুৰ দৰে বহি ৰ'ল সুমলা।

পাক খাই খাই জঁট লাগি ধৰা স্মৃতিৰ ধূসৰ কুণ্ডলীকেবাৰ ক্ৰমাৎ সৰল হৈ আহিছে। কুণ্ডলী আবৃত স্মৃতিৰ ধূসৰ কেনভাচ্ খনত স্পষ্টৰ পৰা স্পষ্টৰ হৈ উঠি আহিছে এখন মুখত এখন উকা মুখ। অতি চিনাকী, অতি আপোন! অথচ সেয়াতো তোযেশ্বৰৰ দেউতাক নহয়। দীঘলীয়া সপোন এটাৰ পৰা সাৰ পাই উঠা মানুহৰ দৰে বিৰবিৰাই বিৰবিৰাই বুঢ়ীয়ে ৰমাকান্তক বিচাৰিলে।

পুৱাই চাইকেল মাৰি তোযেশ্বৰ জামুগুৰিলৈ গ'ল। বাতবিষে তেনেই জৰুলা কৰা কেওকুছি নোহোৱা ডাং বৰলা ৰমাকান্তক যেনে তেনে এবাৰ আহিবলৈ তোযেশ্বৰে কাতৰে অনুৰোধ কৰিলে। চৰগ পৰা মানুহৰ দৰে থৰ হৈ ৰোৱা ৰমাকান্তই তোযেশ্বৰক প্ৰবোধ দিলে।

সন্ধিয়া পাঠক আহি নামত ধৰিলে। নামঘোষাৰ পদ সুৰ লগাই মাতিবলৈ আৰম্ভ কৰিলে-

'মোকে কিনা মতি দিলা গোপাল।
তুমি অগতিৰ গতি।
এভৱ ভঞ্জন তোমাৰ চৰণ।
সেৱিতে নকৰো ৰতি।।
হৰিপদ কথনে বিছুড়ি ৰহু এ মন পামৰা।
হৰি বিনে ঝুন্টা ওহি শয়ল সংসাৰ।।

নাই; সুমলা বুঢ়ীৰ মাত্ৰ আজি হৰি কীৰ্ত্তনে প্ৰভাৱিত কৰিব পৰা নাই। সম্ভাব্য কিবা এক দুৰ্ভাৱনাই ক্ৰমাৎ তেওঁক অস্থিৰ কৰি তুলিছে। মূহুৰ্ত মাত্ৰ। ৰমাকান্ত আহি বুঢ়ীৰ শৰ্য্যাৰ কাষ পলে। এক অসহায়, অবুজ চাৱনিৰে দুয়ো দুয়োলৈ চাই থাকিল। শীৰ্ণ দুচকু সেমেকি উঠিল। বুঢ়ীয়ে নিজৰ শীৰ্ণ দুহাত কথমপি ওপৰলৈ তুলি ৰমাকান্তৰ হাত এখনৰ ওপৰত থলে। কিবা কবলৈ বিচৰিলে তেওঁ ৰমাকান্তক। কিন্তু বহু চেষ্টা কৰাৰ অন্ততো এক অস্পষ্ট গেঙনিৰ বাহিৰে একো নোলাল বুঢ়ীৰ মুখৰ পৰা। হঠাৎ বুঢ়ীয়ে নেতিবাতক ভংগীৰে মূৰটো সজোৰে লৰাবলৈ ধৰিলে আৰু শুই পৰিল। চিৰদিনলৈ শুই পৰিল।

ৰজনীৰ আইতাকৰ মৃত্যুৰ গোটেই ঘটনাটোৱে অৰণীক ভাবুক কৰি পেলালে। ৰাতি শুবলৈ গৈও অৰণীয়ে আইতাকৰ কথাই ভাৱিলে। মূৰ জোকাৰি জোকাৰি আইতাকে অন্তিম সময়ত আচলতে কাক কি ক'ব খুজিছিল? মাকে কোৱাৰ দৰেই ৰজনীৰ আইতাকৰ আত্মাটো তেন্তে অতৃপ্ত হৈ ৰ'ল? আত্মা কি এনেকৈয়ে অতৃপ্ত হয়? এই যেন আৰণীয়ে- এটা সত্যৰ সন্ধান পালে। সকলোৱে জনা অথচ ফুটাই ক'ব নোৱাৰা এক গোপন অপ্ৰিয় সত্য।

ধনগুলৈবোৰলে মনত পৰিলে অৰণীৰ। অতৃপ্ত আত্মাবোৰেহে ধনগুলৈ হয়। ৰজনীৰ আইতাকো তেন্তে এতিয়াৰ পৰা ধনগুলৈ হ'ব। আঁউসীৰ নিশা খং আৰু ক্ষোভত কাৰোবাক বিচাৰি জুই একুৰা হৈ দৌৰি ফুৰিব। বিচনাতে উচুপিচাবলে ধৰিলে অৰণীয়ে। ৰজনীহঁতৰ বাৰীৰ পৰা গছ কটাৰ শব্দ ভাঁহি আহিছে। বুঢ়ীক বাৰীতে খৰি দিব। বেৰৰ দাঁতিৰ পৰা অৰণী ক্ৰমাৎ মাকৰ কাষ চাপি আহিল। মাকৰ বুকুত কুঁচি মুচি সোমাই নিৰ্ভয়ে টোপনি যাবৰ চেষ্টা কৰিলে। হঠাৎ সাৰ পোৱা মানুহৰ দৰে অৰণীয়ে মাকক হেঁচুকি হেঁচুকি সুধিলে "এইবাৰ আঁউসী কেতিয়ালৈ পৰিছে মা?" (শিবানন্দ কাকতিলৈ ক্ষমা প্ৰাৰ্থনাৰে)

*(গল্পকাৰ স্নাতক তৃতীয় বৰ্ষ অসমীয়া বিভাগৰ ছাত্ৰী)*

# নিঃসৃত প্ৰহৰ

— *অংগনা চৌধুৰী*



জেকা মাটিৰ এটা নিজস্ব গোন্ধ আছে । সেই গোন্ধটোকে বুকুত সাৱটি লৈ ঠিক সেইখিনিৰ পৰাই বেৰখন। সেউজীয়া ৰঙৰ কাপোৰ এখন কোচকোচ দি নাৰিকলৰ ৰচীদালত ওলোমোৱা আছে। সেই কাপোৰখনৰ ঠিক পিছফালেই লুকাই আছে একমাত্ৰ খিৰিকীখন। খিৰিকী জানো? সেইটো এটা জলঙাহে। ৰ'দ বতাহ সোমাব পৰা বাট। সন্মুখলৈ এখন কেলেণ্ডাৰ। কেলেণ্ডাৰ অৱশ্যে দুবছৰৰ পুৰণি। আৰি থোৱাৰ উদ্দেশ্য হৈছে তাত থকা কৃষ্ণগোঁসাইৰ গৰু চৰাই থকাৰ ছবিখনহে। তৰ তলতে এখিলা কলপাতত মাটিৰ চাকি এটি। লগতে দুটি নাৰ্জিফুল আৰু চাৰিঅনা এটা। চাকিটো নুমাইছে। শলিতাডাল এতিয়া দুটোপাল মান সৰিয়হ পেৰা তেলৰ আকাংক্ষাত। এই বিশেষ ঠাই টুকুৰা এতিয়াও তিতা কাপোৰেৰে ৰামধেনু আকাৰত মচি থৈ যোৱা মানুহগৰাকীৰ পৰশত সজীপ। তাৰ কাষলৈ অলপ দূৰত এখন চাপৰ বাঁহৰ চাং। তাৰ ওপৰত দুখন কঁথা। তাৰো ওপৰত এখন কপাহী কাপোৰ। নতুনতে কি ৰং আছিল জানো? বৰ্তমানৰ শেঁতা মাখন বৰণটোৱে সেই কথা কব নিবিচাৰিলে। দুটা গাৰু। তাৰে এটা গামোচাৰে ঢকা। আনটো নঢকা। থোৰতে এইখনেই বিছনাই। তদুপৰি সমিলমিলেৰে ক'তো খুন্দা-খুন্দলি নোখোৱাকৈ আৰু বিভিন্ন বস্তুৱে একেলগে বসবাস কৰিছে যেনে- কাপোৰ থোৱা বৰ পেৰাটো, দাপোন খন, জবাকুসুম তেলৰ বটলটোৰ লগতে ফনিখন আৰু সেন্দুৰৰ টেমাটো, দুৱাৰ মুখলৈ মু কৰি থকা চাৰি দুখন আৰু লেমটো। সকলো আছে। তথাপিও যেন খালী। কিবা এটা যেন উকা উকা। কাম হাততলৈও কৰিবলৈ মন নোজোৱা এটা অৱস্থা। ভাতৰ পাতত বহিও খাবলৈ মন নগৈ আধাতে উঠি অহা, শুবলৈ লৈ পাটীত নিথৰ হৈ চকু দুটা জোৰকৈ মুদি পৰি থাকিলেও টোপনি নহা এক ভয়ঙ্কৰ দুৰৱস্থা।

তগৰে আঁচলখন মূৰলৈকে টানি তামোলৰ বঁটাটো আগবঢ়াই দিলে। আঁচলৰ ভিতৰলৈ বুকুখনত যেন কোনোবাই ঢেকীহে দিছে। বৰুৱাদেউৱে মানুহজনৰ বিষয়ে কিবা খবৰ কঢ়িয়াই আনিছে নেকি? তাই এই চাৰিদিনে কিবা এটা খবৰলৈকেতো বাট চাই আছে । কিন্তু এনেকৈ বেলেগ এজন মানুহৰ হাতত! সকলো কুশলে থকাহেঁতেন মানুহজন নিজেই আহি পদুলি মুখৰ পৰাই হৈ হুলস্থুল কৰি নোসোমালেহেঁতেন জানো ! কথাবোৰে মনৰ ভিতৰত ঠেলা-হেঁচা লগাইছে। কোন আগেয়ে ওলাব, কোন পিছত। পিছে লাজৰ কাণ মূৰখাই নিজেই নিজৰ মানুহ জনৰ কথা সুধিব পাৰি জানো? তাকো মান্যজনৰ আগত। জেওৰাখনৰ কাষলৈ ভঙা খুটাটোৰ ওচৰত দুবাৰ মান পিক পেলাই গৈ অৱশেষত যেনিবা বৰুৱাদেৱে বকলা মেলিলে- “হেৰি নহয় অ', এই আমাৰ কলীয়া অহা নাই নেকি?” পৰি যোৱা

ওৰণিখন তগৰে টানি লাহেকৈ ক'লে– "আজিৰ সতে চাৰিদিন"। "এ, ডাঙৰ কথাই হ'লচোন।" বৰুৱাদেৱে দাঁতৰ ফাকত সোমাই পৰা তামোলৰ সৰু টুকুৰাটো উলিয়াই লৈ ক'লে– "অৱশ্যে চিন্তা কৰিবলগীয়া একো নাই বুলিয়েই ধৰচোন। আমাৰ মৌজাদাৰ দেউতাৰ পোৰ লগতহে গৈছে হ'বলা। তেওঁৰ আক' চিকাৰলৈ যাবলৈ লগত কলীয়া নহ'লে নহয়েই। পিছে ডাঙৰ মানুহৰ ডাঙৰ কথা। তেওঁলোকৰ বাবে মানটোহে ডাঙৰ। মৰম চেনেহ নুবুজে। এইবাৰ তই তাক ক'বি। খেতি-বাতিখিনিতে ভালকৈ লাগক।" তাই মাথো মূৰ দুপিয়ালে। চোতালখন আৰু সৰা নহ'ল। চাউল খিনিও জৰা নহ'ল। বৰুৱাদেউ যোৱাৰ পাছত তাই পিৰালিতে বহি ৰ'ল। চৰুটোৰ ওচৰলৈ যাবলৈকে মন নগ'ল। কালিও আঘোণী বায়ে আহি কৈ গৈছিল– "এনেকৈ লঘোনে থাকিলে কিটো হ'ব। আলুপিটিকা অলপ কৰি দিও, জলকীয়া মোহাৰি ভাত দুটামানকে খা। বোলো সি আহিব নহয়। দুদিন মান যেনিবা দেৰিয়ে হ'ল। আগে-পিছেওতো যায় সি। সি মৌজাদাৰৰ পোৰ সোঁহাত। সি অনা পছুৰ মাংস, বন শৰালিৰ ভাগ আমিও জানো আগতে কম পাইছিলো।" আঘোণীবাই এনেকুৱাই। এটা কথাতে এশটা কাহিনী ওলায়। অকলে থাকিব লগা হলেই তগৰে তাইক মাতি আনেগৈ। ভয়ৰ কাৰণে নহয়, মনটো ভাল লাগি থাকিবৰ বাবেহে। আঘোণীৰ লগত দুপৰ নিশালৈকে কথা পাতে তাই। শেষলৈ চাকিটোও নুমাও নুমাও হয়। ধোম ধোম বুলি থাকোতে কাঁহি-বাটিবোৰ আখলৰ চুকতে একেথৰে পৰি ৰয়। জোনাক গুচি আকাশ ডাৱৰীয়া হয়, বৰষুণ আহে, নাওৰাৰে পানী বৈ আহি মাটিত পৰি পুনৰ বেলেগ দিশেৰে গতি কৰে, তগৰে কিন্তু আঘোণী বাইৰ মুখৰ পৰা বৰষুণৰ দৰেই অবিৰত ভাৱে নিগৰি অহা পুৰণি সুঁতিবোৰ জুকিয়াই লৈ তাৰ পৰা মধুৰতাখিনি চাকি চাকি মনৰ মাজত গোটাই থাকে, ঠিক জলকীয়া, তেল আৰু নিমখ সানি কলপাতত উলিয়াই দিয়া লোভনীয় ৰবাব টেঙাটোৰ ডাঙৰ চকলা এটা হাতত লৈ কোঁহবোৰৰ পৰা ৰসখিনি এক অনাবিল তৃপ্তিৰে চুহি চুহি খোৱাৰ দৰে। আঘোণীয়ে কয়– "কলীয়া যে আগতে কেনে উৎপতীয়া আছিল! মাকে তাঁতখনত বহিলেই লৰ মাৰি গৈ কোঁচতে বহেগৈ। পিতাকে পুথি পাঁজি মেলিবই নোৱাৰে, কাষতে বহি মগজে চুকি নোপোৱা অবান্তৰ কথাবোৰ সুধি পগলা কৰিহে এৰে আৰু মোৰ ওচৰততো সি আদৰে সাদৰে গেটেইটো মিঠৈ যেন হৈ পৰে। মুখৰ পৰা চোবোৱা তামোল খোৱাৰ পৰা দুপৰীয়া ঘামচি ভাঙি দিয়ালৈকে, ভাতৰ কাঁহিত মাছৰ কাঁইট বাচি ফুচুলাই ফুচুলাই খুওৱাৰ পৰা শীত কালি আঁচলেৰে আবৰি আৰু গৰম কালি মাজ নিশালৈকে ৰিচনিৰে বিচি বিচি নিচুকাই শুওৱালৈকে সকলোখিনি ময়ে চম্ভালিব লগা হয়। হেৰৌ, কমটি কথানে, এনে এটা বাঘৰ মুখত হাত ভৰোৱা অঘাইটং ল'ৰাক চলোৱা!" কথাশুনি তগৰে খুক খুক কৈ হাঁহে। ইতিমধ্যে জোনটোৱে সোণপাহীহঁতৰ ঘৰৰ ওপৰৰ পৰা আহি সিহঁতৰ পজাৰ ওচৰ পায়হি। আঘোণীবায়ে কৈয়ে থাকে– "সি যে সৰুতে ইমান নোদোকাটো আছিল পিছে ৰংটো আছিল গোমা। কলীয়া নামটো আক' দিলে পিতায়েকে। এটাই পো আছিলটো, মৰমতেই দিলেনে জোকাওতে জোকাওতে হ'ল নাজানো আৰু। মই বোলো ইমান গা থকা ল'ৰা, মালভোগ চালভোগ কিবা এটা দে, নাই। মোৰ কথা শুনিছে জানো কেতিয়াবা। পিছৰফালে আক' ই মোৰ গাত বেছিকৈহে ওলমিল। মাক-বাপেক দুয়োটা অগা-পিচাকৈ যোৱাত মোৰ এই তামোলৰ ঢকুৱাৰ দৰে কোনোমতে চোচোৰাই লৈ ফুৰা জীৱনটোৰ লগতে তাকো জপতিয়াই ল'লো আৰু। ক'তনো এৰিম, বোলো বাই- ভনী কিবা এটা থকাহেঁতেন কথা বেলেগ আছিল।" আঘোণীয়ে পাটীত বাগৰ দিয়ে। তগৰেও লাহেকৈ চকুদুটা মুদি টোপনিক মাতি আনিবলৈ চেষ্টা কৰে। নাই, পিছৰ ডোখৰত তাইৰ আৰু টোপনি নাহে। দুজনীয়া চাং খন তাইৰ মানত পথাৰখনৰ দৰে বহল যেন লাগে। সেইখন যেন নিজে হেৰাই যাম বুলি ভয় লগাকৈ বহল। আঁহতৰ আঁৰত এবাৰ লুকালে বিচাৰি নাপাম বুলি দুখ লগাকৈ বহল।

পখীৰ মাতেৰে মুখৰিত এটি পুৱা। বেলিটোৱে পৃথিৱীলৈ চাই তেতিয়া মিচিকিয়াবৰ হোৱাই নাই। গাৰ পৰা আঁতৰি যোৱা চাদৰখন লৰালৰিকৈ খুচি লৈ তগৰে চকুদুটা মোহাৰি মোহাৰি উঠিল। দাপোনৰ সমুখত বৈ তাই আধাখোলা খোপাটো ভালদৰে খুলি লৈ চুলিখিনি মেলি দিলে। অলপ মুৰটো পাতল পাতল লাগিল। ফনিয়াওতে ভালেখিনি চুলি সৰিছে। সেইখিনি একগোট কৰি এটা সৰু লাড়ু কৰি দুবাৰমান তাই থু থু কৰিলে আৰু সেইটো খিৰিকীৰে বাহিৰলৈ দলি মাৰি দিলে। কলহটো বৰ গধুৰ যেন অনুভৱ হ'ল। সেইটো হাতত লৈ জপনাখন খুলি খৰখোজেৰে ওলাই গ'ল তগৰ ঘাটলৈ। বাহঁনিখন পোৱাৰ লগে লগে তাইৰ খোজ আগতকৈও খৰ হ'ল। সেই আগৰ ভয়তোৱে এতিয়াও তাৰ মানে তাইক একেবাৰে এৰি যোৱা নাই। আগতে এইফালেদি গ'লে ৰাম নাম লৈহে সিহঁতে পাৰ হয়। আইতাকে প্ৰায়ে কৈছিল - ইয়াত হেনো ভূত ওলায়। ভূত মানে আচলটোৱেই। একেবাৰে দ'ত। কাৰণ দ'তে হেনো মাছ খাই বৰ ভাল পায়। আৰু ইয়াৰ ওচৰতে নদীখনো আছে।। সেয়ে দ'তবোৰৰ মেলমিটিং বহিলেই বোলে এই বাহঁনিখনতে বহে। বিয়াৰ পিছতেহে তাই গম পালে আচল কথাটো সিহঁতে হেনো সৰুতে খেলিবলৈ বুলি প্ৰথমে ঘাটলৈকে দৌৰ মাৰে। পিছে এটাইয়ো ভালকৈ সাঁতুৰিব নাজানে। সেয়ে হেনো আইতাকে ভয় খুৱাবলৈকে তেনেকৈ কৈছিল। কাৰণ সেই খিনি কথা শুনাৰ পাছত কাৰ ইমান মৰসাহস যে দ'তৰ ডিঙিত গামোচা পিন্ধাবলৈ ঘাটৰ পিনে যাব। তগৰৰ ওঁঠদুটিৰ কোণত হাঁহি এটা বিৰিঙি উঠিল। তাৰ লগতে তাইৰ ডালিম গুটীয়া দাঁত দুটিমানো উজলি উঠিল।

অ' আই, ইমান পুৱাতে গোটেই বোৰ গোট খালেইনে! পানীলৈ যোৱা মাটি কটা বাটটোৰে নামি নামি তাই ভাবিলে। মথাউৰিয়ে ভেটি ৰাখিব নোৱাৰা খিলখিলকৈ মৰা হাঁহিবোৰ বাৰে বাৰে নৈখনত বিলীন হৈ গৈছে। কাপোৰ ধুবলৈ ভাল ঠাই এটুকুৰা পাবলৈ সিহঁতৰ সদায় হেতাওপৰা তদুপৰি ঘৰুৱা খেলৰ পৰা আৰম্ভ কৰি ইজনীয়ে সিজনীক জোকাই লৈ ফিচিঙাফিচিঙ কৰাবোৰতো আছেই। তগৰে কলহটো থৈ ভৰিদুটা পখালি ল'লে। চেঁচা পানী। পানীৰ তলৰ শিলগুটিবোৰ স্পষ্টকৈ দেখা গৈছে। তগৰে একমনে কিছুসময় ধৰি সেইখিনি চাই থাকিল আৰু অলপ পাছত এটা আধাঘূৰণীয়া সৰু শিলগুটি উঠাই আনিলে। যাৰ ৰং ক'লা, তাতে বগা দুই চাৰিটা দাগ। গাটো মিহি, পিছল। তাই গালত লগাই চালে। শীতল এইটো হেঁতালি খেলিবলৈ ভাল হব। 'তগৰ তোৰ দেখোন কথাই বেলেগ। আমাক নামাতইচোন।' 'ইঃ কিয় এনেকৈ কৈছ।'– এই বুলি তগৰ ৰহদৈহঁতৰ ফালে আগুৱাই গ'ল। তেনেতে কোনোবা এজনীয়ে কৈ উঠিল 'হেৰ',

তাইকনো আমাৰ লগত যোৱাইছ কৌলেহ তাইৰ আক' ৰজাঘৰীয়া মনুহৰ লগততহে সনাপোতোকা, তাৰমানত আমিনো কোনকুটা।' 'হেই, কিনো কয় অ' এইজনীয়ে। তাইৰ লগত নহয় নহয়, তাইৰ মানুহটোৰ লগততহে কিবা।' ৰহদৈ যে সিহঁতক ধমক দি পেলাই ক'লে 'পিছে হিমানে যি নহওঁক তগৰ, এই মৌজাদাৰ দেউতাৰ পোক আচলতে কোনেও ভাল নাপায়। গোটেইটো যেন ৰজাৰহে পো। দুই তিনিমাহ কি চহৰত থাকিলগৈ সি একেবাৰে বন্দুক লৈ চিকাৰলৈ যোৱা হ'ল। তই দেখিছনে নাই নাজানো আমি যে আগতে সোণালী পোক ধৰিবলৈ ঘূৰি ফুৰিছিলো সোণপাহীহঁতৰ ঘৰৰ কাষৰ হাবিখন এতিয়া গোটেইখন লঠঙা চব তাৰেই কৰ্ম। পিতায়ে কৈছে গোটেইখন ওখ প'খ গছ সি চহৰলৈ পঠিয়ালে। কোনোবা এজনীয়ে পিছফালৰ পৰা অহি সিহঁতৰ কথাত যোগ দিলেহি ' ভালেতিহে কৈছা সেই পাতৰ কথা। দিনচেৰেক আগতে সি বোলে বুৰৈজানৰ মানুহৰ লগত কাজিয়া লাগিলে। তাক সীমাতে থকা পথাৰখন লাগে। অ' আই লাগ বুলিলেই পাবনে, হেৰৌ, সেইখনো আমাৰ মিতিৰ গাওঁ, বিয়াবাৰু চলে অহাযোৱাও চলে, ভালেৰে থাক। নাই, দন নলগাকৈ থাকিলে তাৰ গাত ঘামচি ওলায়। এতিয়া বোলে বুৰৈজানৰ মানুহে কৈছে তই যদি অকলে নৰখাদক এটাক মাৰি আনিব পাৰ, তেহে পাবি। লগে লগে চিকাৰ। এতিয়া নৰখাদক নোপোৱালৈকে ঘূৰি অহাৰ নামেই নলয়। ভালেই তেওঁ শান্তিত এইকেইদিন ঘাটলৈকে আহাযোৱা কৰিব পাৰিছো।" *ইমানদেৰি তগৰ মনে মনেই আছিল। ইজনীৰ সিজনীৰ* কথাও শুনি আছিল। হঠাৎ জানো কি হ'ল কলহটো ডিঙিলৈকে ভৰাই লৈ তাই সেই খিনিৰ পৰা দুপ্-দুপ্‌কৈ দৌৰি আঁতৰি গ'ল। ৰহদৈয়ে পাচফালৰ পৰা মাতিলেহে মাতিলে। নাই তাই নুশুনিলে। তাই গৈয়ে থাকিল। কঁকালত লোৱা ভৰা কলহটোৰ পৰা পানী বোৰ প্ৰতিটো দুপতে চলপ চলপ চলপকৈ বাটটোত পৰি গ'ল।

জপনাৰ ওচৰৰ পৰা বতাহৰ নিচিনাকৈ আহি তাই চাংখনৰ ওপৰত উবুৰি খাই পৰিল। আঘোণী বাই সোমাইছিলহে মাত্ৰ। তলকিবই নোৱাৰিলে, কেতিয়া কি হ'ল। ওচৰলৈ গৈ দেখে তাই ফোপাইছে। গালদুখনৰ পৰা কাণৰ লতিটোলৈকে ৰঙা। গলধনত ঘাম। 'ঈশ্বৰ, কি হ'ল তোৰ? আঘোণীয়ে আচলেৰে তাইৰ মুখখন মচি দিলে। "বাই, নৰখাদক নমৰালৈকে পো ঘূৰি মাহে।" আঘোণীয়ে কথাষাৰৰ অৰ্থ বুজি নোপোৱা নহয়। ক'বৰ বাবেহে মৌজাদাৰৰ পো। কথাষাৰৰ আচল উদ্দেশ্য মৌজাদাৰৰ পো নাহে মানে লগত যোৱা কলীয়াও উভতি নাহে। একো নহয় দে, এইটো আৰু কিবা নতুন কথানে? আঘোণীয়ে তাইৰ মূৰত হাত ফুৰালে। তগৰে নামানিলে। তাই অস্ফুট মাতেৰে ক'লে তথাপিওতো বাই, এইটোতো নতুন কথাই। আগতে হৰিণ আনে বুলিহে শুনিছিলো, কিন্তু এনেকৈ...? তাই ফেকুৰাৰ উপক্ৰম হ'ল। তগৰৰ এনে লাগিল তাই যেন ঘাটৰ পৰা পিছলি পৰিছে নদীলৈ আৰু নদীৰ সোঁতৰ পৰা চাকনৈয়াৰ মাজলৈ। তাই চিঞৰিছেহে চিঞৰিছে। কোনেও উভতিকে চোৱা নাই, ৰহদৈ, সোণপাহীহঁতেও।

কেইটা দিন গ'ল আৰু কেইটা ৰাতি তগৰে আঙুলীৰ পাবত লেখি চালে। গামোচাৰে ঢাকি থোৱা গাৰুটোৰ পৰা অহা চিনাকি সুবাসে তাইক আবৰি পেলালে। সেই সুবাসৰ গৰাকীজনৰ অদৃশ্য বুকুত তাই লীন হৈ যাবলৈ ধৰিলে। কি বা খাইছে কি বা কৰিছে হাবিৰ মাজত। তাইলৈ বাতৰি এটাওতো কাৰোবাৰ হাতত পঠিয়াব পৰিলেহেঁতেন। তাই অদৃশ্য হাতদুখনৰ পৰা নিজকে এৰুৱাই লৈ অভিমান কৰিলে। কিন্তু তাইৰ ঠেহ ভাঙিবলৈ অদৃশ্য মুখখন তাইৰ ওঠৰ ওচৰলৈ আগবাঢ়ি নাহিল। সেই যে নাহিল, আৰু নাহিলেই। কেৱল মৌজাদাৰৰ পোহে উভতি আহিল। লগতে পাচোটা গুলিৰে থকাসৰকা কৰা নৰখাদক। তাকে চাবলৈ গোটেই গাঁৱতে হৈ চৈ। পদুলিয়ে পদুলিয়ে জুম বান্ধি সকলোৱে আলোচনা কৰিলে। সৰু ল'ৰা-ছোৱালীবোৰৰ বিস্ময়কৰ প্ৰশ্ন। সকলোৱে ধন্য মানিলে। কিছুমানে এনে সাহসী পোৰ বাপেক হোৱা বাবে মৌজাদাৰৰ ভাগ্যক শলাগিলে। আইতাকহঁতে নাতি নাতিনীয়েকৰ সহজে টোপনি নাহিলে- "ৰবি, বাঘটো আহিব এতিয়া' বুলি ধমক দিয়া হ'ল। উখলমাখল মাজত কোনেও মনেই নকৰিলে যে তগৰৰ ওচৰলৈও মৌজাদাৰৰ পোৱে পঠিওৱা এজন মানুহ আহিছিল। যাৰ হাতত আহিছিল তগৰৰ বাবে এটোপোলা ধন, এক দুৰ্দ্দান্ত খবৰ আৰু এবুকু এন্ধাৰ। মানুহজনে ধীৰে সুস্থিৰেই ক'লে– "ওভতোতে নৰীয়াত পৰি কলীয়াই বাটতে চকু মুদিলে। দেহাটো আনিব পৰা নগ'ল। কাৰণ তেতিয়াও এদিনৰ বাট বাকী আছিল।" কেনে এক পৰিৱেশ! ধৰিবলৈ কৰিবলৈও কোনো নাই। তগৰে মূৰ আফালি থাকিল। কিমানবাৰ যে মৰিবলৈ বুলি মনে মনে নদীলৈ গ'ল। আঘোণী বায়ে চকু দি থাকে বুলিহে ৰক্ষা। *ঈশ্বৰৰ ওচৰত তগৰৰ সেই একেই কাকুতি "মোকো মাৰি নিয়া* প্ৰভু।" চকু পানীৰে তাই বাট নেদেখা হ'ল। বিয়াৰ আগদিনা লগোৱা জেতুকাৰ ৰং যে এতিয়ালৈকে যোৱাই নাই। কিন্তু তগৰ বাচি থাকিল। মৰি মৰি বাচি থাকিল আঘোণী বায়ে তাইক নিজৰ লগতে ৰাখিলে।

মৌজাদাৰৰ পোৱে দি পঠোওৱা সেই ধনৰ টোপোলাৰ বলতে এতিয়া লৈকে তাই ঘৰে ঘৰে বন কৰিবলগা অৱস্থা হোৱা নাই। নহ'লে যে পুৱাৰ পৰা গধূলিলৈকে কাৰ কিমান খোচা বিন্ধা কৰা কথা শুনিব লগা হ'লহেতেন। হওক, কিমান যে উপকাৰ কৰিলে মৌজাদাৰৰ পোৱেতগৰে মাজে মাজে ভাবে সেইফেৰা কৰাৰ বাবেই অন্ততঃ বাটে ঘাটে দেখিলে সেৱা এটিকে কৰিব লাগিব। মানুহবোৰে যে এনেই এনেই তেওঁৰ বিষয়ে যি পায় তাকে কয়।

পিছে সেৱাটি আৰু কৰা নহ'ল। সৌ সিদিনা জপনামুখতে তগৰ মূৰ ঘূৰাই পৰিল। কলীয়া নোহোৱাৰ পৰা কোনোদিনে উভতি নোচোৱা ওচৰ-চুবুৰীয়াবোৰে সেইদিনা হালৰ গৰু, তাতৰ গামোচা এৰি থৈ আঘোণীৰ ঘৰত গোট খালে, এই ভাবি যে এয়া তগৰৰ কিবা নিষিদ্ধ কৰ্মৰ ফল। পিছে আচল কথাটো আঘোণীয়েহে গম পালে আৰু গম পোৱাৰ লগে লগে মুখৰ মাত হৰিল। বৰুৱাদেউৱে বোলে তগৰক কৈ গৈছে চিকাৰৰ নিশা হেনো একেলগে থকা হাতীৰ মাউতটো পগলা হ'ল। পৰহি নিশাৰ পৰা সি প্ৰলাপ বকিছে। মৌজাদাৰৰ পোৱে দি পঠিওৱা ধনৰ টোপোলাৰ পৰা ধন উলিয়াই সি চোতাললৈ দলিয়াই দলিয়াই কৈছে বোলে কলীয়া নৰীয়াত মৰা নাছিল নহয়, নৰখাদকটো ওচৰলৈ আনিবলৈহে কলীয়াক হাতীৰ পিঠিৰ পৰা ঠেলি মৌজাদাৰৰ পোৱে তললৈ পেলাই দিছিল।

*(গল্পকাৰ স্নাতক তৃতীয় বৰ্ষ অসমীয়া বিভাগৰ ছাত্ৰী)*

# উপালম্ভ ক্ষণ

*– অপৰাজিতা পূজাৰী*



দৰজাখন কেৰেক্‌কৈ খোল খালে। ভিতৰটোত ভেকুঁৰৰ গোন্ধ। অপাৰেচন টেবুলৰ দৰে টেবুলখনত কিবা এটা ঢাকি থোৱা আছে। সম্ভৱ মানুহ। ডাঙি চাবলে মন গৈছে। ভয় লাগিছে নেকি? নাঃ কিবা অদ্ভুত স্পৃহা হৈছে দেখোন চাবলে। হাতখন আগুৱাই দিলে তাই। কাপোৰৰ তলত এখন কোমলমতীয়া ল'ৰাৰ মুখ। আচৰিত ধৰণে তাৰ মুখখন চুবলে হাতখন আগুৱাই নিলে।

খক্‌মক্‌কৈ সাৰ পাই নাৰ্জী। সৰ্বশৰীৰ ঘামি গৈছে। আজি-কালি যে কি অদ্ভুত সপোনবোৰ দেখে। কিছুমানৰ যে জীৱনত সপোনৰ প্ৰভাৱ পৰে তাইৰ পৰিবনে? কিন্তু সপোনৰ দেখোন অস্তিত্বই নাই বাস্তৱত। যেনে তাইৰ প্ৰেমিক ৰূপে দেখা ল'ৰাজন। প্ৰায় চাৰিবাৰ মান দেখা ল'ৰাজনৰ মুখখন কিন্তু স্পষ্ট নহয়। নিজে এটা নামো দিলে তাৰ- আকাশ। তাই হুমুনিয়াহ কাঢ়ে, কেনেবাকে সি সচাঁয়ে থকা হ'লে। হায়ৰে কপাল, ইওটো আকাশত চাংপতাহে।

ঃ ইমান ট্ৰেজিক গল্পবোৰ কিয় লিখাহে? কলেজতে ভাৰ্গৱে ক'লে। - এনেয়ে মানুহক দুখ দিব নালাগে নহয়।

ঃ মোৰ লাইফটোযে তোমাৰ নিচিনা ৰোমান্টিক নহয়।

ঃ আচলতে জীৱনটো মানুহে নিজে বনায়। কিছুমানে কথাবোৰ সহজভাৱে লয়। আন কোনোবাই গভীৰভাৱে। যেনে তুমি। তুমি বাৰু ইমান কি চিন্তা কৰি থাকা?

ঃ মনে বিচৰা বস্তুটো নাপায় যে।

ঃ নোপোৱাটোতে বিলাই দিয়াটো জীৱন নহয়। ষ্ট্ৰাগল কৰা, কিন্তু হাঁহিমুখে।

কেইদিননো হৈছে ভাৰ্গৱক লগ পোৱা অথচ ইমান সহজ বন্ধুত্ব। নিজে স্ফূৰ্ত্তিত থকা আৰু আনকো স্ফূৰ্ত্তিত ৰখা ল'ৰা।

নাৰ্জী, আকৌ কি ভাবিলা? ভাৰ্গৱৰ মাতত তাই চক খাই উঠিল।

ঃ কি কৈছা?

ঃ নহয় মানে তোমাৰ ফ্ৰেণ্ড ঘৰৰ পৰা আহিল।

ঃ ফ্ৰেণ্ড..... ...... ......

ঃ মানে অম্লানদা।

ঃ অম্লান ....... ...... .......

নার্জীৰ বুকুখন ঢপঢপাই উঠিল। অম্লান, তাইৰ মৰমৰ অম্লান আহিছে। স্ফূৰ্ত্তিতে তাই যেন এপাক নাচিয়েই দিব। কিমান দিন যে দেখা নাই! এষাৰ মাত শুনা নাই! পূজাবন্ধত ঘৰলৈ গৈছিল। তেতিয়াই এক্সিডেন্ট হৈ হাতত দুখ পালে। ভাল বা হ'লনে নাই? কিন্তু এসপ্তাহ আগতে ফোন কৰোঁতে দেখোন সি পোন্ধৰ-বিশদিন পিছতহে আহিব বুলি কৈছিল। সোনাকালে আহিলে যে? মনটো তাইৰ চৰাই হৈ আকাশত উৰি ফুৰিলে। সমস্ত নীলা যেন দুবাহুত সাৱতি ল'ব। আৰু তাইৰ অম্লানক? লাজতে তাই ফুলকলি হৈ দোঁ খাই পৰিল।

চন্দ্ৰিকাৰ স'তে নার্জী পাণবজাৰৰ ফালে গ'ল। চন্দ্ৰিকা ঘৰলৈ যাব। তাই কিতাপ এখন কিনি কলেজ আহিব। আৰে, এয়া দেখোন অম্লান। তাইৰ ভৰিবোৰ যেন নচলা হৈছে।

ঃ কেতিয়া আহিলা? - তায়েই আৰম্ভ কৰিলে।

ঃ দহটামানত পালোহি।

ঃ আম্লানদা, ভালনে? চন্দ্ৰিকাই তাৰ লগত দুই এষাৰ কথা পাতি গ'লগৈ।

নার্জীয়ে অম্লানৰ মুখলৈ কিছুপৰ চাই ৰ'ল। শেঁতা হৈছে।

ঃ হাতখন ভাল হৈছেনে?

ঃ ভাল হোৱা নাই পূৰাপূৰি। বিষ এটা লাগি আছে।

ঃ তেন্তে তুমি গুছি আহিলা কিয়?

ঃ তুমি সিদিনা কথা পাতোতে কান্দি দিলা যে।

হে ভগৱান, কি ল'ৰা ই। তাক বহুদিন লগ পোৱা নাই। তাতে হ'ল এক্সিডেন্ট । গতিকে ফোন কৰোতে মনত পৰিছে বুলি তাইৰ কান্দোন ওলাই গ'ল। সেই কাৰণেই বাৰু......। হঠাতে খুউব মৰম কৰি দিবৰ মন গ'ল তাক।

ঃ ইচ্ এইজনী মোৰ মেজৰ মেট। -- সি কি কাৰণে ইচ্‌ইচাই উঠিল নার্জীয়ে বুজি নাপালে।

ঃ আচ্ছা, মই এইফালেদি হোষ্টেললৈ যাওঁ, তুমি কলেজ যোৱা।

ঃ তুমি নোযোৱা কলেজ? তোমাৰতো কিবা ক'ব লগা আছিল?

ঃ চোৱা নার্জী ঃ এতিয়া মোৰ ভাগৰ লাগিছে। গতিকে কথাবোৰ ভালদৰে পতা নহব। পিছত এদিন পাতিম।

সি গুছি গ'ল। কিয় ইমান নিৰ্লিপ্ত হৈছে সি? মনটো হঠাতে জঁয় পৰি গ'ল। ক্লাচ কৰিবলৈ আৰু ইচ্ছা নগ'ল।

ঃ আইয়ে মিছেছ চাৰিংগীয়া - ৰুমত সোমোৱাৰ লগে লগে ৰুণজুনবায়ে চিঞৰিলে। তাৰমানে আজি ৰুম গৰম।

ঃ মিছেছ চাৰিংগীয়া? কি কথা ৰুনবা?

ঃ এক্সপ্লেইন কৰিবলৈ গ'লে কথাটো এনে হয়-- ৰঞ্জিত চাৰিংগীয়াৰ শ্ৰীমতী-।

ঃ আৰে ৰুন আমাৰ নার্জীতো পূৰা আলসুৱা প্লচ ট্ৰেজিক। ক'ত ৰঞ্জিত, ক'ত এই - বীথিকাবায়ে ক'লে।

ঃ সেইটোৱেইতো কথা। বিপৰীত মেৰুৰ মাজতহে আকৰ্ষণ হয়।

ৰুণজুনবাৰ কথাত নার্জীৰ হাঁহি উঠি গ'ল। কেইদিনমানৰ পৰা ৰুমৰ আড্ডাত একেৰাহে 'বিস্ময়ে' স্থান দখল কৰিছে। একেবাৰে সুবৰ্ণ ফুকনৰ পৰা বশিষ্ঠলৈকে এক্সপেৰিমেন্ট চলে। বেচেৰা ৰঞ্জিত! অনৰ্থক তাৰ ওপৰতো টনাটনি চলিছে।

ঃ কি হে নার্জী প্ৰেমত পৰিলাই নেকি?

ঃ পৰিছোঁ নেকি? পিছে ৰাজকোঁৱৰৰ দৰ্শন বা কেতিয়া হয়?

ঃ তথাস্তু, মই তোক দৰ্শন কৰাম। ইন ৰিটাৰ্ন তই মোক দেখাবি প্ৰিয়তম সুবৰ্ণক। জাহানাৰাবাৰ কথাত গোটেই ৰুমটো হাঁহিত ফাটি পৰিল।

*কিতাপবোৰ খুচৰি থাকোঁতে কাৰ্ড এখন ওলাই পৰিল, ফ্ৰেণ্ডশ্বিপ ডে'ৰ আৰু যে কত কি ডে' নোলাব। মানুহৰ মনৰ মাজত দুৰত্ব ইমান বাঢ়িছে যে সব কথা কাৰ্ডতে বান্ধ খায়।* কিন্তু কাৰ্ডখন অম্লানে দিয়া। বুকুত আলফুলে তাই সেইখন সাৱতি ল'লে। এটা শুনা-নুশুনা সুহুৰিয়ে তাইক ব্যাকুল কৰি তুলিলে। ক'ৰ পৰা আহিছে শব্দটো? তাইৰ বুকুৰ পৰা নে তাৰ? এয়াই নেকি প্ৰেম? কেনেকৈ এয়া হ'বলে পালে ভাবিলে আচৰিত লাগে।

নার্জীৰ সম্বন্ধীয় ককায়েক সঞ্জুৰ বন্ধু অম্লান। তাই প্ৰথম কলেজ যাওঁতেই চিনাকি হৈছিল। বেছ ভদ্ৰ। কথা-বতৰা বেছি নকয়। মাজ মাজে তাইক জোকায়।

ঃ আজি-কালি নতুন চিনাকি বহুত হৈছে হবলা?

ঃ কিয়?

ঃ আমাক পাট্টাই নিদিয়া হ'লা যে। বেছি কিন্তু সদায় বেয়া..... খঙত তাই উচাট মাৰি গুচি যায়।

ঃ হেপী ফ্ৰেণ্ডশ্বিপ ডে'। ফ্ৰেণ্ডশ্বিপ ডে'ৰ দিনা তাইৰ হাতত অম্লানে কাৰ্ডখন দিলে। - মোৰ বন্ধু হোৱাত কিবা আপত্তি?

ঃ কোনো আপত্তি নাই? কিন্তু কাৰ্ড নহ'লে বন্ধুত্ব নহয় নেকি?

ঃ হয়। বন্ধুত্বৰ চিন স্বৰূপেও এইখন ল'ব নোৱাৰি নেকি?

কাৰ্ডখন তাই ৰাখি থলে। কিবা এটা ভাল লাগি গ'ল। ইমানবোৰ অচিনাকিৰ মাজত তাইৰ খেয়াল ৰখা কোনোবা আছে।

ৱালকেইখনৰ ৰং গুলপীয়া। সি ৰঙা গোলাপৰ মালা বনাইছে। তাৰ মাক-দেউতাকৰ লগত কথা পতাৰ পৰা তালৈ তাই চাই আছে।

ঃ এটাইতো ল'ৰা। বৰ মৰমত থাকিব বিচাৰে। -মাকে কৈছে।

সি দেখোন ফুলৰ মালাবোৰ ৱালত আঠা লগাইছে। উৎসুক হৈ তাই আগবাঢ়ি গ'ল। নিৰ্বিকাৰভাৱে ঘূৰি চাই পাতেৰে সৈতে দুপাহমান ফুল সি নার্জীৰ হাতত দিলে। হাঁহি মাৰি তাই হাতৰ গোলাপ কেইপাহলে চালে। আস! হাতখন দেখোন তেজে তুমুৰলি।

খৰমৰকৈ নার্জী বিচনাত উঠি বহিল। কি হৈছে তাইৰ। ইমান ওচৰৰ পৰা আকাশক দেখিলে, অথচ মনত ৰাখিব নোৱাৰিলে। সপোন আচলতে সপোনেই। ইয়াৰ বাস্তৱত কোনো মূল্য নাই। কিন্তু........., নাই এনেদৰে আৰু নহ'ব। কাৰোবাৰ মৰম, আবেগপূৰ্ণ সহাঁৰি বাবে তাইৰ মনে হাহাকাৰ কৰি উঠিল। এফালৰ পৰা তাই মুখবোৰ মনত পেলাই গ'ল। নাঃ, কাকোৱেই দেখোন ভাল পোৱা নাযায়। এয়া বাৰু আকাশৰ ওপৰত প্ৰতিশোধ নেকি? মনটো খুউব বিষন্ন হৈ পৰিল। হাঁহিবলৈ মন গৈছে। অম্লানদাক পোৱা হ'লে। অম্লানৰ কথা বাৰু তাই ভাবিছে নেকি? নাই অলপো নহয়। তাই অন্ততঃ নিজকে ফাঁকি দিব নোৱাৰে। কলেজৰ পৰা ওলাওতেই আম্লানক পালে।

ঃ নাৰ্জী, ফ্ৰি আছা নেকি?

ঃ কিবা কাম আছে?

ঃ কথা অলপ আছে। ক'ৰবাত বহি পাতিব লাগিব।

ঃ হ'ব বাৰু মই পেহীৰ ঘৰলৈ যাম। এতিয়াই ওলাই আহিম।

ঠাণ্ডা বতাহ বলিছে। দুয়োটাই জাহাজঘাটৰ ফালে আগবাঢ়ি গ'ল।

ঃ তুমি ইমান মন মাৰি আছা যে? কিবা ক'ম বুলি কৈছিলা নহয়?

ঃ কথাবোৰ কওঁ, বুলি ক'ব পৰা নাই। বৰ চিৰিয়াচ মেটাৰ।

ঃ বাহ! প্ৰেম– ট্ৰেমত পৰিছা নেকি? টেল মি, আফটাৰ অল আই য়্যাম ইয়'ৰ ফ্ৰেণ্ড।

ঃ তুমি সচায়ে ধৰিছা, মই এজনী ছোৱালীক ভাল পাওঁ।

ঃ অ' তাৰমানে কথা গহীন। (দুয়ো এঠাইত বহি পৰিল।) তাইক ক'লানে?

ঃ নাই কোৱা। নাজানো তাই কি উত্তৰ দিব। মই কেতিয়াও এই ক্ষেত্ৰত 'না' শুনিব নিবিচাৰো।

ঃ আৰে তুমি কৈ ছোৱাকচোন।

সি স্থিৰ দৃষ্টিৰে তাইৰ মুখলে চালে। তাইৰ অলপ অসহজ লাগিল।

ঃ নাৰ্জী মই তোমাক ভাল পাওঁ। তুমি? -তাৰ চকুলে ধীৰে,ধীৰে গধূলি নামি আহল। তাই চাব নোৱাৰিলে।

ঃ মই মই........

ঃ প্লিজ নাৰ্জী, তুমি নিজকে সুধি চোৱা। মনটোক ইমান চেপি কুঁচি নাৰাখিবা। - সি তাইৰ হাত খনত ধৰি ক'লে। তাই বাৰু তাৰ চকুৰ কজলাখিনিত ডুব গ'ল নেকি? আবেগত নাৰ্জীৰ দুচকু ভৰি উঠিল। পৰম আকুলতাৰে অল্মানে তাইক সাৱটি ধৰিলে। উস্ ভগৱান। এয়া মই ঠিক কৰিছোনে? এয়াই মোৰ বাস্তৱ নেকি? তাৰ মৰমৰ উমত নাৰ্জী হেৰাই গ'ল।

কিয় পৃথিৱীখন ইমান ধুনীয়া লাগিছে? জোনাকে তাইৰ গাতে কিয়-লুকা-ভাকু খেলিছে? পেহীয়েকৰ ঘৰৰ বেলকনিত বহি তাই সপোন দেখিছে এডৰা সূৰ্য্যমুখীৰ, এজাক পখিলাৰ। আজি তাইৰ কোনো কথাৰেই ভয় নাই। এয়া কাৰ মৰম, কাৰ সহাঁৰি?

সি তাইক কাইলৈ উত্তৰটো দিবলৈ কৈছে। এতিয়া জানো কিবা ক'বলে আছে? তথাপি তাই তিনি বজাত লাইব্ৰেৰীত থাকিব। তাত সি লগ ধৰিব।

ঃ উস ইমান দেৰি হ'ল।

নাৰ্জীয়ে লাইব্ৰেৰীত বহি উচ্‌পিচাই আছে। ঘড়ীৰ কাটাডাল আগুৱাই গৈছে। কিতাপতো তাইৰ মন বহা নাই। নাই, নাহিলেই সি বিষণ্ণ আৰু গধুৰ মনেৰে তাই উলটি আহিল। তাৰোতো কিবা দৰকাৰী কাম ওলাব পাৰে।

ৰাস্তাতে ৰক্তিমক পালে। সোধো-নোসোধো কৈ সুধিলে–

ঃ অম্লানদাক দেখিছিলা?

ঃ অ পিচিঅ'ৰ আড্ডাতে দেখি আহিছো। কিবা কাম আছিল?

ঃ লগ পাব লাগিছিল। কোনোমতে তাই ক'লে।

ঃ লগতো নাপাবা। পৰহিৰ পৰা পূজা বন্ধ। সি কাইলৈ ঘৰলে যাব।

একো নকৈ তাই খৰখোজে হোষ্টেললৈ গ'ল। তাইক বহুৱাই সি আড্ডা দি আছে। অথচ কাইলৈ সি যাবযে তাই গমেই নাপায়। খং আৰু অভিমানত তাইৰ বুকুখন ভাগি পৰিল। কালি সি কেনেকুৱা আছিল, আজি? তাই সচাঁকে তাক ভাল পায়নে? আৰু সি? অৱশ্যে অ'ত-ত'ত বহি প্ৰেমালাপ কৰি থকাতো তায়ো ভাল নাপায়। তথাপি প্ৰথমতেই ইমান নিৰ্লিপ্ত।

যি হ'ব দেখা যাব বুলি নাৰ্জী বন্ধত ঘৰলৈ গ'ল। মনত অলপ হ'লেও আশা পুহি ৰাখিছিল যোৱাৰ আগে-আগে তাইক মাত লগাব বুলি। নলগালে।

ঘৰত তালৈ খুবেই মনত পৰিল তাইৰ। সৰু সৰু কথাবোৰো যেন সাঁচি ৰাখিব। এদিন সি ফোন কৰিলে। তাইৰ বুকু ফাটি যেন ওলাই আহিব এজাক বুলবুলী, সিহঁতৰ হুলস্থুলত তাই নিজৰ মাতকে নুশুনিব। ইমানদিন যোগাযোগ নোহোৱাৰ কোনো কৈফিয়ৎ দিয়া নহ'ল সেইদিনা। মাত্ৰ ক'লে-

তুমি সোনকালে যাবা নহয়, ময়ো গৈ আছো। মনত পৰিছে তোমালৈ।

তাইৰ মনটো ভৰি পৰিল তাক লগ পোৱাৰ কল্পনাত।

............ ............ ...............

কাইলৈ তাক লগ পাব। কিবা কথা যেন আধৰুৱা হৈ ৰ'ল। কোনো কথাৰে সিদ্ধান্ত হোৱা নাই। সিহঁতৰ সম্পৰ্কটোৰনো নাম কি? কিন্তু তাৰ মৰমতেহে কিয় ডুব দিবলৈ মন যায়? তাকতো তাই কোনোদিনে প্ৰেমিকাৰ ৰূপত কল্পনা কৰা নাছিল। তাইৰ বুকুখন মোচৰ খাই উঠিল। চুলিৰ ফাঁকে ফাঁকে যেন সি হাত বুলাইছে!

প্ৰেম মানেই অন্তহীন প্ৰতীক্ষা। তাইৰ গোটেই পৃথিৱীখন সজাই তুলিছিল নাৰ্জীয়ে- আকাশ, বতাহ, হেঁপাহ; কিন্তু সি নাহিল। উপায় নাপায় হোষ্টেলত খবৰ ল'লে। ঘৰৰ পৰা অহাই নাই। এনেকুৱা যন্ত্ৰণা বাৰু কিয় দিয়ে সি ঃ নালাগে, আৰু কোনো ধৰণৰ সম্পৰ্ক ৰাখিব নোখোজে তাই।

এসপ্তাহ পাৰ হৈ গ'ল। মনে নামানিলে। তাই ফোন কৰিলে তালৈ। স্কুটাৰ এক্সিডেন্ট হৈছে অম্লানৰ! মাকে কোৱামতে দুদিন পিছতহে চলা-ফুৰা কৰিব পাৰিব।

কিয় হৈছে এনেকুৱা? বাস্তৱ আৰু তাইৰ মনৰ মাজত বিসংগতি। সি এক্সিডেন্ট হৈ পৰি আছে আৰু তাই খঙত জ্বলি আছে। ইমান স্বাৰ্থপৰ তাই কেতিয়াৰ পৰা হ'ল?

দুদিনমান পিছত তাক ফোনত পালে তাৰ মাত শুনাৰ লগে লগে তাইৰ নিজৰ ওপৰতে খং উঠিল। মনৰ কথাবোৰ কিয় ক'ব নোৱাৰে তাক। বিবশ হৈ তাই কান্দি দিলে আৰু সেই কাৰণেই সি গুছি আহিল। সেইটোৱেই অম্লান, তাইৰ মৰমৰ।

অম্লান কাষেদি পাৰ হৈ যায় কিন্তু তাইক নামাতে। তাই গানৰ প্ৰতিযোগিতা এটাত ফাৰ্ষ্ট হৈছে। আশা কৰিছিল সি কিবা এটা ক'ব। কিন্তু তাইক জ্বলাইহে আছে দেখোন। এ নেদৰে আঘাত দিয়াৰ কি দৰকাৰ আছিল তাৰ? কিবা এটাতো সিদ্ধান্ত ল'বই লাগিব।

ঃ কথা আছিল তোমাৰ লগত। কাষ চাপি গৈ তাই মাতিলে।

ঃ চোৱা নাৰ্জী এনেকে কলেজত কথা পাতিলে ভাল নেদেখি।

ঃ বন্ধুৰ লগত কথা পতাতো বেয়া নহয়। সেই বোৰ বাদ। তুমি মোক কোৱা সেইদিনাৰ কথাটো সঁচানে মিছা?

ঃ এইবোৰ কথা ভালকৈ মিটমাট কৰিব লাগিব। দুস্প্ৰামান পিছত লগ কৰিম।

ঃ মই ধৈৰ্য্য ধৰিব নোৱাৰো।

ঃ কিয় কাৰোবাক পচন্দ হৈছে নেকি? তোমাৰ কপাল লোৱা আৰু। — দুষ্ট হাঁহি এটা মাৰি সি ক'লে।

উস্ তাৰ এই হাঁহিটো! তাইৰ চব খং কপূৰ হৈ উৰি যায়। কিন্তু কিয় সি কথাবোৰ ইমান পিছ হোঁহকাই আছে। আৰু মিটমাট কৰাৰে বা কি বুজালে? তাৰ কোনোবা প্ৰেমিকা আছে নেকি? নাৰ্জী কি একমাত্ৰ তাৰ নিঃসংগতা দূৰ কৰাৰহে সংগী আছিল নেকি? কথাবোৰ মনলৈ অহাত তাই থৰ্ থৰকৈ কঁপিবলৈ ধৰিলে। জীৱনটো এটা অজগৰ হৈ গিলিবলৈ ধৰিছে। তাইৰ প্ৰাণপণ চেষ্টা বিফল হৈছে। হৃদয়ৰ যিটো অংশ তাই গোপনে ৰাখিছিল, আজি তাত বিদিশাই স্পৰ্শ কৰিলে।

ঃ ইমান দিনে তোৰ কাষতে আছো। তাই মোৰ পৰা কিবা লুকুৱাইছ?

ঃ ......... .......... .........

ঃ মই কৈছো এই জীৱনত বহুত দুখ পাবি, বৰ মৰম আকলুৱা যে। চাবি আক' বহুতে তোৰ ডিপ্ৰেছনৰ সুযোগ ল'ব।

কোনো কথা নুলুকালে নাৰ্জীয়ে। চব ক'লে।

ঃ তই ধৈৰ্য্য ধৰ। যদিও সেইটো সহজ নহয়। কিন্তু নিজকে ইমান দুৰ্বল নকৰিবি। যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'বলৈ সাজু হ।

বিদিশাৰ কথাত তাইৰ মনটো পাতল লাগিল।

দিনবোৰ একোটা প্ৰশ্ন হৈয়েই পাৰ হৈ গ'ল। প্ৰশ্ন তাইৰ জীৱনৰ, প্ৰেমৰ।

ঃ আজি তোক খুৱাম ব'ল। বিদিশাই নাৰ্জীক সাৱতি ক'লে।

ঃ কিয়?

ঃ মই আৰ্ট কম্পিটিচনত ফাৰ্ষ্ট হৈছো। - নাৰ্জীক কিবা কোৱাৰ সুবিধা নিদি চানফ্লাৱাৰলৈ টানি নিলে বিদিশাই।

আচুতীয়া এখন টেবুলত দুয়োজনী বহিল। বিদিশাই অৰ্ডাৰ দিলে। মিহি মিহি, কৈ বাজি আছে কুমাৰ চানুৰ কণ্ঠত-- ইচ্ তৰহা আশিকী কা— অচৰ চ'ৰ জাউংগা। অম্লানৰ প্ৰিয় গীত। চকুযোৰ পুৰিবলৈ ধৰিছে। তাৰ মাততো শুনা হ'লে। কালি বিদিশাই কৈছিল কান্দিব নোৱাৰাটো নাৰ্জীৰ বৰ বেয়া কথা।

ঃ তই কান্দ চকুপানীত চব উটাই দে।

ঃ নামটোৰ নিচিনা ধুনীয়া দেই। একেবাৰে ফুল, নাৰ্জী

ঃ কিন্তু ফুলৰ মৌ ভোমোৰাই খালে। ঠাইতে তাইৰ নামটো শুনি চক খাই গ'ল নাৰ্জী। পিছৰ মাতটোতো অম্লানৰ। কি কৈছে সিহঁতে — ফুল, ভোমোৰা? লগৰটো সম্ভৱ দিগন্ত। তাই সতৰ্ক হৈ ৰ'ল। বিদিশাৰো চামুচ থমকি ৰ'ল। মাজত পাৰ্টিচন থাকিলেও স্পষ্টকৈ শুনা পালে সিহঁতৰ কথা।

ঃ তই তাৰমানে জিকি গলি।

ঃ জিকি গ'লো। কৈছিল নহয় অৰ্ণৱে তাইক হাত কৰাটো অসম্ভৱ। দেখিলি, হাত কৰিলোতো একেবাৰে......... অৰ্থপূৰ্ণভাৱে সি হাঁহি দিলে।

ঃ কিন্তু তাই যদি চিৰিয়াচ?

ঃ হ'বতো। বেছি ইম'চনেলতো। মই জানো তাইক পাট্টা দিয়া দেখিছ?

ঃ তাইৰ অপকাৰো হ'ব পাৰে।

ঃ হ'লে কি? হো কেয়াৰচ ফৰ দেট? আজি-কালি এনেকুৱা চিৰিয়াচ কোন হয় বে? মাত্ৰ পংখীয়ে নাজানিলেই হয়।

ঃ চাল্লা ৰাস্কেল, মই তোক নেৰিছো। বিদিশা উঠি গ'লেই।

ঃ নালাগে। নাৰ্জীয়ে থিৰ হৈ ক'লে।

ঃ তই তই কি ক'ব খুজিছ?

কাউন্টাৰত পইচা দি নাৰ্জী ওলাই গ'ল। পিছে পিছে বিদিশা দৌৰি যোৱাদি গ'ল।

ঃ নাৰ্জী তই ইমান মনে মনে আছ কিয়? মই তাক ঠিক লাজ দিম। পংখীক সব কৈ দিম। তই মাত্ৰ ঠিকে থাক। বহুত ভাল ল'ৰা পাবি তই, সি জ্বলি মৰিব। তই শুনিছনে? ক'তগৈ আছ তই?

নাৰ্জী জাহাজঘাটৰ ফালে গ'ল। এঠাইত ৰ'ল, গছ এজোপাৰ তলত।

ঃ বহ।

বিদিশা ঘামি গৈছে। নাৰ্জীৰ মনৰ ভাববোৰ পঢ়িব পৰা নাইচোন।

ঃ ইয়াতে বহিছিলো তাৰ স'তে। — দুয়োজনী মনে মনে আছে। বিদিশাক ভয়ে গিলি পেলাইছে। সিহঁত বহাৰ পৰা ব্ৰহ্মপুত্ৰখন কিমান তলত তাই চাই আছে।

ঃ মোৰ কণমানি পৃথিৱীখন শেষ হৈ গ'ল অ' বিদিশা। অস্তিমিত বেলিটোলৈ চাই তাই গৈ গ'ল। মইতো একো বিচৰা নাছিলো, অলপমান মাত্ৰ মৰম বিচাৰিছিলো। কোনোদিন সাহস কৰা নাছিলো কাৰোবাক যে ভাল পাম। মই মোৰ সপোনৰ জগততে ঠিকে আছিলো। কিন্তু ...... কিন্তু তাক ভাল পাই গ'লো। তাইৰ মাততো থোকাথোকি হৈ আহিল। এনেকৈ ভুল কৰিম বুলি ভবা নাছিলো। মই কিয় ইমান অনুভূতি প্ৰৱন, যিখন পৃথিৱীত সহানুভূতি নাই তাত মই কিয় এসাগৰ ভালপোৱা বিচাৰি ফুৰো? বাস্তৱ যদি ইমানেই দুমুখীয়া, তেন্তে মই চকু মেলিব নোখোজো। অন্ততঃ মনটো মোৰ কল্পনাতে ডুবি থাকক।

— হুকহুকাই কান্দি উঠিল নাৰ্জীয়ে।

বিদিশাই শান্তনা দিয়াৰ প্ৰয়োজন নেদেখিলে। কান্দক আজি তাই কান্দি উটাই দিয়ক চব নোপোৱাৰ বেদনা। মৰম ভালপোৱা বিহীন জগতত নাৰ্জীৰ দৰে কোমল হৃদয়ৰ স্থান নাই। ভালপোৱাৰ সুবাসেৰে ভৰিব নালাগে তাইৰ বুকু। নহলে বাৰে বাৰে বিশ্বাস হেৰাব হৃদয়ৰ স্থিতিত। কিন্তু ভালপোৱাৰ যান্ত্ৰণাত বিক্ষত বিবৰ্ণ হৈয়ো কিয় মন যায় বাৰু ৰক্তাক্ত হ'বলৈ ???

*(গল্পকাৰ স্নাতক প্ৰথম বৰ্ষ ইংৰাজী বিভাগৰ ছাত্ৰী)*



# গুৱাহাটী

— লুটফা হানুম ছেলিমা বেগম
প্ৰৱক্তা, অসমীয়া বিভাগ

বাৰে-বাৰে আহিছোঁ তোমাৰ কাষলৈ
হৈছোঁহি আলহী, কটাইছোঁ ৰাতি

গুৱাহাটী

জীৰ্ণ বাকলি পিন্ধা তোমাৰ পাহাৰবোৰ চাবলৈ
ব্ৰহ্মপুত্ৰৰ বুকুৰ নাওবোৰে, ফেৰীবোৰে
'পলিথিন'ত ভৰাই নিয়া
ফাঁচীবজাৰৰ 'ফুটপাথ'বোৰ চাবলৈ
মই আহিছোঁ আৰু গৈছোঁ গুচি

গুৱাহাটী ভাবি চোৱাচোন
মোৰ দৰেই যদি কেতিয়াবা গুচি যায়
তোমাৰ সুউচ্চ ফ্লেটবোৰৰ পৰা সকলো
ৱাচিং-মেচিন, মিক্সি, একুৱাগাৰ্ড, ৰিফ্ৰিজাৰেটৰ
ৰঙীন টি. ভি, ভি. চি. পি, এয়াৰ কুলাৰ আৰু ভেকুৱাম ক্লিনাৰ
গাতে গা লগাই হাতত হাত ধৰি যদি
ষ্ট'ৰৱেলৰ দৰ্জা খুলি ওলাই যায়
ষ্ট'নৱাচ, চামাৰ লাইন, পিঅ'ৰ চিহ্ন, কত্ৰা চিহ্ন
শ্ব'কেচৰ পৰা যদি সোঁ শৰীৰে
ওলাই গুচি যায় ডিনাৰ চেট্, টি চেট্, স্পুন চেট্
যিবোৰ তোমাৰ সন্তানৰ অমল সম্পদ
তোমাৰ সপোনৰ গেৰেজৰ পৰা যদি যায়গৈ
চিয়ানা, ইণ্ডিকা, মাটিজ আৰু মাৰুতি এইট্ হানড্ৰেড
সচাঁকৈয়ে যিবোৰে উখল-মাখল লগাই থাকে
তোমাৰ বিশাল স্বপ্ন-মানস

তুমি কি কৰিবা গুৱাহাটী
যাবই যে সকলো গুচি

তুমি যে হৈ পৰিছা বুৰঞ্জীৰ সমান আওপুৰণি

মৃত্যুৰ দৰে তুমি মাথোন এটি বগা কাহিনী

গুৱাহাটী গুৱাহাটী
তথাপি তোমাক এৰি থৈ নাযায়
তোমাৰ বুকুৰ নিঃকিন নৰ্দমাবোৰে নৰ্দমাৰ পোকবোৰে
তলি উদং ডাষ্টবিনবোৰে ডাষ্টবিনৰ পলিথিনবোৰে
গহীন গম্ভীৰ গুমটিৰে তলৰ তামোলৰ বাকলিবোৰে
মলিন মুখেৰে আকাশলৈ চাই থকা মেনহ'লবোৰে
তোমাৰ উদাৰ বক্ষ এৰি কেতিয়াও নাযায় গুচি
চিটিবাছৰ পকেটমাৰ, চিনেমা হলৰ ব্লেকাৰ
বিউটি পাৰ্লাৰত পৰি থকা চুলিবোৰ, চেলাউৰিবোৰ
কোনেও নেদেখা এ. কে. ফৰ্টিচেভেনবোৰ



নিজে কোনো নিয়ম নামানি ৰাস্তাৰ মাজতে
থিয় হৈ থকা ন' এনট্ৰিবোৰ
আন্ধাৰত নিজৰ চিনাকি দিবলৈ বেয়া নোপোৱা বেশ্যাবোৰ
ৰেলৰ আলিৰ কাষত বগী টিনৰ চালেৰে সজা জুপুৰীবোৰ

সেয়ে গুৱাহাটী
মোৰ নামটো তোমাৰ নামটোৰ পৰা
সৰি পৰিব যিদিনা মই আহিম
চাবাচোন সেইদিনা
নৱগ্ৰহ আৰু ভূতনাথে হাতত ধৰাধৰিকৈ
ওলাই-সোমাই ফুৰিব তোমাৰ মাজেৰে
তোমাকেই কৈ গলোঁ এই কথা

# এটা আড্ডাৰ জীৱন

*— দুলাল শইকীয়া*
*স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ*

আহা আৰম্ভ কৰো এটা আড্ডা
যি গতি কৰিব বিষয়ৰ পৰা বিষয়ান্তৰলৈ .......

আমাৰ আড্ডাৰ বিষয় হ'ব পাৰে
পাণবজাৰ, গনেশগুৰি
উজানবজাৰ, জালুকবাৰী
অথবা হ'ব পাৰে
তন্দ্ৰালসা গাভৰুৰ চকুৰ বিজুলী
ষোড়শীৰ ফুল কোমল হাঁহি
আমাৰ আড্ডাত স্থান পাব পাৰে
কটন কলেজ ...
নাইবা
ইউনিভাৰচিটিৰ নিয়ন্ত্ৰণহীন অনেক বা-মাৰলি

আমাৰ আড্ডাৰ বিষয় হ'ব পাৰে
প্ৰেম -অপ্ৰেম - স্বপ্ন-বিষাদ
ৰোমান্টিক প্ৰেম হ'ব মধ্যবিন্দু
আমাৰ আড্ডাই নিমন্ত্ৰণ কৰি আনিব
কিশোৰী, প্ৰৌঢ়া ৰমনী
অথবা
অনেক নৱ-বুধ

আমাৰ আড্ডাই গতি কৰিব বিষয়ৰ পৰা বিষয়ান্তৰলৈ......
আমাৰ আড্ডাত থাকিব
শ্ৰীকৃষ্ণৰ ৰাসলীলা
শঙ্কৰ-মাধৱৰ কীৰ্ত্তন নামঘোষা
আৰু থাকিব
শুৱনি গাঁৱৰ উদং পথাৰ
তথা
পুষ্টিহীনা শিশুৰ নিৰৱ ক্ষুধা
আমাৰ আড্ডাই আকৌ গতি সলাব পাৰে.....

এইবাৰ আহিব পাৰে
পাহোৱাল ডেকাৰ তেজাল উন্মাদনাৰ কথা
নাৰীও হ'ব পাৰে গোলাপ, কনকচম্পা
নাইবা ৰজনীগন্ধা
কিন্তু নহয় কেতিয়াও
তল্সৰা শেৱালী অথবা উপেক্ষিতা মদাৰ
পৰিশেষত, আমাৰ আড্ডাত উত্থাপন হ'ব পাৰে
ফাগুনৰ পছোৱা, বসন্তৰ বতৰা
আৰু
বহাগৰ প্ৰথমটো দিনৰ হৃদয়ভৰা শুভকামনা

আহা, আমি আৰম্ভ কৰো এই আড্ডা
যাক ক'ব নোৱাৰিম আৰম্ভ হৈছিল ক'ত
আৰু শেষ হ'ব কেতিয়া..........



# "কটনিয়ান"

*— ডিম্পল কুমাৰ চহৰীয়া*
*স্নাতকোত্তৰ ২য় বৰ্ষ*

কোনে জানো (মোক)
তোমাৰ বুকুৰ গোন্ধ ল'বলৈ শিকাইছিল
আৰু অকণমান উম
তোমাৰ কাবত হেনো চিৰযুগমীয়া
মা-হালধিৰ গোন্ধ!
তোমাৰ স'তে প্ৰথম যেতিয়া
নাহৰ গুটিৰ পোহৰত বহিছিলো
তুমি হঁহা হাঁহিটো
আৰু তোমাৰ গাৰ যে সেই সুবাস
ন-কইনাৰ, ন-গাভৰুৰ......

সেইদিনাই মই তোমাৰ প্ৰেমত পৰিছিলো।
তুমি হেনো তৰা ফুলৰ মন্ত্ৰ শিকাব পাৰা
জোনাকৰ স'তে প্ৰেমালাপ
নৈৰ ওঁঠত যাচিবলৈ চুমা আৰু
আকাশৰ দৰে উদাৰ গোপনীয়তা
হিয়াৰ পথাৰত আশাৰ আঘোন সিঁচি
কলমৰ জোঙেৰে লগাব পাৰা সোণগুটি!
নিস্তব্ধতাবোৰ (তুমি) বাঙ্ময় কৰিব পাৰা
নীলা চৰাইৰ গীতটো
তুমি যে প্ৰায়ে গুণগুণাই থাকা
তোমাৰ নামটোও ধুনীয়া - 'কটনিয়ান'
হিয়াৰ পথাৰত আশাৰ আঘোণ সিচাঁ
সেউজীয়াত জোনাকৰ তামীঘৰা
কলমৰ জোঙেৰে সোণগুটি লগোৱা
মোৰ সমষ্ট আন্তৰিকতা- তোমালৈ!

# এজাক প্ৰেমৰ বৰষুণত তিতাৰ সাধুকথা

— *প্ৰদীপ কুমাৰ নায়ক*
*স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ*



তুমি আহিছিলা
তেজৰ নাৱেৰে উজাই
বুকুত সপোন জিক্ মিকি
চকুত জেনাক চিক্ মিক্
এতিয়া চ'তৰ বা বলিছে
তুমি যাবাগৈ
প্ৰেমৰ জোনাক নিবিড় বাটে বাটে।
আমোলমোল এই মাটিৰ গোন্ধ
য'ত তুমি গছ হৈ গজিলা
ধান হৈ পকিলা
স্মৃতিৰ মেৰঘৰত গুণগুণাই যাব সোঁৱৰণী পখীৰ জাক
তুমি যে আহিছিলা
তোমাৰ কুশলৰ বাবে তুমি কি কৰিলা
অথবা কি কৰিব নোৱাৰিলা তুমি
হিচাববোৰ তুমিয়েই কৰিবা
নীৰৱতাৰ চোতালত বহি বহি।
তোমাৰ বাবে তুমি যি বাট কাটিলা অতদিনে
সেই বাটেৰে তোমাৰ লাহৰী খোজ....
এটা সপোনৰ বাট ধৰি তোমাৰ যাত্ৰাৰ আদিপাঠ
তুমি কি সুৰীয়া সপোন আঁকিছিলা বহাগত
সেউজীয়া গছ হোৱাৰ
সোণোৱালী শইচ হোৱাৰ
নে নৈ হোৱাৰ
ইয়ালৈ আহিলে হেনো প্ৰতিজনে
শব্দৰ প্ৰেমত পৰে
আৰু হৃদয় উজাৰি বজাই বাঁহী
নদী, নগৰ, হৃদয় সাগৰত হেৰাই সুৰৰ তটিনী
জনাইতো
এতিয়া আবেলিৰ ৰ'দ কাচলিৰ
ৰিম্ ঝিম্ কবিতাৰ একান্ত অনুভৱ
তোমাৰ হৃদয়ত বাজি থাকক
মোৰ অমল প্ৰেম
অ' মোৰ অমল প্ৰেম।



# দীঘলীপাৰৰ এটি সন্ধ্যা

-- *শ্যামল মিত্ৰ বৰুৱা*
*স্নাতক ২য় বৰ্ষ*

নিঃশব্দে
আকাশে পাইছিল বৰষুণৰ গান
পানীৰ নীলাৰ সিপাৰে
ডুব দিছিল চিত্ৰা নক্ষত্ৰৰ এটি মাতাল সন্ধ্যা

সোঁৱৰণীৰ ফটিকা পি
সন্ধ্যা ৰাগত বিভোৰ হৈছিল জিলিবোৰ

আঁচলৰ আঁৰে আঁৰে
জেতুলীপকাৰদৰে গোন্ধাইছিল
প্ৰথম প্ৰেমৰ আলাপ
আৰু
গুণ গুণ ফুটুকী হাঁহি
ডেউকাভগা বতাহজাকে
খুটিয়াই খুটিয়াই চাইছিল
মোৰ হৃদয়
কলিজা
আৰু মোৰ নীলা কামিজ
(যেন বিচাৰিছিল মোৰ প্ৰেয়সীৰ ঠিকনা)
দীঘলীপাৰৰ এটি বৃষ্টিমুখৰ সন্ধ্যাত
বতাহে পিন্ধিছিল খৰিকাজাঁইৰ গোন্ধ........

# তোমাৰ ছিঙা চুলি

— কমল কুমাৰ মেধি
*স্নাতক ৩য় বৰ্ষ*

খৰধৰকৈ উভতি যাওতে
তুমি বুটলিবলৈ পাহৰিলা
মোৰ বিচনাত লাগি থকা
তোমাৰ এডাল চুলি

গোটেই কোঠাটো মোৰ চট্ফটাই উঠিছে
গুণ গুণাই উঠিছে যেন কোনোবাই

সেই পুৰণি কোমল গান
আস্ কিমান গোপন অথচ মৰ্মান্তিক
মোৰ বিচনাত লাগি আছে তোমাৰ এডাল চুলি
তোমাৰ স্মৃতিৰ দৰে গভীৰ আৰু বেদনাময়
তোমাৰ চুলি

মই চুব পৰা নাই
মোৰ দৃষ্টিৰ উত্তাপত তিতিছে বাৰে বাৰে
তথাপি তুলি ধৰিব পৰা নাই
ইমান কৰুণ তোমাৰ চুলি

মই স্পৰ্শ কৰিছিলো নেকি আগেয়েও
মোৰ আবেগৰ আঙুলিৰে জী উঠিছিল নেকি আগেয়েও
গান এটা শুনাওতে তোমাক
তাৰ সতৃষ্ণ শৰীৰ

তোমাৰ মায়াময় চুলিৰ অৰণ্যত হাত বুলাওতে
সি অভিমানত খহি পৰিছিল নেকি
খৰধৰকৈ উভতি যাওঁতে তুমি যাক বুটলিবলৈ পাহৰিলা

মোৰ কম্পিত হাতেৰে এতিয়া
মই তাক তুলি ধৰিব পৰা নাই
তোমালৈ মনত পৰাৰ আগেয়ে পুনৰবাৰ
সি মেৰিয়াই ধৰিব খুজিছে মোক
মই ক'ত লুকুৱাই থ'ম তাক.....



# আত্মিক

— *মৌচুমী কাকতি*
*স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ*

" প্ৰেমৰ দিনৰ পৰাই"
মই পুহি ৰাখিছোঁ কাংখিত শব্দ
কবিতাৰ সেউজীয়া পথাৰত
সিচিছোঁ প্ৰেমৰ বীজ......

তোমাৰ কবিতাৰ সুৰত
কুৰুকি কুৰুকি সোমাই পৰিছোঁ
মই আজন্ম প্ৰেমিকা
তোমাৰ ...... কবিতাৰ

কোন বাটেৰে পোৱা যাব জোনাক
মোক?
তুমি য'তেই বিচাৰা
ঠেক ফুটপাথৰ পৰা কেথেৰিণৰ চৰিত্ৰটো

বিনিময় মৰম!

# মৈদাম

— *অনন্ত চহৰীয়া*
*স্নাতক ২য় বৰ্ষ*

চৰাইদেউ, চৰাইদেউ
জৰজৰকৈ খহি পৰে সভ্যতা
এটি নিৰ্মিলা অংকৰ কাৰণেইতো।

স্বৰ্গদেউ, স্বৰ্গদেউ!
ৰাতি কিমান হ'ল?
চৰাইদেউৰ মাজেৰে কোন যায় সেইটো
অ' এটি সৰু প্ৰাণ, নহয়
দুটি সৰু প্ৰাণ

সৰু মানুহ ৰাজ্যখনত বহুত আছিল
(স্বৰ্গদেউৰ ৰখীয়া!)
স্বৰ্গদেউক মৈদামত কোনে ৰখিব!

গহণা গাঁথৰি!
গহণা গাঁথৰি আৰু যে লিগিৰী
মৈদাম, মৈদাম!
স্বৰ্গদেউৰ মৈদাম

নিৰন্ন, নিৰন্ন
শীতৰ ৰাতি
স্বৰ্গদেউৰ মৈদামত কোনে বিনাই আজি!

# ভাবিছিলোঁ তুমি মোৰ বাবে....

— *বিদ্যুৎ বৰুণ শৰ্মা*
*স্নাতক ২য় বৰ্ষ*

মই ভাবিছিলোঁ তুমি মোৰ বাবে সকলো হ'বা
প্ৰয়োজনত আকাশ অথবা বৰষুণ ন-বাৰিষাৰ,
তুমি হ'বা কেঁকোজেঁকোকৈ কঢ়িওৱা/দুখীয়া কৃষকৰ
বুকুৰ সাঁচতীয়া হেঁপাহ / মেটমৰা ডাঙৰি সোণালী ধানৰ।
জিল্‌মিল্ জিল্‌মিল্ শাৰদী আকাশ,
পূৰ্ণিমাৰ ফৰিংফুটা জোনাক,
নীলিম আকাশৰ শুকুলা ডাৱৰ আৰু
আবেলিৰ আকাশৰ প্ৰেমিক ৰামধেনু হ'বা তুমি
যাক চাই চাই বিনাব নঙলামুখত মোৰ আজলী সীতাই।
ভাবিছিলো হ'বা তুমি মোৰ শীৰ্ণদুহাতৰ দুথোপা ৰক্তজবা,
মোৰ শীতাৰ্ত হৃদয়ত উমাল পৰশ
শীতৰ সেমেকা নিশাৰ মধুৰ উত্তাপ / শেঁতা শেতেলীৰ কাষতে হ'বা
হ'বা একুৰা জুই
ভাবিছিলোঁ তুমি মোৰ বাবে হ'বা
গান, কবিতা আৰু 'তুমি',
নঠঙা মোৰ প্ৰেমৰ গছ-লতিকাত
ভাবিছিলোঁ হ'বা তুমি কুমলীয়া সেউজী পাত
বসন্তৰ আগমনী উছ্বত
কুলিৰ শুৱলা গীত আৰু ময়ূৰীৰ লয়লাস নাচ,
তুমি হ'বা
এন্ধাৰ মোৰ প্ৰেমৰ পঁজাটিৰ এগছি প্ৰদীপ
মোৰ বাবে একোৱে নহ'লা তুমি
মইনো আছিলো কি এনে প্ৰেমিক চৰাই
যাৰ হৃদয় একোৰেই নুজুৰায়?



# দীঘলী পুখুৰী

— *ধ্ৰুৱজ্যোতি তালুকদাৰ*
*প্ৰাণী বিজ্ঞান বিভাগ*

তাইৰ মিচিক-মাচাক উৰ্ণাৰ জোনাকখিনিৰ দৰেই
ভৰুণ তই
মন্দিৰত হাউলি পৰা প্ৰাৰ্থনা এটাৰ দৰে সি উদাস
নম্ৰ আৰু কাতৰ........

নিতৌ সন্ধ্যা মহানগৰীৰ সমস্ত শোক উবুৰি খাই পৰে
তোৰ মৌন বুকুত শীতলতাৰ অন্ধকাৰত
শব্দ আৰু উচুপনিৰ দীঘলীয়া উকি এটাত আক্ৰান্ত হয়
তোৰ তেজে ঘামে তুমৰলি হৃদয়...

সৌৱা চেনেহ শুভকামণা অথবা কৃতজ্ঞতাৰ উজানত
ওফৰি পৰা কটন-হেণ্ডিকৰ অস্থিৰ উত্তাল আবেলি
প্ৰেমৰ সুমথিৰা বৰণেৰে ৰঙা-চিঙা গধূলি
লাজত খহিব খোজা সেউজীয়া আকাশ স্বপ্নৰ বাগিছা

আমাৰ হিয়াৰ শোকাতুৰ অলেখ উষ্ণবাৰ্তাৰ দৰে
বুকুত লৈ থাক তই তোৰ নিজম কোমল প্ৰত্যাশা
সাগৰ চাবলৈ ডিঙি মেলি ৰৈ থাকে ডিষ্ট্ৰিক্ট লাইব্ৰেৰী
অথবা হাইকৰ্টৰ কুঁহুমীয়া গুঞ্জন তোৰ কাষতেই

আহ, তোৰ স'তে বিনিময় কৰো ভালপোৱাৰ হৃদয়
হেৰুৱাই থৈ আমাৰ প্ৰিয় ঠিকনা
নিৰ্জনতাৰ দোকমোকালি বাগিছাত বিসৰ্জন কৰো
আমাৰ ক্লান্তিময় দিনৰ অঘৰী কবিতা।

# অতীত

— *অবিনাশ বৰা*
*উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান)*



হৃদয়ৰ উকা কাগজত
লিখিব খুজিছিলো তোমাৰ নাম।
কিন্তু................
ক'ৰবাত যেন ভুল
হয়তো মোৰেই;
এতিয়া মাথো উজাগৰী ৰাতি

# নিজৰ বিষয়ে

*— নিপন চন্দ্ৰ দাস*
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ।*

ঠিক যেন এখিলা শুকান সৰাপাত
তোমাৰ চকুলোৰে সেমেকি উঠা হাতৰ ৰুমাল....
আৰু মৰুৰ দৰে এখন শুকান পথাৰ.....

চন্দ্ৰৰ দৰেও হৃদয় মোৰ স্নিগ্ধ কোমল
...... শূণ্যতাৰ দৰেই জানিবা মই অসীম
চিয়াহীৰ দৰেও মোক বাকি ল'ব পৰা
কেতিয়াবা টোকা বহীত, কেতিয়াবা হৃদয়ত....

আৰু মোৰ ভুল অথবা ত্ৰুটি,
সৰু বুলি ভাবিয়ে মোক ক্ষমা কৰি দিবা
আৰু তোমাৰ হৃদয়ৰ মাজতে
ঠাই উলিয়াই দিবা
আলফুলে সজাবা পৰিবা, তোমাৰ লাহী আঙুলিৰে
পাৰা যদি মোক তুমি তাতেই ৰাখিবা...

আৰু যদি মোক বিচৰা......
সুধিব পাৰা পূৰ্ণিমাৰ জোনটোক, লুইতৰ বুকুক,
নতুবা উদং পথাৰবোৰক
কিয়নো মই যে এই মাটিৰেই মানুহ

(দৰাচলতে বন্ধুসকল আমিনো লগ হ'ম কেইদিন-জীৱনটোওটো বৰ চুটি!)

জীৱনটোৰেই বা কি একোৱে নহয় বোধহয়
মম আৰু চিগাৰেটৰ দৰে জ্বলি শেষ হৈ যোৱা নিৰ্বিড় অথচ পোখা মেলিব বিচৰা অনুভূতি.....।

# আশা

*—জ্যোতি প্ৰকাশ দাস*
*স্নাতক ১ম বৰ্ষ*

তুমি আহিবা!
তোমাৰ দুখোজ
মোৰ অন্তহীন প্ৰতীক্ষা
..............

যোৱাৰাতি জোনাক সৰিছিল।
বাৰিষাৰ ঢল নামিছিল.....
মোৰ সেউজীয়া বুকুত
নদীবোৰ ভৰি, পৰিছিল
পাৰবোৰ হালধীয়া হৈছিল।
মোৰ বুকু সেউজীয়া হৈয়েই আছিল
তুমি আহিবা!
আশাবোৰ লাহে লাহে ডাৱৰ হৈছিল।
ডাৱৰবোৰ লাহে লাহে নামি পৰিছিল।
মোৰ চকুৰ পৰা বুকুলৈ
বৰষুণ হৈছিল।
তুমি নাহিলা।



# কবিতা

*— জ্যোতি প্ৰকাশ মেধি*
*উঃ মাঃ প্ৰথম বৰ্ষ,*

পূৰ্ণিমাৰ দৰেই
হৃদয়ত আকোঁ,
উজ্বল নক্ষত্ৰ।।
সময়ৰ বালিত
পাহে পাহে ফুলিব,
নীলা আকাশৰ
সেউজীয়া হাঁহি।

# বতৰ

— *দিব্যজ্যোতি বৰা*
*উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ।*

মোৰ বতৰত
বৰষুণ আহিল আৰু
তিতিলা তুমি
কাঠফুলাৰ চপৰাবোৰে চপৰা চপৰে খহাই নিলে
কেচুঁৰ গোন্ধ পথাৰত শামুক।
ইমান শূণ্যতা
আৰু
সহ্য কৰিব নোৱাৰো
শুনিব নোৱাৰো নিৰৱতা
মই
ইয়াতে আছোঁ
তেওঁ
ইয়াত নাই
যেন এটা পকা সৰা পাত সোঁতত ভহা
কিন্তু সি সোঁতৰ অংশ নহয়
শব্দই ভিৰ কৰেহি মনৰ চন্দুকত পলৰীয়া সৈন্যৰ দৰে
আকাশৰ সেডুছা মুখ অসীম শব্দ সমুদ্ৰৰ সেই তীৰত
তাতে গজো উশাহ লওঁ অনুভৱ কৰো চেতনাৰ আলৌকিক জাগৰণ
আৰু বোবা বৈ ৰওঁ যি দুঃসহ সুখ থাকিও তেনে হোৱাত
ভালপোৱাত বিৰহ সুখত দুখ সংগমত বিৰতি
সি জীৱনক যন্ত্ৰণা দিয়ে অসমৰ্থতাৰ যন্ত্ৰণা।
মোৰ বতৰ এতিয়া
বৰষুণৰ বতৰ
আৰু তিতিল তোমাৰ শৰীৰ!





# উপলব্ধিৰ অন্য সংজ্ঞা

— *অসীম বৰঠাকুৰ*
*স্নাতক ১ম বৰ্ষ, বিজ্ঞান*

জীৱন মানেতো জীৱন নহয়
তৃষ্ণাতুৰ হৃদয়ৰ মৰিচীকা
মাত্ৰা বিহীন স্পৰ্শত
পিছলি যাব খোজা
এটা পপীয়া তৰা

আশা মানেতো আশা নহয়
হেৰাই যোৱা সপোনৰ
এটা সোণোৱালী হৰিণ
ৰঙা-নীলা আভাসেৰে প্ৰতীয়মান
শূন্য আকাশ

প্ৰেম মানেতো প্ৰেম নহয়
নীলাচলত হেৰোৱা এটা
পগলা ঘোঁৰা
আহত ডেউকাৰে
বেদনাৰ এক চিৎকাৰ।

# সপোন

– *আকাশবন্তি গগৈ*
*স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ*

"সপোন এটাই আত্মহত্যা কৰিলে কালি
ৰেলৰ আগত পৰি"

বাতৰি কাকতত খবৰটো পঢ়ি
ঘটনাস্থলী ওলালোঁগৈ
ৰেলৰ আলিৰ দুয়োপাৰে বৈ গৈছে
দুখন ৰঙচুৱা নৈ
তেজ-বোকাত লুতৰি-পুতুৰি হৈ
ওপঙি আছে দুটি তৰা
নিহত সপোন
ইতিমধ্যেই হাস্পাতালত
পষ্টমৰ্টেমৰ বাবে

নৈ দুখনে বিচাৰিছে নেকি বাৰু
নজনা ৰেলখনৰ ঠিকনা
আলিৰ প্ৰতিটো শিল আৰু
প্ৰতিজোপা গছ-বনক সুধিলো
ৰেলখনৰ কথা
নাম
ধাম
যাত্ৰীৰ সংখ্যা
ক'ৰপৰা আহিছিল
গৈ আছিল ক'লৈ

পুলিচ ষ্টেচনতো সুধিলো

হাস্পাতালতো খবৰ কৰিলো
আত্মঘাতী সপোনৰ
ডাক্টৰে ক'লে
হাত-ভৰি ঠিকেই আছে
মূৰটো ছিগা গৈছে
দেহৰ পৰা
চকুদুটাও একেই আছে
মাথো
কলিজাটো হেৰাইছে

হয়তো নাছিল
হয়তো এৰি আহিছে কৰবাত

ডাক্টৰে আৰু ক'লে
আত্মীয় স্বজনৰ প্ৰয়োজন হ'ব

এখুজি দুখুজিকৈ
সপোনটোৰ ওচৰলৈ গ'লো



কাপোৰৰ তলত শুই আছে
উচ্চাকাংক্ষী আত্মঘাটী সপোন

বগা কাপোৰখন দাঙি দিলোঁ

চক্ খাই উঠিলো মই
চকু দুটা মুদি দিলো
বুকুত হাত দি চালো
সকলো ঠিকেই আছে

ৰঙা নৈ দুখনৰ কথা মনত পৰিছিল
তীব্ৰ হৈছিল মোৰ স্পন্দন
ভৰি দুখনে হেৰুৱাইছিল থিয় হোৱাৰ শক্তি
আৰু
আবিষ্কাৰ কৰিলো মই
বগা কাপোৰখনৰ তলতচোন শুই আছে
মোৰেই হেৰোৱা সপোনটো
মনত পৰিছিল,
সকলোৰেই ঠিকেই কৈছিল,
ৰেলখনৰ নাম আছিল 'সময়'
আৰু ঘটনাস্থলীৰ নাম 'হৃদয়'।

# পোহৰ বিচাৰি

– *অনুপম বৈশ্য*
*উঃ মাঃ প্ৰথম বৰ্ষ (কলা)*

নৈখন গাভৰু হোৱাৰ লগে লগেই
স্মৃতিবোৰে মোক কাণে কাণে কৈ যায়
পেট শুকাবৰ সন্ধিক্ষণ সমাগত

পাগলাদিয়াৰ ভালপোৱাই দি যায়
চন্দ্ৰৰ মৃত্যুৰ খবৰ
মৌন বতাহ মৌন আকাশ
বহুদিনীয়া ভাগৰত শুই পৰে পোহৰবোৰ
তাৰ পিছতেই অশ্ৰুসিক্ত বৃষ্টিপাত
অন্ধকাৰে ঘেৰি ধৰে দিগবলয়ক
কিন্তু তথাপিও চাই ৰওঁ নৈখন গাভৰু হোৱা
ভৰাঁলৰ এচুকত কলিজাটো লুকুৱাই থওঁ
এধানমানি পোহৰৰ আশাত।

# চিনাকি

*— ভবেশ ডেকা*
*স্নাতকোত্তৰ প্ৰথম বৰ্ষ, বুৰঞ্জী বিভাগ*

কেৰ্কুঁৰীটো ঘূৰিলেই
তোমাক পাম য'ত থাকিব,
তিনিটা তৰা,
দুটা নিস্প্ৰভ আনটো,
ক্ৰমে অণুজ্জ্বল
সিহঁত কক্ষচ্যুত যদিও
তুম ইচ্ছা কৰিলে
কক্ষ পথত থব পাৰা

কেৰ্কুঁৰীটো ঘূৰিলেই
তোমাক পাম য'ত থাকিব
মোৰ নামত তিনিটা শেলুৰৈ
সিহঁত জীৱিত নে মৃত
তুমি বিচাৰি উলিয়াব নোৱাৰিবা
কাৰণ
সিহঁতে নিজেই নাজানে
জীৱিত নে মৃত

কেৰ্কুঁৰীটো ঘূৰিলেই
তোমাক পাম য'ত থাকিব,
তিনিটা বুলেট,
নিঃশব্দ আগ্নেয়গিৰি হৈ
কছুৱা ডবাৰ মাজতে লুকাই
তুমি কাষেৰে গলেও
মনে মনে থাকিব,
(আচলতে সিহঁতে আন কাৰোবাকহে বিচাৰিছে)



# প্ৰশ্ন নকৰিবি

*— ৰত্নোত্তমা দাস।*
*স্নাতক ১ম বৰ্ষ, অসমীয়া বিভাগ*

প্ৰশ্ন নকৰিবি ৰত্নোত্তমা
উত্তৰ তোক কোনে দিব?

তোৰ সেই তাহানিৰ টুকুৰা-টুকুৰ প্ৰশ্নবোৰ.....
"আইতা-মা, মই কেতিয়া তোমাৰ সমান ওখ হ'ম?'
(এতিয়াতো তই বুজিছ, তই কেতিয়াও
তোৰ আইতাৰ সমান ওখ হ'ব নোৱাৰিবিগৈ)
"দে'তা, বেলিটোৱে ৰাতি ক'ত শোৱে?"
(তয়ো যে কি সুন্দৰ অবস্তুৰ প্ৰশ্ন সুধিছিলি!)
এৰি থৈ আহিলি ক'ত? ক'ত এৰি থৈ আহিলি
তোৰ সেই তাহানিৰ টুকুৰা-টুকুৰ প্ৰশ্নবোৰ.....
আৰু তাৰ আলসুৱা উত্তৰবোৰ.........
এতিয়া তই সুধিছ, মানুহৰ তেজৰ ৰং কেইটা?
নীলা আৰু ক'লা? নে ৰঙা? কেৱল ৰঙা?
কাৰ স্বাভিমানে শৰীৰৰ শিৰাত বহন কৰে 'ব্লু-ব্লাড'?
এতিয়া তই সুধিছ আদম-ইভৰ অস্তিত্বৰ কথা
কাৰ আদি পিতৃ আদম? আদি মাতৃ ইভ?

ইমান টান প্ৰশ্ন নকৰিবি, ৰত্নোত্তমা
মই জানিও নাজানো দিব খুজিও দিব নোৱাৰো
তোৰ সীমাভঙা প্ৰশ্নৰ উত্তৰ।

# প্ৰেম, মৃত্যু ইত্যাদি

*—ৰঞ্জিত কুমাৰ দাস*
*(১) স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ*

এটি যাত্ৰাৰ অন্তত মোৰ মৃত্যু হৈছিল
সিহঁতবোৰে কান্দিছিল
মই হাঁহিছিলো
মহানীলত লীন হৈ যোৱাৰ খহনীয়াত
মই জোনৰ পিঠিত তেজ হৈ
বাগৰি পৰি
তললৈ টোপ টোপ কৈ চাইছিলো।

# তাচ পাতৰ ঘৰ

*(২)*

থপিয়াই আনি দিব পাৰা যদি
এজাক সোণালী জোনাক
গহনা কৰি গঢ়াই দিম তোমাক
বুকু জুৰোৱা শব্দৰে নিচুকাই
খোপাত গুজি দিম জুই
বৰষুণ হৈ তিয়াই পেলাম
ভাদমহীয়া ৰ'দৰ জিম
মাথোঁ এবাৰ সাজিবলৈ দিয়া মোক
তাচপাতৰ নসজা ঘৰ।

# বাট

— অংকুৰণ দত্ত
*স্নাতক তৃতীয় বৰ্ষ*

জোনাক হেৰুৱা বাট
লৌহিত্যৰ প্ৰৱল আঁচোৰত পৃথিৱী নেদেখা বাট
আপুনি কোনটো দিশত
কোন ফালে যাব?

কোন বাটে পোৱা যাব জোনাক?
মই যুগ-যুগান্তৰৰ হেচাত ইমূৰৰ পৰা সিমূৰলৈ চাওঁ
কোন বাটেদি মই যাওঁ?
গড় বান্ধিব পৰাকৈ অদ্ভুত শক্তি অথচ
সতীত্বৰ দোহাই দি য'ত জীয়াই থাকিব পাৰে বীৰত্ব
কোনে বাটেদি গ'লে তলাতল ঘৰৰ সুৰুঙাইদি
গড়গাঁও ওলোৱালৈকে মাতিব লগা নহয় গায়ত্ৰী মন্ত্ৰ

অথবা
দেৱে ৰাতি নচা কাৰেঙত জয়াল দুনিশা পাওঁ?
কোন দিশে মই যাওঁ
আপুনি?

তেজেৰে লুতুৰি পুতুৰি হাতখনত কেনেকৈ
পৰিবহি পাৰে আকাশ
কোন পাহ ফুলত মই
হাত দিলে উৰি যাব পাৰে পখিলা?

চাব, আপুনি উটি যাব পাৰে
দেশৰ ভিন্ন প্ৰান্তলৈ আপোনাক উটুৱাই নিব পাৰে।
জানে? তেজৰ মাজেদিও আঁকিব পাৰি বাট

কোন বাটেদি মই যাওঁ?
য'ত সপোনবোৰ থপিয়াই বাস্তৱ কৰিব পাৰোঁ
খুজিব পাৰোঁ- জোনবাই এ এটি তৰা দিয়া
নহ'লে সাঁতোৰিব পাৰো দুখত!

আপুনি
কোনফালেদি যাব কোনটো দিশত?

ওহোঁ, ভালকৈ যাব
কুঁৱলীৰ বাবে বেলিটো আপুনি জোন বুলি ভাবিব পাৰে
মৰীচিকা হৈ বানৰ পানী বালিত লুকাব পাৰে

কোন বাটেদি মই যাওঁ
খোজ দিছো জোনক হেৰুৱা বাটত
লৌহিত্যৰ প্ৰৱল আচোৰত পৃথিৱী নেদেখা বাটত

আপুনি
কোনফালে কোনটো দিশত?



# বিপ্লৱী বন্ধু

— ৰাহুল দাস
*স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ*

হে বিপ্লৱী সতীৰ্থ বন্ধু
তোমাৰ সোঁৱৰণত গুমৰি উঠে
মোৰ ৰক্তাক্ত হৃদয়
নিৰন্ন সময়ত
সুগন্ধ তেজৰ, প্ৰবাহে প্ৰবাহে।
ভাব হয় যেন এটি কবিতা লিখিম
যি কবিতাই দিয়ে ৰণহুংকাৰ
দিবানে এটি শান্তিৰ কবিতা লিখিবলৈ
যি কবিতাত উপলব্ধি, হয় চেতনা, সাহস
আৰু প্ৰজ্ঞাৰ, লগতে—
জনতাৰ লগত খোঁজ কঢ়াৰ অভিজ্ঞতা।
যদি দিব নোৱাৰা
তুমি শত্ৰু?
তুমি প্ৰতাৰক??
তুমি দেশৰ কলংক???
নিষ্ঠুৰ বন্ধু! বিদায়

শাস্ত্রী[illegible]
জন[illegible]
বা[illegible]
হি[illegible]



# নলিনীবালানাম্ আত্মদৰ্শনম্

*— সুধেন্দু মোহন ভদ্রেণ*

শান্তে সমাসীনা নলিনীবালাদেব্যঃ সান্তে সংসাৰে স্পৃহাহীনা আসন্। বৈষয়িকসুখং নিবৃত্তিকাৰকং ন ভৱতি ইতি তাসাং মনসি নিত্যমৰাজত। অত আত্যন্তিক সুখস্পৃহা দীপশিখেৱ নলিনীদেৱীনাং চিত্তং ভাসয়তি স্ম। ' তস্য ভাষা সৰ্বমিদং বিভাতি ইতি ধাৰণা তাসাং মনঃ ব্যৱঞ্জয়ৎ।'

নলিনীবালানাং কৰ্ম্মাখিলং ব্ৰহ্মাগ্নৌ সমৰ্পিতম্ আসীৎ। তাসাং কৰ্ম্মাণি ন বন্ধনকাৰকানি আসন্। আত্মনি তা নিত্যমৰমন্ত। জ্ঞানাগ্নিঃ কৰ্ম্মজালা ভস্মীভূতং কৰোতি। অতঃ সকৃন্মৃত্বা জ্ঞানোপসকঃ ন পুনৰ্জায়তে। কৰ্ম্মণঃ পূৰ্ণত্বং জ্ঞান এব। অপূৰ্ণং কৰ্ম্ম জীৱনস্য পুনৰ্জন্মকাৰণম্ ইতি কৱিপাদানাম্ উক্তৌ স্পষ্টম্। কৱিপাদা জগৎ পৰিত্যজ্য পৰলোকং বাৰম্বাৰং গচ্ছন্তি কৰ্ম্মণাম্ অপূৰ্ণত্বাৎ। কিন্তু ইহ জীৱনে তাসাং কৰ্ম্মণাং পূৰ্ণত্বং জাতম্। অতঃ তাসাং পুনৰাগমনং সংসাৰে ন ভৱিষ্যতি ইতি ধ্ৰুৱম্। কৰ্ম্মদ্বাৰেণৈব পূৰ্ণত্বসাধনং কবীনাম্ আহ্লাদজনকং নিবৃত্তিহেতুত্বাৎ। কৰ্ম্ম কুৰ্ব্বন্ত্যঃ কৱিপাদা অসঙ্গাঃ সন্তঃ ব্ৰহ্মাসীনাঃ জীৱিতদশায়াং অৱসানে চ তাসাং ব্ৰহ্মাবিলীনং নিশ্চিতম্ ইতি বিচিন্ত্য মনঃ ৰোমাঞ্চিতং জাতং ' স য হ বৈ তৎ পৰমং ব্ৰহ্ম বেদ ব্ৰহ্মৈব ভৱতি' ইতি শ্ৰুতি বচনস্য সাৰ্থকত্বং তাসাম্ অনুভূতৌ জাগৃতত্বাৎ। নলিনীবালাঃ জ্ঞানোপাসিকা আসন্। জ্ঞানে সমাসীনাঃ দেৱ্যঃ জ্ঞানে এব লীনা ভবিষ্যন্তি ইতি তাসাং ধাৰণা জীৱদ্দশায়াং বদ্ধমূলা অসীৎ। "ব্ৰহ্মবিদ্ ব্ৰহ্মৈৱ ভৱতি" তথা 'তস্য তাৱদেব চিৰং যাৱন্ন বিমোক্ষ্যে অথ সংপৎস্য' ইতি এতেবাং শ্ৰুতিপ্ৰতিপাদিত— তত্ত্বানাং প্ৰকাশঃ জায়তে তাসাং কাব্যবাণীষু। কৱিপাদাঃ সুখগামিন্য আসন্। তথাবিধে সুখে জীৱনস্য তৃপ্তিং কেৱলং আত্মোপাসকা এব অধিগচ্ছন্তি, ন তু অপৰঃ কশ্চন জনঃ। অতঃ যদ্যপি তা জগতি বিচৰন্ত্যঃ আসন্ তথাপি তাসাং চিৎ সততং আত্মধ্যানে নিৰতমাসীৎ। অতঃ পূৰ্ণস্য স্পৰ্শাৎ তাসাং জীৱনং পূৰ্ণম্ অভৱৎ। তা দেব্যঃ জীৱন্মুক্তা আসন্। অতঃ তা উপলব্ধৱত্য আসন্ যৎ তাসাং 'চিতাগ্নিঃ' 'হোমাগ্নৌ' ৰূপায়িতো ভৱিষ্যতি ইতি। মৰণাৎ পৰং তাসাম্ আত্মা পৰমাত্মনা সহ একীভৱিষ্যতি ইতি ধ্ৰুৱম্। ততঃ জাগতিকদুঃখাং তা ন কাতৰীভূতা ইতি দৃশ্যতে।



তাসাং কৱিপাদানাং কাব্যকৃতিষু উপনিষদাম্ আত্মাতত্ত্বম্ ব্যক্তং ভৱতি। প্ৰতীচ্যমনীষিণঃ সোপেনহাৱাৰদেৱা যথা জীৱনে আপৎস্বপি উপনিষদাং জ্ঞানমাশ্ৰিত্য পৰং সুখম্ অন্বভৱন্, তথা সুখং নলিনীনাং হৃৎপদ্মম্ আবৃণোতি স্ম সততম্। বাতাহতা কদলীৱ ভূশয়নং ভৱতি তাসাং জাগতিকদুঃখস্য, মধুবাতেন চ শৰীৰং জায়মানম্ আসীৎ শীতলাম্। তা জানন্ত্যেৱ স্ম যৎ যঃ সকৃৎ ব্ৰহ্মাণং জানাতি স কদাপি তস্মাৎ বিশ্লেষো ন ভৱতি ইতি। তাসাং পৰশমনৌ এতৎ তত্ত্বং স্পষ্টম্ উদ্‌ঘোষিতং ভৱতি। কৱিপাদাঃ কাব্যেষু 'ত্বম্' (তুমি) তথা 'অহম্' (মই) সৰ্বনামপদদ্বয়েন ক্ৰমেণ পৰমাত্মানং জীৱাত্মানং চ বোধয়িতুং ব্যৱহৰন্তি। উপনিষৎসু 'ত্বম্' ইতি পদং পৰমাত্ম- বোধকত্বেন 'অহং' চ ইতি জীৱাত্মবাচকত্বেন লভ্যেতে। কৱিগুৰুঃ ৰবীন্দ্ৰনাথোঽপি গীতাঞ্জলীকাব্যে, 'ত্বম্' পদেন পৰমাত্মানং পৰব্ৰহ্মাণং বা বোধয়তি, 'অহম্' ইতি চৈত্তেন জীৱাত্মানম্ পাশ্চাত্যাঃ কৱিপাদা অপি তেষাং কাব্যে ' I ' (অহম্) Thine (ত্বম্) চ পদদ্বয়মং ক্ৰমেণ জীৱাত্ম পৰমাত্মবোধকত্বেন ব্যৱহৰন্তি ইতি দৃশ্যতে। জেনস্ ৰোডস্ এবং ভণতি-- ' For that I am is thine' (O soul of Mine)

খ্ৰিষ্টোফাৰ পিয়াৰজ্ ক্ৰাঞ্চ (Christropher Pearse Cranch) মহোদয়া অপি ' Thou ' (ত্বম্) ইতি পদং পৰমাত্মজ্ঞাপকত্বেন প্ৰযোজয়ন্তি। তৈৰেবং ভণিতম্ —

' Thou, so far, we grope to grasp thee--
thou, so near, we can not grasp thee
Thou, so wise our prayers grow heedless--
Thou, so loving, they are needless!
In each human soul thou shinest.

(So far, so near)

অত্ৰ 'Thou' ইতি পদং পৰব্ৰহ্মণঃ অৰ্থে প্ৰযুক্তম্। তৎ দূৰে তিষ্ঠতি অতঃ বয়ং তৎ ন জানীমঃ। পৰন্তু হৃদয়গুহায়াং তস্য স্থিতেঃ অস্মাকং নেদিষ্ঠং তৎ পৰন্তু অনৱধানাৎ বয়ং ন জ্ঞাতুং শক্তা ইতি। তৎ অতীব দয়াময়ং, অতঃ স্তুতিঃ তৎপ্ৰাপ্তৌ অপাৰ্থকা। প্ৰত্যেকস্য জীৱস্য আত্মৰূপেণ হৃদি তৎ সংস্থিতম্ ইতি। পৰন্তু বয়ং তৎ জ্ঞাতুং ন শক্নুমঃ।

অতঃ তৎ অস্মাকং প্ৰত্যক্ষং ন ভৱতি, ইন্দ্ৰিয়াদিভিৰপি- প্ৰত্যক্ষীকৰ্তুং বয়ং ন পাৰায়ামঃ, উপলব্ধৌ এব তস্য আত্মনঃ অস্তিত্বং অনুভূতং ভৱতি। তা নলিন্যাঃ তাসাং অনুভূতৌ তৎ পৰমং পদং লব্ধৱত্যঃ ইতি তাসাং কাব্যেষু স্পষ্টম্।

অপৰিচিতেন ব্ৰহ্মণা সহ তাসাং যৎ মধুৰং মিলনং তস্মাৎ তাসাম্ অপায়ো ন ভৱিষ্যতি। এতৎ মিলনমেব কৱীনাং শাশ্বতাং মিলনম্, তদেব তাসাং চিৰশান্তিঃ। তস্যাং শান্তৌ কৱিপাদানাম্ অশান্তিঃ নোদেতি, এষা এব জীৱনস্য পৰিপূৰ্ণতা। অতঃ পৰিপূৰ্ণতাদৰ্শনেন তাসাং চিৎ নিত্যং ব্ৰহ্মাসীনং তিষ্ঠতি, অতঃ 'পদ্মপত্ৰমিবাম্ভসা' তা সংসাৰে বিচৰণশীলা আসন্। পদ্মস্য মনোহাৰিত্বং যথা সৌন্দৰ্য্যে লীনং ন পঙ্কে জলে বা, তথা সংসাৰে জায়মানত্বে অপি নলিনীবালানাং সৰ্ব্বকৰ্ম্মসাধনম্ আত্মোদ্দিষ্টম্ আসীৎ, ন জন্ম- মৃত্যুসন্ধৌ-- ইতি।

# নলিনীবালাৰ আত্মদৰ্শন

শান্তত উপবিষ্ট নলিনীবালা দেৱী সসীম সংসাৰত স্পৃহাশূন্য আছিল। বৈষয়িক সুখ যে নিবৃত্তিৰ কাৰণ নহয় এইটো তেওঁৰ মনত সদায় বিৰাজ কৰিছিল। এই নিমিত্তেই আত্যন্তিক সুখৰ স্পৃহা বহ্নিৰ শিখাৰ দৰেই নলিনীবালাৰ চিত্ত পোহৰাইছিল। 'তস্য ভাষা সৰ্বমিদং বিভাতি' এই ধাৰণাই তেওঁৰ মন ৰঞ্জিত কৰিছিল।

নলিনীবালাৰ সকলো কৰ্ম ব্ৰহ্মাগ্নিত সমৰ্পিত হৈছিল। তেওঁৰ কৰ্ম্মসমূহ বন্ধনকাৰক নাছিল। আত্মাতেই তেওঁ সদায় আনন্দ পাইছিল। জ্ঞানাগ্নিয়ে সকলো কৰ্ম্ম ভস্মীভূত কৰে। সেই নিমিত্তেই জ্ঞানৰ উপাসক এবাৰ মৃত্যুবৰণ কৰে দুনাই নোপজে। জ্ঞানতেই কৰ্ম্মৰ পূৰ্ণত্ব। অপূৰ্ণ কৰ্ম্মই জীৱনৰ পূৰ্ণজন্মৰ কাৰণ -- এনেকুৱা উক্তি কবিৰ ভাবাত স্পষ্টকৈ প্ৰকাশ পাইছিল। কবিয়ে সংসাৰ ত্যাগ কৰি কৰ্ম্মৰ অপূৰ্ণতাৰ বাবেই বাৰে বাৰে পৰলোকলৈ গৈছে। কিন্তু এই জীৱনত তেওঁৰ কৰ্ম্মৰ পূৰ্ণত্ব সিদ্ধ হৈছে। সেইবাবেই সংসাৰত তেওঁৰ পুনৰাগমন নহ'ব এইটো ধ্ৰুৱ। কৰ্ম্মৰ দ্বাৰাই পূৰ্ণত্ব সাধন কৰিব বাবে বৰ আনন্দজনক। কাৰণ ইয়েই নিবৃত্তিৰ হেতু। নিৰাসক্ত ভাৱে জীৱিত অৱস্থাত কৰ্ম কৰিয়েই তেওঁ ব্ৰহ্মত মগ্ন আৰু অৱসানত তেওঁ ব্ৰহ্মতেই বিলীন এইটো নিশ্চিত বুলি ভাবি তেওঁৰ মন ৰোমাঞ্চিত হৈছে। ' স য হ বৈ তৎ পৰমং ব্ৰহ্ম বেদ ব্ৰহ্মৈব ভৱতি' এই শ্ৰুতিবচনৰ সাৰ্থকতা তেওঁৰ অনুভূতিত জাগ্ৰত হৈছে। নলিনীবালা জ্ঞানৰ উপাসিকা আছিল। জ্ঞানত সমাহিত দেৱী নলিনীবালা জ্ঞানতেই বিলীন হ'ব এই ধাৰণা তেওঁৰ জীৱিত অৱস্থাতেই বদ্ধমূল আছিল।

"ব্ৰহ্মবিদ্ ব্ৰহ্মৈব ভৱতি" আৰু "তস্য তাবদেৱ চিৰং যাবন্ন বিমোক্ষ্যে অথ সংপৎস্যে" এনেকুৱা শ্ৰুতিত প্ৰতিপাদিত তত্ত্বৰ প্ৰকাশ তেওঁৰ কাব্যবাণীত প্ৰকাশ পাইছে। কবি সুখী আছিল। তেনেকুৱা সুখত জীৱনৰ তৃপ্তি কেৱল আত্মাৰ উপাসকসকলেহে উপলব্ধি কৰে, আন কোনোৱে নোৱাৰে। সেয়েহে তেওঁ সংসাৰত বিচৰণ কৰিছিল যদিও তেওঁৰ মন সদায় আত্মাৰ ধ্যানতেই নিৰত আছিল। সেইবাবেই পূৰ্ণৰ স্পৰ্শত তেওঁৰ জীৱন পূৰ্ণ হৈছিল। তেওঁ জীৱন্মুক্ত আছিল। সেইবাবেই তেওঁ উপলব্ধি কৰিছিল যে তেওঁৰ 'চিতাগ্নি'য়েই 'হোমাগ্নি'ত ৰূপায়িত হ'ব। মৃত্যুৰ পিছত তেওঁৰ আত্মা পৰমাত্মাৰ লগত একীভূত হ'ব। সেয়েই জাগতিক দুখত তেওঁ কাতৰ হোৱা নাই।

সেই কবিজনাৰ কাব্যকৃতিত উপনিষদৰ আত্মতত্ব ব্যক্ত হৈছে। প্ৰতীচ্যৰ মনীষী ছোপেন হাৱাৰদেৱে যি দৰে জীৱনৰ দুখৰ দিনতো উপনিষদৰ জ্ঞানৰ আশ্ৰয়ত পৰম সুখ অনুভৱ কৰিছিল, তেনেকুৱা সুখত নলিনীবালা দেৱীৰ হৃদয়পদ্ম সততে বিচৰণ কৰিছিল। বাত্যাহত বাগৰি পৰা কলগছজোপাৰ দৰেই তেওঁৰ জাগতিক দুখ ধৰাশায়ী হৈছিল, তেওঁৰ শৰীৰ মৃদু বায়ুৰ স্পৰ্শত শাঁত পৰিছিল। তেওঁ জানিছিল যে যিয়ে এবাৰ ব্ৰহ্মক জানে তেওঁ কেতিয়াও তাৰ পৰা চ্যুত নহয়। তেওঁৰ পৰশমনিত এই তত্ত্ব স্পষ্ট। কবিয়ে তেওঁৰ কাব্যত তুমি আৰু মই এই সৰ্ব্বনাম পদ দুটা ক্ৰমে পৰমাত্মা আৰু জীৱাত্মাক বুজাবলৈ ব্যৱহাৰ কৰিছে। উপনিষদতো 'ত্বম্' পদ পৰমাত্মাক বুজাবলৈ আৰু 'অহং' পদ জীৱাত্মাক বুজাবলৈ ব্যৱহৃত হৈছে। কবিগুৰু ৰবীন্দ্ৰনাথেও গীতাঞ্জলি কাব্যত উক্ত দুটা পদ এনেকুৱা অৰ্থতেই ব্যৱহাৰ কৰিছে। পাশ্চাত্য কবিয়েও 'I' (মই), Thine (তুমি) এই দুটা পদ জীৱাত্মা আৰু পৰমাত্মাৰ অৰ্থত ব্যৱহাৰ কৰিছে। জেমছ ৰোডছ নামেৰে কবিজনাই কৈছে--

' For that I am is thine' (O Soul of Mine)

খ্ৰিষ্টোফাৰ পিয়াৰছ ক্ৰাঞ্চ নামেৰে কবিয়েও Thou (তুমি) পদ পৰমাত্মাৰ অৰ্থত প্ৰয়োগ কৰা দেখা যায়। তেওঁ কৈছে--

' Thou, so far, we grope to grasp thee--
Thou, so near, we can not grasp thee
Thou, so wise our prayers grow heedless--
Thou, so loving, they are needless!
In each human soul thou shinest.

*(So far, so near)*

ইয়াত Thou পদটো পৰব্ৰহ্মৰ অৰ্থত ব্যৱহাৰ হৈছে। পৰমাত্মা দূৰত থাকে কাৰণেই আমি তেওঁক নাজানো। কিন্তু হৃদয়ত থকাৰ কাৰণেই তেওঁ আমাৰ আটাইতকৈ ওচৰত কিন্তু মন নিদিয়াৰ কাৰণেই আমি জানিব নোৱাৰো। পৰমাত্মা অতি দয়াময় সেই কাৰণেই তেওঁক পাবলৈ স্তুতিৰ প্ৰয়োজন নাই। প্ৰত্যেক জীৱৰ হৃদয়ত আত্মাৰূপে বিৰাজিত যদিও আমি তেওঁক জানিব নোৱাৰোঁ। সেইবাবেই আত্মা আমাৰ প্ৰত্যক্ষ নহয়, ইন্দ্ৰিয় আদিৰেও প্ৰত্যক্ষ কৰিব নোৱাৰোঁ; উপলব্ধিতহে সেই আত্মাৰ অস্তিত্ব অনুভূত হয়। নলিনী বালা দেৱীয়ে তেওঁৰ অনুভূতিত সেই পৰম পদ লাভ কৰিছিল সেইটো তেওঁৰ কাব্যত সুস্পষ্টৰূপে প্ৰকাশ পাইছে।

অপৰিচিত ব্ৰহ্মৰ লগত তেওঁৰ যি মধুৰ মিলন তাৰ পৰা তেওঁৰ স্খলিত নহয়। এই মিলনেই কবিৰ শাশ্বত মিলন। সেইটোৱেই তেওঁৰ চিৰশান্তি। সেই শান্তিত অশান্তিৰ অৱকাশ নাথাকে। সেয়েই জীৱনৰ পৰিপূৰ্ণতা। সেইবাবেই পৰিপূৰ্ণতাৰ দৰ্শনত তেওঁৰ চিত্ত সদায় ব্ৰহ্মত মগ্ন আৰু পদুমৰ পাতৰ পানীৰ দৰেই তেওঁ সংসাৰত বিচৰণশীল। পদুমৰ মনোহাৰিতা যিদৰে বোকা বা পানীত আবদ্ধ নহৈ সৌন্দৰ্য্যতহে লীন হয় তেনেদৰে সংসাৰত ওপজিলেও নলিনীবালাই আত্মাক উদ্দেশ্য কৰিয়েই সকলো কৰ্ম্ম সাধন কৰিছিল, জন্ম-মৃত্যুৰ সন্ধিৰ উদ্দেশ্যত নহয়।

*(লেখক সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক)*

# काव्यस्य अत्कर्षसाधने प्राचीरपत्रिकायाःभुमिका

- *सञ्जय शर्मा*
*स्नातकोत्तर चुडान्तवर्ष*

काव्यस्य डत्कर्षसाधने प्राचीरपत्रिकाया: भुमिका विशेषभावेन उल्लेखयोग्या भवति। ज्ञानस्य गभीरसमुद्रे रत्नसध्धानव्रतोनां प्राथमिक भुमिरेव एषा प्राचीरपत्रिका भवति। प्राचीरपत्रिक्वदिषु अस्मिन् कार्ये नुगनभाषाकौशालव्यवहार चेषृया सृष्टिशान्कि: जागर्नि। स्व हास्ते परिपुस्य सृष्टिकर्मण: सफलरूपायणं भबितुम् अर्हति अत्र पुष्पप्रस्फुटनवत्।, अनेन नवोने कविहुदये अपार आनन्दोल्लासो जायते।

कविपादै: यम्मटभट्टै: 'काव्यप्रकाश' ग्रन्थे काव्यप्रणयनस्य कारणानि उल्लिखितानि। तत् यथा-

'शन्निर्निपुणता लोकशास्रकाव्याद्यावेक्षणात्।
काव्यज्ञशिक्षाडम्यास इति हेतुस्तदुद्मवे॥'

तन्मते 'शन्कि'रिति: काव्यविरचने प्रथमो होतु:!

' निपुणता' इति काव्यनिर्माणे व्दितोयो हेतु:

अर्थात यो जन: सग्ङोतादिषु चतु: षृष्टिकलासु तथा छन्द व्याकरण-प्रभृति लाक्षणग्रन्थेषु निपुण: स एव कवि: भवितुम अर्हति।

' अभ्यास' इति काव्यप्रणयने प्रधान: तथा प्रयोजनोयं। शात्तयादोनाम् अवस्थानेडपि काव्यरचना सुकरा न भवति यदि काव्यरचनायां अभ्यासो न विद्यते। असमीयाभाषायाम् प्रवचानमस्ति-- 'अम्यासेइ नर कर्णे पथे करे शर' इति। प्रत्यैकस्य चिति सुप्तप्रतिभा विद्यते। अस्या: प्रतिभाया: विकाशे प्राचोर पत्रिका उत्तामा सहायिका। यदि प्रतिभाया उपयुक्त व्यवहारो न क्रियते तदा प्रतिभा सुम्पुर्णरूपेण कार्य होना भवति। अस्मिन् प्रसंगे असमोया कविवरेण उच्यते यत्-"गोटोवा गोलाप कलि थाकोते सभयसखो समयर सौँत वँइ याइ इति। प्राचोरपत्रिकायां वैचित्रभयं स्वकार्यं दृष्ट्वा नवोना: साहित्यिका: स्वमनसि प्रसादं लभन्ते।

काव्यस्य प्रयोजनविषये भम्मटेन उच्यते-

'काव्यं यशसेडर्थकृते व्यवहारविदे शिवेतरक्षतये।
सद्य: परनिर्वृतये कान्तासम्मित तयोपदेशयुजे॥ '

अग्निपुराणेमपि काव्यस्य उपादेयत्व प्रसंगे उल्लिखितमस्ति-

'नरत्वं वुर्लभं लोके विद्या तत्र सुदुर्लभा।
कवित्व दुर्लभं तन्न शत्कि: तत्र सुदुर्लभा॥'

काव्यसृष्टौ अश्यासस्य भहतो भुमिका परिलक्ष्यते। अतएव प्राचीरपत्रिकादिविभ: अभ्यासस्य ब्यवहारो दृश्यते। किं च असमीया कविनापि उत्कभस्ति-

' प्रज्ञाइ प्रणापाले मणिषाइ वुटलिव,
मोर चिरिसच्चित अक्षय भाण्डार।' इति

## কাব্যৰ উৎকৰ্ষ সাধনত প্ৰাচীৰপত্ৰিকাৰ ভূমিকা

কাব্যৰ উৎকৰ্ষসাধনত প্ৰাচীৰপত্ৰিকাৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। জ্ঞানৰ গভীৰসাগৰত ৰত্নৰ সন্ধানত ব্ৰতীসকলৰ প্ৰাথমিক ক্ষেত্ৰ হ'ল এই প্ৰাচীৰপত্ৰিকা। প্ৰাচীৰপত্ৰিকা আদিৰ জৰিয়তে ভৱিষ্যতৰ প্ৰতিভাৰ বীজ ৰোপণ হয়। এই কাৰ্য্যৰ দ্বাৰা নিত্য নতুন ভাষাকৌশল আয়ত্ব কৰি সৃষ্টিৰ চেতনা জাগ্ৰত হয়। নিজ হাতে পৰিপোষিত সৃষ্টিকৰ্মৰ-সফলৰূপায়নত ইয়াত ফুল ফুলাৰ দৰে হয়। ইয়াৰ দ্বাৰা নবীন কবিৰ হৃদয়ত অপাৰ আনন্দোল্লাস সৃষ্টি হয়।

কবিপাদ সম্মটভট্টই তেখেতৰ 'কাব্যপ্ৰকাশ' গ্ৰন্থত কাব্যপ্ৰণয়নৰ কাৰণ উল্লেখ কৰিছে এনেদৰে—

'शन्निर्निपुणता लोकशास्त्रकाव्याद्यावेक्षणात्।
काव्यज्ञशिक्षाडम्यास इति हेतुस्तदुद्मवे॥'

তেওঁৰ 'শক্তি' হ'ল কাব্যপ্ৰণয়নৰ প্ৰথম কাৰণ।

নিপুণতা হ'ল কাব্য প্ৰণয়নৰ দ্বিতীয় কাৰণ। যিজন সঙ্গীত আদি চৌষষ্ঠিকলা, ছন্দশাস্ত্ৰ ব্যকৰণ আদি লক্ষণ গ্ৰন্থত পাৰ্গত সেইজনহে কবি বুলি স্বীকৃতি লাভ কৰে।

কাব্য প্ৰণয়নৰ প্ৰধান আৰু প্ৰয়োজনীয় কাৰণ হ'ল - 'অভ্যাস'। শক্তি আদিৰ অৱস্থানতো কাব্যৰচনা সুলভ নহ'ব পাৰে যদি কাব্যৰচনাৰ অভ্যাস নাথাকে। অসমীয়াভাষাত প্ৰবচন আছে— 'অভ্যাসৰ নৰ কৰ্ণে পথে কৰে শৰ'। প্ৰতিজন মানুহৰ মাজত সুপ্ত প্ৰতিভা থাকে। এই প্ৰতিভাৰ বিকাশত প্ৰাচীৰপত্ৰিকা হ'ল উত্তম সহায়। প্ৰতিভাৰ উপযুক্ত ব্যৱহাৰ অবিহনে এনে প্ৰতিভা মৰহি যাব পাৰে। সেয়েহে অসমীয়া ভাষাত কবিয়ে গাইছে— 'গোটোৱা গোলাপ কলি থাকোতে সময় সখী সময়ৰ সোঁত বৈ যায় এনেদৰে। প্ৰাচীৰপত্ৰিকাৰ যোগেদি বৈচিত্ৰময় নিজৰ কাৰ্য্য দেখি কবিয়ে আনন্দও লাভ কৰে।

কাব্যৰ প্ৰয়োজনৰ প্ৰসংগত সম্মটভট্টই কৈছে—

'काव्यं यशसेडर्थकृते व्यवहारविदे शिवेतरक्षतये।
सद्य: परनिर्वृतये कान्तासम्मित तयोपदेशयुजे॥ '

কাব্যৰ উপাদেয়ত্ব প্ৰসংগত অগ্নিপুৰাণত উল্লেখ আছে—

'নৰত্বং দুৰ্লভং লোকে বিদ্যাতত্ৰ সুদুৰ্লভা,
কবিত্বং দুৰ্লভং তত্ৰ শক্তিঃ তত্ৰ সুদুৰ্লভা।।'

কাব্যপ্ৰণয়ণত প্ৰচীৰ পত্ৰিকাৰ মহৎ ভূমিকা আছে। গতিকে প্ৰাচীৰপত্ৰিকাৰ জৰিয়তে অভ্যাস গ্ৰহণ কৰিব লাগে। সেয়েহে অসমীয়া কবিয়ে গাইছে—

'প্ৰজ্ঞাই প্ৰাণ পালে মণিষাই বুটলিব,
মোৰ চিৰসঞ্চিত অক্ষয় ভাণ্ডাৰ।।'

# زبان و ادبیات فارسی در هند

محمد بابر علی
رئیس بخش زبان فارسی و عربی
کتن کالج - گواهاتی -

امروز زبان و ادبیات شیرین فارسی در قارهٔ هند از پیش قرون میلادی اغاز شود و این زبان فارسی، فرهنگی، ادبیات، معاشرت، علوم و فنون ایرانی آورد - خویش و ارتباط درمیان ملتها هند و ایران یک از قدیم ترین است که از سنگ نبشته ها کتیبه ها تاریخ فرهنگ مشترک ایران و هند ثبات کند - ارتباط کشور ایران و هند خصوصاً در جنوب به از پیش سلام گرفته شد - حقیقت این است که زیرا تأثیر نقایش ایرانی در غارهای اجنتا شباحت دیده می شود - قدیمترین غار متعلق به حدود ۲۵۵ سال قبل از میلاد و جدید ترین غار را در حدود ۶۵۰ سال بعد از میلاد تراشیدند و سنق این ها نقایش گچ گرده اند - زبان و ادبیات فارسی از زمان قدیم در دایرهٔ بین هند و ایران و نقش خیلی حیاتی در بوجود اورد - درنتیجه ان است که مناسبات آدبی و فرهنگی در بین هند و ایران برقرار استوار گردید - در این اتصال یک بیت خواهد می گفته است!

"تو ای اب و ای بار و ای کوه و خاک/ زما گوی بید رود و بار مام پاک/ بگو نام نیک تو پاینده باد/ دل ما از مهر تو تابنده باد/ ما رنجوز ار ز تو روی بار تا نتیج/ سوی کشور هند بیشتا فتیم/ سپاس درود تو ذاریم پاس/ تو را نیک خواهیم و هودیه شناش/ بیاد تو یك شعله روشن کنیم/ بنام تو یک گوشه گلشان کنیم."

این زبان فارسی تقریباً صد و پنجه سال رسمی و دربار حکومت هند بود - جانشنان سلطان محمد غزنوی با سلطان سلجوقیان آنشهی کردند و سلطانها غزنوی تکامل تمدن به ادبیات در متهای شاها کردند - مسلمانان از راه ایران به هند امدند - بوشان تهذیب و تمدن ایران همراه خود آوردند و هند را وکن خود ساختند و شروع به پذیرفتن اثار تهذیب یکدیگر کردند - چون زبان فارسی گروهٔ آریبای است، اثر این زبان بر زبانهای هند بسیار است - بسیار کتابها بر سیاحت و مسافرت در زبان فارسی نوشته شدند و از سیاحان بزرگترین در این زمان ابو ریحان بیرونی در قرن چهارم هجری بود - درقرن هفتم دسته مسلمانان عرب از راه دریا برای تجارت ساحل ملابر رسیدند - سلطان محمد غزنوی در قرن دهم پنجاب را تسخیر کرد و داخل بود - سلطان و همراهان او به زبان فارسی بزبان هند میکردند - این حقیقت است که زبان فارسی در دورهٔ غزنویان در هند رواج پیدا کرد - روایت گفته اند که در این زمان شهر غزنوی مرکز برای علوم و ادبیات فارسی گردید -

بسیار شاعران فارسی در هند به وجود امدند از این همه حضرت امیر خسرو دهلوی معروف به تخلص "طوطیان هند" سر امد شعر فارسی زبسان هند است و در هند بنیاد تهذیب مشترک انداخت - گفته اند که او برای سرزمین هندوستان این لطیف زیبا چنین بیان کرد -

کشور هند است بهستی به زمین حب والوطن است ایمان به یقین ز علم با عمل دهلی بخارا را - ز شاهان گشته اسلام اشکا را - از وقتی پای گرفتن سلطنت بهمنی در دکن زبان فارسی در این دوره زبان دربار بود و همچنان تاثیر زبان فارسی در دورهای بهمنی عادلشاهی و قطبشاهی در دکن خیلی بسیار بود - حقیقت این است که در زمان سلطنت سکندر لودهی از هندوان خصوصاً کاستان زبان فارسی خوانده بود و دربار شاهی داخل شود -

دوره های مغولان ظهیرالدین بابر که خود مرد دانشمند شاعر، نویسنده و مورخ بود به زبان فارسی هم شعر می گفت - در دورهٔ سلطنت اکبر زبان فارسی خیلی مروج یافت - در این زمان تاثیر و تفوذی به حد بود که این دوره را "دورهٔ طلایی فرهنگ و تمدن و مکتب هند و ایران می گوید" در این زمان فارسی در هند زبان رسمی و دربار حکومت کرد و مدت چند قرون به صورت زبان رسمو باقی ماند و این زبان در ایران و هند سرچشمه بود - در این دوره گروه فارسی دان خصوصاً مسلمانان با علوم و فنون سانسکرت به خوبی واقف گشتند چنان که شاعران و ادبیان مسلمانان خاک پای هندوستان را از سرچشمه علوم و فنون سیراب میکردند و همچنان هندوان نیز در دربار پادشاهی مهر قبلیت و علمیت ثبت میکرند در این زمان بسیار شاعران در این زبان همچون عبد القادر بدایونی عبد الرحیم خانخانان بولفیض فیضی که ملک الشعراء بود و عرفی شیرازی می زیستند - در عهد شاه جهان ابو طالب کالج کاشانی که ملک الشعراء بود به حمد هند این لطف گوید -

توان نیست دوم گفتش بدین معنی که هر که رفت از این بوستان پشیمان شود." در زمان مغولان راجه های هند پوشیدن جامه هما ایرانی و صحبت کردن به زبان فارسی اموختن باعث فخر و افتخار می شمرند - صوفیان مسلمانان نیز به هندوان درس عشق حقیقی دادند -

ملک محمد جایسی در پدماوت داستانها محبت هندی و فارسی ایکجمع کرد - شرف الدین بو علی قلندر پانی پتی یک از مشاهیر صوفیان سنه هفتم و هشتم هجری شاعران بزرگ بود او راماین یعنی قصه رام و سیتا را نظم در زبان فارسی کرد - دوره های مغولان ترقی زبان فارسی در هند خیلی بسیار بود - کتابها بر شعری، نثر، غزل، قطعه، مثنوی، قصیده، فنون، علوم، مذهب، فلسفه، سیاسی، نظام، و وظیفه بسیار نوشته بودند.

تاثیر و حکمفرمای زبان فارسی در حکومت اینگلسی در هند تا سن ۱۸۲۹ ع به زبان رسم برقرار ماند - در این زمان از شاعران فارسی در هند نام علامه اقبال لاهوری سرامد است که شاعر پراوزه هند در زبان جدید است - او از دانشگاه میونیخ در المان عنوان دکتر در فلسفه گرفته بود - او در زبان فارسی، عربی و اردو کتابها نوشت بلکه در زبان فارسی بسیار کتابها نوشت و از درمیان اینها اسرار خودی، رموز بیخودی، پیام مشرق، زبور عجم، جاوید نامه، بال جبرئیل غیره مشهور اند -

اغاز زبان فارسی بسرزمین اسام تقریباً به امدن مسلمانان در قرن دوازدهم میلادی این سبه است - این زبان فارسی در مدرسه، و مکتب و بنگاه دینی امدخته بود - امروز اموختن فارسی در اسکولها، کالج و دانشگاه گواهاتی - و اسام بخوبی حکمفرما ماند - در زمانها حکومت سلطانها و پادشاهان در دهلی و راجه های در اسام فارسی زبان حلقه درمیان بود - درمیان پادشاهان و راجه های اسام زبان فارسی ابلاغ شد - همچو فرمانها سلطانها و پادشاهان دردهلی به راجه های اسام در زبان فارسی نوشته شد برای ترجمه کردن این فرمانها راجه های اسام مردمان فارسی دانا عمله، دبیر و صاحب منصب در دفتر راجه ها اسام مسلمانان را تعین کردند - این حقیقت است که اموختن فارسی در آن زمان بسیار لازم شد -

در عهد اینگلسی اموختن فارسی در اسام بسیار شد و در اسکول، مدرسه و کالجها اموخته بود - در کتن کالج ادارهٔ فارسی، عربی و هندوستانی دسن ع ۱۹۰۱ معرفی کرده شد و از این سال ادارهٔ فارسی، عربی و هندوستانی برقرار مانند و اکنون این کتن کالج برای ترقی و توسعه زبان فارسی، عربی و هندستانی در اسام مرکز مبهر شود -

پاینده باد زبان فارسی - !

# PERSIAN LANGUAGE AND LITERATURE IN INDIA

***MD. BABUR ALI***

The advent of Persian literature into India took place before the Christian era and this language Persian had brought the Iranian culture, literature, social intercourse, science and arts into India. The relation between Iran and India is the earliest one which has been established by the rock - inscription and books of history of the two countries. The advent of the Indian political and social contact to the South India was before the inroads of Islam. It is evident that the influence of the Iranian paintings and architecture is found in India in the caves like Ajanta. The oldest caves in between 200 and 400 AD, the paintings lime were engraved. The Persian language and literature from the past between Iran and India and the paintings of the said era are very conspicuous and as a result, the relation between Iran and India in language, literature and culture remained intact from the past. In this connection a poet wrote a couplet:

" Oh water and wind, mountain and earth, bid farewell.
from us to our sacred Mother (Iran)
Say to her - " May thy noble name for endure forever,
may our hearts be ever illuminated by the Love,
Grieve not that we are turning our fues,
from thee and hastening to the land of India.
We express our thanksgiving and bid thee

Adieu : We wish the well and acknowledge our featly to thee. We install a flame (raise a five Temple) in thy memory and in thy name we shall transform a come (of India) into a rose-garden."

This Persian language was made official language in India for a period of one hundred and fifty years. The successor of Muhammad Ghauri having relation with the Sesjuk Kings did a yeoman's service for the development of Persian language and literature in India. Many Muslims came to India from Iran who brought with them their own culture and civilization and made India their homeland (motherland) and they mixed and assimilated the civilization and cultures of both Iran and India into one composite culture.

As the Persian language is of the Indo-Aryan Group, it has greatly influenced the Indian languages in various fields. Many books on tours and travels were written in Persian language among the travellers. Abu Raihan Biruni in the forth century Hijia era was the most prominent one. In the seventh century of Christian era, Muslims from the Arab countries came to India through Malabar Coast and spread their trading net in those areas. Sultan Mahmood of Ghazni invaded Punjab in tenth Century A.D. and ruled Punjab. He made Persian language as court language. It is said that the city of Ghaznavi was the epicentre of promoting and expanding Persian language.

Among the prominent Persian Poets in India, the name of Amir Khusroo of Delhi came first who was called the "Parrot of India" and his Persian Poetry and other literary works concretized the foundation of Persian language and literature in India. It is said that Amir Khusroo composed this verse in praise of India:

"The land of India is the Heaven in the earth, Patriotism is the main philosophy of our faith. From the point of learning and its practical importance, Delhi is at per with Bokhara. Islam becomes the eye-opener for the Kings."

With the establishment of the Bahmani Kingdom in the Daccan, Persian became the court language during this period and the influence of Persian was much more prevalent during the reign of Bahmani, Adil Shahi and Qutub Shahi Periods. It is time that during the reign of Sikandar Lodi Persian became the Court Language.

During the reign of the Mughals, Zahiruddin Babar who was himself a poet, writer and a historian of repute wrote many books in Persian language. During the reign of Akbar the Great, Persian language made a significant development and Persian became the court language in India till the end of the Mughal rule and acted as a fountain head of communication amongst the common people. In this period, Sanskrit along with Persian, was developed and it was patronised by the Muslim rulers. The Indian Hindus like the Muslims did not lag behind in learning Persian who adore the Badshah's Courts and served with aptitude and efficiency. In this period. the prominent names of the Persian Poets like Abdul Qadir Badayuni, Abul Faiz Faizy, who was the poet laureate, Abdur Rahim Khan Khanan, Lirfi Sirazi, may be mentioned. In the reign of Shah Tahour Abu Talib Kalim Quasimi who was the Poet laureate in his court composed this verse on India :-

"It (i.e. India) can well be called a second Paradise, for he who has departed from this garden always repented for it."

As a good gesture of good relation with Mughal rulers in Delhi, the Hindu Kings and Rajas adore this royal dress with Mughal and Iranian art and style and the learning of Persian was patronised by the contemporary Hindu Kings.

Mulk Muhammad Jaisy in Padmaveh, the stars relating to the love and amity if the Hindu and Muslims worte poetical verse in Persian language. Sharifuddin Buahi Qalander of Panipat, a Poet of great prominance during the seventh and eight centuries of the Hijra era composed poems on mysticism and sufism. He also translated the Ramayana, the story of Rama and Sita into Persian. During the reign of the Mughals, persian language developed to the greatest extant in the fields of literature, history, arts, science and culture.

The influence of Persian also continude to the reign of the Britishers and this Persian language continued till 1829 AD as the court language. During this period Poet like Sir Shaikh Muhammad Jabat Lahoris name came first who got his Ph. D.from the Munich University of Germany. He, although, a scholar of repute in Persian, Arabic and Urdu, he wrote mostly in Persian. He authored many books among which, Asrar-I-Khudi, Ramuj-I-Bekhudi, Payam-I-Mashriq, Jabur-I-Azam, Jawad Nawa and Bal-I-Jibril are prominent.

The advent of Persian language to Assam took place in the last part of twelveth Century A.D. along with the inroads of the Muslims to Assam. This Persian language was taught in Maktabs, Madrassahs and schools in Assam. During the reign of the Rajas of Assam, Persian language and literature was patronised by the Assamese Kings as their relations with the Badshahs of Delhi in the fields of Politics, commerce and culture was very cordial and even the Assamese Kings appointed Muslim Persian knowing persons to deal with the farmers of the Delhi Sultans in various fields. During the time of Assam Kings, their trend was very much prevalent.

During the British rule in Assam, the learning of Persian was lavishly encouraged and Persian was taught in schools and colleges. The Department of Persian (under the name of Islamic Studies) the Cotton College, was introduced in 1901 AD with the very inception of the college. This Department (Islamic Studies) played a key role in Promoting and expanding these languages i.e Persian, Arabic and Hindustani not only in Assam, but also in entire North Eastern India and Cotton College now has acted as a trend-setter in expanding Persian, Arabic and Hindustani languages in Assam in particular. This Persian language is taught in schools, colleges and universities like Guwahati and Assam university in Assam. Long live Persian language.

***The contributor is the head of the department of Arabic, Persian and Urdu***

# اَلْمَوْتُ

غَاضِبُ الرَّحْمٰنِ

إِحْسَسُ....... تَجَاءُ إِلَيَّ فِيْ سِرِّ أَيَّامٍ كَثِيْرَةٍ
قُدَّامُ وَخِلْفَهُ الْمَسَاءِ وَ فِيْ أَعْمَاقِ اللَّيْلِ
أَعْلَمُ كُلَّمَا ، وَلٰكِنَّ لَا أَجْسَرُ أَنْ لَقِيْتُمَا
لَعَلَّ تَذْهَبُ وَتَصَارُ مُقْنَطٌ فِيْ كُلِّ يَوْمٍ -
وَلَمَّا أَحْسَبُهَا يَزِيْدُ رَفْرَفَةِ الْقَلْبِيَ وَأَخَافُهَا
........ مَا تَقُوْلُ لِيْ وَمَا تَطْلُبُ مِنِّيْ ؟
هٰكَذَا جَائَتْ إِلَيَّ فِيْ أَيَّامٍ كَثِيْرَةٍ
وَفِيْ يَوْمًا إِتِّفَاقًا زَارَتْ أَبِيْ فِيْ ظُلْمَةِ اللَّيْلِ
وَلَا يَحْدَثُ أَبِيْ لِيْ وَلِأَهْلِنَا مِنْ ذٰلِكَ الْيَوْمِ
حَتّٰى تَرَكَ بَيْتَنَا ، وَلَا رَجَعَ حَتَّى الْيَوْمِ
وَلَا يَرْجِعُ قَطٌّ ! قَدْكَمْ هِيَ شَدِيْدَةٌ !
إِسْمُهَا الْمَوْتُ! اَلْمَوْتُ !!

# وَصْفُ اللّٰهِ سُبْحَانَهُ

اَبُوْ الْعَتَاهِيَةِ

جل رب احاط بالاشياء
واحد ماجد بغير خفاءِ
جل عن مشبه له ونظير
وتعالى حقا على الكرماءِ
عالم السر كاشف الضر يعفو
عن قبيح الافعال يوم الجزاءِ
ما على بابه حجاب ولكن
هو من خلقه سميع الدعاءِ
لذبه ايها الغفول ! وبادر
تحظ من فضله بنيل العطاءِ

ترجمة :- عُلْمِجِرَةُ بِغُوْمِ

# رُبَايَاتِ عُمَرُ خَيَامِ

عُمَرْ خَيَامِ

مرچند که رنگ و روی زیباست مرا
چون لاله رخ وچو سرو بالاست مرا
معلوم نشد که طربخانۂ خاک
نقاش ازل بهرچه اراست مرا

• • • • •

روزی که گذستست ازو یاد مکن
فردا که نیامدست فریاد مکن
برنامده وگذشته بنیاد مکن
حالی خوش باش عمر برباد مکن

• • • • •

ان قصر که برچرخ همیزد پهلو
بردرگداو، شبهان نهاددی رو
هیدم بسرکنکرهاش فاختد
بنشسته همیگفت که کوکوکو

• • • • •

ای کوزه گرا بگوش اگر هشیاری
تاچند کنی برگل ادم خواری
انگشت فریدون وکف کیخسرو
برچرخ نهاده چه میپندار ی

ترجمة :- نَجْرَنَاة چَوْدْهُرِي -

আৰবী কবিতা

# মৃত্যু

*—গাজিবুৰ ৰহমান*

মোৰ ভাৱ হয়...
তাই প্ৰায়েই মোলৈ আহে..... গোপনে,
কেতিয়াবা সন্ধিয়া—
আৰু কেতিয়াবা গভীৰ নিশা, নিৰ্ভয়ে।
মই সকলো গম পাওঁ,
কিন্তু তাইক সাক্ষাৎ কৰিবলৈ মোৰ সাহস নহয়।
তাই চাগে নিৰাশ হৈ গুচি যায়...... প্ৰায়েই।
মোৰ যেতিয়াই তাইৰ কথা মনত পৰে,
বুকুত ধপ্‌ধপনি বাঢ়ি যায়,
ভয় লাগে, 'জানো তাই মোক কি ক'ব?'
কি বিচাৰে তাই মোৰ পৰা?
এনেকৈ তাই বহুদিন আহিছিল।
এদিন হঠাৎ, নিৰ্জনে তাই মোৰ দেউতাৰ মুখামুখি হ'ল,
ৰাতিৰ অন্ধকাৰত।
সেই দিনাৰ পৰা দেউতাই মোক নামাতে,
আনকি কাৰো লগতো,
ঘৰ এৰি গুচি গ'ল তেখেত।
সেই যে গ'ল, আজিলৈ উভতি নাহিল, নাহিব কেতিয়াও।
তাই ইমান নিষ্ঠুৰ!
নাম তাইৰ মৃত্যু! মৃত্যু!!
*(লিখক স্নাতকোত্তৰ, কলা শাখা, চুড়ান্ত বৰ্ষ, আৰবী বিভাগৰ ছাত্ৰ।)*

**পবিত্ৰ আল্লাহৰ গুণাগুণ সম্পৰ্কে**
*কবি ঃ আবুল আতাহিয়া*
*আনুবাদ ঃ গুলমেহেৰা বেগম*

আমাৰ প্ৰভু মহান, তেওঁ সকলো বস্তুক আবৰি ৰাখিছে
তেওঁ কেনো গোপনতা নোহোৱাকৈ মৰ্যদাশালী হৈ আছে।
সমকক্ষ আৰু সাদৃশ্যৰ ক্ষেত্ৰত আমাৰ প্ৰভু মহান।
প্ৰকৃতপক্ষে তেওঁ সকলো দানশীলৰ ওপৰতেই শ্ৰেষ্ঠ।
তেওঁ গোপন বিষয় জানোতা আৰু দুখ কষ্ট মোচনকাৰী।
তেওঁ শেষ বিচাৰৰ দিনাখনো দোষীৰ দোষ মাৰ্জন কৰিব।
তেওঁৰ দুৱাৰ মুখত কোনো ভেদাভেদ নাই।
তেওঁ পৃথিৱীৰ সকলো সৃষ্ট প্ৰণীৰেই প্ৰৰ্থনা শুনোতা
হে অমনযোগী সকল, তোমালোকে তেওঁৰ ওপৰত আস্থা আনা
আৰু তেওঁৰ দান-উপহাৰবোৰ গ্ৰহণ কৰি সৌভাগ্যশালী হোৱা।

*(অনুবাদিকা উ. মা. দ্বিতীয় বৰ্ষ, কলা শাখাৰ ছাত্ৰী।)*



পাৰ্চী কবিতা

# ৰুবায়েত

***কবি— ওমৰ খায়য়াম***
***অনুবাদ— মিছ নজৰানা চৌধুৰী***

(ক)
মোৰ চেহেৰা যদিও অতীৱ ধুনীয়া,
আৰু মুখখনি লালা ফুলৰ নিচিনা
শৰীৰ মোৰ দেৱদাৰুৰ নিচিনা
কিন্তু মই নাজানো মাটিৰ সঙ্গীতালয়ত
মোৰ বাবে মৃত্যুৰ দেৱতাই
কি ৰাখিছে সজাই।
(খ)
অতীতক তুমি পাহৰি যোৱা,
ভৱিষ্যতক লৈ অভিযোগ নকৰিবা,
অতীত, ভৱিষ্যতৰ ওপৰত ভৰষা নকৰিবা
বৰ্তমানটোক লৈ সুখী হোৱা
জীৱনটোক বিনষ্ট নকৰিবা।
(গ)
আকাশচুম্বী সেই ৰাজপ্ৰাসাদ
য'ত বহিছিল ৰজা আৰু পৰিষদ
তাৰ গম্বুজত আজি দেখিলো
কপৌ চৰায়ে কু-কু কৈ ৰুণ দিয়া।
(ঘ)
হে কুমাৰ! যদি তুমি জ্ঞানী হোৱা
(মোৰ কথালৈ) কাণ দিয়া, তুমি কেতিয়ালৈকে
মানুহৰ বোকাত আত্মাৰ অপমান কৰিবা?
ৰজা ফৰিদুনৰ আঙুলি আৰু কৈখশ্ৰুৰ হাতৰ
তলুৱা তুমি আকাশত তুলিছা,
এতিয়া তুমি কি ভাবিছা?

*(অনুবাদিকা উ. মা. দ্বিতীয় বৰ্ষ, কলা শাখাৰ ছাত্ৰী।)*

বড়ো কবিতা

## অ’ মোৰ কলেজ

*টি.ডি. হেৰেম্বেশ্বৰ বসুমতাৰী*

মই দৌৰি আছোঁ— অন্ধকাৰৰ পৰা পোহৰলৈ
দিন-ৰাতিৰ চিন-চাব নাই
বতাহ, বৰষুণৰ লগত যুঁজদি
বৰনৈ-সৰুনৈ সাতুঁৰি-নাদুৰি
জংঘলৰ মাজত বাঘ আৰু হাতীৰ লগত যুঁজি
মই অন্ধকাৰৰ পৰা পোহৰলৈ দৌৰিছোঁ
ঠিক এনে ক্ষণত দৃষ্টি মোৰ তোমাৰ ওপৰত
মোৰ বাটত— এইয়া মোৰ কলেজ
মই তোমাক পালোহি
—অ’ মোৰ কলেজ।

## O Angni College

*T.D.H. Basumatary*

Ang kardong, ang daugalandong
San hor nasoinanoi
Ang daugalandong
Bar hunkha juginanai
Daima daisa sausinanai
Hagra gagerjong daugalandong
Mosa maider jong juginanai
Ang daugalandong
Oblano, horkabhai nuhorbai ang
Angni lamayao
Beno boi angni college
Ang nongkou monbai
O Angni College



## बार-हावा

दाउद चन्द्र बोरो

दिनैसो मोनथिबाय आं
बार हावानि ओंथिखो,
बेसेबांबा फाराख दङ’
बै गुदिसालियाव फरायना मोन्नाय।
आरो दा बुजिना मोन्नयजो।
हाबाब! हाबाब! बे बारा बबेरनिफ्राय फैयो?

बेसेबांबा गुदुं आरो
बेसेबांबा मिथाउ बाथाउ,
गोजा गाबनि दै-बार जों बुंफबनाय
जेब्लाबो बोहैयो थैनि बाना।
हाबाब! हाबाब! बे बार दैया बबेनिफ्राय फैयो?
थारैनो देंसोबांबा फाराग दङ’
बै गुबुन रायजोनि बार-हावाजों।
हाबाब! हाबाब! बे रायजोनि बारहावाया
मानो एसेबां फाराग?



थारैनो मुगैबाय आं,
गिनाय मोनबाय आं बे बारखौ जानो;
बे रायजोआव थानो।
आंल’ नङा जानो हागौ
गोजोन आरो अहिंसा सिबिग्रा बयबो।
जेब्लाबो बारहुँखा, अखा-बांखा
आरो सारन्थायजो बुंफबनाय,
बे रायजोनि गेजेरजों उदाङै दाउबायनाया हेंथा
दंफां लायफांनि बिलायफ्रा सिरिस्र’ जोबबाय,
दैजों बुखारजाबाय;
इउननि मिजिङा फैमाल जाबाय।
हाबाब! हाबाब! बेसेबांबा गुबुंले जाथार बाय
बे रायजोनि बारहावाया।
सान्ना मोनाखैसै आं
खोर फोसाबगोन बे गुबुंले दैखौ!

## आंगो

भिक्टर नार्जारी

*एइस एस (सेथि बोसेर)*

“अनसूलि आखुजों बिलिरलिया आं नोंखौ,
मिलौदो गारांजोंबो लिंलिया आं नोंखौ।”
हनै बुंदोंसै बरातआ बड़’ हारिखौ
“ हरखाबाय नोंनो आं लोंनि मोन्नांगौखौ।”

हाबाब सान्नो रोङा जोङो दाबो मानो?
सानबाय नामा मेजेनखा दावहाखौनो नांबाय थानो?
आनज्ञायबाय! थार नंगौ लामाखौ नागारबाय।
गोर्बोनि मिजिं-देम्फ’खौबो खोमोरनो हमबाय।

नासयलायनायनि बारहुंखायाव जोङो बुब्थिंजाबाय,
आरो बेखौ नुनानै सुथुरा माथो हाजिग्दावबाय!
गारबाय फैलाव नब्थिआव अनज्लायनायजों थानो,
आरो फोजोबस्रांबाय एना-एनिजों गाव- गावखौसो।

मेगना नोंनि खाना नामा - माथो नोङो नुलिया,
सान्नाया नोंनि जोब्बाय नामा - माथो बुजिरोंलिया।
फैदो बयबो, लादो लोगो बोस्रांनो बे गेदेर सुनि-
नाजामि जोंनिखौ खालामनो गोजोन्नि फुरि।

[illegible]

তাই ভাষাৰ কবিতা

# আই ছিং লাও

*—চাও ভাস্কৰজিৎ নেওগ*
*দৰ্শণ বিভাগ, স্নাতক তৃতীয় বৰ্ষ*

চাও নূৰূ চাও কা ঐ, চাও নূৰূ চাও কা ঐ
চাও নূৰু চাও কা ঔ
ফা তু ছিঙ ফ্ৰং হম, ফা লাই বেত, ফা পিন বেত
ফা ফুৰা তাৰা আলং ছিকি আ ৰানি পান
বঞ মৌ চাও কা ঐ।। চাও কা ঐ

পাক পেঞ কাকা ছন চেউ খাম ভয় মা লুঙ মুড
নাম না; ঐ।। হেউ পাঙ মুত্ত ছি খ্রিং থাও দুপ মা ফুৰা
ঐ মূ মূন বু মুন ছেঞ জিনাং লুক ইং
খু বঞ মৌ চাও কা ঐ।। চাও কা ঐ
আই কে খেঞ ঐ, আই কে মাম ঐ আই ছাঙ ছিঙ ঐ
মছিঙ ফা মলাও শ্ৰী ম পুজাকজি জাছিংফা
ছেঙ মাম ম থাও ৰাংৰাও কন তুন মান ছাম
ম মুঙ বাই জীম কন থুক টাঙ লাই কঞ মৌ
চাও কা ঐ চাও কা ঐ
চাও ফুৰা আ, কা ৰূ লেঙ ঐ পুক ৰূ লাই কে
ছী প্লাও নাই যাও চাও অৰা আলঙ ঐ।। ছাও ছিকিআ
আলং ঐ।। মন হুঙ ফুৰা ৰুানি পান বঞ মৌ
চাও কা ঐ, চাও কা ঐ।।
নূ তে মুঙ ছিত ছান মা মুপ মা বঞ
তু ভেন চিত ছান নাম লালা ক মে লান
মা মুন মা বঞ চাও কা ঐ।।





# প্ৰাৰ্থনা

*—চাও ভাস্কৰজিৎ নেওগ,*

মূৰৰ ওপৰত থকা গৰাকী ঐ, তুমি স্বয়ং সম্পূৰ্ণ
তুমি সকলোকে আৱৰি আছা, তুমি চত্যৰ্ণ্য
তুমি সকলোতে বিয়পি থাকিও যেন
ক'তোৱেই নাই। তোমাৰ পৰাই সকলো
বৈ আহিছে, তুমিয়েই সকলো কৰিছা।।

হে ফুৰা তাৰা তুমি মহীমায়ী তোমাক সাষ্ট্ৰাঙ্গে প্ৰণাম জনাইছো
তোমাৰ মুখৰ অমৃত বাণীবোৰৰ পৰা যিবোৰ স্বয়ংসম্পূৰ্ণ
আহি ওলালে, সেই সকলো বিলাক সৃষ্টিলৈকো প্ৰণাম জনাইছো
হে মহৎ আৰ্হিবোৰৰ স্ৰষ্টা, হে মহৎ বাণীবোৰৰ স্ৰষ্টা, হে শব্দৰ সৃষ্টি
কৰোতাঁ
হে মহান পণ্ডিত লাওস্ৰি পূজাকজী হে পণ্ডিত জাচিংফা,
হে মহীমাময়ী তাহানিৰ তিনি দেশৰ পণ্ডিত তথা সতি সন্ততি
সকল তোমালোককো সাষ্ট্ৰাঙ্গে প্ৰণাম জনাইছো।।
হে শন্তলোকৰ সৃষ্টিৰ গৰাকীসকল, সাগৰ মহাসাগৰৰ
সৃষ্টিৰ আদিলোক তোমালোককো সাষ্ট্ৰাঙ্গে প্ৰণাম জনাইছো।।

*(টোকাঃ এই 'আই ছিঙ লাঔ' টো তাই আহোম সকলৰ পৰম্পৰাগত ধৰ্মীয় অনুষ্ঠানত পৰিৱেশন কৰা হয়। এই প্ৰাৰ্থনাটো আহোম সকলৰ অতি মৰমৰ, অতি আদৰৰ। কিন্তু কালৰ কুটিল গতিত এতিয়া প্ৰাৰ্থনাটি জহিব ধৰিছে। এই প্ৰাৰ্থনা সংগ্ৰহ কৰি অনাত বিশেষভাবে সহায় কৰিলে চাও চঞ্চশ কোৱঁৰে।)*

মিচিং কবিতা

# প্ৰণাম সূৰ্য-চন্দ্ৰ তোমাক

— গকুল দলে
উঃ মাঃ দ্বিতীয় বৰ্ষ

প্ৰণাম সূৰ্য তোমাক
প্ৰণাম চন্দ্ৰ তোমাক
মাটি-পানী সমস্ত
সৃষ্টি কৰ্তা তোমাক।

সূৰ্য মাতৃ তুমি
চন্দ্ৰ পিতৃ তুমি
তোমাৰ নোহোৱা ঠাই নাই
তোমাৰ নথকা স্থান নাই।

তুমি বিচৰা কৰ্মক
আমাক সৰ্বদা কৰিব দিবা
তুমি বিচৰা বাটত
আমাক নিতে যাব দিবা।

বাঘ-ভালুকৰ দৰে
কালি আমি আছিলো
অন্য এখন পৃথিৱী
আছে বুলি আমি নাজানিছিলো।

আজি সাৰ পাই দেখিলো
এই যে মৰ্ত ভূমি
সবাকে মৰম দি আছা
সূৰ্য-চন্দ্ৰ তুমি।

তুমি দয়াৰে পোহৰাই ৰাখা
এইখন পৃথিৱীক
তোমাৰ মৰমেৰে বিকশাই দিবা
সমস্ত প্ৰাণীক।





## KUMDUNG DO:NYIPO:LO NOM

*Gokul Doloe*

Kumdung Do:nyi nom
Kumdung po:lo nom
Among-asi takamscm
Pvlen binc nom.

Do:nyi anc no
Po:lo abu no
Nok Kamangko Kamang
Nok du:mangko Kamang

Nok Ka:yumsunam agercm
Ngolum lo:dvpc germotcika
Nok mc:yumsunam lamtcm
Ngolum aginpc gvmotcika.

Sumnyo-situm dungkampc
Mclo ngolu du:tungai
Angun pvang amongko
Dung cmla kinmangai.

Silo kinsul ka:namc
Sc: amo:so
Takamcm ascng bil dung
Do:nyipo:lo no.

No aya:la kampomotvtci
Sc: amo:scm
Nok asc:lok pu:po-jarpomotvtci
रोज सुबह होती है। मगर मेरे जीवन में.... नया कुछ भी नहीं। हाँ, आज 5 नवम्बर है, वही दिन जो हर साल मेरी आँखों में आँसुओं का सैलाब ले आता हैं। आज, वो यादें फिर आ गईं। किसी डरावने पिशाच की तरह मुंह खोले मेरे सामने खड़ी है और मैं लाचार खड़ी इसे देख रहो हूँ। इसी दिन मैंने मृदुल को खोया था। वही मृदुल जिसके साथ मैंने आँठ सालों की प्यार भरी दोस्ती निभाई थी। मृदुल मेधी, जो रुक असमीय लड़का था, कॉलेज में मेरे दाखिले के कुछ महीनों बाद से ही मेरा दोस्त बन गया। मेरी और मृदुल की दोस्ती बहुत अच्छी और पककी थी। हम साथ-साथ कॉलेज आते, मिलते और अन्य दोस्तों के साथ, हम भी घंटो बातें करते थे। समय बीतता रहा और हमारी दोस्ती गहरी होती रही। इतनी गहरी कि मृदुल का हर दु:ख, मुझे अपना लगने लगा और उसकी हर मुस्कान से मेरे होठीं मे मुस्कान आ जाती थी। कॉलेज में ऐसे ही हमने अपनी दोस्ती के साढ़े चार साल बीता दिए। मेरी सहेंली तनुजाका कहंना था कि सैं मन हो मन मृदुल को चाहते लगी थी और मृदुल मुझे। लेकिन मैंने कभी भी उसकी बातों पर गौर नहीं किया। पर आज जब मै पीछे मुड़के देखती हुँ तो लगता है कि कितनी सही थी तनुण। वो दिन मुझे आज भी याद है.....। हमारी परीक्षा करीब थी और क्लास बहुत कम हुआ करते थे। मैं उस दिन किसी करणवश कँलेज जल्दीपहुँच गई। बहाँ जाकर देसा की मृदुल पहले हो पहुँच चुका था। ये देखकर मुझे बड़ा आश्चर्य हुआ। क्योंकि कँालेज छात्रांवास में रहने की वजह से वह हमेशा क्लाश के 2 मिनट पहले पहुँचता था। मैंने उससे जल्दी आने की वजह पूछा। इसके जवाब में उसने ठीक वही कहा जो तनाज हमेशा से कहती थी। मैं भी अनजाने में सही, लेकिन मृदुल को चाहने लगी थी। मैं अच्छी तरह जानती थी कि वो असमीया था और मै पंजाबी और शायद हमारे रिश्ते को स्वीकृति न मिले। चाहते हुए भी मैं इस रिश्ते से मुंह न मोड़ सकी। और ऐसे शुरु हुइ हमारी प्यार भरी दोस्ती। हमारे बारे में मेरी माँ को पता था, लेकिन मैं पिताजी को कहने की हिम्मत न जुटा पाइ।

मेरी पढ़ाई पुरी होने के साथ-साथ, गुवाहाटी एक बड़े स्कूल में मुझे शिक्षिका की नौकरी मिल गई। वहाँ जोरहाट में मृदुल को किसी 'जुनियर कॉलेज' में नौकरी मिल गई। सबकुछ ठीक चल रहा था। लेकिन इसी बीच पिताजी के बचपन के दोस्त, मेहता अंकल दिल्ली से अपने बेटे विनय के लिए मेरा हाथ मांगने गुवाहाटी पहुँचे। इस रिश्ते से पिताजी बहुत खुश थे। इतने खुश कि मानो उनका पुराना कोई सपना सच होने जा रहा हो। ऐसे खुशी के वातावरण में मैंन हिम्मत जुटाकर मृदुल के बारे में पिताजी से सब कुछ कह दिया। मुझे आज भी याद है वो क्षण जब मैंने उनकी आँखों मे, उनके सपनों के घरौदे को टूटते हुए देखा था। लेकिन इस बात में उन्होंने अपनी नाराजगी मुझे शायद एसलिए नहीं दिखाई क्योंकि उन्होंने स्वंय एक मराठी महिला से बिवाह किया था। मेरी माँ एक मराठी परिवार से हैं। परिस्थिति से समझौता करते हुए पिताजी ने जीरहाट जाकर मृदुल के पिताजी से हमारी शादी को बात करने की ठानो। वहाँ जब पिताजी मृदुल के परिवार से मिले, तो उन्हे बहुत निराशाजनक प्रतिक्रिया मिली। मेधी परिवार ने यह कहकर शादी के लिए मना कर दिया कि वह अपने बेटे की शादी किसी अन्य जाति की लड़की से कभी भी होने नही देंगे। इस अपमान से क्रोधित होकर पिताजी ने घर आकर मुझे अपना अन्तिम फैसला सुनाया। ऐसा फैसला जिसे सुनकर मेरे पैरों तले से जमीन खिसक गई। उन्होंने मेरो शादी विनय से पककी करदी। वो विनय जिसे मै. जानती तक नही थी। वो विनय जिसका व्यक्तिव मुझसे बिल्कुल आन्जाना था। शादी की तैयारियाँ जोरों पर थी। बड़ी मिन्नतों के बाद मझे मृदुल से मिलने की अनुमति मिली।

हम आखरी बार मिले कॉलेज कैंटीन में। वो 5 नवम्बर का दिन था। आँखों में आँसु लिए हम बिछड़े....... हमेशा के लिए।

क्या कुसुर था हमारा? सिर्फ इतना की मैने एक पंजाबी परिवार में जन्म लिया और मृदुल ने एक असमीया परिवार में। भिन्न जातियों में जन्मे लेने की इतनी बड़ी सजा।

वो दिन था और आज का दिन है। इन सालों में मैं मृदुल से कभी नहीं मिली। न जाने वो कैसा होगा, कहाँ होगा......? मेरा जीवन तो जीवन तरह विहीन किसि वृक्ष की हो गया है जो मखभूमि मे खड़ा उन दिनों को याद कर रहा है जब इसकी हर साख और टहनी हरी थी। अब तो मेरी आँचल में यादे है...... बस यादें। ऐसे ही खत्म हो गई......... एक और प्रेम काहानी।

# शुन्यता

*- ऋता भट्टाचार्जी*
*हिन्दुकलेज, दिल्ली ( प्राक्तन कटनियान )*

हवा में एक अजीब सी गुदगुदी है,
मेरी चेतना को सिहरित करती है,
मुझे विवश करती है
तुम्हारे अस्तित्व की कल्पना करने को
ऊपर आकाश में
जो बादल मंडरा रहे हैं, उन्हें देखकर
कहीं तुम्हारे मन में भी
किसी अज्ञात से सिलन का मधुर स्वप्न
अंगड़ाइयाँ भरता होगा,
अथवा,
यह चिंता तुम्हारी ललाट पर रेखा बनकर
तम्हारे भ्रकुटियों को संकुचित करती होगी
की आज बर्षा के प्रथम समागम में
किसी के पायल की झनकार है,
जो संज्ञाहीन हीदय पर
तबले कौ ठाप बनकर
नृत्य कर रही है;
दूर क्षितिज पर
अस्तगत सूर्य की अंतिम रश्मि
जब चराचर के
रक्तिम व्याकुलता से भरती है,
तब तुम भी मेरी तरह
उस किरन से प्रश्न करते होगे,
कि उस आंतरिक तृष्णा का आधार क्या है ?
कभी तुम भी रात की निस्तब्धता में
छत पर एकाकी तारों का
कोलाहल अनुभव करते होगे;
शरद के सुखे पत्तों की खड़खड़ाहट की
किसी के पदक्षेप कि ध्वनि समझकर
खिड़की के बाहर झाँकते होगे;
पुरानी डायरी के पन्ने उलटकर
व्यथा के भंड़ार का सार
शब्दो में ढालकर
कविता की सृष्टि करते होगे,
और हवा की गुदगुदी जब
तुम्हारे मन को विचलित करती हो,
तब
मेरे अस्तित्व की
कल्पना करते होगे।



# मधुर स्मृति

*- गोपाल देब*
*डिग्री प्रथम बर्ष, आर्थशास्त्र*

मेरे इस ह्रदय-पटल पर
तुम्हारा वो मधुर स्पर्श अपने नैन-बाणो से
वो तुम्हारी मनमोहक हँसी,
मेरे इस मन-मन्दिर मे गुजती हुई
तो तुम्हारे होठो की लाली युक्त मद मुस्कुराहट,
मेरे इस भावनाओ के सागर मे व्याकुल तरंगे उत्पन्न करती हुई,
मुझे आज भी स्मरण हो आती है।

तुम्हारी इस अनुपम काया का सौदंर्य
मेरे इस ह्रदय-पटल पर चंद छावों की प्रसन्नतायथी लहरीं की लिए हए,

तुम्हारे इस मधुर स्मृति में
कटते ये मेरे रात दिन
तुम्हारे लिए ही व्याकुल,
मेरे इस ह्रदय की पीड़ा तथा जोर जोर से चलती ये साँसे,
मुझे आज भी स्मरण हो आती है।

तुम्हारी ही इन प्रेममयी यादों में,
मेरा खोया रहना
तुम्हारे स्नेहमयी वरदान की प्राप्ति हुए
मेरा निस्त संबर्ष शील रहना.
तुन्हे सोचकर,
मेरे इन आँखो मे प्रेम के आँसुओं का छलक आना
मुझे आज भी स्मरण हो आती है।

तुम्हारे इस मुख चंद के दर्शन की आस मे,
मेरा रात-दिन उव्दिग्न होकर करवटे बदलकर गुजारना
मेरे इस यस्तित्क मे कयामत का तुफान ऊपन्न करते,
रात भर सुबह के इन्तजार की व्याकुलता
तुम्हारे इस चंद्र मुख के दर्शन मात्र से ही
मेरे इस ह्रदय कमल का खिल उठना
ये मेरे भुली विसरी स्भृतियो का ही एक आश है।
जो मुटो आज भी स्मरण हो आती है।

# ये कुछ कविताएँ

-- *नन्दिनी भट्टाचार्या*

ये कुछ कविताएँ है मेरी
इन्हे किया है तुम्हारे नाम और शायद,
भेजा है इनके हाथो तुम्हे कोई पैगाम।।

कविता नहीं कोई अनजान दर्द है यह
सीने को छलनी करके दर्द जो कागज पर उतर आया;
दर्द, जो तुमसे मिला और बना मेरे जीवन का साया॥
अरकों से भोगे शब्दों की अरसी मे दखो; प्रतिबिम्ब तुम्हारी
दर्द के बोझ तले दबे शब्दो में सुनी : प्रतिध्वनि तुम्हारी
ये कुछ कविताएँ है मेरी, कविता नही कोइ अन्जान दर्द है ये।
तुम जब भी मेरे सामने आये
विरह की अनुभुति मेरे दिल मे लाए।
होठ सी गए, मेरे अरक बह गए, पर जो दर्द थे मेरे,
वो अरको की सियाही से बहकर, पतझड़ के सुखे शाख को तरह,
मह कविता बन गए।
नवाड़ है लोगों ने इन्हें कितने ही खिताब।
पर कोई नहीं सका इनके भावनाओं को भाव, तोलो मैं कहती हू यह
कुछ कविताएँ है मेरी कविता नहीं कोई अन्जान दर्द है यह॥
किसी पागल कवि की कल्पना समझ कर तुम,
उड़ा देना इन्हें कोई आवारा पवन की झौके में;
शायद यह दर्द उड़ जाए।
या फिर बेजान शब्दो देका टेर समझ कर तुम,
रख देना इन्हे किसी धूल भरी कोने में;
शायद यह दर्द धुल तले दब जाए।
या तो फिर दफन कर देना इन्हें तुम,
किसी बहती नदी के दिल मे , शायद यह दर्द पिघल जाए।
मैं रखना नहीं चाहती इन्हें अपने पास
इनसे होती है, मुझे बस दर्द- और दर्द का अहसास
तुम से नहीं कोई शिक्वा मिला
तुम से शुरु किया था, तुम्ही से खत्म करती हूँ
यह दर्द का सिलसिला॥
यह कुछ कविताएँ है मेरी, कविता नहीं कोई अन्जान दर्द हे यह॥







# इंतेजार

- *सोनिका बक्शी*
*उ. मा. 2 वर्ष*

समुन्दर
तन्हा सी खामोशी ओढ़े,
चाँद का आईना बने हुए,
अपने लहरों के शोर से,
अपने सीने में उठ रहे तुफान को दबाए,
न जाने कब से खड़ा है।
वक्त का हाथ थामे अपनी राहों को,
कई अन्जाम तक पहुँचाया है।
ये आस लगाए बैठा है।
कि कब एक सुसाफिर आएगा,
अपने नकशेकदम छोड़ जाएगा,
और पुरानी यादों का मौसम बतौर तोहफा दे जाएगा,
मैं भी एक समुन्दर की तरह हूँ,
खामोश हूँ, मगर अफसोस है कि जिन्दा हूँ।



# এটা ভাল লগা গল্পৰ এফাল

*— আকাশী তৰা*

ক'ত আৰম্ভ হয় জীৱন? মাতৃৰ গৰ্ভত, কৈশোৰত, যৌৱনত নে জীৱনৰ বিয়লি বেলাত, হঠাৎ যদি মোৰ ভগৱানে আহি কয়হি " "আকাশীতৰা" এটা বৰ দিব খুজিছো "অতীতৰ কিছু দিন ঘূৰাই দিম" 'ক' কোনখিনি দিন লাগে। তপৰাই কম 'কটন কলেজ, কটন কলেজৰ দিনবোৰ - বিনাদ্বিধাই! —

" কটনৰ এখিলা পাত", এখন উপন্যাস মই আৰম্ভ কৰিছিলো শেষ হোৱা নাই, কেতিয়াবা হ'ব, গন্দগোল লাগি যায়, ভিতৰখনত হুলস্থুল লাগি যায়, ভিতৰখন। ক'ৰ ক'ৰ পৰা আৰম্ভ কৰো-জীৱনৰ আটাইতকৈ সোনালী দিনবোৰ, ক'ৰ পৰা? কটন তেতিয়া আছিল এটা সপোন, এতিয়াও কটনৰ আগেৰে পাৰহৈ গ'লে খণ্ডিত বুকু ভৰি যায়, ঈৰ্ষা ওপজে পঢ়ি থকা কটনিয়ান বোৰলৈ, মনে মনে কওঁ, কি জানা তোমালোকে? কিয়েই বা জানা? "এই কটনখনত আমাৰ ৰাজ আছিল, আমাৰ ৰাজ"—

তেতিয়াৰ কথা মনত পৰে- ১৯৮৪ চনত মই আছিলো শ্ৰেষ্ঠ কটনিয়ান, শ্ৰেষ্ঠ- অভিনেত্ৰী, আবৃত্তিকাৰ, ঠিতাতে লিখা গল্পকাৰ— মুঠতে চব শ্ৰেষ্ঠ, ইঞ্জিনিয়াৰিং, মেডিকেলৰ লৰাবোৰ জাক পাতি পাতি ফাংচন চাবলৈ আহিছিল.....।

পাপাই সৰুতেই কৈছিল—"ভালকৈ পঢ়, ডাঙৰ হ'লে কটন কলেজত পঢ়িবি"। পঢ়াত ভাল আছিলো যদিও প্ৰথম ২য় হোৱাতকৈ বাসনা আছিল কটনত পঢ়া, সেয়ে মেট্ৰিকৰ ৰিজাল্ট চাবলৈ যাওঁতে ভয়তে কঁপিছিলো— কি হ'ব যদি কটনত পঢ়িবলৈ নাপাওঁ, তাত প্ৰথম হোৱা কথাটো আছিল গৌণ—। শান্ত, শিষ্ট, নিৰ্দোষ, দুৰ্বক, জেদী এনেকুৱা কিছুমান গুণ-দোষ লৈ ভৰি দিছিলো তেতিয়াৰ 'ইউনিয়ন হ'ল'ত। বহুদিনৰ মূৰত গুৱাহাটীলৈ আহিছিলো— কোনোবাই চিঞৰি দিছিল মোৰ নামটো নামভৰ্ত্তিৰ বাবে মাতোতে—'আকাশীতৰা' বুলি— লাজত, ভয়ত মঞ্চ পাইছিলো গৈ— তাৰ পিছত C-G-2 এতিয়াৰ কনকলতা ছাত্ৰী নিবাসত ৰেগিঙৰ পৰ্ব— কপাললৈ হাত তুলি ৰাতিপুৱা ৰাতিপুৱা পাহাৰ বগোৱাদি বগাব লগা হৈছিল হোষ্টেলৰ চিৰি— বাইদেউবোৰক "সুপ্ৰভাত- এইয়া আপোনাৰ চাহ" বুলি কৈ ব্ৰেকফাষ্ট দিবলৈ— কলেজৰ ষ্টেজ ৰেগিঙত জয়ন্ত দাস (অভিনেতা),সুৰজিৎ গগৈ হ'ত আছিল প্ৰধান, মোক সিহঁতে বিহু নচুৱাইছিল...। পাপাই লিখিছিল চিঠিত কেৱল পঢ়াই নহয়— শিৱসাগৰৰ দৰে সাংস্কৃতিক কামবোৰো কৰিবি— নভবাকৈয়েই সোমাই গৈছিলো নাটকত, কবিতাত, আবৃত্তিত........।

তপন দাস, এতিয়াৰ ব্যস্ত প্ৰশাসনিক বিষয়া,—তেতিয়াৰ তৰ্ক সম্পাদক, মেখেলা চাদৰ পিন্ধাকলৈ বিতৰ্ক- ভৰ্ত্তি ইউনিয়ন হল। আন্দোলনৰ ভৰপক বিদেশীখেদা আন্দোলন, অক্সফোৰ্ডত নাম কৰা "মিনাক্ষী বাইদেউ"ৰ সৰু 'মোপেট' খন মনত আছে। সদায় শাৰী পিন্ধি অহা বাইদেৱে মঞ্চত কৈছিল "ল'ৰাবোৰৰ বাবে কি নিয়ম থাকিব? টাইট জিনচ্ পিন্ধিব নোৱাৰিব কিন্তু" — আমি প্ৰতিবাদ কৰিছিলো কথা দিছিলো মেখেলা চাদৰ পিন্ধিম বুলি আৰু তাকেই কৰিছিলো— ৰিহা-মেখেলা পিন্ধাৰ বাবে সুৰক্ষিত হ'তে মোক জোকাইছিল "ৰিহামাই বুলি" আৰু কটনৰ কৰিডৰত পিছফালৰ পৰা জোকাইছিল "আকাশীতৰা অ'.... মাতিবলৈকে ভয় লাগে গহীন দি থাকে..." ইত্যাদি।

চিৰিয়াচ কটনিয়ান আৰু ব্যস্ত কটনিয়ান বুলি মৃদুলা শৰ্মা আৰু মোক লগৰবোৰে ঠাট্টা কৰিছিল— আমাৰ অৱসৰ আছিল ক'ত ভবাৰ— বাটলুগুটিৰ দৰে তৰ্ক, কবিতা আবৃত্তি, কলেজ উইক, ইউনিভাৰ্চিটি উইক, এইবোৰ কৰি ফুৰোতেই গৈছিল— আৰু কলেজৰ ক্লাছবোৰ, নবকান্ত বৰুৱা ছাৰৰ শেষ বক্তৃতা— ইংৰাজীৰ শ্ৰেণী। ধূতি-পঞ্জাবীৰে দীৰ্ঘকায় হেম বৰুৱাৰ দৰে বসন্ত বৰুৱা ছাৰ— আৰু ক্লাচত কথা পতা বাবে থিয় কৰাই থোৱা প্ৰদীপ আচাৰ্য্য ছাৰ— অৰ্থনীতিৰ আমাৰ আটাইৰে মৰমৰ "দিলীপ বৰুৱা ছাৰ" — মন যায় নাযায় কথা নাই কিন্তু চাৰৰ ক্লাচ আমি কোনেও খতি নকৰিছিলো। ৰাজনীতিৰ চাজিদা বাইদেউৱে এবাৰ ভূমিকম্পৰ সময়ত ক্লাচৰুমৰ পৰা দৌৰি মাৰিলে মোক খুন্দা— আৰু দিলো হাঁহি— জীৱনত প্ৰথম বাৰৰ বাবে আমি আটাইবোৰে হাঁহি দিলো গহীন বাইদেউৰ মুখত হাঁহি দেখি। অৰ্থনীতিৰ "B.R.B.", "ৰহমান ছাৰে" বক্তৃতা দিলে দুষ্ট ল'ৰাবোৰে কৰা বদমাচি... M.I.L. ৰ যমুনা বাইদেৱে ক্লাচ ল'লে ভাল পোৱা আমিবোৰ, পৱন বৰুৱা ছাৰ, লজিকৰ মেধি ছাৰৰ "সকলো কুকুৰ হয় জন্তু" আৰু কিমান যে স্মৃতি— ঠিক উপন্যাসেই ঠিক হ'ব।

পৰাগ দাসক পাইছিলো "All Guwahati Debators Guild"ৰ সদস্য কৰি— কম সদস্যৰে হোৱা সভাবোৰত পৰাগ দাই কথা ক'বলৈ উৎসাহ যোগাইছিল আৰু আছিল "অৰূপ জ্যোতি চৌধুৰী" মোৰ সকলো কাৰ্যতে— বিশেষকৈ সৃষ্টিমূলক কাৰ্যত আমাৰ সকলোৰে অভিভাৱকৰ দৰে। তেতিয়া মনোৰঞ্জন শৰ্মাৰ কবিতাৰ কেচেট- প্ৰতিবাদৰ কণ্ঠত আমি আবৃত্তি কৰিছিলো। আৰু অসমৰ প্ৰথম V.D.O. ৰেকৰ্ডিং হৈছিল ইউনিয়ন হ'লত ৰাতি দুপৰলৈকে— আমি খিৰিকিবোৰ ক'লা কাগজ লগাইছিলো পোহৰ আহিব বুলি। সেই কেচেটটো এতিয়াও মোৰ মনত আছে— আমাৰ " Principal চাৰ " গোবিন্দ ডেকা, চাৰৰ তেনেই সাধাৰণ সাজ-পোছাক, বিখ্যাত কেনভাচ জোতাজোৰ চাৰৰ ধেমেলীয়া ব্যক্তিত্ব— এইবোৰ উখল মাখল লগোৱা স্মৃতি ভৱিষ্যতে কি হ'ব বুলি আমিবোৰে ভয় খাইছিলো—কবিতা, এনিশা, মধুমিতা, অঞ্জলী, শিশিৰকণা, আমিবোৰে এতিয়াও লগ পাই থাকো— ৰাজু, মুকুট, পুলকেশ— কিমান যে বন্ধু আছিল.....। আমাৰ আবৃত্তিৰ দলটোৰ ৰাজু(অনুপজ্যোতি চৌধুৰী) এতিয়াও মোৰ নলে গলে লগা বন্ধু আৰু গিটাৰিষ্ট কল্যাণ, মুম্বাইৰ বিখ্যাত গিটাৰিষ্ট কেলি। বিজয়ানন্দ দুৱৰা মুম্বাইৰ কেচেট জগতৰ জন্মদাতা বিজয় দুৱৰা—, তপন দা প্ৰশাসনীয় বিষয়া—

কটনতেই মোৰ প্ৰেম হৈছিল। দুৰ্দান্ত, ঘটনাবহুল আৰু এই প্ৰেমৰ দায়তেই গ্ৰেজুৱেত নহওতেই বিবাহো হৈছিল— কিন্তু ঘূৰি আহিছিলো আকৌ এম. এ. কৰিবলৈ। কটনৰ মোহবোৰ একেই আছিল, লগবোৰ নাছিল..। বাৰান্দাত বহি মনত পেলাইছিলো কটনৰ দিনবোৰ... প্ৰশান্ত চাংমাই নামৰ বন্ধু এজন আছিল— আমিবোৰে কবিতা লিখিছিলো...। সি এতিয়া পুলিচ বিষয়া— আৰু কিমান যে প্ৰেমৰ মুখৰোচক ঘটনা...। কটনে মোক বহুত মৰম দিছিল— ঘটনাবহুল জীৱনৰ দিনবোৰ আজলী ছোৱালী এজনীৰ আগত মেলি দিছিল। সেই অভিজ্ঞতাবোৰেৰেই এতিয়া ধনী মোৰ জীৱন... হোষ্টেলত শুনিছিলো— সম্পৰ্কৰ বহুতো গোপন ৰহস্য— দেখিছিলো ব্যক্তিগত ঈৰ্ষাৰ ৰাজনীতি,— কটনৰ নিৰ্বাচনত 'চি.জি'ৰ ওপৰৰ পৰা বিজয়ী প্ৰাৰ্থীৰ মূৰত ঢলা বাল্টি বাল্টি পানী—। উহ্ কিযে বৈচিত্ৰময় দিনবোৰ— প্ৰতিটো ঘটনাই গল্প, প্ৰতিটো চৰিত্ৰই গল্প উপন্যাসৰ চৰিত্ৰ— এতিয়া গৰ্বত বুকু ফুলাই কওঁ— "মই কটনিয়ান" কটনিয়ান হোৱাতেই জীৱনৰ সৰ্বশ্ৰেষ্ঠ গৌৰৱ মোৰ—

# অভিজ্ঞতা

– সুস্মিতা দাস
স্নাতক প্ৰথম বৰ্ষ,

জুলাই মাহৰ এটি উতপ্ত দুপৰীয়া। গুৱাহাটীত এই সময়ত প্ৰায় ৩৮°ছেলছিয়াছ উষ্ণতাত গৰম পৰিছে। দিনত ইমান গৰম যে শৰীৰটো গলি যাবলৈ ধৰিছে, যাবলৈ টানেই লাগে। তাৰ উপৰিও গুৱাহাটী মহানগৰীৰ যানজাটৰ অসুবিধা। কি অশান্তি! কিন্তু নামভৰ্তিকৰণৰ প্ৰপত্ৰ জমা দিয়াৰ উদ্দেশ্যলৈ কলেজলৈ যাব লগাত পৰিছিলো। প্ৰপত্ৰ কলেজত জমা দি দেউতাৰ অফিচলৈ গৃহমুখী বাছ এখনত উঠিলো। সময় দুপৰীয়া হোৱা বাবে অফিচ কাচাৰীলৈ যোৱা মানুহৰ ভিৰ নাছিল। সেয়ে খিৰিকিৰ কাষৰ আসন এটা খালী থকাত তাত বহি পৰিলো। খিৰিকীৰে ফিৰফিৰিয়া বতাহ এজাক অহাত টোপনিৰ ভাৱ এটাই চকুত খেলা কৰি আছিল। মাজে মাজে হেণ্ডিমেনৰ "আহক, আহক," "খালী গাড়ী গাড়ী যাবদৌক জাতীয় নিয়মীয়া শব্দবোৰ কাণত বাজি উঠিছিল। গুৱাহাটী ক্লাব পোৱাৰ পিছত মহানগৰীৰ নৈমিত্তিক যানবাহনৰ যানযঁটৰ মাজত সোমাই পৰিলো। দহ মিনিটমান পিছত বাছখন এটা পেট্ৰল পাম্পত সোমাল। বৰ অসহ্য লাগিল। এনেয়ে এই উৎকট গৰম. তাতে আকৌ হেণ্ডিমেনে টেটুফালি চিঞৰি মানুহ মাতি, পাণ জপাদি জপাটো ; বৰ বিৰক্তি লাগিল। মাজে মাজে গৰমত যাত্ৰীৰ উস্ আস্, এজন যাত্ৰীৰ লগত কণ্ডাক্টৰৰ ভাৰা সম্পৰ্কীয় তৰ্কাতৰ্কি আদিয়ে গোটেই যাত্ৰাটোকে ভীষণ আমনিদায়ক কৰি তুলিছিল। ছিটত ভালকৈ বহি লৈ বাহিৰলৈ চাই পঠিয়ালো। ইতিমধ্যে বাছ আহি "চান্দমাৰী কলনী" বাছ আস্থানত ৰ'ল। বাছত দুই এজন নতুন যাত্ৰী উঠি আহিল। আস্থানৰ কাষৰ এখন মিঠাইৰ দেকানত এজনী ৬/৭ বছৰ বয়স মানৰ ছোৱালীক এগৰাকী চুৰিদাৰ পৰিহিতা মহিলাৰ (মাক?) লগত মিঠাই কিনি থকা দেখিলো। ছোৱালীজনীক দেখি মনটো কেনেবা কেনেবি লাগি গ'ল। সেই সৰু ছোৱালীজনীৰ পিন্ধনত এটা চুটি হালধীয়া ফ্ৰক। ফ্ৰকটোৰ হাত দুখন কটা (Sleeveless) ইপিনে আকৌ, পিঠিৰফালে উদং। ইমান সৰু ছোৱালীজনীৰ এনে অদ্ভুত পোছাক।

মনটো উৰি গ'ল আজিৰ পৰা ৯/১০ বছৰ আগৰ দিনবোৰলৈ। দ্বিতীয় কি তৃতীয় শ্ৰেণীত পঢ়া দিনবোৰৰ কথা মনত পৰে যেতিয়া মায়ে নানা ৰং বিৰঙৰ ফুল, পখিলা কথা ফ্ৰক কিনি দিছিল। নাইবা কেতিয়াবা চিলাই দিছিল। তাৰ পিছত যেতিয়া অষ্টম শ্ৰেণী পালো তেতিয়া মায়ে পৰামৰ্শ দিছিল চুৰিদাৰ পিন্ধাৰ । মা -দেউতাৰ ইচ্ছাকে শিৰোধাৰ্য্য কৰি তেতিয়াৰ পৰা মই চুৰিদাৰ পিন্ধো। সেই অনামী কণমানি ছোৱালীজনীয়েও যদি নীলা ৰঙা ফুটফুটীয়া ফ্ৰক পিন্ধিলেহেতেন তাইক কিমান যে মৰম লাগিলহেঁতেন! ইয়াৰ মানে মই কব খোজা নাই যে মই ফ্ৰক বা চুৰিদাৰ পিন্ধা বাবে তায়ো-পিন্ধিক। কিন্তু সৰুৰে পৰা পোছাক-পৰিচ্ছদত শালীনতা থকা, অন্ততঃ মোৰ মতে অতি আৱশ্যক।

এই প্ৰসঙ্গতে আন এটি ঘটনা উল্লেখ কৰিব পাৰি। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ বাছনি পৰীক্ষাৰ কিছুদিন আগতে, এদিন গধূলি আমাৰ ছাত্ৰী-নিবাসৰ বাৰাণ্ডাত বহি পঢ়ি আছিলো। এনেতে কাষৰ ঘৰৰ দুই আঢ়ৈবছৰীয়া ছোৱালীজনী কামকৰা ছোৱালীজনীৰ লগত মোৰ কোঠালৈ সোমাই আহিল। তাইৰ মাক-দেউতাক দুয়ো চৰকাৰী চাকৰিয়াল। তাইক বহিবলৈ দি বিস্কুট এখন তাইলৈ বুলি আগবঢ়াই দি সুধিলো, "মইনা, এইবাৰ তোমাক দেউতাই পূজাত কি দিলে?" তাই বিস্কুত খাই থকাৰ পৰা উত্তৰ দিলে, "পাপাই মোক পূজাত ভৰি ওলোৱা টোলা দিছে।" মই কথাষাৰ ভালদৰে বুজি নাপাই কামকৰা ছোৱালীজনীক সুধিলত্য তাই ক'ল মইনাই টি. ভিৰ নায়িকাবোৰৰ দৰে কাপোৰ বিচৰাত দেউতাকে তাইক তেনে কাপোৰ কিনি দিছে। কনমানিজনীৰ পিতৃ-মাতৃ দুয়ো চাকৰিয়াল হোৱা হেতুকে ঘৰৰ বাহিৰত থাকিব লগা হোৱাত মইনাই দিনটো টি. ভি. চায়েই কটায়। টি. ভিৰ প্ৰায় সকলো কাৰ্য্যসূচী তাই সলসলীয়াকৈ কব পাৰে। তাৰোপৰি চিত্ৰহাৰ তাইৰ খুবেই প্ৰিয়। মই অবাক হৈ গলো। ভাৱ হ'ল এই পিতৃ-মাতৃ সকলে নিজৰ সন্তানক আধুনিক অথবা আধুনিকা (?) দেখুৱাবলৈ গৈ উশৃংখলতাৰ বাট দেখুৱাই দিয়া নাইনে? তেওঁলোকেতো বিশেষকৈ চান্দমাৰীত লগপোৱা কনমানিজনী অথবা মইনা নামৰ ছোৱালীজনীৰ অভিভাৱকে সিহঁতৰ জ্ঞানৰ জোখাৰে মৰমেৰে বুজাব পাৰিলেহেতেন যে সিহতৰ চাহিদা অপ্ৰাসংগিক। এতিয়া সেই কণমানি ছোৱালী দুজনীক যদি কিছুবছৰ পিছত স্কাৰ্ট মিডিৰ পৰিৱৰ্তে যদি চুৰিদাৰ পৰিধান কৰিবলৈ কোৱা হয়, তেন্তে সিহঁতে বিদ্ৰোহ নকৰিবনে? সৰুৰে পৰা সাংঘাতিক ভাৱে স্বচ্ছল পৰিবেশত ডাঙৰ নহলেও এক সাংস্কৃতিক পৰিবেষ্টনীৰ মাজত ডাঙৰ হৈছিলো। আজিৰ যুগত নাৰীয়ে বাহিৰৰ জগতখনৰ লগত ওতঃপোতভাৱে জড়িত থকা বাবে ঘৰে-বাহিৰে শাৰী-মেখেলা-চাদৰ পিন্ধাটো যে অসুবিধা সেইটো স্বীকাৰ কৰো, কিন্তু পোছাক-পৰিচ্ছদ মাৰ্জিত হোৱাটো সমাজৰ সকলো স্তৰৰ লোকৰ কাম্য। পোচাক পৰিচ্ছদ মাৰ্জিত ন'হলে সমাজৰ সকলো লোকৰ মাজত ছোৱালীজনী বা যুৱতী গৰাকীৰ প্ৰতি বিকৃত মনোভাৱ জন্মোৱাত সহায় কৰে। সেয়ে মই ভাবো যে মাৰ্জিত পোছাক পৰিধান কৰা গৰাকীয়ে অন্যৰ পৰা সন্মান আৰু সমীহ আদায় কৰিবলৈ সৰ্বদা সক্ষম হয়। তেনে গৰাকিনীয়ে যিকোনো পৰিস্থিতিতে ভাগি নপৰে; নতি স্বীকাৰ নকৰে, বৰঞ্চ সাহসৰে তাৰ মোকাবিলা কৰে।

ইতিমধ্যে মোৰ চিন্তাত যতি পৰিল। বাছ আহি গন্তব্যস্থান পালেহি। বাটত আহোতে এটি চিন্তাই মনৰ মাজত ক্ৰিয়া কৰি আছিল। আমাৰ আজিৰ এই সমাজিক অবক্ষয়ৰ বাবে আচলতে দায়ী কোন? যুৱ সমাজ, অভিভাৱক নে পৰিবৰ্তনশীল পৰিস্থিতি নে আন কিবা কাৰক?

# সপোনে খেপিয়াই ফুৰে মানুহ

-- ভাষ্কৰজ্যোত গগৈ
স্নাতক চূড়ান্ত বৰ্ষ,

*সকলো পাত সৰি যোৱাৰ পিছতো*
*শুকান ডালত ওলমি থাকিল এখন মাটিৰ হাত*
*নদীৰ বুকুত মুখ গুজি উপৰ্যুপৰি উঁচুপিল শিলবোৰে*
*হালধীয়াত বাট হেৰুৱালে বৰষুণে*
*কোনেও নেদেখিলে*
*কিদৰে শিলৰ বুকুলে সোমাই গ'ল মৰা জীয়া মাছবোৰ*
*ৰঙা হৈ ৰাতিটো ক্ৰমশঃ দীঘল হৈ আহিল অনুচ্ছাৰিত সুৰটো হৈ*
*থকিল গুহাটোৰ ভিতৰেৰে*
*কিদৰে অলপ পাছতে*
*ঠিক বৰষুণ জাক এৰাৰ কলপতীয়া পোহৰত*
*নদীখনকে বাঁহী কৰি*
*শিলৰ মানুহজন ওলাই আহিল*
*সুৰটোৱে মানুহবোৰক শিল হোৱাটো বিচাৰিলে।*

প্ৰত্যেক ব্যক্তিৰে কিছুমান গোপনীতা থাকে মানুহৰ যি আটাইতকৈ গোপনীয় সিয়েই মৰ্মান্তিক সত্য আৰু কেতিয়াবা সি ভয়ংকৰ বিভৎস হ'ব পাৰে। সেই সত্যৰ যি আজন্ম নিৰ্ঘাত উপলব্ধি সি মানুহৰ বুকুৰে বুকুৰে শিপায়, কেতিয়াবা বাঢ়ে কেতিয়াবা শিল হয়, কেতিয়াবা বৰষুণ হৈ কোবাল গতিত নামি আহে। তিয়াই যায় হৃদয়ৰ সমগ্ৰ এফালে সাগৰ চোৱাৰ প্ৰবল বাসনা আৰু আনপিনে আইৰ মৃত্যু...... গোপন......... অতি গোপন। অথচ সিয়েই আটাইতকৈ সত্য। ঠিক শিল টান, পানী চেঁচা, জুয়ে পোৰাৰ দৰে। এই কথাবিলাক এদিন অনিমেষক মই ক'বলৈ বিচাৰিছিলো। কিন্তু ক'ব নোৱাৰো কিহৰ হেঁচাত কিহৰ তাড়নাত সিদিনা মই বৈ যাব লগা হ'ল আৰু যি ৰ'লো মই আৰু কোনোদিন গতি কৰিব পৰা নাই সঁচাই মই বৈ গ'লো জীৱনলৈ।

শৈশৱত ককাদেউতাৰ আঙুলিত ধৰি সাগৰ চোৱাৰ সপোন দেখিছিলো। সেই সময়ত সাগৰৰ নৈসৰ্গিক বিচিত্ৰতাৰ মাজত মোৰ শিশু মন প্ৰায় হেৰাই যাব বিচাৰিছিল। মই তেতিয়া বুজা নাছিলো কিয় মোৰ মনে সাগৰৰ প্ৰতি এনে এটা নিবোধ পাৰাপাৰহীন অশৈশৱ আকাংক্ষা পোষণ কৰি ৰাখিছে। সৰুতে স্কুলৰ ভূগোলৰ কিতাপত যেতিয়া পৰ্বত পাহাৰৰ মাজত 'সাগৰ' শব্দটো পাইছিলো তেতিয়া মোৰ সমগ্ৰ মন, সমগ্ৰ হৃদয়াকাশ কিবা এক বুজাব নোৱাৰা অচিন ভাৱত তন্ময় হৈ উঠিছিল। মই ক্ৰমশঃ হেৰাই যাবলৈ ধৰিছিলো নিজৰ মাজতে ক'তো মই মোক বিচাৰি পোৱা নাছিলো। এইদৰে মই মোৰ মাজত বহু বাৰ হেৰাইছোঁ।

বয়স বঢ়াৰ লগে লগে এখন তামৰঙী সাগৰ মোৰ বুকুৰ ওপৰেদি অজস্ৰ ঢৌ তুলি প্ৰৱাহিত হৈছিল। মাজে মাজে মই ডুব গৈছিলো এই সাগৰত। এই ঢৌৰ মাজত বিচ্ছিন্ন হৈছিল মোৰ সত্তাৰ বিস্তৃতি। কেতিয়াবা নিজকে প্ৰশ্ন কৰোঁ - কি বিচাৰিছিলো মই এই সাগৰৰ বুকুত। সাগৰৰ বুকু খান্দি মই দেখোন নিজা বুলিবলৈ জীৱন এটাকে বিচাৰি উলিয়াব নোৱাৰিলো। লাহে লাহে মোৰ হাতৰ তলুৱাত এখন ঘাঁহনি গজিছিল। জীৱন দুধৰ্ষ হৈ উঠিছিল। তৰাবিলাক মাটিলৈ নামি আহিছিল। জোনটো ক্ৰমশঃ দীঘলীয়া হৈ পৰিছিল। শূন্যত এটা ফুটা বেলুনৰ দৰে নাচিছিল আকাশখন। তৰাবিলাক একো একোটা মুণ্ডহীন মানুহলৈ ৰূপান্তৰিত হৈছিল। সিহঁতৰ হাতৰ মুদ্ৰাতো একোখনকৈ ঘাঁহনি গজিছিল। ৰাতি তাত তেতিয়া ফুল ফুলিছিল। কাড়ৰ দৰে বলিছিল বতাহ। এজনী তিৰোতাৰ এটা চিৎকাৰ তাত ঘূৰি ফুৰিছিল।

যি সময়ত সাগৰ চোৱাৰ দুৰ্ব্বাৰ হাবিয়াসে মোক বাউল কৰি ৰাখিছিল, যি সময়ত মই সাগৰৰ জ্যোৎস্নালোকিত অনিৰ্ব্বচনীয় সৌন্দৰ্য্যৰ মাজত নিজকে হেৰুৱাই দিয়াৰ সপোন দেখিছিলো অথচ সেই সময়ত মই সাগৰৰ বিষয়ে একো ধাৰণাই কৰিব পৰা নাছিলোঁ। মোৰ অজ্ঞান নিস্পন্দিত মগজুৱে অনুভৱ কৰিব পৰা নাছিল সাগৰৰ তেজ, তেজৰ বৰষুণ, তেজাল এটা সপোন। সাগৰত সময় নিৰ্বাপিত হয়। দিনটো সোমাই যায় সাগৰৰ গভীৰলে' এটা হালধীয়া হৈ। সময় বিলাক গধুৰ হৈ পৰে— কিন্তু তথাপিতো সাগৰৰ প্ৰতি এক বুজাব নোৱাৰা টান, এক অসীম আকৰ্ষণ মই চিৰদিন অনুভৱ কৰি আহিছোঁ।

সেই ল'ৰালিতে মোৰ হাতৰ তলুৱাত গজি উঠা ঘাঁহনিখন ক্ৰমশঃ গভীৰ হৈ আহিছে। এদিন যেতিয়া ঘৰত কোনো নাছিল। আইৰ প্ৰতীক্ষাত মোৰ মনটোৱে যেতিয়া হাহাকাৰ কৰি উঠিছিল। তেতিয়া মই গম নোপোৱাকৈয়ে মাটিৰ পিৰালিটোতে টোপনি গৈছিলোঁ আৰু সপোন দেখিছিলো। এখন শুকাই যোৱা নদী। নদীৰ পাৰে পাৰে ঝাওবনৰ বিচিত্ৰতা। মাজে মাজে সৰিয়হ গছৰ হালধীয়া ফুলৰ সাগৰ। এটা শুকাই খৰখৰিয়া হোৱা চিঞৰ। ঝাওবনৰ তলে তলে কিছুমান সৰু সৰু সাপ। ময়ো ঘূৰি ফুৰিছোঁ তাত। তিৰোতা এজনী নদীলৈ নামি গৈছে। তাইৰ সুগোল স্তন বেলিৰ দৰে জিলিকিছে। সাপ বিলাক বগুৱা বাই আহিছে তাইৰ বুকুৰ ওপৰলে। ক্ৰমশঃ গোটেই মানুহজনীক সাপবিলাকে মেৰিয়াই ধৰিছে। ভৰত হাউলি পৰিছে তাই আৰু এটা চিৎকাৰ মুখৰ পৰা ওলাই আহিছে। যোনীমুখ যন্ত্ৰণাৰে চপ্‌চপিয়া হৈ পৰিছে। বুঢ়া নাৰৰীয়াটোৱে বজোৱা বাঁহিৰ মাত নুশুনা হৈ আহিছে মই আগুৱাই গলোঁ মানুহজনীৰ ওচৰলৈ। তাইৰ গাৰ পৰা সাপবিলাক আঁতৰাবলৈ মই আপ্ৰাণ চেষ্টা কৰিলো। কিন্তু মই তাইক স্পৰ্শহে কৰিব পৰা হলোঁ, সাপবিলাকৰ গাত মই হাত বুলাবহে পাৰিলো, সিহঁতৰ আজুৰি আনিবলৈ মোৰ হাতখন জাপ নোখোৱা হ'ল। মই মুঠি মাৰিব নোৱাৰা হ'লোঁ। চিঞৰি দিলোঁ। লগে লগে অনুভৱ কৰিলোঁ মোৰ হাতৰ ঘাঁহনি ডৰাও ক্ৰমশঃ গভীৰ বিশাল ধূসৰ হৈ আহিছে। সৰিয়হ ফুলবিলাক আগতকৈ অলপ বেছি হালধীয়া হৈ পৰিছে। এই বিলাকৰ তলে তলে কিছুমান সৰু সৰু সাপ পিয়াপি দি ফুৰিছে। এজনী তিৰোতা নদীলৈ নামি গৈছে। নদীখন ক্ষোভত ওফন্দি উঠিছে। অলপ পাছতে তাইৰ মৃত্যু ঘটিছে। কিছুমান সৰু সৰু সাপ তাইৰ যোনীয়েদি.........

নাই নাই এই গোপনীয়তা মই কেতিয়াও কাৰো আগত প্ৰকাশ কৰিব নোৱাৰো। জীৱনত কেতিয়াবা যদি মই ওপৰলে' যাব লগা হ'য় তেতিয়া হ'লে এই বাটেদিয়েই আগবাঢ়িম। যিটো বাট অতি ভয়ংকৰ দুধৰ্ষ আৰু যন্ত্ৰণাকাতৰ। ঠিক আইৰ সেউজ ফালি নামি অহা হালধীয়া বাটটোৰ দৰে। ঠিক জীৱনৰ দৰে।

# বিষয় ঃ শূন্যতা

*ধ্ৰুবাৰ্ক চৌধুৰী*

যোৱা কেবাদিনমানৰ পৰা মোৰ অভ্যন্তৰ আৰু পাৰিপাৰ্শ্বিকতাক যিটো আজৰ বস্তুৱে ক্ৰমশঃ গ্ৰাস কৰি আহিছে পৰ্যায়ক্ৰমে, সিয়েই হৈছে শূন্যতা। বুকুৰ অভ্যন্তৰত এক বিশাল আয়োজন শূন্যতাৰ। স্থানে অস্থানে, কালে-অকালে অহৰহ আক্ৰমণ যেন কচাই এজনে তিৰ্‌বিৰ্ তৰোৱাল এখনেৰে অকনো বিচলিত নোহোৱাকৈ তৎপৰতাৰে টুকুৰা -টুকুৰ কৰিছে মোৰ ৰঙা কলিজাটো অথবা কৰ্কটৰোগৰ কীট এটাই ভোকাতুৰৰ দৰে কুটি কুটি খাইছে মোৰ সকলো সজীৱ সতেজ কোষ। সেই যে আমাৰ ড্ৰয়িংৰুমৰ চাজাৰ ওপৰত থকা মোৰ প্ৰাইমাৰী বৃত্তি পৰীক্ষাৰ নোটৰ বহীবোৰ নিগনিয়ে কুটি খাইছিল। তেনেকৈ অথবা ৰুমমেটৰ বীৰ্যস্খলিত সেই কাপোৰখনৰ দৰে, যিখনৰ হোষ্টেলীয় নাম 'নিষিদ্ধ কাপোৰ, আৰু যিখন নিগনিয়ে আধা কুটি শেষ কৰাৰ পিচত তেওঁৰ ছিনিয়ৰ এজনে ডাইনিং হলত সকলোৰে সন্মুখত প্ৰদৰ্শন কৰিছিল।

লাহে লাহে শূন্যতা মোৰ বাবে অসহনীয় হৈ উঠিছে অথবা আন ধৰণে ক'বলৈ হ'লে শূন্যতাই ৰোমাঞ্চিত কৰি ৰাৰিছে মোৰ প্ৰেম আৰু জীৱন যন্ত্ৰণাৰে দীৰ্ণ সময় আৰু সময়ৰ অগ্ৰসৰৰ লগে লগে অদমনীয় হৈ উঠিছে শূন্যতাৰ ৰহস্য ভেদ কৰাৰ সুতীব্ৰ ইচ্ছা। মই যেন এইমাত্ৰ মুখামুখি হ'ম শূন্যতাৰ স'তে শূন্যতাৰ সোঁহাতৰ আঙুলিত ধৰি কৈ দিম- আহা, মোৰ কলিজাৰ এগিলাচ ৰঙা গধূলি পান কৰি যাবা আৰু যোৱাৰ বাটত আঁকি দিম চকুৰ বগা তেজ দুটুপিৰে আইৰ দীঘল সেওঁতা যেন বাট অহাৰ ৰঙা গোলাপ এথোপাৰে জনাম পুনৰ বাবে আহ্বান কৰিছে অজ্ঞাতে হাতৰ মুগা মুঠিত গুজি দিম নীলা অপৰাজিতা এপাহ। আহা, আহা আহা অ' মোৰ সহজ ভালপোৱা শূন্যতা- তুমি আহিলে যে মোক আন একোৱে নালাগে- কি নৈৰ নিজান গান পাহাৰৰ চূড়াত ওলমা ৰঙামুৱা সুমথিৰা, সাগৰৰ শাস্ত্ৰীয় সংগীত, অৰণ্যৰ সেউজীয়া, জোনৰ গোপন জুলীয়া!

শূন্যতা, তোমাৰ হাত দুখনি শুৱনি কৰা বৃত্তাকাৰ খাৰুৰ ভিতৰৰ শূন্যতা যদি এদিন শিৱসাগৰত মন্দিৰৰ ঘণ্টা বজাওঁতে থন্‌থন্‌কৈ ভাগি গৈছিল, তোমাৰ নাকৰ ফুটাৰ ভিতৰৰ শূন্যতা, কাণৰ সুৰংগ আৰু ৰূপৰ ৰিং দুটা ওলমি থকা কাণৰ লতি দুটাৰ ভিতৰৰ শূনতা, মুখগহ্বৰৰ শূন্যতা, তুমি লিখা নীলা কলমটোৰ ভিতৰৰ শূন্যতা, তুমি কলেজলৈ কিতাপ কঢ়িওৱা ক'লা হালধীয়া বেগটোৰ ভিতৰৰ শূন্যতা, তুমি পানী পিয়া গিলাচটোৰ ভিতৰৰ শূন্যতা, তোমাৰ পঢ়া টেবুলত থকা পানীৰ বটলটোৰ ভিতৰৰ শূন্যতা, ঔষধৰ বটলবোৰৰ আৰু গৰম পানীৰ ফ্লাস্কটোৰ ভিতৰৰ শূন্যতা, শূন্যতা, শূন্যতা, শূন্যতা তোমাৰ চেম্পুৰি পেকেটটোৰ, ফেয়াৰ এণ্ড লাভলীৰ বটলটোৰ, বডী লোচনৰ বটলটোৰ ভিতৰৰ শূন্যতা, তোমাৰ হাতঘড়ীটোৰ আৰু তোমাৰ দাদাৰ জন্মদিন এক এপ্ৰিলত তুমি দিম বোলা এলাৰ্ম ঘড়ীটোৰ ভিতৰৰ শূন্যতা, তুমি আনলৈ পঠিওৱা আৰু মোলৈ নপঠিওৱা অথবা পঠিওৱাৰ বিন্দুসমো সম্ভাৱনা নথকা চিঠিৰ এনভেলপবোৰৰ ভিতৰৰ শূন্যতা, মই পাতি লোৱা বা'জনীৰ যিযোৰ ঘূৰণীয়া চছমা পিন্ধি তুমি খিলখিলাই হাঁহি উঠিছিলা, সেই চছমাযোৰৰ গল্ডেনৰ আগৰ ফুটপাথৰ দোকানৰ পৰা তোমাক কিনি দিয়া ফটোকপি পকাই কাগজৰ চুঙা এটাত আবদ্ধ কৰিছিলা যি শূন্যতা, তোমাৰ দীঘল চুলিকোছা বান্ধি ৰখা ৰবৰডালৰ আৰু নূপুৰৰ ভিতৰৰ ৰুনুক -জুনুক শূন্যতা, তোমাৰ প্ৰিয় অসমীয়া গীতৰ কেছেটটোৰ চকা দুটাৰ ভিতৰৰ শূন্যতা, তোমাৰ ফুলছাইজ ফটো দুকপি কাটি একপি তোমাৰ মানিবেগত ভৰাই লোৱাৰ পাচত পূৰ্ণ হোৱা মানিবেগৰ ভিতৰৰ শূন্যতা আৰু আনকপি মোৰ ডায়েৰীত লগাই লোৱাৰ পিচত ডায়েৰীত জলমল যি শূন্যতা, মোৰ টেলিফোন নম্বৰ টুকি ৰখা বহীটোৰ পৰা তোমাৰ ফোন নম্বৰটো কাটি পেলোৱাৰ পিচত বহীটোত সৃষ্টি হোৱা শূন্যতা, মোৰ কোঠাৰ বেৰত কটা তোমাৰ নামটো কাটি ছিন্ন-ভিন্ন কৰাৰ পিচত কোঠাটোত বিৰাজ কৰা শূন্যতা, ৱাল মেগাজিন কম্পিটিচনত, বেষ্ট পয়েণ্ট' খিতাপ পাওঁতে কৰমৰ্দনেৰে তুমি অভিনন্দন জনাওঁতে তোমাৰ আৰু মোৰ হাতৰ তলুৱাৰ মাজত সৃষ্টি হৈছিল যি শূন্যতা, বা'ৰ ব্লেকমেইলিং আৰু জিভা পিছল খোৱাৰ শূন্যতা, বান্ধৱীৰ বিশ্বাসভংগ আৰু শুভ- ইচ্ছাৰ শূন্যতা, তোমাক বুজাব নোৱাৰাৰ আৰু তুমি বুজিব নোখোজাৰ শূন্যতা, তোমাৰ সুৰক্ষা আৰু নিৰাপত্তাৰ নিশ্চয়তা দিব নোৱাৰাৰ শূন্যতা, তোমাৰ অকল অনুভৱী আইডিয়ল'জীৰ শূন্যতা, অথবা অতিব্যাপ্তিৰ আইডিয়'লজীৰ শূন্যতা,

-শূন্যতা, শূন্যতা, শূন্যতা, মোৰ বাস্তৱৰ অনুকৰণত তৈয়াৰ কৰা অনুভৱী আইডিয়'ল'জীৰ শূন্যতা, তোমাক পোৱাৰ শূন্যতা, তোমাক নোপোৱাৰ শূন্যতা, তোমাক পাই হেৰুৱাৰ শূন্যতা, তোমাক পোৱাৰ সম্ভাৱনাৰ শূন্যতা, মোৰ তোমাৰ মৌনতাৰ হেতু মৃত্যু আৰু কবিতা নিলিখাৰ আয়োজনত তুমি উচুপি উঠাৰ শূন্যতা, মোৰ শৱযাত্ৰাত তুমি অংশগ্ৰহণ কৰাৰ শূন্যতা, শৱযাত্ৰাৰ গান গোৱাৰ শূন্যতা, তোমাৰ নামত লিখা মোৰ প্ৰেমৰ আৰু তোমাৰ অপ্ৰেমৰ উপন্যাসখন সম্পূৰ্ণ হৈ উঠাৰ শূন্যতা, শুভাকাংক্ষীৰ শুভাকাংক্ষা পূৰণ হোৱাৰ শূন্যতা, দেউতাৰ সপোনৰ আট্টালিকাটো ভাগি পৰাৰ পিচৰ শূন্যতা, মই চিতাৰ পৰা উঠি আহি মাৰ কৰুণ কান্দোন বন্ধ কৰাৰ শূন্যতা, ভনীজনীৰ বিয়াত মই কি কি দিব লাগিব সেইবোৰ সোধাৰ শূন্যতা, ভাইটোক অসমীয়াত মেজৰ লৈ পঢ়ুওৱাৰ পৰিকল্পানাৰ শূন্যতা, দাদাৰ ফাল্টুৱামিবোৰ শুনি মোৰ খং উঠাৰ শূন্যতা, পঢ়াৰ ইচ্ছা থকাৰ পিচতো পঢ়িবলৈ নোপোৱা কিতাপবোৰ পঢ়িবলৈ পোৱা শূন্যতা, ব্যক্তিগত প্ৰেমৰ কাব্যগ্ৰন্থখন পাণ্ডুলিপিৰ পৰ' মুক্তি পোৱাৰ শূন্যতা, প্লাজমা ফিজিক্সৰ ওপৰত থেছিছ কৰাৰ শূন্যতা, নিৰ্মাণ কৰো বোলা সম্পূৰ্ণ কলাত্মক কথাছবিখন নিৰ্মাণ কৰাৰ শূন্যতা, যিখন নিৰ্মাণ হোৱা হ'লে দৰ্শকো হ'লহেতেন শূন্যতা, মোৰ মৃত্যুৰ লগে লগে মোৰ দীঘলীয়া ভ্ৰমণ পৰিক্ৰমাৰ সমাপ্তি ঘটি তোমাৰ উপলক্ষত মোক কেন্দ্ৰ কৰি সৃষ্টি হ'ব যি শূন্যতা-- এই সকলো শূন্যতাৰ বাবে দায়ী হ'ব অকল তুমি শূন্যতা।

সকলো মানুহকে বোধহয় এটা সময়ত অজানিতে এনেদৰে শূন্যতাই গ্ৰাস কৰে-- শূন্যতাই প্ৰেমত পৰে মানুহৰ অথবা মানুহে প্ৰেমত পৰে শূন্যতাৰ। শূন্যতাই যে মোৰ লগ এৰিবই নোখোজে, যদিহে মোৰ দুৰ্ভাগ্যই লগ এৰা নিদিয়ে আৰু সৌভাগ্যই ধৰা নিদিয়ে।

নীলমাদাই শূন্যতা আপোনাৰ স্ত্ৰী' বুলি কোৱাৰ দৰে এটা সজাল আৰু মায়াময় সন্ধিয়া ষ্ট্ৰীট লাইটৰ নিয়নৰ নীলাভ অথবা হেল'জেনৰ হেঙুলীয়াত ডুবি পানবজাৰ পুলিচ পইণ্টত অথবা চানমাৰি অ'ভাৰব্ৰীজত নতুবা পাঠশালাৰ পপুলাৰত থিয় হৈ দুহাত প্ৰসাৰিত কৰি চিঞৰি ক'বৰ মন গৈছে 'শূন্যতা মোৰেই প্ৰেয়সী, শূন্যতা মোৰেই প্ৰেয়সী'।

...... অঁতো! মই শূন্যতাৰেই প্ৰমত পৰিছো- যি শূন্যতা এই বিশাল প্ৰেমী দুনিয়াত সাংঘাতিকভাৱে অপ্ৰেমী আৰু অহংকাৰী। অপ্ৰেমত গদগদ হৈ উঠিছিল তাই সিদিনা, অথচ ক'তনো নুফুৰিছিল তাই মোৰ স'তে - তাইৰ হেপাহৰ ফুলবোৰৰ বাগানত অথবা বৰগোহাঞিৰ 'সুবালা'ৰ সন্ধানত আঠগাঁৱৰ নিষিদ্ধ বেশ্যাপল্লীত নতুবা লাখটকীয়াৰ ৰেললাইনৰ কাষৰ বস্তিটো, নে নকৰিছিল তাই মোৰ স'তে আবেলিৰ বেলি গলি হেঙুলীয়া হোৱা দীঘলীৰ বুকুত নৌকাভ্ৰমণ অথবা নেহ্ৰু পাৰ্কত সান্ধ্যবিলাস, নতুবা কটন কলেজৰ শূন্য শূন্য চাৰি বা শূন্য শূন্য পাঁচত নবহিছিল নেকি তাই প্ৰতিটো দিনজোৰা অন্তৰংগ আড্ডাত, মেঘদূতত পাৰ নকৰিছিল নেকি তাই মোৰ স'তে নাৰ্জি ফুলৰ সগন্ধিত হালধীয়া সময়, নাগাইছিল নেকি, মোৰ তৃষ্ণা পলাবৰ বাবে, লুইতৰ বলিয়া বান, লুইতৰ বলিয়া বান'ৰ দৰে এটা গুলপীয়া গান! মোৰ প্ৰতিটো কবিতাৰেইটো আজন্ম প্ৰেমিক আৰু সহচৰ তাই-মোৰ কবিতাৰ হুৰ হুৰ বটা চৰাই।

নিলাজ নক্ষত্ৰবোৰক, তেজগোৰা নেজাল তৰাবোৰক তাইৰ আঁচলত বান্ধি দিয়াৰ বাবেইতো ওৰেৰাতি পৰ দিছিলো মই আকাশক, সৰাপাতৰ ঝৰঝৰ গান এটাই ধুৱাই দিয়ক বুলিয়েইতো চিঞৰি দিছিলো টেটুফালি অৰণ্যত । সপোন দেখিছিলো তাইৰ হাতত ধৰিয়েই বিপ্লৱ আৰু ভোকৰ ৰঙা পতকাখনি উৰুওৱাৰ পছমৰাৰ পাৰত।

......শূন্যতা, তুমি ইমান অপ্ৰেমী আছিলা নেকি, ইমান অপ্ৰেমী ই-ম-মা-ন- মই আজি বতাহক সুধিম, আকাশক, অৰণ্যক, ৰ'দ অথবা বৰষুণক, তৰাবোৰক নিলাজ নক্ষত্ৰবোৰক, তোমাৰ হেঁপাহৰ বাগানৰ ফুলবোৰক সুধিম তোমাৰ কথা, তোমাৰ খবৰ।

শূন্যতা, আজি মই জীৱনৰ প্ৰথম উপাৰ্জন কৰিছো আৰু তোমাৰ দুখত তোমাৰ দুখত, শূন্যতা, অকল তোমাৰ প্ৰেমহীনতাৰ দুখত মোৰ জীৱনৰ প্ৰথম উপাৰ্জনেৰে প্ৰথম মদ পিম, মাতাল হ'ম- উপন্যাস লিখিম ওৰেৰাতি, প্ৰিয় কেছেটৰ গীত শুনিম, ভায়োলিন বজাম, ছাত্ৰাবাসৰ ৰঙা টিনৰ চালত উঠি তৰাৰ সতে কথা পাতিম, চিঞৰি চিঞৰি আশ্ৰাব্য গালি পাৰিম সিহঁতক, বাগিছাৰ সকলোবোৰ ফুল ছিঙি নৰ্দমাত পেলাই দিম, জ্বলাই দিম, পঢ়া টেবুল, কিতাপ-পত্ৰ, কাব্যগ্ৰন্থৰ পাণ্ডুলিপি, বিছনা পত্ৰ, চিঠি-ডায়েৰী-অ'টোগ্ৰাফ, মাৰ্কশ্বিট চাৰ্টিফিকেটৰ ফাইল আৰু অন্যান্য আচবাব, সকলোকে আচৰিত কৰি এৰি গুচি যাম সকলো এৰি মায়া -মমতা, ইচ্ছা-আকাংক্ষা, তোমাৰ দুখত কেৱল তোমাৰ দুখত তোমাৰ প্ৰেমহীনতাৰ দুখত আত্মহত্যা কৰিম শূন্য শূন্য চাৰি- ইমান অপ্ৰেম দিছা তুমি! ইশ্বৰৰ ওপৰত প্ৰতিশোধ ল'ম-তেওঁৰ পৰা ইমান অপ্ৰেম মই কেতিয়াও বিচৰা নাছিলো।

তোমাৰ উদ্যান এৰি যে গুচি যাব ওলাইছোঁ শূন্যতা, তোমাৰ দেশ এৰি, সাম্ৰাজ্য এৰি - চোৰা, চোৰা মোৰ ভিতৰতে হ'ব লাগিছে কেনেদৰে হেজাৰখন নদীৰ আহ্-যাহ্। ইমান গেৰুৱা হৈ পৰিছে নদীবোৰ, কাতৰ হৈ পৰিছে; ইমান সকৰুণতাৰে মেৰিয়াই ধৰিছে মোক- সিহঁতৰ সমস্ত উল্লাস আৰু উচ্ছলতাৰে। যেন বতাহতকৈ বেছি বেগত উৰি মধুৰীআমৰ শুকান চালৰ গা যেন তোমাৰ বাঁহীৰ মাত যেন নিসজ, মসৃণ ডিঙিত মেৰ খাই পৰিছে কলপতীয়া উৰণাখন। শূন্যতা, কলপতীয়া উৰণাত তোমাৰ ৰথৰ চকৰিৰ দৰে ঘূৰি ঘূৰি জয়াল জোনাক নামিছে। হুৰহুৰাই নামি আহিছে হেলনীয়া তলত এৰি দিয়া মাৰ্বলগুটিৰ দৰে স্ফীত বুকুত হাতৰ তলুৱা হেচুকি তোমাৰ নিজান বুকুৰ সকলো উৰণীয়া উদ্যান আৰু অমল অভয়াৰণ্য অতিক্ৰমি উৰণাৰ চিনেমাস্কপত জোনাকৰ ফ্ৰেম্ববেক চাবলে, এখুদ, অকনমানি, মৰমলগা সপোনৰ পৰী আৰু দেৱদূতবোৰ। আশ্চৰ্য আৰু কৌতুহলত বহল বহলকৈ মেলি দিছে সিহঁতে চকুৰ পাপৰি, সন্তৰ্পনে-সংগোপনে চুই চাইছে নঙঠা জোনাকে গা ধুব নমা তোমাৰ কলপতীয়া উৰণাৰ পুখুৰী, আৰু চুই দিয়াৰ লগে লগে যাদুকাৰী স্পৰ্শময়তাত সিহঁতৰ চকুৰ সন্মুখতে উৰিছে ধোঁৱা, কেৱল ধোঁৱা আৰু ধোঁৱা। চমকিত হৈ উঠিছে কণমানি পৰী আৰু দেৱদূতৰ আৰু কমোৱা তুলাৰ দৰে আলসুৱা আঙুলিৰে খেপিয়াইছে ধোঁৱাৰ কোমল আকাশ। পৰী আৰু দেৱদূতবোৰৰ আঙুলিৰে যেন যাদু আছে- ধোঁৱাৰ আকাশ ফালি-ছিৰি পিয়ানো এটাৰ সুৰত সৰীসৃপৰ দৰে বগাই ওলাই আহিছে ঘূৰি ঘূৰি দুটা নিমজ-নিখুত ৰঙা আপেল। পৰী আৰু দেৱদূতবোৰে দুহাত প্ৰসাৰিত কৰি কৈছে 'ওৱাও' আৰু সিহঁতৰ মটিমাহ যেন মুখৰ মৰুৱা ফুলৰ দৰে ওঁঠেৰে নিগৰিত শব্দৰ অভিঘাতত আপেল দুটা দুফাল-দুফাল চাৰিফাল হৈ ওলাই আহিছে দুজনী সুস্মিতা দীপ্‌লিপ্ গাভৰু। কঁকালত গাগৰি আৰু দুয়োজনীয়ে গাগৰিৰে পানী ঢালি ঢালি ক'ব ধৰিছে—

ঃ হে' পৃথিৱীৰ প্ৰেমিক, প্ৰাপ্তিৰ পিছতো নহয় আকাঙ্খাৰ অৱকাশ। প্ৰাপ্তিৰ পিছতো মানুহে বগাব খোজে স্বপ্নৰ চূড়া আৰু ইচ্ছাৰ গম্বুজ, সাজিব খোজে আকাঙ্খাৰ অট্টালিকা। অপ্ৰাপ্তিত সেয়ে বিষাদ থাকিব নোৱাৰে, পাৰে ৰহস্য উন্মোচন আৰু কাৰণ নিৰাসনৰ পণ যদিও জীৱন মানে এক বিৰাট শূন্যতা।

ঃ হে' সাগৰ-বিষাদ, সাউদৰ পুতেক - চিলনীৰ জীৰ নাতি, জীৱনৰ শোভাযাত্ৰাত যদি তুমি চামিল হ'ব খুজিছা তুমি সহিবই লাগিব দুখ-যন্ত্ৰণা। কাষলতি তলত ল'ব পাৰিব লাগিব বৰফ আৰু মৃত মানুহৰ দৰে শীতল দুখ, থিয় হৈ থাকিব পাৰিব লাগিব যন্ত্ৰণাৰ জুইৰ উত্তাপত উত্তপ্ত ক'লা-শিলতা। তুমি বুজিব লাগিব সূৰ্য উদয় হয় যেনেকৈ, সূৰ্য অস্তও হয় তেনেকৈ। এই সূৰ্যোদয়-সূৰ্যাস্ততে নিহিত হৈ আছে জীৱনৰ সমস্ত সৌন্দৰ্য আৰু বৈভৱ। জীৱনৰ শোভাযাত্ৰাত তোমাৰ একান্তজনৰ সতে হোৱা যিকোনো বিচ্ছেদৰ বাবে তুমি জীৱনৰ পদপথৰ প্ৰাচীন শিলত বহি আপোন হৃদয়ত অহৰহ ছুৰীকাঘাত কৰি থাকিলে জানো হ'ব। জীৱনৰ শোভাযাত্ৰা মানেই বিচ্ছেদৰ বিৰামহীন শোভাযাত্ৰা হে' সুহৃদ।

ঃ হে' অৰণ্যৰ অমল উৎসৱ, সেউজীয়াৰ বাবেই এদিন তোমালোক সকলো হেঙুলীয়া কাঁহ এটাত আক্ৰান্ত হৈ মৰিবা; মৃত্যুৰ পিছত তোমালোকে শিলৰ গহনা পিন্ধিবা আৰু হালধীয়া উশাহ সানি ল'বা গাত, অথচ সেউজীয়াই নাজানিব এই কথা। তাৰ পিছতো কিন্তু মৃত্যু নহ'ব জীৱনৰ, জীৱন বৰ্ত্তি আছে তোমালোকৰ আজোককাৰ পৰা তোমালোকৰ দেউতালৈ, জীৱন বৰ্ত্তি আছে তোমালোকৰ দেউতাৰ পৰা তোমালোকলৈ জীৱন বৰ্ত্তিয়েই থাকিব তোমালোকৰ পৰা তোমালোকৰ পিছৰ প্ৰজন্মলৈ'। এনেদৰেই জীৱন বৰ্ত্তি থাকে যিদৰে থাকিব শূন্যতাও। শূন্যতাৰ শেষ নাই; অশেষ শূন্যতা।

ঃ হে' নদীৰ সন্তান, পানীৰ পৰম দৃশ্য, মোৰ জিক্‌মিক্ বালিচৰত সজা হ'ব তোমাৰ মামি। তুমি ভালপোৱাৰ অমল আনন্দ, সুমিষ্ট ফল; তুমিয়েই পৃথিৱীৰ প্ৰাৰ্থনাৰ নিৰুপম বেলি।

আৰু লগে লগে দুয়ো বিলীন হৈ গৈছে মহাশূন্যত। মোৰ চৌদিশ ৰজনজনাই বাজিব লাগিছে আকাশবাণী '......... জীৱন মানে

এক বিৰাট-শূন্যতা....... জীৱন মানে এক বিৰাট শূন্যতা.....'

তোমাৰ উদ্যানৰ পৰা মোৰ এই প্ৰস্থানৰ বাবে ছিগাৰেটৰ ধোঁৱাৰ কুণ্ডলীৰ সেজোৱা ফুলদানীৰ দৰে উৰিফুৰা কঁহুৱা যেন কুঁৱলীবোৰ, যিবোৰ নদীবোৰৰ গেৰুৱাত বিয়পি ডুব যাব খুজিছে পানীৰ গভীৰতাত আৰু বৈ যাব খুজিছে নিৰুদ্বেগচিত্তে তোমাৰ মেখেলাৰ জাপৰ দৰে পানীৰ পাক্‌লগা সোঁতত, ইমান চেঁচা আৰু কোমল হৈ পিৰিছে কুঁৱলীবোৰ। অবোধ শিশু এটাৰ দৰে যেন মোৰ জ্বলি থকা তৰ্জনী আঙুলিত ধৰি ক'ব ধৰিছে কুঁৱলীবোৰে- "বন্ধ কৰা না এইবোৰ, বন্ধ কৰা না- বৈ যোৱানা তুমি, বৈ যোৱা না- চোৱা আকাশৰ বাট আঁকি নামি আহিছে শূন্যতাবা'। এনে লাগিছে যেন কুঁৱলী মোৰ শুক্ৰানু আৰু তোমাৰ ডিম্বানুৰ নিষেচনেৰে জন্ম হ'ব লগা ছোৱালীজনীহে। তাইয়েই যেন মোৰ কেৰুণ ৰঙী সোলোক ধোলোক জিনছৰ পেন্টটোত টানি ক'ব লাগিছে - " বৈ যোৱা না দেউতা, বৈ যোৱা না- তুমি গুচি গ'লে মই কাৰ স'তে জলপৰীত ফুৰিবলে' যাম- কোনে শুনাব মোক মোৰ চুলিৰ জোপোহাৰ বাদামীত আঙুলী বুলাই তোমাৰ কবিতা আৰু প্ৰণজিৎ বৰা বৰদেউতাৰ 'সম্ভোগৰ প্ৰথম দিনা' নামৰ তোমাৰ প্ৰিয় কবিতা।' শূন্যতা আমাৰ ছোৱালীজনীৰ নামো কুঁৱলীয়েই ৰাখিম দিয়া। বেয়া পাবা নেকি। ধ্ৰুৱাৰ্ক চৌধুৰী আৰু শূন্যতা গগৈৰ কন্যাসন্তান কুঁৱলী গগৈ চৌধুৰী।

শূন্যতা চোৱা, চোৱা, মোৰ ভিতৰতে কেনেদৰে আকাশৰ নীলিমতাত মুখ গুজি উচুপিব লাগিছে গছৰ মায়াত আক্ৰান্ত চৰাইবোৰ। ইমান কৰুণ আৰু বিষন্ন বিধুৰ হৈ পৰিছে আজি এই চৰাইৰ চুবুৰী। আস্! 'ওখ ওখ লতাশিল'ত থিয় হৈ সৌ অঘৰী শ্ৰবণ-চৰাইটোৱে 'সৰাপাতৰ ভায়োলিন' বজাই গাব লাগিছে - "হেৰৌ শিমলু ফুলিছে- চোৱা সৌৱা শিমলু-সাগৰ- তুমি বৈ যোৱা বুজিছা - তোমাৰ বুকুৰ শূন্যতা পূৰাই আহিবই আহিব এদিন শূন্যতা গগৈ, আমাৰ বুকুততো আছে নিঃসংগতা বৰুৱা শুই।" আৰু এই যে অথনিয়ে আহিল টেলিফোনত চৌপাশৰ পৰাণ কঁপাই বক্‌ এটা "প্ৰাপ্তিয়েই শেষ কথা নহয় বুজিছা, অপ্ৰাপ্তিও আছে জীৱনত-কি কৰিবা হিয়াহীনা প্ৰিয়াৰ লগত— তুমি যে যাব নোৱাৰা"। অথনিয়েই আহিছিল আৰু এটা চৰাই যি নম্ৰতাৰে পছোৱা এছাটিৰ দৰে কৈ গ'ল— "ঢৌৰ দৰে আহে এইবোৰ আৰু নোহোৱা হৈ যায়"। সচা নেকি, সচা নেকি বাৰু এই কথাবোৰ, তুমিও আহিছিলা নেকি ঢৌৰ দৰে যি গুচিও গ'লা (!) ঢৌৰ দৰেই - যি তোমৰ মৌনতা অথবা অস্বীকাৰৰ বাবে মোৰ কলিজা দুফাল হৈ বৈ গৈছে তেজৰঙা নিজান জুৰি, যি জুৰিৰ পানীত কঁপি কঁপি পানীৰ তলৰ পৰা উঠি আহিছে তোমাৰ জেতুকাবুলীয়া পানীৰ দুহাত। সচাকৈয়ে শূন্যতা, তোমাৰ আঙুলিত ধৰিব খজিয়েই মই হেৰুৱালো মোৰ প্ৰেমৰ ৰঙীন দুহাত- এইখিনিতেই তোমাৰ কৃতিত্ব আৰু মোৰ অপটুতা, তোমাৰ ৰহস্যময়ীতা আৰু মোৰ নিবুৰ্দ্ধিতা। সেই কবিজনক ঈশ্বৰে কোৱাৰ দৰে 'খেলিব নাজানা যদি কিয় খেলা' মোৰ ক্ষেত্ৰতো একেই কথা। অথচ অপ্ৰেমৰ সতেতো মোৰ কোনো চুক্তি নাছিল। কি কৰিবা শূন্যতা, কথা নোহোৱাবোৰে এদিন কথা হয়, বিষয়হীনবোৰেই এদিন বিতৰ্ক হয়, সন্ধিবোৰেই এদিন অৰ্কিন্ধি হয়। সময়ৰেই নিয়ম সকলো। জানাইতো জুৰিৰ দৰে বৈ থাকে সময়, সময়ৰ বোৱতী সোঁতত অপ্ৰয়োজনবোৰ প্ৰয়োজন হয়। শূন্যতা তুমি আহিম বুলিলেই মোৰ চকুৱে চকুৱে গাঁৱলীয়া তিৰোতা এজাকৰ উৰুলি আৰু বুকুৱে বুকুৱে 'ৰামকৃষ্ণ আইৰে ঘৰতে হৰি মোৰ ঐ...... ' ৰ দৰে - মাহ -হালধি যেন গোন্ধোৱা গীত এটি।

শূন্যতা কি ক্ষোভত বাৰু এৰী কাপোৰখন গাত মেৰিয়াই অহা সেউজীয়া চৰাইটোৱে হাবিতলীয়া বাট এটাৰে গুচি গ'ল 'কৰ্দৈসিৰীয়া কাৰ্বি পাহাৰ বগাবলৈ "গছবোৰে আমাক আপোন কৰি ল'ব নোৱাৰে, অথচ আমি নাথাকিলে গছবোৰে গছ হৈ নাথাকে। ৰঙাকৈ চৰাই এটা মোৰ আঙুলিৰ ডালত পৰিবলৈ আহিছিল বুলি কৈ গছবোৰে, নিজৰ জীৱনকালক ধন্য কৰিব খোজে। চৰাই কলিজাৰ ইচ্ছা আবেদন গছবোৰে নুবুজে, বুজিব নোখোজে- ইয়েই বাস্তৱ অ' মোৰ একেখন নাৱৰে সহযাত্ৰী তুমিও জানো তেনেকুৱা!

তুমিতো আহিছিলা শূন্যতা আৰু আহা এতিয়াও। কোনদিনাখননো নাহা তুমি সপোনত। যোৱাটো আবেলি ইমান বাগৰিলো ঘাঁহনিত তোমাৰ স'তে। তোমাৰ সতে যুঁজ-বাগৰত শূন্যতা তোমাৰ চুলিকেইডালমান মোৰ চোলাৰ বুটামত পাক্ খাই বৈ গ'ল। তুমি চাগে গমেই নাপালা। মোৰো গ'ল নাকৰ এচকল। এইয়া শুঙি আছো শুঙি আছো তোমাৰ চুলিৰ সুগন্ধ। আস্! কি যে কোমল নিৰ্যাস তোমাৰ চুলিৰ। তোমাৰ চুলিৰ নিৰ্যাসত অজানিতে মোৰ জণ্ডিজৰোগীৰ দৰে চকুযুৰি তৰাৰ দৰে উজলিছে (তুমি ঘৰত নথকাৰে পৰা তোমাৰ চকুৰ চৌকাৰ দগ্‌মগ্ অঙঠাৰ দৰে নজ্বলা হৈ আছে মোৰ চকুযোৰ আৰু তেতিয়াৰে পৰা মোৰ চকুত চচ্‌মা) আৰু ওঠৰ তীক্ষ্ণতাৰে বাগৰি বিয়পিছে এটা কাজল বৰণৰ হাঁহি- হাঁহিৰ বন্যাত হিৰ্‌হিৰকৈ নামি আহিছে মাছৰোকা চৰাই এজাক। শূন্যতা কিদৰে অজুহাতত বাৰু মই পাহৰিব পাৰো তোমাক; প্ৰয়োজনত পাহৰিব পাৰো সাগৰ, আকাশ, মাটি, মানুহ, পথাৰ পাহাৰ, অৰণ্য আৰু জোনাক, মুঠেও নাপাহাৰো তোমাক।

শূন্যতা বিগত পাঁচঘন্টা ধৰি কটন কলেজ ইন্টাৰনেট ক্লাৱত বহি আছো মই আৰু মোৰ সমস্ত তৎপৰতাৰে ভিজিট্ কৰিছোঁ— ডব্লিউ ডব্লিউ ডব্লিউ ডট্ এক্স বাই জেদ্ ডট্ কম্। পাওঁ নেকি ক'বাত এনে এখন জাৰ্ণেল নতুবা থেছিছ অথবা অন্য কিহবাৰ সন্তেদ, য'ত মই পাব পাৰোঁ টেষ্ট টিউবত তোমাৰ চুলিকেইডালৰ পৰা তোমাক আবিষ্কাৰৰ ন্যুনাধিক এটা ক্লু (clue) যদি পাই যাওঁ অকস্মাৎ তোমাৰ চুলিৰ পৰা তোমাৰ ক্লনিং (cloning) কৰাৰ কোনো সন্তেদ, তুমি গুচি যাব পৰা য'লৈকে তোমাৰ ইচ্ছা শূন্য-মহাশূন্য সকলোতে আৰু মই সৃষ্টি কৰি লম তোমাৰ দৰে হেজাৰজনী শূণ্যতা। তোমাৰেই আউল লাগি যাব তুমি নে তেওঁলোকৰ আন কোনোবা শূন্যতা! তুমি চমক খাই উঠিছা নহয়। আচলতে তুমিতো চমক এচমকাই। নহ'লে আৰু চমক থাকিলে তোমাক কিনিব পৰা যায়নে!

যাহওঁক মোৰ ভিতৰ-বাহিৰৰ শূন্যতা, সময়ৰ চিটীবাছখন আহি পালেই মই আৰু গুচি যাম- যেতিয়া ইয়াত সন্ধ্যা নামিব আৰু চৰাইবোৰ গছৰ মায়াত ঘৰমুৱা হ'ব। তুমি এতিয়া জয়সাগৰত জয়ঢোলৰ তালে তালে নাচি আছা আৰু মই যাতনাৰ জীয়াঢলত সাঁতুৰি আছো। চোৱা মোৰ চকুত অকনো তেজ নাই বগা হৈ ববলৈ, শক্তি নাই হাড়ে-ছালে লগা শৰীৰটোত হিয়া ঢাকুৰি কান্দিবলৈ— মদ পি পি ছিগাৰেট হুপি কিমানদিননো জীয়াই থাকিম শূন্যতা— এইয়া কাছাৰীত ঠিয় হৈ আছো মই কাষত টিনৰ বাকচটো লৈ জিৰ্ জিৰ্কৈ সৰি পৰা সোণালী কাড়ৰ দৰে বৰষুণজাকে বাকচটোত পৰি কোমল বিষাদ সনা গীত এটি জুৰিছে যেন চিঁ চিঁ ঝিলিৰ মাতটোহে - "চেনাই মই যাওঁদে"............. চেনাই মই যাওঁদে'.........

এইবাৰ গছৰ মায়াত নহয় শূন্যতা, অৰণ্যৰ মায়াত গুচি যাম মই আৰু অৰণ্যতেই তুলিম প্ৰেমৰ আৰাও, হৃদয়ৰ ৰেৱাজ। মোৰ স্বদেশ স্বকাল জুৰি যে এতিয়া ভীষণ ৰঙা সময়।

*(লেখক স্নাতক দ্বিতীয় বৰ্ষ পদাৰ্থ বিজ্ঞানৰ বিভাগৰ ছাত্ৰ)*

# এটা বিদ্ৰোহী সপোন

— *হিমাংশু প্ৰসাদ দাস*
স্নাতক প্ৰথম বৰ্ষ।

চুলি মেলি নাহিবা অনিন্দিতা ঃ

চুলি মেলি নাহিবা অনিন্দিতা
সন্ধ্যা নামিব পাৰে ৰ'দত
বৰষা আহিব পাৰে দুখত
তুমি পঢ়ি-পঢ়ি আমনি নলগা
এটা নুবুজা কবিতা
মোৰ সীমাহীন দুৰ্বলতা

গানৰ ওঁঠ দীঘল চুলিৰে
মই তোমাক জানো
আৰু জানো এনেকুৱা নাৰীৰ কথা
কাপোৰৰ অভাৱত যিয়ে চকুত এন্ধাৰ সিচিছিল
কচাইখানাত মঙহ বিকি-যিয়ে পেটৰ ভোক জুৰায়
তুমিওতো শুনিছা নাম
মানিকী বেজবৰুৱা অথবা ৰাজু ভনীমাই দত্ত
বলাৎকাৰৰ পিছত কিদৰে সিহঁত হয় দুখৰ স্তৱক
ৰাইফলৰ ট্ৰিগাৰ টিপিবলে'
তোমাৰ হাতখন কিমান কঠিন - কিমান কঠিন
ৰেচনৰ দাবীত তুমিও জানোচা হোৱা -সাগৰিকা, চোৰেণ
কলেজবেগত কঢ়িয়াই ফুৰা বিপ্লৱৰ লিফলেট।

**তোমাৰ বুকুত বাহ সাজিব খোজা**
**জগলীয়া পাৰৰ মই অঘৰী প্ৰেমিক চৰাই**
**বৰ মন যায় চুমা এটি খাবলে'**
জানোচা ওঁঠত ফুলে তেজৰ শব্দ
মাতাল হৈ বৈ আছিলো তোমাৰ স্কুলৰ বাটত
তোমাৰ মেখেলাৰ পাতলিত ফুলিছিল
মোৰ দুখৰ খৰিকাজাঁই
তোমাৰ বাবেই শোকৰ ভৰত দো খাই পৰে
মোৰ ওঠৰটা তেজাল বসন্ত
তোমাৰ স্মৃতিত দমখাই খেলিছো শব্দৰ জুৱা
ছিগাৰেটৰ ধোঁৱাত আঁকিছো প্ৰেমৰ হুমুনিয়াহ

এদিন ময়ো যাম গুচি বাৰুদৰ বোজা কঢ়িয়াই
ভোকৰ মানুহৰ চকুলো মচিবলে'
তুমিওতো যাবা গুচি সেওঁতাত ৰং সানি
হালধি গোন্ধত জীপাল কৰি কাৰোবাৰ পদূলি

তেতিয়া যে হ'ব সকলো উৰঁলি যোৱা অতীত
সেই যে তোমাৰ পদূলিত সঘন আহ-যাহ
বন্ধুক আমনি লগাকৈ কোৱা তোমাৰ কথা
ঘৰলৈ দেৰিকৈ ওভতা-ৰেলিঙত আড্ডা।
অ' নদীহীন চহৰৰ মাছুৰৈ ছোৱালী
মোক ধৰিবলে, তুমি বৰশী নাপাতিবা
শেৱালি হৈ ফুলিম তোমাৰ পদূলিত
লৈ যাবা বুটলি নিঁয়ৰ গন্ধকি।

## এটা অনুভৱৰ স্কেচ ঃ

হঠাৎ খবৰটো বিয়পি পৰিল। হোষ্টেলৰ ছাত্ৰ এজন ঢুকাল। এখন শোকসভাৰ পিছত গোটেই ক্লাছবোৰ কেনছেল কৰা হ'ল। উ ঃ ৰক্ষা। কেইজনমান ছাত্ৰৰ বাহিৰে বাকীবোৰ ছাত্ৰই মনে মনে হাঁহি দিলে। আমাৰ সমুখত আজি এটা ছাৰপ্ৰাইজ হলিডে। ন' কলেজ, ন' ক্লাছ, ন' টেনশ্যন। লগে লগে তেওঁলোকে এখন ৰুটিন বনাই ললে। কোনোবা গ'ল চিনেমা চাবলৈ, কোনোবা গ'ল ডেটিঙত, কোনোবা গ'ল ওচৰৰ ছোৱালী কলেজ খনৰ ছোৱালী চাবৰ বাবে। একে কলেজৰ ছাত্ৰ এজন ঢুকাল আৰু ক্লাছবোৰ কেনছেল কৰা হ'ল। তাত যে আমাৰ কি নিদাৰুণ উল্লাস। খন্তেকৰ বাবেও আমি বৈ নগলো-নাভাবিলো- কোন ল'ৰা- কেনেকৈ কি হ'ল? তাৰ ঘৰখনে কেনেকৈ সহ্য কৰিব এনেকুৱা এটা খবৰ! আমি কি শিল হৈ গ'লো - ই - মা - ন যান্ত্ৰিক! আজি আমি প্ৰত্যেকে নিজক লৈ এটা চক্ৰবেহুৰ মাজত আৱদ্ধ। সামাজিক চেতনা বোধৰ শূন্যতাই আমাৰ চকুপানী, আবেগ অনভূতিবোৰ গ্ৰাস কৰি পেলাইছে। এজন ছাত্ৰৰ অকাল মৃত্যুত আমাৰ সহানুভূতি নাই- আছে উল্লাস। ন' কলেজ - ন' ক্লাছ - ন' টেনশ্যন- হলিডে - হলিডে টুডে........।

## অনিন্দিতাৰ সতে এদিন

**ঃ এদিন পৃথিৱীখন সলনি হ'ব অনিন্দিতা। ভোক, শোক, যুঁদ্ধ, আকাল, শূন্যতা সকলো এদিন ইতিহাস হ'ব। প্ৰেম আৰু ভালপোৱাৰ বৰদৈচিলাত মানুহবোৰ চৰাই হ'ব।**

**ঃ না-না! তুমি কলেও মই বিশ্বাস নকৰো। এইবোৰ কথা** কিতাপতহে থাকে। বাস্তৱত এইবোৰৰ কোনো মূল্য নাই।

ঃ বাস্তৱ আৰু কল্পনাৰ যোগসূত্ৰ তুমি বুজা নাই আৰু সেই বাবেই তুমি সপোন দেখিব পৰা নাই। আচলতে সপোন দেখাৰ বাবেও সাহস লাগে অনিন্দিতা।

ঃ বাৰু ভালকৈ কোৱাচোন তোমাৰ সপোনটোনো কি?

ঃ আচলতে কি জানা অনিন্দিতা। আমাৰ মাজৰ অসমতাবোৰ আমি যেতিয়ালৈকে নোহোৱা কৰিব নোৱাৰিম, তেতিয়ালৈ এই অশান্তিবোৰ থাকিবই! আদিতে আমাৰ সমাজখনত কোনো শ্ৰেণী নাছিল। কিন্তু সম্পত্তিৰ ব্যক্তিগত মালিকানাই সমাজত শ্ৰেণীৰ উদ্ভৱ কৰিলে। বলী অথচ সংখ্যালঘিষ্ঠ শ্ৰেণীটোৱে সংখ্যাগৰিষ্ঠ দুৰ্বল শ্ৰেণীটোক সদায় হেচি ৰাখিবৰ বাবে সৃষ্টি কৰিলে বিভিন্ন আইন-কানুন-নিয়ম ইত্যাদিৰ। আমি এই নিয়মবোৰ ভাঙি পেলাব লাগিব। আমি কোনো জাতি-অজাতি বিচাৰ কৰিলে নচলিব। আমাৰ কেৱল এটাই জাতি— আমি শোষিত। ধনীক শ্ৰেণীৰ দ্বাৰা শোষিত নিষ্পেষিত শ্ৰেণী।

ঃ সকলোবোৰ মানুহক একগোট কৰাটো জানো সম্ভৱ?

ঃ পৃথিৱীত অসম্ভৱ বুলিবলৈ একো নাই অনিন্দিতা! লক্ষ্য যদি সুনিৰ্দিষ্ট হয়, উদ্দেশ্য যদি মহৎ হয়, জনতা যদি সহযাত্ৰী হয়— তেনেহলে আমাৰ দেশত এদিন নহয় এদিন উৰিবই স্বাধীনতাৰ পতাকা। যুঁদ্ধ হ'ব অনিন্দিতা- জৰুৰ যুদ্ধ হ'ব।

ঃ যুদ্ধ, বন্দুক, হত্যা, না-না বাবা মই এইবোৰ ভাল নাপাওঁ।

ঃ বুকুত হৃদয় নামৰ এটা যন্ত্র থকা কোন মানুহেনো যুদ্ধ বিচাৰে অনিন্দিতা! যুদ্ধ আমিও ভাল নাপাওঁ, বৰং ঘৃণা কৰো - তথাপি আমি যুদ্ধৰ কথা কৈছো- পৃথিৱীৰ পৰা যুদ্ধ সমূহ নোহোৱা কৰিবৰ বাবে-ভোক আৰু শোকৰ পৰিসমাপ্তি ঘটাবৰ বাবে।

ঃ কিন্তু অস্ত্রৰে জানো সমস্যা সমাধান কৰিব পাৰি?

ঃ নোৱাৰি! তাৰ বাবে লাগিব গণজাগৰণ। কিন্তু আমাৰ শত্রু পক্ষ অস্ত্র শস্ত্রৰে সজ্জিত। সিহঁতে তোমাক মোক অনুৰোধ কৰিলে আমি বিচৰাবোৰ নিদিয়ে। আৰু তেতিয়াই প্রয়োজন হয় বন্দুকৰ।

ঃ তথাপি বুজা-বুজি.......

ঃ অসম্ভৱ অনিন্দিতা। এডাল সাপে যেতিয়া তোমাক খুটিব আহিব তুমি তেতিয়া কি তাৰ লগত কিবা বুজাবুজি কৰিবা নে হাতত লাঠি তুলি লবা।

ঃ আৰু তুমি যে এই কৈ আছা - গণজাগৰণ! কোন ওলাই আহিব ৰাজপথলৈ'। অকলেই দি যাবা নেকি বিপ্লৱৰ শ্লোগান!

ঃ আকৌ এবাৰ তোমাৰ ভুল হ'ল অ' অনিন্দিতা! পৃথিৱীৰ সমস্ত ডাৱৰ একীভূত হৈয়ো জানো ঢাকি ৰাখিব পাৰে তেজৰঙা বেলিক চিৰদিন চিৰকাল। দুই এজন দালাল, নপুংসক, সুবিধাবাদীৰ বাহিৰে এদিন নিজৰ মুখৰ জুই নুমুৱাবৰ বাবে নিজেই ওলাই আহিব হেজাৰ জনতা। এয়াই বাস্তৱ, এয়াই সত্য অনিন্দিতা।

ঃ সঁচাকৈয়ে নে?

ঃ সঁচাকৈয়ে মোৰ সোণ। লেনিনৰ কথাটো তুমিতো নাজানা। ৰুছবিপ্লৱৰ মহান নেতা ভ্লাদিমিৰ ইলিছ লেনিন- যাৰ নেতৃত্বত সমগ্র ৰুছ জনগণে এখন ৰঙা পতাকাৰ তলত সমবেত হৈ অত্যাচাৰী জাৰৰ শাসনৰ অন্ত পেলাইছিল। সেইলেনিনকে মানুহে প্রথমতে সন্ত্রাসবাদী বুলি ভাবিছিল। লেনিনৰ বৈপ্লৱিক আদর্শ বহুতৰ বাবে আছিল আচহুৱা আৰু আকাশত চাংপতা কথা।

অ' আৰু এটা মাজৰ ঘটনা। লেনিনে যেতিয়া আত্মগোপন কৰি আছিল তেতিয়া এদিন তেওঁ ছদ্মবেশেৰে নৈৰ পাৰে পাৰে গৈ আছিল। তেওঁ দেখিলে নৈৰ পাৰত এজন ধোবাই আচাৰি আচাৰি কাপোৰ ধুই আছে। এইবাৰ আমাৰ লেনিনে ধোবাজনলৈ প্রশ্নবাণ এৰিলে "হেৰি ককাইটি! আপুনি লেনিন নামৰ মানুহজনক চিনি পাই নেকি?" ধোবাজনে ছদ্মবেশী লেনিনলৈ চাই উত্তৰ দিলে ঃ লেনিন নামৰ সেই লম্পটজনক যদি মই পাওঁ তেনেহলে তাক মই শিলত কাপোৰ আচাৰাৰ দৰে আচাৰি পেলাম।

উত্তৰটো শুনি ছদ্মবেশী লেনিনে একো নকৈ নীৰৱে প্রস্থান কৰিছিল।

- চোৱা অনিন্দিতা, কিছু বছৰ পিছতেই সেই মানুহবোৰ লেনিনৰ লগতে ৰাজপথলৈ ওলাই আহিছিল। কাৰণ জনগণ সদায় এন্ধাৰত নাথাকে। কিছুদিন তেওঁলোকক ফুচুলাই ৰাখিব পৰা যায়, কিন্তু চিৰদিনৰ বাবে নহয়। মানুহৰ দুখ, অপমান, ভোকবোৰ এদিন উদ্গীৰণ হ'ব, চকুপানীবোৰ হ'ব লাভা। এয়া যৌৱনৰ আবেগিক সংলাপ নহয়, এয়া বুভুক্ষ মানুহৰ শুকাই যোৱা বুকুৰ পৰা নিগৰি ওলোৱা তেজৰ দৰে ৰঙা সত্য - যাক অস্বীকাৰ কেৱল জাৰজ সকলেহে কৰিব পাৰে।

স্বাধীনতাক আদৰিবলৈ আহিবা অনিন্দিতা..........

**কথা কবিতা**

# বাঁহীৰ সুৰ

*– টিকেন্দ্রজিত গগৈ*
স্নাতক তৃতীয় বর্ষ

নিজান পথাৰখনৰ মাজত কেতেকীজনীয়ে কিবা দুখত কান্দি উঠিছিল সিদিনা। এবুকু দুখ বুকুত লৈ চকুলোৰ বৰষুণেৰে তিয়াই থৈ গ'ল মোৰ আগচোতালৰ দুবৰি। কেতেকীজনীয়ে কান্দোতেই শিমলুজোপাৰ ওপৰেদি এজাক বতাহ বৈ আহিছিল। য'ত ফুলি আছিল শিমলুজোপাৰ দুপাহিমান ৰঙাফুল। বতাহত উৰিছিল শিমলু তুলাবোৰ আৰু আচৰিত কথা ঠিক সেইখিনি সময়তেই পথাৰখনৰ অদূৰৰ পৰা পাতলকৈ গৰখীয়া বাঁহীৰ সুৰ এটা ভাঁহি আহিছিল। তোমাৰ হৃদয়ৰ খবৰ ল'বলৈকে যেন উৰি গৈছিল কেইজনীমান টোকোৰা চৰাই।

বিলৰ মেটেকানিডৰা ফুলিলে, চালে চাই থাকিবৰে মন যায়। তুমি হয়তো কবিতাতহে শুনিছা মোৰ গাঁৱৰ পথাৰত উজানপৰাৰ কথা। খেৰীঘৰৰ বাঁহৰ জলঙাইদি, লিপা বেৰৰ ফুটাইদি যেতিয়া পোহৰ আহি মোৰ বিচনাত পৰেহি অথবা জোনৰ জোনাকে পোহৰাই তোলেহি মোৰ টেবুলৰ কিতাপবোৰ, খিৰিকিখন নিজে নিজেই খোল খাই যায় ক'ব নোৱাৰাকৈ। ৰাতিপুৱাৰ অলপমান কোমল ৰ'দালিৰ সুবাস আৰু জোনৰ জোনাকী সুগন্ধৰ বাবেই বাট চাই থাকে- মোৰ হৃদয়ৰ চাৰিওটা কোঠাই। জোনাকী পৰুৱাবোৰে বৰ ভাল পায় খিৰিকিখনৰ সৰু ফুটাইদি এবাৰ সোমাবলৈ এবাৰ ওলাবলৈ। কেতিয়াবা সিহঁতে মোৰ টেবুলৰ ওপৰেদিয়েই উৰি থাকে, নাচি ফুৰে, কথা পাতিবলৈ বিচাৰে। যাবৰ পৰত জোনাকীবোৰে আলফুলে সাৱটি ধৰে আৰু কাণে কাণে কৈ যায়- কোনোদিনে নোকোৱা কথাটো। চোৱাচোন চোৱা- কিমান সযতনে লৈ আহিছো তোমালৈ বুলি হিয়াৰ আপোন কৰবীৰ ফুল এপাহ।

কালি ৰাতি সপোনতেই দেখিছিলো মোৰ পদুলিৰ তুলসীজোপা। নীলা চাদৰখনেৰে তোমাক যে বৰ ধুনীয়া দেখায়! জোনাক ৰাতি চিনাকি নৈখনৰ পাৰতেই মই ৰৈ আছিলো। চঞ্চল জোনাকবোৰে বাৰে বাৰে জোকাইছিলহি মাছ আৰু শামুকবোৰক, পাৰত ফুলি থকা হালধীয়া কৰবী ফুলবোৰক। জোনাকী পৰুৱাবোৰে তেতিয়াই কৈ উঠিছিল তোমাৰ কথা, এটা আধাদেখা সপোনৰ কথা। কিয় অহা নাই তুমি? কালিয়েইতো কৈ গৈছিলা আহিম বুলি। নিৰৱতাৰ বুকুত উৰি ফুৰা পখিলাবোৰেহে সোঁৱৰাই দিলে মোক। 'আহিম' বোলা কথাষাৰ হেঙুলীয়া হৈ আকাশৰ বুকুত কেনেদৰে ওলমি থাকিল।



ব্যঙ্গ ছন্দ

# গাৱঁৰে জেউতি সপোন সুন্দৰী

--*ধনজিৎ দাস*

জেউতি গাওঁবাসীৰ মৰম-ভালপোৱা, কোনোদিনে গুৱাহাটী নেদেখা মাকৰ বিস্ময়সূচক ভাৱ, গাওঁখনৰ উচ্চশিক্ষিত ব্যক্তি দেউতাকৰ গৰ্বিত চাৱনী-সকলোবোৰ বুকুত বান্ধি গুৱাহাটী পালে। জেউতিহঁতে বাস কৰা ঠাইখণ্ডৰ পৰিচয় দিবলৈ, জিলাৰ নামটো উল্লেখ নকৰিলে পৰিচয়টো কোনোমতে সম্পূৰ্ণ নহয়। অন্য কথাত জেউতিহঁতে এখন অখ্যাত ভিতৰুৱা গাঁৱত বাস কৰে।

গুৱাহাটী দেখাৰ সৌভাগ্য গাওঁখনৰ তিনিজন ব্যক্তিৰহে হৈছে জেউতিৰ দেউতাক, মন্মথ গাওঁবুঢ়া আৰু গাওঁখনৰ একমাত্ৰ প্ৰাথমিক বিদ্যালয়খনৰ প্ৰধান শিক্ষকজনৰ। গাওঁখনৰ শিক্ষিত ব্যক্তিৰ তালিকাখনতো সেই তিনিজন ব্যক্তিৰে নাম অৰ্ন্তভূক্ত হৈ আছে। চৰকাৰী চাকৰিয়াল হিচাবে সেইসকলৰ ভিতৰত জেউতিৰ দেউতাক উচ্চ শিক্ষিত। মাক-বাপেকৰ একমাত্ৰ সন্তান জেউতি সৰুৰে পৰা পঢ়া-শুনাত অত্যন্ত চোকা আছিল। সেই গুণৰ আলমতে অনেক প্ৰতিকূলতা নেওচি জেউতি গাঁৱৰ পৰা চৈধ্য কিঃ মিঃ আঁতৰৰ হাইস্কুলখনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ নম্বৰসহ ঃ উত্তীৰ্ণ হৈছে। তাকে লৈ গাওঁবাসীৰ উৎসাহ উদ্দীপনাৰ শেষ নাই। তেওঁলোকে জেউতিক গুৱাহাটীত পঢ়াবলৈ মাক দেউতাকক জোৰ কৰি ধৰিলে।

মাকৰ অনিচ্ছাসত্বেও জেউতিক কটন মহাবিদ্যালয়ত বিজ্ঞান শাখাত এড্‌মিচন দিয়াৰ সিদ্ধান্ত লোৱা হ'ল। হোষ্টেলত চিট নাপাই জেউতি দেউতাকৰ পুৰণি বন্ধু এজনৰ ঘৰত থাকিবলৈ ললে।

সহস্ৰ ৰঙীণ স্বপ্ন দুচকুত লৈ জেউতি 'কটনিয়ান' হ'ল। যিখন ঠাই সিহঁতৰ গাঁৱৰ সৰহভাগ মানুহে দেখাই নাই, তাতে থাকি উত্তৰ পূৰ্বাঞ্চলৰ আগশাৰীৰ মহাবিদ্যালয়ত পঢ়া জেউতিৰ গৰ্বও নোহোৱাকৈ থকা নাছিল। নিৰ্দ্দিষ্ট দিনৰ পৰা জেউতি মহাবিদ্যালয়ত ভৰি দিলে। তাইৰ পিন্ধনত এযোৰ কোমল নীলা ৰঙৰ মেখেলা চাদৰ, কান্ধত এটা মজলীয়া ধৰণৰ ক'লা বেগ। দীঘল চুলিটাৰি দুডাল বেণীত আবদ্ধ। মুখত নামমাত্ৰ প্ৰসাধন– কপালত এটা ৰঙা ফোঁট। তাইৰ সমগ্ৰ অৱয়ৱত নবীনৰ কুণ্ঠা আৰু সলজ্জ বিমোৰতা। এটা শ্ৰেণী শেষ হোৱাৰ পিছত আন এটা শ্ৰেণীলৈ দৌৰাদৌৰি কৰোতে চাদৰখনৰ বুকুৰ ওপৰৰ ভাঁজকেইটা ভাঙি গৈছিল। মহাবিদ্যালয়ৰ আন ছাত্ৰীসকলে পিন্ধি অহা সাজ-পোচাকবোৰে তাইৰ দুচকুত বিষ্ময় আৰু মুগ্ধতা জগাই তোলে।

লাহে লাহে জেউতিৰ জড়তা আতৰি গৈছিল – দুই এজনী বান্ধৱীও ল'গ পাইছিল। দেউতাকৰ বন্ধুৰ ঘৰতে জেউতিয়ে গাঁৱৰ পৰিৱেশ ঘূৰাই পোৱা যেন পাইছিল। পঢ়া আৰু ক্লাছ কৰা- এয়াই আছিল জেউতিৰ গতানুগতিক জীৱনৰ ৰুটিন। মাজে সময়ে জেউতিয়ে চুৰিদাৰও পিন্ধিবলৈ লৈছিল। অনাড়ম্বৰ ভাৱে ক্লাছলৈ আহিলেও জেউতিৰ সৌন্দৰ্য্য আন বহুতো সতীৰ্থৰ ঈৰ্ষাৰ বস্তু হৈ পৰিছিল। বৈ পৰা চেলাউৰি, কঁকাললৈ দীঘল চুলি, খামচীয়া কঁকাল– এনে বহুতো সৌন্দৰ্য্যৰ অবয়ব জেউতিতে থূপ খোৱাত জেউতি পৰশ, ববি, চানীহঁতৰ 'ড্ৰিমগাৰ্ল' নোহোৱাকৈ নাথাকিল। ...... হ'লে কি হ'ব? জেউতিয়ে যে কাকো পাত্তাই নিদিয়ে। এনেদৰে পাৰ হ'ল দুটা শিক্ষাবৰ্ষ। উচ্চ মাধ্যমিকৰ দেওনা জেউতিয়ে সুখ্যাতিৰে অতিক্ৰম কৰিলে ।

পৰীক্ষাৰ পিছৰ তিনিমাহ গাঁৱতে কটাই জেউতি পুনৰ চহৰলৈ আহিল। কটনতে এড্‌মিচন ললে স্নাতক খণ্ডত । জেউতিৰ দেউতাকৰ বন্ধুজন ইতিমধ্যে আন এঠাইলৈ বদলি হৈ যাব লগা হ'ল। এইবাৰ জেউতি প্ৰাইভেট হোষ্টেলত থাকিবলৈ ললে। হোষ্টেলৰ শিথিল অনুশাসনে মুক্ত বিহঙ্গৰ আনন্দ দান কৰিলে।

কিছুদিন আগেয়ে জেউতিৰ পিছে পিছে ঘূৰা ৰোমিঅ'সকল পুনৰ সক্ৰিয় হৈ পৰিল। ৰুমমেট্ ৰূপালীবাৰ মৃদু অনুশাসনে জেউতিক আবদ্ধ কৰি ৰাখিব নোৱাৰিলে। এতিয়া জেউতিক নিয়মিত ভাৱে Resturant Pine, ইডেন, ইউ-টাৰ্ন, উৰ্বশী, অপ্সৰা, শংকৰদেৱ কলাক্ষেত্ৰ অথবা নেহেৰু পাৰ্কত লগ পোৱা যায়। তাই এতিয়া পৰশৰ গাৰ্ল ফ্ৰেণ্ড। দিনৰ ভাগত পৰশৰ বাইকৰ পিছৰ চিটটোৱেই জেউতিৰ ঠিকনা। এতিয়া নিয়মিতভাৱে জেউতিয়ে আই-ব্ৰু প্লাক কৰে, চুলিত হেনা লগায়, পৰিধান কৰে চামাৰ জীনচ্-টি চাৰ্ট-চকুত ৰঙীন ৰে-বান।

লাহে লাহে ক্লাচত জেউতিৰ উপস্থিতি সেৰেঙা হ'বলৈ ধৰে। পঢ়া শুনা কৰাটো দূৰৈৰ কথা। প্ৰায় দুবছৰেই হ'ল, জেউতি গাঁৱৰ ঘৰলৈ যোৱা নাই। চিঠিৰে মাক-দেউতাকক টকা খুজি পঠায়। গাঁৱৰ পৰা দেউতাক আহি জেউতিক কেইবাদিনো নাপাই ৰুমমেট্ৰ হাততে টকাকিটা দি গুচি গৈছে।

স্নাতক প্ৰথম খণ্ডৰ পৰীক্ষালৈ প্ৰায় এমাহ বাকী আছে। জেউতিয়ে অলপ পঢ়া কৰিছে যদিও মন নবহে--বিশৃংখল চিন্তাই তাইক জুমুৰি দি ধৰে।

অৱশেষত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ দিন আহিল। সেইদিনা জেউতিয়ে আৱিষ্কাৰ কৰিলে যে তাই 'কলেজ বহিৰ্ভূত' (ডিচ্-কলেজিয়েট) ঘোষিত হৈছে। শোকত কান্দি কাটি বাউলি হ'ল জেউতি। পৰশ থকা হ'লেও কিবা (!) এটা কৰিব পৰা গ'লহেঁতেন। আজি সি দিল্লীলৈ গৈছে। কেতিয়া উভতি আহে একো ঠিক নাই। এটা অমূল্য শিক্ষাবৰ্ষ অথলে যোৱাত জেউতিয়ে দুখ পোৱা নাছিল; দেউতাকৰ ৰঙাচকুৰ সন্মুখীন হ'বলৈহে ভয় কৰিছিল। তাই মাকক নিজৰ ফলীয়া কৰিবলৈ উপায় এটা বিচাৰিলে। অৱশেষত তাই মাকলৈ চিঠি এখন লিখিলে, যাৰ সাৰমৰ্ম এনেধৰণৰ--

"মা, কটন-এখন বৰ ডাঙৰ কলেজ। ইয়াত ইম্মান ল'ৰা-ছোৱালী। ...... কিন্তু সকলোবোৰ মোৰ দৰে বুদ্ধিমান নহয়। ....... সেয়ে আমি কিছুমানক বাচি বাচি কলেজ কৰ্তৃপক্ষই আন এখন কলেজত পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰিছে। মোৰ যে কিমান ভাগ্য! মা!! তই কথাটো দেউতাক বুজাবি।"

বি. দ্ৰ. শেহতীয়া খবৰমতে, চানীৰ সহায়ত জেউতিয়ে আন এখন মহাবিদ্যালয়ৰ পৰা স্নাতক প্ৰথম খণ্ডৰ পৰীক্ষা দিব।

*(লেখক স্নাতক চূড়ান্ত বৰ্ষ। অসমীয়া বিভাগৰ ছাত্ৰ)*

# সমস্যা

*-বিনীতা নাথ*

সমস্যা ! বুজিছে ? কেৱল সমস্যা ! চাৰিওফালে সমস্যা ! সুৰ্য্যোদয়ৰপৰা সুৰ্য্যাস্তলৈকেই সমস্যা। ৰাতিপুৱা শুই উঠাৰ পৰা একেবাৰে ...। অ' ৰাতিপুৱা শুই উঠাটোৱেই সমস্যা নহয় আক'। ৰাতিপুৱাৰ সময়খিনিত বিচনাত শুই থকাৰ আমেজেই বেলেগ বুজিছে? উঠিবলৈতো মনেই নেযায়। পিছে উপায় নাই। দাঁত ব্ৰাছ কৰিব লাগে, গা ধুব লাগে, দুই এখন কাপোৰো ধুব লাগে ইত্যাদি নানা সমস্যা। আকৌ কলেজলৈও সোনকালে ওলাব লাগে নহয়? কলেজত 'এড্‌মিচন' ললো, পিছে হোষ্টেল ছিট এটা এই অভাগিনীৰ কপালত নথটিল। ঘৰৰ পৰা কলেজলৈ ১৫ কিঃ মিঃ মানহে, সময়ো লাগে বৰ বেছি ডেৰ ঘণ্টা। গতিকে প্ৰাইভেট হোষ্টেলো নললো, ভাৰাঘৰো নললো আৰু মই অলপ জেদী স্বভাৱৰ বাবে আত্মীয় কুটুমৰ ঘৰত থকাও নহ'ল। সেয়েহে নাকে মুখে কেইটামান গুজিবলগা হয়, গৰম বাবে খাবই নোৱাৰি, এইটোও সমস্যা। ন বজাৰ পৰা ক্লাছ, বাছ নাপালে বা অলপ 'লেজি' বাছ হলেতো সৰ্বনাশেই। ক্লাছ নাপাওঁগে। ফলত "দিছ-কলেজিয়েট"। দেখিলেনে সমস্যা? কলেজতো বৰ দৌৰাদৌৰি, এবাৰ 'মেইন বিল্ডিং' এবাৰ 'নিউ বিল্ডিং'। ক'ৰ ভাত ক'লৈ যায়? ভোক আৰু ভাগৱত কলিজাৰ শব্দ শুনি নিজৰেই বেয়া লাগে। লৰালৰিৰ বাবে 'টিফিন' নিয়াও নহয়, কেন্টিনত যাবলৈ সদায় ইমান পইচা নাথাকে নহয়! মুঠতে সমস্যা। কি কৰো, ক'তে মৰো। আকৌ কলেজৰপৰাও সোনকালে আহিব লাগে, নহলে ঘৰত চিন্তা, হাজাৰ হওক ছোৱালী মানুহ। আজিৰ যুগৰ কথাতো জানেই। এতিয়া বুজিছেনে কিমান সমস্যা? এইবোৰ অৱশ্যে মোৰ ব্যক্তিগত সমস্যা।

এতিয়া আহিছো অলপ বেলেগ সমস্যালৈ। যেনে- দুখীয়া আৰু ধনী মানুহৰ সমস্যা। খোৱা-পিন্ধা সমস্যা, ফুৰা-চকা সমস্যা এইবোৰতো আছেই, শাৰিৰীক শ্ৰমৰ পাওনাখিনি দিওঁতেও মালিকে কৃপণালি কৰে, অথচ সকলোৰে বাবেতো বস্তুৰ দৰ একেই। মালিকৰ গালি, দম-হুম আদিতো আছেই। আনহাতে, ধনী মানুহৰ সমস্যা অলপ বেলেগ। ফুৰিবলৈ যোৱা, চিনেমা চোৱা, ক্লাব-সভা-সমিতিলৈ যোৱা এইবোৰৰ বাবে ঘৰত থকাৰ সময় নেপায়, কাম কৰিবলৈ মানুহ লাগে। তুলনামূলক ভাৱে সৰু ল'ৰা-ছোৱালী এইক্ষেত্ৰত বেছি প্ৰয়োজনীয়, আনহাতে শিশু শ্ৰমিক ৰখাতো আইনত অপৰাধ। ইয়াৰ সপক্ষে ভাবণ দিয়া মানুহে আকৌ ঘৰত আইন ভংগ কৰিব লগা হয়। এইটো জানো সমস্যা নহয়? ইয়াৰ উপৰিও কিমান যে সমস্যা— উগ্ৰপন্থী, সাম্প্ৰদায়িকতা, দুৰ্নীতি, শিক্ষকৰ দৰ্মহা, চকা বন্ধ, অসম বন্ধ, মূল্যবৃদ্ধি, বাতৰি কাকত ইত্যাদি এশ এবুৰি সমস্যা।

অ' কবলৈ পাহৰিছো, বৰ্তমানৰ নিবনুৱা সমস্যা, ছোৱালী বিয়া দিয়াৰ সমস্যা, ল'ৰালৈ বোৱাৰী অনাৰ পিছত ঘৰত দেখা দিয়া সমস্যা এইবোৰ জানো কম ডাঙৰ সমস্যা? শিক্ষিত নিবনুৱাসকলে চাকৰিৰ পিছে পিছে দৌৰিও চাকৰি পোৱা নাই। কিবা এটা কৰি আদৰ্শ দেখুৱাবলৈ যাওঁতে (বিশেষকৈ ল'ৰাৰ ক্ষেত্ৰত) যি উপলুঙাৰ পাত্ৰ হ'ব লগা হয়, তাক নকলেও হ'ব নিশ্চয়! আকৌ ছোৱালী সকলৰ বিয়াৰ ক্ষেত্ৰত যি সমস্যা হয় তাকতো জানেই, যৌতুকৰ সমস্যাটো আছেই। বুজিলেতো?

গতিকে দেখিলেই নহয়, কিমান সমস্যা, আৰু নকওঁ দিয়ক! সঁচাই সমস্যা, কেৱল সমস্যা আৰু সমস্যা। প্ৰতি পদে পদে সমস্যা। "আফটাৰ অল" সমস্যা, খালি সমস্যা! কেৱল সমস্যা!! আৰু সমস্যা!!!

*(লেখিকা স্নাতক ১ম বৰ্ষ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী)*

# নেহৰু পাৰ্কৰ চিত্ৰহাৰ

*- বীৰেন বৰপূজাৰী*
অধ্যাপক, অসমীয়া বিভাগ

মহানগৰী টি,ভিৰ পৰ্দা উদঙাই
চিত্ৰহাৰৰ বিউটি চালো পিত্ পিত্;
'নেহেৰু পাৰ্ক'ৰ চিত্ৰহাৰৰ বিউটি
হালিউদ-বলিউদতো দেখিবলৈ নাই।
টি. ভি. চেনেলত যি চিত্ৰহাৰে সদায়
দিনে-ৰাতি অবিৰাম কাঢ়ে তাঁত-বাটি
'নেহেৰু পাৰ্ক'ৰ চিত্ৰহাৰৰ বিউটিত
কোনো চেনেলে কদাপি পাত্তাকে নাপায়।
ফিল্মী দুনিয়াৰ চিত্ৰহাৰ হয় পুৰণি;
হিটচ্ চিত্ৰহাৰো দুদিনতে লেৰেলে।
'নেহৰু পাৰ্ক'ৰ চিত্ৰহাৰৰ কি মোহিনী,
নিতৌ জক-মকাকৈ কুঁহিপাতহে মেলে।
যত চাওঁ, ভেবা লাগো, নালাগে আমনি,
বুঢ়া দিলতো প্ৰেমৰ গ্ৰীণবাল্ব জ্বলে।

*('প্ৰিয়তমাৰ চিঠি' ছনেট কবিতাৰ কবি হেমচন্দ্ৰগোস্বামীদেৱলৈ ক্ষমা প্ৰাৰ্থনাৰে)*

# এক অঁৰা লিমাৰিক

*প্ৰবাল পীযুষ*

(১) 'কটনিয়ান'ৰ সম্পাদক অলকেশ দত্ত
ছাত্ৰজীৱনৰ শেষ চোৱা ৰাজনীতিত মত্ত
ৰহি খোৱা ওফোন্দা গাল
কিং মেকিঙত দত্ত ভাল
নতুন প্ৰেমত নাই মত, আছে পূৰ্ব চৰ্ত।

(২) চন্দ্ৰপুৰৰ আংকোল দাস আহিছে পূণেৰ পৰা,
লক্ষ্য আছিল বেংক পি. অ'-ৰ কোচিং এটা কৰা,
চাৰিমাহত কোচিং শেষ
দাসৰ আকৌ নতুন বেশ
এ. চি. এচৰ ধান্দাত দাস আধা-মৰা।

(৩) দৰাৰ সাজেৰে ঘোৰাত উঠি বেপাৰী শৰ্মা আহি
হামখুৰি খাই পৰে, দেখি! কইনা বৰ লাহি
শৰ্মাৰ মুখত নেমু পানী
শৰ্মাই খাই শুকান কানি,
জ্ঞান অহাত শৰ্মাৰ মুখত মিচিক মাচাক হাঁহি

(৪) হিচাপ-নিকাচত বৰ পটু, গগৈ চাৰ চি এ!
বিজ্ঞানত আছিল বৰ ৰাপ, সেইয়ে নকৰি বি এ
ডাঙৰ চিলিমৰ শেষ টান
গগৈয়ে কৰে বৰ মান,
বেছি নিচাত গগৈয়ে চিঞঁৰে ক'ত মোৰ পিএ"।

*(লেখক প্ৰাক্তন কটনিয়ান)*

# কটন কলেজৰ বিষয়ে মোৰ কল্পনা



*ড° মামণি ৰয়ছম গোস্বামী*

মই কটন কলেজ অবিহনে অসমৰ কথা কল্পনা কৰিব নোৱাৰোঁ। কটন কলেজ এনে এক বটবৃক্ষ যাৰ ছায়াত জীৱনৰ সুদীৰ্ঘকাল অতিবাহিত কৰিছিলো। আচৰিত কথা এয়ে যে মোৰ জন্মই হৈছিল কটন কলেজ প্ৰাঙ্গনত। সেই সময়ত মোৰ পিতৃ উমাকান্ত গোস্বামী কটনৰ এটা মেচৰ তত্ত্বাৱধায়ক আছিল। তাতেই মোৰ জন্ম হৈছিল। পিছলৈ মোৰ পিতৃ কটনৰ অধ্যক্ষ হৈছিল। মোৰ পেহীৰ ল'ৰা ড° অনিল কুমাৰ গোস্বামীয়ে আমাৰ ঘৰতে থাকি পঢ়া-শুনা কৰিছিল। নিজৰ ককাইদেউৰ দৰেই আছিল। আমাৰ পৰিয়ালৰ প্ৰায়বোৰ ল'ৰা-ছোৱালীয়েই কটনত পঢ়িছিল।

মই মোৰ কৰ্ম্মজীৱন দিল্লী বিশ্ববিদ্যালয়তে অতিবাহিত কৰিছো যদিও মই কটনৰ ছাত্ৰ-জীৱনৰ কথা কেতিয়াও পাহৰা নাছিলো। ইয়াতেই মই কেইবা গৰাকীও শিক্ষাবিদক ল'গ পাইছিলো। প্ৰায়বোৰেই ভাৰতৰ তিনিখন প্ৰখ্যাত কলেজৰ কথা জানিছিল। এই তিনিখন হ'ল 'উৰিষ্যাৰ ৰবিনশ্ব' (Ravenshow), বঙ্গৰ প্ৰেচিডেন্সি (Presidency) আৰু অসমৰ কটন কলেজ।

দিল্লী বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ শিক্ষাবিদ ড° কমলা কান্ত পাণ্ডাক মই এদিন কটন কলেজৰ বিষয়ে প্ৰশ্ন কৰাত কৈছিল--

" The Cotton College has played a most vital role in the socio-cultural and the political renaissance of Assam. Indeed, it is deeply linked with the very structural growth-process of the state. At a time when the very existence of our national life is threatened by the growth of extra institutional power centres and a climate of intellectual acquiesence, it is the Cotton College, I am confident, which will provide a new of hope to the up-coming generation of the North-Eastern states in particular, and to the National development in general."

কটনক হৃদয়ৰ সৈতে ভাল পোৱা অনেক পুৰণা ছাত্ৰ-ছাত্ৰী এতিয়াও ভাৰতত সিঁচৰতি হৈ আছে।

কটনৰ বিষয়ে প্ৰশ্ন কৰাত ভাৰতৰ সুখ্যাত সাংবাদিক শ্ৰীমতী অমিতা মল্লিকে কৈছিল--

" Within the modern context I would like Cotton Collage to revent to the ideals of my days with dedicated teaching with sports and extra curricular activities, broadening the mind and the scope of study taking preference over pofities. That is why it attracted the best teachers and the best students, and that is how it growned the young developing minds."

এই কথা সঁচা যে এসময়ত কটন কলেজে অনেক বিদেশী পণ্ডিতকো আকৰ্ষিত কৰিছিল। বৃটিছ চৰকাৰৰ এসময়ত ইকনমিক এড্‌ভাইজাৰ আৰ্থাৰ ব্ৰাউন কটনত পঢ়ুৱাবলৈ আহিছিল। ১৯৩১ চনত তেওঁ কটনৰ অধ্যক্ষ হৈছিল। শুনা যায়, তেওঁৰ দৰে অগাধ পণ্ডিত এজনে উত্তৰ-পূব অঞ্চলত এনেদৰে পঢ়ুৱাবলৈ অহা বৰ আচৰিত কথাই আছিল। কটনৰ সুখ্যাতি সম্ভৱ সেই সময়ত সমগ্ৰ ভাৰততে বিয়পি পৰিছিল।

ভৱিষ্যতে কটন কলেজ কেনে হোৱা উচিত এই প্ৰশ্নটো মনলৈ আহোতে মোৰ এটা কথা মনলৈ আহিছিল কটন কলেজ আকৌ আকৰ্ষণৰ কেন্দ্ৰ হ'ব লাগিব। পাঠ্যক্ৰম Job oriented হ'ব লাগিব। পাঠ্যক্ৰম তৈয়াৰ কৰোঁতে বৰ্তমান ভাৰতৰ আৰু বিদেশৰ পাঠ্যক্ৰম কিছু অধ্যয়ন কৰি লোৱা বেয়া নহয়। আন কলেজত প্ৰখ্যাত হৈ পৰা দুই এক গ্ৰন্থ এই নতুন পাঠ্যক্ৰমত সন্নিবিষ্ট হ'লে বেয়া নহ'ব।

দিল্লী বিশ্ববিদ্যালয়ৰ এসময়ৰ চিন্তাশীল ছাত্ৰ শ্ৰী পঙ্কজ কুমাৰ দেৱ শৰ্মাই কৈছিল—

" The College should be made autonomous after proper planning for more efficient management and working. The syllabus should be modified in such a way that it becomes job oriented. Such as amalgamation of history with sociology and psychology etc. The subjects of science and arts, should be made up-to-date with the advancement of information technology, modern scientific ideas, progressive thinking for the modern age etc. etc. "

মই এই চিন্তাশীল ছাত্ৰটিৰ কথাত গুৰুত্ব দিওঁ। ভৱিষ্যতে কটনক এনে ৰূপতে কল্পনা কৰোঁ। শিক্ষা অনুষ্ঠান সমূহ যেতিয়াই ৰাজনীতিৰ মঞ্চ হৈ পৰে তেতিয়া এই অনুষ্ঠান সমূহৰ মৰ্য্যাদা ধুসৰ হৈ আহে। আমাৰ জীৱন কালতেই কেইবাখনো প্ৰখ্যাত শিক্ষা কেন্দ্ৰই নিজৰ পূৰ্ব্ব মৰ্য্যাদা ধ্বংস কৰা দেখি আহিছো।

কটন কলেজৰ কথা কল্পনা কৰাৰ সময়ত মই কেতিয়াবালৈ এই কলেজৰ এটি পুথিভঁড়াল সৃষ্টি হোৱাৰ কথাও কল্পনা কৰোঁ। দিল্লী বিশ্ববিদ্যালয়লৈ আহি প্ৰথমে মোক যি কথাই সকলোতকৈ বেছি আকৰ্ষণ কৰিছিল সেই কথা হ'ল ইয়াৰ "পুথিভঁৰালটো"। এই পুথিভঁৰালটোক সকলোৱে "Central libray" বুলিয়ে জানে। তেৰ কুৰি বছৰ আগেয়ে যিদিনা মই প্ৰথম এই পুথিভঁড়ালত সোমাইছিলো সেইদিনাই মই বুজি পাইছিলো যে এই স্থানৰপৰা সহজে আৰু উভতি যাব নোৱাৰিম।

ইয়াৰ লাইব্ৰেৰীয়ানগৰাকী আছিল এনে এক ব্যক্তি যি ব্যক্তিয়ে পঢ়া-শুনা কৰা অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি গভীৰ দৃষ্টি ৰাখি কিতাপ পত্ৰ আনিছিল। মই ৰামায়ণৰ বিষয়ে গৱেষণা কৰি থাকোতে সেই সময়ৰ লাইব্ৰেৰিয়ানৰ গৰাকীয়ে কেইবাখনো মূল্যবান কিতাপ মোক অনাই দিছিল। মোৰ গৱেষণা গ্ৰন্থ প্ৰকাশ হোৱাৰ পাছত এই গ্ৰন্থ উৎসৰ্গা কৰা ব্যক্তিৰ মাজত তেওঁৰ নামো ৰাখিছিলো।

ভাৰতবৰ্ষৰ এখন প্ৰখ্যাত কলেজ St. Stephen's College এ ১৯৮১ চনত শতবাৰ্ষিকী পালন কৰিছিল। তেওঁলোকৰ মুখপত্ৰ "The Stephenian" ত সেই সময়ত ভাৰতৰ উপৰাষ্ট্ৰপতি শ্ৰী এম. হেদায়তুল্লাহ (Shri M.Hidoyatullah ) চাহাবে এই কলেজৰ লাইব্ৰেৰীটো দেখি লিখিছিল—

" I am gratified to find that a college owns a very well equipped library. A library is one of the essentials of education. Indeed it was Carlyle who said that the modern university is only a collection of books. It is interesting to recall that a librarian of Harvard ( also founded by Cambridge man, as was this institution) once said if space for our libraries become short, the legislative building in Washington may have to be cleared because for the growth of the Nation a library is more needed than the deliberations of politicians. You may be interested to know that a 7 storeyed building housed the library at Harvard."

মই কল্পনা কৰোঁ যে কটনত এদিন এটা জাকত জিলিকা পুথিভঁড়াল হ'ব। ভাল পুথিভঁড়ালে সমগ্ৰ জাতি এটা শিক্ষিত কৰি তোলাত শিক্ষকৰ ভাও এটা ল'ব পাৰিব বুলি মোৰ ধাৰণা। দ্বিতীয়তে বিদেশত ভাল ফলাফল দেখুওৱা অসমৰ ছাত্ৰ-ছাত্ৰীক এই কলেজে আকৰ্ষিত কৰিব পাৰিব লাগিব। ১৯২৬ ৰ পৰা ১৯৩৩ চনলৈ কটন কলেজৰ অধ্যক্ষ হৈ থকা থমশ্বন (Thomson) চাহাবে এনে ধৰণৰ মন্তব্য এটা কৰিছিল। প্ৰখ্যাত শিক্ষাবিদ কটনৰ অধ্যক্ষ আৰ্থাৰ ব্ৰাউনে মোৰ পিতা উমাকান্ত গোস্বামী লৈ লেখা চিঠি এখনত এনেধৰণে লিখিছিল—

" Dr., Thomson is not over in favour of men with English qualifications. He thinks lecturers ought normally to hope to succeed to professorships and that it would be wrong to supersede a very good lecturer with Indian qualification by a much younger man with medioene European qualification this idea is that if a man becomes straightaway a professor because he had European qualifications Hese letter ought to be of first class quality... otherwise there is no justification pushing aside existing lecturers and this letter course is found to give rise to great difficulty and trouble."

মোৰ দৃঢ় বিশ্বাস কটন কলেজে পুৰণা মৰ্য্যদা আকৌ লাভ কৰিব। এই কলেজে নিশ্চয় এক নতুন ৰূপেৰে আহি সমগ্ৰ ভাৰতৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ব।

# অভিমত

*কটন কলেজক বৌদ্ধিক উৎকৰ্ষৰ কেন্দ্ৰবিন্দু ৰূপে সমগ্ৰ ভাৰতবৰ্ষৰ আগত গঢ়ি তুলিবলৈ শত বৰ্ষৰ প্ৰাক মুহূৰ্তত কেনেধৰণৰ পদক্ষেপ হাতত লোৱা উচিত?*

*What steps should be taken to realize the dream of making Cotton College the centre of intellectual growth and excellence for the whole nation?*

**উত্তৰ ঃ**

কটন কলেজক উৎকৰ্ষতাৰ কেন্দ্ৰহিচাপে ইতিমধ্যে ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতি শংকৰ দয়াল শৰ্মাৰ দ্বাৰা ঘোষণা কৰা হৈছে। প্ৰকৃতপক্ষে ১৯০১ চনৰ পৰাই কটন কলেজত বৌদ্ধিক পৰিমণ্ডল এটি গঢ়ি উঠিছিল। এইটো হ'বলৈ পাইছিল এই কলেজৰ অধ্যাপক-অধ্যাপিকা আৰু মেধাবী ছাত্ৰ-ছাত্ৰী সকলৰ বাবে। অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰতি আগ্ৰহী আৰু অৰ্হতা সম্পন্ন ছাত্ৰ ছাত্ৰীৰে ভৰপুৰ এই ঐতিহ্যসম্পন্ন অনুষ্ঠানটি বৌদ্ধিক উৎকৰ্ষতাৰ কেন্দ্ৰ বিন্দু আছিল আগৰে পৰা।

বৃটিছৰ আমোলত আৰু স্বাধীনতাৰ আগতে যিধৰণৰ শিক্ষাব্যৱস্থা আছিল তাৰ তুলনাত সাম্প্ৰতিক সময়ত শিক্ষাৰ বিষয় আৰু পদ্ধতিৰ যথেষ্ট পৰিবৰ্তন হৈছে। বৰ্তমান যুগটো বিজ্ঞান আৰু প্ৰযুক্তিৰ দিশত অভাৱনীয়ভাৱে আগবাঢ়ি গৈছে। সময়ৰ উপযোগীকৈ এই কলেজখনৰ বিষয়গত আৰু পদ্ধতিগত পৰিবৰ্তন অতি প্ৰয়োজন হৈ পৰিছে সেইবাবেই প্ৰশ্ন হয় কটন কলেজ উৎকৃষ্টিতাৰ কেন্দ্ৰনে? কলেজখনক অনতিপলমে বিশ্ববিদ্যালয়ৰ সমপৰ্যায়ৰ অনুষ্ঠান হিচাপে গঢ়ি তুলিলেহে ই উৎকৃষ্টতাৰ কেন্দ্ৰ হব পাৰিব। এই কাম কৰিব লাগিব অসম চৰকাৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে। কাৰণ কলেজ চৰকাৰী অনুষ্ঠান আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত পাঠ্যক্ৰমহে ইয়াত প্ৰচলিত হৈ আছে। দুয়োপক্ষৰ আগ্ৰহ আৰু সদিচ্ছাৰ জৰিয়তে কটন কলেজত কেইবাটিও ফেকাল্টি খুলি বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু অন্যান্য উদ্যোগ প্ৰতিষ্ঠানৰ পৃষ্ঠপোষকতাত আনুষ্ঠানটিক একবিংশ শতিকাত অসাধাৰণ শিক্ষানুষ্ঠান কৰি তুলিব পাৰি। মোৰ বোধেৰে কটন কলেজৰ পুৰণি সম্পদ নিউফিল্ডখন পুনৰুদ্ধাৰ কৰি তা'তো এটি ফেকাল্টি খুলিব পাৰি। সদ্যহতে চৰকাৰে বিদ্যায়তনিক আৰু বিত্তীয় দুটি স্বতন্ত্ৰ কমিটিৰ অধ্যাদেশ জাৰি কৰি এই মহান অনুষ্ঠানটিক বিশ্ববিদ্যালয় পৰ্য্যায়লৈ উন্নীত কৰিব পাৰে।

***পৱন কুমাৰ বৰুৱা***
*মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ*

এশ বছৰীয়া কটন কলেজ ভাৰতবৰ্ষৰ এখন প্ৰাচীন আৰু অসমৰ প্ৰাচীনতম শিক্ষানুষ্ঠান। এই মহান শিক্ষানুষ্ঠানটোৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ সময়, আমি শতবৰ্ষৰ প্ৰাক্ মুহূৰ্তটো নহৈ তাৰ বহু আগতে ল'ব পৰা হ'লে ভাল আছিল।

যি নহওঁক, কটন কলেজক বৌদ্ধিক উৎকৰ্ষৰ কেন্দ্ৰ ৰূপে গঢ়ি তুলিবলৈ হ'লে চিন্তা-চৰ্চা কৰিবলগীয়া দিশসমূহ, আমাৰ বোধেৰে, এনে ধৰণৰ ঃ

(১) প্ৰণিধানযোগ্য দিশসমূহৰ অন্যতম হ'ল শৈক্ষিক স্ব-নিয়ন্ত্ৰণ। শৈক্ষিক দিশত স্ব-নিয়ন্ত্ৰণৰ সুযোগ প্ৰাপ্তিয়ে পাঠ্যক্ৰম প্ৰস্তুতি, পৰীক্ষা পদ্ধতি সংশোধন তথা পৰিচালনা, পৰীক্ষাৰ ফলাফল মূল্যাংকণ তথা নিৰ্ণয়ণ আদিৰ ক্ষেত্ৰত কটন কলেজক নিজাববীয়া দায়িত্ব পালনত সুবিধা প্ৰদান কৰিলেহেঁতেন।

(২) নিজাববীয়া দায়িত্ব পালন বুলি কওঁতে অৱশ্যে এটা কথা আমি মন কৰিব লাগিব যে শিক্ষাদানৰ ক্ষেত্ৰত শিক্ষকসকলে নিজ নিজ কৰ্তব্য সুচাৰুৰূপে পালন কৰাত নিজকে সৰ্বপ্ৰস্তুত কৰি ল'ব পাৰিবই লাগিব।

(৩) পাঠ্যক্ৰম যুগুত কৰোঁতে গুৰুত্ব আৰোপ কৰিবলগীয়া বিষয়টো হ'ল পাঠ্যক্ৰমৰ প্ৰয়োগিক দিশ। কোনো এটা পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণৰ অন্তত শিক্ষাৰ্থীসকলে বিভিন্ন প্ৰকাৰৰ নিয়োজন তথা স্ব-নিয়োজনৰ ক্ষেত্ৰত নিজকে উপযুক্ত বুলি বিবেচনা কৰাৰ অৰ্হতা আহৰণ কৰিব পাৰিব লাগিব অৰ্থাৎ স্ব-ধাৰণক্ষম জীৱন-যাপনত অসুবিধাৰ সন্মুখীন হ'ব নালাগিব।

(৪) বিভাগীয় কাম-কাজৰ প্ৰকৃতি এনে হোৱাটো বাঞ্ছনীয় যাতে গতানুগতিক শিক্ষাদানৰ উপৰিও বিভাগটো সুস্থ আৰু সুচিন্তিতভাৱে চলাই নিয়াৰ বাবে প্ৰয়োজনীয় সম্পদ স্ব-সৃজিত কৰিব পৰা যায়। তেতিয়া হ'লে আৱশ্যকীয় পুজিৰ বাবে আনৰ ওপৰত নিৰ্ভৰশীল নোহোৱাকৈ বিভাগীয় উন্নয়নত আগবাঢ়িব পৰা যায়।

**সুৰেণ তালুকদাৰ**
*মুৰব্বী, ভূগোল বিজ্ঞান বিভাগ*

কুৰি শতিকাৰ আৰম্ভণীতে স্থাপিত কটন কলেজে সেই শতিকাটোৰ প্ৰথম ভাগত সেই সময়ৰ পৰিৱেশ আৰু পৰিস্থিতিত অসম তথা ভাৰতবৰ্ষত এটা গৌৰৱময় অধ্যায়ৰ সূচনা কৰিছিল তথা সেইসময়ৰ অসমৰ স্বনামধন্য সাহিত্যিক, সামাজিক-অৰ্থনৈতিক আৰু ৰাজনৈতিক নেতা, নামজ্বলা অধ্যাপক তথা কিছু সংখ্যক বিজ্ঞানীৰ সৃষ্টি কৰিছিল। কিন্তু পৰিবৰ্তিত সময়ত শতিকাৰ পিছৰছোৱাত কটন কলেজৰ সুনাম ক্ষুন্ন হোৱা বুলি অভিযোগ শুনা যায়। সেয়েহে কলেজখনৰ শতবৰ্ষৰ প্ৰাকমূহূৰ্তত ইয়াৰ বৌদ্ধিক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাবে গঢ়ি তুলিবলৈ নিম্নোক্ত প্ৰাসঙ্গিক পৰামৰ্শৱলী আগবঢ়োৱা হ'ল—

(১) প্ৰশাসনিক ব্যৱস্থাৰ দ্ৰুত উন্নতি সাধন কৰা উচিত যাতে শিক্ষাদান আৰু শিক্ষাগ্ৰহণ কঠোৰ শৃঙ্খলাৰ দ্বাৰা সম্ভৱ হয়।

(২) কটন কলেজক স্বায়ত্ব শাসিত অনুষ্ঠান বুলি ঘোষণা কৰিব লাগে য'ত কলেজৰ বিত্তীয় স্বাধীনতা থাকিব।

(৩) উন্নত শৈক্ষিক পৰিৱেশ সৃষ্টি কৰিব লাগিব য'ত শিক্ষক আৰু ছাত্ৰৰ মাজত বিশ্বাস আৰু আস্থাযুক্ত মধুৰ সম্পৰ্ক গঢ়ি উঠিব পাৰে।

(৪) চিৰাচৰিত বিজ্ঞান আৰু কলাবিভাগসমূহৰ পাঠ্যক্ৰম আধুনিক হব লাগে। তথা আধুনিক বিষয় যেনে— Biophysics, Biotechnology, Petroleum Technology, Computer Science, Information technology আদি বিষয় সমূহ খুলিব লাগে। প্ৰয়োজন হ'লে দেশ-বিদেশৰ বিদগ্ধ পণ্ডিত সকলৰ সহায় লোৱা বাঞ্চনীয়।

(৫) আধুনিক শিক্ষাদানৰ উপযোগী গৱেষণাৰ পুথিভঁৰাল, সজুলি আদিৰ সুব্যৱস্থা লাগিব।

(৬) গুৰুত্বপূৰ্ণ বিষয়সমূহত উচ্চশিক্ষা অভিলাষী ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া তথা উপযুক্ত সা-সুবিধা থাকিব লাগে।

(৭) শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলোৰে মানসিক উৎকৰ্ষ সাধনৰ বাবে খেলা ধূলাৰ ব্যৱস্থা তথা সাহিত্যচৰ্চা, বিজ্ঞান ভিত্তিক আলোচনাচক্ৰ আদিৰ ব্যৱস্থা থাকিব লাগে।

**ড° ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য**

*মুৰব্বী অধ্যাপক, প্ৰাণীবিদ্যা বিভাগ,*

সুস্থ শৰীৰতহে সুস্থ আত্মা থাকিব পাৰে। বৌদ্ধিক উৎকৰ্ষতাৰ বাবে শাৰীৰিক সুস্থতাৰ নিতান্তই প্ৰয়োজন। কটন কলেজক বৌদ্ধিক উৎকৰ্ষতাৰ কেন্দ্ৰ ৰূপে সমগ্ৰ ভাৰতবৰ্ষৰ আগত গঢ়ি তুলিবলৈ শতবৰ্ষৰ প্ৰাক্মুহূৰ্তত কলেজখনৰ শাৰীৰিক সুস্থতাৰ প্ৰতি ধ্যান দিব লাগিব। কলেজখনক জৰাজীৰ্ণ অৱস্থাৰ পৰা মুক্ত কৰিব লাগিব। কলেজখনত মানৱ সম্পদৰ সদব্যৱহাৰ হ'লে, ইয়াক অনুশাসনৰ পথলৈ আনিব পাৰিলে, দ্ৰাৰিদ্ৰ্যৰ পৰা মুক্ত কৰিব পাৰিলে আজিতকৈ উন্নত বৌদ্ধিক পৰিৱেশ গঢ়ি উঠিব। ছাত্ৰ-ছাত্ৰীক কলেজৰ শ্ৰেণীৰ প্ৰতি আকৰ্ষিত কৰাৰ চেষ্টা শিক্ষক-শিক্ষয়িত্ৰী, কলেজ কৰ্তৃপক্ষ আৰু চৰকাৰে উমৈহতীয়া ভাবে কৰিলে ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধন হ'ব। সময়মতে শিক্ষক শ্ৰেণীত উপস্থিত নোহোৱা, প্ৰয়োজন আৰু প্ৰাপ্য ছুটীতকৈ অধিক ছুটী লোৱা, শৈক্ষিক ক্ৰিয়া- কাৰ্য্যৰ নামত দেশ-বিদেশৰ বিভিন্ন ঠাইত ঘূৰি ফুৰা, সপ্তাহত ৫ দিন বা ৪ দিন শ্ৰেণীত পাঠদান কৰাৰ সুৰুঙা উলিওৱা আদি বেমাৰৰ চিকিৎসা কৰিব পাৰিলে বৌদ্ধিক পৰিৱেশ ঘূৰি আহিব বুলি মোৰ ধাৰণা। যোগ্য আৰু উপযুক্ত পৰিমানৰ শিক্ষকৰ নিযুক্তিৰ লগতে ছাত্ৰাবাস আৰু পুথিভঁৰালৰ সমস্যাৰ সমাধান হ'লে নিশ্চয়কৈ কলেজ খন বৌদ্ধিক উৎকৰ্ষতাৰ কেন্দ্ৰ হ'ব।

**ড° অমূল্য বৰ্মণ**

*মুৰব্বী অধ্যাপক, হিন্দী বিভাগ,*

The first step would be to restructure the office of Cotton College -- a complete overhauling of the infrastructure is required. The posts of Vice-Principal, Administrative Officer and Finance Officer should be immediately incorporated. There is a suggestion from some quarters that the administrative cell in Dispur, which manages the official work of Cotton College, should be shifted to the college premises so that the teachers do not have to rush to Dispur for matters like retention etc. and can concentrate more on their classes. Moreover more people should be employed in managing the affairs relating to salaries of teaching and non teaching staff so that the teachers do not have to get involved in these matters also. The vacancies in the Departments should also be immediately filled up.

It is very important that 'Information Technology' should be included as a compulsory course in the Degree level as this is the age of computers. The syllabus of the different subjects should also be renewed from time to time to keep pace with the changing world.

It is of extreme importance that an Institution like Cotton College be allowed to function on its own sons any interference from other authorities as regards academies, administration and finance.

***Kamala Choudhary***

*Head of the deptt. Statistics*

Cotton College is passing through a long phase of stagnation and decay. It has a glorious past but its present state of affairs is not so encouraging for which the negligence of the government is mainly to blame but the present generations of teachers and taught cannot escape their responsibility. In order to realise the dream of making Cotton College the centre of intellectual growth and excellence for the whole nation, some of the steps to be taken are as follows.

(1) To create proper academic atmosphere, which requires considerable teacher - student interaction and discipline in the campus, there should be reduction in the number of students enrolled or else a second campus should be established.

(2) Infrastructural facilities should be improved.

(3) Without really brilliant students there can be no intellectual growth. To attract such students new relevant courses must be introduced and a large number of scholarships should be instituated.

(4) NET qualified teachers should be appointed purely on the basis of merit.

(5) Cotton College should be accorded academic and administrative autonomy.

(6) Cotton College should undertake research activities of international standard. To make it feasible an eminent scholar should be appointed as the Professor and Head in each department on the basis of open advertisement in the scale of university professor.

***Tarun Sircar***

*Head of the deptt. Mathematics*

In hundred years of existence Cotton College, the premier institution of higher education of North East India has imparted higher education to hundred thousands of Cottonians. However, due to reasons beyond the control of the college authority, the College has not been able to introduce the courses relevant to today's world. Unless this is done , the college cannot attract the best of the available talents beyound H.S. level

The first step to be taken to fulfil the aspiration of the student community of Assam is to grant Academic Autonomy to Cotton College. This will enable the college in view of the demand of modern world. Introduction of the subjects like computer education (BCA, MCA, Bsc and Msc Computer), IT, Mass communication, Design and Management courses, Biochemistry and Biotechnology etc. is a must if we intend to make our dear institution the path bearer of this millennium,

At the same time the standard of on going courses will have to lifted by improving library and laboratory facilities, introducing modern methods of instruction and supporting research activities. Last but not the least is the utmost dedication on the part of the teachers and the students, without which the dream of making Cotton College the centre of intellectual growth and excellence cannot be realized.

***Kamalesh Choudhury***
*Head of the deptt., Chemistry*

I feel that the students and teachers of Cotton College are really brilliant and they can contribute greatly for the growth and excellence of the whole nation.

However, the atmospher of Assam, for a very long time now is not suitable for growth and development of excellence. Assamese students therefore have become worried about their career and future life. They have lost their capacity to concentrate in studies and are loozing motivation to work hard. But gemius is 10% heredity and 90% hard work. We therefore should concentrate more on how we can increase the motivation and 'concentration of our students.

As a first step to do this I suggest that a Yoga and meditation class should be opened immediately in Cotton College. Many western Countries, particularly Japan are doing excellent work for the growth and development of the entire world by introducing meditation in all offices and educational institutions.

I therefore firmly believe that Yoga and meditation will greatly help Cotton College for making it a centre of intellectual growth and excellence.

***Minoti Barthakur***
*Head of the deptt. of Philosophy*

বৌদ্ধিক বা বুদ্ধিজীৱী অৰ্থাৎ intellectual বুলিলে ইয়াকেই বুজায় যে যিজনে শুদ্ধ উপকৰণেৰে জ্ঞান আহৰণ কৰে, আৰু সেই জ্ঞানৰ সঞ্চয়খিনি যেতিয়া এক উৎকৃষ্ট মানৰ পৃথিৱী গঢ়াত বিনিয়োগ ঘটায় তাকেই বৌদ্ধিক উৎকৰ্ষ সাধন কৰা বুলি কোৱা হয়, কটন মহাবিদ্যালয়ৰ শতবৰ্ষ পালনৰ আগমুহূৰ্ত্তত আমি যিটো প্ৰশ্নৰ মুখা-মুখি হ'ব খুজিছো ই সঁচাকৈয়েই আদৰণীয়, কটন কলেজক 'বৌদ্ধিক উৎকৰ্যতাৰ কেন্দ্ৰ' ৰূপে সমগ্ৰ ভাৰতবৰ্ষত চিনাকি দিয়াৰ প্ৰয়াস কৰিলে— আমি কি চিন্তা কৰিব লাগিব? এই বৌদ্ধিকতাৰ পৰিচয় আমি কিহেৰে দিম?

ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত পোৱা নম্বৰকিটাৰে বা বিশ্ববিদ্যালয়ৰ পৰীক্ষা সমূহত কেইটামান স্থান দখল কৰিব পৰাটোৱেই বৌদ্ধিকতাৰ পৰিচয় হব নোৱাৰে। যদিহে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পাৰ্গতালিৰ বাহিৰে আৰু কিছুমান শুদ্ধ উপকৰণ গ্ৰহণ কৰাত অপাৰগ হয়। গতিকে এই শুভক্ষণ পালন কৰাৰ আগমুহূৰ্ত্তত উল্লেখিত প্ৰশ্নৰউত্তৰ খিনি এনেদৰে দিব লাগিব।

ছাত্ৰ-ছাত্ৰীৰ পাৰ্গতালিখিনি বৃদ্ধি হোৱাৰ লগে লগে তেওঁলোকৰ মানসিকতাৰ স্তৰ উচ্চ হ'ব লাগিব, নৈতিকতাৰ স্খলনক বাধা দিব লাগিব, তেওঁলোকৰ আচৰণ পৰিপক্ক হ'ব লাগিব, তেওঁলোকৰ গতি বিধি সুশৃঙ্খলিত হ'ব লাগিব। নিজ ভাষা, সংস্কৃতি সাজ - পোছাক চিনি পাব আৰু ব্যৱহাৰ কৰিব লাগিব। কটন মহাবিদ্যালয়ত গঢ়ি তুলিব লাগিব এক শান্তিময় শৃঙ্খলিত, এক অবিৰত শৈক্ষিক পৰিবেশ যিটো পৰিবেশে চিনাকি দিব 'কটনিয়ান'ক সমগ্ৰ ভাৰত বাসীৰ আগত। এই মহাবিদ্যালয়খনক বৌদ্ধিকতাৰ উৎকৰ্ষৰ কেন্দ্ৰৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ দৰে শিক্ষক-শিক্ষয়িত্ৰী সকলৰো দায়িত্ব সমানে আছে। এক মানবীয় দৃষ্টি ভঙ্গীৰে, নিস্বাৰ্থভাৱে আপোন-পেটা স্বভাৱ বাদ দি নিজ পাৰদৰ্শিতাখিনি বেকত কৰিব লাগিব। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ নিবিড় সমন্ধই এক ৰোগমুক্ত পৰিৱেশ সৃষ্টি কৰিব পাৰে।

এই মহাবিদ্যালয়ৰ বৰখুটাত থকাজনেও নিস্বাৰ্থভাৱে ইয়াৰ পৰিৱেশ আৰু শিক্ষণীয় দিশৰ সধাঙ্গ উন্নতিৰ চেষ্টা কৰিব লাগিব। তাৰোপৰি সমূহ কৰ্মচাৰী বৃন্দই নিজৰ কৰ্ত্তব্যখিনি অবিৰতভাৱে কৰি যাব লাগে। চৰকাৰে কথাৰ ফুলজাৰিৰে নহয়- কামৰ ফুলজাৰিৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সম্পৰ্ক সুবিধা প্ৰদান ও কলেজখনৰ অভাৱখিনি পুৰাব লাগিব।

***অনিমা চৌধুৰী***
*মুৰব্বী অধ্যাপিকা, অৰ্থনীতি বিভাগ,*

যিকোনো এটা অনুস্থানক বৌদ্ধিক উৎকৰ্যতাৰ কেন্দ্ৰবিন্দু ৰূপে গঢ়ি তোলাটো ইমান সহজসাধ্য নহয় আৰু কিছুমান ব্যৱস্থা ললেই যে ই উৎকৰ্ষতাৰ কেন্দ্ৰ হ'ব তেনে কোনো কথা নাই। বিশেষতঃ এই অনুষ্ঠানটো যদি এটা শিক্ষানুষ্ঠান হয়। অৱশ্যে এটা শিক্ষানুষ্ঠানক উচ্চ শিক্ষা তথা অধ্যয়ন আৰু গৱেষণাৰ কেন্দ্ৰ বিন্দু ৰূপে গঢ়ি তুলিব পৰা যায়। এই ক্ষেত্ৰটো শিক্ষানুষ্ঠানটোত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী,কৰ্মচাৰী আৰু বিশেষকৈ শিক্ষক-শিক্ষয়িত্ৰী আৰু সংশ্লিষ্ট মহল সকলোৰে সমূহীয়া প্ৰচেষ্টাৰ উপৰিও বহু বছৰজোৰা সাধনা, নিষ্ঠা আৰু সততাৰ অতীব প্ৰয়োজন। বৰ্ত্তমান সময়ত অসমত প্ৰায় সকলো ক্ষেত্ৰতে দৈন্যতাই বিৰাজ কৰি আছে। বৌদ্ধিক দৈন্যতা ইয়াৰ অন্যতম। শিক্ষা জগতৰ কেৰলীয়া অৱস্থাৰ বিষয়ে নতুনকৈ কবলৈ একো নাই। অতীতক ভেজা দি এটা জাতি জীয়াই থাকিব নোৱাৰে। এনে ধৰণেৰে অতীত গৌৰবৰ গইনা লৈ এটা অনুষ্ঠান সদায়ে চলি থাকিবও নোৱাৰে। অতীত মাথোন এটা অনুপ্ৰেৰণা। এটা শিক্ষানুষ্ঠানৰ অগ্ৰগতি বহু পৰিমাণে নিৰ্ভৰ কৰে সমাজৰ সামগ্ৰিক পৰিৱেশ, চিন্তা-চৰ্চা ধ্যান-ধাৰণাৰ ওপৰত। বৰ্ত্তমান ভোগ-বিলাস সৰ্ব্বস্ব এখন সমাজত জ্ঞান বিজ্ঞানৰ উচ্চস্তৰীয় চিন্ত্ৰ-চৰ্চা বহু নিলগত পৰি ৰৈছে। সঠিক দৃষ্টিভঙ্গী মানবীয় প্ৰমূল্য, সমাজিক দায়বদ্ধতা বৰ্ত্তমান সময়ত পৰ্ব্বতত কাচকণী বিচৰাৰ দৰে।

এনেকুৱা এটা পেক্ষাপটত কটন কলেজক বৌদ্ধিক উৎকৰ্যতাৰ কেন্দ্ৰ ৰূপে গঢ়ি তোলাটো কিমান কষ্টকৰ ই সহজে অনুমেয়। আগতে কৈ অহাৰ দৰে বৌদ্ধিক উৎৰ্বকতাৰ কেন্দ্ৰ নহলেও প্ৰকৃত অৰ্থত উচ্চস্তৰীয় চিন্তা-চৰ্চ্চাৰে, জ্ঞান-বিজ্ঞানৰ সাধনাৰে কটন কলেজক উচ্চ শিক্ষাৰ গুণগত কেন্দ্ৰবিন্দু হিচাবে পুনৰ গঢ় দিবলৈ সকলো পক্ষৰ পৰা যত্নপৰ হোৱাটো উচিত। প্ৰথম পদক্ষেপত এই কামটো কৰিব পাৰিলে বৌদ্ধিক চিন্তা চৰ্চ্চাৰ পৰিবেশ এটা সৃষ্টি কৰিববলৈ নিশ্চয় সহজ হব। বাহিৰৰ জগতৰ লগত যোৰা মৰাৰ জোখেৰে পুনৰ কটন কলেজক সাজু কৰিববলৈ আবেগৰ বশবৰ্ত্তী নহৈ কটন কলেজ সম্পৰ্কত ওপৰত উল্লেখ কৰা কৰাৰ বাহিৰেও কিছু কঠোৰ সিদ্ধান্ত (hard decision) লব লাগিব। বৰ্ত্তমান সময়ত কটন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাই ইয়াত যে গুণগত শিক্ষা আহৰণ কৰা অসম্ভৱ তাক প্ৰমাণ কৰে। এই সমস্যাৰ ফলত আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰী সকল। গতিকে কটন কলেজৰ পৰা উচ্চ মাধ্যমিক শ্ৰেণী দুটা (একাদশ আৰু দ্বাদশ) উঠাই নি অকল স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সীমিত কৰিব লাগিব। স্নাতকোত্তৰ শ্ৰেণীৰ (বিশেষকৈ কলা শাখাৰ) আসনৰ সংখ্যাও কমাব লাগিব। সংখ্যাতকৈ গুণগত শিক্ষাত গুৰুত্ব দিয়াটো লক্ষ্য আৰু কাম্য হোৱাটো উচিত। বৰ্ত্তমান

থকা বিষয় সমূহৰ আওপুৰণি পাঠ্যক্ৰম সলনি কৰাৰ লগতে সময়ৰ লগত খাপখোৱা নতুন নতুন বিষয়, পাঠ্যক্ৰম আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰীক সময়ৰ লগত ফেৰ মাৰিব পৰাকৈ উপযুক্ত কৰি তুলিব পাৰিব লাগিব। এটা কথা সদায়ে মনত ৰখা উচিত যে শৈক্ষিক শ্ৰেষ্ঠতাৰ বজাৰমুখী শিক্ষা ব্যৱস্থাৰ লগত সহ অৱস্থান হ'ব নোৱাৰে। ছাত্ৰ-ছাত্ৰীৰ পুথিভঁড়ালত অধ্যয়ন বাধ্যতামূলক কৰিব লাগিব। শিক্ষক-শিক্ষয়িত্ৰী সকলে কিছু ত্যাগ কৰি হলেও ছাত্ৰ-ছাত্ৰীৰ বাবে কলেজত বেচি সময় দি তেওঁলোকৰ (ছাত্ৰ-ছাত্ৰীৰ) স্বকীয় প্ৰতিভা বিকাশত অৰিহণা যোগাই স্ব-নিৰ্ভৰশীল হবলৈ শিকাব লাগিব। এইটো কথা অনস্বীকাৰ্য্য যে শিক্ষক-শিক্ষয়িত্ৰী সকলৰ প্ৰেৰণাদায়ক আৰু ৰচনাত্মক ভূমিকাৰ দ্বাৰাহে ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক তথা বৌদ্ধিক বিকাশ সম্ভৱ আৰু সেয়েই এটা শিক্ষানুষ্ঠানক মহত্ব প্ৰদানত সহায় কৰে।

প্ৰশাসনীয় দিশত কিছু পৰিবৰ্তন হ'ব লাগিব। কলেজৰ তথা ছাত্ৰাবাসৰ নিয়ম-নীতিৰ ক্ষেত্ৰত কোনো আপোচ হ'ব নালাগিব। ছাত্ৰ একতা সভা নিষিদ্ধ কৰাৰ কোনো কাৰিকৰী সুবিধা থাকিলে এই সভাৰ কাৰ্য্য মাথোন ছাত্ৰ-ছাত্ৰীৰ উন্নয়ন মূলক কামত সীমাবদ্ধ কৰি ৰাখি কলেজৰ আৰু ছাত্ৰাবাসৰ পৰিৱেশ ন্যস্তস্বাৰ্থজড়িত মহলৰ পৰা মুক্ত কৰি ৰাখিব লাগিব। মনত ৰখা উচিত যে উচ্চ শিক্ষা মাথোন জীৱন আৰু জীৱিকাৰ আহিলাই নহয়, ই এটা সৃষ্টিশীল আৰু মানসিকভাৱে সুস্থ ব্যক্তিত্বপূৰ্ণ জীৱন গঢ়াৰো মাধ্যম।

***ব্ৰজেন্দ্ৰ নাথ তালুকদাৰ***
*মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ*

কটন কলেজক বৌদ্ধিক উৎকৰ্ষতাৰ কেন্দ্ৰবিন্দুৰূপে সমগ্ৰ ভাৰতবৰ্ষৰ আগত গঢ়ি তুলিবলৈ শতবৰ্ষৰ প্ৰাক মুহূৰ্ত্তত যি কেইটা পদক্ষেপ লোৱা দৰকাৰী বুলি ভাৱো ক্ৰমানুসৰি উল্লেখ কৰা হ'ল।

(১) কটন কলেজ যিহেতু ভাৰতৰ ভিতৰতে এখন বেচ পুৰণি শিক্ষানুষ্ঠান গতিকে প্ৰথমে ইয়াৰ যিটো বহিঃ সৌন্দৰ্য্যতা তাৰ প্ৰতি গুৰুত্ব দিব লাগে। উদাহৰণ স্বৰূপে প্ৰত্যেক শ্ৰেণীত চকী-মেজ, ডেস্ক-বেঞ্চ, ফেন, বিজুলিবাতি ইত্যাদিৰ সুবন্দোবস্ত হ'ব লাগে আৰু সিবিলাক চাফচিকুনকৈ ৰখাৰ প্ৰতিও দৃষ্টি ৰাখিব লাগে।

(২) হোষ্টেল আৱাসী বিলাকৰ থকামেলা, বিশেষকৈ থকা খোৱাৰ মান উন্নত কৰিব লাগে।

(৩) Well equipped modern হস্পিতেলৰ খুব বেচি দৰকাৰ। যাতে ছাত্ৰ-ছাত্ৰীসকল বিশেষকৈ হোষ্টেল আৱাসী সকলে যি কোনো ৰোগত উন্নত চিকিৎসা আশা কৰিব পাৰে।

(৪) College Gate খনত চকীদাৰৰ পহৰাৰ ব্যৱস্থা কৰিব লাগে। যাতে মগনীয়া, ভিক্ষাৰীজাতীয়লোক বা যি কোনো দুষ্কৃতিকাৰী কলেজ চৌহদত সোমাই শৈক্ষিক পৰিৱেশ নষ্ট কৰিব নোৱাৰে।

(৫) কটন কলেজৰ office-staff টো Well trained হ'ব গাগে। দৰকাৰ হলে expert ৰ দ্বাৰা Training দিয়াব লাগে। Office record বোৰ ভালদৰে ৰখাৰ সুবন্দোবস্ত কৰিব লাগে।

(৬) এখন ভাল Canteen ৰ বন্দোৱস্ত হ'ব লাগে।

(৭) আটাইতকৈ ডাঙৰ কথা হৈছে কটনকলেজ উত্তৰ-পূৱ ভাৰতৰ এখন আগৰণুৱা কলেজ হৈও এতিয়াও নতুন নতুন বিষয়ৰ শ্ৰেণী নোখোলাটো আশ্চৰ্য্যৰ বিষয়। এই ক্ষেত্ৰত যিমান সোনকালে পাৰে কাৰ্য্যকৰী ব্যৱস্থা লোৱাটো খুবেই দৰকাৰী।

(৮) কটনৰ যিবিলাক III আৰু IV grade কৰ্ম্মচাৰী আছে তেওঁলোকৰ থকা মেলাৰ ব্যৱস্থা হ'ব লাগে। আৰু তেওঁলোকে নিজা কৰ্তব্য যাতে সুকলমে পালন কৰে তাৰ প্ৰতি চকু দিয়া দৰকাৰ।

(৯) আমাৰ যিটো লাইব্ৰেৰী সেইটো উন্নত কৰাৰ বহু থল আছে। প্ৰত্যেক বিষয়ৰ যিবিলাক All India level ৰ Journal referance book বিভিন্ন বাতৰিকাকত আলোচনী নিয়মীয়াকৈ সংগ্ৰহ কৰাৰ সু-ব্যৱস্থা কৰিব লাগে। সকলো গ্ৰন্থসম্পদ পৰিস্কাৰ আৰু পৰিপাটিকৈ ৰখা আৰু সিবিলাক সংৰক্ষণৰ উন্নত ব্যৱস্থা থাকিব লাগে।

কটন কলেজ উৎকৰ্ষতাৰ কেন্দ্ৰবিন্দু ৰূপে গঢ়ি তুলিবলৈ আৰু বহুতো পদক্ষেপ লব পাৰি। যিবোৰ ইমান কম পৰিসৰৰ মাজত বৰ্ণাই শেষ কৰিব নোৱাৰি। লগে লগে মাথো ইয়াৰ কৰ্মকৰ্ত্তা শিক্ষক ছাত্ৰ-ছাত্ৰীৰ একান্ত আন্তৰিকতা, আত্মবিশ্বাস আৰু একাগ্ৰনিষ্ঠাৰে কাম কৰি যোৱাৰ মানসিকতা, কটন কলেজৰ সকলো দিশতে উৎকৰ্ষ সাধনৰ কামনা কৰি মোৰ লিখনিৰ ইমানতে সামৰিছো।

***ড° মোৱাজ্জাদা ৰহমান***
*ৰাজনীতি বিজ্ঞান বিভাগ,*

কটন কলেজৰ গৌৰৱোজ্বল ১০০ বছৰৰ ইতিহাস আছে সঁচা কথা, কিন্তু সেই শ বছৰীয়া বুৰঞ্জীৰ বাস্তৱসম্মত সমীক্ষাও হ'ব লাগিব। কোনো এটা অনুষ্ঠানেই কেৱলমাত্ৰ ইতিহাস আৰু অতীত লৈয়েই বৰ্ত্তি থাকিব নোৱাৰে। বিশেষকৈ আজিৰ চূড়ান্ত প্ৰতিযোগিতা আৰু শ্ৰমৰ উৎকৰ্ষতা সাধনৰ যুগত উৎকৃষ্টতাৰ নমুনা কেৱলমাত্ৰ পৰীক্ষাৰ ফলাফলেই হ'ব নোৱাৰে। সেয়ে কটন কলেজক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাবে গঢ়িবলৈ হলে বৰ্ত্তমানৰ ভেঁটি বৰ্থখিনি সালসলনি নাইবা মেৰামতি কৰিব লাগিব। প্ৰথমতেই প্ৰশাসন ব্যৱস্থা কটকটীয়া আৰু কঠোৰ হব লাগিব। শৃংখলাবদ্ধ, নিয়মীয়া আৰু কাৰ্য্যদক্ষ প্ৰশাসনে একে সময়তে কটন কলেজক দিব মুক্ত শৈক্ষিক বাতাবৰণ, প্ৰতিভাৰ সফল ৰূপায়নৰ বাবে প্ৰয়োজনীয় ক্ষেত্ৰ তথা আহিলা আৰু ভৱিষ্যতৰ কল্পদৃষ্টি।

দ্বিতীয় প্ৰয়োজনীয় কথা হ'ল ছাত্ৰ সমাজৰ বিশেষ প্ৰমূল্যৰ সংযোজন। কটন কলেজৰ ছাত্ৰ সমাজে বৰ্ত্তমান আৰ্থসামাজিক তথা ৰাজনৈতিক পৰিৱেশ পৰিস্থিতিত বালিত মুখ লুকুৱা উটপক্ষীৰ দৰে কেৱল নিৰপেক্ষ হৈ থাকিলে নহ'ব, বৰঞ্চ সজাগ আৰু সতৰ্ক প্ৰহৰীৰ দৰে ছাত্ৰ সমাজে নিজৰ দায়িত্বৰ প্ৰতি নিষ্ঠাবান হ'ব লাগিব। নিজৰ ভাষা সংস্কৃতিৰ অস্তিত্বৰ প্ৰতি সজাগ থাকিলেও, প্ৰত্যেকজন কটনিয়ানে এটা ডাঙৰ সামাজিক দায়িত্ব পালন কৰিব পাৰে।

বৌদ্ধিক বিকাশৰ কেন্দ্ৰবিন্দু হবলৈ বৰ্ত্তমান শৈক্ষিক পদ্ধতি তথা পৰিৱেশেই যথেষ্ট নহয়। Computer Science, Linguistics, Business Management, Information Technology, Mass Communication. ইত্যাদি নতুন বিভাগৰ পূৰ্ণপৰ্য্যায়ৰ পাঠদানেহে কটন কলেজক উৎকৰ্ষতাৰ কেন্দ্ৰবিন্দু হিচাবে থিয় কৰাব। অৱশ্যে কলেজৰ সামগ্ৰিক উন্নয়নৰ বাবে লাগিব ইয়াৰ সমগ্ৰ ছাত্ৰ সমাজ, শিক্ষক বৃন্দ তথা কৰ্মচাৰীৰ নিষ্ঠা, সক্ৰিয় কৰ্ম্মস্পৃহা আৰু আত্মীয়তাৰ মনোভাৱ। ভৱিষ্যতৰ আচনি সমূহৰ সফল ৰূপায়নৰ বাবে প্ৰত্যেকৰে সচেতন যোগদান লাগিব।

***ড° গৰিমা কলিতা***
*ইংৰাজী বিভাগ*

সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ বৌদ্ধিক উৎকৰ্ষতাৰ শীৰ্ষবিন্দু কটন কলেজ কেৱল এটি যুগান্তকাৰী নামেই নহয় ই হ'ল বৰ্ত্তমান অসম আৰু অতীতৰ অবিভক্ত অসমৰ জনসাধাৰণৰ মন শিহৰিত কৰি তুলিব পৰা এটি ঐতিহ্যবহনকাৰী শিক্ষানুষ্ঠান। অসমৰ ঐতিহ্যমণ্ডিত প্ৰথম মহাবিদ্যালয় কটন কলেজ মাথো এটি শিক্ষানুষ্ঠানেই নহয় ই অসমৰ সমাজ সংস্কৃতিৰ অপৰিহাৰ্য্য অঙ্গস্বৰূপ। এই সাৰস্বত অনুষ্ঠানৰ বিজয় বৈজয়ন্তী সগৌৰৱে উৰি থকাৰ এশ বছৰ হওঁ হওঁ কিন্তু সমগ্ৰ ভাৰতবৰ্ষৰ আগত গঢ়ি তুলিবলৈ এই শতবৰ্ষৰ প্ৰাক মূহুৰ্ত্তত কৰিবলগীয়া কাম বহুতো বাকী।

(১) বৰ্ত্তমান সময় আৰু অন্যান্য দেশৰ সম-সাময়িক ৰূপত খোজ দিব পৰাকৈ বৰ্ত্তমান এই কলেজত কম্পিউটাৰ, মাচ-মিডিয়া, সাংবাদিকতা,

হ'ম চাইল্দ আৰু বহুতো নতুন নতুন বিষয়ৰ অভাৱত অসমৰ বহু সুযোগ্য সন্তান অসমৰ বাহিৰলৈ ধাপলি মেলিব লগা হৈছে। এয়া বৰ দুখৰ বিষয়। গতিকে বৰ্ত্তমান সময় তথা অন্যান্য দেশৰ লগত খোজ মিলাই আগবাঢ়িবলৈ এই বিষয় সমূহ ইয়াত মুকলি কৰিব লাগিব।

(২) কটন কলেজৰ পুৰণি অবয়ব ধ্বংস নকৰি ৰক্ষণাবেক্ষণৰ দিহা কৰিব লাগে কাৰণ পুৰণি ঐতিহ্যপূৰ্ণ অবয়বে নানান পৰ্য্যটককো এটা সময়ত আকৰ্ষিত কৰিছিল।

(৩) বসৰ বহুঘৰা সংস্কৃতিৰ বৰপেৰা প্ৰত্যেক জাতিৰ লোকসমাজ কেঁচা মাটিৰ পৰশ, মুক্ত বায়ুপানীৰ সংমিশ্ৰনে লোকজীৱনলৈ আনে উদ্দাম প্ৰাণচঞ্চলতা, অকপট সাৰল্য। লোকসংস্কৃতিয়ে এটা জীৱনৰ ছবি আঁকে সেয়ে তাত থাকে মাটিৰ গোন্ধ, থাকে দুৰ্ব্বাৰ আকৰ্ষণ। আধ্যাত্মিকতা, লোকায়ত দৰ্শন, হাঁহি-কান্দোন, জীৱনৰ পূৰ্ণতা-অপূৰ্ণতা, কৰুণাৰ হুমুনিয়াহ, লোকসমাজৰ আৰ্থিক চিত্ৰপট, কি যে নাই তাত। এনে লোকসংস্কৃতিৰে সমৃদ্ধ অসমৰ প্ৰাণকেন্দ্ৰ স্বৰূপ কটন কলেজ, ইয়াৰ কিন্তু কোনো স্বৰূপ নাই। অসমৰ বিভিন্ন জাতি- জনজাতিৰ বাসভূমি। প্ৰতিটো জাতি-জনজাতিৰ স্থাপত্য, ভাস্কৰ্য্য অসমীয়া সংস্কৃতিৰ অমূল্য সম্পদ। এই সম্পদ সমূহৰ ৰক্ষণাবেক্ষণ কৰি কটনিয়ান সকলে সংৰক্ষিত কৰি পৰ্য্যতকক আকৰ্ষণ কৰিব পৰাকৈ 'মিউজিয়াম' এটা স্থাপন হোৱা বৰ প্ৰয়োজন। শংকৰী কলাকৃষ্টিৰ যি সংস্কৃতি তাৰ অজস্ৰ উপাদান অসমৰ সমাজ আৰু জনমানস পৰিপূৰ্ণ। কিন্তু এইবোৰৰ বিকাশৰ বাবে কোনো কেন্দ্ৰ স্থাপন কৰি অসমীয়া সংস্কৃতি জীয়াই ৰাখিবলৈ এই প্ৰাণকেন্দ্ৰ কটন কলেজত ব্যৱস্থা হাতত লব লাগে।

(৩) অসমৰ বিশ্বৱাভায়ে হওঁক সুদূৰ ইংলণ্ডৰ চুড মাৰ্চনেই হওঁক তেওঁলোকৰ স্মৃতি অৱগাহন কৰিব পৰা কিছু অনুষ্ঠানৰ জৰিয়তে সজীৱ কৰি ৰাখিব পাৰিলে ই স্মৰণীয় হৈ ৰব।

চৰকাৰৰ ওপৰত নিৰ্ভৰ নকৰি প্ৰাক্তন তথা বৰ্ত্তমান সকলো কটনিয়ান তথা অসমবাসী একবদ্ধ হৈ শতবৰ্ষৰ ইতিহাস গৰ্ব্বিত কৰিবলৈ এক শক্তিশালী সুপৰিকল্পিত দীৰ্ঘম্যাদী ব্যৱস্থা হাতত লব লাগিব যি ব্যৱস্থাসমূহে মানবীয় প্ৰমূল্যক পৰিবৰ্ত্তিত পৰিমণ্ডলৰ আধুনিক জীৱনৰ ক্ষিপ্ৰতাৰ লগত খোজ মিলাই আগুৱাই যাবলৈ সহায় কৰে।

*ড° তিলোত্তমা বৰুৱা*
*নৃতত্ব বিভাগ*

অসমবাসীৰ হিয়াৰ আমঠু স্বৰূপ কটন কলেজক বৌদ্ধিক উৎকৰ্ষতাৰ কেন্দ্ৰবিন্দু ৰূপে সমগ্ৰ ভাৰতবৰ্ষৰ আগত গঢ়ি তুলিবলৈ হ'লে শতবৰ্ষৰ প্ৰাক্-মুহূৰ্তত কেতবোৰ কাম হাতত লোৱা উচিত।

প্ৰথমতে কলেজখনৰ নানা সমস্যাৰ সমাধান কৰিব লাগিব। যেনে পৰ্যাপ্ত শ্ৰেণী কোঠা নিৰ্মাণ, ভাল আচ-বাব, লাইট-ফেনৰ মেৰামতি, ছাত্ৰ-ছাত্ৰীৰ পৰ্যাপ্ত আবাস নিৰ্মাণ, ইণ্ডোৰ ষ্টেডিয়াম আৰু পুথিভঁৰালৰ খৰতকীয়া নিৰ্মাণেই প্ৰধান। পুথিভঁৰালটো আধুনিক যুগৰ লগত খোজ মিলাই কম্প্যুটাৰাইজ হ'লে ভাল হয়। কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা প্ৰথম কিস্তিৰ অনুদানৰ টকাৰ ক্ষিপ্ৰ সদ্ব্যৱহাৰ হ'ব লাগে। প্ৰতি বিভাগতে টেলিফোনৰ সুবিধা লাগে আৰু ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে ইন্টাৰনেটৰ ব্যৱস্থা কৰিব লাগে। কলেজখনত সুস্থ, শৈক্ষিক পৰিৱেশ অটুট ৰাখিবলৈ কলেজ কৰ্তৃপক্ষই মাজে সময়ে সভা আহ্বান কৰি ছাত্ৰ, শিক্ষক আৰু কৰ্মচাৰীৰ সুবিধা- অসুবিধাৰ গম লোৱা উচিত। বিভিন্ন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অৰ্হতাৰ ভিত্তিত কেইখনমান আসন সংৰক্ষণৰ ব্যৱস্থাৰ লগত বৃত্তিমুখী আৰু আধুনিক প্ৰযুক্তিবিদ্যাৰ লগত জড়িত নতুন পাঠ্যক্ৰম প্ৰবৰ্তন কৰিব পাৰিলে ভাল হয়। এটি যাদুঘৰ নিৰ্মাণ কৰি কলেজখনৰ ঐতিহ্য বিষয়ক স্মৃতি চিহ্নৰ সংগ্ৰহ কৰিব পৰা যায়। স্বায়ত্ব শাসন ব্যৱস্থাই কটন কলেজক বৌদ্ধিক উৎকৰ্ষতাৰ কেন্দ্ৰবিন্দু বুলি প্ৰতীয়মান কৰাত বিশেষ বৰঙণি যোগাব। শতবৰ্ষৰ পৰৱৰ্তী সময়তেই হওক, চৰকাৰে এই বিষয়ে মনোনিবেশ কৰিলে এক মহৎ কাৰ্য সম্পাদন হ'ব। শতবাৰ্ষিকী উপলক্ষে ভালেমান গ্ৰন্থ প্ৰকাশ, আলোচনা চক্ৰ, তৰ্ক-খেল-সংগীত প্ৰতিযোগিতা, সাংস্কৃতিক কাৰ্যসূচী আদি যিবোৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে সেইবোৰৰ সফল ৰূপায়নৰ বাবে অসমৰ ভিতৰতে সকলো শ্ৰেণীৰ লোকৰে সহায়-সহোযোগ লাগিব আৰু তেওঁলোকক নানা কামত জড়িত কৰিব লাগিব। কটন কলেজৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ।

*চম্পাকলি তালুকদাৰ*
*অসমীয়া বিভাগ*

কটন কলেজ শতবৰ্ষৰ দুৱাৰদলিত আহি ঠিয় দিলেহি। সমগ্ৰ উত্তৰ পূব ভাৰতৰ বৌদ্ধিক উৎকৰ্ষতাৰ শীৰ্ষবিন্দু স্বৰূপ কটন কলেজ কিন্তু ভাৰতৰ ভিতৰত সামগ্ৰিক ভাৱে এতিয়াও বহুত নিম্ন স্থানতহে আছে। শতবৰ্ষৰ এনে এটি সুন্দৰ ক্ষণত মোৰ চিন্তাধাৰাৰে সমগ্ৰ ভাৰতবৰ্ষৰ আগত প্ৰতিষ্ঠিত কৰিবলৈ তলত উল্লেখ কৰা ব্যৱস্থাসমূহ প্ৰয়োগ কৰিলে কটন কলেজক আমি Centre of excellence ৰূপে গঢ়ি তুলিবলৈ সক্ষম হম যেন অনুভৱ হয়।

(১) শ্ৰেণী কোঠাৰ আয়তন কমোৱাৰ প্ৰয়োজন। এনে ব্যৱস্থাই প্ৰত্যেক টো শ্ৰেণীৰ এটা এটা দল বা ব্যক্তিগত ভাৱে প্ৰত্যেকজন ছাত্ৰৰ লগত শিক্ষকৰ যি সম্বন্ধ গঢ়ি উঠিব তাৰ ফলত ছাত্ৰ সকলে নিখুঁতভাৱে অধ্যয়ন কৰাত সহায় কৰিব।

(২) কম্পিউটাৰ শিক্ষা সকলোৰে বাবে বাধ্যতামূলক কৰিব লাগে।

(৩) কটন কলেজৰ আবাস সমূহত "কম পঢ়ি ভাল ৰিজাল্ট কৰা" ৰ যি সভ্যতা গঢ়ি উঠিছে সেইটো আবাসী সকলে নিজে পৰিত্যাগ কৰিব লাগিব। মোৰ অনুমান এইটো নিচেই উজু। কিয়নো ৰেগিংৰ নিচিনা ব্যাধি এটাও ছাত্ৰসকলৰ একান্ত প্ৰচেষ্টাত খুউব কম দিনৰ ভিতৰত নাইকিয়া হৈ গৈছে।

(৪) ছাত্ৰৰ মাজত ৰাজনীতি নথকাই ভাল। কলেজত গঢ়ি উঠা ভিন্ন অনুষ্ঠানসমূহে ৰাজনীতিৰ লগত জড়িত হৈ শৈক্ষিক পৰিৱেশ নষ্ট কৰাটো অনুচিত।

(৫) প্ৰত্যেকটো শ্ৰেণীৰ দহজনীয়া এটা দলক প্ৰতি সপ্তাহতে একোজনকৈ শিক্ষকৰ অধীনত ৰাখি আলোচনা চক্ৰ, বক্তৃতানুষ্ঠান আদি অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিব লাগে।

(৬) ছাত্ৰ-শিক্ষকৰ সম্বন্ধ অতি ওচৰ আৰু মধুৰ হোৱাৰ বাবে ভিন্ন ধৰণৰ ব্যৱস্থা হাতত ল'ব পাৰে।

(৭) বিনিময় ব্যৱস্থা যেনে ঃ কটন কলেজৰ দুজন ছাত্ৰকে দিল্লীস্থ অথবা আন কোনো ঠাইৰ কলেজলৈ অধ্যয়নৰ বাবে প্ৰেৰণ কৰি সেই কলেজৰ দুজনক ইয়ালৈ আনিলে শিক্ষাৰ ব্যৱস্থা আৰু সাংস্কৃতিক ক্ষেত্ৰত হোৱা বিনিময়ে কলেজখনক আগুৱাই নিবলৈ সক্ষম হ'ব।

(৮) এখন কলেজ উন্নতিৰ বাবে ছাত্ৰসকলৰ ব্যক্তিগত প্ৰচেষ্টা আটাইতকৈ গুৰুত্বপূৰ্ণ।

(৯) বিভিন্ন ধৰণৰ বন্ধ আদি ছাত্ৰ ছাত্ৰীসকলে নানা ধৰণৰ গুৰুত্বপূৰ্ণ কৰ্মশালা, বিজ্ঞান সমাৰোহ আদিত জড়িত হৈ থাকি অথবা অন্য প্ৰকাৰে সদব্যৱহাৰ কৰিব লাগে।

(১০) ভাল ফলাফলৰ বাবে ধাউতি বঢ়াবলৈ পৰীক্ষাত প্ৰথম তিনিটা স্থান লাভ কৰা সকলক ডিপ্লমাৰ লগত বিভিন্ন পুৰষ্কাৰেৰে পুৰস্কৃত কৰিব লাগে।

***অনুপম শইকীয়া (ৰেংলাৰ)***
*ট্ৰিনিটি কলেজ, কেমব্ৰীজ ইউনিভাৰ্চিটি (লণ্ডন)*

*( সাক্ষাৎ গ্ৰহণত সহায় কৰিলে ঃ অনুপ বৰুৱা, কেশৱানন্দ ফুকন, নাৰায়ণ মালাকাৰ, নবীন দে', মৈত্ৰেয়ী, স্বপ্নালী আৰু ইভলিনাই— সম্পাদক)*

# সেউজীয়া প্ৰাচীৰৰ সোণোৱালী সুবাস

কটন কলেজৰ বৌদ্ধিক পৰিবেশ সবল কৰি ৰখাত কলেজখনৰ প্ৰাচীৰ পত্ৰিকাসমূহৰ অৱদান নিতান্তই উল্লেখনীয়। কটন কলেজৰ ছাত্ৰ সমাজৰ দ্বাৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা সমূহে ন ন লেখক, সাহিত্যিক গঢ় দিয়াত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। প্ৰাচীৰ পত্ৰিকা সমূহৰ ধুনীয়া ধুনীয়া স্কেচ্‌বোৰ, সুন্দৰ তথা পৰিপাটি হস্তলেখন, অৰ্থপূৰ্ণ কলাজ আৰু ধুনীয়া ফটোগ্ৰাফ সমূহে এক বুজন সংখ্যক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীক এই প্ৰাচীৰ পত্ৰিকাসমূহ সমূহ ক্ৰমান্বয়ে আকৰ্ষিত কৰি আহিছে। আনকি কলেজলৈ বিভিন্ন কাৰণবশতঃ আগমন হোৱা বিভিন্ন বহিৰাগতকো এই প্ৰাচীৰ প্ৰত্ৰিকা সমূহে আকৰ্ষিত কৰা দেখা যায়। বিভিন্ন বিভাগ সমূহৰ লগতে ছাত্ৰাবাস সমূহেও নিয়মিত ভাৱে প্ৰাচীৰ পত্ৰিকা সমূহ প্ৰকাশ কৰা দেখা যায়। বিভিন্ন বিভাগ সমূহে তেওঁলোকৰ বিভাগীয় পাঠ্যক্ৰমৰ লগতে এই প্ৰাচীৰ পত্ৰিকা সমূহৰ জৰিয়তে তেওঁলোকৰ মৌলিক চিন্তাধাৰাৰ পৰিচয় দিয়ে যদিও এতিয়াও বহুতো বিভাগৰ নিজাববীয়া প্ৰাচীৰ পত্ৰিকা এখনিও নাই এইখিনিতে উল্লেখনীয় যে সৰস্বতী পূজা উপলক্ষে আবাস সমূহৰ মাজত এখনি প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰো প্ৰতি বছৰে আয়োজন কৰে শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাসৰ আবাসী সকলে। প্ৰাচীৰ পত্ৰিকাসমূহৰ ওপৰত চলোৱা এক সমীক্ষাত দেখা যায় যে এই প্ৰাচীৰ পত্ৰিকা সমূহে বহু সংখ্যক কবিতা, চিন্তাগধুৰ প্ৰবন্ধ তথা সুখপাঠ্য গল্প আদি প্ৰকাশ কৰি আহিছে। তলত প্ৰাচীৰ পত্ৰিকা সমূহৰ এক ক্ষীপ্ৰ সমীক্ষা আগবঢ়ালে স্নাতক ৩য় বৰ্ষৰ ছাত্ৰ ***নাৰায়ণ হৃষীকেশ মালাকাৰে।*** লগত সহায় আগবঢ়ালে স্বপ্নালী বৰগোহাঞিয়ে।

## (ক) আবাস সমূহৰ প্ৰাচীৰ পত্ৰিকা

**প্ৰাচীৰৰ ৰেঙণি ঃ** মহেন্দ্ৰ নাথ ডেকাফুকন ছাত্ৰাবাসৰ "প্ৰাচীৰৰ ৰেঙণি"ৰ নৱাগত আদৰণি সংখ্যাটো প্ৰাঞ্জল শৰ্মা বিশিষ্ঠৰ সম্পাদনাত প্ৰকাশ পায়। বেটুপাত পৰাগ বৰুৱাৰ আৰু হস্তাক্ষৰ প্ৰাঞ্জল শৰ্মা বশিষ্ঠ আৰু ৰামকৃষ্ণ পালৰ।

সমকালীন যুৱ সমাজৰ চাৰিত্ৰিক ভ্ৰষ্টতাক সমল হিচাপে লৈ পত্ৰিকাখনত গল্প লিখিছে অৰূপ কুমাৰ নাথে। অন্য এটা গল্প লিখিছে নয়নজ্যোতি নাথে। পত্ৰিকা খনৰ কবিৰ ঘৰত আছে বিদ্যুৎ, বৰুণ শৰ্মা, সৌম্য দেৱ (ইংৰাজী), পদ্মপাণি বৰা আদি। সমাজৰ প্ৰগতিত ছাত্ৰশক্তিৰ ভূমিকা সম্পৰ্কীয় নিবন্ধ লিখিছে সঞ্জীৱ কলিতাই আৰু একৈশ শতিকাৰ কল্পিত ভাৰত সম্পৰ্কীয় নিবন্ধ লিখিছে গৌতম সন্দিকৈয়ে। ছাত্ৰাবাসৰ পৰলোকগত ছাত্ৰ তাহাব মিজেৰ প্ৰতি উৎসৰ্গিত এই সংখ্যাত ছাত্ৰজনৰ স্মৃতিচাৰণ কৰিছে অশ্বিনী বড়ো আৰু এলি দয়েই।

**সৌৰভ ঃ** শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'সৌৰভ'ৰ শেহতীয়া সংস্কৰণটো সৰস্বতীপূজা বিশেষ সংখ্যা হিচাপে নাৰায়ণ মালাকাৰৰ সম্পাদনাত প্ৰকাশিত হৈ যায়। ভিটান ভেংকট বৰাই অংকিত কৰা বিংশ শতিকা আৰু একবিংশ শতিকাৰ তুলনাত্মক এক অৰ্থপুৰ্ণ বেটুপাটৰ লগতে দীপ বৰুৱাৰ পৰিষ্কাৰ পৰিছন্ন হস্তাক্ষৰৰ সৈতে প্ৰাচীৰ প্ৰত্ৰিকাখনিৰ অংগসজ্জা, অলংকৰণ তথা পৰিকল্পনা চকুত লগা। 'অৰুণোদয়' নামৰ এটি 'কাহিনীছন্দ'ত ৰঞ্জিত কাকতিয়ে এজন দুখীয়া মেধাৱী ল'ৰাৰ মনস্তত্ত্ব অতি সুন্দৰকৈ প্ৰকাশ কৰিছে। 'চিন্তাছন্দ'ত অসমৰ শৈক্ষিক ক্ষেত্ৰত আৰ্থিক সংকটৰ বিষয়ে অৱলোকন কৰিছে নাৰায়ণ মালাকাৰে। একবিংশ শতিকা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ নানা সমস্যাক লৈ লিখিত সম্পাদকীয়ৰ লগতে 'কবিতাৰ কৰণি' সজাইছে অংকুৰণ দত্ত, দিগন্ত কুমাৰ বেজবৰুৱা আৰু সুদৰ্শন বৰুৱাই। অংকুৰণ দত্তৰ 'কৈহাটীৰ চুলীয়া' নামৰ কবিতাটি প্ৰচীৰ পত্ৰিকা প্ৰতিযোগিতাত পুৰস্কৃত। ইয়াৰ লগতে চন্দন কেওঁট, ভিটান ভেংকট বৰাৰ ইংৰাজী প্ৰৱন্ধ, আইনষ্টাইনৰ বিষয়ে লিখা 'অধীক্ষকৰ কলম' আৰু 'মেংগবাৰী যাবা?' নামৰ অংকুৰণ দত্তৰ এটি ব্যংগছন্দৰে এই পত্ৰিকাখনি সু-সমৃদ্ধ। ইয়াৰোপৰি 'Indian Politics' নামৰ চন্দন কেওঁটৰ এটি ইংৰাজী কবিতাৰ লগতে মনোজ দাসৰ এটি 'আপদীয়া পদ্য', 'সৌৰভ'ৰ সৌৰভ।

**৩) ৰ'দালি ঃ** সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দালি'ৰ নৱাগত আদৰণি বিশেষ সংখ্যাটো ধ্ৰুবাৰ্ক চৌধুৰীৰ সম্পাদনাত প্ৰকাশ পায়। বেটুপাত ৰাজদীপ হালৈৰ। 'নিষিদ্ধ ডায়েৰীৰ ৰক্তাক্ত স্তৱক' শীৰ্ষক সম্পাদকীয় সম্বলিত এই প্ৰাচীৰ পত্ৰিকাখনত বেদান্ত ৰাজবংশীৰ 'জম্মু-কাশ্মীৰ ঃ সন্ত্ৰাসবাদ আৰু স্বয়ত্ব শাসনৰ দাবী' নামে এটি প্ৰৱন্ধ আছে। অন্য এটা ইংৰাজী প্ৰৱন্ধ 'The Crisis in Chechania'ত কে. বিপ্লৱ সিন্‌হাই চেচনিয়াৰ সমস্যা সমূহৰ ওপৰত আলোকপাত কৰা দেখা যায়। 'Grand Universe Theory' নামৰ এটি বিজ্ঞানভিত্তিক প্ৰৱন্ধ লিখিছে সিদ্ধাৰ্থ প্ৰতীম শইকীয়াই। ইয়াৰ লগতে লুটফা হানুম চেলিমা বেগমৰ কবিতা পুথি 'সেউজীয়া বাট এটা বিছাৰিছে সৰাপাতবোৰে'-ৰ গভীৰ কাব্যিক সমালোচনা আগবঢ়াইছে টিকেন্দ্ৰজিৎ গগৈয়ে। ধ্ৰুবাৰ্ক চৌধুৰীৰ কবিতা 'পানীত বৈ বতাহত বিয়পি' প্ৰাচীৰ পত্ৰিকাখনৰ অন্যতম আকৰ্ষণ।

**৪) প্ৰতিধ্বনি ঃ** আনন্দ ৰাম বৰুৱা ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰতিধ্বনি'ৰ নৱাগত আদৰণি বিশেষ সংখ্যাটো মানবেন্দ্ৰ ডেকাৰ সম্পাদনাত প্ৰকাশ পাইছে। বিশিষ্টা লেখিকা তথা সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীৰ দ্বাৰা উন্মোচিত এই প্ৰাচীৰ পত্ৰিকাখনৰ সহঃ সম্পাদক নয়ণজ্যোতি নাথ, বেটুপাত তথা অলংকৰণ সুমন্ত বৰুৱাৰ আৰু হস্তাক্ষৰ মানবেন্দ্ৰ ডেকা আৰু প্ৰসেনজিৎ দাসৰ। পৰিষ্কাৰ পৰিছন্ন হস্তাক্ষৰ আৰু ধুনীয়া স্কেচ্‌বোৰৰ সৈতে প্ৰাচীৰ পত্ৰিকাখনি লেখত ল'বলগীয়া। প্ৰাচীৰ পত্ৰিকাখনৰ 'কাব্যৰ ঘৰ' শিতানটো সজাইছে মানবেন্দ্ৰ ডেকা, ৰিদিপ শইকীয়া, বিশ্বজিৎ বৰা, বিজয় শংকৰ বৰ্মণ, শচীন গগৈ আৰু কনক সাগৰে। ইয়াৰ মানবেন্দ্ৰ ডেকাৰ 'অৰণ্য' আৰু বিজয় শংকৰ বৰ্মণৰ 'ফাৰ্ষ্ট ইয়েৰ' নামৰ কবিতা দুটা ৰসাস্বাদপূৰ্ণ। মনোজ দাসৰ গল্প 'অবৈধ' লেখকৰ উজ্জ্বল ভৱিষ্যতৰ পৰিচায়ক। পত্ৰিকাখনৰ ইংৰাজী শিতানটো সজাইছে নয়নজ্যোতি নাথ, সুৰজিৎ বৰ্মণ, দেৱজিৎ শৰ্মা, আচিক জামান, ৰূপম তালুকদাৰ আৰু প্ৰসেনজিৎ দাসে। নয়নজ্যোতি নাথৰ 'In-

dia's Contribution to world peace' নামৰ প্ৰবন্ধটো লেখকৰ গভীৰ চিন্তাৰ পৰিচায়ক।

**৫) ৰ'দ কাঁচলি ঃ** শ্বহীদ বঞ্জিত বৰপূজাৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দ কাঁচলি'ৰ নবাগত বিশেষ সংখ্যাটোৰ সম্পাদনা সঞ্জয় শৰ্মাৰ। শ্যামল মিত্ৰ বৰুৱাৰ বেটুপাত তথা অলংকৰণৰ পত্ৰিকাখনৰ কবিতা শিতানটো সজাইছে হেমেন ৰাজবংশী, শ্যামল মিত্ৰ বৰুৱা, সঞ্জয় শৰ্মা, দেবাংগভূষণ হাজৰিকা আৰু বিপ্লৱ বৰুৱাই। মানস প্ৰতীম শৰ্মাৰ প্ৰবন্ধ 'সাম্প্ৰতিক জাতীয় শিক্ষাব্যৱস্থা'ত লেখকে শিক্ষা কি, শিক্ষাৰ উদ্দেশ্য আদিৰ বিষয়ে সুন্দৰ আলোকপাত কৰিছে। অমৰেন্দ্ৰ ডেকাৰ 'মা', জয়ন্ত বৰ্মণৰ 'যাত্ৰা' আৰু ৰিপুঞ্জয় কুমাৰ দাসৰ 'মোহভংগ' নামৰ তিনিটা গল্প পত্ৰিকাখনৰ উপজীব্য। প্ৰচীৰ পত্ৰিকাখনৰ ইংৰাজী শিতানটো সজাইছে উত্তৰণ হাজৰিকা, আদিত্য ভূঞা, বিবেক শইকীয়া আদিয়ে। আদিত্য ভূঞাৰ গল্প 'An eventful morning' সুখপাঠ্য হৈছে।

**৬) দেৱালৰ স্বৰ ঃ** কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'দেৱালৰ স্বৰ'ৰ শেহতীয়া সংখ্যাটো মৃণাল চহৰীয়াৰ সম্পাদনাত প্ৰকাশ পাইছে। কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'দেৱালৰ স্বৰ'ত সৃষ্টিৰ উকমুকনি সততে লক্ষ্য কৰা হৈছে। প্ৰাচীৰ পত্ৰিকাৰ দৰে ক্ষুদ্ৰকায় পৰিসৰত পৰিমিত অথচ বৈভৱপূৰ্ণ ভিন্ন প্ৰবন্ধ আগবঢ়াইছে-- দীপ কুমাৰ ডেকা, জয়ন্ত দোলাকাষৰীয়া, হিৰণ্য কুমাৰ বৰ্মণ, প্ৰফুল্ল গগৈ, সূৰ্য কুমাৰ শইকীয়া, ৰৌশন শৰ্মা আৰু জিণ্টু বৰাই। ৰসাস্বাদী গল্প লেখিছে-- বিকাশ বৰুৱাই। সৌৰভ কুমাৰ চলিহাৰ গল্প পুথি 'কবি'ৰ গ্ৰন্থ সমালোচনা আগবঢ়াইছে হিৰণ্য কুমাৰ বৰ্মণে। আনহাতে পৰম আদৰৰ 'কবিৰ ঘৰ' সজাবলৈ যত্ন কৰিছে ক্ৰমে মাধৱ দেউৰী, প্ৰাঞ্জল গগৈ, দীপ কুমাৰ ডেকা, প্ৰান্তিক কোঁৱৰ আৰু মৃণাল চহৰীয়াই। নৱজ্যোতি দত্তৰ দ্বাৰা অংকিত মনোজ্ঞ বেটুপাত, গৌতম চৌধুৰী, গাজিবুৰ ৰহমানৰ অংগসজ্জা, হিৰণ্য কুমাৰ বৰ্মণৰ হস্তাক্ষৰে পত্ৰিকাখনৰ শোভা বৰ্দ্ধন কৰিছে বুলি বিনা দ্বিধাই ক'ব পাৰি।

**৭) সাৰ্বজনীন ঃ** ৰজনী কান্ত বৰদলৈ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'সাৰ্বজনীন'ৰ শেহতীয়া সংখ্যাটো ৰূপম গগৈৰ সম্পাদনাত প্ৰকাশ পায়। সাহিত্য আৰু সমাজৰ সম্পৰ্কক লৈ লিখা উৎকৃষ্ট সম্পাদকীয়ৰে প্ৰাচীৰ পত্ৰিকাখনত দুটা কবিতা লিখিছে হিমাংশু প্ৰসাদ দাস আৰু সঞ্জয় শৰ্মাই। প্ৰবন্ধ লিখিছে ৰাজীৱ সূত্ৰধাৰ, অপূৰ্ব মুখাৰ্জী আৰু দীপজ্যোতি ফুকনে। "A letter written by Abrahon Lincon to his son's headmaster" - শীৰ্ষক সম্পাদকীয় বাছনিৰ চিঠিখন প্ৰাচীৰ পত্ৰিকাখনৰ মূল উপজীব্য। প্ৰাচীৰ পত্ৰিকাখনৰ বেটুপাত অম্লান ডে আৰু হস্তাক্ষৰ ৰূপম গগৈ (ইংৰাজী) আৰু গৌতম হালৈৰ (অসমীয়া)।

**৮) শ্বাশ্বত ঃ** নলিনীবালা দেৱী ছাত্ৰীনিৱাসৰ পৰা প্ৰকাশ পোৱা প্ৰাচীৰ পত্ৰিকা 'শ্বাশ্বত'ত আবাসীসকলৰ সাহিত্য আৰু শিল্প প্ৰতিভাৰ সম্যক প্ৰতিফলন ঘটিছে। নৱাগত আদৰণি সংখ্যা আৰু সৰস্বতী পূজা বিশেষ সংখ্যাত প্ৰাচীৰ পত্ৰিকাখনি প্ৰকাশ পাই আহিছে। মূলতঃ নতুনক প্ৰাধান্য দি প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকাখনিৰ শেহতীয়া নৱাগত সংখ্যাটোৰ সম্পাদিকা হ'ল প্ৰতিভা বৰ্মণ। বেটুপাত স্মিতা খাউণ্ডৰ। 'শ্বাশ্বত' শব্দটোৰ লগতে বেটুপাতটোৱে বহন কৰিছে শান্ত-সৌম্য প্ৰকৃতিৰ চিৰন্তন ৰূপ। কবিতাৰ কৰণিত স্মৃতিমালা শৰ্মা, আৰাধনা প্ৰিয়ম্বদা, শ্ৰুতিমালা শৰ্মা, প্ৰতিভা বৰ্মণৰ নাম উল্লেখনীয়। তাৰা বসুমতাৰীৰ প্ৰবন্ধ উন্নত মানদণ্ডৰ।

**৯) উত্তৰণ ঃ** শ্বহীদ কনকলতা ছাত্ৰীনিবাসৰ পৰাওঁ প্ৰতি বছৰে নৱাগত আদৰণি সভা আৰু সৰস্বতী পূজা উপলক্ষে একে নামৰ দুখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ পাই আহিছে। সৰস্বতী পূজা বিশেষ সংখ্যাটোৰ সম্পাদিকা আছিল অনুৰাধা দলে। বেটুপাত-- দীপামণি শইকীয়াৰ। নিশা শৰ্মাৰ গল্প, স্বপ্নালী বৰগোঁহাইৰ কবিতা আৰু দীপামণি শইকীয়াৰ গ্ৰন্থ সমালোচনা প্ৰাচীৰ পত্ৰিকাখনিৰ অন্যতম আকৰ্ষণ। স্বৰ্ণালী দত্তৰ অনুবাদ গল্প প্ৰশংসনীয়। উত্তৰণৰ নৱাগত আদৰণি বিশেষ সংখ্যাৰ সম্পাদিকা আছিল চৈয়দা চেলিম জাহান। অপৰাজিতা পূজাৰীৰ লেখনিকে ধৰি নৱাগত সকলৰ লেখনিৰ ওপৰত ইয়াক বিশেষভাৱে প্ৰাধান্য দিয়া হৈছে। 'উত্তৰণ' দীৰ্ঘজীৱি হওঁক। নিত্য নতুন সৃষ্টি প্ৰতিভাৰে নিজকে সমৃদ্ধ কৰক।

## (খ) বিভাগীয় প্ৰাচীৰ পত্ৰিকাসমূহ ঃ

**১) ঋতুৰে ঋতুৰে ঃ** অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'ঋতুৰে ঋতুৰে' অসমীয়া আলোচনা চক্ৰৰ তৰফৰ পৰা 'শেৱালি ফুলা সংখ্যা' হিচাপে প্ৰদীপ কুমাৰ নায়কৰ সম্পাদনাত প্ৰকাশিত হৈ যায়। প্ৰয়াত হিতেশ ডেকাৰ সোঁৱৰণত উৎসৰ্গ এই সংখ্যাটিৰ বেটুপাত, অলংকৰণ তথা হস্তাক্ষৰ দেৱপ্ৰতীম হাজৰিকাৰ। প্ৰাঞ্জল কুমাৰ কাশ্যপৰ 'যৌৱনৰ জয়গান' আৰু চম্পক শৰ্মাৰ 'মানৱতা' নামৰ নিবন্ধটিৰ বাহিৰে প্ৰাচীৰ পত্ৰিকাখনি কবিতাৰে ভৰা। কবিৰ ঘৰত নৱমী গগৈ, প্ৰদীপ কুমাৰ নায়ক, মনোজ কুমাৰ, মানবেন্দ্ৰ ডেকা, জয়ন্ত কুমাৰ চুতীয়া, হেমন্ত কুমাৰ কাকতি, দেবানন্দ বৰা, গীতাঞ্জলি কলিতা আৰু জিতুমণি পাটগিৰিৰ কবিতা পোৱা যায়। মনোজ কুমাৰৰ 'স্বাদ' নামৰ কবিতাটি সচায়ে সোৱাদলগা।

**২) ইকনমিকা ঃ** অৰ্থনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'ইকনমিকা' নৱজ্যোতি দত্তৰ সম্পাদনাত প্ৰকাশিত হৈ যায়। বেটুপাত, অংগসজ্জা তথা অলংকৰণ নৱজ্যোতি দত্তৰ। হস্তাক্ষৰ গাজিবুৰ ৰহমানৰ। গ্ৰাম্য উন্নয়নৰ জৰিয়তে অৰ্থনৈতিক প্ৰগতি বিষয়ক সম্পাদকীয়ৰ লগতে 'অৰ্থনীতিৰ ন'বেল বঁটা ড° অমৰ্ত্য সেনলৈ' নামৰ এটি নিবন্ধ লিখিছে নৱজ্যোতি দত্তই। সৌৰভ প্ৰাণ শৰ্মাৰ 'অমৰ্ত্য সেন' নামৰ কবিতাটিৰ লগতে মণ্টু সোণোৱালৰ মুদ্ৰাস্ফীটি, নিবনুৱা-সমস্যা আৰু ভাৰতীয় অৰ্থনীতি নামৰ তিনিটা ধুনীয়া লিমাৰিকৰ লগতে বিদিত কুমাৰ হাজৰিকা আৰু গীতামণি শইকীয়াৰো দুটা কবিতা পোৱা যায়। 'বিশ্বব্যাপ্তকৰণৰ উপাদান সমূহ'ৰ ওপৰত লিখা ৰমেন গগৈৰ প্ৰবন্ধৰ লগতে 'The Contribution of Education to growth and Development' নামৰ অনুৰাধা দলৈৰ এটি প্ৰবন্ধ, 'On privatisation Dams outstanding against the govt. of Assam' নামৰ তিনিটা তত্বমূলক প্ৰবন্ধ প্ৰাচীৰ পত্ৰিকাখনৰ অন্যতম মূল আকৰ্ষণ।

**৩) গণিত প্ৰবাহ ঃ** গণিত বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'গণিত প্ৰবাহ' সীমান্ত কুমাৰ ডেকাৰ সম্পাদনাত প্ৰকাশ পায়। দীপ বৰুৱাৰ 'গাণিতীক চিন্তা', দিলীপ শৰ্মাৰ 'অমেয় প্ৰেৰণাৰ আকৰ ঃ পল আৰাডছ', মণ্টু কুমাৰ দাসৰ 'Probability Theory' নামৰ প্ৰবন্ধ তিনিটা আৰু কুলপ্ৰদীপ গোস্বামীৰ কবিতা 'A fairwell to Love', অতিথি কবি মানবেন্দ্ৰ ডেকাৰ কবিতা 'পেৰাব'লা' প্ৰাচীৰ পত্ৰিকাখনৰ মূল উপাদান।

৪) প্ৰত্যুষ ঃ পৰিসংখ্যা বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যুষ'ৰ শেহতীয়া সংখ্যাটো দীপ কুমাৰ ডেকাৰ মুখ্য সম্পাদনা তথা ৰূপম কুমাৰ ডেকাৰ সম্পাদনাত প্ৰকাশ পাইছে। কবিতা শিতানত ৰূপম কুমাৰ ডেকা, কৌশিক বৰুৱা, দীপ কুমাৰ ডেকা, বন্দনা খাটনিয়াৰ, সমন্বয় বৰুৱাৰ কবিতাৰ লগতে ইংৰাজী শিতানটো সজাইছে সৌম্য দেৱ, নয়নজ্যোতি দাস আদিয়ে। বন্দনা খাটনিয়াৰৰ প্ৰৱন্ধ 'Stat- A Science or an art' লেখত লবলগীয়া।

**৫) শাশ্বতী ঃ** সংস্কৃত বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'শাশ্বতী'ৰ সপ্তম সংখ্যাটো নন্দিতা ভট্টাচাৰ্যৰ তত্ত্বাৱধানত পাপৰি মেধিৰ সম্পাদনাত প্ৰকাশ পায়। বেটুপাত অৰ্ণৱ শৰ্মাৰ। সঞ্জয় শৰ্মাৰ প্ৰৱন্ধ 'কাব্যৰ উৎকৰ্ষ সাধনত প্ৰাচীৰ পত্ৰিকাৰ ভূমিকা' সময়োপযোগী। তদুপৰি মৃদুলা দেৱীৰ গল্প 'মানৱতাৰ স্খলন' সুখপাঠ্য। কবিতা শিতানটো সজাইছে সুমন বৰা, ধ্ৰুৱজিৎ শৰ্মা আৰু বৰ্ণালী ডেকাই। ভাৰতীয় সংস্কৃতিৰ ওপৰত দৃষ্টিপাত কৰি লিখা সুজীতা ভাদুৰীৰ প্ৰৱন্ধ 'Composite culture of India' উৎকৃষ্ট। সংস্কৃত শিতানটো সজাইছে দুৰৰি দত্ত, পাপৰি বৰা আৰু নিলাক্ষী দেৱীয়ে।

**৬) 'THE CLARION' ঃ** ৰসায়ণ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'The Clarion'ৰ শেহতীয়া সংখ্যাটো প্ৰকাশ পায় ড° অৰ্চনা গোস্বামীৰ সম্পাদনাত। এই বিজ্ঞান পত্ৰিকাখন সজাইছে ক্ৰমে আইৰিণা শইকীয়া, ইঙ্গিতা দেৱী, বিনয় কুমাৰ শইকীয়া, পৰীক্ষিত গগৈ, চন্দন শইকীয়া, উজ্জল শৰ্মা আৰু দুলু ৰঞ্জন বৰাই।

**৭) 'EGESIS' ঃ** উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'EGESIS'ৰ শেহতীয়া সংখ্যাটো প্ৰকাশ পায় নীলপংকজ বৈশ্যৰ সম্পাদনাত। দীপামণি শইকীয়াৰ বেটুপাতেৰে আৰু আৰাধনা গোস্বামীৰ হস্তাক্ষৰ সম্বলিত এই প্ৰাচীৰ পত্ৰিকাখন সজাইছে সুমন সিং, দীপামণি শইকীয়া, স্বৰ্ণালী দত্ত, ৰোশন শৰ্মা আৰু আৰাধনা গোস্বামীয়ে।

**৮) নাছিম-ই-বাহাৰ (Breeze of the Spring) ঃ** আৰবী আৰু পাৰ্চী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'নাছিম-ই-বাহাৰ'ৰ শেহতীয়া সংখ্যাটো ফাটেহা- দোহাজ- দাহাম বিশেষ সংখ্যা হিচাপে গাজিবুৰ ৰহমানৰ সম্পাদনাত প্ৰকাশ পায়। 'বহু বিবাহঃ এটি মুক্তিৰ প্ৰশ্ন'— শীৰ্ষক সম্পাদকীয় সম্বলিত প্ৰাচীৰ পত্ৰিকাখনৰ বেটুপাত নৱজ্যোতি দত্তৰ, অলংকৰণ আতোৱাৰ ৰহমানৰ আৰু অংগসজ্জা জিতুল আলীৰ। ফকৰুদ্দিন খানৰ 'আলোকপাতঃ বিশ্ব মনিষীসকলৰ দৃষ্টিত মহম্মদ', প্ৰাক্তন ছাত্ৰী চৈয়দা ছালিমা ইয়াছমীনৰ গল্প 'মায়াবী হাত' তথা ৰহিমুল্লা আলী, গাজিবুৰ ৰহমান, চুলতানাৰা আহমেদ, আকতাৰ হুছেইন, আতোৱাৰ ৰহমান, চৈয়দা ছাজিদা ৰহমান, নুৰুল ইছলাম আৰু চৈয়দা জেচমিন ৰহমানৰ কবিতাগুচ্ছ প্ৰাচীৰ পত্ৰিকাখনৰ মূল উপজীব্য। 'অতিথি চ'ৰা' শিতানটো সজাইছে জিন্টু বৰা, লোহিত গগৈ, জিতুল আলী আৰু মোখলেবুৰ ৰহমানে।

**৯) অনুৰণন ঃ** শিক্ষা বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'অনুৰণন'ৰ প্ৰথম সংখ্যাটো নবেম্বৰ '২০০০ চনত শচীন গগৈৰ সু-সম্পাদনাত প্ৰকাশ হৈ ওলাইছে। অকালতে মৃত্যুক আকোৱালি লোৱা শিক্ষা বিভাগৰ স্নাতকোত্তৰ চূড়ান্ত বৰ্ষৰ মেধাৱী ছাত্ৰ জ্যোতি নেওঁগৰ স্মৃতিত উৎসৰ্গিত এই প্ৰাচীৰ পত্ৰিকাখন অন্যান্য প্ৰাচীৰ পত্ৰিকাতকৈ চকুত লগা। জ্যোতি নেওঁগৰ স্মৃতিত লিখা হিৰণ্ময়ী মেধিৰ 'হিয়াৰ ডায়েৰীত ১১ পৃষ্ঠা', শিবানী গোস্বামীৰ কনকসেন ডেকাৰ গ্ৰন্থ 'হাডছনৰ পৰা লোহিত গংগা'ৰ গ্ৰন্থ সমালোচনা, অজন্তা চৌধুৰীৰ 'ফুল, তৰা আৰু গানৰ সপোনকলৈ লিখা চিন্তাৰ ক'লাজ', ড° পাৰবীন আখটাৰৰ 'মোৰ দৃষ্টিত কটন কলেজত প্ৰয়োজনীয় বিষয়সমূহ' প্ৰাচীৰ পত্ৰিকাখনৰ মূল আকৰ্ষণ। কবিৰ ঘৰত আছে ৰণ্টু গোহাই, ড° ৰূপা দাস বৰবৰা, কেশৱ বৰা আৰু মৌচুমী চহৰীয়া। প্ৰাচীৰ পত্ৰিকাখনৰ অন্য আকৰ্ষণ 'অতিথি কবি' শিতানত আছে বিজয় শংকৰ বৰ্মণ, মানবেন্দ্ৰ শৰ্মা আৰু পংকজ কুমাৰ নাথ।

**১০) La Phylite ঃ** পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'La Phylite'ৰ প্ৰথম সংখ্যাটো নমিতা বৰদলৈ আৰু মহাদেৱ পাটগিৰিৰ তত্ত্বাৱধানত তথা কমল কুমাৰ তাঁতীৰ সম্পাদনাত প্ৰকাশিত হৈ যায়। সহঃ সম্পাদক আছিল কুণ্ডল হাজৰিকা আৰু আলোকদীপ্ত বৰুৱা। বেটুপাত, অলংকৰণ তথা অংগসজ্জা কমল কুমাৰ তাঁতীৰ। 'পদাৰ্থ বিজ্ঞান আৰু সাহিত্য' শীৰ্ষক সম্পাদকীয়ৰে এই সংখ্যাটো সজাইছে সোমা মজুমদাৰ, টিনা. দি. ফুকন, আলোক দীপ্ত শৰ্মা বৰুৱা আৰু প্ৰদীপ কুমাৰ ঘোষে।

**১১) প্ৰৱাহ ঃ** ভূ-তত্ব বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰৱাহ'ৰ শেহতীয়া সংখ্যাটো প্ৰৱক্তা ড° সত্যজিৎ কাকতিৰ তত্ত্বাবধানত আৰু কিশোৰীমা কাশ্যপ কলিতাৰ সম্পাদনাত প্ৰকাশ পাইছে। সহঃ সম্পাদকদ্বয় হ'ল— মৃণাল আৰু বেদান্ত। বেটুপাত ৰক্তিম বৰঠাকুৰৰ, অলংকৰণ টিকেন্দ্ৰজিৎ, অংগসজ্জা হ'ল নীলমণি আৰু নিৰ্মলৰ। প্ৰাচীৰ পত্ৰিকাখনৰ হস্তাক্ষৰ হ'ল অৰ্ণৱ আৰু সত্যব্ৰতৰ (অসমীয়া) আৰু ইংৰাজী হস্তাক্ষৰ হ'ল তন্ময় আৰু পূজাৰ। প্ৰৱাহৰ এই সংখ্যাটো সজাইছে মননী বৰুৱা, পদ্মশ্ৰী দিহিঙিয়া, বাদছা বসু ৰয়, অধ্যাপক সত্যজিৎ কটকী, ঋত্বিকা ৰাজখোৱা, মনময়ূৰী শৰ্মা, দীপাংকৰ চৌধুৰী, দীপ দাস আৰু মৌচুম শইকীয়াই। ঋত্বিকা ৰাজখোৱাৰ গল্প 'A lonely moment' পঠনযোগ্য। মনময়ূৰী শৰ্মাৰ কবিতা 'প্ৰতীক্ষাৰ অন্ত' কবিৰ কবি মনৰ স্বাক্ষৰ স্বৰূপ। প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশত বিভিন্ন ধৰণে সহায় আগবঢ়োৱা বাবে সম্পাদিকা অসীমা, স্বপন, মমতা, শিখা আৰু দেৱানন্দৰ ওচৰত কৃতজ্ঞ।

## অন্যান্য প্ৰাচীৰ পত্ৰিকা সমূহ ঃ

